স্মৃতিৰ জিলিঙনিত

# কেইগৰাকীমান অসমৰ মুছলমান

## প্ৰথম খণ্ড


সম্পাদক আৰু সংকলক

**কমৰুজ্জামান আহমদ**

উপদেষ্টা

**ড° মহম্মদ তাহেৰ**



আল-আমিন জন কল্যাণ সমাজ

গুৱাহাটী, অসম

২০০৯

**SMRITIR JILINGANIT KEIGARAKIMAN ASOMOR MUSALMAN :** A collection of biographies of 122 Muslim personalities of Assam, some of whom contributed towards the society and others who were pioneers in their times, along with three articles on related topics, compiled and edited by Komoruzzaman Ahmed and published by Al-Ameen Welfare Society, Guwahati – 781037, Assam.

First publication May 2009 Price – ₹ 250.00 only.

---

প্ৰকাশক ঃ আল-আমিন জন কল্যাণ সমাজ
(Al-Ameen Welfare Society)
২১ বাঘৰবৰি পথ, পাঞ্জাবাৰী
গুৱাহাটী -৭৮১০৩৭
অসম
ফোন ঃ(৩৬১) ২৩৩৩৯৬২/ ৯৮৬৪০-৪০০১৮

© সম্পাদক আৰু সংকলক

প্ৰথম সংস্কৰণঃ মে, ২০০৯
দ্বিতীয় সংস্কৰণ ঃ ফেব্ৰুৱাৰী, ২০১২

প্ৰচ্ছদ ঃ পৰিকল্পনা ঃ কমৰুজ্জামান আহমদ
দেবিৰা চুলতানা আহমদ

দাম ঃ ২৫০.০০ টকা মাত্ৰ

---

ডি.টি.পি আৰু মুদ্ৰণ ঃ মাইক্ৰ কম্প-টেক, জয়ানগৰ পথ, ছয়মাইল,
গুৱাহাটী-৭৮১০২২,
ফোন-৯৮৬৪০-৭২৯৬৯, ৯৫০৮৭-৮০৪৬৭

“মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ
আমিও কৰিব পাৰোঁ জীৱন গঢ়িত ।
অভিনয় শেষ হ’লে আয়ু বেলি মাৰ
গলে
থৈ যাব পাৰোঁ খোজ সময় বালিত ।।”

জীৱন সঙ্গীত - আনন্দ চন্দ্ৰ আগৰৱালা

# কৃতজ্ঞতা স্বীকাৰ

এই সংকলন গ্ৰন্থখন ছপা কৰি প্ৰকাশ কৰিবৰ কাৰণে আৰ্থিক অনুদান দিয়া সকল হ'ল-

১) ড০ আয়েশ্বা আশ্ৰফ আহমদ- শ্বিলং

২) মোহম্মদ আব্দুল হাৰমাইন- প্ৰতিষ্ঠাপক সদস্য, আল-আমিন

৩) ইনামুল ইছলাম - প্ৰতিষ্ঠাপক সদস্য, আল-আমিন

৪) নাজিদা চালেহ - ডুবাই

৫) ছাৰটাজ আহমদ - আজীৱন সদস্য, আল-আমিন, যুক্তৰাষ্ট্ৰ

৬) কমৰুজ্জামান আহমদ - প্ৰতিষ্ঠাপক সদস্য,আল-আমিন

৭) হাচিবুৰ ৰহমান - প্ৰতিষ্ঠাপক সদস্য, আল-আমিন

৮) ছফিউল্লা খনিকৰ - প্ৰতিষ্ঠাপক সদস্য, আল-আমিন।

৯) ড০ চাকিয়া খান - আজীৱন সদস্য, আল-আমিন।

১০) ৰাহিদ চালেহ - হলেণ্ড।

১১) ডঃ তৌফিক বৰবৰা - প্ৰতিষ্ঠাপক সদস্য, আল-আমিন।

১২) মৰহুম ছফিকুল হক চাহাবৰ পৰিয়াল।

১৩) ইমতিয়াজ আলি - প্ৰতিষ্ঠাপক সদস্য, আল-আমিন।

১৪) মেহমুদুৰ ৰহমান বৰা - প্ৰতিষ্ঠাপক সদস্য, আল-আমিন

১৫) ৰাজীৱ চালেহ - আজীৱন সদস্য, আল-আমিন

১৬) ড° মুছাহিদ আহমদ - আজীৱন সদস্য, আল-আমিন,যুক্তৰাষ্ট্ৰ

তেখেতসকলৰ আৰ্থিক বদান্যতাৰ কাৰণে আমি শলাগ ভৰা কৃতজ্ঞতা জনালো আৰু তেখেতসকলৰ সৰ্বতোপ্ৰকাৰে মঙ্গল কামনা কৰিলো।

# সূচীপত্ৰ

১)	অৱতৰণিকা/ ড° মহম্মদ তাহেৰ / (ক)
২)	সম্পাদক আৰু সংকলকৰ দুআষাৰ-/কমৰুজ্জামান আহমদ (এঙ)
জীৱনী  (জন্মৰ ক্ৰম অনুসৰি)/জন্ম তাৰিখ/লেখক/পৃষ্ঠা
৩)	হজৰত শ্বাহ চুলতান গিয়াছুদ্দিন আউলিয়া (ৰঃ) /
দেবিৰা চুলতানা আহমদ/১
৪)	পোৱামক্কা দৰগাহঃ -শ্বাহ চুলতান গিয়াছুদ্দিন আউলিয়া /
আলহাজ চৈয়দ-মকিবৰ ৰহমান / ১১
৫)	ঐতিহাসিক পটভূমিত সিদ্ধ পুৰুষ চান্দ খাঁ/১৫ শতিকা/
ৰফিউল হুছেইন বৰুৱা/ ১৬
৬)	হজৰত আজান পীৰ (ৰঃ)/ ১৭ শতিকা/কমৰুজ্জামান আহমদ / ২০
৭)	বাঘ হাজৰিকা/১৬৩০/দেবিৰা চুলতানা আহমদ / ২৫
৮)	আনোৱাৰ শ্বাহ ফকীৰ /১৭৩০/দেবিৰা চুলতানা আহমদ / ৩১
৯)	ৰমজান খাঁ /১৭৯০/অপূৰ্ব বল্লভ গোস্বামী / ৩৭
১০)	আব্দুল জালাল জোলকাদ আলি/১৭৯৬/দেবিৰা চুলতানা আহমদ /৪০
১১)	বাহাদুৰ গাওঁবুঢ়া /১৮০০/দেবিৰা চুলতানা আহমদ /৪৫
১২)	ফৰ্ম্মুদ আলি /১৯ শতিকা/দেবিৰা চুলতানা আহমদ /৫১
১৩)	কেফায়তউল্লা /১৯ শতিকা/দেবিৰা চুলতানা আহমদ /৫৫
১৪)	মন-ধন শইকীয়া /১৯ শতিকা/দেবিৰা চুলতানা আহমদ /৫৯
১৫)	মুন্সী ৰহমত আলি /১৯ শতিকা/অসমীয়া জীৱনী অভিধান /৬১
১৬)	মোহাম্মদ শ্বাহ (যোৰহাট) /১৯ শতিকা/কমৰুজ্জামান আহমদ /৬২
১৭)	কৰ্ণেল জালনুৰ আলী আহমদ/১৯-৭-১৮৪৮/কুমুদেশ্বৰ হাজৰিকা /৬৫
১৮)	মুন্সী ছাখাৱত আলী/১৯শতিকা/কমৰুজ্জামান আহমদ /৭০
১৯)	মীৰ্জ্জা আবদুৰ ৰহমান বেগ/১৮৫৩/জিল্লুৰ ৰহমান বেগ /৭২
২০)	ডাঃ আবুবক্কৰ আয়াজ /১৯ শতিকা/দেবিৰা চুলতানা আহমদ/৭৫
২১)	ডাক্তৰ আৰংগশ্যা/১৮৫৭/অভিলেখ /৭৮
২২)	আজিজুৰ ৰহমান /১৯ শতিকা/দেবিৰা চুলতানা আহমদ /৭৯

২৩)  ফাইজুদ্দিন আহমদ/ ১৮৬৫/প্রসঙ্গ-কোষ /৮১
২৪)  আব্দুল মজিদ /১৮৬৯/দেবিৰা চুলতানা আহমদ /৮২
২৫)  মফিজুদ্দিন আহমদ হাজৰিকা /৩০-৮-১৮৭০/
দেবিৰা চুলতানা আহমদ /৯০
২৬)  মৌলবী ফৈয়াজ আহমদ /১৮৭০/দেবিৰা চুলতানা আহমদ /৯৪
২৭)  মোহাম্মদ সোলেইমান খাঁ /১৮৭০/কমৰুজ্জামান আহমদ /৯৮
২৮)  কুতুবউদ্দিন আহমদ/১৮৭২/শ্বাহনাজ আহমদ/১০০
২৯)  ফৈজনুৰ আলি/২-৪-১৮৭৭/ৰৌছনআৰা বেগম /১০১
৩০)  মহম্মদ নজৰ আলি পণ্ডিত/১৮৮৭/দেবিৰা চুলতানা আহমদ /১০৬
৩১)  মোহম্মদ শ্বাহ মৌজাদাৰ / ১৮৮০/দেবিৰা চুলতানা আহমদ /১০৯
৩২)  তফজ্জুল হুছেইন হাজৰিকা /১৮৮১/দেবিৰা চুলতানা আহমদ /১১৪
৩৩)  কেৰামত আলি/১৮৮২/কমৰুজ্জামান আহমদ /১১৮
৩৪)  আজিজুৰ ৰহমান/১৮৮৩/আকদাচ আলী মীৰ /১২০
৩৫)  জালালউদ্দিন আহমদ/১৮৮৪/ৰেহানা হুছেইন /১২৩
৩৬)  ছাৰ ছৈয়দ ছাদুল্লা /২১-০৫-১৮৮৫/ইমৰান হুছেইন /১২৯
৩৭)  ৰহিমুদ্দিন আহমদ/১২-১০-১৮৮৫/দেবিৰা চুলতানা আহমদ /১৩৮
৩৮)  আটাউৰ ৰহমান/১৮৮৬/কমৰুজ্জামান আহমদ /১৪০
৩৯)  হেৰাছৎ উল্লাহ /১৮৮৭/ছিৰাজুন নাহাৰ /১৪২
৪০)  জেহিৰুদ্দিন আহমদ /১৮৮৭/ ছফিউল্লা খনিকৰ /১৪৩
৪১)  পজিৰুদ্দিন আহমদ /১৮৮৭/দেবিৰা চুলতানা আহমদ /১৪৮
৪২)  ছিদ্দিক আলি /১৮৮৮/আবদুৰ ৰহমান /১৫২
৪৩)  ছৈয়দ মোহাম্মদ মুহিবুল্লা/১৯ শতিকাৰ শেষৰ দশকত/
ছৈয়দ আব্দুল হালিম/১৫৫
৪৪)  চৈয়দ চেইখুল মোচায়েখ চিষ্টি/১৮৯০/দেবিৰা চুলতানা আহমদ /১৫৬
৪৫)  নৱাব আব্দুল আজিজ/১৯শতিকাৰ শেষৰ দশকত/
কমৰুজ্জমান আহমদ /১৬০
৪৬)  মোছলেহউদ্দিন আহমদ /১৮৯৩/ড° পইনুৰুদ্দিন আহমদ /১৬২
৪৭)  চাইফুদ্দিন আহমদ/১৮৯৪/আব্দুল হক/১৬৭
৪৮)  তাহেৰুদ্দিন আহমেদ /১৮৯৪/মুহাম্মদ নুৰুল হক /১৭০

৪৯) মৌলানা মহম্মদ তৈয়বুল্লা /১৮৯৪/আতিফা আমিন /১৭৩
৫০) মিজানুৰ ৰহমান/১৮৯৫/হিৰেণ দাস /১৮০
৫১) ছৈয়দ আহমদ হুছেইন /১৮৯৫/ছৈয়দ আব্দুল হালিম /১৮৬
৫২) চৈয়দ আহমদ হুছেইন (যোৰহাট) /১৮৯৫/এনাজৰী /১৯০
৫৩) বদৰউদ্দিন আহমদ/১৮৯৬/অসমীয়া জীৱনী অভিধান /১৯২
৫৪) ইনামুল মজিদ /১৯-৫-১৮৯৬/দেবিৰা চুলতানা আহমদ /১৯৩
৫৫) চান্দ মোহাম্মদ চৌধুৰী/২৫-৯-১৮৯৬/দেবিৰা চুলতানা আহমদ /১৯৫
৫৬) খোছনুৰ আলী বৰুৱা/১৮৯৬/দেবিৰা চুলতানা আহমদ /১৯৯
৫৭) মোহাম্মদ ছালেহ/১৮৯৭/প্ৰসঙ্গ-কোষ আদিৰ পৰা সংগ্ৰহ /২০৪
৫৮) চৈয়দুৰ ৰহমান/১৮৯৭/দেবিৰা চুলতানা আহমদ /২০৫
৫৯) জুবেদা আটাউৰ ৰহমান/১-৭-১৮৯৮/দেবিৰা চুলতানা আহমদ/২০৭
৬০) আব্দুল ওৱালী/জুলাই ১৮৯৯/আইৰীণ হক বৰুৱা/ ২০৯
৬১) ডক্টৰ ময়িদুল ইচলাম বৰাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি /১৮৯৯/
শ্ৰীযতীন্দ্ৰনাথ গোস্বামী /২১৫
৬২) মুহিবুল হুছেইন /১৮৯৯/কমৰুজ্জামান আহমদ /২১৮
৬৩) আবু নাচেৰ মোহাম্মদ চালেহ /২০ শতিকাৰ প্ৰথম দশক/
কমৰুজ্জামান আহমদ /২২১
৬৪) বেগম ফানোৱাৰা হাজৰিকা/২০ শতিকাৰ প্ৰথম দশক/
ইকবাল হুছেইন হাজৰিকা /২২২
৬৫) হাৰুণাৰ ৰছিদ/২০ শতিকাৰ প্ৰথম দশক/ড° কুতুবুদ্দিন আহমেদ /২২৫
৬৬) আবুল ফজল আহমদ/২৫-১২-১৯০১ /
দেবিৰা চুলতানা আহমদ /২২৯
৬৭) ইচফাকুল মজিদ /১৯০৩ /দেবিৰা চুলতানা আহমদ /২৩২
৬৮) আনোৱাৰ কাদিৰ মোহাম্মদ চালেহউদ্দিন/১৯০৪ /
দেবিৰা চুলতানা আহমদ /২৩৪
৬৯) ফখৰুদ্দিন আলী আহ্‌মদ /১৩-৫-১৯০৫/
কমৰুজ্জামান আহমদ /২৩৮
৭০) হজৰত আলী/২৩-১১-১৯০৫/দেবিৰা চুলতানা আহমদ /২৪২
৭১) মোহাম্মদ ওমৰুদ্দিন /১৯০৫/ডাঃ মনজুল ইছলাম /২৪৬

৭২) চশমে নুৰজাহান বেগম /২৬-১২-১৯০৫/
অসমীয়া জীৱনী অভিধান /২৪৯
৭৩) মীৰ ইচফাক হুছেইন/২-৬-১৯০৬/
জেবুন নিছা আৰু দেবিৰা চুলতানা আহমদ /২৫০
৭৪) ইমামুদ্দিন আহমদ /৪-৪-১৯১০/কমৰুজ্জামান আহমদ /২৫৩
৭৫) ইমৰাণ হুছেইন চৌধুৰী /১৪-১০-১৯১২/
দেবিৰা চুলতানা আহমদ /২৫৫
৭৬) ইমদাদ আলি /১৯১৩/ড° ওমৰ ছাদুদ্দিন আহমদ / ২৫৭
৭৭) মুহিবুদ্দিন আহমদ /১-১১-১৯১৩/দেবিৰা চুলতানা আহমদ /২৫৯
৭৮) ৰায়হান শ্বাহ / ২০-০৯-১৯১৪/পাৰভেজ শ্বাহ /২৬২
৭৯) চৈয়দ মজহৰুল ইছলাম /১-১-১৯১৫/
চৈয়দা ৰেজিয়া চুলতানা /২৬৫
৮০) মোৰ দৃষ্টিত মওলানা আহমদ আলী /১৯১৫/শৰৎ চন্দ্ৰ সিংহ / ২৬৭
৮১) আহমদ হুছেইন /১৪-৪-১৯১৫/ত্বাৰিক হুছেইন /২৭২
৮২) চাদেৰ আলি/মে’ ১৯১৫/মোহাম্মদ ছিৰাজুল ইছলাম /২৭৫
৮৩) চৈয়দ ছামচুল হোদা/১৫-৭-১৯১৫/ সংকলন /২৮০
৮৪) নুৰুদ্দিন আহমদ /২৯-১০-১৯১৫/মহম্মদ তাহেৰ /২৮৫
৮৫) আমীন খান/২৭-০২-১৯১৬/ফাতেমা গুলবদন /২৯৪
৮৬) তৈয়ব আলি /৬-৯-১৯১৬/ড° পদুম আজাদ /২৯৯
৮৭) ওৱাজুদ্দিন আহমেদ /১৯১৬/এম. চজিমুদ্দিন আহমেদ /৩০৩
৮৮) জয়নুদ্দিন আহমদ/১৯১৭/অসমীয়া জীৱনী অভিধান/৩০৭
৮৯) চফিউৰ ৰহমান/১৪-৬-১৯১৭/ৰেহেনা আখতাৰ হান্নান /৩০৮
৯০) এম. ইব্ৰাহীম আলি /২১-৬-১৯১৭/ইদ্ৰিছ আলি/৩১১
৯১) নুৰুল ইছলাম/৩০-৯-১৯১৭/ৰাশ্বাদ ইছলাম /৩১৭
৯২) বাহাৰুল ইছলাম /১-৩-১৯১৮/প্ৰফুল্ল কুমাৰ দাস /৩২১
৯৩) নুৰুল আমিন/৮-১-১৯১৯/নাজনিন ফাৰুক/৩২৭
৯৪) চৈয়দ আব্দুল মালিক/২৪-১-১৯১৯/কমৰুজ্জামান আহমদ /৩৩১
৯৫) আটাউৰ ৰহমান/৫-৫-১৯১৯/অসমীয়া জীৱনী অভিধান /৩৪২
৯৬) মৌলানা ইছলামুদ্দিন/১৯১৯/আবদুৰ ৰহমান /৩৪৩

৯৭) মেৰী হামিদা খাতুন /১৭-১০-১৯১৯/
মেৰী হামিদা খাতুন স্মাৰক ন্যাস/৩৪৫
৯৮) মহম্মদ আকৰম/১৫-১২-১৯১৯/কমৰুজ্জামান আহমদ /৩৫০
৯৯) মৌলানা আব্দুল হক/১-১-১৯২০/কমৰুজ্জামান আহমদ /৩৫৪
১০০) আব্দুল জেলিল/২৬-৭-১৯২০/আতিফা আমিন /৩৫৭
১০১) নিজামুদ্দিন আহমদ হাজৰিকা /৪-১২-১৯২০/
ৰেকিবুদ্দিন আহমদ /৩৬১
১০২) আফিয়া আহমদ/১৯২১/তৌহিদ আহমদ/৩৬৩
১০৩) বেগম মফিদা আহমদ/নবেম্বৰ ১৯২১/দেবিৰা চুলতানা আহমদ /৩৬৫
১০৪) আব্দুছ ছাত্তাৰ/১৯২২/কমৰুজ্জামান আহমদ /৩৬৯
১০৫) উবেইদুল লতিফ বৰুৱা/১৯২২/অসমীয়া জীৱনী অভিধান /৩৭৪
১০৬) আজমল আলী/১৯২৩/কমৰুজ্জামান আহমদ /৩৭৫
১০৭) ফাতেমা খাতুন/১৯২৩/দেবিৰা চুলতানা আহমদ /৩৮০
১০৮) শ্বাহজালাল খাঁন/২৪-৩-১৯২৪/ছাকিয়া খান /৩৮৪
১০৯) মহম্মদ পিয়াৰ/১৯২৬/মুজতবা পিয়াৰ /৩৮৭
১১০) নৱাব চেহিদুৰ ৰহমান /১৯২৭/আচমা আখতাৰা হুছেইন /৩৯২
১১১) নেইমউদ্দিন আহমদ /১৮-৬-১৯২৮/দেবিৰা চুলতানা আহমদ /৩৯৮
১১২) আব্দুল মজিদ /১০-১০-১৯২৮/অসমীয়া জীৱনী অভিধান /৪০১
১১৩) তফজ্জুল আলি /১৬-১০-১৯২৮/কমৰুজ্জামান আহমদ /৪০২
১১৪) ডাঃ নেকিবুজ্জামান /৩১-১২-১৯২৯/কমৰুজ্জামান আহমদ /৪০৭
১১৫) ছফিকুল হক /২১-১০-১৯৩০/কমৰুজ্জামান আহমদ /৪১০
১১৬) লতিফা ৰেজাক /২০শতিকাৰ ৩০ ৰ দশক/ৰৌচন আৰা বেগম / ৪১৫
১১৭) চৈয়দা চকিনা আশ্রফ /২০শতিকাৰ ৩০ ৰ দশক/
আয়েশ্বা আশ্রফ আহমদ /৪১৯
১১৮) মুহিবুদ্দিন আহমেদ /মাৰ্চ ১৯৩২/তৌহিদা আহমেদ / ৪২৫
১১৯) জাহানাৰা ৰহমান শইকীয়া /২০শতিকাৰ ৩০ ৰ দশক /
দেবিৰা চুলতানা আহমদ /৪২৯

১২০) নুৰুণ নবী/২২-১২-১৯৩৩/জৰিফ ত্বাৰিক /৪৩২
১২১) আলিমুন নিছা পিয়াৰ/১৯৩৫/শ্বমিম খুৰছিদ / ৪৩৪
১২২) ৰেকিবুদ্দিন আহমেদ /১৯৩৯/নিকুমণি হুছেইন/ ৪৩৭
১২৩) শ্বেখ ছমছেৰ আলী /১৯৪১/সংকলন / ৪৩৯
১২৪) খবিৰ আহমেদ /১৯৫২/সাহিত্য সংস্কৃতিৰ পথাৰত অসম আৰক্ষী / ৪৪২
১২৫) য়ামিন হাজৰিকা /১০-৬-১৯৫৫/দেবিৰা চুলতানা আহমদ /৪৪৪

## পৰিশিষ্ট

১২৬) প্ৰচাৰক ঃ ধৰ্ম আৰু সাহিত্যচেতনা ভিত্তিক জাগৰণৰ এক প্ৰতীক/ মহম্মদ তাহেৰ /৪৪৭
১২৭) পথৰুঘাট /ময়ুখ গোস্বামী /৪৫৫
১২৮) অসমত প্ৰথম সমবায় আন্দোলন/আব্দুল মজিদ /৪৬১
১২৯) আল-আমিন জন কল্যাণ সমাজৰ ইতিকথা /৪৬৩

## পৰিশিষ্ট -১

১৩০) চাহাবুদ্দিন আহমেদ/১৬-১-১৯১৩/আদিলা আলি/ক
১৩১) দৰছেদ আলী/জুলাই ১৯১৭/সংগ্ৰহ/গ
১৩২) আটাউৰ আহমদ/২-৩-১৯১৯/কমৰুজ্জামান আহমদ/চ
১৩৩) ছফিউল্লাহ খনিকৰ/১৮-৭-১৯৩৯/মহম্মদ তাহেৰ, কমৰুজ্জামান আহমদ, চুইটি খনিকৰ/ট
১৩৪) নাহাৰুণ নেছা/২৮-২-১৯৪১/আদিলা আলি/ড
১৩৫) নাছিম আখতাৰ/১-১০-১৯৫৬/আঞ্জুমান আৰা বেগম /দ

# অৱতৰণিকা

এখন বহল সমাজৰ সৌষ্ঠৱ আৰু বৈচিত্ৰ্যলৈ, সেই সমাজত অন্তৰ্ভুক্ত জনগোষ্ঠীবোৰৰ সৃষ্টি, কৃষ্টি, ঐতিহ্য আৰু পৰম্পৰাই প্ৰভূত অৱদান আগবঢ়ায়। যোৱা দুহাজাৰ বছৰৰো অধিক কাল ধৰি একলা একলাকৈ গঢ় লৈ উঠা বৃহত্তৰ অসমীয়া জাতিলৈ বিভিন্ন সময়ত, বিভিন্ন ফালৰ পৰা এঘাৰটামান প্ৰব্ৰজনকাৰী জনগোষ্ঠী আহি এই উত্তৰ-পূৰ ভাৰত তথা অসমত বসবাস কৰি ইয়াৰ সমাজ আৰু সংস্কৃতিলৈ অৱদান আগবঢ়োৱাৰ কথা সৰ্বজনজ্ঞাত। অসমৰ খিলঞ্জীয়া অসমীয়া মুছলমান তেনে এটা জনগোষ্ঠী, যি ১২০৬ খৃষ্টাব্দৰ পৰা অলপ অলপকৈ অসমলৈ আহি, ইয়াত বসবাস কৰিবলৈ লৈ 'জনমে মৰণে অসমৰ অসমীয়া' হোৱাই নহয়, বাৰে-ৰহণীয়া বৃহত্তৰ অসমীয়া জাতি গঠনত অৰিহণা আগবঢ়ালে। তলত এই জনগেষ্ঠীটোৰ এটি অতি চমু ঐতিহাসিক বিৱৰণ ডাঙি ধৰা হৈছে। আশা কৰা হৈছে যে এই বিৱৰণটিৰ পৰা যিসকলৰ জীৱনী এই পুথিখনিত সন্নিৱিষ্ট কৰা হৈছে তেখেতসকলৰ সাংস্কৃতিক আৰু সামাজিক প্ৰেক্ষাপট আৰু আশা, আকাঙ্খা আৰু মানসিকতাৰ এটি পূৰ্বাভাস পাঠকে পাব।

ত্ৰয়োদশ শতিকাৰ প্ৰথম ত্ৰিছটা বছৰ তাৰ পাছৰ অসমৰ জন-গাঁথনি সমাজ, সংস্কৃতি আৰু ৰাজনৈতিক অস্তিত্বৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ। এই তিনিটা দশকৰ ভিতৰতে ১২০৬ চনত অসমলৈ পশ্চিমৰ দিল্লীৰ তৎকালীন প্ৰতিষ্ঠিত মুছলমান বাদছাহৰ নিৰ্দ্দেশত গৌড়ৰ পৰা ইফ্‌টিকাৰউদ্দিন বখটিয়াৰ খিলিজিৰ নেতৃত্বত মুছলমান আক্ৰমণকাৰীৰ এটা দল কামৰূপৰ পৃথুৰ ৰাজ্যত সোমায়। ইয়াৰ ফলত অসমত প্ৰথমবাৰৰ বাবে পাতলীয়াকৈ হলেও মুছলমান বসতি আৰম্ভ হয়। আনহাতে ইয়াৰ ২৩ বছৰৰ পাছত পূবৰ উত্তৰ ম্যানমাৰৰ ছান মালভূমিৰ পৰা চাওলুং চিউকাফাৰ নেতৃত্বত ৰাজ্য স্থাপন কৰিবলৈ অহা এটা দলে বুঢ়ী দিহিঙেদি অসমৰ পূব প্ৰান্তত সোমাই ৬০০ বছৰীয়া আহোম ৰাজত্বৰ পাতনি মেলে। এয়োদশ শতিকাৰ আগন্তুক এই দুয়োটা দলেই কালক্ৰমত আজিৰ অসমীয়া জাতিৰ বিস্তাৰ আৰু বৈচিত্ৰ্যলৈ নিজ নিজ সাংস্কৃতিক আৰু চাৰিত্ৰিক অৱদান আগবঢ়াই আহিছে।

ঐতিহাসিক প্ৰমাণেৰে চাবলৈ গলে এই দুটা জনগোষ্ঠীৰ প্ৰথমটোৰ, অৰ্থাৎ মুছলমানসকলৰ জনস্ৰোতৰ আৰম্ভণি হয়, ওপৰত উল্লেখ কৰাৰ দৰে, মহম্মদ ঘোৰীৰ সেনাপতি বখটিয়াৰ খিলিজিৰ ১২০৬ চনত এদল সৈন্য লৈ কামৰূপলৈ আগমনৰ সময়ত। কোৱা হয় যে খিলিজিৰ গন্তব্য স্থল আছিল তিব্বত। কিন্তু এই যাত্ৰাত বিফল হৈ ঘূৰি আহোতে তেওঁ কামৰূপৰ নৃপতি পৃথুৰে যুদ্ধত লিপ্ত হৈছিল আৰু পৰাজিত হৈ পলাই গৈছিল। কিন্তু তেওঁৰ লগত অহা ভালেমান মুছলমান সৈন্য বন্দী হৈ ইয়াতেই থাকি গৈছিল। এওঁলোকেই সম্ভৱ অসমত বসবাস কৰিবলৈ লোৱা প্ৰথম মুছলমান।

বখটিয়াৰ খিলিজিৰ পাছত গৌড়ত থকা বঙ্গৰ নৱাব গিয়াছুদ্দিনে ১২২৮ চনত আৰু তুঘ্ৰিল খাঁই ১২৫৭ চনত কামৰূপ আক্ৰমণ কৰি তেতিয়াৰ কামৰূপৰ ৰজাৰ ৰাজধানী উত্তৰ গুৱাহাটী অধিকাৰ কৰে। প্ৰবাদ আছে যে এই ঠাইত তেওঁ এটা মছজিদ সজাই তাত নিয়মীয়াকৈ নামাজ পঢ়াৰ ব্যৱস্থা কৰে। ইয়াৰ পাছত ১৪৯৮ চনত বঙ্গৰ নৱাব হুছেন ছাহে কমতাপুৰৰ ৰজা নীলাম্বৰক পৰাজিত কৰি কামৰূপ কমতাপুৰ অধিকাৰ কৰি লয় আৰু তেওঁৰ পুতেক দেনিয়েল ছাহক হাজো অঞ্চলৰ শাসনকৰ্তা পাতে। এই সময়ৰ পৰা কামৰূপত মুছলমান সকলৰ বসতি পাতলীয়াকৈ হলেও দৃঢ়ভাৱে বাঢ়িবলৈ ধৰে। হুছেন ছাহে ৰঙামাটিত এটা মছজিদো নিৰ্মাণ কৰাইছিল।

আহোম পৰম্পৰাত লেখা বুৰঞ্জী আৰু মুছলমান বাদছাহ আৰু নৱাবসকলৰ নিৰ্দ্দেশত এই অঞ্চলৰ শাসনৰ লগত জড়িত টোকা (       )বোৰে মধ্যযুগৰ অসমৰ ইতিহাসত যথেষ্ট আলোকপাত কৰে। তদুপৰি সেই বাদছাহ আৰু নৱাবসকলৰ শাসনকালত সংঘটিত অসম আক্ৰমণত আগ্ৰাসী সৈন্যদলৰ লগত অহা চৰকাৰী টোকা লিখক (     ) বা পৰিব্ৰাজকৰ বিৱৰণৰ পৰা জনা যায় যে ১২০৬ খৃষ্টাব্দৰ পৰা ১৬৮২ খৃষ্টাব্দলৈ, এই ৪৭৬ বছৰ জোৰা সুদীৰ্ঘ কালছোৱাত পশ্চিমৰ বাদছাহ নৱাবসকলৰ নিৰ্দ্দেশত মুঠতে ১৭ বাৰ অসম আক্ৰান্ত হৈছিল। এইবোৰ অভিযানত আক্ৰমণকাৰী সৈন্যবাহিনীবোৰৰ অধিকাংশ সেন্যই আছিল মুছলমান। এই বাহিনীবোৰত বহুতো কাৰিকৰ, মিস্ত্ৰী, বৰটোপ মেৰামত কৰা লোক, খাৰ-বাৰুদ প্ৰস্তুত কৰা লোক, কমাৰ, দৰ্জ্জী, টোকা লিখক, পশু (ঘোঁৰা আৰু

হাতীৰ) চিকিৎসক, জড়িৰ কাম কৰা লোক, বহুৰা (        ) গায়ক, বাদক, পুৰোহিত, চিকিৎসক (হেকিম), আদি লোকো আছিল। এনে ধৰণেৰে অহা সৈন্য আৰু সহযাত্ৰীসকলৰ কিছু সংখ্যক যুদ্ধৰ শেষত বন্দী অৱস্থাতেই হওক বা স্বইচ্ছাতেই হওক অসমত স্থায়ীভাৱে বাস কৰিবলৈ লৈছিল। উদাহৰণ স্বৰূপে আহোম ৰজা স্বৰ্গদেউ ছুহুংমুঙৰ দিনত ১৫২৫ খৃষ্টাব্দত মিতমালিক বৰউজিৰে কৰা আক্ৰমণত বহুতো হিলৈ আৰু মুছলমান সৈন্য অসমীয়া সেনাৰ হাতত পৰে। ঠিক তেনেকৈ তাৰ সাত বছৰৰ পাছত ১৫৩২ চনত পাঠান সেনাপতি তুৰ্বকে অসম আক্ৰমণ কৰিবলৈ আহিছিল আৰু তেওঁ দিকৰাই মুখৰ ৰণত হৰাৰ ফলত তেওঁৰ বহুতো মুছলমান সৈন্য, বন্দুক, বৰটোপ আৰু যুদ্ধৰ হাতী আৰু ঘোঁৰা আহোম সেনাৰ হস্তগত হৈছিল। এই ৰণত বন্দী হোৱা পাঠান সৈন্য বহুতো অসমত থাকি গ'ল। এওঁলোকে পাছলৈ পিতলৰ সাঁজ- বাচন প্ৰস্তুত কৰিবলৈ লয় আৰু 'মৰিয়া' জনগোষ্ঠী হিচাপে চিহ্নিত হয়। আকৌ দেখা যায় যে ১৫৮১ খৃষ্টাব্দত নৰনাৰায়ণে ভতিজাক ৰঘুদেৱক কোঁচহাজোৰ আধিপত্য দান কৰাৰ সময়ত, অঞ্চলটোৰ লগতে যি সৈন্য-সামন্ত দিছিল, সেই সৈন্য বাহিনীত ভালেমান মুছলমান সৈন্য আৰু ওজা-পালি গোৱা লোকো আছিল। প্ৰবাদ আছে যে এই যোড়শ শতিকাতে গিয়াছুদ্দিন আউলিয়া নামৰ এজন সিদ্ধ পুৰুষে মক্কাৰ পৰা অনা এপোৱা মাটি মিহলি কৰি হাজোৰ গড়ৰাচল পাহাৰৰ সৰ্বোচ্চ স্থানত এটি মছজিদ নিৰ্মাণ কৰিছিল। এই স্থানকে এতিয়াও পোৱা মক্কা বোলে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে সেই সময়তে হাজো অঞ্চলত যথেষ্ট মুছলমান বসতি গঢ়ি উঠিছিল।

মন কৰিবলগীয়া যে অসমত মুছলমান বসতি বিস্তাৰৰ ক্ষেত্ৰত সপ্তদশ শতিকাটো ঐতিহাসিক ভাৱে অতি তাৎপৰ্য্যপূৰ্ণ, কাৰণ এই শতিকাতে আহোম আৰু মোগলৰ মাজত কেইবাখনো গুৰুত্বপূৰ্ণ সমৰ সংঘটিত হোৱাৰ বাহিৰেও ইছলাম ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে কেইবাজনো ধৰ্মগুৰুৱেও এই সময়ছোৱাতে অসমত উপস্থিত হৈছিল। ১৬১৩ চনত দিল্লীৰ সম্ৰাট জাহাঙ্গীৰৰ দিনত তেওঁৰ সৈন্য বাহিনীয়ে কোঁচ ৰাজ্য দখল কৰিছিল আৰু ইয়াৰ পাছত ১৬৩৮ চনৰ পৰা এফালে মোগল আৰু আনফালে কোঁচ আৰু আহোমৰ সন্মিলিত শক্তিৰ মাজত নিমিষা গড়, হাজো, শোৱালকুচি আজ্ঞাথুৰী, পাণ্ডু আদি ঠাইত বহু বছৰ ধৰি খণ্ড-যুদ্ধ হৈ

আছিল। সেই সময়তো বৰ্তমানৰ কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে হাজোৰ পৰা ডুমুনীচকীলৈ গোটেই অঞ্চলটোত, আৰু দক্ষিণপাৰে পলাশবাৰী, ভোলাগাওঁ, মীৰ্জা আদি ঠাইবোৰত ভালেমান মুছলমান বসতি স্থাপিত হয়। কোঁচহাজো অৰ্থাৎ অধুনাকালৰ অবিভক্ত গোৱালপাৰা আৰু অবিভক্ত কামৰূপ জিলা ১৬১৩ চনৰ পৰা ১৬৮২ চনলৈ প্ৰায় ৭০ বছৰ কাল মোগলে চেগাচোৰাকাকৈ শাসন কৰিছিল। এই কালছোৱাতে নামনি অসমত মুছলমানৰ বসতি বাঢ়িবলৈ লয়। হাজো নগৰখনক মোগলে 'চুজাবাদ' নাম দি এজন শাসনকৰ্তা নিয়োজিত কৰিছিল। সম্ভৱ সেই সময়তে ১৬৩৫ চন মানত আজান পীৰ লগত আৰু তিনিজন (কোনোৰ মতে ৪ জন) পীৰৰ সৈতে দৰঙ আৰু হাজো হৈ শিৱসাগৰ অঞ্চললৈ আহে। শিৱসাগৰতে তেওঁলোকে থিতাপিকৈ বসবাস কৰি জিকিৰ, জাৰী, আজান, নামাজ, তিলাৱত (ধৰ্মালোচনা) আদিৰ মাজেৰে ইছলামৰ প্ৰচাৰ আৰু সংস্কাৰ কৰিবলৈ লয়। ১৬৩৮ চনত মোগল বাদছাহ ছাহজাহানৰ হৈ আইলা য়াৰ খাঁ আৰু আহোম ৰজা স্বৰ্গদেউ চুচেংফা (বুদ্ধি স্বৰ্গনাৰায়ণ) ৰ হৈ মোমাই তামুলীৰ মাজত হোৱা সন্ধি মতে গুৱাহাটীৰ অন্তৰ্গত অসুৰৰ আলি (ৰাজগড়) আৰু উত্তৰ কূলত বৰনদী দুয়ো ৰাজ্যৰ সীমা নিৰ্ণীত হয়। তেতিয়াও গুৱাহাটী আৰু তাৰ পশ্চিমাংশত কিছু মুছলমানক বসতি স্থাপন হোৱাটো নুই কৰিব নোৱাৰি। তদুপৰি ১৬৫৭ চনত মোগল শাসনকৰ্তা আবুল গাজী চুজাউদ্দিন মহম্মদ চাহৰ অধীনত মীৰ লুৎফুল্লা- ই- চিৰাজিয়ে ১৬৫৭ চনত পোৱামক্কাত আগৰে পৰা থকা মছজিদটো ভাঙি পুনৰ্নিৰ্মাণ কৰে আৰু ইয়াত নামাজ, বন্দেগী (আৰাধনা) পূৰ্ণোদ্যমে অনুষ্ঠিত হবলৈ ধৰে।

১৬৬২- ১৬৬৩ চনত মীৰজুমলাৰ অসম আক্ৰমণৰ সময়ত, গড়গাওঁ, নাজিৰা, মথুৰাপুৰ আদিকে ধৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন ঠাইত মুছলমান বসতি থকাৰ কথা ছাহাবুদ্দিন (শ্বিহাবুদ্দিন) তালিছৰ 'ফাতেহে ইব্ৰীয়া' বা 'তাৰিখে আশ্বামত' পোৱা যায়। তেওঁ অসমত আগৰে পৰা থকা মুছলমানসকল "নামতহে মুছলমান, ধৰ্ম- কৰ্মত নহয় আৰু তেওঁলোকৰ অন্তৰ মুছলমানতকৈ থলুৱা অসমীয়া (অমুছলমান) সকলৰ প্ৰতিহে অধিক দোঁ খোৱা" বুলি লিখিছিল। মীৰজুমলাৰ আক্ৰমণৰ পাছত ১৬৬৮ চনত আউৰংজেৱৰ সেনাপতি ৰামসিংহই যি আক্ৰমণকাৰী সৈন্যৰ দল লৈ আহিছিল তাত শিখ ধৰ্মৰ নৱম গুৰু টেগ বাহাদুৰৰ বাহিৰেও

পাচঁজন মুছলমান পীৰ আহিছিল। অসমত ‘অপদেৱতা’ আৰু ‘অপশক্তি’ৰ পৰা নিজ সৈন্য বাহিনীক ‘ৰক্ষা’ কৰাৰ উপৰিও এওঁলোকে ইছলাম ধৰ্ম্ম প্ৰচাৰো কৰিছিল। এইদৰে আগৰ গোৱালপাৰা আৰু কামৰূপ অঞ্চলত কোঁচ আৰু মোগলৰ শাসন কালতেই ১৬৮২ চন মানলৈকে মুছলমানৰ বহুখিনি বসবাস গঢ়ি উঠাৰ কথা স্পষ্টকৈ জনা যায়। বৰপেটাৰ দুৰ্গাপুৰ দৰগাহ, ভেল্লাৰ চৈয়দ চাহনুৰ দেৱান ফকীৰৰ দৰগাহ, অস্থায়ীভাৱে মোগল সৈন্যৰ ছাউনি থকা ধমধমাৰ দৰগাহ, গুৱাহাটীৰ কাষৰ গাড়ীগাৱঁৰ দৰগাহ, আদিবোৰৰ অস্তিত্বই এই অঞ্চলত ষোড়শ সপ্তদশ শতিকাতে মুছলমানৰ বসতি গঢ়ি উঠাৰ কথাকে সূচায়। এইখিনিতে মন কৰিবলগীয়া যে কোঁচ আৰু আহোম (গদাধৰ সিংহৰ ৰাজত্ব কালৰ বাদে), দুয়োটা ৰাজ পৰিয়ালে অসমত মুছলমানৰ বসবাসত নিষেধাজ্ঞা আৰোপ কৰা নাছিল। আহোম ৰজাসকলে মুছলমানৰ মছজিদ, মোকাম, দৰগাহ, আদিৰ ৰক্ষণাবেক্ষণৰ বাবে মাটি আৰু পাইকহে আগবঢ়াইছিল।

স্বৰ্গদেউ ৰূদ্ৰসিংহৰ দিনত বৃত্তিধাৰী মুছলমানৰ প্ৰব্ৰজনৰ ক্ষেত্ৰত কিছুদূৰ পৃষ্ঠপোষকতা কৰাহে দেখা যায়। এইজনা ৰজাই নিজ দেশৰ কাৰিকৰী উন্নয়নৰ বাবে দিল্লী বাদছাহৰ অনুমতি সাপেক্ষে ফাৰ্ছীপঢ়ীয়া, আখৰকটীয়া, শিলাকটীয়া, গুণাকটীয়া, খনিকৰ, দৰ্জ্জী, নেগেৰীয়া আৰু জোলা বা জোলাহা বা তাঁতী, - এই আঠটা মুছলমান পৰিয়াল পশ্চিমৰপৰা আনি তেওঁৰ ৰাজ্যত স্থাপন কৰিছিল। তেৱেঁই গোৱালপাৰাৰ এটা অভিজাত নৱাবৰ পৰিয়ালো তেওঁৰ ৰাজ্যলৈ আনি অভয়পুৰ (নাজিৰাৰ ওচৰ) ত স্থাপন কৰিছিল। ১৭১৪ চনত ৰূদ্ৰসিংহৰ মৃত্যুৰ পাছত তেওঁৰ পুতেক শিৱসিংহ, শিৱসিংহৰ পাছত তেওঁৰ পুতেক প্ৰমত্তসিংহ আৰু তেওঁৰো পুতেক ৰাজেশ্বৰ সিংহৰ দিনলৈকে স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত আৰু কিছুমান মুছলমান পৰিয়াল, বিশেষকৈ মিস্ত্ৰি, ৰাজমিস্ত্ৰি, শিলাকটীয়া, জোলা, মুদ্ৰা সাঁচত মৰা আদি বৃত্তিৰ লোক অসমলৈ আহি থকাৰ কথা জনা যায়। লক্ষ্মীসিংহৰ দিনৰ পৰা অৰ্থাৎ ১৭৬৯ চন মানৰপৰা দেশত মোৱামৰীয়া বিদ্ৰোহ আদি ৰাজনৈতিক আৰু সামাজিক অস্থিৰতা বিৰাজ কৰাত মুছলমান প্ৰব্ৰজন হয়তো কিছু কমিছিল। কিন্তু ঊনবিংশ শতিকাৰ অগ্ৰভাগত বৃটিছে অসম হস্তগত কৰাৰ অব্যবহিত পৰবৰ্ত্তী সময়ত ইয়াত চাহবাগিচা স্থাপনকে ধৰি যিবোৰ অৰ্থনৈতিক উন্নয়ন আৰু ব্যৱসায়

বাণিজ্যৰ ক্ৰিয়া-কলাপ আৰম্ভ হৈছিল, সেইবোৰৰ লগত জড়িত হৈ কিছু মুছলমান উত্তৰ ভাৰত আৰু পূৰ্ববঙ্গৰ পৰা আহি অসমৰ নগৰ আৰু চাহবাগিচাবোৰৰ আশে-পাশে বসবাস কৰিবলৈ ল'লে। তেওঁলোকৰ ভিতৰত পাওৰুটি, বিস্কুট আদি প্ৰস্তুত কাৰক ( ), জোতাৰ দোকানী, মনোহাৰী সামগ্ৰীৰ দোকানী, কিছুসংখ্যক কাপোৰ বোৱা জোলা (জোলাহা), তেলী, ৰাজমিস্ত্ৰী আদি বৃত্তিৰ মুছলমান লোক আছিল। সংখ্যাত কম হোৱাৰ বাবে কেইপুৰুষমানৰ ভিতৰতে এওঁলোক স্থানীয় অসমীয়া মুছলমানৰ লগত বিয়া বাৰু কৰাই অসমীয়াৰ লগত মিলি গ'ল। জোলাসকল ঘাইকৈ চাহবাগিচাৰ কামত বৰ্তমানৰ ঝাৰখণ্ডৰ হাজাৰিবাগ জিলাৰপৰা বনুৱা ৰূপে আহিছিল। সময়ত এওঁলোকে চাহবাগিচাৰ কাম এৰি মুক্তভাৱে গাঁৱে-ভূঞে বসতি কৰিবলৈ লৈ অসমীয়া ভাষা কৃষ্টি গ্ৰহণ কৰিলে। এওঁলোকক গোলাঘাট আৰু যোৰহাট জিলাৰ বাদুলিপাৰ, দেৰগাওঁ, নেঘেৰিটিং, ৰঙামাটি, দৰিয়া, সৰুপথাৰ, বৰকাঠনি, দক্ষিণ হেঙেৰা, বৰহোলা আৰু তিতাবৰ, তিনিচুকীয়া জিলাৰ তিনিচুকীয়া আৰু শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি আদি ঠাইত বসবাস কৰি থকা দেখা যায়।

ওপৰৰ চমু আলোচনাটিৰ পৰা বুজা যায় যে জনসংখ্যা, মছজিদ, মাজাৰ, মোকাম আৰু ৰাজঘৰীয়া পৃষ্ঠপোষকতা আৰু স্বীকৃতিৰে মধ্যযুগত এটি বলিষ্ঠ অসমীয়া মুছলমান জনগোষ্ঠী ইয়াত গঢ়ি উঠিছিল। দেশখনত মুছলমানসকলে মুক্তভাৱে বসতি কৰাত কোনো বাধা নোপোৱাৰ দুটা মূল কাৰণ আছিল ঃ ইয়াৰ প্ৰথমটো হ'ল, বাহিৰৰ মুছলমানসকল প্ৰব্ৰজন বৃত্তীয় আৰু অৰ্থনৈতিক কাৰণত কোঁচ আৰু আহোম, দুয়োটা প্ৰশাসনেই পোষকতা কৰিছিল। দ্বিতীয়টো কাৰণ হৈছে, অসমত মধ্যযুগত গঢ়ি উঠা নৱ-বৈষ্ণৱবাদ আৰু মুছলমানসকলৰ চুফিবাদৰ দাৰ্শনিক সামঞ্জস্য। এই আধ্যাত্মিক সাদৃশ্যৰ বাবে অসমৰ হিন্দু সমাজত চুফিবাদৰ জনপ্ৰিয়তা গঢ়ি উঠিছিল আৰু মুছলমানসকল এই অঞ্চলত গ্ৰহণযোগ্য হোৱাত বিশেষ অসুবিধা নহৈছিল।

অসমৰ এই খিলঞ্জীয়া মুছলমানসকলক কোনো কোনো লোকে 'গৰীয়া' বুলি চিনাক্ত কৰে। এই সন্দৰ্ভত মন কৰিবলগীয়া যে মধ্যযুগত পশ্চিমৰপৰা অসমলৈ যিবোৰ অভিযান আক্ৰমণ হৈছিল সেইবোৰ সততেই তৎকালীন বঙ্গদেশৰ ৰাজধানী গৌড়ৰ যোগেদি হৈছিল। সেয়েহে কাষৰীয়া কোঁচ ৰাজ্যত তথা নামনি

অসমত  সৈন্য- সামন্ত বা তেওঁলোকৰ বংশোদ্ভূত লোকক গৌড়ীয়া, বা গৰীয়া বোলা হৈছিল। অৱশ্যে এই সৈন্য-সামন্ত, পীৰ, ধৰ্মপ্ৰচাৰক, আদিসকল দেখাত গৌড়ৰপৰা আহিলেও তেওঁলোক বঙ্গদেশীয় মূলৰ লোক নাছিল। এই সৈন্য-সামন্তবোৰৰ অধিকাংশই পাঠান, তুৰুক আৰু উত্তৰ ভাৰতৰ ধৰ্মান্তৰিক মুছলমান আছিল।অসমত অৱশ্যে কিছুসংখ্যক মুছলমান স্থানীয় ভাৱে ধৰ্মান্তৰিত হোৱা খিলঞ্জীয়া মূলৰ লোকো আছিল। নামনি অসমত মুছলমানসকলক যেনেকৈ ‘গৰীয়া’ বুলিছিল, উজনি অসমত তেওঁলোকক ‘বঙ্গাল’ (বিদেশী) বা “তুৰুক” বুলিছিল। শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱে তেওঁলোকক ‘যৱন’ বা ‘তুৰুক’ বুলি উল্লেখ কৰিছিল।

এয়োদশ শতিকাৰ আৰম্ভণিৰপৰা ঊনবিংশ শতিকাৰ আগভাগলৈকে ব্ৰহ্মপুত্ৰ উপত্যকাত মুছলমান জাতিৰ বিকাশ আৰু জনসংখ্যা বৰ্দ্ধনৰ ফলত বৰ্তমান খিলঞ্জীয়া অসমীয়া মুছলমানৰ সংখ্যা ২২/২৩ লাখ হৈছেগৈ। ২০০১ চনৰ লোকপিয়ল মতে অসমত মূঠ মুছলমানৰ সংখ্যা ৮২,৪০,২১১ জন। ইয়াৰে ১৩,৬২,১১৪ জন হ’ল বৰাক উপত্যকাৰ বাংলাভাষী মুছলমান আৰু আনুমানিক ৪৫/৪৬ লাখ হ’ল যোৱা ১০০ মান বছৰৰ ভিতৰত প্ৰব্ৰজন কৰি অহা পূৰ্ববঙ্গীয় মূলৰ অভিবাসী মুছলমান আৰু তেওঁলোকৰ সতি-সন্ততি। গতিকে ওপৰত উল্লেখ কৰাৰ দৰে ২২/২৩ লাখ মান লোক খিলঞ্জীয়া মুছলমান বুলি অনুমান কৰা হৈছে।

আগতে উল্লেখ কৰা হৈছে যে মধ্যযুগত অসমত বসবাস কৰিবলৈ লোৱা তুৰুক, পাঠান, মোগল মূলৰ মুছলমানসকল বিভিন্ন বৃত্তিত পাকৈত আছিল। তেওঁলোকৰ ভিতৰত বহু লোক আছিল হস্তশিল্পৰ লগত জড়িত। সেই যুগৰ অসমত শিল্প-বাণিজ্যৰ বিশেষ সুবিধা নথকাৰ বাবে বহুতো মুছলমান ইয়াত বাস কৰিবলৈ লৈ ৰজা জমিদাৰ সকলে দিয়া মাটিত কৃষি কৰিবলৈ ললে। তথাপি বহুতৰ মাজত বৃত্তি ব্যৱসায়ৰ পৰম্পৰা থাকি গৈছিল। সেয়েহে আজিও অসমৰ পুৰণি নগৰবোৰৰ মধ্যাংশৰ বাণিজ্যিক অঞ্চলবোৰত খিলঞ্জীয়া মুছলমানৰ বসতি আৰু স্থাৱৰ সম্পত্তি দেখা যায়।

এই জীৱনী সংগ্ৰহখনিত ঘাইকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ যিসকল থলুৱা মুছলমান লোকে এহাতে বৃহত অসমীয়া জাতি গঠনলৈ আৰু আনহাতে অসমীয়া মুছলমান

সমাজৰ ঐতিহ্য আৰু গৌৰৱলৈ অৰদান আগবঢ়ালে, তেনেসকলৰ কিছু সংখ্যকৰ জীৱনীহে সন্নিবিষ্ট কৰিব পৰা হৈছে। অসমীয়া মানুহ চৰিত্ৰগতভাৱে প্ৰচাৰবিমুখ। অসমীয়া মুছলমানসকল আকৌ অকল তেনেই নহয়, অন্তৰ্মুখীয়ো। এনে এখন সংকলন যুগুত কৰাৰ উদ্যমত ভাটাক অকণো প্ৰশয় নিদি, বলিষ্ঠ পদক্ষেপেৰে ইয়াৰ সংকলক আৰু সম্পাদক জোনাব কমৰুজ্জামান আহমদ চাহাবে অশেষ চেষ্টা কৰিও আটাইসকল আদৰ্শনীয় প্ৰয়াত অসমীয়া মুছলমান লোকৰ জীৱনী হয়তো সংগ্ৰহ কৰিব পৰা নাই। বহুতো ক্ষেত্ৰত এনে বিশিষ্ট ব্যক্তিৰ বিষয়ে প্ৰবাদ হিচাপে মানুহৰ মুখে মুখে কিছু কথা চলি থাকিলেও, কোনো লিখিত বা নিৰ্ভৰযোগ্য তথ্য পোৱা নগ'ল। আমাৰ স্বভাৱগত অৱহেলাজনিত কাৰণত বহুতো মূল্যবান তথ্য এইদৰে হেৰাই গৈছে। তথাপিও সম্পাদক তথা সংকলক আৰু দুই এগৰাকী সহযোগীয়ে বিভিন্ন উৎস আৰু সাক্ষাৎকাৰৰ পৰা যিখিনি তথ্য উদ্ধাৰ কৰি এই পুথিত সন্নিৱিষ্ট কৰিছে, সি নিশ্চয় এটা সবল আৰু সফল পদক্ষেপ। পুথিখনিয়ে ৰাইজৰ মৰম পালে ভৱিষ্যতে ইয়াৰ কলেৱৰ আৰু মান বঢ়াবলৈ তেখেতসকলে নিশ্চয় অনুপ্ৰেৰণা পাব।

এই পুথিখনিত যিসকলৰ জীৱনী অন্তৰ্ভুক্ত হৈছে তেখেতসকলৰ কেইগৰাকীমানৰ অৱদান কালজয়ী, আৰু কেইগৰাকীমানৰ অৱদান হয়তো ইমান চমকপ্ৰদ নহব পাৰে। কিন্তু এখন সমাজৰ যুগ যুগ জোৰা সুদীৰ্ঘ পৰিক্ৰমাত এই সকলোবোৰ অৱদান নিজ নিজ সময়, পাৰিৱেশিক অৱস্থা আৰু সামাজিক পটভূমিত প্ৰণিধানযোগ্য। দৰাচলতে এনেকুৱা ব্যক্তিসকলেই এখন সমাজক এনাজৰীৰে বান্ধি ৰাখে আৰু এখোজ এখোজকৈ আগবাঢ়ি যোৱাত সহায় কৰে।

পঞ্চদশ শতিকাৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ সমসাময়িক সিদ্ধপুৰুষ চান্দ খাঁৰ পৰা ২০০৯ চনৰ আদি ভাগত ইহলীলা সম্বৰণ কৰা স্বনামধন্য ব্যক্তিলৈকে কিছুসকলৰ জীৱনী এই সংগ্ৰহত অন্তৰ্ভুক্ত কৰা হৈছে, তেখেতসকলৰ ভিতৰত আছে বাঘ হাজৰিকা, ৰমজান খাঁ, বাহাদুৰ গাওঁবুঢ়া, ফৰ্মুদ আলি, নৱাব ছেহিদুৰ ৰহমানৰ দৰে দেশ-প্ৰেমিক। দ্বিতীয়তে আছে আজান ফকীৰ, চান্দ খাঁ আদিৰ দৰে তাত্বিক গীত-মাতৰ ৰচক আৰু গায়ক আৰু জাতীয় সমন্বয় সংহতিলৈ অৱদান আগবঢ়োৱা লোকৰ জীৱনী। তৃতীয়তে সন্নিৱিষ্ট হৈছে মফিজুদ্দিন আহমদ হাজৰিকা আৰু সাহিত্যাচাৰ্য চৈয়দ আব্দুল মালিককে আদি কৰি সাহিত্যিকসকলৰ জীৱনী। চতুৰ্থতে

জেহিৰুদ্দিন আহমদ, অধ্যাপক নুৰুল ইছলাম আদিৰ দৰে শিক্ষক আৰু শিক্ষাবিদসকলৰ জীৱনী। পুথিখনিত আৰু আছে দেশৰ স্বাধীনতাৰ হকে ত্যাগ কৰা মৌলানা তৈয়বুল্লা, ফখৰুদ্দিন আলি আহমদৰ দৰে দেশভক্ত সকলৰ জীৱনী। পুথিখনিৰ আৰু এটা বৈশিষ্ট্য হৈছে ইয়াত এনে কেইজনমান ব্যক্তিৰ জীৱনী আলোচনা কৰা হৈছে, যিসকল দৰাচলতে অসম গৌৰৱ, কাৰণ তেওঁলোক ভিন্ ভিন্ ক্ষেত্ৰত উচ্চ পদবি অধিকাৰ কৰাত প্ৰথম অসমীয়া। এখেতসকলৰ ভিতৰত ফখৰুদ্দিন আলি আহমদ, আব্দুল মজিদ, তেওঁৰ পুত্ৰ ইনামূল মজিদ আদিসকল আছে। তদুপৰি দুজনমান ঊনবিংশ শতিকাৰে ব্যৱসায়ী আৰু চাহ খেতিত উদ্যোগী লোকৰ আৰু সমাজ সেৱকৰ আদৰ্শনীয় জীৱনীও ইয়াত আছে। সৰ্বোপৰি, সংগ্ৰহটিত ১২ গৰাকী গুণী মহিলাৰ জীৱনীও উপস্থাপিত কৰা হৈছে।

পুথিখনিৰ শেষৰ ফালে পৰিশিষ্টত, পথৰুঘাটৰ ৰণ, 'প্ৰচাৰক' নামৰ এখন চাৰি কুৰি বছৰৰ আগৰ আলোচনী আৰু যোৱা শতিকাৰ আগ ভাগত যোৰহাটত গঢ়ি উঠা এটা সমবায় আন্দোলন সম্পৰ্কীয়, মুঠতে তিনিটা, জীৱনীবোৰৰ লগত ৰজিতা খোৱা প্ৰৱন্ধ সন্নিৱিষ্ট কৰা হৈছে। আমাৰ বোধেৰে প্ৰৱন্ধকেইটাই গ্ৰন্থখনিৰ সৌষ্ঠৱ বঢ়াইছে।

শেষত এই সন্দৰ্ভত এটা কথা উনুকিয়াই থোৱা হয়তো অপ্ৰাসঙ্গিক নহব। কোনো কোনো মহলৰপৰা প্ৰশ্ন কৰা হয় যে অসমীয়া মুছলমানসকল যিহেতু হাড়ে-হিমজুৰে অসমীয়া, তেওঁলোকৰ সুকীয়া অস্তিত্ব প্ৰতিপন্ন কৰাৰ প্ৰচেষ্টাৰ প্ৰয়োজন কিয়? প্ৰশ্নটোৰ উত্তৰত কেৱল এইটো কলেই যথেষ্ট হ'ব যে, এই প্ৰচেষ্টা আন আন খিলঞ্জীয়া জনগোষ্ঠীৰপৰা পাৰ্থক্য সূচাবলৈ নহয়, বৃহত্তৰ অসমীয়া জাতিৰ বৈচিত্ৰ্য সূচাবলৈহে।

আমাৰ দৃঢ় বিশ্বাস, পুথিখনিয়ে বিদ্বত সমাজত সমাদৰ পাব।❖

মহম্মদ তাহেৰ<br>
প্ৰাগজ্যোতিষ নগৰ, এন. এইচ. -৩৭<br>
গুৱাহাটী - ৭৮১০১৪

২১ মাৰ্চ, ২০০৯

# সম্পাদক আৰু সংকলকৰ দুআষাৰ

আল-আমিন জনকল্যাণ সমাজৰ লক্ষ্য আৰু উদ্দেশ্যৰ এটা দফা আছিল ইছলাম ধৰ্ম্মাৱলম্বী যি সকল লোকে জাতিৰ গঠন আৰু ৰাষ্ট্ৰীয় সংহতি প্ৰক্ৰিয়াত অৱদান যোগাইছিল, সেই সকলৰ ত্যাগ আৰু সমাজ সেৱামূলক কাহিনীবোৰ বা সেই উদ্দেশ্য সম্বন্ধীয় লেখাবোৰ ৰাইজৰ জ্ঞাতাৰ্থে প্ৰকাশ কৰা। বহুতো অসমীয়া মুছলমান চিন্তাশীল ব্যক্তিৰ অৱদানৰ বিষয়ে অসমবাসী জ্ঞাত, কিন্তু নানা কাৰণত আৰু উপযুক্ত সংৰক্ষণৰ অভাৱত তেখেতসকলৰ গুণ-গৰিমা আৰু অৱদানৰ বিৱৰণ কালৰ কৰাল গ্ৰাসত লুপ্ত হৈ গৈছে।

সেয়ে প্ৰথম পদক্ষেপ হিচাপে আল-আমিন জনকল্যাণ সমাজে এই লুপ্ত সমলবোৰ উদ্ধাৰ কৰি গোটাই মহান অসমীয়া জাতি, সাহিত্য, সংস্কৃতি আৰু পৰম্পৰা চহকী কৰা বৰণ্যে মুছলমান ব্যক্তি সকলৰ চমু জীৱনীৰে সৈতে তেখেতসকলৰ অৱদানবোৰ লিপিবদ্ধ কৰি গ্ৰন্থাকাৰে সংৰক্ষিত কৰিবলৈ এখন আঁচনি ২০০৭ চনৰ জুন মাহত হাতত লয়। কিন্তু নানা গোহাৰি, ৮ ডিচেম্বৰ ২০০৭ চনত এই বিষয়ত আয়োজন কৰা এখন সংবাদ মেল আৰু সেই চনৰে ডিচেম্বৰ সংখ্যা 'জ্ঞান সম্ভাৰ'ৰ যোগেদি জনোৱা গোহাৰি, মৌখিক অনুৰোধ আদি সত্ত্বেও আশানুৰূপ ফল পোৱা ন'গল। সেয়ে আমি নিজাববীয়াকৈ আল-আমিনৰ হৈ দায়িত্ব লৈ ২০০৮ চনৰ মে' মাহৰ পৰা জীৱনী সংকলনৰ কাম আৰম্ভ কৰিবলৈ বাধ্য হওঁ।

তাৰেই ফলশ্ৰুতি হিচাপে এই সংকলনটি যুগুত হৈছে। ইয়াক কোনোপধ্যে সম্পূৰ্ণ বুলি কব নোৱাৰি। কাৰণ বহুতো বিশিষ্ট ব্যক্তিৰ নাম আমাৰ জ্ঞাত নহয়। তদুপৰি যি সকলে এনে কিছুমান ব্যক্তিক ওচৰৰ পৰা জানে তেখেতসকলক বাৰে বাৰে অনুৰোধ কৰা সত্ত্বেও তেখেতসকলৰ পৰিয়াল বৰ্গ বা অন্য উৎসৰ পৰা কোনো তথ্য আমি আজিকোপতি পাবলৈ সমৰ্থ নহলোঁ। তাৰ উপৰি তথ্য পাতিৰ প্ৰতি আমাৰ মানুহৰ স্বভাৱজাত অৱহেলা আৰু আমাৰ মাজত পুৰণা পুথি পাজিৰ সংৰক্ষণৰ অভ্যাস প্ৰায় নথকাৰ কাৰণে তথ্য সংগ্ৰহৰ ক্ষেত্ৰত

আমি যি কষ্ট পাইছো তাৰ উল্লেখ নিষ্প্ৰয়োজন। তথাপি আমি আমাৰ প্ৰচেষ্টা অব্যাহত ৰাখিম।

আমি আপ্ৰাণ চেষ্টা কৰিছোঁ যাতে অহা প্ৰজন্মৰ কাৰণে আমি এখন বিশ্বাসযোগ্য গ্ৰন্থ থৈ যাব পাৰোঁ, যিখন তেখেতসকলৰ জীৱনৰ বাবে প্ৰেৰণাৰ উৎস হব।

এনে ধৰণৰ সংকলনৰ ক্ষেত্ৰত মৌলিক বা বৌদ্ধিক শ্ৰমৰ প্ৰয়োজন হয়তো কিছু কম, কিন্তু ওপৰত উল্লেখ কৰা কায়িক আৰু মানুহক সঘণে সোঁৱৰাই থকাৰ শ্ৰম যথেষ্ট। তাৰ উপৰি লেখক লেখিকাৰ পৰা পোৱা কিছু তথ্যৰ আনকি পূৰ্বপ্ৰকাশিত কিছুমান তথ্যৰো সত্যাসত্য নিৰূপণ কৰাৰ কাৰণেও অনেক কষ্ট কৰিবলগীয়া হৈছে। পুথিখনি ৰাইজে আদৰি ললে আমাৰ শ্ৰম সাৰ্থক হৈছে বুলি ভাবিম।

যিহেতু এইখন এখন সংকলন লেখক লেখিকাৰ পৰা পোৱা জীৱনীবোৰৰ উপৰিও পূৰ্বৰ্ব প্ৰকাশিত জীৱনী, গ্ৰন্থ, আলোচনী আদিৰ পৰাও সমল লৈ ইয়াত প্ৰৱন্ধ সন্নিবিষ্ট কৰা হৈছে। কোনো কোনো ক্ষেত্ৰত আকৌ সেইবোৰত নতুন তথ্যও সংযোজন কৰা হৈছে। বিভিন্ন উৎসৰ পৰা লোৱা কথাবোৰ সংশ্লিষ্ট সমলবোৰৰ লগে লগে বা তথ্য পঞ্জীত স্বীকৃত হৈছে।

উল্লেখযোগ্য যে এই জীৱনী গ্ৰন্থত সন্নিৱিষ্ট জীৱনীসমূহৰ লেখক-লেখিকাসকলৰ বেছিভাগেই প্ৰতিষ্ঠিত লেখক-লেখিকা নহয়, এখেতসকল জীৱনী গ্ৰন্থত ঠাই পোৱা লোকসকলৰ কিবা প্ৰকাৰে আত্মীয়। গতিকে জীৱনীসমূহ সম্পূৰ্ণ নৈৰ্ব্যক্তিক নহয়। সচৰাচৰ জীৱনীৰ তুলনাত এই জীৱনীসমূহত সেই লোকসকলৰ তেজ মঙহৰ এখন প্ৰতিচ্ছবি তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে।

২০০৯ চনৰ আগভাগলৈকে প্ৰয়াত হোৱা লোক সকলৰ জীৱনীসমূহ অতীতৰ পৰা বৰ্ত্তমানলৈকে তেখেত সকলৰ জন্ম বছৰৰ ক্ৰম অনুসৰি সজোৱা হৈছে। গতানুগতিক জীৱনী সংকলনৰ পথ অনুসৰণ নকৰি এই জীৱনী সংকলনত ব্যক্তি সকলৰ জীৱনৰ লগত জড়িত মহিলা (মাতৃ আৰু পৰিবাৰ) সকলৰো কিছু পৰিচয় দিয়াৰ চেষ্টা কৰা হৈছে।

আল-আমিনৰ সদস্য ড০ মহম্মদ তাহেৰ চাহাবৰ উপদেশ আৰু সহায় আমি প্ৰথমৰ পৰাই পাই আহিছো । তেখেতে কৰ্মব্যস্ততাৰ মাজতো সকলো

সময়তে আমাক যি ভাৱে সহায় কৰিছে আৰু পাণ্ডুলিপিৰ আৰ্হিকাকত চোৱাকে ধৰি সম্পাদনাত সহায় কৰি এখন তথ্য সমৃদ্ধ অৱতৰণিকা লিখি দিছে তাৰ বাবে আমি তেখেতৰ ওচৰত চিৰ কৃতজ্ঞ। ড০ যোগেন্দ্ৰনাৰায়ণ ভূঞা ডাঙৰীয়াই তথ্য পাতি দি আৰু সময়ে সময়ে আখৰজোঁটনিৰ আউল ভাঙি দি কৰা সহায়ৰ কাৰণে তেখেতক সশ্ৰদ্ধ কৃতজ্ঞতা জনালো। ড০ ইৰ্শ্বাদ আলি চাহাবে কিতাপখনৰ প্ৰচ্ছদ আৰু অন্যান্য বিষয়ত দিয়া উপদেশৰ কাৰণে তেখেতকো আমাৰ কৃতজ্ঞতা জনালো।

লেখক লেখিকা যি সকলে আমাক সমল গোটাই দিছে তেখেতসকললৈও আমাৰ কৃতজ্ঞতা থাকিল।

আল-আমিনৰ সদস্য সকলৰ যি সকলে এই কামত সক্ৰিয় ভাৱে সহায় কৰিছে তাৰ ভিতৰত হাচিবুৰ ৰহমানৰ নাম প্ৰথমে উল্লেখ কৰিব লাগিব। তেখেতে ভালে কেইখন আপুৰুগীয়া কিতাপ নিজৰ সংগ্ৰহৰ পৰা আমাক যোগান ধৰাৰ উপৰিও নানা তথ্যৰ যোগান ধৰিছে। চালাহউদ্দিন আহমদ, ইনামুল ইছলাম আৰু আলি ৰেজা আহমদেও কেইবাখনো পুৰণা পুথি আমাক যোগাৰ কৰি দিছিল। মোহম্মদ আব্দুল হাৰমাইন, আব্দুল হাইচৌধুৰী, ডঃ তৌফিকুৰ ৰহমান বৰবৰা, মেহমুদুৰ ৰহমান বৰা, ইচফাকুৰ ৰহমান বৰবৰা, চৈয়দ হাৰুণাৰ ৰহমান আৰু ইলতাফ হুছেইন বৰবৰাই কিছু সমল যোগান ধৰিছিল। তেখেতসকল সকলোলৈকে আমাৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

কিতাপ আলোচনী আদিত পূৰ্ব্ব প্ৰকাশিত লিখাবোৰ এই গ্ৰন্থত সংযোজন কৰিবলৈ অনুমতি দিয়া বাবে ইমৰাণ হুছেইন (প্ৰান্তিক), অধ্যাপক ড° শিৱনাথ বৰ্মন (অসমীয়া জীৱনী অভিধান), প্ৰফুল্ল বেজবৰুৱা (শিৱসাগৰ), কুমুদেশ্বৰ হাজৰিকা (গুৱাহাটী), অধ্যাপক আব্দুৰ ৰহমান (অসমৰ মুছলমান সকল), ছৈয়দ আব্দুল হালিম, ৰফিউল হুছেইন বৰুৱা, ড° কুতুবুদ্দিন আহমদ, চালেক আহমদ (আব্দুছ ছাত্তাৰৰ প্ৰসঙ্গ-কোষ আৰু সংমিশ্ৰণত অসমীয়া সংস্কৃতি) আৰু ড° পইনুৰুদ্দিন আহমদ আদিলৈও আমাৰ কৃতজ্ঞতা থাকিল। জাহানাৰা হাজৰিকা, আব্দুল মজিদ (আল-আমিনৰ সদস্য) আৰু আটাউৰ ৰহমান (আল-আমিনৰ উপদেষ্টা) চাহাবে তেখেত সকলৰ হাতত থকা কিছু পুৰণা আপুৰুগীয়া গ্ৰন্থ আৰু

টোকা বিশ্বাস কৰি আমাৰ হাতত দিয়া বাবে তেখেত সকললৈ আমাৰ শ্ৰদ্ধাভৰা কৃতজ্ঞতা থাকিল। আল-আমিনৰ উপদেষ্টা চফিকুল হুছেইন চৌধুৰী আৰু নবতিপৰ বয়স্কা মমতাজ-উন-নিছা আহমদে তেখেত সকলৰ স্মৃতি ৰোমন্থন কৰি আমাক কিছু নাম আৰু তথ্য সংগ্ৰহত সহায় কৰাৰ কাৰণে তেখেত সকলৰ ওচৰত আমি কৃতজ্ঞ। জেইবা আহমদে কিছু সমল আৰু লগতে আৱশ্যকীয় আলোক চিত্ৰৰ যোগান ধৰাৰ কাৰণে তেখেতলৈ আমাৰ কৃতজ্ঞতা থাকিল।

উপৰুক্ত সকলৰ বাহিৰেও যি সকলে কম বেছি পৰিমাণে আমাক তথ্য-পাতি সংগ্ৰহ কৰাত সহায় কৰিছে তেখেত সকলকো আমি স্মৰণ কৰি আমাৰ কৃতজ্ঞতা জনাইছোঁ। যিহেতু এই সকলোবোৰ নাম ইয়াত উল্লেখ কৰা সম্ভৱ নহয়, সেয়ে তাৰ বাবে ক্ষমা বিচাৰিছোঁ।

প্ৰায় একক প্ৰচেষ্টাৰে এই সংকলনটো কৰোতে মোৰ পৰিবাৰ দেবিৰা চুলতানা আহমদে যি সহায় কৰিছে সেই সহায় নোপোৱা হলে এই কাম কৰা সম্ভৱ নহ'লহেতেন। মানুহৰ যোগসূত্ৰ বিচাৰি উলিয়াই, তেখেতসকলৰ লগত যোগাযোগ কৰা আদি কাম কৰাৰ উপৰিও কিছুসংখ্যক লিখকে ইংৰাজীত লিখি দিয়া জীৱনীবোৰ অসমীয়ালৈ ভাষান্তৰ কৰি, কিছু দীঘলীয়া লিখনি সম্পাদনা কৰি চমুকৈ পুনৰ লেখি, নাম মাত্ৰ তথ্যৰ শুং-সূত্ৰৰ আধাৰত বিভিন্ন লোকৰ লগত যোগসূত্ৰ স্থাপন কৰি নানা গ্ৰন্থৰ পৰা তথ্য আহৰণ কৰি সেইবোৰক জীৱনীৰ আকাৰ দি আৰু নিজেও ত্ৰিশটাৰো অধিক জীৱনী লিখি দি এইখন গ্ৰন্থৰ কাৰণে যি অৱদান তেওঁ আগবঢ়াইছে সেইয়া স্বীকাৰ কৰি আমি কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ব্যক্তিগত ক্ষেত্ৰত নানা সময়ত নানা বাধাৰ কাৰণে কাম আগনবঢ়াত যি সময়ত মোৰ মানসিক অৱসাদৰ ভাৱ আহিছিল সেইবোৰ সময়ত তেওঁ দৃঢ় বিশ্বাসেৰে 'এইখন গ্ৰন্থ হবই, তুমি চেষ্টা এৰি নিদিবা' বুলি কৈ এই কামটো এটা প্ৰত্যাহ্বান স্বৰূপে ল'বলৈ উদ্‌গণি দিছিল। মোৰ নিয়ন্ত্ৰণত ৰাখি আৰু এই কামত সময় দিয়াত কোনো ওজৰ-আপত্তি নকৰি এই কাম সম্পূৰ্ণ কৰাত সহায় কৰা কাৰণে মই তেওঁৰ ওচৰত বিশেষভাৱে ঋণী।

পুথিখনত ভুল-ভ্ৰান্তি থকাৰ সম্ভাৱনা আমি নুই কৰিব নোৱাৰো। সদাশয় পাঠকসকলে সেইয়া আঙুলিয়াই দিলে ভৱিষ্যতে শুধৰাই লোৱাৰ আশা থাকিল। সংকলনটোত সন্নিবিষ্ট কৰা জীৱনী সমূহ শিক্ষাবিদ, ধৰ্ম্মগুৰু, সমাজ কৰ্ম্মী, স্বাধীনতা সংগ্ৰামী, দাতা, কবি-সাহিত্যিক, শিল্পী আৰু ব্যক্তিগত নিষ্ঠাৰে সমাজৰ বাটকটীয়া হিচাপে কাম কৰা বা প্ৰতিষ্ঠিত হোৱা লোক সকলৰ । এই জীৱনীবোৰৰ কিছু লোক হয়তো আপাত দৃষ্টিত খুব উল্লেখযোগ্য যেন নালাগিব পাৰে কিন্তু তেখেতসকলৰ কৰ্ম্মৰাজি আৰু স্থায়ীমূল্যৰ অৱদানসমূহ তেখেতসকলৰ সময়, পটভূমি আৰু পাৰিপাৰ্শ্বিকতাৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰি চাব লাগিব। আজিৰ পৰা বহু যুগৰ আগতে কৰা এটা কাম আজিৰ যুগত সামান্য যেন লাগিব পাৰে কিন্তু তেনে কাম সেই সময়ত যুগান্তৰকাৰী আছিল। আশা কৰো সকলোৱে তেনে দৃষ্টিৰে সেই সকলৰ জীৱনী আৰু কৰ্ম্মৰাজিৰ বিচাৰ কৰে যেন।

শেষত মাইক্ৰ কম্প-টেকৰ স্বত্বাধিকাৰী আচলাম আহমদ আৰু "কম্পিউটাৰ অপাৰেটৰ" ৰিমিকা কলিতাই কেৱল ব্যৱসায়িক মনোবৃত্তিৰে নহয় সম্পূৰ্ণ নিজৰ কামৰ দৰে কাম কৰি সময়মতে এই গ্ৰন্থখন ছপা কৰি উলিওৱাত অৰিহণা যোগোৱাৰ বাবে আমাৰ শলাগ থাকিল। ❖

**আল্লাহ হাফিজ**

কমৰুজ্জামান আহমদ
সম্পাদক আৰু সংকলক

## দ্বিতীয় সংস্কৰণৰ বিষয়ে দু-আষাৰ

২০০৯ চনৰ মে’ মাহত ‘স্মৃতিৰ জিলিঙনি’ত কেইগৰাকী মান অসমৰ মুছলমান’ শীৰ্ষক প্ৰথম জীৱনী সংকলনখনি আমি প্ৰকাশ কৰোঁ। তাত ১২২ টা অসমৰ স্বনামধন্য পুৰুষ মহিলাৰ জীৱনী আছিল। তাৰ দুবছৰৰ পাছত ২০১১ চনৰ মে’ মাহত একে ধৰণেৰেই ১০৪ টা নতুন জীৱনীৰে এই সংকলনটোৰ দ্বিতীয় খণ্ডটি প্ৰকাশ কৰোঁ।

জীৱনী সংকলনটোৰ প্ৰথম খণ্ডটিয়ে ৰাইজৰ মাথোন আদৰ পোৱাই নহয়, ইয়াৰ পুনৰ প্ৰকাশৰ বাবেও আমি পৰামৰ্শ, অনুৰোধ আদি পাবলৈ ধৰোঁ। কিন্তু নানা অসুবিধা, বিশেষকৈ পুঁজিৰ নাটনিৰ কাৰণে এইটো সম্ভৱ হোৱা নাছিল। এনে অৱস্থাত ২০১১ চনৰ ১০ জুলাই তাৰিখে বৰ্ত্তমান আমেৰিকা যুক্ত-ৰাষ্ট্ৰৰ প্ৰবাসী যোৰহাটৰে ড°জৌকুল হুছেইন চৌধুৰীয়ে গ্ৰন্থখনৰ পুনৰ মুদ্ৰনৰ প্ৰস্তাৱ আগবঢ়ায় আৰু এই ক্ষেত্ৰত তেখেতে আৰ্থিক সাহায্য দিবলৈও প্ৰতিশ্ৰুতি দি মোক এই বিষয়ে কিবা কৰিব পাৰি নেকি বুলি E-mail যোগে সোধে। তেখেতৰ একান্ত ইচ্ছা অসমৰ নতুন প্ৰজন্মই আমাৰ অগ্ৰজ সকলৰ বিষয়ে জানক। সেয়েহে তেখেতে এই গ্ৰন্থখন ‘আল-আমিন জনকল্যাণ সমাজ’ আৰু যোৰহাটৰ ‘শিক্ষা সাৰথি’ নামৰ অনুষ্ঠান দুটাৰ যোগেদি শিক্ষাৰ বাবে আৰ্থিক সাহায্য পোৱা ছাত্ৰ-ছাত্ৰী সকলক বিনা মূলীয়াকৈ দিয়াৰ কাৰণে প্ৰস্তাৱ আগবঢ়ায়। এই বিষয়ে আলোচনা কৰাৰ পাছত আমি প্ৰথম খণ্ডটো পুনৰ মূদ্ৰনৰ সিদ্ধান্ত লওঁ। **ড০ জৌকুল চৌধুৰীয়ে এই পুনৰ মুদ্ৰনৰ সমূদায় খৰছ তেখেতৰ প্ৰয়াত মাতৃ জাহানাৰা চৌধুৰীৰ স্মৃতিত আগবঢ়াইছে। আল্লাহে ড০ জৌকুল চৌধুৰীৰ মঙ্গল কৰক। এই অনুদানৰ কাৰণে আমি ড০ চৌধুৰীৰ ওচৰত ঋণী আৰু তেখেতলৈ আমাৰ শ্ৰদ্ধাভৰা কৃতজ্ঞতা থাকিল। ড০ চৌধুৰীৰ পৰা অহা অনুদানৰ ব্যৱস্থাপনাত সহায় কৰা কাৰণে জোনাব ছফিকুল হুছেইন চৌধুৰীৰ প্ৰতি আমাৰ শলাগ থাকিল।**

২০১১ চনৰ মে’ মাহৰ পাছত চাৰিগৰাকী স্বনামধন্য ব্যক্তিৰ ইন্তেকাল হয়। তেওঁলোকৰ জীৱনীৰে সৈতে আৰু আগতে বৈ যোৱা দুটা জীৱনী এই

খণ্ডৰ পৰিশিষ্টত সন্নিৱিষ্ট কৰা হৈছে। আমাৰ আগৰ সংস্কৰণত সন্নিবিষ্ট হোৱা কেইটামান জীৱনীৰ লগত সময় মতে নোপোৱা কেইখনমান আলোকচিত্ৰও ইয়াত সন্নিৱিষ্ট কৰিবলৈ পাই আমি সুখী হৈছো।

প্ৰথম প্ৰকাশত থাকি যোৱা কিছু তথ্য আৰু বানান ভুল এই সংস্কৰণত শুধৰাবলৈ আমি যৎপৰোনাস্তি চেষ্টা কৰিছোঁ। তথাপি যদি পাঠক সকলে কিবা ভুল পায় সেইবোৰ নিজ গুণে শুধৰাই লৈ আমাক ক্ষমা কৰিব বুলি আশা কৰিলো।

**ডঃ চৌধুৰীৰ ইচ্ছা অনুযায়ী আল-আমিন জনকল্যাণ সমাজ আৰু যোৰহাটৰ শিক্ষা সাৰথিৰ পৰা বৃত্তি পোৱা ছাত্ৰ-ছাত্ৰী সকলক এই সংস্কৰণটো বিনামূলীয়াকৈ দিয়া হব।**

এই সংস্কৰণটো যুগুত কৰোঁতে ডঃ মহম্মদ তাহেৰ চাহাবে সততে দিহা পৰামৰ্শ দি সহায় কৰা কাৰণে তেখেতৰ প্ৰতি শ্ৰদ্ধাভৰা কৃতজ্ঞতা থাকিল।

মাইক্ৰ-কম্প টেকে গ্ৰন্থখন সময় মতে ছপা কৰি উলিয়াই দিয়া কাৰণে তেওঁলোকৰ কৰ্ম্মী বৃন্দলৈ আমাৰ ধন্যবাদ আৰু শলাগ থাকিল।

আশা কৰোঁ ৰাইজে এই সংস্কৰণটোও আদৰি লব।

আল্লাহ হাফিজ

কমৰুজ্জামান আহমদ
সম্পাদক-সংকলক

ফেব্ৰুৱাৰী ২০১২

# হজৰত শ্বাহ চুলতান গিয়াছুদ্দিন আউলিয়া (ৰঃ)

দেবিৰা চুলতানা আহমদ

হাজোৰ গড়ুৰাচল পাহাৰত অৱস্থিত হজৰত শ্বাহ চুলতান গিয়াছুদ্দিন আউলিয়াৰ মাজাৰ অৰ্থাৎ হাজো দৰগাহ অসমৰ অতি পুৰণি প্ৰথম খন দৰগাহ। এই জনা আউলিয়াই এই পাহাৰত অৱস্থান কৰি অসমত প্ৰথম ইছলামৰ পোহৰ বিতৰণ কৰে।

এতিয়া প্ৰশ্ন হয় এখেত বাৰু কোন আছিল? এইটো সঠিক যে তেখেত চুলতান গিয়াছুদ্দিন আউলিয়াই আছিল আৰু চুলতান গিয়াছুদ্দিন আউলিয়া নামেৰে সকলোৰে বিদিত। হাজো মোকামৰ মছজিদৰ গাতে লাগি থকা আৰবী, ফাৰ্চী ভাষাত খোদিত শিলালিপিত উল্লেখ আছে যে দিল্লীৰ সম্ৰাট ছাহজাহানৰ আদেশত তেখেতৰ দ্বিতীয় পুত্ৰ বঙ্গৰ নৱাব চুজাউদ্দিনে গিয়াছুদ্দিন আউলিয়াৰ (ৰঃ) স্মৃতিক যুগমীয়া কৰিবলৈ এটি মনোৰম মছজিদ নিৰ্ম্মাণ কৰে। এই কাম হাজোৰ ফৌজদাৰ লুৎফুল্লা চিৰাজীয়ে সম্পূৰ্ণ কৰিবলৈ নৌপাওঁতেই তেখেতৰ মৃত্যু হোৱাত তেখেতৰ পুত্ৰ ছাহ নিয়ামতুল্লাই ১৬৫৭ চনত সম্পূৰ্ণ কৰি উলিয়ায়।

এই মাজাৰক কেইবা গৰাকী সাধু পুৰুষৰ লগত জড়িত কৰা হয়। এই বিষয়ে বহুত দিনৰ পৰাই মনত এটা খু-দুৱনি আছিল। ২০০৪ চনত আমেৰিকাত থকা অৱস্থাত আমাৰ পুত্ৰৰ ঘৰত এখন কিতাপ হাতত পৰিছিল। কিতাপখন আছিল Richard M. Eaton ৰ The Rise of Islam and the Bengal

Frontier 1204-1760. কিতাপ খনিৰ এটি কথাই মোৰ দৃষ্টি আকৰ্ষণ কৰা বাবে লৰাক খুজি কিতাপখন লৈ আহিছিলো। ইয়েটন এগৰাকী প্ৰখ্যাত বুৰঞ্জীবিদ। মইয়ো এসময়ত ইতিহাসৰ ছাত্ৰী আছিলো। এম. এ. পৰীক্ষাৰ খবৰ ওলোৱাৰ লগে লগে যোৰহাটৰ জে. বি. কলেজৰ পৰা এটি প্ৰবক্তাৰ পদৰ বাবে আমন্ত্ৰণ পাইছিলো । কিন্তু বিয়া হৈ গৃহিনী হোৱা বাবে মোৰ জীৱনত ইতিহাসৰ সিমানতে ইতি পৰিল। কলেজৰ চাকৰি আৰু লোৱা নহ'ল। কিন্তু ইতিহাসৰ প্ৰতি মোৰ আগ্ৰহ কমা নাছিল। যতে যি ধৰণৰে কিতাপ পাইছিলো, পঢ়িছিলো। সেইয়ে মোৰ সীমিত জ্ঞান আৰু সীমিত সম্বল লৈ মই এই গিয়াছুদ্দিন আউলিয়া গৰাকীনো কোন আছিল তাকে নিজে জানিবৰ অলপ চেষ্টা কৰিছো।

এই প্ৰচেষ্টাত যদি কিবা দোষনীয় হৈ থাকে, তাৰ বাবে মই আগতেই ৰাইজৰ ওচৰত ক্ষমা বিচাৰিছো।

আজি কেইদিন মানৰ আগতে হাজো পোৱা মক্কাৰ দৰগাহৰ পৰা ওলোৱা ২০০৯ বৰ্ষৰ 'স্মৰণিকা'খন হাতত পৰিল। তাত প্ৰমোদ মেধি ডাঙৰীয়াই মুকলিকৈ তিনি গৰাকী সাধকক হাজো মক্কাৰ দাবীদাৰ হিচাবে দেখুৱাইছে। কেউগৰাকীৰে নাম এই দৰগাহৰ লগত জড়িত। তেখেতৰ মতে প্ৰথম গৰাকী গিয়াছুদ্দিন আউলিয়াৰ অসম আগমনৰ আনুমানিক সময় ১২৫৪-৫৬ নতুবা ১৩২৫ -২৬ চন। পাছলৈ তেখেত গৰুড়াচল পাহাৰৰ গুহাত অকলে থাকিবলৈ লয়। একাংশ মুছলমান পণ্ডিতে পোৱা মক্কাৰ মাজাৰ তেখেতৰে বুলি বিশ্বাস কৰে। দ্বিতীয় গৰাকী আন এজন গিয়াছুদ্দিন আউলিয়া, যি জীৱনৰ আগছোৱাত মধ্য-প্ৰাচ্যৰ তাব্ৰিজ দেশৰ ৰজা আছিল যাৰ নাম জালালউদ্দিন তাব্ৰিজী। পাছলৈ তেখেতে ৰাজকাৰ্য্য ত্যাগ কৰি ইছলাম ধৰ্ম্ম প্ৰচাৰত মনোনিবেশ কৰে। কালক্ৰমত এখেতেই অসমৰ হাজো অঞ্চল পায়হি আৰু ইয়াতে ইছলামৰ পোহৰ বিতৰণ কৰি দেহ ত্যাগ কৰে। এই দুগৰাকীৰ উপৰিও এক অংশই ভাৱে যে এই মাজাৰ ১৩৯২ চনত বঙ্গৰ চুলতান হোৱা গিয়াছুদ্দিন আজম শ্বাহৰ ।

ওপৰত উল্লেখ কৰা 'স্মৰণিকা' খনিত বেচ কেইগৰাকীমান লিখকে এই মাজাৰ গিয়াছুদ্দিন আউলিয়া (তাব্ৰিজীৰ) বুলিয়েই উল্লেখ কৰিছে আৰু

তেখেতসকলে মৰক্কোৰ দেশৰ পৰিব্ৰাজক ইৱন বাটটুতাই (মৃত্যু ১৩৭৭ চন) লিখা ‘The Rehla of Ibn Battuta’ কিতাপত এই চুফী সাধক গৰাকীক হাজোত আহি লগ ধৰা বুলি উল্লেখ কৰিছে। এতিয়া আহো আমি Prof. Eaton ৰ কিতাপ খনিলৈ। তাত তেখেতে বৰোদাৰ অৰিয়েণ্টলে ইষ্টিটিউটৰ পৰা প্ৰকাশিত মাহ্‌দি হুছেইনৰ দ্বাৰা অনুবাদিত ইৱন বাটটুতাৰ কিতাপ খনিৰ পৰা এটা উদ্বৃতি দিছে। মই সেইটো হুবহু ইংৰাজীতে তুলি দিছো। তাত ইৱন বাটটুতাই এই সাধক গৰাকীক Shaikh (শ্বেইখ) বুলিহে সম্বোধন কৰিছে, চুলতান বুলি নহয়। “This Shaikh was one of the great saints and one of the unique personalities. He had to his credit miracles (Karamat) well known to the public as well as great deeds and he was a man of hoary age....... The inhabitants of these mountains had embraced Islam at his hands, and for this reason he stayed amidst them.” Prof Eaton ৰ মতে এই Shaikh Shah Jalal আছিল শ্বাহ জালাল (মৃত্যু ১৩৪৬ চনত) ‘মুজাৰৰাদ’ (অবিবাহিত) । তেখেতৰ জীৱন কাহিনী সোতৰশ শতিকাত তেখেতৰ এগৰাকী সঙ্গীৰ পুত্ৰ শ্বেইখ আলীয়ে প্ৰস্তুত কৰে। এই জীৱনী মতে তেখেতে তুৰ্কীস্থানত জন্ম গ্ৰহণ কৰি চৈয়দ আহমদ এচাৰী নামৰ প্ৰখ্যাত চুফী সাধকৰ শিষ্য হৈছিল । ইছলাম ধৰ্ম্ম প্ৰচাৰৰ বাবে ৩১৩ গৰাকী সঙ্গী লগত লৈ তেখেত শ্ৰীৰহাট (চিলেট) পায়হি। এই শ্বেইখ জালালুদ্দিনকে ইৱন বাটটুতাই ১৩৪৫ চনত লগ কৰিবৰ বাবে দক্ষিণ ভাৰতৰ পৰা চীন দেশলৈ যোৱাৰ পথত কিছুদিনৰ বাবে সেই যাত্ৰা ভঙ্গ কৰি মেঘনা হৈ, চুৰমা নদী আৰু ইয়াৰ উপ-নদীবোৰৰ জৰিয়তে উজাই আহি পৰ্ব্বতৰ গুহাত তেখেতক লগ ধৰে আৰু তেখেতৰ লগত তিনি দিন সময় অতিবাহিত কৰি তেখেতে দিয়া জোব্বাটি লৈ পুনৰ চীন দেশৰ ভ্ৰমণ আৰম্ভ কৰে। ইৱন বাটুটতাৰ মতে যিবোৰ মানুহক এই সাধু পুৰুষ গৰকীয়ে ইছলাম ধৰ্ম্মত দীক্ষা দিছিল তেওঁলোকৰ হিন্দু ধৰ্ম্ম বা বৌদ্ধ ধৰ্ম্মৰ জ্ঞান নাছিল। কিন্তু সেই সময়ত হাজোৰ মানুহ হিন্দু আৰু বৌদ্ধ ধৰ্ম্ম পন্থীৰ লোক আছিল। তেখেতক সদায় শ্বেইখ বুলিয়েই সম্বোধন কৰা হৈছিল আৰু তেখেতৰ খ্যাতি ভাৰতৰ নানা ঠাইত বিয়পি পৰা বাবেই ইৱন বাটুটতাই

তেখেতক ইমানদূৰ আগবাঢ়ি আহি লগ কৰিছিল, যিহেতু তেখেত নিজেও বৰ ধাৰ্ম্মিক, জ্ঞানী আৰু পণ্ডিত ব্যক্তি আছিল।

হাজোৰ পোৱামক্কাৰ এপোৱা মাটিৰ ঘটনাটোৰ দৰে শ্বেইখ জালালৰো নামৰ লগত এক লদা মাটিৰ কাহিনী এটি জড়িত হৈ আছে। পোন্ধৰ শতিকাৰ মাজ ভাগত ৰচিত জীৱনীত তেখেতক নিশ্চিত ৰূপে তুৰ্কীস্তানৰ লোক বুলি কোৱা হৈছে। ১৮ শতিকাৰ ৰচিত কিতাপ এখনত তেখেতে মক্কা শ্বৰীফৰ পৰা এই মাটি লৈ অহা বুলি বৰ্ণনা কৰা হৈছে। সেই মাটি অৱশেষত আহি চিলেটৰ মাটিৰ লগত মিলি পৰা বুলি কোৱা হৈছে। চিলেটৰ পৰা ২০০ মাইল দূৰৰ পাবনা জিলাতো এই সাধক গৰাকীক লৈ একে ধৰণৰ কাহিনী এটি প্ৰচলন আছে। য'ত মাটিৰ লগত মক্কা শ্বৰীফৰ মাটিখিনি মিলি পৰিল তাতে খানকা গঢ়ি উঠিল।

এই শ্বেইখ শ্বাহ জালাল যাৰ মাজাৰ চিলেটত আছে আৰু যাক ইবন বাটুটাতাই লগ কৰিছিল, আৰু জালালুদ্দিন তাব্ৰিজী দুগৰাকী সুকীয়া পুৰুষ। প্ৰফেচাৰ ইয়েটনে ১৫৩০-৩৬ চনৰ ভিতৰত ৰচিত চুফী সাধক সকলৰ জীৱনী গ্ৰন্থ চিয়াৰ আল আৰিফিন (Siyar-al-Arifin -ৰচক মৌলানা জামালি)ৰ পৰা উল্লেখ কৰি জনাইছে যে এই গৰাকী জালালুদ্দিনে নিজৰ দেশ তাব্ৰিজ (ইৰাণৰ উত্তৰপশ্চিম অঞ্চল)ত চুফীবাদত দীক্ষা লয়। আনুমানিক ১৩১৮ চনত তেখেতে বাগদাদলৈ যায়। তাতে প্ৰখ্যাত চুফী সাধক Shaikh Shihab-al-Din-Suhrawardi ৰ অধীনত শিক্ষা গ্ৰহণ কৰে। ১৩৩৫ চনত শ্বেইখ চুহৰাৱাৰদিৰ মৃত্যুৰ পাছত জালালুদ্দিনে ভাৰতলৈ গমন কৰে। দিল্লীত আশানুৰূপ আদৰ সাদৰ নাপাই তেখেত বঙ্গ দেশৰ লক্ষ্মৌৱতীলৈ আহে। ইয়াতে 'দেৱমহল' নামৰ নদীৰ পাৰতে Takya (চুফী বিশ্ৰাম ঘৰ) নিৰ্মাণ কৰি থাকিবলৈ লয়। তেখেতে তাত প্ৰায় দহ বছৰ ইছলাম প্ৰচাৰ কৰে সেই ঠাইতে মৃত্যু বৰণ কৰে। তেখেতৰ মাজাৰ সেই ঠাইতে বৰ্ত্তমানেও আছে। এইয়া মৌলানা জামালিয়ে (আনুমানিক ১৫৩০-৩৬ চনত) লিখা তথ্যৰ পৰা দিয়া হৈছে । ইয়াৰ উপৰিও ১৪১৪ চনত চিষ্টি শ্বেইখ আচৰফ জাহাঙ্গীৰ চিমনিৰ মতে শ্বেইখ জালালুদ্দিন তাব্ৰিজীৰ অনেক কেইজন সঙ্গীক মহি চান্তোষ আৰু দেওতালাত (পাণ্ডুৱাৰ ওচৰত) সমাধিস্থ কৰা হৈছিল । শ্বেইখ তাব্ৰিজীৰ কথা, ৰজা লক্ষ্মণ সেনৰ ৰাজত্বৰ সময়ৰ বিৱৰণ থকা

‘সেকাচুভূদ্যয়’ (Sekas’ubhodaya) নামৰ সংস্কৃত পুথি এখনত উল্লেখ আছে। পুথিখনৰ পাণ্ডুলিপিখন ১৯ শতিকাত পাণ্ডুৱাৰ বাইছ হাজাৰী মছজিদৰ পৰা উদ্ধাৰ হৈছিল। সেই পাণ্ডুলিপিখন ১৬ শতিকাত ৰচনা কৰা হৈছিল । কোনো দেৱ-দেৱতাৰ সলনি এই পুথিত শ্বেইখ তাব্রিজীৰহে গুণ-কীৰ্ত্তন কৰা হৈছে। তেখেতে পাণ্ডুৱাত মছজিদ সাজি তাৰ ওচৰে পাজৰে জংঘল ভাঙি মানুহৰ বসতি স্থাপন কৰোৱাইছিল আৰু ৰজা প্ৰজা উভয়েই তেখেতৰ মহত্বত অভিভূত হৈ পৰিছিল। যদি সেইয়াই সঁচা হয় তেতিয়া হলে ‘কামাৰু’ পাহাৰত ইবন বাটটুতাই লগ পোৱা চুফী সাধকজন জালালুদ্দিন তাব্রিজী হব নোৱাৰে আৰু এক জনশ্ৰুতি মতে যিজনাৰ মাজাৰ গুৱাহাটীৰ ওছৰত গাড়ীগাঁওত থকা বুলি কোৱা হয় সেইয়াও সম্ভৱ নহয়। পূৰ্ব্বতে উল্লেখ কৰা হৈছে যে শ্বেইখ আলি নামৰ এজন লোকে (মৃত্যু ১৫৬২ চনত) চিলেটৰ শ্বেইখ জালালৰ জীৱনী ৰচনা কৰিছিল। তেখেতৰ লিখনিবোৰ ১৬১৩ চনত ‘গুলজাৰ - ই- আববাৰ’ নামৰ Hagiography (সাধক সকলৰ জীৱনী) এখনত অন্তৰ্ভুক্ত কৰা হয় আৰু পাকিস্তানত এচ. এম. ইকৰাম নামৰ এজন লোকে ১৯৫৭ চনত প্ৰকাশ কৰে। এই খনৰ মতে শ্বেইখ জালালৰ ধৰ্ম্ম গুৰু জনা শ্বেইখ য়াচাউীৰ (মৃত্যু ১১৬৬ চন) এগৰাকী শিষ্যহে হোৱাৰ সম্ভৱনা।

ইবন বাটটুতাৰ ‘কামাৰু’ সঁচাই বাৰু হাজোৰ পাহাৰৰেই আছিল জানো? ‘এ হিষ্টৰী অৱ মোগল নৰ্থ ইষ্ট ফ্ৰণ্টিয়াৰ পলিচি’ নামৰ গ্ৰন্থখনত এচ. এন. ভট্টাচাৰ্য দেৱে ৬০ পৃষ্ঠাত এঠাইত উল্লেখ কৰা মতে ভৌগোলিক দিশৰ ফালৰ পৰা আৰু ৰাজনৈতিক দিশৰ ফালৰ পৰাও মৈমনসিং জিলাৰ ইনায়তপুৰ আৰু গিয়াছপুৰা আদি ঠাইবোৰ আৰু শ্ৰীহট্ট আদিও পুৰণি কামৰূপৰ সীমাৰ ভিতৰত আছিল। মহাভাৰত, যোগিনী তন্ত্ৰ, আৰু হিউয়েনচাঙৰ বৰ্ণনাতো এইয়া প্ৰমাণিত হৈছে। গতিকে এই ‘কামাৰু’ হাজোত নহৈ চিলেটত হোৱাৰ সম্ভৱনাই বেছি। নতুন প্ৰজন্মৰ কোনোৱাই যদি বাংলাদেশ আৰু বঙ্গদেশলৈ গৈ ইয়াৰ এটি অনুসন্ধান চলায় এই বিষয়ে নিশ্চিত হ’ব পৰা যাব।

ওপৰৰ যুক্তিৰ পৰা দেখা গ’ল যে জালালুদ্দিন তাব্রিজী বা ইবন বাটটুতাৰ শ্বেইখ জালাল এই দুগৰাকী চুফী সাধকৰ পোৱা মক্কাৰ চুলতান গিয়াছুদ্দিন

আউলিয়া হোৱাৰ সম্ভৱনা কম। এতিয়া বাকী ৰল গিয়াছুদ্দিন আজম শ্বাহ যি এখন বিশাল ৰাজ্যৰ সম্রাট হৈয়ো চুফীৰ সাধাৰণ জীৱন-যাপন কৰা বুলি মোহাম্মদ বাবুৰ আলী ডাঙৰীয়াই স্মৰণিকা খনত উল্লেখ কৰিছে। পোৱা মক্কাৰ স্মৰণিকা খনিত মোহাম্মদ বাবুৰ আলী ডাঙৰীয়াই এই গৰাকী ৰজা চুফীৰ সাধককে পোৱা মক্কাৰ আউলিয়া বুলি স্পষ্ট ভাৱে লিখিছে । তেখেতৰ মতে 'গিয়াছুদ্দিন নামৰ কেইবাজনো মহৎ লোক এই পোৱা মক্কাৰ দৰগাহত জড়িত থকাৰ মত ৰাইজৰ মাজত বিদ্যমান যদিও কৰ্ম্ম সংস্কৃতি আৰু ধৰ্ম্ম অনুভূতিৰ দিশবোৰ নিৰীক্ষণ কৰিলে শ্বাহ চুলতান গিয়াছুদ্দিন আজম পূৰ্বী নামৰ ব্যক্তিজনেই প্ৰকৃত পীৰ, যাৰ মাজাৰ আজি হাজোৰ গড়ুৰাচল পাহাৰৰ উচ্চ শিখৰত বিদ্যমান।' কিন্তু ইৰফান চফৰী ডাঙৰীয়াই আকৌ তেখেতৰ পুথি 'হজৰত শ্বাহ চুলতান গিয়াছুদ্দিন (ৰঃ)ত বঙ্গদেশৰ লক্ষ্ণৌৱতীত ১২২১ ৰপৰা ১২২৭ লৈ ৰাজত্ব কৰা চুলতান গিয়াছুদ্দিন ইৱাজকহে হাজোৰ আউলিয়া গৰাকী বুলি যুক্তি দৰ্শাইছে। এই চুলতান গিয়াছুদ্দিন ইৱাজ খিলিজী (১২১৩-১২২৭বঙ্গৰ চুলতান) ৰ বিষয়ে দিল্লীৰ চুলতান ইলটুতমিচৰ সময়ৰ কাজী আৰু বুৰঞ্জীবিদ মীন হাজ আলচিৰাজে তেখেতৰ 'তবকত-ই-নাচিৰী'ত লিখা মতে দু গৰাকী দৰবেশে গিয়াছুদ্দিনৰ আফগানিস্তানৰ পথ যাত্ৰাৰ সময়ত তেখেতৰ অতিথি পৰায়ণতাত সন্তুষ্ট হৈ দিয়া আৰ্শীবাদ তেখেতে বহন কৰি হিন্দুস্তানৰ ইছলামৰ ধৰ্ম্ম প্ৰচলিত অঞ্চলৰ শেষ সীমালৈ যাত্ৰা কৰে। দুই দৰবেশে এইদৰে আশীৰ্বাদ দিছিল - 'হিন্দুস্তানলৈ যোৱা, খাজা হুছামুদ্দিন (গিয়াছুদ্দিনৰ প্ৰকৃত নাম), সেই ঠাইলৈ, যি ঠাই প্ৰচলিত ইছলামৰ শেষ প্ৰান্ত। এইয়া আমি তোমাক দিছো।' সেই আশীৰ্বাদ সাৰোগত কৰি তেখেতে বঙ্গ হৈ অসম পাইছিলহি । ইয়াতে আহি তেখেতৰ দেহাৱসান হৈছিল । ইয়াৰ মাটিত পৱিত্ৰ হাজোৰ পাহাৰত তেখেত চিৰনিদ্ৰাত শয়ন কৰি আছে। ১২৪৩ -৪৪ চনত মিনহাজ লক্ষ্ণৌৱতীলৈ আহিছিল, সেইয়া আছিল চুলতান গিয়াছুদ্দিনৰ ৰাজধানী আৰু এইয়া চুলতান গিয়াছুদ্দিন ইৱাজৰ মৃত্যুৰ মাত্ৰ ১৭ বছৰ পাছত। গতিকে এই কাহিনীৰ সত্যতা নুই কৰিব নোৱাৰি। এই কথাখিনিৰ পৰা স্পষ্ট হয় যে হুছামুদ্দিন বা ভৱিষ্যতৰ চুলতান গিয়াছুদ্দিন ইৱাজক তেখেতৰ ধৰ্ম্ম গুৰুৱেহে সত্য ধৰ্ম্ম প্ৰচাৰৰ বাবে এই দেশলৈ প্ৰেৰণ কৰিছিল।

তেখেতে আহি দিল্লীত সেই সময়ৰ শাসন কৰ্ত্তা বখতীয়াৰ খিলিজীক লগ ধৰে। পাছত ভাগ্যবশতঃ আহি লক্ষ্ণৌৰতীৰ অধিকৰ্ত্তা হয়। তেখেতৰ নামেৰে খোতবা পাঠ হয় আৰু তেখেত চুলতান গিয়াছুদ্দিন নামেৰে জনাজাত হয়। তেখেত আছিল বৰ্ত্তমান আফগানিস্তানৰ ঘোৰ দেশৰ 'ৱালিস্তান' নামৰ ঠাইৰ মানুহ। ইৰফান চফৰী ডাঙৰীয়াৰ মতে তেখেত 'বলখ' দেশৰ ৰাজকুমাৰ আছিল আৰু মোহাম্মদ ঘোড়ীৰ সংবিধানত তেখেতক চুলতান সম্বোধনেৰে লক্ষ্ণৌৰতীৰ অধিকৰ্ত্তা পাতিছিল। তেখেতৰ শাসনৰ কেন্দ্ৰ আছিল লক্ষ্ণৌৰতী, কিন্তু এখেতে এটা দূৰ্গ সাজি ' বাচান কোট' বা বিষ্ণু কোটত বাস কৰিছিল। সেইয়া আছিল হিন্দুস্তানত প্ৰতিষ্ঠিত প্ৰথম ইছলামীয় ৰাজধানী আৰু চুলতান উপাধিধাৰী প্ৰথম ভাৰতীয় মুছলমান ৰজা ।

তেখেত যেনে এজন সু-পুৰুষ আছিল তেখেতৰ অন্তঃকৰণো আছিল সেইদৰে সুন্দৰ । তেখেতে মহানুভৱতা, দানশীলতা, ন্যায়পৰাণতা আৰু দয়াৰ পৱিত্ৰতাৰে মানুহৰ অন্তৰ জয় কৰিছিল। তেখেতৰ গুণত মুগ্ধ হৈ বহুতে দীন ইছলামৰ প্ৰতি আকৰ্ষিত হৈছিল। তেখেতৰ মহানুভৱতা আৰু ন্যায়পৰায়ণতাৰ বাবে দেশত সকলো শ্ৰেণীৰ লোকৰ মাজত শান্তি সম্প্ৰীতি বিৰাজ কৰিছিল। এই চুলতান জনে প্ৰথম বাৰৰ বাবে বঙ্গত ৰাজআলি নিৰ্মাণ কৰে আৰু তেখেতৰ সময়ৰ পৰাই বঙ্গৰ লগত 'আল' শব্দ সংযোজিত হৈ বঙ্গাল (Bengal) নামৰ উৎপত্তি হয়। ওপৰত উল্লেখ কৰি অহা মতে বৰ্ত্তমান বঙ্গদেশৰ ভালেখিনি অংশ তেতিয়াৰ কামৰূপৰ ভিতৰুৱা আছিল। সেই দৰে মুছলমান শাসকৰ দৃষ্টিত বৰ্ত্তমানৰ অসমৰ গোৱালপাৰা, মেঘালয়ৰ গাৰো-খাছী পাহাৰ আদি অঞ্চল বঙ্গৰহে অন্তৰ্ভুক্ত আছিল। এয়াই গিয়াছুদ্দিনৰ সময়ৰ বঙ্গ আছিল। পাছলৈ এই নামেৰে বৃহত্তৰ দেশখনো বঙ্গদেশ হ'ল। তেখেত এগৰাকী শক্তিশালী ৰজা আছিল। দিল্লীৰ চুলতান ইলটুতমিচ আৰু পুত্ৰ নাছিৰুদ্দিনে চুলতান গিয়াছুদ্দিনৰ এই প্ৰতিপত্তি সহ্য কৰিব পৰা নাছিল আৰু তেখেতৰ অনিষ্ট কৰিবলৈ ছেগ চাই আছিল। সেইয়া সম্ভৱ হ'ল গিয়াছুদ্দিনৰ কামৰূপ অভিযানৰ সময়ত। এই অভিযানত তেখেতে সোণাৰ গাওঁ এৰি কামৰূপ অভিমুখে আহি নগাওঁ পৰ্য্যন্ত আগুৱাই আহিল । বৰ্ত্তমানত পোহৰলৈ অহা তেখেতৰ নাম বহন কৰা অনেক

মুদ্ৰাৰ পৰা এইয়া প্ৰমাণিত হয়। ১৮৮০ চনত গুৱাহাটীত আৰু এনে মুদ্ৰা পোৱা গৈছে। তেখেতে ‘লক্ষ্ণৌৰতী’ চহৰখন আৰু বাচানকোট দুৰ্গৰ কোনো প্ৰতিৰক্ষাৰ ব্যৱস্থা নকৰাকৈ এৰি অহাত ইলটুতমিচৰ পুত্ৰ নাছিৰুদ্দিনে তাক দখল কৰে। এই খবৰ পাই পুনৰ নিজৰ ৰাজধানী মুক্ত কৰিবলৈ ঘূৰি যাওঁতে শত্ৰু পক্ষই তেখেতক গুৱাহাটীৰ ওচৰৰে কোনো ঠাইত বন্দী কৰি পাছত হত্যা কৰে আৰু তেখেতৰ শিষ্য সকলে শৱদেহ নি হাজোৰ পাহাৰত সমাধিস্থ কৰে। চফৰী ডাঙৰীয়াৰ মতে বহুত আগৰে পৰাই এই ৰজা গৰাকীয়ে অসমত ইছলাম ধৰ্ম্ম প্ৰচাৰৰ কাম আৰম্ভ কৰিছিল। মিনহাজে তেখেতৰ শত্ৰুৰ হাতত ‘শ্বহীদ’ হোৱাৰ আখ্যা দিছে। যদিও মিনহাজ বিৰোধী ইলটুতমিছ পৰিয়ালৰ অধীনস্থ বিষয়া আছিল আৰু তেখেতসকলৰ তত্বাৱধানতে ‘তবকত -ই-নাচিৰী’ খন লিখিছিল তথাপি গিয়াছুদ্দিনৰ দৰে এনে এগৰাকী অসাধাৰণ মানৱীয় গুণৰ অধিকাৰী ব্যক্তিৰ হত্যাক শ্বহীদৰ মৰ্য্যাদাৰে সন্মানিত কৰিছিল। চফৰী ডাঙৰীয়াৰ মতে তেখেতে ধৰ্ম্ম প্ৰচাৰৰ বাবেহে কামৰূপ অভিমুখে আহিছিল, যিহেতু ১২২৪ চনৰ তেখেতৰ মুদ্ৰা গুৱাহাটীত পোৱা গৈছে আৰু ১২২৬-২৭ চনৰ অভিযানৰ সময়তো কোনো বিশেষ ৰণৰ উল্লেখ নাই।

কামৰূপৰ ৰজা প্ৰথু (পৃথু)ৰ লগত তেখেতৰ ভাল সম্বন্ধ আছিল আৰু সেয়ে প্ৰথুৱে গিয়াছুদ্দিনৰ হত্যাৰ প্ৰতিবাদত বিদ্ৰোহ কৰি ১২২৮ চনত মৃত্যু বৰণ কৰিছিল। নাছিৰুদ্দিন ইমানতে ক্ষান্ত নাথাকি গিয়াছুদ্দিন ইৱাজৰ সুযোগ্য পুতেক ইক্তিয়াৰউদ্দিনক সেই বছৰতে হত্যা কৰিছিল। উপৰোক্ত যুক্তিসমূহৰ পৰা এই চুলতান গিয়াছুদ্দিন ইৱাজেই শিলালিপিত উল্লেখিত চুলতান গিয়াছুদ্দিন আউলিয়া যেন ধাৰণা হয়।

মোহাম্মদ বাবুৰ আলী ডাঙৰীয়াই স্মৰণিকাত উল্লেখ কৰা গিয়াছুদ্দিন আজম শ্বাহে অধ্যাপক ইয়েটনৰ মতে বঙ্গদেশত পিতাক ছিকন্দৰ শ্বাহৰ মৃত্যুৰ পাছত ১৩৯৮ চনৰ পৰা ১৪১০ চনলৈ ৰাজত্ব কৰিছিল। অধ্যাপক ভট্টাচাৰ্য্যৰ মতে এইয়া ১৩৮৯ ৰ পৰা ১৩৯৬ চন। ১৩৫৭ চনত ছিকন্দৰ শ্বাহে কামৰূপ জয় কৰিছিল। চুলতান গিয়াছুদ্দিন আজমেও ১৩৯৪ চনত অসম আক্ৰমণ কৰাৰ কথা

'যোগিনী তন্ত্র' ত অস্পষ্ট ভাৱে উল্লেখ আছে, আৰু তেখেতৰ শাসন কালৰ কিছু মুদ্রাও এই ফালে পোৱা হৈছে। আগতে উল্লেখ কৰা অধ্যাপক ইয়েটনৰ কিতাপ খনৰ মতে এই চুলতান জন তেখেতৰ দেউতাকৰ দৰেই মধ্য প্রাচ্যৰ প্রতি আসক্ত আছিল। তেখেতৰ দেউতাকে নির্মাণ কৰা পাণ্ডুৱাৰ আদিনা মছজিদ বিশ্ববিখ্যাত। গিয়াছুদ্দিনে বঙ্গদেশৰ উপৰিও মক্কা আৰু মদিনাত বহুতো মাদ্রাছা সজোৱাই দিছিল। আনকি তেখেতে ছিৰাজৰ কবি ফিৰদৌছিক নিজৰ ৰাজ সভালৈ আনিবলৈ আমন্ত্রণ দিছিল। তেখেতসকলৰ ৰাজ কাৰেঙো জাকত জিলিকা আছিল আৰু মধ্য প্রাচ্যৰ অট্টালিকাৰ আৰ্হিত সজা হৈছিল। আলী ডাঙৰীয়াই আৰু উল্লেখ কৰিছে যে চুলতান গিয়াছুদ্দিন সেই সময়ত প্রসিদ্ধ চিষ্টি পন্থাৰ চুফী সাধক নুৰ কুটুব ই আলম ( মৃত্যু ১৪৫৯, ২৮ জিলহজ্জ ৮৬৩ হিজৰি)ৰ সহপাঠী আছিল। এই নুৰ কুটুবৰ দেউতাক চুফী সাধক শ্বেইখ আলা আল হক (মৃত্যু ১৩৯৮) ইলিয়াছ শ্বাহী বংশৰ প্রতিষ্ঠাতা চামচ আদ দিনৰ ধৰ্ম্মগুৰু আছিল। কিন্তু চুলতান গিয়াছুদ্দিনৰ দেউতাক চুলতান ছিকন্দৰে সাধাৰণ ৰাইজৰ মাজত তেখেতৰ সমাদৰ দেখি তেখেতক সোণাৰ গাঁৱলৈ পঠিয়ায়। অধ্যাপক ইয়েটনৰ মতে (এইজনা লিখকে বঙ্গদেশ আৰু বাংলা দেশ দুয়ো ঠাইতে অনেক গৱেষণা কৰিছে আৰু ভাৰত, বাংলাদেশ, লণ্ডন, পেৰিচ, আদিত বহুতো গ্রন্থাগাৰ আৰু সংগ্রাহালয়ৰ নথি পত্রৰ সহায় লৈছে ) চুলতান জালালউদ্দিন (ৰজা গণেশৰ বংশধৰ) আৰু তেখেতৰ পুতেক আহমদ (১৪৩২-৩৩) নুৰ কুটুবৰ শিষ্য আছিল । সেয়ে চুলতান গিয়াছুদ্দিন আৰু নুৰ কুটুব সহপাঠী হবলৈ হলে নুৰ কুটুবে অনেক আয়ুস পাব লাগিব। এগৰাকীৰ মৃত্যু ১৪১০ আৰু আনগৰাকীৰ ১৪৫৯। চুলতান গিয়াছুদ্দিন আজমৰ সেইসময়ত মুজ্জাফৰ বলখী নামৰ (শ্বেইখ চৰফ আলদিন মানেৰীৰ শিষ্য) আন এজন প্রখ্যাত চুফী সাধকৰ লগত বন্ধুত্ব আছিল। চুলতান গিয়াছুদ্দিনৰ মৃত্যুৰ পাছত তেখেতৰ পুতেক চেইফউদ্দিন বঙ্গৰ চুলতান (১৪১০-১১ চন) আছিল। তাৰ পাছত ছিহাবুদ্দিনৰ তিনিবছৰীয়া শাসনৰ পাছতে ৰজা গণেশে শাসন নিজৰ হাতলৈ নিয়ে। এই বংশৰ চুলতানসকলে যদিও পূৰ্বত অৱস্থিত বঙাল দেশত শাসন কৰিছিল, তেখেত সকলৰ দৃষ্টিভঙ্গী আৰু আদৰ্শ সম্পূৰ্ণ পশ্চিমমূখী আছিল আৰু সদায়েই তেখেত সকলে মধ্য প্রাচ্যৰ ফালৰ

পৰাহে অনুপ্ৰেৰণাৰ সম্বল বিচাৰিছিল। সেয়ে সেই বংশৰ এজন প্ৰভাৱশালী চুলতানে যে  নিজৰ ৰাজধানী এৰি অসমৰ অৰণ্যত সাধকৰ জীৱন বাছি ল'ব, সেইয়া গ্ৰহণ কৰিবলৈ অসুবিধা লাগে । এই বিষয়ে আমি যি দুই এখন কিতাপ পঢ়িছো তাত এনেধৰণৰ কথা ক'তো উল্লেখ নাই। সাধাৰণ ভাৱে ৰাজত্ব কালৰ লগতে মৃত্যু চনটো উল্লেখ হৈছে আৰু পুতেকৰ ৰাজত্ব আৰম্ভ হৈছে।

আন এগৰাকী বুৰঞ্জীবিদ, ড° মোহিনী কুমাৰ শইকীয়া ডাঙৰীয়াই তেখেত্ৰ 'অসমত ইছলাম ধৰ্ম্মী সমাজৰ উদ্ভৱ আৰু আদি গুৰুৰ সন্ধান' নামৰ প্ৰৱন্ধটোত আকৌ তেখেতে আন এজন চুফী সাধকক গিয়াছুদ্দিন আউলিয়া বুলি ভাবিছে। তেখেতৰ গিয়াছুদ্দিন আউলিয়া হ'ল নৱাব গিয়াছুদ্দিন বাহাদুৰ শ্বাহৰ (১৩২৩-২৪) অভিযানৰ সময়ত তেখেতৰ লগত অহা গিয়াছুদ্দিন নামৰ এজন চুফী সাধক। যদি সেইয়াই সত্য হয় তেখেততো 'চুলতান' উপাধিধাৰী নহয়। কিয়নো আলোচিত সাধক গৰাকীক সদায় স্পষ্ট ভাৱেই চুলতান গিয়াছুদ্দিন আউলিয়া বুলি কোৱা হৈছে। এজন অতি উচ্চ মাৰ্গৰ, উদাৰমনা, দয়াবান প্ৰকৃত চুফী সাধক হলেও হাজোৰ মোকামৰ গুৰু জনাৰ কোনো সময়ত ৰাজকীয় কৰ্তৃত্ব থাকিব লাগিব। কোনো নৱাবৰ লগত অহা সাধক এজনক চুলতান বুলি জানো কোনোবাই সম্বোধন কৰিব?

আমি আমাৰ দৃষ্টি ভঙ্গী ৰাইজৰ আগত দাঙি ধৰিছো। আশা কৰো তেখেত সকলে বিবেচনা কৰি চুলতান গিয়াছুদ্দিন আউলিয়া (ৰঃ)  কোন আছিল এটা মীমাংসাত উপনীত হব পাৰিব। ❖

# পোৱামক্কা দৰগাহঃ
# শ্বাহ চুলতান গিয়াছুদ্দিন আউলিয়া

আলহাজ চৈয়দ মকিবৰ ৰহমান

পৱিত্ৰ পোৱামক্কা দৰগাহ হাজোৰ গৰুৰাচল বা মোকামৰা পাহাৰৰ ওখ শৃংগটোত অৱস্থিত। এই দৰগাহৰ বৈশিষ্ট্য ছাহ চুলতান গিয়াছুদ্দিন আউলিয়াৰ মাজাৰ শ্বৰীফ। এই মাজাৰ শ্বৰীফৰ কাষতে এটা মছজিদ আছে। উক্ত গিয়াছুদ্দিন আউলিয়া এজন ধৰ্ম পৰায়ণ কামিল পীৰ আছিল। পোৱামক্কা দৰগাহৰ বিষয়ে বহু ধৰণৰ বিৱৰণ পোৱা যায় আৰু গিয়াছুদ্দিন আউলিয়া ইয়াৰেই প্ৰতিষ্ঠাপক আছিল বুলি বিশ্বাস। পোৱামক্কা দৰগাহ আৰু ইয়াৰ প্ৰতিষ্ঠাপক জন মুছলমান সকল অসমলৈ অহাৰ প্ৰথম শতিকাৰ শেষ ভাগত অৰ্থাৎ ১৪শ শতিকাৰ প্ৰথম ভাগত আগমনৰ উল্লেখ পোৱা যায়। এই পৱিত্ৰ দৰগাহত হাজাৰ হাজাৰ মানুহ সমবেত হয় আনকি বাহিৰৰ পৰাও তীৰ্থযাত্ৰী সকল আহি ইয়াত পদাৰ্পন কৰে । এই অঞ্চলৰ হিন্দু ভক্ত সকলো ইয়াত আহি পূণ্য ভূমিৰ পূণ্যতা অৰ্জ্জন কৰে। পাহাৰৰ ওখ শৃঙ্গলৈ বগাই বিশেষকৈ জেঠ মাহৰ পূৰ্ণিমাৰ দিনা ইয়াত যাত্ৰী সকলৰ সমাগম হয়।

বুৰঞ্জীমূলক বিৱৰণৰ দ্বাৰা জনা যায় যে ১৬৫৭ খৃঃত থানাদাৰ লুতফুল্লাহ ছিৰাজীয়ে এই মছজিদটো নতুনকৈ নিৰ্মাণ কৰিছিল। মছজিদটোৰ ওচৰত শ্বাহ চুলতান গিয়াছুদ্দিন আউলিয়াকে আদি কৰি আৰু বহুতো পীৰ ফকীৰৰ মাজাৰ শ্বৰীফ দেখিবলৈ পোৱা যায়। এটা বিৱৰণত আছে যে এই মছজিদটো পূৰ্বতে তেখেতে নিজেই নিৰ্মাণ কৰিছিল। কিন্তু মছজিদটো সম্পূৰ্ণ হোৱাৰ আগতেই

তেখেতৰ ইন্তেকাল হৈছিল। এপোৱা মাটি পৱিত্ৰ কাবা শ্বৰীফৰ পৰা আনি মছজিদ নিৰ্মাণ কৰাৰ বাবদ হয়তো ইয়াক পোৱামক্কা দৰগাহ নামকৰণ কৰা হৈছিল। অতীতৰ পৰা চলি অহা পৰম্পৰা মতে হিন্দু-মুছলমান আদি সকলোৱে এই মোকামখনক এখন পৱিত্ৰ স্থান বুলি বিশ্বাস কৰি আহিছে আৰু সেয়েহে তেওঁলোকৰ মনঃ কামনা পূৰণ হোৱাৰ উদ্দেশ্যে আজিও এইজনা আউলিয়াৰ নাম স্মৰণ কৰি ওচৰৰ গছ এডালত ৰচি বন্ধা প্ৰথা চলি আছে।

বুৰঞ্জীবিদ ডঃ সূৰ্য্য কুমাৰ ভূঞাৰ Annals of Delhi Badshahate নামৰ কিতাপখনত উল্লেখ আছে যে দিল্লীৰ বাদশ্বাহ জাহাঙ্গীৰৰ ৰাজত্বৰ কালত মকৰমখান পূব কোচবিহাৰৰ ৰাজ্যপাল আছিল। এই সময়ছোৱাত চৈয়দ হাকিম, চৈয়দ আবুবক্কৰ আদিক ৰাজ্য দখলৰ উদ্দেশ্যে পথোৱা হৈছিল আৰু এই যুদ্ধত চৈয়দ আবুবক্কৰ আৰু তেওঁৰ ল'ৰা চৈয়দ গিয়াছুদ্দিন নিধন হৈছিল। উক্ত গিয়াছুদ্দিন এজন অতি নিষ্ঠাবান আৰু ধৰ্ম্মপৰায়ণ লোক আছিল আৰু তেওঁক এই পাহাৰতে কবৰ দিয়া হৈছিল। আন এটা বিৱৰণ মতে দানিয়েল শ্বাহৰ পাছত চৈয়দ হুছেইন শ্বাহৰ পুত্ৰ চৈয়দ গিয়াছুদ্দিন হাজোৰ ফৌজদাৰ আছিল। এইজনা মহান ব্যক্তিকো ইয়াতে কবৰ দিয়া হৈছিল। আকৌ আন এটা বিৱৰণত পোৱা যায় যে ১৩২২ খৃঃত কমতাপুৰৰ ৰজা দুৰ্ল্লভ নাৰায়ণৰ ৰাজত্ব কালত শ্বাহ চুলতান গিয়াছুদ্দিন আউলিয়াই পাণ্ডু নগৰলৈ (বৰ্তমান হাজো) আহিছিল আৰু পোনতে এটা মছজিদ নিৰ্মাণ কৰিছিল। শ্বাহ চুলতান গিয়াছুদ্দিন আউলিয়া দৰাচলতে ইৰাণৰ তাব্ৰীজ নগৰৰ বাদশ্বাহ আছিল। তেখেতৰ আচল নাম জালালুদ্দিন তাব্ৰীজী। এই জালালুদ্দিন তাব্ৰীজীৰ অলৌকিকতা আৰু গুণাৱলীৰ বিষয়ে বিশ্ব পৰিব্ৰাজক ইৱন বটটুতাই তেওঁৰ অসম ভ্ৰমণৰ সময়ত নিজে তেওঁক দেখা কৰি সত্য ঘটনাবোৰ তেওঁৰ 'চফৰনামা' কিতাপখনত সন্নিৱিষ্ট কৰি থৈ গৈছিল। গতিকে এই সকলোবোৰ বিৱৰণীৰ পৰা জানিব পাৰি যে এই পোৱামক্কা দৰগাহত বহুতো পীৰ আউলিয়াৰ মাজাৰ শ্বৰীফ আছে আৰু সেয়েহে হাজাৰ হাজাৰ মানুহে আজিও এই দৰগাহলৈ আহি জিয়াৰত কৰে আৰু আল্লাৰ ওচৰত দোৱা মাগে। এই দৰগাহ বা মোকাম খনক কেন্দ্ৰ কৰিয়ে ইয়াৰ ওচৰে-পাজৰে বহুতো খানকাহ আৰু কিছুমান ৱাকফ সম্পত্তি স্থাপন কৰিছিল। এইজনা আউলিয়াৰ দিনৰ পৰা হোৱা প্ৰধান প্ৰধান খানকাহ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত

গাড়ীগাওঁ, সিজুবাৰী, বেলতলা, বৰদোৱা, ভোলাগাওঁ, গুৱাহাটী ইত্যাদি। গুৱাহাটীৰ উত্তৰ পাৰত হাজোৰ ৰাজা বজাৰ, কলিতাকুছি, আগিয়াথুৰি, শিলা সিন্দুৰী ঘোপা, মাধাপুৰ, মাজদিয়া, বৰবালা ইত্যাদি।

পূণ্যভূমি হাজো তিনিটা ধৰ্ম্মৰ সংহতি স্বৰূপ। হিন্দু ধৰ্ম, বৌদ্ধ ধৰ্ম আৰু ইছলাম ধৰ্মৰ লোকসকল মিলি হাজো অঞ্চল পূণ্যভূমিৰ স্থল বুলি জনাজাত। ইছলাম ধৰ্মই অসমত কেতিয়া প্ৰভাৱ বিস্তাৰ কৰিছিল এই বিষয়ে সঠিক প্ৰমাণ পোৱা কঠিন। বুৰঞ্জীয়ে কোৱামতে প্ৰায় ৯ শ বছৰ আগতে অসমত মুছলমান সকলৰ প্ৰ ৱেশ ঘটে। ফিৰিস্তাৰ বুৰঞ্জীমতে খৃষ্টীয় চতুৰ্থ শতাব্দীৰ কামৰূপ নৃপতি শংক্লাদিব ৰজাৰ দিনৰ পৰাই তুৰাণ, স্কাইথীয়, চীন দেশৰ লগত কামৰূপৰ সম্বন্ধ আছিল। চীন, ভাৰত ভূটান আৰু উত্তৰ ভাৰতৰ সংযোগী এটা পৰ্ব্বতীয় পথেদি বেপাৰ বাণিজ্য কৰা বিষয়েও আমাক বুৰঞ্জীয়ে সম্ভেদ দিয়ে। প্ৰত্যক্ষ বুৰঞ্জীৰ সাক্ষ্য মতে মহম্মদ বিন বখটিয়াৰ খিলিজিয়েই কামৰূপত প্ৰৱেশ কৰা প্ৰথম মুছলমান নৃপতি। ১২০৫-০৬ খৃঃত বখটিয়াৰে চীনলৈ অভিযান কৰা সময়ত কামৰূপৰ মাজেদি যাবলগীয়া হৈছিল। মধ্যযুগত ১২০৫ খৃঃৰ পৰা আৰম্ভ কৰি ১৬৮২ খৃঃলৈ অৰ্থাৎ প্ৰায় ৪৭৭ বছৰ ধৰি মুছলমান সকলে অসমত বসতি বিস্তাৰ কৰিছিল। তেওঁলোকৰ লগত অহা বহু পীৰ আউলিয়া, দৰবেশ আদিয়ে বহু ঠাইত বহু মানুহক দীক্ষা দি ইছলাম  ধৰ্ম প্ৰচাৰত ব্যস্ত হৈ পৰিছিল। মুছলমান সকল অসমলৈ আহোতে লগত পূণ্যৱান আলীম, দৰবেশ, পীৰ আদি লৈহে অসমলৈ ৰাওনা হৈছিল। কিয়নো তেওঁলোকে জানিছিল যে সেই সময়ৰ অসম এখন যাদু মন্ত্ৰৰ দেশ আৰু সেয়েহে এই সকল পূণ্য ব্যক্তিৰ দোৱা বৰকতত যেন যাদু মন্ত্ৰৰ পৰা পৰিত্ৰাণ পাব পাৰে।

সাধাৰণ মুছলমান, সিদ্ধ পুৰুষ, পীৰ আউলিয়া আদি কৰি সকলোৱে অসমবাসীৰ লগত মিলি আনকি বিয়া-বাৰু কৰাই অসমতে থিতাপি লোৱাৰ উমান বুৰঞ্জীৰ পৰা পোৱা যায়। বখটিয়াৰ খিলিজিৰ পৰা আৰম্ভ কৰি মুঠতে মুছলমান সকলে সোতৰ বাৰ অসম আক্ৰমণ কৰিছিল। মুছলমানৰ দ্বিতীয় আক্ৰমণ ১২২৭ খৃঃত ইৱাজ খানৰ নেতৃত্বত আৰু বংগৰ গভৰ্ণৰ গিয়াছুদ্দিনৰ পৰামৰ্শমতে সূদুৰ শদিয়ালৈ প্ৰভাৱ বিস্তাৰ কৰিছিল। এই সময়ত অৰ্থাৎ ১২২৮খৃঃত আহোম সকল পূব দিশৰ পৰা অসমত প্ৰবেশ কৰিছিল বুলি বুৰঞ্জীয়ে

কয়। আহোম ৰজাই অসমত নিগাজীকৈ থাকিব খোজা মুছলমান সকলক সহায় সুবিধা কৰি দিছিল। যুদ্ধ বন্দীসকলক মুক্তি দিছিল আৰু পাৰ্গত যোদ্ধা, কাৰিকৰী জ্ঞান থকা আৰু সাহসী মুছলমান সৈন্যক কামত লগাই উপকাৰী, বিশ্বাসী প্ৰজা বুলি গণ্য কৰিছিল। ১৩২৫-২৬ খৃঃত বংগৰ নবাবৰ পুত্ৰ গিয়াছুদ্দিন বাহাদুৰ শ্বাহৰ বাহিনীৰ লগত অহা ধৰ্ম গুৰু গিয়াছুদ্দিন আউলিয়া অসমতে থাকি গ'ল আৰু সাত্বিক ভাবে ইছলাম ধৰ্ম প্ৰচাৰত মনোনিবেশ কৰিলে। এই গিয়াছুদ্দিন আউলিয়া হাজোৰ গৰুৰাচল পাহাৰ (বৰ্তমান পোৱামক্কা)ৰ গুহাত অকলে বাস কৰিছিল। কামৰূপলৈ অহা মুছলমান ধৰ্ম গুৰু সকলৰ ভিতৰত তেখেত এজন অতি কামিল ধৰ্মগুৰু বুলি জনা যায়। আন এগৰাকী ধৰ্মগুৰু আছিল হজৰত জালালুদ্দিন তাব্ৰিজী। ১৩২২ খৃঃত কমতাপুৰৰ ৰজা দুৰ্লভ নাৰায়ণৰ ৰাজত্ব কালত শ্বাহ চুলতান গিয়াছুদ্দিন আউলিয়া পাণ্ডু নগৰ (বৰ্তমান হাজো) লৈ আহিছিল আৰু পোনতে এটা মছজিদ নিৰ্মাণ কৰিছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে জনমত মতে এইজনা শ্বাহ চুলতান গিয়াছুদ্দিন আউলিয়াই ইৱন বটটুতাই লগ পোৱা জালালুদ্দিন তাব্ৰীজী আছিল নে? আকৌ জালালুদ্দিন তাব্ৰীজীৰ আন এটা নাম শ্বাহ চুলতান গিয়াছুদ্দিন আউলিয়া আছিল নে? এইখিনিতে মতানৈক্য। কিয়নো বুৰঞ্জীৰ তথ্য মতে এই বিষয়ে আমি ন'-দি কব নোৱাৰো, কিন্তু সঠিকভাবে বিশ্লেষণ কৰিলে দেখা যায় যে দুয়োজন আউলিয়াই বাহিৰৰ পৰা অহা ধৰ্ম গুৰু আৰু দুয়োজনেই গৰুৰাচল পাহাৰৰ গুহাত ধ্যান কৰি দিন নিয়াইছিল। এতিয়া প্ৰমাণ হয় যে দুয়োজনেই একেজন সাধক নহয় যদিও এই দুয়োজন সাধকৰ জৰিয়তে পোৱামক্কা দৰগাহৰ উৎপত্তি। বিশ্ব পৰিব্ৰাজক ইৱনে বটটুতাই 'চফৰ নামা'ত উল্লেখ কৰা মতে ১৩২২ খৃঃত জালালুদ্দিন তাব্ৰীজী বংগৰ চিটাগং (Chittagang) নামে ঠাইৰ পৰা এমাহৰ ভ্ৰমণ ব্ৰহ্মপুত্ৰৰ নৈৰে আহি থাকোতে কামৰূ নামে পাহাৰৰ ওপৰত (Mountain of Kamru) এইজনা কামিল পীৰ আউলিয়াক লগ পাইছিল আৰু অতিথি হিচাপে তিনিদিন তেওঁৰ লগত কটাইছিল।এই সময়ছোৱা আছিল ৭৪৬ হিজৰী/১৩৪৫ খৃঃ। এইজনা মহান পীৰ প্ৰায় ২০ বছৰ ধৰি এই কামৰু পাহাৰত বসবাস কৰি ইছলাম ধৰ্ম প্ৰচাৰত ব্যস্ত আছিল। বিৰৰণীত প্ৰকাশ যে তেওঁ ৫৯৬ হিজৰী/১১৯৯ খৃঃত জন্ম গ্ৰহণ কৰিছিল আৰু ৭৪৮ হিজৰী/ ১৩৪৬ খৃঃত

উফাত (মৃত্যু) হৈছিল। ইবনে বটটুতাই আকৌ এই পুথিখনত (Rihla -E-Ibn-Battutaবা Safar-Nama) প্ৰকাশ কৰা মতে এই সময়ছোৱাত ইয়াৰ অধিবাসী সকলে দলে বলে আহি তেওঁৰ ওচৰত মুৰীদ (শিষ্য) হৈছিল আৰু ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। কিন্তু এই সময়ছোৱাত ইবনে বটটুতাই 'চফৰ নামা'ত উল্লেখ কৰা মতে তেওঁ লগ পোৱা ধৰ্ম গুৰুজন জালালুদ্দিন তাব্ৰিজীহে আছিল। গতিকে তেওঁ পোৱামক্কা দৰগাহৰ প্ৰথম প্ৰতিষ্ঠাপক আছিল বুলি জনা যায়। ১৩২৫-২৬ খৃঃত অহা ধৰ্মগুৰু গিয়াছুদ্দিন আউলিয়া দ্বিতীয়জন ধৰ্ম গুৰু আছিল আৰু এই দুয়োজন ধৰ্মগুৰুৰ প্ৰচেষ্টাতহে পৱিত্ৰ পোৱামক্কা দৰগাহ হয়। প্ৰবাদ আছে যে এইজনা ধৰ্মগুৰুৱে ইয়াত মছজিদ এটা নিৰ্মাণ কৰিছিল আৰু ধৰ্ম প্ৰচাৰত ব্যস্ত আছিল, যি ধৰণে জালালুদ্দিন তাব্ৰিজীয়ে ধৰ্ম প্ৰচাৰত ব্যস্ত আছিল। সেয়েহে শ্বাহ চুলতান গিয়াছুদ্দিন আউলিয়া আৰু জালালুদ্দিন তাব্ৰিজীৰ প্ৰচেষ্টাতহে বৰ্তমানৰ পোৱামক্কা দৰগাহ শ্বৰীফ গঢ়ি উঠে বুলি গণ্য কৰিব পৰা যায়। ইয়াত থকা মাজাৰ শ্বৰীফ গিয়াছুদ্দিন আউলিয়াৰ আৰু জালালুদ্দিন তাব্ৰিজীৰ মাজাৰ শ্বৰীফ ওচৰৰে গাড়ী গাঁৱত থকা বুলি জনা যায়।

গতিকে ওপৰত ইতিবৃত্তৰ তথ্যৰ ওপৰত ভিত্তি কৰি কব পাৰি যে পোৱামক্কা দৰগাহ অসমৰ ভিতৰত এটি অতি পুৰণি ধৰ্মস্থান, ইয়াৰ পাছত সেই একে আদৰ্শৰে সুদুৰ বাগদাদৰ পৰা অহা কামিল পীৰ শ্বাহ মিলন যিজনক আমি আজান ফকীৰ বুলি জানো, তেখেতেও ইছলাম প্ৰচাৰৰ বাবে অসমলৈ আহি হাজো মোকাম (পোৱামক্কা) দৰ্শন কৰি উজনি অসমৰ গড়গাঁৱত প্ৰথমতে বাহৰ পাতি শৰাগুৰিৰ চাপৰিত মৃত্যু বৰণ কৰিছিল আৰু তেওঁৰ মাজাৰ শ্বৰীফ (সমাধিস্থল) এতিয়াও আমি দেখিবলৈ পাওঁ। ❖

---

গ্ৰন্থ পঞ্জী – 1. Rihla -E-Ibn-Battuta বা Safar-Nama
2. Annals of Delhi Badshahate by Dr. S. K. Bhuyan
3. History of Assam by Sir E. Gait
4. Jikir Aru Jari by Syed Abdul Malik.

# ঐতিহাসিক পটভূমিত সিদ্ধ পুৰুষ চান্দ খাঁ

ৰফিউল হুছেইন বৰুৱা

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সমকালীন অসমৰ এজন প্ৰসিদ্ধ সিদ্ধপুৰুষ হ'ল চান্দ খাঁ। তেওঁক কবীৰ বা কবীৰা ভকত নামেও জনা যায়। তেওঁক অসমীয়া জিকিৰবোৰত 'চান্দৰে বড়াই' বুলি উল্লেখ কৰা হৈছে। তেওঁ আদিতে বোধহয় ৰংপুৰ অঞ্চলৰ লোক আছিল, পাছলৈ কোচবিহাৰৰ ভেল্লাদোৱাৰ পৰা আহি বৰপেটাৰ ভেল্লাত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। চান্দ খাঁ এজন ঐশ্বৰিক শক্তি সম্পন্ন ব্যক্তি আছিল আৰু ৰজাঘৰীয়াৰ বিষয়বাব খলিফা (দৰ্জী) ভোগ কৰিছিল। তেওঁৰ সম্বন্ধে হৰিপদ দেৱগোস্বামীয়ে এনেদৰে উল্লেখ কৰিছিল 'ৰংপুৰ অঞ্চলৰ পৰা আহি খলিফা চান্দ খাঁই মহাৰাজ নৰনাৰায়ণৰ বংশ পৰিয়ালৰ বেশকাৰ দৰ্জীৰ বিষয়বাব খাই ৰাজমহলৰ ওচৰতে ভূ-সম্পত্তি পাই সুখেৰে কাল যাপন কৰিছিল' (সাপ্তাহিক নীলাচল ২৪/৭/৮৯)। তেওঁৰ সৈতে নৰনাৰায়ণে এবাৰ ৰঘুদেৱৰ ৰাজধানী বৰ নগৰলৈ আহিছিল, তেওঁৰ লগতে আহি চান্দ খাঁ পাটবাউসী পাইছিলহি আৰু তেওঁ শংকৰদেৱক লগ পাইছিল।

ঐশ্বৰিক ক্ষমতা সম্পন্ন চান্দ খাঁ এজন বিশিষ্ট কবি, লেখক আৰু পণ্ডিত আছিল। সেয়ে শংকৰদেৱ আৰু চান্দ খাঁৰ মিলন অসমৰ আধ্যাত্মিক আৰু সামাজিক জীৱনত এটি মাইলৰ খুঁটি সদৃশ। তদুপৰি সেই মিলনে অসমৰ হিন্দু-মুছলমানৰ সমন্বয়, সম্প্ৰীতি আৰু সহযোগিতাক অধিক দ্ৰুত আৰু শক্তিশালী কৰিছিল। অৱশ্যে চান্দ খাঁ বা শংকৰদেৱৰ মধুৰ সম্বন্ধৰ বিষয়ে আমাৰ সমাজত

এই পৰ্যন্ত বিস্তৃত অলোচনা-বিলোচনা হোৱা নাই। সেয়ে ইয়াত ‘চান্দ খাঁ বা শংকৰদেৰৰ লগত থকা সম্পৰ্কৰ বিষয়ে আলোকপাত কৰাৰ প্ৰয়াস কৰা হ’ব। এইটো উল্লেখ কৰা হৈছে যে চান্দ খাঁ এজন কবি, লেখক আৰু পণ্ডিত আছিল। তেওঁ বহু সংখ্যক জিকিৰ আৰু আন ধৰ্মীয় গীতি পদ ৰচনা কৰিছিল। জিকিৰ বোধহয় তেৰেঁই প্ৰথম ৰচনা কৰিছিল আৰু এইবোৰে পৰিপূৰ্ণতা লাভ কৰিছিল হজৰত আজান ফকীৰ চাহাবৰ হাতত। জিকিৰ গীত আৰু নাচৰ ওপৰত মহাপুৰুষীয়া নাম-কীৰ্তনৰ প্ৰভাৱ চান্দ খাঁৰ দিনৰে পৰা সম্ভৱত আৰম্ভ হৈছিল। আনহাতে তেওঁ ৰচনা কৰা ‘ভনিতা থকা গীত ভকতীয়া ফকৰা শাৰীৰ ভাৱ গধুৰ আৰু ইংগিত মধুৰ’ (মহেশ্বৰ নেওগ, অসমীয়া প্ৰণয় গাঁথা, পৃষ্ঠা ঃ ৪৭)। নেওগে আন এখন গ্ৰন্থত আৰু লেখিছে যে ‘গীতত ‘ন’ মিক’ কবিতাৰ সোৱাদ আছে’ (অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃষ্ঠা ১৩৪)। এইজনা সিদ্ধপুৰুষৰ বিষয়ে মন্তব্য দি বিৰিঞ্চি কুমাৰ বৰুৱাই লেখিছে যে ‘তেওঁ হিন্দু মুছলমানৰ মাজত সদ্ ভাৱ-সম্প্ৰীতি স্থাপনৰ চেষ্টা কৰাৰ উপৰিও বৌদ্ধ চাৰ্যপদ সদৃশ দ্বি অৰ্থব্যঞ্জক মনোৰম ফকৰা গীত ৰচনা কৰি গৈছে’। (অসমীয়া ভাষা আৰু সংস্কৃতি, পৃষ্ঠা ১১৯)। প্ৰফুল্ল দও গোস্বামী সম্পাদিত ‘বাৰ মাহ তেৰ গীত’ত কবীৰ ফকীৰৰ গীত এটি (উল্টা পুৰাণৰ গীত) আছে (পৃষ্ঠা ৯২, ৯৩) আৰু ইয়াৰ ভাব-ভাষা চান্দ খাঁৰ ৰচিত ফকৰা গীত এটাৰ লগত (বৰুৱাৰ গ্ৰন্থ, ১১৯, ১২০) সম্পুৰ্ণ নহ’লেও বহু পৰিমাণে মিল আছে। প্ৰথমটোৰ শেষাংশত আছে ‘অ’ হৰি এ সাগৰৰ মাজতে ঘোঁৰাৰ খটে খটি/বজাৰৰ মাজতে নাও/অ’ই গীত ৰচিছে কবীৰা ফকীৰাই/ কি বুজিবা ভকতিৰ ভাৱ’ আনহাতে দ্বিতীয়টোৰ শেষাংশত থকা কথাখিনি হ’ল ‘সাগৰৰ মাজত/ ঘোঁৰাৰ ঠক্‌ঠকি/নগৰত বুৰালে নাও/কহতু চান্দসাই/এই গীত ৰচিলে/ বুজা ভকতিৰ ভাও।’ কিন্তু গীত দুটাৰ মাজত এনে প্ৰভেদ আৰু ৰচকৰ নামৰ পাৰ্থক্য কিয় হ’ল ভালদৰে জনা নাযায় । বোধহয় মহাপুৰুষজনৰ লগত স্থাপন হোৱা সম্বন্ধৰ ফলত চান্দ খাঁই কবীৰা ফকীৰাত পৰিণত হৈছিল আৰু কোনো ভকতে গীতটো মহাপুৰুষীয়া পৰম্পৰাৰে ন’কৈ ৰচনা কৰিছিল। এইজনা সাধকৰ কিছু লেখনি বংগদেশতো পোৱা যায়। তেওঁৰ ভনিতাযুক্ত গীতবোৰৰ সাহিত্যিক মূল্য আছে। তদুপৰি তেওঁৰ ৰচিত আন কিছুমান মনোৰম ফকৰা,

জিকিৰ আৰু পটন্তৰৰো সাহিত্যিক মূল্য আছে। এই সকলোবোৰ প্ৰাচীন অসমীয়া সাহিত্যত অমূল্য সম্পদ স্বৰূপ।

ঐক্য, অদ্বৈতবাদ আৰু সকলো জীৱৰ প্ৰতি দয়া, মৰম আৰু সমভাৱ প্ৰচাৰে আছিল সিদ্ধপুৰুষ চান্দ খাঁৰ জীৱনৰ লক্ষ্য। কথিত আছে যে তেওঁ কিছুদিন হাজোৰ পোৱামক্কাত আছিল। সেই সময়ত তেওঁ উপাসনাৰ কাৰণে ঐশ্বৰিক ভাৱে গঠিত মছজিদ এটা পাইছিল। এইজনা সাধক বংগদেশত প্ৰচলিত লোকবিশ্বাস অনুসৰি এজন স্বয়ং সম্পুৰ্ণ সিদ্ধপুৰুষ আছিল। 'Many Hindus of Bengal were said to have accepted him as their apostle and acknowledged God after him' (Assam Muslim Relation and Its Cultural Significance, Dr. M.K. Saikia, Page 201)।

বিভিন্ন দিশ বিবেচনা কৰিলে দেখা যায় যে চান্দ খাঁ ঐশ্বৰিক গুণ আৰু জ্ঞানসম্পন্ন এজন বিশিষ্ট ব্যক্তি আছিল আৰু অসমলৈ অহাৰ পুৰ্বেই তেওঁ তেনে শক্তি সঞ্চয় কৰিছিল। কিন্তু ৰামানন্দ চৰিত বা অনেকৰ লেখাত এইটো উল্লেখ পোৱা যায় যে চান্দ খাঁই পোনতে শংকৰক ইতিকিং কৰি ঘূৰি ফুৰিছিল' (শ্ৰী শ্ৰী শংকৰদেৱ, নেওগ, পৃষ্ঠা ১০৭) এনে আচৰণ এজন স্বয়ংসম্পূৰ্ণ সিদ্ধপুৰুষৰ দ্বাৰা কেতিয়াও সম্ভৱ নহয়। বোধহয় তেওঁ মুছলমান হোৱাৰ কাৰণে আৰু লগতে কিছুমান কথাৰ গুৰুত্ব বৃদ্ধি কৰাৰ স্বাৰ্থত এনে কৰা হৈছিল।

চান্দ খাঁক সাধাৰণতে মহাপুৰুষ শংকৰদেৱৰ এজন শিষ্য বা ভকত বুলি উল্লেখ কৰা হয়। কিন্তু তেওঁৰ বংশধৰসকল ইছলাম ধৰ্মৰহে অনুগামী। সেয়ে তেওঁ ইছলাম ধৰ্ম ত্যাগ কৰিছিল বুলি সহজে বিশ্বাস কৰা টান। তেওঁ মুছলমান সমাজত চাম শ্বেইখ বা চাহনুৰ নামে জনাজাত। আনকি মহাপুৰুষ মাধৱদেৱৰ শিষ্য বুলি খ্যাত যৱন জয় হৰি বা যৱন যোহোৰাৰ বংশধৰ সকলো ইছলাম ধৰ্মৰে অনুগামী। প্ৰকৃততে তেওঁলোক একো-একোজন মুছলমান হিচাপেই অসমৰ মহাপুৰুষীয়া ধৰ্মীয় আন্দোলনৰ অংশীদাৰ আছিল। তদুপৰি চুফীবাদ আৰু মহাপুৰুষীয়া ধৰ্মীয় দৰ্শনৰ মাজত বৰ বিশেষ প্ৰভেদ নাই। শংকৰদেৱৰ উদাৰ গণতান্ত্ৰিক, মানৱতাবাদী দৃষ্টিভংগী আৰু ধৰ্মীয় আদৰ্শবাদক মুছলমানসকলে সাধুবাদ দিছিল। সেয়েহে গুৰুজনাৰ আন্দোলনৰ লগত সহযোগিতা কৰি কোনো

কোনো মুছলমানে তেওঁৰ লগৰীয়া হৈছিল। চান্দ খাঁ আছিল সেই ভকত সমাজৰ এটি উজ্বল নক্ষত্ৰ। শাস্ত্ৰীয় তৰ্কত অংশ গ্ৰহণ কৰি তেওঁ শংকৰদেৱৰ সন্মুখতে অনেক শংকৰ বিৰোধীক পৰাভূত কৰিছিল। গুৰু চৰিতত ইয়াৰ উৎকৃষ্ট বিৱৰণ পোৱা যায়। সদৌ শেষত এইটো উল্লেখ কৰা উচিত হ'ব যে চান্দ খাঁৰ বোধহয় এটা নিজস্ব ধৰ্মীয় পন্থা আছিল আৰু ই নিশ্চয় শংকৰী আৰু চুফীবাদী আদৰ্শৰ আধাৰত প্ৰতিষ্ঠিত আছিল। এই সম্বন্ধে গুণী-জ্ঞানী-বিদ্বান সমাজে অনুসন্ধান কৰিলে নিশ্চয় নতুন তথ্য উদ্ধাৰ হ'ব বুলিয়ে আমাৰ বিশ্বাস।❖

---

("ঐতিহাসিক পটভূমিত গড়িয়া, মৰিয়া, দেশী প্ৰভৃতি জনগোষ্ঠীত" প্ৰকাশিত)

# হজৰত আজান পীৰ (ৰঃ)

সংকলক ঃ কমৰুজ্জামান আহমদ

“মোৰ মনত আন ভাব নাই ঔ আল্লা
মোৰ মনত নাই আন ভাব
হিন্দু কি মুছলমান এক আল্লাৰ ফৰমান
আখেৰত একে আল্লাৰ নাম”।

সোতৰ শতিকাত এই ঐক্য আৰু সাম্য বাণী প্ৰচাৰ কৰোতা জন হ’ল আজান পীৰ যাৰ প্ৰকৃত নাম চৈয়দ মইনুদ্দিন। তেওঁক শ্বাহ্ মিৰাণ নামেও জনা যায়।

এই আজান পীৰ জন্মতে অসমীয়া নহলেও সুদূৰ বাগদাদৰ পৰা ধৰ্ম প্ৰচাৰৰ বাবে আহি অসমত থাকি অসমৰ মাত কথা আচাৰ-ব্যৱহাৰ শিকি হাড়ে হিমজুৰে অসমীয়া হৈ গৈছিল।

তেখেতে সেইসময়ৰ নামত মাত্ৰ মুছলমান সকলক ইছলামৰ মূলনীতিৰ শিক্ষা দিছিল। মূলত আৰবী ভাষা ভাষী হোৱা সত্ত্বেও আজান পীৰে নিজ পাণ্ডিত্যৰ বলত খাচ অসমীয়া ভাষা শিকি অসমীয়াত জিকিৰ আৰু জাৰী ৰচনা কৰি আৰু সেইবোৰ গাই মানুহৰ মন মোহিত কৰিব পাৰিছিল। তেখেতে ৰচনা কৰা জিকিৰ আৰু জাৰী সমূহ অসমীয়া সাহিত্যৰ প্ৰতি এটা অনবদ্য দান।

চৈয়দ মইনুদ্দিন (হজৰত আজান পীৰ) আৰু তেখেতৰ ভাতৃ নবি চাহেব সহ যি কেইজন লোক সুদূৰ বাগদাদৰ পৰা ধৰ্ম প্ৰচাৰৰ বাবে খোজ কাঢ়ি ইৰাণ,

আফগানিস্তান হৈ খাইবাৰ গিৰ্কিপথেদি অসমলৈ আহিছিল তেখেতসকলৰ আগমনৰ সঠিক তাৰিখ পোৱা নাযায়। কিন্তু চৈয়দ আব্দুল মালিকে তেখেতৰ কিতাপ 'অসমীয়া জিকিৰ আৰু জাৰী'ত উল্লেখ কৰিছে যে 'আজান চাহেবক আমি সপ্তদশ শতিকাৰ গোটেই মাজ ভাগ জুৰি থকা অসমীয়া কবি/ গীতিকাৰ বুলি ধৰিব পাৰো'।

হজৰত আজান পীৰ আৰু অন্যান্য মুছলমান গুৰু সকলে ৰচনা কৰা জিকিৰ আদি আজি ৩-৪ শ বছৰ ধৰি মানুহৰ মুখে মুখে চলি আহিছে। ধৰ্ম্মৰ বাণী বুলি গাৱঁ ভুঞে এইবোৰ মানুহে শ্ৰদ্ধাৰে কণ্ঠস্থ কৰি ৰাখিছে। কিন্তু এইবোৰ লিখিতভাবে সংৰক্ষণ কৰাৰ কোনো প্ৰচেষ্টা নথকা কাৰণে বহুত ৰচনা কাল ক্ৰমত লোপ পালে, কিছুমান বিকৃত হ'ল আৰু কিছুমান অন্য গীত মাতৰ লগত মিহলি হৈ নিজস্বতা হেৰুৱালে। সেয়ে হ'লেও জনপ্ৰিয় লৌকিক গীতৰ সুৰৰ স্বাভাৱিক ধৰ্ম্ম অনুসৰি এইবোৰৰ সুৰ তালৰ বিকৃতি সিমান ঘটা নাই। এইবোৰ সময়ৰ বুকুত জাহ নগৈ এতিয়াও বৰ্ত্তি থকাৰ দুটা কাৰণ অনুমান কৰিব পাৰি। (১) এই ৰচনাবোৰৰ বিচিত্ৰ জতুৱা সুৰ, যাৰ এটা জনপ্ৰিয় আকৰ্ষণ আছে। (২) গীতবোৰৰ জীৱন, মৰণ, নীতি আদি সৰ্ম্পৰ্কীয় সৰবৰহী সৰল ভাষাত ৰচনা কৰা মনোগ্ৰাহী আবেদন'। (অসমীয়া জিকিৰ আৰু জাৰী)

অসমীয়া মুছলমানে ৰচনা কৰা গীত-পদ আদিয়ে লিখিত ৰূপ পাইছিল নে নাই জনা নাযায়। কিন্তু বেলেগ বেলেগ সময়ত বিভিন্নজনে আজান পীৰে ৰচনা কৰা প্ৰায় আঠকুৰি জিকিৰ আৰু অন্যান্য জনে ৰচনা কৰা গীত মাত বোৰ সংগ্ৰহ আৰু প্ৰকাশৰ চেষ্টা কৰি আহিছে। ইয়াৰ প্ৰথম প্ৰচেষ্টা কৰিছিল যোৰহাটৰ মৌলৱী চৈয়দ আবদুল হক চাহাবে তেখেতৰ দ্বাৰা ৰচিত আৰু প্ৰকাশিত পুথি 'মিছবাহুল ইছলাম'ত। যোৰহাটৰে 'অসমীয়া মৌলদ'ৰ ৰচক মৌলবী নজিৰুদ্দিন চাহাবেও মজনুদিল ফকীৰ আৰু দুই এজনৰ কিছু গীত ৰচনা সংগ্ৰহ কৰিছিল।

তাৰ উপৰি যোৰহাটৰ জেহিৰুদ্দিন আহমদ চাহাবৰ সৰ্ম্পৰ্কীয় কোনোবা এজনে জিকিৰ সংগ্ৰহ কৰি লিখি থৈ গৈছিল। 'আৱাহনত' স্বৰ্গীয় ক্ষেত্ৰধৰ বৰগোঁহাইয়ে ভালে কেইটামান জিকিৰ সংগ্ৰহ কৰি টোকা আদি সহ প্ৰবন্ধাকাৰে

প্ৰকাশ কৰিছিল। এই প্ৰচেষ্টা জিকিৰ সংগ্ৰহ আৰু সেই সম্পৰ্কে আলোচনাৰ প্ৰথম পদক্ষেপ।

আন কেইজন সংগ্ৰহকৰোতা লোক হ'ল মোহম্মদ মুহিবুল্লা (E.A.C), যোৰহাট চৰকাৰী হাইস্কুলৰ শিক্ষক মৌলবী চৈয়দ ৰছিদ আহমদ, শ্ৰী ফনীন্দ্ৰনাথ বৰুৱা, চৈয়দ ইকৰাম হুচেইন, যতিনাৰায়ণ শৰ্ম্মা, অধ্যাপক মজহৰুল ইছলাম, মুহিবোৰ ৰহমান আদি।

১৯৪৭ চনত শৰাগুৰি চাপৰিত আজান চাহাবৰ সমাধি থকা (সম্পাদকৰ প্ৰতিবেদন ১৩/১৪ ফেব্ৰুৱাৰী ১৯৮২, আজান পীৰ চাহেবৰ দৰ্গাহ শ্বৰিফ) বুলি প্ৰচাৰিত হোৱাৰ পাচত আজান পীৰৰ বিষয়ে মানুহৰ আগ্ৰহ বাঢ়িছে। শিৱসাগৰৰ মুহিবোল হুছেইনে ১৯৫২ / ৫৩ চনত অ'ত - ত'ত সিঁচৰতি হৈ থকা কিছুমান জিকিৰ সংকলন কৰি লিপিবদ্ধ কৰে।

১৯৫৫ চনত অসম সাহিত্য সভাৰ কাৰ্য্যকৰী সমিতিয়ে চৈয়দ আবদুল মালিকক জিকিৰ আদি সংগ্ৰহ আৰু সম্পাদন কৰাৰ ভাৰ দিয়ে। এই কাম কিছু আগবঢ়াৰ পাছতেই গুৱাহাটী বিশ্ববিদ্যালয়ৰ Folklore Research Schemeৰ অধীনত কেইবা মাহো চেষ্টা চলাই 'অসমীয়া জিকিৰ আৰু জাৰী' বুলি এখন গ্ৰন্থ ১৯৫৮ চনত প্ৰকাশ কৰে। তাত প্ৰকাশিত ৰচনাবোৰ কেৱল এজন কবিৰে নহয় আৰু আটাইবোৰ জিকিৰো নহয়। সেইয়া হ'লেও প্ৰায় লোপ পাব ধৰা এই গীতবোৰ লিপিবদ্ধ হোৱাত অসমীয়া জাতীয় সাহিত্য পৰিপুষ্ট আৰু সমৃদ্ধ হোৱাত সহায়ক হ'ল।

বৰ্ত্তমান কালত ৰেকিবুদ্দিন আহমদ আৰু তেখেতৰ লগৰীয়া সকলে জিকিৰক আৰু অধিক জনপ্ৰিয় কৰি তুলিলে। তাৰ বাবে তেখেতসকল ধন্যবাদৰ পাত্ৰ।

আজান পীৰৰ বিষয়ে কোনো প্ৰকাশিত বুৰঞ্জী নাই। মুখে মুখে চলি অহা কাহিনীৰ পৰা তেখেতৰ জীৱনৰ কিছু কথা জনা যায়। আজান পীৰৰ জীৱন কাহিনীৰ লগত চকু কঢ়া, দিখৌ উভতি বোৱা, ৰূপাই দাধৰাৰ হিংসা আদি নানা লৌকিক আৰু অলৌকিক ৰচনা জড়িত আছে আৰু সেইয়া সৰ্ব্বজন বিদিত।

আজান পীৰ প্ৰথমে হাজোত বাহৰ পাতি তাত অলপদিন থাকি পাছত গড়গাওঁলৈ যোৱাৰ কথা কোনো কোনো বৃত্তান্তত পোৱা যায়। গড়গাওঁৰ ওচৰত চুণ পোৱা গাওঁত শিবিৰ পাতি তাতে অসমীয়া ভাষাত জিকিৰ আৰু জাৰী গীত ৰচি গাঁৱৰ মানুহক জিকিৰ গীতৰ সুৰেৰে আকৰ্ষণ কৰি ধৰ্ম্মৰ বাণীবোৰ প্ৰচাৰ কৰিছিল। জনশ্ৰুতি মতে চুণ পোৱা গাঁৱত এটা মছজিদ সাজি আজান দি মানুহক নামাজলৈ আহ্বান কৰাৰ কাৰণে তেখেতৰ নাম আজান পীৰ হয়। তেখেতে প্ৰচাৰ কৰা ভাতৃত্ব আৰু সাম্যবাদৰ বাণীত তেতিয়াৰ অসমৰ হিন্দু মুছলমানৰ মাজত তেখেতৰ জনপ্ৰিয়তা বাঢ়ি গৈছিল। তাতেই তেখেতে বিয়া বাৰু কৰাই সাংসাৰিক জীৱনো আৰম্ভ কৰিছিল। তেখেতৰ পিতৃৰ নাম আছিল চৈয়দ আউজ জাহান। আজান পীৰৰ তিনিজন পুতেক আছিল। খোৱাজ আলী, চাহ মীৰ কাছিম, আৰু চাহ মাছুম। কিন্তু বংশাৱলী আদিত আৰু এজনৰ নাম আছে চাহ কুতুবুদ্দিন, যিজন ছাৰ ছাদুল্লা, মুহিবোল্লা আদিসকলৰ উপৰি পুৰুষ। আজান পীৰৰ এগৰাকী জীয়েক আছিল।

আজান পীৰ চাহাবে অসমীয়া ভাষা কত শিকিছিল এইবিষয়ে দ্বিমত আছে। শ্ৰীমন্ত শঙ্কৰদেৱ আৰু হজৰত আজান পীৰ (মোঃ কেৰামত আলী) নামৰ কিতাপত তেখেতে হাজোত অৱস্থিত হজৰত গিয়াছুদ্দিন আউলীয়াৰ দৰ্গাহৰ ওচৰে পাজৰে পূৰ্বৰে পৰা গাওঁ পাতি থকা মুছলিম সকলৰ আশ্ৰয় তথা সহযোগিতাত থাকি তাতেই থলুৱা অসমীয়া মাত কথা শিকি লয় আৰু কামৰূপৰ বিভিন্ন গাঁৱলৈ গৈ মানুহক কোৰাণৰ বাণী আৰু দৈনন্দিন পালন কৰিবলগীয়া ইছলামৰ নীতি নিয়মবোৰৰ শিক্ষা দিয়ে। তেতিয়া নামনি অসমত মোগলৰ অভিযান চলি আছিল। সেয়ে তেখেত উজনি অসমৰ পিনে ৰাওনা হ'ল। তেতিয়া অসমৰ ৰজা আছিল স্বৰ্গদেউ প্ৰতাপ সিংহ।

'অসমীয়া জিকিৰ আৰু জাৰী'ত (চৈয়দ আবদুল মালিক)আছে, 'গড়গঞা অসমীয়া শুদ্ধ অসমীয়া। গড়গাঁও ৰজাৰ ৰাজধানী আৰু সেই দেখি ইয়াত অন্যান্য সুযোগ-সুবিধাও সৰহ। আজান চাহাবে প্ৰথমতে আহি এই গড়গাওঁতে থাকিবলৈ লয়। অসমীয়া ভাষা তেখেতে ইয়াতে শিকিছিল বুলি অনুমান হয়।'

সি যিয়েই নহওক, বাগদাদৰ ইছলামৰ ব্যৱহাৰিত শাস্ত্ৰ ফিকাহ আৰু পবিত্ৰ কোৰাণ-হদীছৰ ওপৰত পাৰদৰ্শিতাৰ 'চনদ' হাছিল কৰা আজান পীৰ চাহাবে অতি কম সময়ৰ ভিতৰতে নিজে আৰবী ভাষা ভাষী হৈয়ো অসমীয়া ভাষাটোও আয়ত্ব কৰি লোৱাটোৱে তেখেতৰ মানসিক ধী শক্তি, পাৰদৰ্শিতা আৰু পাণ্ডিত্যৰ পৰিচয় দিয়ে। আজান পীৰে সম্পূৰ্ণ কোৰআন আৰবী বৰ্ণমালাৰে নিজ হাতেৰে প্ৰতিলিপি কৰি থৈ গৈছে। তেখেতৰ হাতৰ আখৰবোৰ ছপাআখৰৰ দৰেই সুন্দৰ আৰু গোট গোট। (এই প্ৰতিলিপিটো সম্প্ৰতি শিৱসাগৰৰ নামতি চাৰি আলিৰ ইনামুল হক চাহাবৰ ঘৰত আছে বুলি জ্ঞান সম্ভাৰৰ ২০০৭ চনৰ মাৰ্চ সংখ্যাত প্ৰকাশ হৈছে।)

তেখেতৰ নাম যুগমীয়া কৰিবৰ কাৰণে আজান পীৰ দৰ্গাহ কমিটিয়ে ১৯৯৩ চনৰ পৰা নিজা ববীয়াকৈ 'আজান পীৰ' বটাৰ প্ৰচলন কৰিছে। কিন্তু ই চৰকাৰী স্বীকৃতি পোৱাত বহুত পলম হয়। প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া দেৱে ২ ফেব্ৰুৱাৰী ১৯৯৬ চনতে ঘোষণা কৰিছিল - 'আজানপীৰ বঁটা প্ৰৱৰ্ত্তন কৰিবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে'। কিন্তু এই সিদ্ধান্ত কাৰ্যকৰী হওঁতে বহুত পলম হয়। ২৯ মে ২০০৫ চনতহে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে ইয়াক কাৰ্য্যকৰী কৰে। ❖

---

গ্ৰন্থ পঞ্জী ঃ অসমীয়া জিকিৰ আৰু জাৰী -- চৈয়দ আব্দুল মালিক;
শ্ৰীমন্ত শঙ্কৰদেৱ আৰু হজৰত আজান পীৰ -- মোঃ কেৰামত আলী, জ্ঞান সম্ভাৰ আগষ্ট ২০০৫

# বাঘ হাজৰিকা

দেবিৰা চুলতানা আহমদ

অসমৰ মাটিত জীপ লৈ ঠন ধৰি উঠা অসমীয়া মুছলমান সমাজ খনৰ প্ৰায় ৮০০ বছৰ হ'বৰ হ'লহি। হেৰাই যোৱা দিনবোৰত যি কেইজন প্ৰখ্যাত ব্যক্তিৰ নাম পোৱা যায় তাৰে এজন আছিল বাঘ হাজৰিকা ওৰফে ইচমাইল চিদ্দিকি। তেখেতৰ নামটো শৰাইঘাট ইটাখুলিৰ প্ৰসিদ্ধ যুদ্ধ খনৰ লগত জনশ্ৰুতিৰ মাজেদি গঁথা আছে। শৰাইঘাটৰ যুদ্ধ আৰু বীৰ লাচিত বৰফুকনৰ নাম শুনিলে প্ৰতি অসমীয়াৰ জাতীয় চেতনা উথলি উঠে। অসমৰ এই জীৱন মৰণৰ সন্ধিক্ষণত হোৱা যুদ্ধখনত বাঘ হাজৰিকায়ো কিছু অৰিহণা যোগাইছিল।

এতিয়া প্ৰশ্ন উঠে এই বাঘ হাজৰিকানো কোন? তেখেত কেতিয়া কৰ পৰা আহি আহোম স্বৰ্গদেউৰ বিশ্বাসভাজন হল বা সেনাপতি লাচিত বৰফুকনৰে বিশ্বাসী সেনাৰ পৰা পালি সেনাপতি হল? সেই সময়ৰ বুৰঞ্জীত তেখেতৰ নাম হয়তো উল্লেখ হোৱা নাই, কিন্তু লোক স্মৃতিত তেখেত জীয়াই আছে। তেখেতৰ দিনৰ পৰা আজি পৰ্য্যন্ত তেখেতৰ বংশ লতা অটুট আছে। অসমৰ নানান ঠাইত এই সকল সিঁচৰতি হৈ আছে। কেৱল বংশধৰ সকলৰ মাজতে তেখেতৰ স্মৃতি সীমাবদ্ধ নহয়। তেখেত বাসকৰা গড়গাঁৱৰ ওচৰ পাজৰৰ ঠাইবোৰত বিশেষকৈ বাঘমৰা পুখুৰী অৱস্থিত হাঁহচৰা আদি ঠাইৰ ৰাইজে তেখেতক আজিও শ্ৰদ্ধাৰে সোঁৱৰে। অকল গড়গাঁওতে নহয় সূদূৰ গুৱাহাটীৰ লোক জীৱনৰ লগতো এই কাহিনী গথাঁ আছে।

বাঘ হাজৰিকা স্মৃতি গ্ৰন্থত ড০ প্ৰদীপ শৰ্মা ডাঙৰীয়াই এটা প্ৰবন্ধত তেখেতৰ লৰালি কালত দেউতাক আৰু খুৰাকহতে শৰাইঘাটৰ ফালে আঙুলিয়াই যুদ্ধৰ অলিখিত কাহিনীবোৰ জনশ্ৰুতিৰ আলমতে কোৱা বুলি উল্লেখ কৰিছে। তেখেত সকলৰ ঘৰ ব্ৰহ্মপুত্ৰৰ পাৰতে উজান বজাৰৰ ফালে আছিল আৰু আহোম ৰাজত্বৰ সময়ত বৰ্ত্তমানৰ খাৰঘুলিত খাৰঘৰৰ চকি আছিল। তেখেত সকলৰ ল'ৰালিৰ দিনত এই যুদ্ধৰ বিশেষকৈ লাচিত বৰফুকনৰ যুদ্ধ জয়ৰ কাহিনীবোৰ প্ৰায়ে হেনো আলোচনা হৈছিল আৰু 'এনে ৰোমন্থনৰ মাজতে কেতিয়াবা খাৰঘৰীয়া সৈন্য সকলৰ উপকথাৰ লগতে আহোমৰ হিলৈদাৰী সেনাপতি বাঘ হাজৰিকাৰ নামো ওলাইছিল'। গতিকে বাঘ হাজৰিকা নামটো এটা অলীক কল্পনা নহয়, ই এজন তেজ মঙহৰ বীৰ পুৰুষৰ কাহিনী। তেখেতৰ প্ৰকৃত নাম ইচমাইল চিদ্দিকি।

এই পৰিয়ালৰ কেইগৰাকী মানে বাঘ হাজৰিকা স্মৃতি গ্ৰন্থত ইচমাইল চিদ্দিকি ২৫ বছৰ বয়সত মিৰজুমলাৰ সেনাৰ লগত দিল্লীৰ পৰা অহা বুলি উল্লেখ কৰিছে। মিৰজুমলা অসমৰ পৰা ১৬৬৩ চনৰ ১০ জানুৱাৰীত গড়গাওঁ এৰি ১৬৬৩ৰ ৩০ মাৰ্চ্চত মণিকাচৰ (কথিত ভাষাত মান-কাচৰ)ৰ ওচৰত মৃত্যুৰ মুখত পৰে। তাৰ ৪-৫ বছৰ মানৰ পাছত ১৬৬৮চনৰ আগষ্ট মাহত লাচিত বৰ ফুকনৰ অধীনত স্বৰ্গদেউ চক্ৰধ্বজ সিংহই আহোম সেনা-বাহিনীক মোগল সেনাৰ লগত যুজ দিবলৈ কামৰূপলৈ পঠিয়ায়। সেয়ে এজন অচিনাকী যুৱকে ইমান কম সময়ৰ ভিতৰতে হয়তো অসমীয়া ভাষা ভালকৈ আয়ত্ব নকৰাকৈ চমুৱা হাজৰিকাৰ পদ পাই নিজে মোগলমূলৰ হৈয়ো মোগলৰ বিৰুদ্ধে যুঁজ দিবলৈ সাজু হলেও স্বৰ্গদেউ, বৰফুকন আদিয়ে সেই সময়ৰ পৰিস্থিতিত তেখেতত বিশ্বাস ৰাখিবনে? আমি যদি সেই সময়ৰ পটভূমিলৈ চাও, দেখিম যে মিৰজুমলাৰ গড়গাওঁ অধিকাৰ মানুহে পাহৰিব পৰা নাই। এই জনা স্বৰ্গদেউ ৰাজপাটত বহিয়েই মোগলৰ ওপৰত পোটক তুলিবলৈ সাজু হৈছে আৰু সেই সময়ত কোনো কোনো আহোম ডাঙৰীয়াই বিশ্বাসঘাতকতা কৰি শত্ৰুৰ লগত হাত মিলাইছে। তেনে পৰিস্থিতিত এইটো প্ৰায় অসম্ভৱ। সেয়ে স্মৃতি গ্ৰন্থত ইৰফান

চফৰী ডাঙৰীয়া আৰু ড০ জীতেন দাস ডাঙৰীয়াই ভবাৰ দৰে আমাৰো ইচমাইল চিদ্দিকি আগেয়েই আহি অসমত থিতাপি লোৱাৰ যুক্তিটোহে সঁচা যেন অনুমান হয়।

সুধিন্দ্র নাথ ভট্টাচাৰ্য্যৰ "A History of Mughal North East Frontiev Policy" নামৰ গ্রন্থখন তেখেতে অসমৰ পুৰণা বুৰঞ্জী সমূহ, কোচবংশাৱলী, মূল ফাৰ্চী পুথি সমূহ আৰু বিদেশী Bernier Manucci, Glanious আদিৰ টোকাৰ পৰা যুগুত কৰিছে। অনেক গৱেষণাৰ দ্বাৰা যুগুতোৱা এই বুৰঞ্জীখনত তেখেতে ১৬৩৬ চনৰ নভেম্বৰ মাহত আহোম সেনাই দীৰ্ঘ দিনৰ অৱৰোধৰ পাছত হাজো অধিকাৰ কৰিবৰ সময়ত হাজোৰ মোগল বিষয়া আব্দুছ চালামে তেখেতৰ সঙ্গী মুহিউদ্দিন আৰু আন সকল সৈন্যৰে সৈতে আহোম সেনাপতিৰ ওচৰত আত্ম সমৰ্পণ কৰাৰ কথা উল্লেখ কৰিছে। মাত্র তেখেতসকলৰ লগৰ জয়নুল আবেদিন নামৰ এজনে কেইজন মান সঙ্গী সহ যুদ্ধ কৰি মৃত্যু বৰণ কৰে বুলিও লিখিছে। এই আত্মসমৰ্পণ কৰা দলটোৰ সকলোকে বন্দী কৰি লগে লগে গড়গাঁৱলৈ পঠিয়াই দিয়া হয়। হাজো অধিকাৰ কৰোতে ১০০০ সৰু ডাঙৰ টোপ, ৭০০ ঘোৰা আদি কৰি অনেক সম্পদ আৰু যুজৰ আহিলা পাতি আহোম সেনাই কৰায়ত্ত কৰে। এইটো নিশ্চিত যে এই বৃহৎ পৰিমাণৰ তোপৰ লগতে অনেক হিলৈদাৰী বিষয়াও বন্দী হৈ গড়গাঁও পাইছিলহি। সেয়ে ইচমাইল চিদ্দিকি এই দলটোৰ লগতে আহি গড়গাঁও পোৱাৰ সম্ভাৱনাই বেচি।

এই কেইবছৰত তেখেতে নিজৰ বীৰত্ব বাহুবল অদিৰে স্বৰ্গদেউৰ দৃষ্টি গোচৰত আহি চমুৱা হাজৰিকা হোৱাৰ সকলো সম্ভাৱনা আছে। বাঘ এটা হাতেৰে ভুকুৱাই মাৰি তেখেত বাঘা বা বাঘ চিদ্দিকি হ'ল আৰু স্বৰ্গদেউৰ অনুগ্রহত চমুৱা হাজৰিকা হৈ এই বাঘা চিদ্দিকিয়েই কালক্ৰমত বাঘ হাজৰিকা নামেৰে জনাজাত হ'ল। মোগল সেনাই গোলা বাৰুদ আৰু তোপ কামানেৰে যুদ্ধ কৰাত পাৰ্গতালি দেখুৱাইছিল । সেয়ে উপযুক্ত আৰু বিশ্বাসী লোক সকলক আহোম সেনাত মকৰল কৰা হ'ল । ইতিমধ্যে তেখেত সকলে স্থানীয় ছোৱালী বিয়া বাৰু কৰাই অসমীয়া হৈ পৰিল । তেনে এজন পাকৈত হিলৈদাৰী যি ইতিমধ্যে হাজৰিকাৰ

বাব খাই আছে, তেখেত বৰফুকনৰ সেনাবাহিনীত পালি সেনাপতি হোৱাৰ পু ৰা সম্ভাৱনা আছে। মিৰজুমলাৰ অসম অভিযানৰ সময়ত তেখেতৰ লগত অহা ছিহাবুদ্দিন তালিছ নামৰ ৱাকিয়া নবিছ জনে তেখেতৰ কিতাপ Fathiyah-i-Ibriyah ত সেই সময়ৰ অসমীয়া মুছলমান সকল যে ধৰ্ম্মত মুছলমান হলেও স্বদেশৰ, মানে অসমৰ মানুহৰ প্ৰতিহে তেওঁবিলাকৰ টানটো বেছি আছিল আৰু তাকে দেখি আচৰিত হোৱাৰ বিৱৰণি তেখেতৰ কিতাপ ত উল্লেখ কৰি গৈছে। আজান পীৰ  চাহাব আৰু বাঘ হাজৰিকা দুয়ো প্ৰায় সম-সাময়িক। এইটো ১৬১৬-১৬৮৬ বুলি ইৰফান চফ্ৰী ডাঙৰীয়াৰ লিখনিত পাইছো। আজান চাহাবেও আহি সেই সময়ত অসমৰ মুছলমান সকলৰ নামতহে মুছলমান পাইছিল আৰু আজান দি নামাজৰ বাবে আহ্বান কৰিছিল আৰু নামাজ কলিমা আদি শিকাই অসমৰ মাটিত ইছলামক জীপ দিছিল।

স্বদেশ প্ৰেমৰ উপৰিও বাঘ হাজৰিকাই স্বৰ্গদেউৰ হৈ যুদ্ধ কৰাৰ আন এটা কাৰণ এনেও হ'ব পাৰে ঃ হিন্দুস্তানী সেনাৰ 'নিমখৰ শপত' অতি কঠিন। হিন্দুৱেই হওক বা মুছলমানেই হওক তেওঁলোকে যাৰ নিমখ খায় বা যাৰ পৰা বেতন লয় তাৰ বিশ্বাসঘাতকতা নকৰে। বাঘ হাজৰিকাই আহোম ৰজাৰ নিমখ খাই সেয়ে নিমখ হালালীয়েই কৰিছিল। আনটো প্ৰধান কাৰণ আছিল দেশৰ প্ৰতি প্ৰেম। ইছলাম ধৰ্ম্মই যি দেশতে এজন মানুহ বাস কৰে সেই দেশকে তেওঁ নিজৰ দেশ বুলি মানি লবলৈ অনুশাসন দিছে। এই দেশৰ ৰজাৰ নিমখ খাই, এই দেশৰে জীয়ৰী বিয়া কৰাই, এই দেশৰে মাটি পানীৰে পৰিপুষ্ট হৈ তেখেত প্ৰকৃত অসমীয়া হৈ পৰিছিল আৰু দেশ ৰক্ষাৰ কাৰণে জীৱন মৰণৰ যুদ্ধত নিজৰ দেশৰ বাবে যুদ্ধ কৰি অমৰ হৈ ৰ'ল।

বৰ্ত্তমান বহুতো লিখকৰ লগতে প্ৰসিদ্ধ বুৰঞ্জীবিদ ড০ সূৰ্য্যকুমাৰ ভুঞাই তেখেতৰ Annals of Delhi Badshahate ত এই বিষয়ে এনে ধৰণে লিখিছে "This story is based on the story of Mohammedan commander Bagh Hazarika, whose military genius was partly responsible for the success of Lachit Barphukan's operation against Ramsingh".ড০

ভুএঞাৰ মতে বাঘ হাজৰিকাই নিজেই এজন মোগল আৰু মোগল বাহিনীত কাম কৰা কাৰণে তেখেতসকলৰ যুদ্ধ প্ৰণালী আৰু সামাজিক নিয়মবোৰ জানিছিল । সেয়ে মোগলৰ বৰতোপবোৰ অকামিলা কৰাৰ বুদ্ধিও বৰফুকনক জনাইছিল। বৰফুকনৰো এইয়া ফলপ্ৰসু হ'ব যেন ধাৰণা হোৱাত লগত কেইগৰাকীমান সঙ্গী লৈ কাক বাঁহৰ চুঙাবোৰ কঢ়িয়াই নি নদীৰ পাৰৰ পৰা সেইবোৰত পানী ভৰাই ৰাতি মোগল সেনাই গম নোপোৱাকৈ সুযোগ বুজি গোপনে কামান বোৰত পানী ভৰাই সেইবোৰ বিকল কৰি থৈ আহিছিল। যিহেতু বৰতোপবোৰ একে ঠাইতে থুপ খাই পাতি থোৱা নাছিল - এইবোৰ এটা বুজন পৰিসৰৰ এলেকাত বিস্তাৰিত আছিল - সেয়ে কম সময়ৰ ভিতৰতে এই কাম সমাধা কৰিবলৈ কেইবাজনো লোকৰ আৱশ্যক হোৱাৰ সম্ভাৱনাই বেছি।

পাছ দিনা ব্ৰহ্মপুত্ৰৰ বুকুত হোৱা তয়াময়া যুদ্ধৰ সময়ত মোগলৰ তোপবোৰ বিকল হোৱাত লাচিত বৰফুকনৰ সেনা যুদ্ধত জয়ী হয় আৰু শেষবাৰৰ বাবে মোগলক কামৰূপৰ পৰা খেদি পঠিয়ায় ।

এই যুদ্ধই অসমৰ বাবে গৌৰৱ কঢ়িয়াই আনিছিল । মোগল বাহিনীৰ সেনাপতি ৰাম সিংহ আৰু তেওঁৰ সহচৰ আছিল ২০ জন হিন্দু ৰাজপুত । ইয়াৰ উপৰিও হাজাৰ হাজাৰ হিন্দু কাড়ী আছিল । মোগলৰ লগত অনেক ৰাজপুত আৰু অন্য প্ৰদেশৰ পৰা হিন্দু সেনা আহিছিল। ইয়াৰ লগতে ভালেখিনি নাও 'ফিৰিঙ্গি' মানে ওলান্দাজ পৰ্তুগীজ নাবিকবোৰৰো আছিল। আহোম পক্ষতো বাঘ হাজৰিকায়েই নহয় আৰু অসমতে অসমীয়া হোৱা অনেক মুছলমান হিলৈদাৰী আৰু আন সৈন্যই অংশ গ্ৰহণ কৰিছিল। নগাৰঁৰ ফালেও মুছলমান হিলৈদাৰী বৰুৱাৰ বংশৰ লোক থকা গম পোৱা যায়। নামৰূপৰ তিৰু পাহাৰৰ ওচৰতো অনেক মুছলমান সেনাই এইবোৰ নিৰ্মাণ কৰিছিল। গেন্ধেলা গৰীয়াই বনোৱা বৰতোপ এতিয়াও তেখেতৰ নাম সকলোকে সোঁৱৰাই আছে। লাচিত বৰফুকনৰ তিনি গৰাকী মুছলমান গা-ৰখীয়া আছিল-লাইধন খাঁ, ভকুৱা আৰু গেঠুৱা । লাচিত বৰফুকনে নৰিয়া পাটিৰ পৰা উঠি নদাই ঘৰহী নামৰ এজন বৰুৱাৰ কান্ধত ভৰ দি নাওত উঠি যুদ্ধ পৰিচালনা কৰিবলৈ আহোতে ওপৰত উল্লেখিত তিনি

গৰাকী বিশ্বস্ত কৰ্মচাৰীয়ে সহায় কৰিছিল। ( অসমৰ মুছলমান সকল)।

শৰাইঘাটৰ যুদ্ধ হিন্দু মুছলমানৰ যুদ্ধ নাছিল । এইয়া আছিল মোগল আৰু অসমীয়াৰ যুদ্ধ । সেয়ে বাঘ হাজৰিকা এজন নিৰ্ভীক বীৰেই নহয় ধৰ্ম্মৰ ভেদাভেদ নথকা অসমৰ জাতীয় প্ৰতীক।

এই পৰিয়ালৰ তিনিজন সুযোগ্য অসম সন্তান হৈছে ডাক্তৰ আউৰঙ্গশ্বাহ, জ্ঞানমালিনীৰ কবি মফিজুদ্দিন আহমদ হাজৰিকা আৰু তেখেতৰ ককায়েক প্ৰথম অসমীয়াত হজৰত মোহম্মদ (দঃ) ৰ জীৱনী প্ৰণেতা ফাইজুদ্দিন আহমদ।❖

---

(উপৰোক্ত প্ৰবন্ধটো যুগুত কৰোতে বাঘ হাজৰিকাৰ পৰিয়ালৰ জীয়ৰী আৰু সেই পৰিয়ালৰে বোৱাৰী জাহানাৰা খবিৰ হাজৰিকাই বহুতো সমল গোটাই এই লেখিকাক সহায় কৰা কাৰণে তেখেতৰ ওচৰত আমি কৃতজ্ঞ)।

# আনোৱাৰ শ্বাহ ফকীৰ

দেবিৰা চুলতানা আহমদ

অষ্টাদশ শতিকাৰ এজন ফকীৰ হাজী আনোৱাৰ শ্বাহ। এই গৰাকী ফকীৰৰ নাম অসমৰ মুছলমান কিয় তেখেতৰ বংশধৰ সকলৰ বহুতেই পাহৰি গৈছিল। পুনৰ ই পোহৰলৈ আহিল তেখেতৰ হাতে লিখা হেৰোৱা কোৰাণৰ প্ৰতিলিপিটোৰ যোগেদি। তেখেতৰ জন্ম আনুমানিক ১৭৩০ চন।

এইজনা ফকীৰৰ পিতৃ মিনুৰ শ্বাহ এজন ফাৰ্চী, আৰবী বিদ্যাৰ পণ্ডিত আছিল আৰু আহোম ৰজাৰ আমন্ত্ৰণ ক্ৰমে দিল্লীৰ পৰা আহি অসমৰ ৰাজধানী গড়গাঁৱত উপস্থিত হৈছিল। সেই সময়ত মোগল সম্ৰাটে আহোম ৰজাৰ অনুৰোধত তেখেতক অসমলৈ পঠিয়াইছিল। সেই সময়ত ফাৰ্চী মোগলৰ ৰাজভাষা আছিল। সেয়ে মোগলৰ লগত যোগাযোগ কৰিবৰ কাৰণে অসমৰ স্বৰ্গদেউ সকলৰ ফাৰ্চী পণ্ডিতৰ আৱশ্যক হৈছিল। এইজনা পণ্ডিত গড়গাওঁ আহি পোৱাত স্বৰ্গদেৱে তেখেতক আদৰ সাদৰ কৰি ৰাখি এগৰাকী আহোম জিয়াৰীক তেখেতলৈ বিয়া দিছিল আৰু নাজিৰাৰ বালিঘাটত মাটি দান দি নিগাজীকৈ থাকিবলৈ দিছিল (থাকিবলৈ দিয়া ঠাই খনৰ নাম বকতাৰ মৌজাদাৰ মুজিদুৰ ৰহমানৰ হাতে লিখা টোকাৰ পৰা লোৱা) । মোৰ বাবাজান  আনোৱাৰ কাদিৰ চালেহুদ্দিনেও সৰুতে  আমি সোধোতে  তেখেতৰ পূৰ্বপুৰুষে আহোম জীয়াৰী বিয়া কৰাই অসমীয়া হোৱাৰ কথাই কৈছিল। ওপৰত উল্লেখ কৰা দুয়োজন ব্যক্তিয়েই ফাৰ্চী পঢ়ীয়া ফৈদৰ। তেওঁলোকৰ পূৰ্ব্বপুৰুষ দিল্লীৰ পৰা অহা মিনুৰ

শ্বাহ। পৰিয়ালৰ বহুত লোক অসমত সিঁচৰতি হৈ আছে। আন আন ফাৰ্চী পণ্ডিতো স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত আহিছিল কিন্তু এই মিন্নুৰ শ্বাহৰ পৰিয়ালটোৰ যোগসূত্ৰ আছিল তেখেতৰ পুতেক হাজী আনোৱাৰ শ্বাহ ফকীৰৰ হাতে লিখা কোৰাণ শ্বৰীফৰ প্ৰতিলিপিখন। তেখেতৰ বংশধৰসকলৰ মাজত পুৰুষানুক্ৰমে এই কোৰাণ শ্বৰীফখনৰ কাহিনী চলি আহিছে।

এই মিন্নুৰ শ্বাহৰ পুতেক হাজী আনোৱাৰশ্বাহে খোজকাঢ়ি (হয়তো কিছু অংশ নাও জাহাজ আদিৰে গৈছিল) মক্কা শ্বৰীফলৈ হজ কৰিবলৈ গৈছিল। খুব সম্ভৱ তেখেতে কোৰাণৰ প্ৰতিলিপিটো মক্কা শ্বৰীফতে লিখিছিল। সেই সময়ত ইমান ধুনীয়াকৈ লিখিবলৈ সুকীয়া কাগজ আৰু বাকী সৰঞ্জাম মক্কা শ্বৰীফত পোৱা গৈছিল। (এনে ধৰণৰ আন এখন হাতে লিখা কোৰাণৰ মূল্য কেনেধৰণৰ হ'ব পাৰে তলৰ খবৰটোৰ পৰা জনা যাব। ২০০৭ চনৰ নভেম্বৰ মাহৰ ইছলামিক ভইচত প্ৰায় ৪০০ বছৰৰ আগৰ হাতে লিখা এখন কোৰাণৰ প্ৰতিলিপিৰ মূল্য প্ৰায় ৪.৩ নিযুত ডলাৰ (প্ৰায় ১৭ কোটি টকা) বুলি এটা খবৰ প্ৰকাশিত হৈছে।) তেখেতে যাত্ৰা হয়তো নাজিৰাৰ বালিঘাটৰ ঘৰৰ পৰাই কৰিছিল কিন্তু ঘুৰি আহি কামৰূপৰ হাজোত ৰৈ গলহি। সেই সময়ত হাজো অসমৰ মুছলমান সকলৰ এখন প্ৰধান ঠাই আছিল। মাজে মাজে মুছলমান শাসন থকা সময়ত আঞ্চলিক ৰাজধানীও আছিল। ইয়াতে আছে হজৰত শ্বাহ চুলতান গিয়াছুদ্দিন আওলীয়াৰ মাজাৰ আৰু অন্যান্য বহুত সিদ্ধপুৰুষৰ কবৰ। হাজোৰ পোৱামক্কা দৰগাহ অসম বুৰঞ্জীৰ আটাইতকৈ পুৰণি দৰগাহ বা মকাম। এই হাজোতে হাজী আনৱোৰ শ্বাহৰ অসমৰ ৰজা স্বৰ্গীয় লক্ষ্মী সিংহৰ লগত হয়তো সাক্ষাৎ হয়। ৰজাই তেখেতৰ কথা বতৰাত সন্তুষ্ট হৈ তেখেতক অনেক মাটি সম্পত্তি দি হাজোৰ মকামৰ দায়িত্ব দিয়ে। দিল্লীৰ পৰা অহা মিন্নুৰ শ্বাহৰ পুত্ৰ আনোৱাৰ শ্বাহ অসমীয়া মাকৰ যোগেদি সম্পূৰ্ণ অসমীয়া হৈ গৈছিল। ৰজাৰ লগত কথা বতৰাত এই ভাষাতেই হৈছিল। ৰজাই এখন তামৰ ফলিৰ যোগেদি হাজী আনোৱাৰশ্বাহ ফকীৰক মাটি ভেটি দান কৰাৰ কথা ৰফিউল হুছেইন বৰুৱাই তেখেতৰ "ইছলামী ঐতিহ্য আৰু অসম" নামৰ কিতাপখনত উল্লেখ কৰিছে। ইয়াৰ উল্লেখ আলিমুন নিছা পিয়াৰৰ "পোহৰৰ পথ" নামৰ কিতাপ খনতো আছে।

ড° সূৰ্য্য কুমাৰ ভূঞাদেৰৰ The Annals of the Delhi Badshahate ৰ ১৫ পৃঃৰ পৰা উদ্ধৃতি দি ড° মহেশ্বৰ নেওগে তেখেতৰ 'পৱিত্ৰ অসমত' এনেদৰে লিখিছে '১৭০২ শকৰ ১০ আহিন তাৰিখে স্বৰ্গদেউ লক্ষ্মী সিংহই এখন তামৰ ফলি কৰি ৰজাৰ ফাৰ্চী পঢ়ীয়া খেলৰ আনোৱাৰ হাজী ফকীৰক কামৰূপত খাতোৱাল মানুহ সমন্বিতে মাটি বৃত্তি দি চাৰিটি মকাম বা দৰগাহৰ ভোগদখল স্বত্ত্ব দিয়ে। মকাম চাৰিটি হ'ল - বাউসী পৰগণাৰ শ্বাহ মাদাৰ বৰ মকাম, বৰ নগৰ পৰগণাৰ শ্বাহ ফকীৰৰ মকাম, খেত্ৰি পৰগণাৰ পাঁচ পীৰৰ মকাম আৰু এক চতুৰ্থাংশ হিচাপত হাজোৰ বৰ মকাম' (পৃঃ ২৬০)।

এই তামৰ ফলিৰ কথাখিনিৰ প্ৰতিলিপি ৰফিউল হুছেইন বৰুৱাৰ 'ইছলামীয় ঐতিহ্য আৰু অসম' কিতাপৰ ৪৮ পৃঃত আছে। সেইখন কিতাপৰ পৰাই হাজী আনোৱাৰ শ্বাহ ফকীৰৰ বিষয়ে কিছু কথা তুলি দিছো। বৰুৱাৰ মতে '১৯৩৪ চনত বাতৰি কাকতৰ যোগেদি চমন জাৰী কৰাত ডাঃ বাহাৰ আলীয়ে এই দান পত্ৰখনৰ বিষয়ে উপায়ুক্তক অৱগত কৰাইছিল। সেই বছৰতে ডাঃ বাহাৰ আলী চাহেবৰ মৃত্যু হয় আৰু তেওঁৰ চন্দুকৰ পৰা অন্যান্য বস্তুৰ লগতে এই তামৰ ফলিখনো নোহোৱা হয়।' ২০০৭ চনৰ নৱেম্বৰ মাহত মোহম্মদ পিয়াৰ চাহেবৰ লগত সাক্ষাৎ কৰোতে তেখেতে তামৰ ফলিখন দেখা বুলি কয়। ডাঃ বাহাৰ আলী মোহম্মদ পিয়াৰৰ ককাদেউতাক আৰু ৰফিউল হুছেইন বৰুৱাৰ আজো ককাক আছিল। পৰিয়ালৰ বহুতো লোকে সেই তামৰ ফলিখন গুৱাহাটীতে থকা বুলি কয়।

স্বৰ্গীয় লক্ষ্মী সিংহ ৰজাই ১৭৮০খৃঃত হাজী আনোৱাৰ ফকীৰক সন্মান জনাই হাজো বৰ মকামৰ $^{১}/_{৪}$ অংশ দিয়াৰ পৰাই পাছলৈ বৰ মকামৰ নাম পোৱা মক্কা হব পাৰে বুলি হাজী চৈয়দ মকিবৰ ৰহমান চাহেবে তেখেতৰ 'অসমৰ মুছলমান আৰু পোৱা মক্কা দৰগাহ' নামৰ প্ৰৱন্ধত ( ১৯৯৯ চনত প্ৰকাশিত 'মনিকূট' নামৰ স্মৃতি গ্ৰন্থ) উল্লেখ কৰিছে।

স্বৰ্গীয় লক্ষ্মী সিংহৰ তেখেতৰ উপৰি পুৰুষে গ্ৰহণ কৰা শাক্ত ধৰ্ম্মৰ প্ৰতি আসক্তি কমি অহাত পুনৰ পূৰ্ব্ব পুৰুষৰ আৰাধ্য দেৱতা চোমদেউৰ ধৰ্ম্মৰ প্ৰবৰ্ত্তন

কৰিবলৈ চেষ্টা কৰাৰ কথা চাৰ এডৱাৰ্ড গেইটৰ বুৰঞ্জীত পোৱা যায়। তেখেতে হয়তো আনোৱাৰ শ্বাহ ফকীৰৰ লগত ধৰ্ম্ম বিষয়ত কথা বতৰা হৈছিল বা মক্কাৰ যাত্ৰাৰ অভিজ্ঞতা আৰু বিদেশৰ কথা বতৰাতো মুগ্ধ হৈছিল।

এই ফকীৰ পৰিয়ালৰ লগত ৰাজ পৰিয়ালৰ সম্বন্ধ পাছলৈও ভালে থাকি গল। হাজী আনোৱাৰ শ্বাহৰ পুতেক হাচমত আমিনক আন এজন আহোম ৰজাই হাজোৰ ওচৰৰ 'শৰাই' নামৰ গাওঁখন দান কৰে আৰু তাৰ পৰাই এই গাওঁখনৰ নাম আমিনগাওঁ হয়। ৰজাই দান কৰা কাঁহৰ বাচন, বান বাটি, আদিত 'শ্ৰী হাচমত আমিন' নামটো লিখা আছিল। (ৰফিউল হুছেইন বৰুৱা)

হাজী আনোৱাৰ শ্বাহ ফকীৰে আল্লাৰ কামত নানা ঠাইত ঘুৰি ফুৰিছিল। তেখেত আৰু তেখেতৰ দৰে ফকিৰ- দৰবেশ সকলেই নিজৰ কৰ্ম আৰু নৈতিক চৰিত্ৰৰ বলেৰে জনসাধণৰ মন মুহিব পাৰিছিল। তেখেতসকলৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ কামৰূপৰ বহুত গাওঁৰ লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। হাজোৰ ওচৰৰ কলিতাকুছিৰ দৰে গাওঁবোৰেই ইয়াৰ উদাহৰণ। স্বৰ্গদেৱে দিয়া বিষয় সম্পত্তি ভোগ কৰাতকৈ আল্লাহৰ ৰাস্তাত কাম কৰি, ৰাইজৰ উপকাৰ কৰিহে তেখেতসকলে আনন্দ পাইছিল। সেয়েহে গড়গাওঁৰ ৰাজ সভাৰ বিলাসী জীৱন, হাজোৰ মকামৰ সহজ জীৱন সকলো নেওচি দুৰ্গম ঠাইত ঘূৰি ফুৰি ধৰ্মৰ কামত জীৱন কটাইছিল। তেখেতৰ মৃত্যু জনীয়াৰ ফুলৰা চতলা পাহাৰৰ কাষতে হয়। তাতে তেখেতৰ আৰু ৫ জন সঙ্গীৰ কবৰ থকাৰ কথা ৰফিউল হুছেইন বৰুৱাৰ লগত কথা পাতোতে গম পাইছিলো।

কোন সময়ত তেখেতৰ কেইজনমান সতি সন্ততি উজনি অসমলৈ ঘুৰি আহি যোৰহাটৰ নতুন বালিবাট আৰু ওচৰৰে বালিবাটৰ চুকতে ন-আলিৰ মূৰত আৰু বালিবাটৰ দক্ষিণ ফালে মিঠা পুখুৰী অঞ্চলত বসতি কৰিবলৈ লয় সেইয়া জনা নাযায়। মাত্ৰ তেখেত সকলে লগত হাজী চাহেবৰ কোৰাণৰ হাতে লিখা প্ৰতিলিপিখন আৰু তামৰ ফলিখন লৈ আহে। কোৰাণ শ্বৰীফৰ প্ৰতিলিপিখনেই এই সকলোতে হাজী আনোৱাৰ শ্বাহ ফকীৰৰ লগত যোগসূত্ৰ আছিল। সকলোৱে এইখনৰ বিষয়ে জানিছিল। ১৯৭৪ চনৰ শেষৰ ফালে যোৰহাটৰ ন-মছজিদৰ পৰা

চৈয়দ চামছুল হুদা চাহেবে এইখন গুৱাহাটীলৈ আনে। সেইখন যোৰহাটত শেষবাৰৰ বাবে মাত্ৰ কেইদিন মানৰ আগতে হাতত লৈ চোৱা মানুহজন হ'ল যোৰহাট নতুন বালিবাটৰ (বৰ্ত্তমান বাহাদুৰ গাওঁবুঢ়া পথ) নিবাসী আৰু হাজী আনোৱাৰ শ্বাহৰ বংশধৰ জোনাব তমজীদুৰ ৰহমান । সেই কোৰাণখন প্ৰায়েই খুলি চোৱা ৰহমান চাহেবে সেইখন সদায় থকা ঠাইত নেদেখি প্ৰশ্ন কৰোতে সেইখন হুদা চাহেবে গুৱাহাটীলৈ অনাৰ কথা গম পায় । সেইখন তেখেতক গুৱাহাটীলৈ আনিবলৈ দিছিল সেই সময়ৰ মছজিদৰ ইমাম চৈয়দ ৰাহিদুৰ ৰহমান চাহেবে। সেই কোৰাণৰ প্ৰতিলিপিটো ১৯৭৫ চনত হাজী মুছাফিৰ খানাত হোৱা প্ৰদৰ্শনীৰ পৰা নোহোৱা হ'ল। এইয়া সেই প্ৰদৰ্শনীৰ কৰ্তৃপক্ষৰ অসাৱধানতাৰ বাবেই হবলৈ পালে। হয়তো নিজৰ বংশৰ মানুহে এই আপুৰগীয়া সমলটোৰ কাৰণে যথাযথ সাৱধানতা লোৱা হলে এনে হবলৈ নাপালেহেতেন। (আজান ফকীৰ চাহাবে হাতে লিখা কোৰাণৰ প্ৰতিলিপিটো নিজৰ পৰিয়ালৰ মানুহে সাৱধানতা লোৱা কাৰণে সেই প্ৰদৰ্শনীৰ পৰা অটুট ভাৱে নিজ স্থানলৈ ঘুৰি যায়।) এইখন কোৰাণ শ্বৰীফৰ প্ৰতিলিপি মজলীয়া আকাৰৰ আৰু তাৰ প্ৰথম কেই পৃষ্ঠামান সোণালী আখৰৰ আছিল বুলি প্ৰত্যক্ষদৰ্শী সকলে কয় । যোৰহাটৰ মুজিদুৰ ৰহমান চাহেবে তেখেতৰ হাতে লিখা টোকাত সেই প্ৰতিলিপিটোৰ প্ৰতি পাৰাত চাৰি অনা সোণৰ একোটাকৈ মুঠ ৩০ টা 'নুক্তা' থকা বুলি উল্লেখ কৰিছে আৰু এই বিষয়ে ৰফিউল হুছেইন বৰুৱায়ো হয়ভৰ দিছে।

কিন্তু এই কোৰাণ শ্বৰীফৰ প্ৰতিলিপিটো যেতিয়া বাহাদুৰ গাওঁ-বুঢ়াই লিখা বুলি 'হিদায়ত'ত (জুলাই ০৭) প্ৰকাশ হ'ল- তেতিয়া আমি সৰুৰে পৰা শুনি অহা আৰু যোৰহাটৰ ন-মছজিদত সংৰক্ষিত আনোৱাৰ শ্বাহ ফকীৰৰ প্ৰতিলিপিটোৰ কি হ'ল এই বিষয়ে অনুসন্ধান কৰোতে বৰ্ত্তমানেও আমাৰ মাজত থকা তিনি গৰাকী ব্যক্তিয়ে আমাক তেখেতসকলৰ মনত থকা কথা কয় আৰু নিজ চকুৰে দেখা কোৰাণখনৰ বৰ্ণনা দিয়ে। মোহম্মদ পিয়াৰ চাহেবেও তেখেতৰ ককাদেউতাক ডাঃ বাহাৰ আলীয়ে সেইখন বালিবাটৰ মছজিদত দিয়াৰ কথা আমাক জনায়। এই তিনিগৰাকী ব্যক্তি হ'ল - আলহাজ্জা নুৰণনাহাৰ বেগম, জোনাব তমজিদুৰ ৰহমান, যোৰহাট আৰু মহম্মদ পিয়াৰ, গুৱাহাটী।

অতীতত এই প্ৰতিলিপিটোৰ জুইৰ পৰা ৰক্ষা পোৱাৰ কথা শুনা যায়। কোৰাণ শ্বৰীফখনৰ প্ৰতিলিপিটো কোনো এটা সময়ত জুইৰ পৰা ৰক্ষা পৰিছিল। যোৰহাটৰ ডাঃ বাহাৰ আলীৰ ঘৰত জুই লগা, কছাৰীহাটত জুই লগা, পুৰণি মছজিদত জুই লগাৰ কথা নানাসূত্ৰে গম পাইছিলো । শেষত ২০০৭ চন নৱেম্বৰ মাহত মহম্মদ পিয়াৰ চাহাবৰ লগত কৰা সাক্ষাতকাৰত সেইখন হাজোৰ জুইৰ পৰা উদ্ধাৰ হোৱা বুলি কৈছিল। কথিত আছে হাজী আনোৱাৰ শ্বাহ ফকীৰৰ সকলো বস্তু জুই লাগি ধ্বংস হোৱাত কোৰাণ শ্বৰীফখনৰ কাৰণে কান্দি আল্লাহৰ ওচৰত দোৱা কৰোতে সপোনত হেনো দেখিছিল যে তেখেতে লিখা প্ৰতিলিপিটো এজোপা গছত লাগি আছে আৰু সপোনতে তেখেতক কোৱা হ'ল এজন দহ বছৰীয়া ল'ৰাক গা ধুই পৱিত্ৰ হৈ সেইখন আনিবলৈ নিৰ্দেশ দিবলৈ। তেনেকৈয়ে সেইখন সেইবাৰ উদ্ধাৰ হ'ল। এতিয়া সেইখন কোনে ক'ত লুকুৱাই থৈছে আৰু কেতিয়া উদ্ধাৰ হ'ব সেয়া আল্লাইহে জানে। ইয়াৰ বিপৰীতে বাহাদুৰ গাওঁ-বুঢ়াই হাতে লিখা প্ৰতিলিপিটো ডফলাটিঙৰ তেখেতৰ ঘৰত জুই লাগি জাহ যোৱা বুলি আব্দুছ ছাত্তাৰ চাহাবে ১৯৪৯ চনতে প্ৰকাশ হোৱা 'বাহাদুৰ গাওঁ-বুঢ়া' পুথিত লিখি থৈ গৈছে।

এইখিনি অনুসন্ধান কৰোতে মোৰ বাবাজানৰ পৰা জনা পুৰণি যোৰহাটত থকা আৰু তিনিটা ফাৰ্চী পঢ়ীয়া পৰিয়ালৰ বৰ্ত্তমানৰ বংশধৰ সকলে অৰিহণা যোগাইছিল। সেই কেইটা পৰিয়াল হ'ল হবিবুৰ ৰহমান, পিতৃ - মফৰুৰ হুছেইন, হাজী মহবুবুৰ ৰহমান মৌজাদাৰ পিতৃ - হাজী হবিবুৰ ৰহমান, আৰু ডাঃ বাহাৰ আলীৰ পৰিয়াল। মোৰ আজো ককা ছিৰাজুদ্দিন আহমদ (ছিৰাজ ডাৰোগা) চাহেবো এই একে ফাৰ্চী পঢ়ীয়া ফৈদৰ আছিল। যোৰহাট অঞ্চলত বাস কৰা এই চাৰিটা ফাৰ্চী পঢ়ীয়া পৰিয়ালৰ কথা আমি জানো । এই সকল আনোৱাৰ শ্বাহ ফকীৰৰ বংশধৰ । অসমৰ বহু ঠাইত হাজী আনোৱাৰ শ্বাহ ফকীৰৰ বংশৰ লোক সিঁচৰতি হৈ আছে। তেখেতসকলে হয়তো হাজী আনোৱাৰ শ্বাহ ফকীৰৰ বিষয়ে আৰু বেছি জানিব পাৰে আৰু তেনেহলে তেনে তথ্যৰে আমাৰ লগত যোগাযোগ কৰিলে সুখী হম। ভাৰতৰ প্ৰয়াত ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলী আহমদৰ উপৰিপুৰুষ

কছাৰীহাটৰ আছিল আৰু তেখেতসকলো ফাৰ্চী পঢ়ীয়া কিন্তু একে ফৈদৰে হয়নে নহয় আমি নাজানো।

হাজী আনোৱাৰ শ্বাহ ফকীৰ প্ৰথম অসমীয়া মুছলমান যিজনক আহোম ৰজাই দিয়া তামৰ পত্ৰৰ কথা বুৰঞ্জীত লিপিবদ্ধ আছে। অন্য সকলক দিয়া বুলি শুনা যায় কিন্তু সেইবোৰ স্মৃতিৰ গৰ্ভত বিলীন হৈ গৈছে। সেয়েহে তেনে এজন অসমীয়া মুছলমানৰ নাম যাতে একেবাৰে মানুহৰ মনৰ পৰা নাইকিয়া হৈ নাযায় তাকে কৰিবলৈ আমি প্ৰয়াস কৰিছো। ❖

# ৰমজান খাঁ

অপূৰ্ব বল্লভ গোস্বামী

(দৈনিক জনমভূমিৰ দেওবৰীয়া আলোচনী, ‘বসুন্ধৰা’, ৩০ নৱেম্বৰ, ২০০৩)

স্বাধীনচিতীয়া অসমীয়া জাতিৰ ছশবছৰীয়া ৰাজত্বৰ বেলি মাৰ যোৱা মুহূৰ্ততে মান সৈন্যৰ লগত বীৰ বিক্ৰমে যুদ্ধ কৰি ৰমজান খাঁ হিলৈধাৰী বৰুৱা নামৰ সেনাপতিজনে প্ৰাণ আহুতি দি এক ইতিহাস ৰচিছিল। বৰ্ত্তমান গোলাঘাটৰ নুমলীগড়ৰ ওচৰৰ ৩৭ নং ৰাষ্ট্ৰীয় পথৰ কাষতে এইজনা বীৰৰ সমাধি অৱহেলিত হৈ পৰি আছে। উল্লেখযোগ্য যে, ৰমজান খাঁৰ বীৰত্বৰ তথ্য গোলাঘাটৰ বিশিষ্ট শিক্ষাবিদ তথা বুদ্ধিজীৱী ড° মোহিনী কুমাৰ শইকীয়াই বুৰঞ্জীৰ পাতৰ পৰা উদ্ধাৰ কৰে । বৰ্ত্তমান গোলাঘাটৰ বাসভৱনত অসুস্থ হৈ শয্যাগত হৈ থকা ড° শইকীয়াই এই প্ৰতিবেদকক ৰমজাঁন খাঁৰ লগত মানৰ ম’হগড়ৰ যুদ্ধৰ বীৰত্বৰ বিষয়ে বৰ্ণনা কৰি কয় যে, আহোম ৰজা চন্দ্ৰকান্ত সিংহৰ লগত ৰমজান খাঁ হিলৈধাৰীয়ে মানৰ বিপক্ষে যি যুদ্ধ কৰিছিল সময়মতে যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰৰ যোগান পোৱা হ’লে অসম বুৰঞ্জীৰ অন্য এক অধ্যায় সূচনা হ’ল হয়। ড° শইকীয়াই গোলাঘাট জিলাৰ প্ৰত্নতাত্বিক দিশত বহু পুৰণা তথ্য উদ্ধাৰ কৰাৰ লগতে সৰুপথাৰ অঞ্চলৰ নগাজুৰিৰ পৰা এখন শিলালিপি উদ্ধাৰ কৰে। উক্ত শিলালিপিখনৰ পৰা গোলাঘাট জিলাৰ প্ৰত্নতাত্বিক দিশত গুৰুত্বপূৰ্ণ কথাৰ সম্ভেদ পাব পাৰি। ৰমজান খাঁৰ বীৰত্বৰ তথ্য উদ্ধাৰে ড° শইকীয়াই অসম বুৰঞ্জীত এক নতুন অধ্যায় সূচনা কৰিছে। আহোম ৰাজ্যৰ আভ্যন্তৰীণ কন্দলৰ পৰিণতিৰ ফলত ছশ বছৰ ৰাজত্ব চলাই যোৱা আহোমৰ বেলি মাৰ যায়। লাচিত বৰফুকনৰ দৰে সেনাপতি পাছৰ আহোম যুগত অভাৱ ঘটিছিল যদিও শৰাইঘাটৰ যুদ্ধত মোগলৰ

বিৰুদ্ধে অসীম সাহসে যুদ্ধ কৰি দেশ প্ৰেমিকৰ চিনাকি দিয়া ইচমাইল চিদ্দিকী ওৰফে বাঘ হাজৰিকাৰ দৰে ৰমজান খাঁই অসীম বিক্ৰমেৰে যুঁজি মানৰ হাতত শ্বহীদ হৈছিল। ৰমজান খাঁৰ বীৰত্বত চন্দ্ৰকান্ত সিংহই অভিভুত হৈ তেওঁৰ মৃতদেহ যুদ্ধ ক্ষেত্ৰৰ পৰা সংগ্ৰহ কৰি নাৱেৰে নুমলীগড়লৈ আনি সৎকাৰ কৰাইছিল। ৰমজান খাঁৰ পিতৃ হুছেইন খাঁই ওৰে জীৱন আহোম ৰজাক সহায় কৰি অৱসৰ গ্ৰহণ কৰে। যুদ্ধত হিলৈ চলোৱা সকলক হিলৈধাৰী বুলি মাতিছিল। ৰমজান খাঁই আহোম সেনাত চুবেদাৰ হিচাপে যোগদান কৰি সেই সময়ৰ হিলৈদাৰী সৈন্যত হিলৈ চলোৱাত পাৰ্গত হোৱা হেতু তেওঁক হিলৈধাৰী বৰুৱালৈ পদোন্নতি দিছিল। বিয়াগোম, হাতীমুৰা, তুবুকী, মিঠাসোলেং , বাঘমুৰীয়া আদি পাঁচ বিধ বৰটোপ থকাৰ উপৰিও  আহোম সৈন্যৰ গাঁঠিয়া, পহলষ্ঠি, ৰামচাঙী, হাত -হিলৈ, পথাৰকলাই, কামায়ন, জমুৰ, টোৱা, কোকা, কেঁচাই আৰু বচাদাৰী নামৰ এঘাৰ বিধ সৰু হিলৈ আছিল। উক্ত হিলৈসমূহ সেই সময়ত অসমৰ তৰফাট আদিৰ অঞ্চলৰ লোৰ পৰা অসমীয়া কমাৰে তৈয়াৰ কৰিছিল। পিছলৈ বৰটোপ, হিলৈত খাৰ তৈয়াৰ কৰিবলৈ খাৰঘৰীয়া, গন্ধীয়া আদি খেলৰ মানুহৰ সংখ্যা কমি আহিছিল। সেই সময়ত প্ৰয়োজনীয় সংখ্যক হিলৈধাৰী সৈন্যৰ অভাৱ আছিল বাবেই ৰমজান খাঁই যুদ্ধত সফলতা লাভ কৰিব পৰা নাছিল।

ক্ষমতাৰ অৰিয়াঅৰি গৃহকন্দলৰ সুত্ৰপাতৰ ফলস্বৰূপে বদন বৰফুকনে পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ বিপক্ষে অসমলৈ প্ৰথমে মান আনে। ১৭৩৮ শকত (১৮১৬ চনত)  ব্ৰহ্মদেশৰ পৰা পাটকাই পৰ্বত পাৰ হৈ বদন বৰফুকনে ১৬ হেজাৰ সৈন্য সহ ঘিলাধাৰীত আহোম সেনাক হৰুৱাই গডগাওঁ দখল কৰি দিখৌয়েদি নাৱেৰে আৰু বামেদি গৈ ৰংপুৰ দখল কৰে। পূৰ্ণানন্দ বুঢ়াগোঁহাইয়ে অসমীয়াক মানৰ হাতৰ পৰা ৰক্ষা কৰিব নোৱাৰি আঙুলিত থকা কালহীৰা আঙুঠি চেলেকি আত্মঘাতী হয়। চন্দ্ৰকান্ত সিংহই মান ৰজাৰ লগত মিত্ৰতা কৰি কিছু ধন- সোণ দিয়াৰ লগতে মান ৰজা বডৌফাইলৈ ভামো আইদেউ সহিতে পাঁচশ অসমীয়া ৰণুৱা সপৰিবাৰে পঠায় । ইয়াৰ পিছতে বদন বৰফুকনক ৰূপসিঙৰ হতুৱাই হত্যা কৰোৱাই ৰুচিনাথ বুঢ়াগোঁহায়ে পুৰন্দৰ সিংহক ৰজা পতাত চন্দ্ৰকান্ত সিংহই পুনৰ মানদেশলৈ দুৰ্দ্দশা আৰু বদনৰ  হত্যাৰ বাতৰি পঠায়। বৈবাহিক সূত্ৰে

নতুনকৈ সম্বন্ধ হোৱা মান ৰজা বডৌফাই ৩০ হেজাৰ মান সৈন্য সহ আলুমিহিৰ নেতৃত্বত দ্বিতীয়বাৰৰ বাবে অসমলৈ পঠায়। ১৭৪০ শকত (১৮১৮ চন) চন্দ্ৰকান্ত সিংহই মানৰ সহায়ত দ্বিতীয়বাৰৰ বাবে আহোমৰ ৰাজপাটত বহে। চন্দ্ৰকান্ত সিংহই মান ৰজাৰ আনুগত্যত নথকাৰ পৰিকল্পনাৰে ভৱিষ্যতলৈ মানক ভেটিবলৈ উজনি দীঘলীঘাটৰ জয়পুৰত এটা ডাঙৰ গড় নিৰ্মাণ কৰিবলৈ লয়। মান ৰজাই চন্দ্ৰকান্তৰ পৰিকল্পনাৰ বাতৰি পোৱাৰ লগে লগে মিংগিমাহা তিলোৱাৰ নেতৃত্বত এক বৃহৎ মান সেনাবাহিনী অসমলৈ পঠায়। চন্দ্ৰকান্ত সিংহই মান সৈন্য অহাৰ বাতৰি আগতীয়াকৈ জানিব পাৰি ভটিয়াই ইংৰাজৰ আশ্ৰয়ত থাকিবলৈ লয়। তাতে তেওঁ মানৰ বিৰুদ্ধে যুজিবলৈ এক সৈন্যবাহিনী গঠন কৰে। প্ৰায় দুহেজাৰ লোকক লৈ চন্দ্ৰকান্তই সিংহাসন উদ্ধাৰৰ বাবে চেষ্টা চলাই সেই সময়ত আহোম ৰাজ্যৰ পশ্চিম অঞ্চলটো দখললৈ আনিবলৈ সক্ষম হয়। ১৮২২ চনত চন্দ্ৰকান্ত সিংহই যোগীঘোপাৰ ৰবাৰ্ট ব্ৰুছৰ পৰা পোৱা খাৰ-বাৰুদ, অস্ত্ৰ-শস্ত্ৰৰ সহযোগত মান সৈন্যক পৰাস্ত কৰি গুৱাহাটী দখল কৰে। টিৰিঙৰ ৰাধানাথক বৰবৰুৱা পাতি নুমলীগড়ৰ ৰমজান খাঁৰ সৈতে চন্দ্ৰকান্তই মানক গুৱাহাটীৰ পৰা যোৰহাটলৈকে খেদিবলৈ সক্ষম হয়। মান সৈন্যই যোৰহাটৰ ম'হগড় অৰ্থাৎ বৰ্ত্তমানৰ ককিলামুখতে চাউনী পাতে। ১৮২২ চনৰ জুন মাহত চন্দ্ৰকান্ত সিংহই ম'হগড়ত অসীম সাহসেৰে মানৰ লগত যুদ্ধত অৱতীৰ্ণ হয়। ৰাধানাথ বৰবৰুৱা, ৰমজান খাঁই প্ৰবল বীৰত্বৰে মান সৈন্যক আক্ৰমণ কৰি মান সৈন্যৰ থৰ কাচুটি নোহোৱা কৰে। ৰমজান খাৰ হিলৈৰ আগত বহু মান সৈন্য নিহত হ'ল। যুদ্ধৰ ফলাফল অনুকুল হোৱাৰ মুহুৰ্ত্ততে চন্দ্ৰকান্ত সিংহ বাহিনীৰ খাৰ-বাৰুদ অন্ত হয়। ৰমজান খাঁই পিছ নুহুহকি হাতত তৰোৱাল লৈ এফালৰ পৰাই মান সৈন্য কাটিবলৈ ধৰাত মান সৈন্যই বৰতোপ মাৰি পৰাক্ৰমী অসমীয়া বীৰ যোদ্ধাজনক নিহত কৰে। মানৰ হাতত বীৰত্বৰে প্ৰাণ আহুতি দিয়া এইজনা বীৰযোদ্ধাৰ স্মৃতিত বৃটিছে পাছত নুমলীগড়ত এটা সমাধি নিৰ্মাণ কৰে। মানৰ বিৰুদ্ধে যুঁজি প্ৰাণ বিসৰ্জন দিয়া ৰমজান খাঁৰ সমাধি নুমলীগড়ত ৩৭ নং ৰাষ্ট্ৰীয় পথৰ কাষতে উপেক্ষিত হৈ আছে। পলমকৈ হ'লেও এই মহান যোদ্ধাজনক অসমবাসীয়ে স্মৰণ কৰাটো উচিত। ❖

# আব্দুল জালাল জোলকাদ আলি

দেবিৰা চুলতানা আহমদ

আব্দুল জালাল জোলকাদ আলিৰ জন্ম ১৭৯৬ চনত শিৱসাগৰত। তেখেত ফাৰ্চীপঢ়ীয়া ফৈদৰ লোক আছিল। তেখেতৰ ককাদেউতাক পীৰ মোহাম্মদ ফকীৰ, আজান পীৰ চাহাব অসমলৈ আহোতে তেখেতৰ লগতে অহা লোক। তেখেত আৰবী, ফাৰ্চী ভাষাত পণ্ডিত আছিল বাবে ৰাজ দৰবাৰত মোগলৰ দৰবাৰৰ পৰা অহা চিঠি পত্ৰবোৰ স্বৰ্গদেউক পঢ়ি বুজাই দিছিল। সেইদৰে এই ফালৰ উত্তৰো লিখি দিছিল। তেখেতসকলে আহোম ৰাজধানী গড়গাৱঁৰ ওচৰে পাজৰে ৰজাই দিয়া মাটি ভেটিত বাস কৰিছিল। পীৰ মোহাম্মদৰ পুত্ৰ আছিল ফৰজন্দ গাওঁবুঢ়া। তেখেতে ৰজাৰ মূল্যবান পোচাকো তৈয়াৰ কৰি দিছিল। মানৰ আক্ৰমণৰ সময়ত ফৰজন্দ আৰু তেখেতৰ পত্নী দুয়ো মানৰ হাতত বন্দী হয় যদিও মানে দুয়োকে মুকলি কৰি দিয়ে। তেওঁলোকৰে পাঁচজন ল'ৰাৰ সৰু জন হ'ল এই জোলকাদ আলি চাহাব।

মান ভগনৰ সময়ত ফৰজন্দৰ তিনিজন পুতেক ক্ৰমে চাহজাহান; তেখেঞ্জাৰ, জোলকাদ আৰু দুই কন্যা গুৱাহাটীলৈ উঠি আহে । প্ৰথমে তেখেত সকলে জজ ফিল্ডত থাকিবলৈ লয়। ফৰজন্দ গাওঁ-বুঢ়াই ইংৰাজৰ আমোলত পাটোৱাৰীৰ কাম কৰিবলৈ সুবিধা পায়।

জোলকাদ আলি চাহাবে গুৱাহাটীৰ পৰাই ছাত্ৰবৃত্তি পৰীক্ষা পাছ কৰি ভাল দৰে আৰবী, ফাৰ্চী শিকিবৰ বাবে ঢাকালৈ যায়। ঢাকাত তেখেতে পাঁচ বছৰ পঢ়াৰ পাছত উচ্চ শিক্ষাৰ্থে জৌন পুৰলৈ যায়। তাত তেখেতে মৌলানা কেৰামত

আলিৰ তলত শিক্ষা লাভ কৰে। আধ্যাত্মিক শিক্ষাত তেখেতে পাৰ্গতালি দেখুৱা বাবে ‘চুফী’ উপাধি পায়। সেয়ে তেখেত পাছত ‘চুফী চাহাব’ নামেৰে জনাজাত হয়। অসমৰ বিভিন্ন ঠাইৰ পৰা মুছলমান সকল আহি এখেতৰ ওচৰত শিক্ষা লৈছিল । ‘১৮২৭ চন মানত জৌনপুৰৰ পৰা অহাৰ পাছতে তেতিয়াৰ মুছলিম সমাজত প্ৰচলিত তাজিয়া প্ৰথাৰ বিৰোধিতা কৰিছিল। সেই সময়ত দীঘলী পুখুৰীৰ পাৰত আৰু লাখটকীয়াত ডাঙৰ তাজিয়া পতা হৈছিল। আগৰে পৰা চলি অহা তাজিয়া সিমান চুন্নী শাস্ত্ৰসন্মত নহয় বাবে তেখেতে ইয়াত বিৰোধিতা কৰি ১৮৩০-৬০ চনৰ ভিতৰত এই প্ৰথা নোহোৱা কৰিছিল। এই কামত শেষৰফালে তেখেতক সদৰ আমিন মুন্সি কেফায়ত উল্লায়ো সহায় কৰিছিল। মঙ্গলদৈতো তেখেতে এই প্ৰথা নোহোৱা কৰিছিল।’ (ছৈয়দ আব্দুল হালিম, প্ৰান্তিক, ১ ফেব্ৰুৱাৰী ২০০৪)

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে সেই সময়ত যদিও বহুতো মুছলমান গাওঁ আছিল তাত ভাল ধৰণে কোৰাণ শ্বৰিফ পঢ়িব পৰা মুছলমান নাছিল বুলিব পৰা অৱস্থাত আছিল। দুই এক মুঞ্চি মোল্লাই সামাজিক নীতি নিয়মবোৰ চলাইছিল মাত্ৰ। সেই সময়ৰ মঙ্গলদৈ অঞ্চলৰ গাওঁবোৰত মছজিদ নাছিল। মুছলিম ঘোপাত মাত্ৰ এটি ‘নামঘৰ’ আছিল। তাতে পীৰৰ নামে ভোজ পাতি ৰঙা কুকুৰা কাটি তাৰ তেজৰ পিঠা তৈয়াৰ কৰি খাই ৰাইজে জাহেলী (নিষিদ্ধ) নাম গীত গাইছিল। মুছলমান সকলৰ মাজত ঢুলীয়া, কালীয়া, দেউৰী, ওজা পালি আদিও আছিল।

সেই সময়তে এই চুফী জোলকাদ আলি চাহাবে তেখেতৰ পুত্ৰ চুফী য়াকুব আলি চাহাবক লগত লৈ প্ৰথমে ঘোপা (মুছলিম ঘোপা)ত সোমাইহি আৰু সেই অঞ্চলৰ কু-সংস্কাৰবোৰ আঁতৰাই ৰাইজক সজ পথলৈ নিবলৈ সমৰ্থ হয়। নামঘৰটিকে মছজিদলৈ পৰিৱৰ্ত্তন কৰি তাতে সমাজ বহুৱাই ধৰ্ম্মৰ সাৰ মৰ্ম্মবোৰ চুফী চাহাবে প্ৰচাৰ কৰে। ইয়াৰ বাবে তেখেতে বহুতো বাধাৰ সন্মুখীন হৈছিল। কিন্তু কোনো বাধা বিঘিনি তেখেতৰ সন্মূখত তিষ্ঠিব নোৱাৰিলে। কেইবাখনো গাওঁৰ লোক তেখেতৰ সমাজ সেৱাত মুগ্ধ হৈ তেখেতলৈ সহায় আগবঢ়ালে। সেইদৰে গৰিয়া ঘোপা, বৰকলিয়া ঝাৰ, ঘোঁৰাশাল (তুৰাই), কুমাৰ পাৰা (কুৰ্পি), নিৰণ চুবা আদি গাওঁৰ মুখিয়াল ৰাইজ চুফী চাহাবৰ ওচৰত দীক্ষিত

হৈ নৱজ্যোতিৰে দীপ্তমান হৈ একেশ্বৰবাদৰ পৰম সৌভাগ্য লাভ কৰে। এই সকলৰ ভিতৰত 'মোৰ জীৱনৰ কিছু কথা'ৰ প্ৰণেতা নজৰ আলি চাহাবৰ পিতৃ মোহাম্মদ শনিৰুদ্দিন আহমদ চাহাব আৰু কুৰ্পিৰ মৌলানা হাছিম আলি চাহাবৰ পিতৃ গনিৰুদ্দিন মহৰীও আছিল। তেখেতৰ প্ৰচেষ্টাতে ঠায়ে ঠায়ে মছজিদ নিৰ্ম্মাণ কৰা হয়। জয়পাল পুখুৰীৰ উত্তৰ পাৰতো খেৰি ঘৰ এটাৰে মছজিদ স্থাপন কৰা হয়। এই পুখুৰীটিও চুফী চাহাবে চাফা কৰোৱাইছিল। এই পুখুৰীটোৰ পানী উচ্চগুণ যুক্ত। পৰিষ্কাৰ কৰোৱাৰ পাছত মানুহে ইয়াৰ পানী খাব পৰা হ'ল। প্ৰথম ডাঙৰ মছজিদ বুলি এই মছজিদটো আজিও বৰ মছজিদ নামে প্ৰখ্যাত। ইয়াৰ ওচৰতে ডাঙৰ ঈদ্‌গাহ এখন তাহানিৰ পৰাই আছে। ('মোৰ জীৱনৰ কিছু কথা'ৰ পৰা ভালেখিনি তুলি দিয়া হৈছে)।

নজৰ আলি চাহাবৰ উক্ত কথাখিনিয়ে প্ৰমাণ কৰে যে চুফী চাহাব কেৱল মহৎ আৰু ধাৰ্ম্মিক ব্যক্তিয়েই নাছিল, তেখেতে জন সাধাৰণৰ মাজত ধৰ্ম্মৰ পোহৰো বিলাইছিল। সমাজৰ কু-সংস্কাৰবোৰ দূৰ কৰি একঈশ্বৰবাদৰ বাণী প্ৰচাৰ কৰিছিল।

তেখেত এজন বিদ্বান ব্যক্তি আছিল। তেখেতে কেইবাখনো পুথি লিখে। তাৰে তিনিখন উৰ্দু ভাষাত আৰু বাকী দুখন পুথিৰ লিপি হ'ল উৰ্দু কিন্তু ভাষা হ'ল অসমীয়া। এইয়া তেখেতৰ অসমীয়া সাহিত্যৰ প্ৰতি আপুৰুগীয়া অৱদান। এই পুথি দুখন আছিল "তৰিকোল হক ফি বয়ানে নুৰুল হক" (সত্যৰ পথ), আনখন হ'ল বিবি ৰেমিয়াৰ জীৱনী।

আব্দুছ ছাত্তাৰ চাহাবৰ 'সংমিশ্ৰণত অসমীয়া সংস্কৃতি' নামৰ মূল্যবান কিতাপখনিত 'সত্যৰ পথ' নামৰ কিতাপখন বিশদভাবে আলোচনা কৰা হৈছে। পুথিখন উৰ্দ্দু লিপিতে চুফী চাহাবে তেখেতৰ জীৱিত কালতে প্ৰকাশ কৰিছিল। সেই সময়ছোৱা আছিল ১৭৯৬ চনৰ পৰা ১৮৯১চনলৈকে। ১৯৬৭ চনত তেখেতৰ নাতি মৌঃ মোহাম্মদ ছালেহ কাজিম চাহাবে এই পুথিখন 'সত্যৰ পথ' নাম দি অসমীয়া লিপিত প্ৰকাশ কৰে। ছাত্তাৰ চাহাবকো ইয়াৰ পুথি এখন তেখেতে উপহাৰ স্বৰূপে পঠায়। ১৯৬৮ চনত তেখেতে গুৱাহাটী লৈ আহি প্ৰথম বাৰৰ বাবে মূল আৰবী আখৰত অসমীয়া পুথিখন দেখি তবধ মানে। কিতাপবোৰ চুফী চাহাবৰ পুতেক ইয়াকুব চাহাবে সযতনে এটা বাকচত থৈ

গৈছিল। ১৯২৮ চনত ইয়াকুব ঢুকুৰাত তেখেতৰ পুতেক কাজিম চাহাবৰ হাতলৈ আহে আৰু তেখেতেই কিতাপখনি অসমীয়াত লিখি 'সত্যৰ পথ' নাম দি প্ৰকাশ কৰি পোহৰলৈ আনে।

চাত্তাৰ চাহাবে কিতাপখনৰ ভাষা অসমীয়া আৰু ৰচনা উৰ্দু লিপিত কিয় হ'ল তাৰ বাবে কেইটামান যুক্তি দৰ্শাইছে। প্ৰথমটো হ'ল সেই সময়ত অসমীয়া ভাষাত পঢ়া লিখা জনা মানুহৰ সংখ্যা বৰ তাকৰ আছিল। অন্য ভাষাৰ জ্ঞান প্ৰায় শূণ্য আছিল। এই আনুমানিক ১৮৩০ চনৰ আগতে লিখা এই পুথিখনৰ সময়ত অসমৰ সামাজিক পটভূমি নিৰক্ষৰ মানুহেৰে পৰিপূৰ্ণ আছিল। মুছলমান সমাজত কোৰাণ শ্বৰিফ পঢ়াটো সকলোৰে বাবে দৰকাৰী হোৱা বাবে এক বুজন পৰিমাণৰ মুছলমান মানুহৰ আৰবী লিপিৰ লগত পৰিচয় আছিল। কাৰণ মছজিদৰ লগতে থকা মোক্তাৰ মাদ্ৰাছাবোৰত ল'ৰা ছোৱালীয়ে শিক্ষা লৈছিল। সেই সময়ত ডঃ সূৰ্য্যকুমাৰ ভূঞাদেৰ আদি পণ্ডিতৰ মতেও ৰংপুৰ আৰু গুৱাহাটীত এনে ধৰণৰ পঢ়াশালি আছিল। কিন্তু তেওঁলোকৰ সৰহ ভাগেই আকৌ অসমীয়া লিপি নাজানিছিল। চুফী চাহাবে নিজেও তেখেতৰ কিতাপৰ পাতনিত এইদৰে মন্তব্য কৰি গৈছে। 'এই কিতাপটি হ'বৰ কাৰণ কি? এই দেশৰ বাজে মানুহ বিলাকে আৰবী, ফাৰ্চী, হিন্দী একো নুবুজে আৰু বঙলাও ভালকৈ বুজিব নোৱাৰে'। 'বাজে মানুহ' মানে সৰ্ব্বসাধাৰণ মানুহকে বুজাইছে। পুথিখনিৰ বিষয়বস্তু আছিল মোহাম্মদ (দঃ)ৰ গুণ গান কৰা আৰু তেখেতৰ প্ৰচাৰিত ইছলাম ধৰ্ম্মৰ নীতি নিয়মবোৰ মুছলমান সকলে কি ধৰণে পালিব লাগে তাৰ বৰ্ণনা । অসমীয়া ভাষাত নিৰক্ষৰ কিন্তু আৰবী ভাষাত আখৰ কেইটা চিনি পোৱা এই অসমীয়া প্ৰজাৰ এটা মাত্ৰ ভাষা আছিল, সেইটো অসমীয়া ভাষা। 'সত্যৰ পথ'ৰ অসমীয়াৰ মান 'অৰুনোদই'ৰ অসমীয়াতকৈ উন্নত আছিল। অসমৰ প্ৰথিতযশা সাহিত্যিক দৈৱচন্দ্ৰ তালুকদাৰ দেৱে এই পুথিৰ গদ্যৰীতি চাই এইদৰে মন্তব্য কৰিছিল '১৬শ শতিকাৰ ভট্টদেৱৰ অসমীয়া গদ্য কথা গীতা আৰু কথা ভাগ্ৱতৰ পাছত এই গদ্যৰ চানেকী পাই আমি আনন্দিত হৈছো। ইয়াৰ ভাষা অৰুনোদইৰ ভাষাতকৈ ওখ তৰপৰ' । (দৈনিক অসম ১৯৬৬ চন২৯ মে' আৰু জনমভূমি ১৯৬৬ চন ২ জুনত প্ৰকাশিত) । এই কিতাপ খনিৰ গদ্য ৰীতিৰ সহজ সৰল ঠাঁচ অতি আকৰ্ষণীয়।

লিখকে ‘সত্যৰ পথ’ পুথিখনত ভালেখিনি আৰবী ফার্চী শব্দ ব্যৱহাৰ কৰিছিল যদিও ইয়াৰ যিটো প্ৰাণ বা তল সোঁতা সি একেবাৰে হাড়ে হিমজুৰে অসমীয়া আছিল। ভাটিৰ পৰা অহা আৰবী ফাৰ্চী পণ্ডিতৰ ঘৰৰ হৈয়ো আৰু নিজেও এই দুই ভাষাত পণ্ডিত হৈয়ো দুই পুৰুষতে অসমৰ বুকুত পুৰা অসমীয়া হৈ জীন যাব পাৰিছিল। তেখেতৰ কিতাপখনিত ‘ভাৰস্ত’, ‘ত্ৰিভূৱন’ আদি শব্দৰ ব্যৱহাৰ সেই সময়ত শিক্ষিত মুছলমানে যে সংস্কৃত শব্দ উদাত্ত ভাবে ব্যৱহাৰ কৰিছিল তাৰে নিৰ্দশন। তেখেতৰ কিতাপখনিৰ আৰম্ভণিতেই এঠাইত আছে।

“তেওঁকহে বোলে খোদাই
তেওঁৰ শলাগৰ ওৰ নাই”

তাৰ পাছৰ গদ্য ভাগ আৰম্ভ হৈছে এইদৰে “সকলো শলাগ আৰু যশস্যা যি আছে আল্লাহ তালাৰ কাৰণে।” এই গদ্যৰ ঠাঁচ অতি আধুনিক আৰু কবিতা শাৰীতো অসমীয়া কবিতাৰ স্বাভাৱিকতা আছে। এটা বাক্যত আছে “হজৰত মোহাম্মদ মোস্তাফাক আখিৰ জামানৰ তৰণী ভৱ নদীৰ নৌকা কৰি পইদা কৰি দিলে”। আন এঠাইত আছে “গুটি ওলালে আহোন নেপাতি আইভোগ নিদিলে ভাল নহয় বুলি জানিলে”। “আইভোগ” নিদিয়া নীতিৰ উল্লেখ আদিয়ে সেই সময়ত মুছলমান সমাজত অসমীয়া জাতীয় সংস্কৃতিৰ কেনে প্ৰভাৱ পৰিছিল অনুমান কৰিব পাৰি। এই সৰু পুথিখনত অকল অসমীয়া গদ্য ৰীতি ঠাঁচতেই নহয়, বাক্যাংশ আৰু জতুৱা ঠাঁচৰ প্ৰয়োগ দেখা যায়। ই ‘অৰুনোদই’ৰ মিছনেৰী অসমীয়াতকৈ উত্তম অসমীয়া গদ্যৰ চানেকি দাঙি ধৰিছে। ‘জাতিগত সংমিশ্ৰণৰ ফল স্বৰূপেহে এনে সংহতি পূৰ্ণ সংস্কৃতিৰ বিকাশ সাধন হ’ল বুলি একে আষাৰতে কব পাৰি’। (আব্দুছ ছাত্তাৰ)

১৯ শতিকাৰ আগ ভাগত, অসমৰ সেই সময়ৰ সামাজিক পটভূমিত এনে এজন চুফী সাধক, সমাজ সংস্কাৰকৰ পৰা এনে এখনি অমূল্য পুথিৰ অৱদানহে গৌৰৱৰ বিষয়। এই উৰ্দু আখৰৰ অসমীয়া গদ্য পুথিখনিয়ে জোলকাদ আলি চুফী চাহাবৰ নাম অসমীয়া সমাজত অমৰ কৰি ৰাখিব।❖

---

(আব্দুছ ছাত্তাৰৰ ‘সংমিশ্ৰণত অসমীয়া সংস্কৃতি’ৰ সহায়ত লিখা)।

# বাহাদুৰ গাওঁ-বুঢ়া

**দেবিৰা চুলতানা আহমদ**

বাহাদুৰ গাওঁ-বুঢ়া আজিৰ অসমৰ এটি পৰিচিত নাম। তেখেত ১৮৫৭ চনৰ স্বাধীনতা যুদ্ধৰ সময়ৰ মনিৰাম দেৱানৰ লগৰ এজন বিদ্ৰোহী, যি জনে ভাৰতৰ এচুকত অৱস্থিত যোৰহাট নগৰত আন কেইগৰাকীমান সঙ্গীৰে দেশ স্বাধীন কৰাৰ সপোন দেখিছিল আৰু ইয়াকে কাৰ্য্যকৰী কৰিবলৈ গৈ কলীয়াপানী (আন্দামান দ্বীপ)লৈ নিৰ্বাসিত হৈছিল। দেশ স্বাধীন হোৱাৰ আগলৈকে তেখেতৰ নাম যোৰহাটত কিছু মানুহৰ মাজতে সীমাবদ্ধ আছিল। তেখেতক যি জনে আজি অসমীয়াৰ মাজত সৰ্ব্ববিদিত কৰিলে সেইয়া আছিল তেখেতৰ সুযোগ্য পৰিনাতি আব্দুছ ছাত্তাৰ। তেখেতেই জীৱিত থকা পৰিয়ালৰ কেই গৰাকীমান নাতি নাতিনীয়েকক আৰু আন দুই এজনক সুধি পুছি তথ্যবোৰ সংগ্ৰহ কৰি 'বাহাদুৰ গাওঁ-বুঢ়া' (১৮৫৭ চনৰ স্বাধীনতা যুদ্ধৰ এজন বিদ্ৰোহী আৰু দেশাত্মবোধ ব্যক্তিৰ জীৱন কথা) নামৰ সৰু পুথি ১৯৪৯ চনত ৰাইজৰ আগত দাঙি ধৰে। ইয়াৰ বাবে তেখেতক অনুৰোধ কৰিছিল আৰু উদগনি দিছিল আন এজন আজোনাতি ৰিয়াজুদ্দিন আহমদে। এই ৰিয়াজুদ্দিন আহমদেই পুথিখনি প্ৰকাশ কৰে আৰু পাছতো বাহাদুৰ গাওঁ-বুঢ়াৰ কবৰৰ সংৰক্ষণ আৰু নতুন বালিবাটটো বাহাদুৰ গাওঁ-বুঢ়া পথ বুলি নামকৰণ কৰাত আগ ভাগ লয়।

আহোম ৰজা স্বৰ্গদেউ ৰুদ্ৰসিংহই (১৬৯৬-১৭১৪) নতুনকৈ অসম দেশ গঢ়িবৰ কাৰণে অসমলৈ ভাটীৰ পৰা বিশেষ পাৰদৰ্শিতা থকা আঠোটা মুছলমান

পৰিয়াল আনি এই দেশত নিগাজীকৈ পাতিলে। তাৰে এটা পৰিয়াল 'আখৰ কটীয়া পৰিয়াল'ৰ লোক আছিল বাহাদুৰ গাওঁ-বুঢ়া। তেখেতৰ প্ৰকৃত নাম আছিল বাহদ্দিল। দেউতাকৰ নাম আছিল তবৰোজ আৰু ককাদেউতাকৰ নাম আছিল দিল গাওঁ-বুঢ়া। আব্দুছ ছাত্তাৰৰ মতে তেখেত সকল যোৰহাটৰ। কিন্তু মুহিবুল হুছেইনৰ মতে "অতীজৰ বকতাৰ লোক'। বুৰঞ্জীবিদ ভূৱনচন্দ্ৰ সন্দিকৈৰ মতেও তেখেত বকতাৰ লোক আৰু দিল গাওঁ-বুঢ়া জলম বটা পৰিয়ালৰ লোক ('ইছলামীয় ঐতিহ্য আৰু অসম' ঃ ৰফিউল হুছেইন বৰুৱা) বাহাদুৰ গাওঁ-বুঢ়াৰ ৰাজঘৰীয়া বাব আছিল আখৰ কটীয়া বৰুৱা। তেখেতৰ ঘৰ আছিল যোৰহাটৰ নতুন বালিবাটৰ ন মছজিদৰ ওচৰতে। তেখেতে আউনীআটী, দক্ষিণপাট, কমলাবাৰী আদি সত্ৰৰ অধিকাৰ সকলৰ মাটিৰ ৰাজঘৰীয়া তামৰ ফলি লিখি দিছিল। তেখেতৰ হাতৰ এটা হাতীদাঁতৰ পাটি আউনীআটি সত্ৰত থকা বুলি জনা যায়। ইয়াৰ উপৰিও এখেতৰ হাতৰ বিচনীও এই সত্ৰবোৰত আছিল। গাওঁ-বুঢ়াই হাতী দাতৰ ফণি, সফুৰা আদিও তৈয়াৰ কৰিছিল। মুঠতে তেখেত আছিল এজন সুদক্ষ কাৰুশিল্পী আৰু খনিকৰ।

'বাহাদুৰ গাওঁ-বুঢ়া' তেখেতক ৰাইজে দিয়া নাম। যোৰহাট, বালিবাটৰ আশে পাশে থকা চুবুৰী বিলাকৰ ভিতৰত বাহাদুৰ আছিল চৰ্দ্দাৰ। যি দৰে ফৰ্ম্মুদ আলি গাওঁ-বুঢ়া আছিল ভোগদৈমুখ, লাচিত গাওঁ আৰু কলিয়নী গাওঁৰ গাওঁ-বুঢ়া। দুইজনেই সেই সময়ত ৰজা ঘৰৰ লগত সম্বন্ধ থকা দুজন মুখিয়াল ব্যক্তি আছিল। বাহাদুৰ গাওঁ-বুঢ়াৰ বালিবাটৰ ঘৰত তাকিয়াৰে এখন আহল বহল গাদী আছিল। ইয়াতে লগ হৈ সেই সময়ৰ প্ৰতিভাশালী ব্যক্তি সকলে অসম দেশ বৃটিছৰ শাসনৰ পৰা মুক্ত কৰিবলৈ জল্পনা কল্পনা কৰিছিল। ১৮২৬ চনত মানৰ আক্ৰমণৰ পাছত অসম ইংৰাজৰ কৰতলীয়া হয়। ১৮৩৮ চনত কৰ পৰিশোধ কৰিব নোৱাৰা বাবে পুৰন্দৰ সিংহৰ ৰাজ্য বৃটিছে ভাৰতৰ লগত চামিল কৰে। সেই সময়ৰ পৰাই প্ৰান্তে প্ৰান্তে বিদ্ৰোহৰ জুই জ্বলিবলৈ ধৰে। প্ৰথম আছিল গমধৰ কোঁৱৰৰ বিদ্ৰোহ, তাৰ পাছৰটো আছিল পিয়লি ফুকন আৰু জীউৰাম দুলীয়া বৰুৱাৰ বিদ্ৰোহ, যাৰ বাবে দুয়োকে ৰংপুৰ নগৰৰ পুখুৰীৰ পাৰত মুকলি ভাবে ৰাইজক দেখুৱাই ফাঁচি দিয়া হৈছিল।

এইবাৰ আহিল ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহ। সেই সময়ৰ উত্তৰ ভাৰতত দিল্লীক কেন্দ্ৰ কৰি ইংৰাজৰ বিৰুদ্ধে প্ৰৱল বিদ্ৰোহ হয়। সেই সময়ত মনিৰাম দেৱানে তেখেতৰ বন্ধু মধু মল্লিকৰ যোগেদি কলিকতাৰ পৰা ৰজা কন্দৰ্পেশ্বৰ সিংহলৈ বাতৰি পঠিয়াই আছিল। মনিৰাম দেৱান কলিকতালৈ যোৱাৰ আগতেও বাহাদুৰ গাওঁ-বুঢ়াৰ ঘৰতে তেখেতৰ লগৰীয়া পিয়লী বৰুৱা, দুতিৰাম বৰুৱা, ফৰ্ম্মুদ আলি আদিৰ লগত বহি কেনেকৈ দেশ উদ্ধাৰ কৰিব পৰা যায় তাৰ আলোচনা কৰিছিল। কিন্তু তেখেত সকলৰ এই পৰিকল্পনাত বাধা দিয়া লোক জন আছিল হৰনাথ পৰ্ব্বতীয়া বৰুৱা আৰু তেখেতৰ হৈ বাহাদুৰ গাওঁ-বুঢ়াৰ শিবিৰৰ গোপন কথাৰ যোগান ধৰিছিল উমেদ মুন্সিয়ে। সেই সময়ৰ কমিছনাৰ হলৰইডক দাৰৰ বাতৰি দাৰে এই দুই ব্যক্তিয়ে দি আছিল আৰু দুৰ্ভাগ্যক্ৰমে মনিৰাম কলিকতাৰ পৰা যোৰহাটলৈ পিয়লি বৰুৱালৈ দিয়া চিঠিখন পৰ্ব্বতীয়া বৰুৱাৰ হাতত পৰে। সেয়ে কাল হ'ল। অসম পৰাধীন হৈয়ে থাকিল। মনিৰাম, পিয়লিৰ ফাঁচী হ'ল আৰু বাকী বোৰৰ কেই গৰাকীমানৰ কলীয়াপানীলৈ নিৰ্বাসন আৰু আনবোৰৰ কাৰাদণ্ড হ'ল।

এই নিৰ্বাসিত ব্যক্তি সকলৰ অন্যতম আছিল বাহাদুৰ গাওঁ-বুঢ়া। তেখেতৰ লগতে কলীয়াপানী বা আন্দামানলৈ যোৱা কেইগৰাকীমান ব্যক্তি আছিল দুতিৰাম বৰুৱা, লুকী শেনছোৱা বৰুৱা, কমলা চাৰিঙ্গীয়া বৰুৱা, নীলকণ্ঠ চোলাধৰা বৰুৱা, মায়াৰাম নাজিৰ, মৰঙিখোৱা গোঁহাই। বৃটিছে বন্দী কৰি ৰজা কন্দৰ্পেশ্বৰ সিংহক আলিপুৰ জেলত ৰাখে। ফৰ্ম্মুদ আলি, মধু মল্লিক, লুকী শেনচোৱা বৰুৱা আদিক যাৱজ্জীৱন কাৰাদণ্ড বিহে। মধুৰাম কোঁচ, গণেশ বৰুৱা, নাৰায়ণ বৰুৱা, উমা মুক্তিয়াৰকো তিনিবছৰ কাৰাদণ্ড বিহা হৈছিল। ইয়াৰে ভালে কেইজনৰ হৈ গভৰ্নৰ জেনেৰেলৰ ওচৰত আপীল কৰাত তেখেতসকল কাৰাদণ্ডৰ পৰা ৰেহাই পাই পুনৰ ঘৰলৈ ঘুৰি আহে।

বাহাদুৰ গাওঁ-বুঢ়া সেই সময়ৰ এজন প্ৰতিপত্তিশালী লোক আছিল। তেখেতে নবাবৰ ঘৰৰ জীয়াৰীক বিয়া কৰাইছিল। শহুৰেক আছিল 'ফুকনৰ ঘৰৰ খেলৰ' নবাব আমানত উল্লা। তেখেতৰ পৰিবাৰ আহোম জীয়াৰী আছিল। তেখেত

সকলৰ কন্যাকে বাহাদুৰ গাওঁ-বুঢ়াই  বিয়া কৰাইছিল, দেখাত এই কন্যা গৰাকী হেনো বৰ ধুনীয়া আছিল। বাহাদুৰ গাওঁ-বুঢ়াও তেজগোৰা শকত আবত সুঠাম চেহেৰাৰ পুৰুষ আছিল।

১৮৫৭ চনত বাহাদুৰ গাওঁ-বুঢ়াকে ধৰি সকলো বন্দীৰে ধন সম্পত্তি বৃটিছ চৰকাৰে বাজেয়াপ্ত কৰিছিল। আন্দামানলৈ যোৱাৰ সময়ত তেখেতৰ বয়স (জন্ম আনুমানিক ১৮০০ যোৰহাট) ৫৭ বছৰ মান আছিল।  বাহাদুৰ গাওঁ-বুঢ়াৰ আজো নাতি আচাদ জামান আহমদৰ বাহাদুৰ গাওঁ-বুঢ়াৰ ওপৰত লেখা এখন সৰু প্ৰচাৰ পত্ৰিকাৰ পৰা পোহৰলৈ অহা তথ্য অনুসৰি বাহাদুৰ গাওঁ-বুঢ়াৰ জন্ম ১৮০০ চন বুলি প্ৰমাণিত হৈছে। তেখেতৰ সৰু পুতেক দোস্ত মোহাম্মদে ডফলাটিং চাহ বাগানত ১৮৪৩ চনতে চাকৰি কৰিছিল। ১৮৮২ চনলৈ থকা অনেক নথি পত্ৰৰ দ্বাৰা এইটো প্ৰমাণিত হৈছে। এইবোৰৰ পৰা এই কথা জনা গৈছে যে বাহাদুৰ গাওঁ-বুঢ়াক 'শ্বেখ বাহাদুৰ' বুলিহে জনা গৈছিল। সেই সময়ৰ বাকী মুছলমান ৰাইজ সকলৰ দৰে তেখেতো বৰ ধাৰ্মিক আছিল। বাহাদুৰ গাওঁ-বুঢ়াৰ কবৰ আৰু মোৰ আজো ককাদেউতা আৰু আইতাৰ কবৰ যোৰহাটৰ ন-মছজিদৰ গাতে লাগি আছে। খুব সৰুতে মোৰ ককাদেউতাই নি বাহাদুৰ গাওঁ-বুঢ়াৰ কবৰৰ কাষত মোক তেখেতৰ বিষয়ে বহুত কথাই কৈছিল। তেখেতৰ এই আল্লা ভক্তিৰ প্ৰভাব হয়তো তেখেতৰ চেহেৰা আৰু ব্যৱহাৰত প্ৰভাৱ পেলাইছিল আৰু তেখেতৰ ব্যক্তিত্বত ফুটি উঠিছিল। তেখেতেও আন্দামানত থকাৰ প্ৰথম অৱস্থাত আন কয়দীৰ দৰে বাহিৰত কঠোৰ কাম কৰিব লগা হৈছিল। তথাপিও নামাজ, কোৰাণ নিয়মীয়াকৈ পঢ়িছিল। সেয়ে হয়তো পলিটিকেল অফিচাৰ জনৰ পত্নীৰ নেক নজৰত পৰিছিল। মেম গৰাকীয়ে অনুৰোধ কৰাত তেখেতৰ  বহুত দিনীয়া মুৰৰ বিষ গাওঁ-বুঢ়াই দোৱাৰ যোগেদি আৰোগ্য কৰিছিল। ৰোগ আৰোগ্য হোৱাৰ পাছত সৰু ল'ৰা ছোৱালীক মিঠা বস্তু খুৱাবলৈ কৈছিল। মেম গৰাকীয়ে চেনিকে খুৱাইছিল। তেতিয়াই গাওঁ-বুঢ়াই প্ৰথম চেনি দেখিছিল। হয়তো তেতিয়ালৈকে অসমত গুৰহে প্ৰচলন আছিল।

এই ঘটনাৰ পাছৰপৰা তেখেতক বাহিৰৰ কামৰপৰা ৰেহাই দি বঙলাৰ চকিদাৰ নিযুক্তি দিয়ে। এনেয়ে বহি থাকি আমনি লগাত মেম গৰাকীক এই বিষয়ে

কোৰাত তেখেতক ফুল বচা আৰু চিলাই কৰাৰ বাবে কাপোৰ, গুণা আদি যোগান দিছিল। তেখেত এই বিদ্যাতো পাৰ্গত আছিল। সেইয়ে তেখেতে গুণা কৰা, ফুল বচা বহুতো মেখেলা চাদৰ আদি আহোতে ঘৰলৈ লৈ আহিছিল। “ইয়াৰ বাহিৰেও তেখেত তাত থকা অৱস্থাত নিজ হাতে লিখা কোৰাণ শ্বৰীফ এখন লৈ আহিছিল। সম্ভৱ এই কোৰাণখন তেখেত বঙলাৰ চকিদাৰ হৈ থকা অৱস্থাত লেখা। সেই সকলোবোৰ বস্তু আৰু কোৰাণখন তিতাবৰ ডফলাটিং বাগানত পুতেকৰ ঘৰত আছিল। কিন্তু হৰাপোৰা নামৰ এজন তুলি লোৱা লৰাই বেল পোৰোতে ঘৰ জুই লগাত এই সকলো বস্তু ধ্বংস পায়।” (বাহাদুৰ গাওঁ-বুঢ়া - আব্দুছ ছাত্তাৰ ১৯৪৯ চন) এইখিনিতে এটি কথা উল্লেখ কৰিবলগীয়া হ’ল। ২০০৭ চনত হিদয়াৎত প্ৰকাশিত এটি প্ৰবন্ধত চৈয়দ ছামচুল হুদা চাহেবে ১৯৭৪ চনত যোৰহাটৰ ন মছজিদৰ পৰা এখন হাতে লিখা কোৰাণৰ প্ৰতিলিপি তেখেতক জিম্মাত লৈ অহা আৰু মুছাফিৰ খানাৰ (গুৱাহাটী) পৰা হেৰুৱা কোৰাণ শ্বৰীফখন বাহাদুৰ গাওঁ-বুঢ়াই লিখা বুলি উল্লেখ কৰিছে। বহুত আগতে জুইত জাহ যোৱা আৰু যোৰহাটৰ মছজিদত কোনো দিন নথকা কোৰাণ শ্বৰীফখন বাহাদুৰ গাওঁ-বুঢ়াৰ বুলি তেখেতে কিয় লিখিলে সেইয়াহে বুজি নাপালো। হেৰাই যোৱা কোৰাণ শ্বৰীফখন যে হাজী আনোৱাৰ শ্বাহ ফকিৰ ফাৰ্চীপৰীয়াই ১৭৮০ চনৰ আগতে লিখা আৰু সেইখন যে তেখেতৰ বংশধৰ ডাক্তৰ বাহাৰ আলি চাহাবে ন-মছজিদত জমা দিছিল সেই কথা আমি তিনিগৰাকী নিজ চকুৰে দেখা ব্যক্তিৰ বক্তব্যৰ দ্বাৰা হিদায়তৰ পাততে প্ৰমাণ কৰিছিলো। তাৰে অন্যতম জন আছিল ডাঃ বাহাৰ আলিৰ নাতিনীয়েক মৰহুম মহম্মদ পিয়াৰ। (সাক্ষাতকাৰ ২০০৭ নবেম্বৰত)।

বাহাদুৰ গাওঁ-বুঢ়া কেইবা বছৰো তাতে বন্দীহৈ থকাৰ পাছত বৰ পুতেক মুনিৰুদ্দিনৰ যত্নত কলিকতাত কৰা আপীলত ১৮৬৩ চনৰ ১৬ চেপ্তেম্বৰ তাৰিখত মুক্ত হয় আৰু নিজ ঘৰলৈ ঘুৰি আহে । ঘুৰি অহাৰ পাছত তেখেতে ডফলাটিঙৰ পুতেকহঁতৰ ঘৰতে থাকিবলৈ লয়। পুতেকৰ ইতিমধ্যে এখন ডাঙৰ দোকান হৈছিল, পাছলৈ দুই পুত্ৰ মুনিৰুদ্দিন আৰু দোস্ত মোহাম্মদে কেইবাখনো চাহৰ বাগিচা খুলি ঘৰুৱা অৱস্থা পুনৰ টনকিয়াল কৰি তোলে।

তেখেতৰ ৰজাঘৰৰ লগত সু-সম্বন্ধ আছিল। এগৰাকী মনিপুৰলৈ দিয়া আহোম ৰাজকুঁৱৰীয়ে কলীয়াপানীৰ পৰা ঘুৰি অহাৰ পাছত তেখেতক ডফলাটিঙৰ ঘৰত লগ ধৰি সমবেদনা জনাইছিল। এই ডফলাটিঙৰ বাগানতে তেখেতৰ ১৮৯১ চনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ আনুমানিক বয়স ৯১ বছৰ মান আছিল। তেখেতৰ ইচ্ছা অনুযায়ী তেখেতক যোৰহাটৰ বালিবাটত ন-মছজিদৰ সমীপত কবৰ দিয়া হয়। ডফলাটিঙৰ পৰা তেখেতৰ শ সাঙী কৰি ৰাইজে প্ৰায় ১৮/১৯ মাইল কঢ়িয়াই আনিছিল। তেখেতৰ বালিবাটৰ ভেটিত এতিয়াও তেখেতৰ নাতি পুতি সকলে বাস কৰি আছে। তেখেতৰ কবৰটি পুৰাতাত্ত্বিক বিভাগৰ দ্বাৰা সংৰক্ষিত।

১৮৫৭ চনৰ দেশ আৰু ৰজাৰ হকে নিজৰ স্বাৰ্থ বলি দি সেইসময়ত সুদূৰ কলীয়াপানীত কয়দীৰ জীৱন কটোৱা পুৰুষ গৰাকীয়েই বাহাদুৰ গাওঁ-বুঢ়া। তেখেত আছিল, অসমীয়া ঐক্য আৰু সংহতিৰ প্ৰতীক। তেখেত আমাৰ মাজত নাই কিন্তু তেখেতৰ জীৱনীয়েই আমাৰ আৰু ভৱিষ্যতৰ অসমীয়াৰ বাবে এটি দেশপ্ৰেমৰ উজ্জ্বল নমুনা হৈ ৰ'ব।❖

# ফৰ্ম্মুদ আলি

দেবিৰা চুলতানা আহমদ

১৮৫৭ চনত চিপাহী বিদ্ৰোহত অসমৰ চিপাহীয়ে কোনো সক্ৰিয় অংশ গ্ৰহণ কৰা নাছিল, কিন্তু কেইজনমান দেশপ্ৰেমী আৰু আহোম ৰজাৰ অনুগামী প্ৰজাই নিজৰ ধন জন আহুতি দি দেশক ব্ৰিটিছৰ দাসত্বৰ পৰা মুকলি কৰিবলৈ প্ৰয়াস কৰিছিল। তেখেত সকলেই অসমৰ হৈ ভাৰতৰ স্বাধীনতাৰ যুদ্ধত ইন্ধন যোগাইছিল। ইয়াকে কৰিবলৈ গৈ কোনোৱে জীৱন আহুতি দিলে। কোনোৱে আপোন পৰিয়াল এৰি যাৱজ্জীৱন কলীয়াপানীত কাৰাৰুদ্ধ হ'ল। অসমত এই বিদ্ৰোহত মূখ্য ভূমিকা লোৱা নায়ক গৰাকী আছিল মণিৰাম দেৱান। তেখেতৰ পৰিচালনাতে আন কেইগৰাকী মান মুখিয়াল লোকে এই বিদ্ৰোহত যোগ দিছিল। সেই সকল আছিল পিয়লী বৰুৱা, বাহাদুৰ গাওঁ-বুঢ়া, দুতিৰাম হাজৰিকা, ফৰ্ম্মুদ আলি, মায়াৰাম নজিৰ, লুকি শেনচোৱা বৰুৱা, কমলা চাৰিঙ্গীয়া বৰুৱা, মৰঙ্গিখোৱা গোঁহাই, মধুৰাম কোচ আৰু স্বয়ং ৰজা কৰ্ন্দপেশ্বৰ সিংহ। এই সংগ্ৰামৰ ইতিবৃত্ত শ্ৰী বেনুধৰ শৰ্ম্মা ডাঙৰীয়াৰ 'মণিৰাম দেৱান' কিতাপত পোৱা যায়। এই সংগ্ৰামৰ আৰু যুঁজাৰু সকলৰ বিষয়ে জানিব পৰা এই খনেই একমাত্ৰ অসমীয়া পুথি। তাতে কেইটামান শাৰীহে ফৰ্ম্মুদ আলিৰ বিষয়ে পোৱা যায়।

অসমৰ পদ্য বুৰঞ্জীত আছে-

“দুতিৰাম বৰুৱা নাম চিৰস্তা যে দাৰ।
অকাৰণে দ্ৰুহী বুলি দিলে দুৰাচাৰ।।

তাৰাসৰ সঙ্গে আৰু লোক বহুজন।
বাহাদুৰ, ফৰ্ম্মুদ দুই মুছলমান।।”

এই সংগ্ৰামত দুজন মুছলমানে কেনেকৈনো জড়িত হৈ পৰিল সেইটো বিচাৰি চোৱাৰ আগতে সেই সময়ৰ যোৰহাটৰ সামাজিক চিত্ৰখনত চকু দিয়া দৰকাৰ। ৰজাৰ কাৰেঙৰ (বৰ্ত্তমান ‘মণিৰাম দেৱান’ পাৰ্কৰ আশে পাশে) গাতে লাগি উত্তৰ, পূৱ আৰু উত্তৰ পশ্চিম ফালে মুছলমান প্ৰজাৰ বসতি আছিল। দুই বালিবাট, মিঠাপুখুৰী, ৰূপহী আলি, আগৰ টোকলাই মুখ, বৰ্ত্তমানৰ Chamber’s Lane, দেৱাল ৰ’ডৰ কিছু অংশ বালিবাটৰ লগতে লাগি থকা ন-আলিৰ কিছু অংশ, আৰু গড় আলিৰ কিছু অংশ যোৰহাট কাছাৰীৰ মুখৰ ভাগৰ সৈতে তৰাজানৰ ভালেখিনি অংশ আৰু ভোগদৈ মুখৰ এটা বিৰাট এলেকা সম্পূৰ্ণ কৈ মুছলমান বসতিৰ স্থল আছিল। যোৰহাটৰ পাঁচটা পুৰণি মছজিদ ক্ৰমে পুৰণি মছজিদ, ন-মছজিদ, ভোগদৈমুখ মছজিদ, হাজৰিকা মছজিদ, তৰাজান মছজিদৰ লগতে কাছাৰিৰ সন্মুখৰ পুৰণি কবৰস্থান খনে ইয়াৰ সাক্ষী বহন কৰি আহিছে। পুৰণি হিন্দু অসমীয়া পৰিয়ালবোৰ কিছু দূৰৈত উত্তৰ পশ্চিম, পশ্চিম আৰু দক্ষিণ পশ্চিমে বসতি কৰিছিল। ৰজাৰ বিশ্বাস ভাজন হোৱা হেতুকেই এই মুছলমান প্ৰজাসকল ৰজাৰ ঘৰৰ ওচৰতে বসতি কৰিছিল। সেইসময়ত ধৰ্ম্মটো মানুহৰ ব্যক্তিগত বিষয় আৰু অসমীয়াত্ব বোধহে মুখ্য বিষয় আছিল। বেনুধৰ শৰ্ম্মা ডাঙৰীয়াৰ লিখনিত উল্লেখ থকা মতে ৰজা কৰ্ন্দপেশ্বৰ সিংহক ইংৰাজে বন্দী কৰি জাহাজত তুলিবলৈ নিমাতি ঘাটলৈ নিওঁতে দুহেজাৰ মান মুছলমান প্ৰজাই কান্দি কান্দি ৰজাৰ পিছে পিছে গৈছিল আৰু ৰজাক মোকলাই দিবলৈ কাকুতি কৰিছিল।

বাহাদুৰ গাওঁ-বুঢ়া আৰু ফৰ্ম্মুদ আলি গাওঁ-বুঢ়া দুইজনেৰে ৰজাৰ ঘৰৰ লগত ভাল সম্বন্ধ আছিল। ফৰ্ম্মুদ আলিৰ ঘৰ যোৰহাটৰ ভোগদৈ মুখত আছিল। তেখেত ভোগদৈ মুখ, মাউত গাওঁ আৰু কলিয়নী গাৱঁৰ গাওঁ-বুঢ়া আছিল। তেখেতৰ পিতাকৰ নাম আছিল পদো মোল্লা। ফৰ্ম্মুদ আলিও বাপেকৰ দৰে মোল্লা আছিল। তেখেতে দৰ্জ্জী কাম আৰু গুণাৰ কামত পাকৈত আছিল। এখেত

এগৰাকী প্ৰভাৱশালী ব্যক্তি আছিল আৰু ভাল সঙ্গীতজ্ঞ আছিল। ৰজাই তেখেতক ৰাজঘৰীয়া গায়ন বায়নৰ ওপৰত ওজা পাতিছিল। তেখেতে কুঁৱৰী সকলক সঙ্গীত আৰু বাদ্যযন্ত্ৰ শিকাইছিল। ফৰ্ম্মুদ আলিৰ নামৰ লগত বেহেলাবাদক শব্দ দুটিও জড়িত হৈ আছে। কিন্তু ঊনবিংশ শতিকাৰ মাজ ভাগত বেহেলাৰ দৰে বাদ্যযন্ত্ৰৰ অসমত যে প্ৰচলিত হৈছিল সেইয়া মানি লবলৈ অলপ টান লাগে। বাহাদুৰ গাওঁবুঢ়াই চেনি কলীয়া পানীতহে প্ৰথমবাৰৰ বাবে দেখিছিল। তেতিয়ালৈকে অসমত গুৰৰহে প্ৰচলন আছিল। সেয়ে ইংৰাজে দেশৰ শাসন হাতত লোৱাৰ ২০/২৫ বছৰৰ ভিতৰতে বেহেলাত পাৰদৰ্শিতা লাভ কৰাটো জানো সম্ভৱ? ফৰ্ম্মুদ আলি হয়তো চাৰেঙী, চেতাৰ জাতীয় উত্তৰ ভাৰতীয় মুছলমান সকলে ব্যৱহাৰ কৰা বাদ্য যন্ত্ৰত পাৰ্গত আছিল। কেনেবাকৈ মানুহৰ মুখত পৰি সেইয়া বেহেলালৈ পৰিৱৰ্ত্তিত হল।

সেইসময়ত এফালে ৰজা আৰু দেশৰ হকে জীৱন আহুতি দিয়া আৰু আন্দোলন কৰা প্ৰজা আৰু আনফালেদি দাৰোগা হৰনাথ পৰ্ব্বতীয়া বৰুৱা , আৰু উমেদ আলি মুঞ্চীৰ দৰে দেশদ্ৰোহীও আছিল। এই দুজনৰ ষড়যন্ত্ৰৰ বাবেই মণিৰাম আৰু পিয়লীয়ে জীৱন দিব লগা হ'ল আৰু বাকী সকলে কাৰাবৰণ কৰিব লগা আৰু নিৰ্ব্বাসন ভুগিব লগীয়া হ'ল। অকল সেইয়াই নহয়, তেখেত সকলৰ ঘৰবাৰী, মাটি সম্পত্তি বাজেয়াপ্ত কৰা হ'ল। সেই বিদ্ৰোহত লিপ্ত লোক কেইগৰাকীৰ পৰিয়ালৰ বৰ দুৰবস্থা হ'ল। সকলোতকৈ হানি হ'ল ৰজাৰ। তেখেতৰ সকলো মাটি বাৰী ইংৰাজে দখল কৰি লোৱাত গুৱাহাটীৰ পৰা মুকলিহৈ অহাত পাছত অকণমান ঠাইতে ঘৰ ভেটি লৈ থাকিব লগা হ'ল। সম্ভৱ বৰ্ত্তমানৰ যোৰহাট নৰ্ম্মাল স্কুল, পুলিচ থানা আদি থকা মাটিবোৰ ৰাজ হাউলীৰ অংশ আছিল। কাৰণ বালিবাট আৰু মিঠা পুখুৰীৰ মাজ ভাগতে আমাৰ পূৰ্ব্বপুৰুষৰ ভেটিত এটা ডাঙৰ, মাজত নাহৰৰ খুটা থকা ৰজাদিনীয়া পুখুৰী আছিল। তাত ১২ মাহে পানী চপচপীয়া হৈ আছিল। ১৯৫০ চনৰ ভূমিকম্পৰ সময়ত খুটাটোৰ এছোৱা ভাঙি পৰিছিল। আইতাহঁতৰ মুখত শুনিছিলো সেইটোহে আচল মিঠা

পুখুৰী আছিল, বৰ্ত্তমান যিটো মিঠাপুখুৰী নামে পৰিচিত সেইটো ‘পেটুধোৱা’ পুখুৰী আছিল। কুঁৱৰীসকলৰ কেঁচুৱা হ’লে কাপোৰ কানি ধুৱলৈ তাৰ পানী ব্যৱহাৰ কৰিছিল। সেইটো বাৰীৰ ভিতৰৰ পুখুৰী টোতকৈ সৰু আৰু বাম আছিল। দুই পুখুৰীৰ মাজত হেনো এটা মৈদাম আছিল। ঘৰৰ ভেটি বন্ধা, ঘৰ মোচা সকলো কামৰ কাৰণে ৰাইজে তাৰ মাটি ব্যৱহাৰ কৰি কৰি তাৰ চিন নাইকিয়া কৰিলে। সেইটোৱে প্ৰমাণ কৰে ৰজাৰ বাৰী সেইবোৰ ঠাইলৈকে বিয়পি আছিল।

ফৰ্ম্মুদ আলিৰো সকলো সম্পত্তি ব্ৰিটিছে লুটি-পুতি নিয়ে। তাৰ পাছত আৰু পৰিয়ালটি তেনেধৰণে টনকিয়াল হ’ব নোৱাৰিলে। তেখেতৰ কবৰ নিজৰ ভেটিতে বৰ্ত্তমান ফৰ্ম্মুদ আলি পথৰ পশ্চিম কাষে টোকলাই নদীৰ পাৰতে দিয়া হৈছিল। হাজৰিকা মছজিদৰ পিছফালে ইটাৰ এই কবৰটি আজি ৪০/৫০ বছৰমানৰ আগলৈকে গছৰ শিপাই বেৰি ধৰা অৱস্থাত দেখা অনেকৰ মনত আছে। সংৰক্ষণৰ অভাৱত সেইয়াও জীন গ’ল। তেখেতৰ পৰিয়ালৰ লোক ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথ আৰু ফৰ্ম্মুদ আলি পথত এতিয়াও আছে। অনেক চেষ্টা কৰিও তেখেতৰ বিষয়ে বিশেষ তথ্য গোটাব পৰা নগ’ল। তেখেতৰ জী-নাতি কেইজন মান আছিল ক্ৰমে আলিমুদ্দিন (জজ), আজিমুদ্দিন (ডি, আই), খবিৰুদ্দিন আৰু গাফ্‌ফাৰ ইঞ্জিনিয়াৰ।

ৰাইজে ভোগদৈমুখৰ ৰয়েল ৰ’দটো ফৰ্ম্মুদ আলিৰ নামত নামকৰণ কৰি এই স্বাধীনতা যুজাৰু গৰাকীৰ স্মৃতিক ধৰি ৰখাৰ চেষ্টা কৰিছে। ❖

---

(ছাত্তাৰ চাহাবৰ ‘বাহাদুৰ গাওঁবুঢ়া’ নামৰ পুথিখনৰ পৰা সহায় লোৱা হৈছে।)

# কেফায়ত উল্লা

দেবিৰা চুলতানা আহমদ

ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পূৰ্ব্বে উনৈশ শতিকাৰ শেষৰ ফালে, গুৱাহাটীৰ এগৰাকী বৰেণ্য ব্যক্তি আছিল হাজী খান বাহাদুৰ কেফায়ত উল্লা। তেখেত বৰ ধাৰ্ম্মিক লোক আছিল। সেইদৰে আছিল সকলো সম্প্ৰদায়ৰ এজন জনপ্ৰিয় নেতা। তেখেত ব্ৰিটিছ আমোলত সদৰ আমিনৰ বাব খাইছিল। তদুপৰি গুৱাহাটীত ৰাইজৰ বাবে কৰি যোৱা জনকল্যাণৰ কাম সমূহৰ বাবেও তেখেত স্মৰণীয় হৈ ৰ'ব।

তেখেতৰ পূৰ্ব্বপুৰুষ সকল আদিতে গড়গাওঁৰ বাসিন্দা আছিল। মান ভগনৰ সময়ত নামনিলৈ এই পৰিয়ালৰ ভালেখিনি লোক উঠি আহে। তেখেত সকল 'ফাৰ্চীপঢ়ীয়া' আছিল, সেয়ে এই পৰিয়ালৰ পুৰণি লোকসকল ফাৰ্চী, আৰবী আদি ভাষাত পণ্ডিত আছিল। এই লোক সকলে ৰংপুৰত আৰু গুৱাহাটীত ভালেমান পঢ়াশালি পাতি তাত শিক্ষা দান দিছিল। সেইসময়ত ভাষা হিচাপে ফাৰ্চীৰ বৰ কদৰ আছিল আৰু মুছলমানৰ উপৰিও হিন্দুৰ ডা-ডাঙৰীয়া কিছুমানেও এই ভাষা শিকিছিল। কেফায়ত উল্লা চাহাবে ফাৰ্চী ভাষা ভালদৰে জানিছিল।

কেফায়ত উল্লা চাহাবে কাছাৰিত ইমান দায়িত্বপূৰ্ণ চাকৰি কৰিও কামৰ পৰা আহি নিজৰ মাটিত নিজ খৰচেৰে দান কৰা ধুনীয়া পকী মছজিদটো নিৰ্ম্মাণৰ সময়ত মিস্ত্ৰী আৰু যোগালীৰ লগত নিজে ইটা কঢ়িয়াইছিল আৰু ৰাজমিস্ত্ৰিৰ

লগত সমানেই কাম কৰিছিল। এই কামেই তেখেতৰ মহানতাৰ নিদৰ্শন দিয়ে। তেখেতৰ এই তিনি গুম্বেজৰ মছজিদটো মাছখোৱাত এটা প্ৰখ্যাত চিহ্ন। ১৮৯৭ চনৰ বৰ ভূমিকম্পৰ সময়তো ইয়াৰ একো হানি হোৱা নাছিল। এই মছজিদটি তেখেতে হাজোৰ পোৱামক্কাৰ লুটফুল্লা চিৰাজীয়ে নিৰ্মাণ কৰা মছজিদটিৰ নমুনাৰে একে জোখমাখতে সজাইছিল। ১৮৯৭ চনৰ বৰভূঁইকঁপত হাজোৰ মছজিদটি ভাঙিল কিন্তু, মাছখোৱাত কেফায়ত উল্লা চাহেবে সজোৱা মছজিদটিতে ইয়াৰ চানেকি ৰৈ গ'ল। তেখেতে এই মছজিদটো আৰু লগতে এটা পুখুৰী খন্দাই মুছলমান ৰাইজৰ বাবে 'ৱাকফ' কৰি গৈছিল।

তেখেতে হিন্দু-মুছলমান ছাত্ৰই শিক্ষাৰ পোহৰ পাবলৈ ১৮৭০ চনত নিজৰ মাটিত নিজ খৰচত এখন স্কুল স্থাপন কৰি ৰাইজক দান দিছিল। সেই স্কুলৰ নাম থৈছিল "হাজী কেফায়ত উল্লা পাৰ্চি-সংস্কৃত বিদ্যালয়"। সেই স্কুলৰ মেনেজিং কমিটিৰ সভাপতি আছিল দেশভক্ত তৰুণৰাম ফুকনৰ পিতৃদেৱ শ্ৰী বলোৰাম ফুকন ডাঙৰীয়া আৰু চেক্ৰেটাৰী আছিল মৌলৱী হাফিজ হেফাজতুল্লা চাহেব। গুৱাহাটী ভৰলুমুখৰ পৰা উজান বজাৰলৈকে সেই যুগৰ প্ৰায় সকলো হিন্দু-মুছলমান গুণী জ্ঞানী ভদ্ৰলোকেই আছিল সেই স্কুলৰ মেনেজিং কমিটীৰ সভ্য। সেই স্কুল কমিটীৰ পুৰণি কাৰ্য্য বিৱৰণী পঢ়িলে সেই যুগৰ হিন্দু মুছলমানৰ প্ৰীতিৰ ভাৱ দেখি আজিও সকলোৰে মনত আনন্দ ওপজে। কালৰ সোঁতত সেই মিলন মন্দিৰ "কেফায়ত উল্লা ফাৰ্চী-সংস্কৃত বিদ্যালয়ৰ" নাম কেনেবাকৈ সলনি হৈ, বৰ্ত্তমান সেই স্কুলৰ নাম হৈছে "মাছখোৱা মজলীয়া স্কুল"। ইয়াত আজিকালি ফাৰ্চী আৰু সংস্কৃতৰ শিক্ষা দিয়া নহয়।

১৮৫৮ চনত গুৱাহাটী পৌৰ সভালৈ পোন প্ৰথমে নিৰ্বাচিত হৈছিল দুজন অসমীয়া কমিচনাৰ । দুয়োজনে লাভ কৰিছিল সমানে ৪৭৪ টাকৈ ভোট। এজন আছিল উত্তৰ গুৱাহাটীৰ পণ্ডিত আনন্দ ৰাম বৰুৱাৰ পিতৃ গৰ্গৰাম বৰুৱা আৰু আনজন আছিল মাছখোৱা নিবাসী মুঞ্চী কেফায়ত উল্লা। তেখেতৰ প্ৰচেষ্টাতে পকা কামৰ বাবে ঢাকাৰ পৰা অনাইছিল 'লাইম' নামৰ এবিধ সামগ্ৰী আৰু লগতে সেই কোম্পানীৰ পৰা পৌৰ সভাৰ কামৰ বাবে এখন গৰুৰ গাড়ী। এই দুয়ো

গৰাকী পৌৰ সভাৰ সদস্যই গুৱাহাটী বাসীৰেই সেৱা কৰিছিল। (লুইত, বৰাক আৰু ইছলাম- মেদিনী চৌধুৰী)

সেই সময়ত অসমৰ আন ঠাইৰ দৰে শিৱসাগৰৰ লোক সকলেও বঙালী ভাষাই স্কুলত পঢ়িছিল । অৰুনোদই কাকতৰ ১৮৬১ চনৰ জানুৱাৰী সংখ্যাত 'শিৱসাগৰ গৰ্ভমেন্ট স্কুলৰ ছাত্ৰ বিদ্যাৰ মহলা' নামৰ বাতৰিটোত এই কথা প্ৰকাশ পাইছিল যে শ্ৰীযুত মুঞ্চী কেফায়ত উল্লা সদৰ আমিন আন এগৰাকীৰ সৈতে বঙালী বিদ্যাৰ পৰীক্ষক আছিল। (অসমৰ মুছলমান সকল -আব্দুৰ ৰহমান)।

অসমত কৃষি বিভাগ গঠন হোৱাৰ প্ৰায় ৫০ বছৰৰ পূৰ্বে ১৮৫৩ চনত গুৱাহাটীৰ কেফায়ৎ উল্লাই সদৰ মুনচিফ হিচাপে কাৰ্য্য নিৰ্বাহ কৰি থকা সময়ত অসমৰ কৃষক সকলৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কথা চিন্তা কৰি কামৰূপৰ সেই সময়ৰ কলেক্টৰ কাপ্তান ৰৌলত চাহাবৰ অনুমতি ক্ৰমে বঙালী ভাষাত "কৃষি দৰ্পন" নামৰ এখন কিতাপ ছপাইছিল। তাত মাটি চাহ কৰা, কঠিয়া পৰা, গৰুৰ প্ৰতিপালন কৰা আৰু ধান, ঘেঁহু , য ধান, মটৰ মাহ, কুঁহিয়াৰ, মৰাপাট, সন, লা, কুশুম, ধপাত আৰু তৈলজাতীয় শস্য, শাক -পাচলিৰ লব লগা আৰশ্যকীয় যতনৰ বিৱৰণ উত্তমকৈ বৰ্ণনা কৰিছিল। সেয়ে শিৱসাগৰৰ পৰা প্ৰকাশিত ১৮৫৬ চনৰ মে মাহৰ 'অৰুনোদই' নামৰ আলোচনী খনে অসম বাসীক এই পুথিখন চাইচিতি সেই মতে খেতি কৰি লাভবান হবলৈ উপদেশ দিছিল। এই কিতাপ খনিৰ পৰা মুঞ্চি কেফায়ত উল্লাৰ বহুমুখী প্ৰতিভাৰ আন এটি নিদৰ্শন পোৱা যায় । ('কৃষি দৰ্পন' কিতাপ খনিৰ কথা খিনি মঃ আব্দুল হাৰমাইনৰ সৌজন্যত পোৱা)

তেখেতৰ অসমীয়া সাহিত্যৰ প্ৰতি আন এটি অৱদান 'পৰমাৰ্থ দৰ্পন'। এই পুথি খনিত ইমাম গাজ্জালী (ৰঃ) ৰ কোৰাণৰ দৰ্শনৰ ভেটিত লিখা 'কিমিয়া য়ে চাআদাত নামৰ" দৰ্শন গ্ৰন্থৰ মূল কথা কেফায়ত উল্লা চাহাবে অতি সংক্ষেপে অসমীয়া সমাজৰ আগত ডাঙি ধৰিছে। এই পুথিখনি কলিকতা বিশ্ববিদ্যালয়ে অসমীয়া বি. এ পৰীক্ষাৰ পাঠ্য তালিকাত (দ্বিতীয় ভাষাত) অন্তৰ্ভুক্ত কৰা হৈছিল। ই ইছলামী ভাব ধাৰাৰে প্ৰৱৰ্তিত অসমীয়া গদ্য ৰীতিৰ চানেকি দিবলৈ প্ৰচেষ্টা কৰিছিল। (সংমিশ্ৰণত অসমীয়া সংস্কৃতি-আব্দুছ ছাত্তাৰ)।

অসমীয়া হিচাপে বিহুৰ সময়ত আলা সদৰ আমিন চাহেবে বোলে মাছখোৱাৰ ওচৰত ব্ৰহ্মপুত্ৰৰ বালিত হিন্দু-মুছলমান সকলোকে লৈ সাতদিনীয়া উৎসৱ নিজ খৰছত পাতি আনন্দ কৰিছিল। পুৰণি বাৰিক ময়দানত কেফায়ত উল্লা চাহেবেই প্ৰথম ঈদৰ নামাজ অনুষ্ঠিত কৰিছিল ।

এই মহান আৰু উদাৰ ব্যক্তি গৰাকী আজি আমাৰ মাজত নাই কিন্তু মাছখোৱাত তিনি গুম্বেজৰ মছজিদটোৱে তেখেতৰ স্মৃতি বহন কৰি আছে। এই মছজিদটো তৈয়াৰ হোৱাত সদৰ আমিন চাহাবে সেই সময়ৰ নামী ধাৰ্ম্মিক ব্যক্তি চুফী চাহাবক আমন্ত্ৰণ কৰি এক শুক্ৰবাৰে দ্বাৰ উন্মোচন কৰোৱায় আৰু তেখেতক ইমাম পাতি জুম্মাৰ নামাজ পঢ়াবলৈ দিয়ে। তেখেতৰ সুযোগ্য পুত্ৰ আছিল কলিকতাৰ পৰা ইঞ্জিনিয়াৰিং শিক্ষা প্ৰাপ্ত একজিকিউতিভ ইঞ্জিনিয়াৰ নেচাৰ আহমদ। তেখেতৰ অকাল মৃত্যু ঘটে। তেখেতৰে সুযোগ্য পুত্ৰ আছিল এসময়ৰ নামী গুণী ব্যক্তি মৌলবী ফৈয়াজ আহমদ। বৰ্ত্তমানেও লাখটকীয়া আৰু মাছখোৱাত ভালে কেইটামান সম্ভ্ৰান্ত পৰিয়ালৰ লোকে তেখেতৰ নাম কঢ়িয়াই আছে। ❖

---

(মহিবুদ্দিন আহমদৰ মৰহুম ফৈয়াজ আহমদ চাহেবৰ চমুজীৱনীৰ কিছু সহায় লোৱা হৈছে)

# মন ধন শইকীয়া

দেবিৰা চুলতানা আহমদ

মন ধন শইকীয়া উনৈশ শতিকাৰ পাছৰছোৱা আৰু কুৰি শতিকাৰ প্ৰথম ভাগত নগাঁওৰ এগৰাকী প্ৰভাৱশালী ব্যক্তি আছিল। তেখেত আৰু তেখেতৰ পূৰ্ব্ব পুৰুষ সকলে নাৱেৰে ব্যৱসায় কৰিছিল। এখেত খুব প্ৰতিপত্তি থকা সদাগৰ আছিল। পৰিয়ালৰ সুত্ৰে জনামতে শইকীয়া উপাধিটো আহোম ৰজাই দিয়া। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত স্বৰ্গদেউ গৌৰীনাথ সিংহ গড়গাওঁৰ পৰা পলাই আহি নগাওঁত আছিলহি। সেই সময়তে নগাৱঁতো সিন্দুৰী হাজৰিকা নামৰ এজন লোকৰ অধীনত এটা বিদ্ৰোহ হোৱাত ৰজাই নাৱেৰে কলঙ নদী হৈ পলাই গৈ আউনি আটি আৰু দক্ষিণ পাট সত্ৰত আশ্ৰয় লয়। খুব সম্ভৱ তেখেতক এই বিপদত সহায় কৰা লোক গৰাকী এই শইকীয়াৰে পূৰ্ব্বপুৰুষ। সেই সময়তে তেওঁলোকৰ পূৰ্ব্বপুৰুষে শইকীয়া উপাধিটো পায়।

আমি আমাৰ অগ্ৰজ সকলৰ জীৱনী বোৰ সংগ্ৰহৰ প্ৰচেষ্টা চলাই থকাৰ সময়ত কেইবা ঠাইতো এই ব্যক্তি গৰাকীৰ নামটো চকুত পৰাত তেখেতৰ বিষয়ে জানিবৰ আমাৰ কৌতুহল হ'ল। আমি জনামতে তেখেত বৰ ধনী লোক আছিল। অনেক মাটি সম্পত্তি আছিল। এঠাইত পোৱামতে উজনি অসমত মণিৰাম দেৱান, গুৱাহাটীত চাহজাহান পাটোৱাৰী আৰু নগাৱঁত মন ধন শইকীয়া, এই তিনি গৰাকী সেই সময়ৰ অসমৰ নামজ্বলা আঢ্যৱন্ত লোক আছিল। ওৱালী চাহেবৰ জীৱনীৰ প্ৰণেতা তেখেতৰ নাতিনী আইৰিণ হক বৰুৱাৰ লিখনিৰ পৰা জানিব

পাৰোঁ যে মন ধন শইকীয়া গুণাভিৰাম বৰুৱাৰ বন্ধু আছিল। ওৱালী চাহাবলৈ তেখেতৰ পুতেক জ্ঞানদাভিৰাম বৰুৱাই ১৯৪৫ / ৪৬ চনত লিখা এখন চিঠিত মন ধন শইকীয়াক তেখেতৰ দেউতাকে কি দৰে তেখেতৰ ঘৰলৈ আহিলে সাদৰেৰে অভ্যৰ্থনা কৰিছিল সেইটো উল্লেখ কৰিছে । এই লিখনিটোত আৰু উল্লেখ আছে যে নগাওঁ মহাবিদ্যালয়ৰ কাষত থকা শইকীয়া মছজিদ নামে জনাজাত মছজিদটিও এই শইকীয়াৰে দান আছিল। আকদাচ আলী মীৰৰ ৱাকফৰ বিষয়ে লিখা কিতাপ খনতো মন ধন শইকীয়াই ৪ কঠা ১৪ লেচা মাটি 'ৱাকফ' কৰি যোৱা বুলি উল্লেখ আছে। সেই 'ৱাকফ' সম্পত্তিৰ মুত্তাৱাল্লী নুৰুল আমিন চাহেব আছিল। এই নুৰুল আমিন খান বাহাদুৰ নুৰুদ্দিন চাহেবৰ পুত্ৰ আৰু খান বাহাদুৰ নুৰুদ্দিন চাহাবে মন ধন শইকীয়াৰ কন্যা ৰহিমা খাতুনক বিয়া কৰাইছিল।

পৰিবাৰৰ একমাত্ৰ সুত্ৰৰ পৰা জনা মতে নগাওঁ মহা বিদ্যালয়ৰ মাটি খিনিও মন ধন শইকীয়াৰে আছিল। অৱশ্যে এই বিষয়ে বৰ্ত্তমানেও আমাৰ হাতত লিখিত তথ্য নাই। শুনা কথাহে। সেই সময়ৰ মাটিবাৰী দান কৰিলেও সাধাৰণতে লিখা পঢ়া কৰি সকলোকে জনাই কৰা নহৈছিল।

মন ধন শইকীয়াৰ জন্ম আনুমানিক ১৮৩০ চনত আৰু মৃত্যু ১৯১১ চনৰ ডিচেম্বৰ মাহত। এই প্ৰভাৱশালী ব্যক্তি গৰাকীৰ বিষয়ে বৰ্ত্তমান আৰু একো বিশেষ খবৰ সংগ্ৰহ কৰিব পৰা নহল। তেখেতৰ পৰিয়ালৰ লোকে এইয়া পোহৰলৈ আনিলে ভাল হয়। ❖

# মুন্সী ৰহমত আলি

(১৯-২০ শতিকা)

হাজী মুন্সী ৰহমত আলী পুৰণি গুদামৰ মানুহ। তেখেতৰ জন্ম ১৯ শতিকাৰ প্ৰথমাৰ্দ্ধত । ইংৰাজী ভালকৈ নাজানিছিল যদিও নিজ চেষ্টাৰ জোৰত ১৮৭৩ চনত এখেতে এখন চাহ বাগিচা খুলি ১৮৯৩ চন মানত তিনিশ-একৰ জোৰা দুখনকৈ বাগিচাৰ মালিক হৈছিল গৈ। ইংৰাজ চৰকাৰে তেখেতক অনাৰেৰী মেজিষ্ট্ৰেট নিযুক্ত কৰিছিল।❖

(অসমীয়া জীৱনী অভিধান)

---

(তেখেতৰ কন্যা মফিদন নিছাক অসমৰ প্ৰথম সকলৰ এজন বেৰিষ্টাৰ আব্দুল মজিদ চাহাবে বিয়া কৰাইছিল - সংকলক)

# মোহাম্মদ শ্বাহ (যোৰহাট)

কমৰুজ্জামান আহমদ

আজিৰ পৰা প্ৰায় ১০০ বছৰৰ আগতে যোৰহাটত এজন দূৰদৰ্শী মানুহে ইছলামী শিক্ষা প্ৰসাৰৰ এটি অনুষ্ঠান কৰিবলৈ যোৰহাটৰ ন-আলি(বৰ্তমান মহাত্মা গান্ধী পথ)ত এটুকুৰা মাটি 'ৱাকফ' কৰি ৰাইজৰ উপকাৰৰ কাৰণে দান দি গৈছিল। তেখেত হ'ল মোহাম্মদ শ্বাহ (মৃত্যু ১৯০৭ চন)। তেখেত তেতিয়াৰ প্ৰথম মৌজাদাৰী প্ৰথা আৰম্ভ হোৱাৰ সময়ত তিতাবৰ-আমগুৰি-খৰিকটিয়া মৌজাৰ মৌজাদাৰ আছিল।

১৮৯৬ চনৰ পৰা যোৰহাট পাব্লিক বাছ আস্থানৰ সন্মুখত এটা মক্তব চলি আছিল। পাছত মাটিৰ গৰাকীক সেই মাটি ডোখৰ আৱশ্যক হোৱাত ন-আলিৰ উক্ত 'ৱাকফ' মাটি ডোখৰত এটা সৰু ঘৰ সাজি মক্তবটো তালৈ তুলি অনা হয়। চৰকাৰী সাহায্য পাবৰ কাৰণে ১৯০৬ চনৰ পৰা তাত এখন প্ৰাথমিক বিদ্যালয়ো চলোৱা হৈছিল। পাছত চৰকাৰে এখন পূৰ্ণাঙ্গ মক্তবৰ কাৰণে মাটি দিয়াত ১৯১৫ চনত এই মক্তবটো তালৈ তুলি অনা হয় আৰু ইয়েই বৰ্ত্তমানৰ 'মক্তব আদৰ্শ প্ৰাথমিক বিদ্যালয়'ৰ ৰূপ লয়।

এজন মানুহৰ দূৰদৰ্শিতাৰ ফলত কেৱল যোৰহাটতে নহয় ভাৰত আৰু বিদেশত প্ৰতিষ্ঠা লাভ কৰা অনেক গুণী জ্ঞানী মানুহৰ প্ৰাথমিক বিদ্যা এই মক্তবতেই আৰম্ভ হৈছিল।

এই মোহাম্মদ শ্বাহৰ ককাক আহমদ শ্বাহৰ পৰিয়াল মুদৈ আছিল। ভাটিৰ ফালৰ পৰা বেপাৰ কৰি আহি উজনি অসমলৈ অহাৰ আগতে তেখেতসকল

গোৱালপাৰাৰ যোগীঘোপাৰ ওচৰে পাজৰে বসতি কৰিছিল। তাৰ পৰা উজাই আহি এটা ঠাল গুৱাহাটীত ৰৈ গল। আন এটা ঠাল পুৰণিগুদাম পালেহি আৰু আনটো ঠালৰ আহমদ শ্বাহৰ পৰিয়ালে আহোম ৰজাই যোৰহাটলৈ ৰাজধানী তুলি অনাৰ সময়তে (১৭৯৫-১৮০০) যোৰহাটত থিতাপি ললে। এই আহমদ শ্বাহৰ পুত্ৰ দৰশ্বাহ  আৰু তেখেতৰ পুত্ৰই হল মোহাম্মদ শ্বাহ।

তেখেতসকলৰ উপৰিপুৰুষ আহমদ শ্বাহ ধনী মুদৈ আছিল যদিও, মোহাম্মদ শ্বাহ মৌজাদাৰ আছিল। নতুন বালিবাট (বৰ্ত্তমান বাহাদুৰ গাওঁ বুঢ়া পথ) ৰ সোঁমাজতে ন-মছজিদৰ সন্মুখত এসময়ৰ দুটা পুলেৰে ১২ বিঘা মাটিৰ চৌহদটোৱেই তেখেতসকলৰ ভেটি। তেখেতসকলৰ চৌহদৰ ভিতৰত এটা ৰজাদিনীয়া পুখুৰী (মিঠা পুখুৰী) আছিল। তাৰউপৰি যোৰহ াটৰ চক বজাৰৰ এক চতুৰ্থাংশ মাটিকে ধৰি পুৰণা বৰকটকী কোম্পানীৰ পৰা আচকৰণ পঞ্চিৰামৰ দোকানলৈ চেউনী আলিৰ কাষৰ মাটি তেখেতসকলৰ আছিল। বৰ্ত্তমানৰ অসামৰিক চিকিৎসালয়ৰ সন্মুখত তেখেতসকলৰ ভালেখিনি মাটি আছিল আৰু বহুতো খেতিৰ মাটিও আছিল।

মোহাম্মদ শ্বাহৰ পিতৃ দৰশ্বাহে এই সকলোবোৰ ত্যাগ কৰি এটা সময়ত ফকীৰি লৈ নাহৰণিৰ ওচৰত অটব্য হাবিত আল্লাহৰ বন্দেগী কৰিবলৈ গুচি যায় আৰু তাৰ পৰা ঘূৰি নাহে। তাতেই তেখেতৰ মৃত্যু হয়। তেখেতৰ কবৰ কছাৰীহাটত আছে।

সেই দৰশ্বাহৰ পুত্ৰ মোহাম্মদ শ্বাহৰ মনতো দানশীলতাৰ ভাৱ আছিল। 'মৌসিতা'ৰ প্ৰণেতা পজিৰুদ্দিন আহমদৰ পৰিবাৰে তেখেতৰ জীৱিত কালত কৈছিল যে তেখেত সকল সৰু থাকোতে মৌজাদাৰৰ ঘৰৰ সিধা হিচাপে এদোন জহা চাউল, এটা কুকুৰা চৰাই, এটা হাঁহ দুই বালিবাটৰ প্ৰত্যেকঘৰ মানুহেই ঈদৰ দিনা-পুৱা দৰজা খুলিয়েই পাইছিল। এনে ধৰণৰ প্ৰথা এতিয়া পাবলৈ নাই।

তেখেতে দান দি যোৱা মাটিডোখৰ বহুদিন অব্যৱহৃত হৈ পৰি আছিল। পাছত যোৰহাটৰ ৰাইজে কেইবাবাৰো তাক 'ৱাকিফ'ৰ ইচ্ছানুযায়ী এটা সজ কামত লগোৱাৰ চেষ্টা কৰে । সৌভাগ্যবশতঃ আজি অলপ দিনৰ আগতে যোৰহাটৰ কিছু নিস্বাৰ্থ লোকৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত তাত Mohammad Shah Wakf

Estate বুলি কিছু দোকান ঘৰ সাজি ভাৰাদি ‘ৱাকফ’ সম্পত্তিটোৰ পৰা হোৱা উপাৰ্জ্জনৰে কিছু জনহিতকৰ কাম কৰিবলৈ হাতত লোৱা হৈছে। এই উপাৰ্জ্জনৰ পৰা দুখীয়া অথচ মেধাৱী ছাত্ৰ ছাত্ৰীক শিক্ষাৰ বাবে বৃত্তি দিয়াৰো ব্যৱস্থা কৰা হৈছে। উদ্যোক্তাসকলে যোৰহাট মক্তব আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ এখন প্ৰবেশদ্বাৰ মোহাম্মদ শ্বাহৰ স্মৃতিত সজাই দিছে (২০১১ চনত ইয়াৰ যোগেদি ‘প্ৰচাৰক’ৰ এটা সংকলন প্ৰকাশ কৰা হয়)। মোহাম্মদ শ্বাহ আৰু তেখেতৰ পৰিবাৰৰ কবৰ যোৰহাট ন-মছজিদৰ চৌহদত বাহাদুৰ গাওঁ-বুঢ়াৰ কবৰৰ ওচৰতে আছে। যোৰহাটৰ কেইটামান শিক্ষানুষ্ঠান, যেনে, মধ্য ইংৰাজী কন্যা বিদ্যালয়, প্ৰেক্টিচ টিচিং স্কুল আৰু যোৰহাট Muslim Clubৰ কাৰণে তেখেত সকলৰ পৰিয়ালে মাটি দান কৰা বুলি কথিত আছে। তেখেতে ন-মছজিদৰ প্ৰতিষ্ঠাৰ কাৰণেও সক্ৰিয়ভাৱে সহযোগ কৰিছিল।


এখেতৰ তিতাবৰৰ মৌজাঘৰৰ কাষত ৰাইজৰ পানীৰ সুবিধাৰ কাৰণে এখেতে এটা পুখুৰীও খন্দাই দিছিল। সেইটো পুতি বৰ্ত্তমান তিতাবৰৰ মহাত্মা গান্ধী উদ্যান কৰা হৈছে। ❖

---

অসমৰ একালৰ নাম কৰা বাৰিষ্টাৰ আব্দুল মজিদ এই মোহাম্মদ শ্বাহৰ পুত্ৰ।

# কৰ্ণেল জালনুৰ আলী আহমদ

কুমুদেশ্বৰ হাজৰিকা



"চিভিলিয়ান আনন্দৰাম বৰুৱা আৰু ডাক্তৰ শিৱৰাম বৰাৰ ল'ৰা কালৰ বন্ধু কৰ্ণেল জালনুৰ আলী আহমদ চাহাব সুদীৰ্ঘ কাল বিদেশত থকাৰ পিছত ১৯২৮ চনৰ অক্টোবৰ মাহত নিজৰ জন্ম ঠাই গুৱাহাটীলৈ আহে। তেতিয়া তেওঁৰ বয়স চাৰিকুৰি বছৰ। গুৱাহাটীৰ কটন কলেজৰ ছাত্ৰবৃন্দই ১০ অক্টোবৰ দিনা কলেজ ইউনিয়ন ছ'চাইটিৰ তৰফৰ পৰা কটনৰ ছুডমাৰ্চন হলত আহমদ চাহাবক অভ্যৰ্থনা জনায়। সেই সময়ত তেওঁক লগ ধৰি তেওঁৰ জীৱনৰ বিষয়ে মই নানান প্ৰশ্ন সোধো। তাৰ উত্তৰত তেওঁ কোৱা কথাখিনিৰ এখনি টোকা লিখি থওঁ। সেই টোকা কথাখিনি কৰ্ণেল আহমদ চাহাবে নিজে কোৱাৰ দৰে চমুকৈ তলত তুলি দিলো।" (শ্ৰীসূৰ্য কুমাৰ ভূঞা, গুৱাহাটী ৬ জুলাই ১৯৫৫ চন।)

এই টোকাটোৰে সৈতে কৰ্ণেল জালনুৰ আলী আহমদৰ জীৱন সোঁৱৰণী বুলি এটি লেখা 'ৰামধেনু'ৰ ১৫ বছৰৰ ৫ম সংখ্যাত প্ৰকাশ পাইছে। আজি আমি এই লেখাৰ আলমত আৰু অ'ত ত'ত পোৱা জালনুৰ আলী আহমদ চাহাবৰ গোটাচেৰেক কথাৰে তেওঁৰ বিষয়ে অলপ লেখাৰ প্ৰয়াস কৰিছো। আজি আমাৰ মাজৰ বহুতৰে বাবে জালনুৰ আলী চাহাবৰ একমাত্ৰ পৰিচয় হ'ল যে তেওঁ ভাৰতৰ পঞ্চম গৰাকী ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলী আহমদৰ পিতৃ। জালনুৰ আলী

আহমদৰ নিজ প্ৰতিভাৰে যে আন এটি পৰিচয় আছে সেই কথা আজিৰ চামৰ বহুতেই নাজানে। তেওঁ আছিল ইম্পেৰিয়েল মেডিকেল ছাৰ্ভিচৰ (আই এম এছ) দুগৰাকী অসমীয়া বিষয়াৰ এগৰাকী। আনজন, তেওঁৰেই আজীৱন বন্ধু কৰ্ণেল শিৱৰাম বৰা। তদুপৰি আহমদ চাহাব লণ্ডনৰ পৰা এম ডি উপাধি লাভ কৰা প্ৰথমজন অসমীয়া।

১৮৪৮ চনৰ ১৯ জুলাই তাৰিখে গুৱাহাটীৰ লাখটকীয়াত জালনুৰ আলী আহমদৰ (পিতৃ খলিলউদ্দিন আহমদ)ৰ জন্ম। তেওঁৰ পূৰ্বপুৰুষ পোনতে উজনি অসমৰ বৰ্তমান গোলাঘাট জিলাৰ কছাৰীহাটৰ বাসিন্দা। মানভগনৰ সময়ত তাৰ পৰা ভাগি আহি লাখটকীয়াত (১৮৪০ মানত) স্থায়ীভাবে থাকিবলৈ লৈছিল। গৌহাটী চেমিনেৰী (বৰ্তমানৰ কটন কলেজিয়েট স্কুল)ত তেওঁ ইংৰাজী শিক্ষা আৰম্ভ কৰে। গুৱাহাটীৰ স্কুলত তেওঁৰ সহপাঠী কেইজন আছিল আনন্দৰাম বৰুৱা, মাধৱ চন্দ্ৰ বৰদলৈ (কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ পিতৃ), শিৱৰাম বৰা, ৰাধা চন্দ্ৰ বেজবৰুৱা, ছাখাৱত আলী, মাণিক চন্দ্ৰ বৰুৱাৰ ককায়েক ফটিক চন্দ্ৰ বৰুৱা, কেফায়ৎউল্লা (পাছলৈ গুৱাহাটীৰ মুখ্য সদৰামীন) (এইয়া কেফায়ৎউল্লা চাহাবৰ পুত্ৰ ইঞ্জিয়াৰ নেছাৰ আহমদহে হ'ব। কাৰণ নেছাৰ আহমদহে বাকী কেইজনৰ সম-সাময়িক আছিল। কেফায়ৎউল্লা তেখেত সকলৰ এক পুৰুষ আগৰ- সংকলক) তেওঁলোকৰ আটাইকেইজন বৰ মিলেৰে আছিল। তেওঁলোকে একেলগে খেলা-ধূলা কৰাৰ কথা, উৰণীয়া ৰাজহাঁহ ধৰাৰ কথা, উমানন্দলৈ গৈ বান্দৰক জোকোৱা কথা আৰু শিৱৰাম বৰাৰ ককায়েক নৈত পৰি ঢুকুৱাত শিৱৰামক জালনুৰ আলীৰ মাকে ঘৰলৈ মাতি আনি সান্ত্বনা দি আগলৈ ডাঙৰ মানুহ হ'বলৈ উদ্‌গনি দিয়াৰ কথাও সোঁৱৰণীত উল্লেখ কৰিছে।

ইংৰাজী পঢ়াৰ ক্ষেত্ৰত জালনুৰ আলী আহমদে কেউফালৰ পৰা হকা-বাধা পাইছিল কাৰণ, 'নৈষ্ঠিক মুছলমানসকলৰ ল'ৰাই ইংৰাজী পঢ়াটো সেই কালৰ বিশ্বাস মতে অবিধেয় বুলি পৰিগণিত হৈছিল। আমাৰ স্কুলৰ মৌলবী মাষ্টৰে ইংৰাজী পঢ়িবলৈ আমাক বিশেষকৈ মানা কৰিছিল।' কিন্তু তেওঁৰ মোমায়েক আব্দুল লতিফে ইংৰাজী পঢ়াত উৎসাহ যোগাইছিল। তেওঁ বুজাই

দিছিল যে মুছলমানে ইংৰাজী পঢ়াত কোনো আপত্তি থাকিব নোৱাৰে। অসমৰ কমিছনাৰ জেনকিন্স চাহাবে ইংৰাজী স্কুলৰ ল'ৰাখিনিক বৰ মৰম কৰিছিল। ইংৰাজী শিকাত সহায় হ'ব বুলি জেনকিন্সে জালনুৰ আলীক এখন ইংৰাজী অভিধান উপহাৰ দিছিল। জালনুৰ আলীয়েও ইংৰাজী ৰচনা লিখি তেওঁক দেখুৱাইছিল আৰু জেনকিন্সে সেই ৰচনাৰ ভুলবোৰ শুধৰাই দিছিল।

১৮৬৫ চনত এণ্ট্ৰেছ পাছ কৰি জালনুৰ আলী আৰু শিৱৰাম বৰা কলিকতা মেডিকেল কলেজত ডাক্তৰী পঢ়িবলৈ গৈছিল আৰু কলিকতাত একেটা মেছতে আছিল। দুয়ো মাহিলি কুৰি টকাকৈ বৃত্তি পাইছিল। দুয়োৰে ডাক্তৰী পঢ়িবলৈ মন যোৱাৰ কাৰণ জালনুৰ আলীয়ে এনেদৰে প্ৰকাশ কৰিছে -- 'আমাৰ লগৰীয়া বন্ধু ছেখাৱতৰ ককায়েক এজন ভাল ডাক্তৰ আছিল। ডাক্তৰী পঢ়িলে চকু নাইকিয়াক চকু দিব পাৰি, পেট ফালি পেটৰ বেমাৰ ভাল কৰিব পাৰি, পৰমেশ্বৰৰ নিচিনাকৈ ৰুগীয়া মানুহৰ ৰোগ-যন্ত্ৰণা গুচাই তেওঁক শান্তি দিব পাৰি।' কলিকতাত পাঁচ বছৰ ডাক্তৰী পঢ়ি ১৮৭০ চনত তেওঁ L.M.S. পাছ কৰে আৰু লগতে গুড-উড স্কলাৰশ্বিপ লাভ কৰে। কিছুদিন তেওঁ মেডিকেলৰ এডভাঞ্চ কোৰ্চ এটি অধ্যয়ন কৰি গুৱাহাটীলৈ আহে। গুৱাহাটীত তেওঁ শিৱৰাম বৰাৰ সৈতে দুমাহমান প্ৰেকটিছ কৰিছিল। (গুৱাহাটীত প্ৰেকটিছ কৰা সময়ত তেখেতৰ অভিজ্ঞতা বৰ্ণাই তেখেতে হাঁহি হাঁহি কৈছিল -'গুৱাহাটীৰ মানুহে ডাক্টৰৰ ফিজ দিবলৈ হলে কেকায়। ইয়াত থাকিলে আমাৰ পেটৰ ভাত মোকোলাব নোৱাৰিম' - কুমুদেশ্বৰ হাজৰিকাৰ লগত সাক্ষাতকাৰ ৩ মাৰ্চ ২০০৯ ঃ সংকলক)। তাৰ পাছত জালনুৰ আলী উচ্চ শিক্ষাৰ কাৰণে বিলাতলৈ যাত্ৰা কৰে। তেওঁ গ্লাছগো বিশ্ববিদ্যালয়ৰ পৰা এম বি পাছ কৰে। বিলাতত থাকোতেই গ্ৰহণী ৰোগৰ বিষয়ে গৱেষণামূলক গ্ৰন্থ এখন লিখি এম ডি উপাধিও লাভ কৰে। লণ্ডনত জালনুৰ আলী আহমদ আনন্দ ৰাম বৰুৱাৰ সৈতে একেলগে আছিল। পঢ়া-শুনাৰ সুবিধাৰ বাবে দুয়ো লণ্ডনৰ ওচৰৰ নেট্‌লি নামৰ গাওঁ এখনত চাৰি-পাঁচ মাহমান আছিলগৈ।

বিলাতৰ পৰা অসমলৈ অহাৰ পিছত জালনুৰ আলী কিছুদিন শিৱসাগৰত চিভিল ছাৰ্জন হৈ আছিল। সেই সময়ত আনন্দ ৰাম বৰুৱা শিৱসাগৰ জিলাৰ

এছিটেণ্ট কমিছনাৰ। এদিন নৈশ ভোজত তেওঁক আৰু আনন্দৰামক চাহাবে একেখন টেবুলতে খাবলৈ নিদি এখন সুকীয়া টেবুলত দিছিল। ইয়াৰ প্ৰতিবাদত দুয়ো নৈশ ভোজৰ পৰা ওলাই আহিছিল। এই ঘটনাৰ কেইমাহমান পিছতেই আনন্দৰাম বৰুৱা বঙ্গদেশলৈ আৰু জালনুৰ আলী উত্তৰ ভাৰতলৈ বদলি হৈ যায়। ১৮৮৯ চনত আনন্দ ৰাম বৰুৱাৰ মৃত্যু হয়। সেই সময়ত জালনুৰ আলী এলাহাবাদত আছিল। যেতিয়া বৰুৱা কলিকতাত ছাৰ তাৰকনাথ পালিতৰ ঘৰত চিকিৎসাধীন হৈ আছিল তেতিয়া জালনুৰ আলীক আনন্দৰাম বৰুৱাৰ চিকিৎসাৰ বাবে মাতি পঠিয়াইছিল। কিন্তু তেওঁ কাম এৰি আহিব নোৱাৰিলে। ইয়াৰ কেইমাহমানৰ পিছত আনন্দৰামৰ মৃত্যুৰ বাতৰি পাই তেওঁ মৰ্মান্তিক বেজাৰ পাইছিল।

শিৱসাগৰ এৰি যোৱাৰ পাছত প্ৰায় বহু বছৰ ধৰি জালনুৰ আলী আহমদ অসমলৈ অহা নাছিল। উত্তৰ আৰু উত্তৰ পশ্চিম ভাৰতৰ বিভিন্ন ঠাইত সেনা বাহিনীত চাকৰি কৰি অৱসৰ গ্ৰহণৰ পাছত মিৰ্জা গালীবৰ বংশৰ এগৰাকী নবাবৰ দুহিতাৰ (*) পাণি গ্ৰহণ কৰি দিল্লীতে স্থায়ীভাৱে বাস কৰিবলৈ লৈছিল। তেওঁ দিল্লীত থাকোতে ভাৰতবৰ্ষৰ গভৰ্ণৰ জেনেৰেলৰ ব্যক্তিগত চিকিৎসক সকলৰ এজন আছিল।

জালনুৰ আলী আহমদৰ দেউতাকৰ গুৱাহাটীৰ আশে পাশে কেইবাহাজাৰ বিঘা মাটি আছিল। ৰঙিয়াৰ ওচৰত এখন চাহ বাগিচাও আছিল। কিন্তু চোৰা-চিন্তা কৰা মানুহৰ অভাৱত এইবোৰ সম্পত্তি এনেয়ে যোৱাৰ উপক্ৰম হৈছিল। সেয়ে, এই মাটি-বাৰীৰ লেঠা মাৰিবলৈকে ১৯২৮ চনত তেওঁৰ জন্ম ঠাই গুৱাহাটীলৈ আহিছিল। তেওঁৰ লগত পৰিবাৰৰ সৈতে জ্যেষ্ঠপুত্ৰ ফখৰুদ্দিন আলী আহমদো আহিছিল।তেতিয়া ফখৰুদ্দিন আলী চফল ডেকা বেৰিষ্টাৰ আৰু লাহোৰত প্ৰেক্টিছ আৰম্ভ কৰিছিল। মাটি-বাৰীৰ লেঠা মৰাৰ অন্তত জালনুৰ আলী পৰিবাৰৰ সৈতে দিল্লীলৈ উভতি গ'ল আৰু দুবছৰমানৰ পাছত দিল্লীতে তেওঁৰ মৃত্যু হয়। ফখৰুদ্দিন চাহাব ৰাজনীতিৰ জেঙত সোমাই গুৱাহাটীতে ৰৈ গ'ল। ইয়াৰ পৰাই সুদীৰ্ঘ পথ অতিক্ৰম কৰি কেনেকৈ ভাৰতবৰ্ষৰ পঞ্চম গৰাকী ৰাষ্ট্ৰপতি হ'ল সেই কথা অসমৰ সকলোৱে জানে। আজি জালনুৰ আলী চাহাবৰ

বৰ্তমান প্ৰজন্মৰ এজনো অসমত নাই। সেয়েহে তেওঁলোক যে এদিন অসমীয়া আছিল সেই কথা আমি পাহৰিবলৈ আৰম্ভ কৰিছো। এয়া নিশ্চয় পৰিতাপৰ কথা। লাখটকীয়াৰ পৰা পাণবজাৰৰ পিনে অহা কৰ্ণেল জালনুৰ আলী পথছোৱাইহে তেওঁৰ নামটো গুৱাহাটীত জীয়াই ৰাখিছে। ❖

(লেখাটি যুগুতোৱাত সহায় কৰা বাবে বিজয় কুমাৰ ভূঞাৰ শলাগ ল'লো। ১৯ জুলাই-২০০৫ দৈনিক অসম-- লেখক)

(*) পঞ্জাৱৰ লোহাৰু বোলা দেশীয় ৰাজ্যৰ নৱাবৰ জীয়েক ৰোকেয়া চুলতান ঃ ছৈয়দ আব্দুল হালিমৰ ঐতিহাসিক অঞ্চল লাখটকীয়া প্ৰান্তিক ১-১৫ ফেব্ৰুৱাৰী ২০০৪ চন।

( সংকলকৰ টোকা ঃ জালনুৰ আলী চাহাবৰ পুত্ৰ ফখৰুদ্দিন আলী আহমদৰ জন্ম সম্বন্ধে এটা জনশ্ৰুতি আছে। এবাৰ জালনুৰ আলী হাতীত উঠি কছাৰীহাটলৈ গৈছিল লগত এটা বন্দুক আছিল। গাঁৱৰ এঠাইত তেখেতে দেখিবলৈ পালে যে সদ্যমৃত এগৰাকী মহিলাক লৈ মানুহ কিছুমানে কন্দাকটা কৰি আছে। অনুসন্ধান কৰি জালনুৰ আলী চাহাবে গম পালে যে প্ৰসৱ বেদনাত মানুহ গৰাকীৰ মৃত্যু হ'ল। মানুহ গৰাকী জীৱিত নে মৃত পৰীক্ষা কৰিবলৈ জালানুৰ আলীয়ে হাতীৰ পৰা নামি আহি পৰীক্ষা কৰাত দেখা পালে যে প্ৰসৱ বেদনাত মানুহগৰাকী অজ্ঞানহে হৈ আছে আৰু নাড়ীৰ স্পন্দন চলি আছে। উপস্থিত বুদ্ধিৰে তেখেতে মানুহ গৰাকীৰ কাণৰ কাষত বন্দুক এজাই গুলী মাৰি দিয়াত চক খাই মানুহ গৰাকীৰ সাধাৰণ ভাৱে প্ৰসৱ হ'ল আৰু মানুহ গৰাকী বাচি উঠিল।

এই ঘটনা দেখি ৰাইজে তেওঁক যাদুকৰ ভাবি সম্বৰ্ধনা জনালে আৰু কি উপহাৰ দিব ভাবি অস্থিৰ হ'ল। তেতিয়ালৈকে জালানুৰ আলী নিঃসন্তান আছিল। তেখেতে কলে মোক আশীৰ্বাদ দিয়ক যাতে মোৰ সন্তান হয়। সেই ঘটনাৰ কিছু দিনৰ পাছতেই ফখৰুদ্দিন আলী আহমদৰ জন্ম হয়- হাচিবুৰ ৰহমান, অধিবক্তা গুৱাহাটী উচ্চ ন্যায়ালয় ২০ জুলাই ২০০৮) ।

# মুন্সী ছাখাৱত আলী

কমৰুজ্জামান আহমদ

১৯ শতিকাৰ এজন কৃতী গণিত শিক্ষক মুন্সী ছাখাৱত আলীৰ জন্ম আনুমানিক উনৈশ শতিকাৰ ৪০ৰ দশকত শিৱসাগৰৰ হাঁহচৰাত। তেখেতৰ ককায়েক এজন নামজ্বলা ডাক্তৰ আছিল।

তেখেতে গৌহাটী চেমিনেৰী (বৰ্ত্তমান কটন কলেজিয়েট স্কুল)ত বিদ্যা শিক্ষা কৰাৰ সময়ত তেখেতৰ সহপাঠী সকল আছিল জালনুৰ আলী (ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলী আহমদৰ পিতৃ) আনন্দৰাম বৰুৱা, মাধৱ চন্দ্ৰ বৰদলৈ (কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ পিতৃ), শিৱৰাম বৰা, ৰাধাচন্দ্ৰ বেজবৰুৱা, মানিক চন্দ্ৰ বৰুৱাৰ ককায়েক ফটিক চন্দ্ৰ বৰুৱা আৰু কেফায়ৎ উল্লা (পাছলৈ গুৱাহাটীৰ সদৰামীন)ৰ পুত্ৰ ইঞ্জিনিয়াৰ নেচাৰ আহমদ। তেখেত সকলৰ আটাইকেইজন বৰ মিলেৰে আছিল। তেখেত সকলে সেই সময়ৰ চেমনীয়া ল'ৰাই কৰা নিৰ্দোষ খেলা-ধুলা একেলগে কৰিছিল।

মুছলমান ছাত্ৰ সকলে সেই সময়ত ইংৰাজী পঢ়াৰ ক্ষেত্ৰত অনেক বাধা পাইছিল। নৈষ্ঠিক মুছলমান সকলৰ ল'ৰাই ইংৰাজী পঢ়াটো সেই কালৰ বিশ্বাস মতে অবিধেয় বুলি পৰিগণিত হৈছিল। কোনো কোনো মৌলবীয়ে মুছলমান ছাত্ৰক ইংৰাজী পঢ়াত বাধা দিছিল। কিন্তু সেই বাধা স্বত্বেও ছাখাৱত আলী আৰু তেখেতৰ সহপাঠী জালনুৰ আলী আহমদে ইংৰাজী শিক্ষা বাদ নিদিলে। সেই সময়ৰ অসমৰ কমিছনাৰ জেনকিন্স চাহাবে ইংৰাজীৰ ছাত্ৰসকলক বৰ মৰম কৰিছিল।

ছাখাৱত আলীৰ পৰিয়ালৰ কিছুলোক গুৱাহাটীত থকা সত্বেও আমি তেখেতৰ বিষয়ে বিশেষ একো তথ্য উদ্ধাৰ কৰিব পৰা নাই। বিভিন্ন উৎসৰ পৰা এতিয়ালৈকে পোৱা তথ্য অনুসৰি তেখেত গুৱাহাটীৰ কটন কলেজিয়েট স্কুলত শিক্ষকতা কৰিছিল। সাহিত্যৰথী লক্ষ্মী নাথ বেজবৰুৱা এসময়ত তেখেতৰ ছাত্ৰ আছিল হেনো।

তেখেত অসমীয়া ভাষাত বিজ্ঞান আৰু গণিতৰ পুথি প্ৰণয়নৰ ক্ষেত্ৰত বাটকটীয়া আছিল আৰু এই বিষয়বোৰত কেইবাখনো পুথি অসমীয়া ভাষাত ৰচনা কৰিছিল। সেই কেইখন হ'ল - অসমীয়া পদাৰ্থ বিদ্যা (১৮৮৩), গণিত পুস্তক (১৮৮৩), অসমীয়া ভাষাৰ জ্যামিতি (১৮৮৬) আৰু অসমীয়া ভাষাৰ ক্ষেত্ৰ জ্যামিতি (১৮৮৬)। অসমীয়া ভাষাৰ ক্ষেত্ৰ জ্যামিতিখনৰ ১৯১৯ত দ্বাদশ সংস্কৰণ প্ৰকাশ হৈছিল আৰু ১৯২৯ চনত পুনৰ মূদ্ৰণ হৈছিল। ইয়াৰ উপৰিও তেখেতে ইমাম গাজ্জালি (ৰঃ)ৰ 'কিমিয়া চাদাআত'খনৰ বাংলা অনুবাদৰ পৰা 'অসমীয়া পৰমাৰ্থ দৰ্পণ বা আধ্যাত্মিক জ্ঞান শাস্ত্ৰ' নামেৰে অসমীয়াত অনুবাদ কৰি প্ৰকাশ কৰিছিল। (ড° মহম্মদ তাহেৰ)। ❖

---

(২০০৫ চনৰ ৭ জুলাই 'দৈনিক অসম'ত প্ৰকাশিত কুমুদেশ্বৰ হাজৰিকাৰ 'কৰ্ণেল জালনুৰ আলী আহমদ ঃ সোঁৱৰণ' নামৰ প্ৰৱন্ধটোৰ পৰা কিছু তথ্য লোৱা হৈছে।)

# মীৰ্জ্জা আবদুৰ ৰহমান বেগ

**জিল্লুৰ ৰহমান বেগ**

ডিব্ৰুগড়ৰ মীৰ্জ্জা আবদুৰ ৰহমান বেগ বা বেগ চাহাবৰ নাম অসমৰ প্ৰায় সকলোৰে চিনাকি। তেখেতৰ উপৰিপুৰুষ মীৰ্জ্জা এতিম বেগ চাহাব ইংৰাজ ফৌজৰ লগত ধৰ্ম্মগুৰু হিচাবে ১৮২৪ চনত কটকৰ পৰা অসমলৈ আহিছিল। তেখেতৰ পিতৃৰ নাম আছিল মীৰ্জ্জা মাহমুদ বেগ ইবনে মীৰ্জ্জা ৰহম আলি বেগ ইবনে মীৰ্জ্জা আমীৰ বেগ ইবনে নৱাব বেগ, আৰু তেখেত উত্তৰ প্ৰদেশৰ ৰামপুৰৰ এটা সম্ভ্ৰান্ত পৰিয়ালৰ আছিল। তেখেত সকলৰ পূৰ্ব্ব পুৰুষ আৰবৰ বাসিন্দা আছিল।

১৮২৪ চনত আহি তেখেতসকল বিশ্বনাথত থাকিবলৈ লয়। অসমত সেই সময়ৰ মুছলমানৰ শোচনীয় অৱস্থা দেখি আৰু অসমীয়া মুছলমানক ঘোৰ অন্ধকাৰত পৰি থকা দেখি অলপ দিনৰ ভিতৰতে তেখেতে চৰকাৰী চাকৰি ত্যাগ কৰি অসমত মুছলমানৰ হিদায়তৰ বাবে আপ্ৰাণ চেষ্টা কৰিবলৈ ধৰিলে আৰু ইছলাম ধৰ্ম্মৰ পুনৰুত্থানৰ কাৰণে উঠি পৰি লাগিল। সেই সময়ত যাতায়তৰ কোনো সুবিধা নথকা অৱস্থাত তেখেতে অনেক কষ্ট সহ্য কৰি গাঁৱে-ভূঞে, জিলাই জিলাই মানুহৰ হিদায়তৰ বাবে ধৰ্ম্ম প্ৰচাৰৰ বাবে কোনো ত্ৰুটি কৰা নাছিল। প্ৰথম অৱস্থাত বিশ্বনাথত আছিল যদিও পাচত ডিব্ৰুগড়লৈ উঠি আহে আৰু তাৰ পৰাই ধৰ্ম্মৰ কামত ব্যস্ত হৈ পৰে। তাতে তেখেতৰ মৃত্যু হয়। তেখেত সকলৰ পুৰণি ভেটি বৰ্ত্তমান ব্ৰহ্মপুত্ৰৰ বুকুত।

তেখেতৰ পৰিয়াল তাৰ পাছত ১৮৯৪ চনত ডিব্ৰুগড়ৰ আমোলাপট্টিলৈ উঠি আহে। তাতেই তেখেতৰ সুযোগ্য সন্তান মীৰ্জ্জা আবদুৰ ৰহমান বেগ চাহাবে

(জন্ম ১৮৫৩ চনত) স্থায়ীভাবে থাকিবলৈ লয় আৰু বহু কষ্টেৰে অসমৰ নানা ঠাই ভ্ৰমণ কৰি মুছলমান সমাজখন গঢ় দিবলৈ চেষ্টা কৰে। অসমীয়া মুছলমানক ধৰ্ম্মজ্ঞান দিবৰ কাৰণে তেখেতে কেইবাখনো অসমীয়া কিতাপ লিখি প্ৰকাশ কৰে। তেখেতকেই অসমৰ মানুহে বেগ চাহাব বুলি জানে আৰু তেখেতৰ পৰিয়ালসমূহ বেগ চাহাবৰ পৰিয়াল বুলি জনাজাত হয়।

তেখেতে সকলো জাতিৰ লোককেই শ্ৰদ্ধা কৰিছিল। ১৯২৫ চনত গান্ধীজী ডিব্ৰুগড়লৈ আহোতে আমোলাপট্টিৰ তেখেতৰ নিজা বাসভৱনতেই স্বাধীনতা আন্দোলনৰ ভাষণ প্ৰদান কৰিছিল আৰু ৰাইজে বিলাতী বস্ত্ৰ তাতেই জ্বলাইছিল। আজিও আমোলাপট্টিত উক্তঘৰ বিদ্যমান। তেখেতে ডিব্ৰুগড়বাসীৰ সহযোগত 'মাদ্ৰাছা-ফাইজে আম' প্ৰতিষ্ঠা কৰে আৰু তাৰ পৰা বহু গণ্যমান্য ব্যক্তিয়ে শিক্ষা গ্ৰহণ কৰি গৈছে। উক্ত মাদ্ৰাছাখন ১৯৫৫ চনত অসম 'জামিউল উলুম' মাদ্ৰাছা নামেৰে নামকৰণ কৰা হয়।

তেখেত হাজী ইমদাদুল্লাহ মুহাজিৰে মক্কী (ৰঃ) (জন্ম চাহৰাণপুৰ ঃ ১৮১৪ - মৃত্যু মক্কা ১৮৯৬) ৰ খলিফা আছিল। গোটেই অসমতে বেগ চাহাবে এজন ইছলাম ধৰ্ম্মৰ গুৰু হিচাপে খ্যাতি লাভ কৰিছিল।

আৰবী ফাৰ্চীৰ উপৰিও তেখেত অসমীয়া ভাষাৰ পণ্ডিত আছিল। ডিব্ৰুগড়ৰ পৰা প্ৰচাৰ হোৱা 'প্ৰচাৰক' নামৰ ইছলাম ধৰ্ম্মৰ পত্ৰিকাখন তেখেতৰ যত্নত পৰিচালিত হৈছিল। মীৰ্জ্জা আবদুৰ ৰহমান বেগ চাহাবৰ প্ৰণীত প্ৰকাশিত গ্ৰন্থ কেইখন হ'ল 'ৰাহে চুলুক', 'তুহ্‌ফতুল মুৰিদিন', 'ইছলাম জেউতি' আৰু 'আনোৱাৰে ইছলাম'।

১৯৪৬ চনৰ ২০ জানুৱাৰী ৯৩ বছৰ বয়সত বেগ চাহাবৰ মৃত্যু হয়।

আবদুৰ ৰহমান বেগ চাহাবৰ পাছত এই দায়িত্ব জিয়াউৰ ৰহমান বেগ চাহাবে লয়। তেখেতেও নানা ঠাই ভ্ৰমণ কৰি মানুহৰ হিদায়তৰ কাৰণে চেষ্টা কৰিছিল। তেখেতৰ চেষ্টাতেই অসম 'জামিউল উলুম' মাদ্ৰাছাখনে নতুন ৰূপ লয়। তেখেতে লিখা কেইবাখনো ধৰ্ম্মীয় কিতাপ নলবাৰীৰ ৰাইজে ছপা কৰাই প্ৰকাশ কৰিছিল। তেখেত ডিব্ৰুগড় জিলাৰ চৰকাৰী কাজী আছিল। ১৯৬৭ চনত ৫৫ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

জিয়াউৰ ৰহমান বেগ চাহাবৰ লিখা 'মিছবাহুল ইছলাম'ৰ ১ম আৰু ২য় খণ্ড প্ৰকাশিত হৈছে। তৃতীয় খণ্ড এতিয়াও প্ৰকাশ হোৱা নাই। তেখেত সকলৰ

বহুখিনি লিখা এতিয়াও অপ্ৰকাশিত আৰু পৰিয়ালৰ লোকসকলে সেইবোৰ প্ৰকাশৰ যো-জা কৰি আছে। তেখেতৰ মৃত্যুৰ পাছত তেখেতৰ বৰপুত্ৰ মীৰ্জ্জা আতিকুৰ ৰহমান বেগ চাহাবে এই কামৰ দায়িত্ব গ্ৰহণ কৰে আৰু অসম ‘জামিউল উলুম’ মাদ্ৰাছাৰ মুহতামীমৰ দায়িত্ব লয়। তেখেতেও অসমৰ বিভিন্ন ঠাইলৈ গৈ ধৰ্ম্মৰ পথত ৰাইজক সঠিক পথ দেখুৱাৰ কামত ব্যস্ত আছিল।

তেখেত ডিব্ৰুগড় জিলাৰ সদৰ কাজী আছিল। উত্তৰ প্ৰদেশৰ লক্ষ্ণৌৰ “মাদ্ৰাছা নাদুৱাতুল উলামা’ৰ ‘মজলিছে শুৱা’ৰো তেখেত সদস্য আছিল।

১৯৯৯ চনৰ ফেব্ৰুৱাৰী মাহৰ ৮ তাৰিখে আতিকুৰ ৰহমান বেগৰো ইন্তেকাল হয়।

এই পৰিয়ালে ‘হুব্বুল ৱাতনে মিনাল আমান’ৰ উদাহৰণ দি থৈ গৈছে। তেখেত সকলে সদায়েই সকলো লোকক এক মানৱ সন্তান হিচাবে জীৱন নিৰ্ব্বাহ কৰিবলৈ আহবান জনাই আহিছিল।

মীৰ্জ্জা আব্দুৰ ৰহমান বেগ চাহাবে ডিব্ৰুগড়ৰ আমোলাপট্টিৰ মীৰ্জ্জাবাগৰ মছজিদটো হাজোৰ পোৱামক্কাৰ মছজিদৰ আৰ্হিত ঢাকাৰ পৰা মিস্ত্ৰী অনাই সজোৱাইছিল বুলি জনশ্ৰুতি আছে

চাৰি পুৰুষ ধৰি বেগ চাহাবৰ পৰিয়ালে মুছলমান সমাজৰ কাৰণে যি কাম কৰি গ’ল তাৰ বাবে অসমীয়া মুছলমান তেখেত সকলৰ ওচৰত কৃতজ্ঞ। ❖

---

(সংকলকৰ টোকা ঃ মীৰ্জ্জা আব্দুৰ ৰহমান বেগ চাহাবে গুৱাহাটীৰ জোলকাদ আলি চুফী চাহাবলৈ ধৰ্ম্মীয় শিক্ষা-দীক্ষা দিবলৈ দিয়া অনুমতি পত্ৰৰ অসমীয়া অনুবাদ তলত দিয়া হল।

‘আল্লাহতালাৰ প্ৰশংসা কৰি খোদা তত্ত্বজ্ঞান আৰু সত্যপথৰ সহপথিক জোলকাদ চুফী চাহেবৰ গাত আনক শিক্ষা-দীক্ষা দিবৰ যোগ্যতা পাই চাৰিপন্থা অৰ্থাৎ কাদিৰীয়া, চিস্তিয়া, নকসবন্দীয়া আৰু চহৰওৱাৰ্দ্দিয়া আদিৰ জিকিৰ আৰু ধ্যান সম্বন্ধে শিক্ষা-দীক্ষা দিবলৈ অনুমতি প্ৰদান কৰা হ’ল’।

স্বাক্ষৰ মীৰ্জ্জা আবদুৰ ৰহমান বেগ। ১৩০২ হিজৰী, ডিব্ৰুগড়।

এই চিঠিৰ সময় মিলালে ছুফী চাহাবৰ তেতিয়া প্ৰায় ৮৮ বছৰ হয় আৰু বেগ চাহাবৰ ৩১বছৰমান হয়। - ছুফী চাহেব ঃ মহম্মদ ছালেহ কাজিম ১৯৬০।)

# ডাঃ আবুবক্কৰ আয়াজ

দেবিৰা চুলতানা আহমদ

ডাঃ আয়াজ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সময়ৰ গুৱাহাটী নগৰীৰ এটি স্মৰণীয় নাম। ডাঃ আয়াজ চাহাবৰ জন্মও এটি বিশিষ্ট পৰিয়ালত। এই পৰিয়ালটি অসমত ফাৰ্চী পঢ়ীয়াৰ পৰিয়াল বুলি জনাজাত। পৰিয়ালটিত কেইবা গৰাকীও ফাৰ্চী, আৰবী ভাষাৰ পণ্ডিত আছিল, যি সকলে অসমলৈ আহি ৰাজদৰবাৰত মোগলৰ পৰা অহা চিঠি পত্ৰবোৰ আহোম স্বৰ্গদেউক বুজাই দিছিল আৰু সেইদৰে এইফালৰ পৰা দিয়া চিঠি বোৰো ফাৰ্চী ভাষাত লিখি দিছিল। ব্ৰিটিছৰ ৰাজত্ব আৰম্ভ হোৱাৰ আগতে ফাৰ্চীয়েই ভাৰতৰ ৰাজভাষা আছিল। এই সময়ত ৰংপুৰ, পাছত গুৱাহাটীত প্ৰতিষ্ঠিত হোৱা মক্তব আৰু মাদ্ৰাছাবোৰতো এই লোকসকলে শিক্ষা দান কৰিছিল। ডাঃ আয়াজৰ পূৰ্ব্ব পুৰুষ গৰাকীৰ নাম আছিল পীৰ মহম্মদ আলী। তেখেতে ১৭ শতিকাৰ শেষৰ ফালে মুছলমান সেনাৰ লগতে অসমলৈ আহি গড়গাওঁতে থিতাপি লয়। তেখেতেও আহোম ৰাজসভাত ৰজাৰ চিঠি পত্ৰ পঢ়ি দিছিল আৰু উত্তৰ লিখি দিছিল। চিঠিবোৰ কেচুৰ ৰসেৰে লিখা হৈছিল বাবে সেইবোৰ ৰাতিহে পঢ়িব পৰা গৈছিল।

এই পীৰ মহম্মদৰ একমাত্ৰ পুত্ৰ আছিল ফৰজন্দ গাওঁ-বুঢ়া। তেখেতে আহোম ৰজা আৰু মান ৰজাৰো পোছাক তৈয়াৰ কৰি দিছিল। মানৰ আক্ৰমনত এই গাওঁ-বুঢ়াৰ পৰিবাৰক মানে বন্দী কৰিছিল আৰু পাছত গাওঁ-বুঢ়াৰ পৰিচয় গম পাই সন্মানপূৰ্ব্বক এৰি দিয়ে। দেশ ইংৰাজৰ হাতলৈ যোৱাৰ পাছত ফৰজন্দ

গাওঁ-বুঢ়া ‘পাটোৱাৰী’ হৈছিল। তেখেতৰে চতুৰ্থ পুত্ৰ আছিল তেখেঞ্জাৰ। মান ভগনৰ সময়ত তেখেতসকলে গড়গাওঁ এৰি গুৱাহাটী পাইছিলহি। প্ৰথমে আহি তেখেত সকলে দীঘলী পুখুৰী আৰু পাণ বজাৰৰ মাজত জজ খেলপথাৰতে ঘৰ দুৱাৰ সাজি থাকিবলৈ লয়। পাছত তাত ব্ৰিটিছ সেনাই ছাউনী পাতিবলৈ লোৱাত পৰিয়ালৰ সকলোটি  কাজীপট্টি, বৰ্ত্তমানৰ কমাৰপট্টিলৈ উঠি যায় আৰু তাতেই নিগাজীকৈ বসবাস কৰিবলৈ লয়। তেখেতৰ সতি সন্ততি সকল এতিয়াও তাতেই আছে।

তেখেঞ্জাৰে দুই পুত্ৰ এৰি যায়। তেখেতসকল দুজন ক্ৰমান্বয়ে চিমৰুজ আৰু অহিদ । এই অহিদ চাহাবে  গুৱাহাটীৰ মাজমজিয়াত  লাখটকীয়া অঞ্চলত ১০ বিঘা ২ কঠা মাটি আৰু তাৰ ওপৰত থকা দুটা ঘৰ চৰকাৰী পঞ্জীয়ণ কৰি ১০/৩/১৮৯০ চনত ৰাইজৰ হিতৰ বাবে দান দি যায়। এই সম্পত্তি তেখেতে নিজে ঘটা আছিল। পৈতৃক সম্পত্তি নাছিল। এইটোৱেই অসমৰ বৃহত্তম ৱাকফ সম্পত্তি। তেখেঞ্জাৰৰ প্ৰথম পুত্ৰ চিমৰুজৰে ডাঙৰ পুত্ৰ আবু বক্কৰ আয়াজ। তেখেতে সুযোগ্য পিতৃৰ তত্ত্বাবধানত বিদ্যা শিক্ষা কৰি কটন কলেজিয়েট স্কুলৰ পৰা এনট্ৰেন্স পৰীক্ষা পাছ কৰি উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যায় । তাৰ পাছত ঢাকালৈ গৈ চিকিৎসা বিজ্ঞানত (L.M.P.) বিদ্যা লাভ কৰে। তাৰ পাছতো ঢাকাত তেখেত কিছুদিন থাকে। সুখ্যাতিৰে শিক্ষা সমাপ্ত কৰি তেখেত গুৱাহাটীলৈ ঘুৰি আহে আৰু কৰ্ম্মজীৱন আৰম্ভ কৰে।

সেই সময়তে গুৱাহাটীত ৰাইজে এখন ফাৰ্মাচীৰ অভাৱ অনুভৱ কৰে। তেখেতে প্ৰথমে ১৯ শতিকাৰ শেষৰ ফালে এখন সৰু ফাৰ্মাচী খোলে। পাছত তেখেতৰ আশাশুধীয়া চেষ্টাৰ ফলত সেই ফাৰ্মাচীখনেই দোপতদোপে উন্নতি কৰি বৃহৎ গুৱাহাটী ফাৰ্মাচীলৈ ৰূপান্তৰিত হয়। কালক্ৰমে তেখেতে এই ফাৰ্মাচীখনৰ লগতে বৈজ্ঞানিক সা-সৰঞ্জাম প্ৰয়োগেৰে এটি লেবৰেটৰীও খোলে।

নিৰ্ভৰযোগ্য সূত্ৰৰ পৰা জানিব পাৰি যে সেই সময়ত তেখেতৰ সহযোগী আৰু সহকৰ্মী আছিল ডাঃ হৰেকৃষ্ণ দাস, ডাঃ আব্দুল বাৰী, ডাঃ জ্যোতিষ চন্দ্ৰ দাস আৰু ডাঃ দিদাৰ আলি। ওপৰত উল্লেখিত সেইখনেই  গুৱাহাটীৰ প্ৰথম আৰু সম্ভৱত সমগ্ৰ অসমৰ ভিতৰতেই প্ৰথম লেবৰেটৰী সহ ফাৰ্মাচী আছিল বুলি ধাৰণা

কৰা হয়। ব্যৱসায়তকৈ মুখ্যতঃ ৰাইজৰ সেৱাৰ বাবেই এই ফাৰ্মাচী খন খোলা হৈছিল। কালক্ৰমত তেখেত সু-চিকিৎসক হিচাপে অত্যন্ত জনপ্ৰিয়তা অৰ্জন কৰে আৰু ৰাইজৰ মাজত "আয়াজ ডাক্তৰ" বুলিয়েই প্ৰখ্যাত হৈ পৰে।

তেখেতে ১৯২১চনত স্বাধীনতা সংগ্ৰামৰ সময়তো সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। তেখেতৰ সহযোগী সকল আছিল ডাঃ হৰেকৃষ্ণ দাস আৰু ডাঃ জ্যোতিষ চন্দ্ৰ দাস। ১৯২১ চনত ১৮আগষ্টৰ দিনা দেশভক্ত তৰুণৰাম ফুকনে ভৰলুমুখৰ নিজ বাস ভৱনত নিজৰ পিন্ধা বিদেশী বস্তুবোৰ দাহ কৰা দৃশ্য দেখি আহি ডাঃ আয়াজ চাহাবেও নিজৰ বিদেশী কাপোৰেৰে তৈয়াৰ কৰা পোছাকবোৰ শিখমন্দিৰৰ চাৰি আলিৰ মাজত দাহ কৰা প্ৰথমজন অসমীয়া মুছলমান আছিল। তেতিয়াৰ পৰাই গান্ধীজীৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ তেখেতে আজীৱন খদ্দৰৰ বস্ত্ৰ পৰিধান কৰিছিল। কিন্তু তেখেতে তেখেতৰ এই আদশনীয় কামৰ বাবে চৰকাৰৰ পৰা কোনো দিন একো স্বীকৃতি বা সহায় নাপালে। এই কথা খিনিকে ডাঃ আয়াজৰ কনিষ্ঠ পুত্ৰ আবু বক্কৰ আহাদক এডভোকেট নিৰ্মলেন্দু চক্ৰৱৰ্তীয়ে তেখেতৰ দেউতাক স্বৰ্গীয় জগদীশ চন্দ্ৰ চক্ৰৱৰ্তীয়ে (কলেজিয়েট স্কুলৰ শিক্ষক) আক্ষেপ কৰি কোৱা বুলি কৈছিল।

ডাঃ আয়াজে নিয়মীয়াভাবে ৰাতিপুৱা ফজৰৰ নামাজৰ পাছত খোজকাঢ়ি গৈ কবৰ জিয়াৰত কৰিছিল আৰু তাৰ পৰা আহি ওচৰ - চুবুৰীয়া আৰু আপোন পৰিয়ালৰ খবৰ কৰিছিল। প্ৰয়োজনত তেখেতে সকলো ধৰ্ম্মৰ লোকলৈ আৰ্থিক সাহায্য আগবঢ়াইছিল আৰু গৰিব মানুহক বিনামূলীয়া ভাৱে চিকিৎসাও আগবঢ়াইছিল। দৰকাৰ অনুসাৰে তেখেতৰ দুটা ঘোঁৰাই টনা ঘোঁৰা বাগী খনত উঠি মানুহক চিকিৎসা সেৱা আগবঢ়াইছিল। সেই সময়ত গুৱাহাটীত দুখনমানহে ঘোঁৰা গাড়ী আছিল। চুফী চাহাব, কেফায়তউল্লা চাহাবৰ দৰে তেখেতেও কমাৰপট্টি আৰু এচ, এচ ৰোডৰ মুকলি ঠাইখিনিত মহৰমৰ সময়ত তাজিয়া সাজি খেলপতাৰ যি ৰিওৱাজ আছিল তাৰ বিৰোধিতা কৰি বন্ধ কৰিছিল। তেখেতৰ চেষ্টাতে কমাৰপট্টি মছজিদটো প্ৰতিষ্ঠা হয় আৰু আজীৱন তেখেত সেই মছজিদৰ সভাপতি পদত বাহাল আছিল।

তেখেতৰ স্বভাৱজাত ব্যৱহাৰ, নিষ্ঠা আৰু কৰ্ত্তব্যৰ প্ৰতি থকা দায়বদ্ধতাৰ বাবে অতি কম সময়ৰ ভিতৰতে তেখেতে নিজকে প্ৰতিষ্ঠা কৰি সকলোৰে শ্ৰদ্ধা আৰু সমাদৰৰ পাত্ৰ হব পাৰিছিল।

তেখেত এজন নিষ্ঠাবান মুছলমান, এজন সফল চিকিৎসক, এজন বিশিষ্ট সমাজসৱেক আৰু দেশপ্ৰেমী আছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ সময়ৰ পৰা তেখেতৰ জীৱনৰ বাকীছোৱা সময় তেখেতে সক্ৰিয়ভাবে দেশৰ হকে কাম কৰিছিল। ১৯৩১ চনত এই "ডাঃ আয়াজ" নামেৰে সমাজত সুবিদিত ব্যক্তি গৰাকীৰ মৃত্যু হয়। তেখেতে তিনি গৰাকী পুত্ৰ আৰু এগৰাকী কন্যা সন্তান এৰি যায়। ❖

---

(এই প্ৰবন্ধটি তেখেতৰ কনিষ্ঠ পুত্ৰ আবুবক্কৰ আহাদৰ ডঃ আয়াজৰ চমু জীৱনী নামৰ পুথি খনিৰ আধাৰত লিখা হৈছে)।

# ডাক্তৰ আৰংগশ্যা

১৮৫৭ খ্ৰীষ্টাব্দত ডিব্ৰুগড়ত আৰংগশ্যাৰ জন্ম হয়। তেওঁৰ পিতাকৰ নাম ফিৰিংগশ্যা। ফিৰিংগশ্যা নিচেই দুখীয়া মানুহ আছিল। ছবছৰ বয়সতে আৰংগশ্যা পিতৃ আৰু মাতৃহাৰা হয়। মোমায়েক মুণ্চী কিন্নত উল্লাই আৰংগশ্যাক নিজৰ ঘৰতে ৰাখি, ডিব্ৰুগড় জিলা স্কুলত খৰচ পাতি দি পঢ়ায়।

আৰংগশ্যা অতি চোকা বুদ্ধিৰ ল'ৰা আছিল। তেওঁ পাটনাৰ 'টেম্পো স্কুলৰ'ৰ পৰা ১৮৭৬ খ্ৰীষ্টাব্দত ডাক্তৰী পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। সেই স্কুলতে ১৫ মাহৰ নিমিত্তে তেওঁ সহকাৰী শিক্ষকৰ পদত নিযুক্ত হয় আৰু মিলিটাৰী ক্লাচৰ লান্স্ নায়কৰ পদতো কিছুকাল চাকৰি কৰে। ১৮৭৯-৮০ খ্ৰীষ্টাব্দৰ নগা যুদ্ধৰ সময়ত গোলাঘাটত ৰণুৱা সেনাবিলাকৰ নিমিত্তে ঔষধ ভঁৰালি নিযুক্ত হয়। ১৮৮৪ খ্ৰীষ্টাব্দত স্কটলেণ্ডৰ গ্লাচগো বিশ্ববিদ্যালয়ত ডাক্তৰী পঢ়া আৰংগশ্যা ডিব্ৰুগড়ৰ প্ৰথম ব্যক্তি। ডাক্তৰ আৰংগশ্যাৰ প্ৰাণৰ ধাউতি আছিল, ডাক্তৰী বিদ্যাৰ উচ্চশিক্ষাত কৃতিত্ব লাভ কৰি অসম দেশত মানৱ সেৱা কৰা।

ডা° আৰংগশ্যাই অক্লান্ত পৰিশ্ৰম কৰি গ্লাচগোত ১৮৮৪ খ্ৰীষ্টাব্দৰ ২৪ অক্টোবৰত প্ৰথম বৰ্ষৰ, ১৮৮৫ খ্ৰীষ্টাব্দৰ ১৯ এপ্ৰিলত দ্বিতীয় বৰ্ষৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ নৰীয়া-পাটীৰ পৰাই গ্লাচগো বিশ্ববিদ্যালয়ৰ চতুৰ্থ বা শেষ ডাক্তৰী পৰীক্ষা দি উত্তীৰ্ণ হৈছিল।

১৮৮৬ খ্ৰীষ্টাব্দৰ ২ আগষ্টত ২৮ বছৰ বয়সত, ডাক্তৰ আৰংগশ্যাৰ অকালতে মৃত্যু হয়।❖

---

(১৯৬৪ চনৰ অসম সাহিত্য সভাৰ ডিব্ৰুগড় অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ স্মৃতি গ্ৰন্থ 'অভিলেখ'ত প্ৰকাশিত)

# আজিজুৰ ৰহমান

দেবিৰা চুলতানা আহমদ

খান বাহাদুৰ আজিজুৰ ৰহমান গুৱাহাটীৰ ফৌজ্‌দাৰ গাৱঁৰ নিবাসী আছিল। তেখেতৰ পূৰ্ব্বপুৰুষে বৰ্ত্তমান লাখটকীয়াৰ ওচৰৰ এই ফৌজদাৰ গাওঁতে বাস কৰিছিল। তেওঁলোক হয়তো সেই সময়ত মোগল শাসনকৰ্ত্তা সকলৰ বংশধৰ আছিল। সেয়ে ফৌজ্‌দাৰে বসতি কৰা ঠাই ফৌজদাৰ গাওঁ।

আজিজুৰ ৰহমানে নিজৰ যোগ্যতাৰে বৃটিছ চৰকাৰৰ Assistant Commissioner হিচাপে নিযুক্তি পায় আৰু ডিব্ৰুগড় চহৰলৈ চাকৰি সূত্ৰে গৈ তাতে থিতাপী লয়। তেখেতে ডিব্ৰুগড় নগৰ আৰু শিৱসাগৰ নগৰত বহুতো মূল্যবান মাটি সম্পত্তিৰ গৰাকী হয়। পাছলৈ তেখেত ডিব্ৰুগড়ৰৰ ওচৰত আজিজবাগ নামৰ এখন চাহবাগানো খোলে। কিন্তু খান বাহাদুৰ আজিজুৰ ৰহমানৰ ল'ৰাবোৰে সুশিক্ষিত হৈ উপযুক্ত চাকৰি লৈ বেলেগ ঠাইলৈ ওলাই যাব লগা হোৱাত এই বাগান খন যাদব চলিহাৰ পৰিয়ালললৈ হস্তান্তৰ হয়।

শিৱসাগৰৰ মাটিখিনিও তেখেতে কেইটিমান নামী পৰিয়ালক দি দিয়ে। তেখেতৰ চাৰিজন পুতেক আৰু দুগৰাকী কন্যা থকা সত্বেও মাটিখিনি কিয় আনক দি দিলে সেইটোও এটা ৰহস্য হৈ ৰ'ল। তেখেতে ডিব্ৰুগড়ৰ বেৰিহোৱাইট মেডিকেল স্কুলখন প্ৰতিষ্ঠা হবৰ সময়ত ১৯০০ চনত নিজৰ ডিব্ৰুগড়ৰ সম্পত্তিৰ এটি বুজন অংশৰ মাটি এই স্কুলক দান কৰে। তেতিয়াৰ মানুহে দান কৰিলেও আজিৰ মানুহৰ দৰে ঢাক ঢোল বজাই দিয়াত কৈ এইবোৰ কাম গোপনে কৰিহে

ভাল পাইছিল। পুৰণি বেৰিহোৱাইট  স্কুলৰ আধা অংশ য'ত হ'ষ্টেল, কেইটিমান লেবৰেটৰি আছে আৰু খেলৰ পথাৰখনো তেখেতৰেই দান আছিল, কিন্তু কতো তেখেতৰ নামৰ উল্লেখ নায়। আনকি গুৱাহাটীৰ মূল্যবান ফৌজদাৰ গাওঁৰ (লাখটকীয়া , মাছখোৱা) মাটিৰ প্ৰতিও তেখেত আৰু তেখেতৰ পৰিয়াল উদাসীন আছিল।

তেখেতে গুৱাহাটীৰ লাখটকীয়াৰ উৰেছা বেগমক বিয়া কৰাইছিল। তেখেত সকলৰ চাৰিজন পুতেকেই সুযোগ্য ব্যক্তি আছিল। আটাউৰ ৰহমান সেই সময়ৰ (স্বাধীনতাৰ আগৰ যুগত) উপায়ুক্ত হৈছিল। এখেত বেৰিষ্টাৰ আব্দুল মজিদৰ কন্যা জুবেদা আটাউৰ ৰহমানৰ স্বামী আছিল। ফজলুৰ ৰহমান ৰাজহ বিভাগৰ উচ্চ বিষয়া আছিল, হবিবোৰ ৰহমান .. .., যি গৰাকীয়ে ইংৰাজী বিষয়ত সোণৰ পদক পাইছিল আৰু কোৰাণ শ্বৰিফ অসমীয়ালৈ তৰ্জমা কৰিছিল। কিন্তু তেখেতৰ অকাল মৃত্যু হোৱা বাবে এই কাম আধৰুৱা হৈ ৰ'ল। তেখেত আছিল ডঃ আলফৰিদ ৰহমানৰ পিতৃ আৰু সৰু পুতেক আছিল খান বাহাদুৰ চৈয়দুৰ ৰহমান, তেখেতেও ইংৰাজী বিষয়ত স্বৰ্ণ পদক পাইছিল। পাছলৈ অসম চৰকাৰৰ মন্ত্ৰী হৈছিল। কেউগৰাকী সন্তানেই মাকৰ অতি বাধ্য আছিল। তেখেত বৰ ব্যক্তিত্ব পূৰ্ণা মহিলা আছিল।

আজিজুৰ ৰহমানক খান বাহাদুৰ উপাধি দিয়া হৈছিল। তেখেতৰ বেৰিহোৱাইট স্কুলক (বৰ্ত্তমান অসম মেডিকেল কলেজ) দিয়া দানৰ  কথা মেডিকেল কলেজৰ হীৰক জয়ন্তী সময়ত প্ৰকাশ কৰা স্মৰণিকাখনৰ পৰা ৰাইজ অৱগত হয়।❖

---

(প্ৰাক্তন  সাংসদ আটাউৰ ৰহমান চাহাব আৰু তেখেতৰ পত্নী চালেহা ৰহমানৰ পৰা পোৱা তথ্যৰ ওপৰত ভিত্তি কৰি যুগুতোৱা হৈছে।)

# ফাইজুদ্দিন আহমদ

ডিব্রুগড়ৰ প্ৰখ্যাত বাঘ হাজৰিকাৰ পৰিয়ালৰে লোক আছিল। এখেতৰ ভায়েক জ্ঞান মালিনীৰ কবি মফিজুদ্দিন আহমদ। এওঁ উচ্চ পৰ্য্যায়ৰ চৰকাৰী চাকৰিয়াল আছিল। এঁৱেই পোন প্ৰথমে হজৰত মহম্মদৰ (দঃ) জীৱনী বিস্তাৰিতভাৱে “হজৰত মহম্মদ” নামৰ গ্ৰন্থত অসমীয়া জাতিৰ মাজত প্ৰচাৰ কৰে। জীৱনী গ্ৰন্থ হিচাপে সেই সময়ত বিশেষকৈ, নাম কৰা গ্ৰন্থ আৰু এতিয়ালৈকে তেনে ধৰণৰ বিস্তাৰিত বিৱৰণেৰে দ্বিতীয় এখন হজৰত মহম্মদৰ জীৱনী অসমীয়াত ওলোৱা নাই। ইয়াৰ বাহিৰেও এই গৰাকী লেখকে -ইছলামৰ প্ৰথম চাৰিজন খলিফা- আবুবক্কৰ চিদ্দিক, ওচমান, ওমৰ ফাৰুক, হজৰত আলি নামৰ চাৰিখন পুথি লিখি গৈছে। ইংৰাজীত লিখা এই হাজী ফাইজুদ্দিন চাহেবৰ এখন প্ৰখ্যাত গ্ৰন্থ হ’ল - Islam the only Universal Religion. তেখেতৰ জন্ম হৈছিল ১৮৬৫ চনত আৰু মৃত্যু হৈছিল ১৯৪০ চনত । ❖

(প্ৰসঙ্গ-কোষৰ পৰা)

---

**সংকলকৰ টোকা ঃ**

(১) ১৯২৭ চনত তেখেতে ‘খাতুন প্ৰেছ’ নামৰ এটা ছপাশালা প্ৰতিষ্ঠা কৰিছিল। তেখেতে লিখা ১৫ খন মান ইছলামিক ধৰ্ম্ম সম্বন্ধীয় পুথি তাতে ছাপা কৰি প্ৰকাশ কৰিছিল। (যোৰহাট চেন্ট্ৰেল ক্লাবৰ স্মৰণিকা, ২০০৯)

২) তেখেতৰ কেইবাটাও চিন্তা গধুৰ লেখা ‘প্ৰচাৰক’ত প্ৰকাশ পাইছিল। (ড° মহম্মদ তাহেৰ)

৩) তেখেতৰ দুই বিবাহ । প্ৰথম গৰাকী পত্নী জালনুৰ আলিৰ ভগ্নী-কন্যা ( ফখৰুদ্দিন আলি আহমদৰ সম্বন্ধীয়া বায়েক) কুৰছিয়া জৰিণ বাণু আৰু দ্বিতীয় গৰাকী নুৰ মোহাম্মদৰ কন্যা আফজা খাতুন (আইদেউ)। তেখেত সকলৰ পাঁচজন কৃতী পুত্ৰ আৰু তিনি গৰাকী কন্যা আছিল।

# আব্দুল মজিদ

দেবিৰা চুলতানা আহমদ



আব্দুল মজিদ অসমৰ এজন খ্যাতনামা সুযোগ্য সন্তান। তেখেতৰ জন্ম ১৮৬৯ চনত যোৰহাটৰ নতুন বালিবাটত (বৰ্ত্তমান বাহাদুৰ গাওঁবুঢ়া পথ)। তেখেত আছিল মৰহুম মোহম্মদ শ্বাহ মৌজাদাৰৰ বৰপুত্ৰ আৰু মৰহুম দৰশ্বাহ ফকীৰৰ বৰ নাতি। তেখেতসকলৰ পৰিয়াল মুদৈ আছিল। প্ৰথমে এই পৰিয়ালটো গোৱালপাৰাৰ যোগীঘোপাৰ ফালে বসতি কৰি পাছত কামৰূপৰ ফালে উজাই আহে। তাৰে এটা ঠাল পুৰণি গুদাম হৈ যোৰহাট পায়হি। তেখেতসকলৰ পূৰ্ব্ব পুৰুষ আহমদ শ্বাহে আহোম স্বৰ্গদেউ সকলে যোৰহাটলৈ ৰাজধানী তুলি অনাৰ সময়তে যোৰহাটলৈ আহি অনেক মাটি সম্পত্তি লৈ বালিবাটৰ সোমাজতে অৱস্থিত বৃহৎ চৌহদৰ ঘৰটোত বসতি কৰিবলৈ লয়। আব্দুল মজিদৰ পিতৃ মোহম্মদ শ্বাহ বৰ ধনী আছিল। তেখেতে চলোৱা তিতাবৰ, আমগুৰি আৰু খৰিকটিয়া মৌজাকেইটা অসমৰ ভিতৰত ডাঙৰ মৌজা আছিল। ইমান ধনী হোৱা স্বত্বেও পৰিয়ালটোত ধৰ্ম্মৰ অনুশাসনো কটকটীয়া আছিল। এনে এটা পৰিয়ালতে আব্দুল মজিদৰ জন্ম আৰু এনে পৰিবেশতে তেখেত প্ৰতিপালিত হৈছিল।

তেখেত অতি মেধাৱী ছাত্ৰ আছিল। সেই সময়ৰ প্ৰচলিত নিয়ম অনুসৰি তেখেতে আৰবী, ফাৰ্চী, অসমীয়া, বঙ্গালী আদি ভাষাত সৰু কালত শিক্ষা লাভ

কৰিছিল। দৈৱ্যক্ৰমে তেখেত কোনো ইংৰাজ মিচনেৰীৰ চকুত পৰে আৰু তেখেত সকলেই তেখেতক  ইংৰাজী শিক্ষা দিয়ে। এই মিচনেৰী সকলেই তেখেতক Black Jewel নাম দিছিল। আব্দুল মজিদৰ সৰু কালত যোৰহাটত ইংৰাজী শিক্ষা দিয়া স্কুল নাছিল। সেয়ে তেখেতৰ বাল্য শিক্ষা মকতবতে আৰদ্ধ আছিল। পাছত কটন কলেজিয়েট স্কুলৰ পৰা তেতিয়াৰ এণ্ট্ৰেঞ্চ পৰীক্ষাত উৰ্ত্তীৰ্ণ হৈ কলিকতা বিশ্ববিদ্যালয়ত সেই বছৰত দ্বিতীয় স্থান অধিকাৰ কৰে। তাৰ পাছত উচ্চ শিক্ষাৰ বাবে কলিকতা বিশ্ববিদ্যালয়ৰ Scottish Church Collegeত ভৰ্ত্তি হয় আৰু তাৰ পৰা সুখ্যাতিৰে কলা বিভাগৰ স্নাতক ডিগ্ৰী (B.A.) লাভ কৰে। ১৮৮৮ চনত তেখেত  জলপানী লৈ উচ্চ বিদ্যা শিক্ষাৰ বাবে বিলাতলৈ যাত্ৰা কৰে। এই যাত্ৰাত বোম্বাইৰ পৰা লণ্ডনলৈ যোৱাৰ পথত তেখেতৰ লগত জাহাজত সঙ্গী আছিল জাতিৰ পিতা মহাত্মা গান্ধী। তেখেতে কেম্ব্ৰিজ বিশ্ববিদ্যালয় পৰা কলা বিভাগৰ স্নাতক (B.A.)  আৰু Bar-at-Law ডিগ্ৰী লাভ কৰে। কেম্ব্ৰিজত পঢ়ি থকা অৱস্থাত তেখেতে মেধাৰ বাবে বৃত্তিও লাভ কৰিছিল। ১৮৯২ চনত তেখেত দেশলৈ ঘূৰি আহে। সেই কালত অসমৰ পৰা বিলাতত পঢ়িবলৈ যোৱা অসমীয়া সকলৰ মাজৰ তেখেত এজন। আনসকলৰ ভিতৰত পণ্ডিত আনন্দৰাম বৰুৱা; ডাঃ জালনুৰ আলী, ডাঃ শিৱৰাম বৰা আৰু ডাঃ আউৰঙ্গ শ্বাহ আদি। বিলাতৰ পৰা ঘুৰি আহি তেখেতে অসমতে চাকৰিত যোগ দিয়ে । গুৱাহাটীৰ জিলা ন্যায়াধীশ হিচাপে কাম কৰি থকা অৱস্থাত বৰ্ত্তমানৰ মুখ্য ন্যায়াধীশৰ বাসভৱনতে আছিল। সেই সময়ত শ্বেতাঙ্গ চাহাববোৰৰ মাজত কলা চাহাব এগৰাকী প্ৰতিবেশী হিচাপে সোমোৱাত শ্বেতাঙ্গ চাহাব সকলৰ অসন্তুষ্টিৰ কথা গম পাই মজিদ চাহাব কলিকতালৈ বদলি হৈ যায়। (কুমুদেশ্বৰ হাজৰিকাৰ পৰা শুনা) ।

আব্দুল মজিদ প্ৰথম অসমীয়া বেৰিষ্টাৰ  সকলৰ এজন হোৱাৰ উপৰিও তেখেত প্ৰথম অসমীয়া চেচন জজ, কলিকতা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ  আৰু প্ৰথম অসমীয়া Legislative Council ৰ সভ্য বা ৰাইজৰ মনোনীত প্ৰতিনিধি। ১৯১২ চনত প্ৰতিষ্ঠা হোৱা কাউঞ্চিললৈ আইন প্ৰতিনিধি হিচাবে আৰু পাছত আইন উপদেষ্টা হিচাবে ৰজা পঞ্চম জৰ্জ্জে তেখেতক নিয়োগ কৰে। পাছত

অসমখন ৰাজ্যপালৰ দ্বাৰা শাসিত হোৱাৰ সময়ত আব্দুল মজিদক ৰাজ্যপালৰ Executive Councilৰ সভ্য কৰা হয়। এইটো মন্ত্ৰী পৰ্য্যায়ৰ পদ আছিল আৰু এই পদবিৰ নিয়োগ পত্ৰখন ৰজাই নিজ হাতেৰে তেখেতক লণ্ডনৰ বাকিংহাম ৰাজ প্ৰাসাদত ১৯২১ চনত প্ৰদান কৰিছিল। এই যাত্ৰাত মজিদ চাহাবৰ পত্নীয়েও তেখেতৰ স্বামীৰ এই সন্মান গ্ৰহণ কৰা অনুষ্ঠান চাবলৈ বিলাতলৈ গৈছিল। সেই বছৰতে আব্দুল মজিদক Grant of Insigniaৰে সন্মানিত কৰা হৈছিল আৰু কলিকতাৰ উচ্চ ন্যায়ালয়ত ন্যায়াধীশ হিচাবে নিয়োগ কৰা হৈছিল। তেখেতেই উচ্চ ন্যায়ালয়ৰ প্ৰথম অসমীয়া ন্যায়াধীশ। তেতিয়াৰ বৃটিছ চৰকাৰে তেখেতৰ নাম মনোনীত কৰি 'চাৰ' উপাধি দিবৰ কাৰণে ইংলেণ্ডৰ শাসনতন্ত্ৰলৈ অনুৰোধ কৰি পঠাইছিল। কিন্তু এইটো কাৰ্য্যকৰী হোৱাৰ আগতেই এই কৃতী পুৰুষজনৰ ১৯২৫ চনৰ **২২** নভেম্বৰত ৫৬ বছৰ বয়সত শ্বিলঙত মৃত্যু হয় আৰু তাতেই তেখেতক সমাধিস্থ কৰা হয়। এইয়া আছিল তেখেতৰ শিক্ষা আৰু চাকৰি জীৱনৰ কৃতিত্ব।

মজিদ চাহাব আছিল বহুমূখী প্ৰতিভাৰ পুৰুষ। জজ চাহাব মজিদৰ মাজত এজন সাহিত্যিক সুপ্ত আছিল। কেইবা গৰাকী সদাশয় পুৰুষৰ লিখনিৰ পৰাহে এইয়া আমি গম পাইছো। তাৰ বাবে আমি প্ৰধানকৈ শিৱসাগৰৰ প্ৰফুল্ল কুমাৰ বেজবৰুৱা ডাঙৰীয়াৰ ওচৰত কৃতজ্ঞ । প্ৰান্তিকৰ পাতত ( ১-১৫ মাৰ্চ, ২০০৫) তেখেতে লিখা 'আমি তেখেতসকলক পাহৰি গ'লো' শীৰ্যক প্ৰবন্ধটোত মজিদ চাহাবৰ বিষয়ে লিখা কথাখিনি আমাৰ দৃষ্টি গোচৰ হয়। তেখেতক আমি ফোনেৰে যোগাযোগ কৰাত তেখেতে তেখেতৰ হাতত আব্দুল মজিদৰ বিষয়ে আৰু তথ্য আছে বুলি জনায়। শেষত আমি বেজবৰুৱা ডাঙৰীয়াক ২০০৭ চনৰ অক্টোবৰ মাহত লগ ধৰো। তেতিয়া মজিদ চাহাবৰ বিষয়ে কিছু আপুৰুগীয়া কথা গম পাওঁ। অন্যান্য উৎসৰ পৰা পোৱা আৰু বেজবৰুৱা ডাঙৰীয়াৰ লিখা আৰু তেওঁৰ লগত সাক্ষ্যাতকাৰৰ পৰা কিছু কথা ইয়াত সন্নিবিষ্ট কৰিছো।

মজিদ চাহাব সৰুৰে পৰা অসমীয়া সাহিত্য, সংস্কৃতি আদিৰ প্ৰতি আকৃষ্ট হৈছিল। 'তেখেত কলিকতাত ছাত্ৰ অৱস্থাতে সহপাঠী ঘণশ্যাম বৰাৰ লগত যুটীয়াভাবে এ, এছ, এল ক্লাবৰ (Assamese Students' Literary Club)

সম্পাদক  নিৰ্বাচিত হৈছিল। (সেই সময়ত তেখেতৰ বয়স ১৬-১৯ বছৰ) পিছলৈ এই ক্লাৱেই অসমীয়া ভাষা উন্নতি সাধনী সভা ৰূপে আত্ম প্ৰকাশ কৰে। অসম সাহিত্য সভাৰ জন্ম প্ৰেৰণাতো এ, এছ, এল ক্লাৱৰ অৰিহণা আছে'। (অসমীয়া ভাষা সাহিত্য, অসম সাহিত্য সভা আৰু অসমৰ মুছলমান, ইছমাইল হুছেইন,"জ্ঞান সম্ভাৰ', ফেব্ৰুৱাৰী, ২০০৪)।

বিলাতলৈ গৈ, বঙ্গ দেশত চাকৰী কৰিও তেখেতৰ প্ৰাণত সদায়েই অসমীয়া ভাষাৰ প্ৰতি প্ৰেম অটুট আছিল। তেখেতৰ অসমীয়া ভাষাৰ ওপৰত থকা বুৎপত্তিৰ কাৰণে লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই তেখেতৰ ওপৰত আস্থা ৰাখি ছিল আৰু বেজবৰুৱা ডাঙৰীয়াই অনুবাদ কৰা E Marsden ৰ History of Indiaৰ  অসমীয়া অনুবাদ 'ভাৰত বুৰঞ্জী'ৰ পাণ্ডুলিপি শুধৰণিৰ বাবে ৰাজশাহীত কৰ্ত্তব্যৰত মজিদ চাহাবলৈ পঠাইছিল। বেজবৰুৱা দেৱৰ দিন পঞ্জীত লিখা কথাখিনি ইয়াত উদ্ধৃত কৰা হ'ল।

**1907 – 5 April :** Finished Copying the translation of Marsden's History of India.

**1907 – 6 April :** Sent by two Book Post Registered parcels 9 mss books of my translation of Marsden's History of India to Mr. Mazid, Rajshahi.

এই অনুবাদ ১৯০৯ চনত প্ৰথম প্ৰকাশ হয় আৰু ১৯১৯ চনত দ্বিতীয় তাঙৰণ প্ৰকাশ হয়। এইখিনি কথা শিৱসাগৰৰ প্ৰফুল্ল বেজবৰুৱাই আমাক জনায়। কেৱল এইয়াই নহয়, আমাৰ ওচৰত বাস কৰা প্ৰথিতযশা সাহিত্যিক ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞা দেৱক তেখেতৰ ঘৰত ডিচেম্বৰৰ ১২ তাৰিখে (২০০৭) লগ ধৰোতে তেখেতৰ হাতত থকা 'কদম কলি' নামৰ লক্ষ্মীনাথ বেজবৰুৱা ৰচিত কবিতাৰ পুথিখন দেখুৱায়। এইখন পুথি বেজবৰুৱা ডাঙৰীয়াই আব্দুল মজিদৰ নামত উৰ্চ্ছগা কৰিছিল। তাত ছপা আছিল 'সোদৰোপম আবদুল মজিদ চাহাবৰ কৰ কমলত অৰ্পণ কৰিলো - শ্ৰী লক্ষ্মীনাথ' ১৮৩৫ শক (ইংৰাজী ১৯১৩ চন)। ইয়াৰ উপৰিও মজিদ চাহাবে ১৮৯৬ চনত 'জ্ঞানমালিনী'ৰ পাণ্ডুলিপিখন পঢ়ি তাৰ সাহিত্যিক মূল্যৰ ভূয়সী প্ৰশংসা কৰিছিল আৰু পাঠ্য পুথি কৰাৰ পৰামৰ্শ

দিছিল। বেজবৰুৱা ডাঙৰীয়াৰ উপৰিও যতীন্দ্ৰ নাথ দুৱৰা দেৱৰ লগত তেখেতৰ ঘনিষ্ঠ সম্বন্ধ আছিল। আব্দুল মজিদৰ সৰু জীয়ৰী মফিদা মজিদ অসমৰ প্ৰথম মুছলমান ছোৱালী স্নাতক। সৰুতে তেখেতে কলিকতাৰ লৰেট কনভেণ্ট স্কুলত পঢ়িছিল। এই মফিদা মজিদক দুৱৰা ডাঙৰীয়াই ঘৰুৱা শিক্ষক হিচাবে অসমীয়া পঢ়ুৱাই অসমীয়া ভাষাত এনে বুৎপত্তি লাভ কৰাইছিল যে এটা বছৰৰ ভিতৰতেই মফিদা মজিদে অসমীয়া বিষয়টোত মেট্ৰিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। সৰুতে যোৰহাটৰ বালিবাটত মোৰ ককা দেউতাৰ ঘৰত মফিদা মজিদলৈ উপহাৰ হিচাবে দিয়া দুৱৰা দেৱৰ 'ওমৰ তীৰ্থ' নামৰ পুথিখনত দুৱৰা দেৱৰ হাতে লিখা কথাখিনি দেখি প্ৰশ্ন কৰোতে এই কথা গম পাইছিলো।

সেই সময়ৰ সকলো সাহিত্যানুৰাগী পুৰুষৰ লগত আব্দুল মজিদৰ বন্ধুত্ব আছিল। বিশেষকৈ পদ্মনাথ গোহাঞি বৰুৱা দেৱৰ লগত। 'অসম সাহিত্য সভা গঠনৰ প্ৰাক মূহুৰ্ত্তত অৰ্থাৎ ১৯১৫ চনৰ জুলাই মাহত অসমৰ শিল্প সাহিত্যৰ উন্নতি সাধনৰ অৰ্থে অসম উপত্যকাৰ আয়ুক্ত কৰ্ণেল গৰ্ডণ চাহাবৰ উদ্যোগত আৰু ৰায় বাহাদুৰ ফণীধৰ চলিহাৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। তাত পদ্মনাথ গোহাঞি বৰুৱাৰ সৈতে ভাষণ প্ৰদান কৰিছিল আব্দুল মজিদে।' (জ্ঞান সম্ভাৰ ফেব্ৰুৱাৰী ২০০৪, ইছমাইল হোছেইনৰ প্ৰবন্ধ)। এইখিনিতে আমি প্ৰফুল্ল বেজবৰুৱাৰ ১-১৫ মাৰ্চ্চ সংখ্যা (২০০৫) লিখাৰ পৰা কিছু উদ্ধৃতি দিছো- 'এইখিনিতে উল্লেখ কৰি থওঁ যে অসম গৌৰৱ মজিদ চাহাবে বঙ্গদেশৰ ৰাজশাহী জিলাৰ ডিষ্ট্ৰিক আৰু ছেছন জজ হৈ থাকোতে তেতিয়াৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ শিশুসকললৈ ' নিম্ন প্ৰাইমাৰী পাঠ' বুলি এখন অপূৰ্ব কিতাপ ১৯১০ চনত সম্পাদনা কৰি প্ৰকাশ কৰিছিল আৰু সেই পুথি উপৰিউক্ত দুজন কবিৰ (মহম্মদ সোলেমান খাঁ আৰু বলদেৱ মহন্ত) উপৰিও আনন্দ চন্দ্ৰ গুপ্ত (আগৰৱালা)ৰ কবিতাৰে ভৰপূৰ আছিল। বিতোপন ছপা সুন্দৰ কাগজেৰে সেই পুথি আজিও চিকচিকাই আছে আৰু প্ৰকাশ কৰিছিল Macmillan & Co Limited, Calcutta ই।'

'তেখেতৰ গুৰুত্বপূৰ্ণ চাকৰি জীৱনৰ মাজতো অৱসৰ উলিয়াই এনে কাম কৰাৰ পৰা শিশু আৰু সাহিত্যলৈ তেখেতৰ যি আকৰ্ষণ সেইয়া বুজা যায়।

বেজবৰুৱা দেৱৰ মতে সেই যুগৰ পটভূমিত এই পুথি কেইখন (মহম্মদ সোলেমান খাঁৰ 'কবিতা পুথি' বলদেৱ মহন্তৰ কবিতাৰ সঙ্কলন আৰু আব্দুল মজিদৰ পুথি দুখন) গৱেষণাৰ বিচাৰ্য বিষয়।'

আব্দুল মজিদৰ শ্বিলঙৰ 'গুলেস্তান'ত সুকীয়াকৈ এটা ডাঙৰ পুথিভৰাল আছিল। ১৯৫১ চনত শিলঙলৈ যাওঁতে শেষৰ বাৰৰ বাবে সেইটো দেখিছিলো। ইয়াৰ মূল্য বুজাৰ বয়স বা জ্ঞান সেই দুয়োটাই সেই সময়ত হোৱা নাছিল। পাছত সেই পুৰণি ঘৰ ভেটি বেচি দিয়াৰ সময়ত সেই মূল্যবান গ্রন্থৰে ঠাহ খাই থকা পুথি ভৰালৰ কিতাপবোৰ কলৈ গ'ল ভাবিলে আজিও দুখ লাগে।

মজিদ চাহাবে যোৰহাট Girls M.E. School আৰু বাবু পট্টিৰ ইটো পাৰে থকা ছোৱালীৰ L. P. School দুটাৰ কাৰণে মাটিখিনি দান কৰা বুলি আমি সৰুতে শুনিছিলো। এইয়া প্ৰায় ১০০ বছৰৰ আগৰ ঘটনা। বৰ্ত্তমান যোৰহাট কাছাৰিত নথিপত্ৰ বিচাৰ কৰি এই বিষয়ে অনুসন্ধান কৰিবলৈ আমি এজনক অনুৰোধ কৰি আহিছো। কথাটো সম্পূৰ্ণ ভাবে পোহৰলৈ আহিলে, আমি আনন্দিত হম। এই মাটি তেখেত সকলৰ বালিবাট আৰু মিঠা পুখুৰীৰ মাটিৰ লগত সংলগ্ন আছিল। Girls M.E. School বাবে হাজী হবিবুৰ ৰহমান চাহাবেও তিনি কঠা মাটি দান কৰা বুলি তেখেতৰ পৰিয়ালৰ লোকে কয়-

অসমৰ অৰ্থনীতি সৱল কৰাৰ লক্ষ্যৰে অসমৰ প্ৰাচীন বাঢ়ৈ শিল্পৰ ওপৰত ১৯০৩ চনতে মৃত প্ৰায় উদ্যোগটোৰ পুনৰাই জীৱন সঞ্চাৰিত হোৱাৰ আশাৰে আব্দুল মজিদ চাহাবে - "Wood Carving in Assam , A Govt. of Assam Publication 1903 Shillong ত Foreword হিচাবে এটা সুন্দৰ নিৱন্ধ লিখিছিল।

ইয়ালৈকে মজিদ চাহাবৰ শিক্ষা জীৱন, চাকৰি জীৱন আৰু সাহিত্যৰ প্ৰতি অনুৰাগৰ কথা উল্লেখ কৰিলো। এতিয়া আহো তেখেতৰ ব্যক্তিগত জীৱনলৈ। মোৰ নানা আবু চৈয়দ শ্বাহ, তেখেতৰ নুমলীয়া ভাই আছিল। আব্দুল মজিদৰ যোৰহাটৰ পিতৃ গৃহৰ ভেটিতে তেখেত বাস কৰিছিল। মোৰ জন্ম সেই ভেটিতেই আৰু মই তাতেই ডাঙৰ দীঘল হৈছিলো। সেয়ে মজিদ চাহাবৰ ব্যক্তিগত জীৱনৰ কিছু কথা তাত শুনিছিলো। তেখেত বৰ অমায়িক, ধৰ্ম্ম পৰায়ণ আৰু নম্ৰ স্বভাৱৰ

মানুহ আছিল। জাৰৰ মাহ কেইটা তেখেতে যোৰহাটৰ ঘৰত কটাইছিল । তেখেত সকলৰ কাৰণে সেই ঘৰত এটা কোঠা সদায় আচুতীয়াকৈ থোৱা আছিল। তেখেত আৰু তেখেতৰ পৰিবাৰক পৰিয়ালৰ সকলোৱে পাপা, মামা বুলি মৰমৰে সম্বোধন কৰিছিল।

যোৰহাটত থকা দিন কেইটাত তেখেত সকলো আপোন পৰিয়ালৰ ঘৰলৈ গৈ নিজে দেখা কৰিছিল। তেখেতৰ পৰিবাৰ মফিদন নিছা পুৰণি গুদামৰ হাজী ৰহমত আলীৰ জিয়াৰী আছিল আৰু আমাৰ উপৰি পুৰুষ মহম্মদ শ্বাহ মৌজাদাৰে পুৰণি গুদামত এৰি থৈ অহা পৰিয়ালৰে আছিল। মজিদ চাহাবৰ বিয়াত তেওঁলোকে নাৱেৰে গৈ কন্যা আনিছিল। সেই সময়ত (১৮৯২/৯৩ চন) কলঙত নাও চলিছিল। বহুত দিন বঙ্গদেশ আৰু শ্বিলঙক থকা স্বত্বেও তেখেত সকলৰ অসমীয়া খোৱাৰ প্ৰতি খুব আকৰ্ষণ আছিল। মজিদ চাহাবৰ সৰু মাছৰ চৰ্চৰীখন অতি প্ৰিয় আছিল আৰু যোৰহাটত থকা দিনকেইটাত প্ৰতি দিনে সেইখন ৰন্ধা হৈছিল।তেখেতেৰ ভোজনত খাৰ, টেঙা, পচলা, পিটিকা আদি একো বাদ নপৰিছিল।

মজিদ চাহাব কোমল অন্তৰৰ মানুহ আছিল। এবাৰ এজন দোষীক ফাঁচীৰ ৰায় দিছিল। সেই দিনা হেনো তেখেত ওৰে নিশা আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰি কটাইছিল । তেখেতে কাকো টান কথা নকৈছিল আৰু পাৰ্য্যমানে আনক সহায় কৰিছিল।

আব্দুল মজিদৰ ৪ জন লৰা আৰু ৪ গৰাকী কন্যা আছিল। বৰপুত্ৰ ইনামূল মজিদ অসমৰ দ্বিতীয় জন ICS বিষয়া আছিল আৰু আন্দামানৰ Chief Commissioner আদি গুৰুত্বপূৰ্ণ পদত আছিল । দ্বিতীয় পুতেক ইক্ৰামূল মজিদে নিজৰ অসুখীয়া স্বাস্থ্যৰ বাবে শ্বিলঙত থাকিব নোৱাৰি যোৰহাট আৰু তিতাবৰৰ ঘৰত দিন কটাইছিল । তেখেত হাতৰ কামত পাৰ্গত আছিল। তৃতীয় পুত্ৰ ইচফাক মজিদ বিলাতত সামৰিক শিক্ষা লাভ কৰা দ্বিতীয়জন ভাৰতীয়। তেখেতে Sandhurst Military College ত শিক্ষা লাভ কৰিছিল। তেখেতৰ দ্বিতীয়া কন্যা জুবেদা আটাউৰ ৰহমানে সমাজ সেৱাৰ বাবে Kaiser -e-Hind বঁটা পাইছিল। মজিদ চাহাবৰ সৰু পুতেক চফকত মজিদ Director of

Agriculture হৈ থকা অৱস্থাতে মৃত্যু বৰণ কৰে। তেখেতৰ পত্নী মেৰেজা মজিদে স্বামী চফকত মজিদে সজা নতুন 'গুলেস্তান' নামৰ ঘৰটো লায়ন্স ক্লাৱক স্বামীৰ স্মৃতিত চকু চিকিৎসালয়ৰ বাবে দান কৰিছিল। কেবা বছৰো তেওঁলোকে চুক্তি অনুসৰি একো নকৰি ঘৰটো পেলাই থোৱাৰ বাবে তেখেতে ঘৰটোত পুনঃঅধিগ্ৰহণ কৰিছিল। ১৯৯৫ চনত মেৰেজা মজিদৰ মৃত্যুৰ পাছত তেখেতৰ শ্বিলঙৰ বাসস্থান পৰিত্যক্ত হয়।

আজি আব্দুল মজিদৰ স্মৃতি বিলুপ্তিৰ পথত। সেইয়ে মই জনা কথাখিনি বিস্মৃতিৰ গৰ্ভত লোপ পোৱাৰ আগতেই মোৰ লিখিনিৰে 'অসম গৌৰৱ আব্দুল মজিদ'ৰ (প্ৰফুল্ল বেজবৰুৱা) জীৱনীটো ৰাইজৰ আগত দাঙি ধৰিছো, যাতে আমি তেখেত সকলক পাহৰি নাযাও। ❖

---

(লেখিকা আব্দুল মজিদৰ সৰু ভায়েক আবু চেহিদ **শ্বাহ**ৰ জী-নাতি)

**সম্পাদকৰ সংযোজন ঃ** ছাৰ হেনৰি কটন অসমৰ চিফ কমিছনাৰ হৈ অহাৰ সময়ত কলিকতাত ডাক্তৰ গোলাপ চন্দ্ৰ বেজবৰুৱা আৰু আব্দুল মজিদ চাহাব লগ হৈ ছাৰ কটনক এখন অভিনন্দন পত্ৰ দি তাত অসমৰ বিভিন্ন সমস্যা বিবৰি সমাধানৰ কাৰণে অনুৰোধ জনাইছিল। এই কাৰ্যত দুয়োজনৰে অসমপ্ৰেম প্ৰকাশ পায়। কৰ্ণেল গৰ্ডন আৰু আব্দুল মজিদ গোট খাই অসমীয়া যোজনা - পটন্তৰৰ (Assamese Proverbs) পুথি এখন ইংৰাজী তৰ্জমাৰে সৈতে প্ৰকাশ কৰিছিল। তদুপৰি কলিকতাৰ অসমীয়া ভাষা উন্নতি সাধিনী সভাই অসমত প্ৰচলিত সাধু কথাবোৰ সংগ্ৰহ কৰি ছপাই উলিয়াবলৈ পতা কমিটিৰ সভাপতি আছিল আব্দুল মজিদ। তেখেতে সভাপতিৰূপে জোনাকী কাকতত প্ৰকাশ কৰা গোহাৰিত অসমৰ ৰাইজক নিজে জনা আৰু আনৰপৰাও সংগ্ৰহ কৰি সাধুকথা পঠিয়াবলৈ অনুৰোধ জনাইছিল।

ওপৰত উল্লেখ কৰা কথাকেইটাই আব্দুল মজিদ চাহাবৰ অসমপ্ৰেম আৰু অসমীয়া ভাষা আৰু সাহিত্যপ্ৰীতি উজ্জ্বল কৰিছে বুলি অনুভৱ কৰোঁ।

পৰন বেজবৰুৱা

প্ৰান্তিক, ১৬ অক্টোবৰ, ২০০৯

# মফিজুদ্দিন আহমদ হাজৰিকা

দেবিৰা চুলতানা আহমদ



জ্ঞান মালিনীৰ কবি, ডিবৰুপৰীয়া মফিজুদ্দিন আহমদ হাজৰিকা অসমৰ সাহিত্য জগতত জিলিকি থকা এটি উজ্জ্বল তৰা। 'জ্ঞান মালিনী'ৰ কবিতাকেইটিৰ যোগেদিয়েই তেখেতে অসমৰ মানুহৰ হৃদয়ত এক বিশেষ স্থান দখল কৰি আহিছে। 'সাগৰ দেখিছা'ৰ কবি দেবকান্ত বৰুৱাৰ দৰে এখন মাথো প্ৰকাশিত পুথিৰ জৰিয়তে মফিজুদ্দিন আহমদ হাজৰিকায়ো অসমৰ সাহিত্য জগতত এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছিল।

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাত কবলৈ গ'লে 'ইয়াৰ ভাব ওখ, ভাষা ললিত আৰু প্ৰকাশ কৰাৰ গঢ় অতি শুৱলা।' ভৰ যৌৱনত লিখা হ'লেও কবিতা পুথিখন কিন্তু উচ্চস্তৰৰ আধ্যাত্মিক ভাৱৰাশিৰে ভৰপূৰ। ঘৰুৱা পৰিবেশতে সেই সময়ৰ নিয়ম অনুসৰি আৰবী, ফাৰ্চী ভাষাত দখল থকা কবিয়ে হাফিজ, ছাদী, ৰুমী আদি ইছলামী চুফীপন্থী কবি দাৰ্শনিকৰ ৰচনা অধ্যয়ন কৰিছিল। ইয়াৰ লগতে মনোমোহা ডিবৰু নদী আৰু মহানদ ব্ৰহ্মপুত্ৰ আৰু অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্যই ডিবৰুপৰীয়া কবি গৰাকীক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছিল। এই সকলোৰে সংমিশ্ৰণ আপুৰুগীয়া কবিতা পুথি জ্ঞান মালিনী। সেইসময়ৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ প্ৰস্তাৱ অনুসৰি এই পুথিখন শিক্ষাবোৰ্ডৰ পুথি বচা

সমিতিয়ে বিশ্ববিদ্যালয়ৰ কলেজ আৰু স্কুলীয়া শিক্ষাৰ পাঠ্যক্ৰম হিচাপে অনুমোদন কৰিছিল। কেইবাদশকো কিতাপখন ঢাকা আৰু কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত স্কুল কলেজত চলি থকা বাবে কেইবা পুৰুষো অসমীয়াৰ ইয়াৰ বহুতবোৰ স্তৱক চিনাকী হৈ গৈছিল। আমি নিজেও 'দিনকণা' কবিতাটো স্কু লত পঢ়া মনত পৰে।

'জ্ঞান মালিনী'ৰ কবিতা কেইটাৰ - 'মৰিশালি খনি', 'মুনি চুনি বেলি', 'দিন কণা', 'বিশ্ব খনিকৰ', 'মইমতালি ভাবৰ ভেটি উছন' আৰু 'আত্মন' প্ৰতিটোৱেই এই জীৱনৰ অসাৰতা, শূণ্যতা, ব্যৰ্থতাৰ কথা পঢ়ুৱৈক সকিয়াই দিছে। নশ্বৰ দেহৰ অধিকাৰী মানুহ যে এটা ক্ষুদ্ৰ ধূলি কণাতকৈয়ো নগন্য সেইটোও তেখেতে মানুহক মনত পেলাই দিছে। প্ৰতিটো কবিতাতে তেখেতে সৃষ্টিকৰ্তাৰ অস্তিত্ব অনুভব কৰিছে আৰু খন্তেকীয়া জীৱনৰ সিপাৰেও যে এখন অবনিশ্বৰ জগত- যি খন 'নিজৰ ঠাই'ৰ কথা কবিৰ মনত সদায়ে বৰ্ত্তমান - তাৰ কথা চিন্তা কৰি সংসাৰ পথত খোজ দিবলৈ কবিয়ে সকিয়াই দিছে।

মফিজুদ্দিন আহমদ হাজৰিকাৰ জন্ম ১৮৭০ চনৰ ৩০ আগষ্টত ডিব্ৰুগড়ৰ যোৰহাটপট্টিত। দেউতাক হিমতুদ্দিন আহমদ হাজৰিকা, বাঘ হাজৰিকাৰ বংশধৰ। মাকৰ নাম ৰাহনুৰী। সেই সময়ৰ কেইবাগৰাকী প্ৰসিদ্ধ ব্যক্তি জন্মসূত্ৰে মফিজুদ্দিন আহমদ হাজৰিকাৰ আপোন আছিল। জ্ঞান মালিনীৰ পাতনিৰ সমাজিকত লগ পোৱা মুন্সিফ ফাইজুদ্দিন আহমদ অসমীয়া 'হজৰত মোহম্মদ (দঃ)' ৰ প্ৰণেতা আছিল তেখেতৰ নিজৰ ককায়েক, ডাক্তৰ আউৰংশ্বাহ আছিল পেহীয়েকৰ পুতেক ককায়েক আৰু বাৰিষ্টাৰ আব্দুল মজিদ আছিল জেঠায়েকৰ পুতেক ককায়েক। আৱাহন যুগৰ প্ৰথম অসমীয়া মুছলমান মহিলা কবি চশমে নুৰজাহান বেগম তেখেতৰ বায়েকৰ কন্যা আছিল। ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াত সেন্দুৰী আলি, যোৰহাটপট্টিৰ বাসভৱন আদি সকলো কেতিয়াবাই জাহ যোৱাত তেখেতে মলখুবচাত জীৱনৰ বাকীছোৱা কাল অতিবাহিত কৰে। ১৯৫৮ চনৰ ২৯ অক্টোবৰত তেখেতে ইহলীলা সম্বৰণ কৰে। চাকৰি জীৱনত তেখেতে পেচকাৰ হিচাপে কাম কৰিছিল আৰু ১৯২৬ চনত চিভিল পেচকাৰ হিচাপে ডিব্ৰুগড় কাছাৰিৰ পৰাই অৱসৰ লয়। তেখেত সাহিত্যিক পেন্সনাৰো আছিল। তেখেতে

উত্তৰ লক্ষীমপুৰৰ হাজৰিকা পৰিয়ালৰ জীয়ৰী হাফিজা খাতুনক বিয়া কৰাইছিল। তেখেত সকলৰ চাৰিগৰাকী পুত্ৰ আৰু এগৰাকী কন্যা।

মফিজুদ্দিন আহমদ হাজৰিকাই ডিব্ৰুগড়তে শিক্ষা জীৱন আৰম্ভ কৰে আৰু এন্ট্ৰেন্স পৰীক্ষাত উৰ্ত্তীৰ্ণ হবলৈ অপাৰগ হয়। পৰীক্ষাত ব্যৰ্থ হোৱাৰ পাছতহে তেখেতৰ সুপ্ত প্ৰতিভা ফুটি উঠে আৰু কবিতা ৰচনা কৰিবলৈ লয়। এই ৰচনাই আছিল তেখেতৰ 'জ্ঞান মালিনী' আৰু এই কবিতা পুথিখনেই আছিল তেখেতৰ অসমীয়া সাহিত্যৰ প্ৰতি আপুৰুগীয়া দান। হাফিজ নগৰৰ জ্ঞান মালিনীয়ে দিয়া ফুলৰ মালাধাৰ অসম আইক অৰ্পণ কৰি তেখেতে নিজেও কৃতাৰ্থ হৈছিল আৰু অসম বাসীকো কৃতাৰ্থ কৰিছিল।

মফিজুদ্দিন আহমদ হাজৰিকা এজন ভাল গদ্য লিখকো আছিল। তেখেতৰ 'জ্ঞান মালিনী'ৰ সমাজিক নামৰ পাতনিখন আৰু ১৯২৯ চনৰ অসম সাহিত্য সভাৰ দ্বাদশ অধিবেশনৰ সভাপতি হিচাপে দিয়া তেখেতৰ ভাষণ আৰু শিৱসাগৰৰ ছাত্ৰ সন্মিলনত দিয়া ভাষণবোৰ ইয়াৰ উৎকৃষ্ট চানেকি।

তেখেত হাড়ে হিমজুৱে এজন অসমীয়া আছিল আৰু তেখেতৰ সকলো লেখাতে এইটো ফুটি উঠিছে। তেখেতৰ পুতেক মামুনুল ৰছিদ হাজৰিকাই দেউতাকৰ শত বাৰ্ষিকী স্মৃতি গ্ৰন্থত উল্লেখ কৰাৰ দৰে সাহিত্য সভাৰ 'চিৰ চেনেহী মোৰ ভাষা জননী' কথাষাৰে তেখেতক বৰকৈ আকৰ্ষণ কৰিছিল। সেইদৰে মহাপুৰুষ শঙ্কৰদেৱৰ 'এক দেউ এক সেউ এক বিনে নাই কেউ' বাণীটিয়েও তেখেতৰ মনত মচিব নোৱাৰা সাঁচ বহুৱাইছিল। শঙ্কৰদেৱৰ তিথিলৈ তেখেত প্ৰায়ে গৈছিল আৰু সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। "অসমৰ মানুহৰ মাজত সম্প্ৰীতিৰ এনাজৰীডাল মজবুত হোৱাটোতো তেখেতে গুৰুত্ব আৰোপ কৰিছিল। ধৰ্ম্মৰ নামত ভাৰতবৰ্ষত বৈষম্যই যাতে দেখা দিব নোৱাৰে তাৰ বাবে সকলোকে সজাগ হৈ থাকিবলৈ আহ্বান জনাইছিল"। (কিৰণ চন্দ্ৰ মেছ, অভিলেখ, অসম সাহিত্য সভা, ২০০১) ইছলামী ধৰ্ম্ম গ্ৰন্থৰ ওপৰিও হিন্দু আৰু আন ধৰ্ম্মৰ সকলো শাস্ত্ৰ গভীৰ ভাবে অধ্যয়ন কৰি আলোচনা কৰিছিল আনকি জেলৰ কয়দী সকলকো আধ্যাত্মিক উপদেশ দিছিল। ডিব্ৰুগড়ৰ প্ৰায় সকলোবোৰ অনুষ্ঠানৰ লগতে তেখেত জড়িত আছিল আৰু ডিব্ৰুবাসীৰ শ্ৰদ্ধা ভাজন আছিল। এইখিনিতে

আমি শিৱসাগৰৰ শ্ৰী প্ৰফুল্ল কুমাৰ বেজবৰুৱাদেৱৰ লগত ২০০৭ চনৰ এটা সাক্ষাতকাৰৰ কথা উল্লেখ কৰিব খুজিছো। তেখেতে মফিজুদ্দিন আহমদ হাজৰিকা ডাঙৰীয়াৰ ভূয়সী প্ৰশংসা কৰিছিল। তেখেতে কৈছিল সৰু কালতে স্কুলীয়া জীৱনত শিৱসাগৰৰ এখন সভাত মফিজুদ্দিন আহমদ হাজৰিকাই দিয়া প্ৰায় ২ঘণ্টা জোৰা শুদ্ধ সংস্কৃত শ্লোক আৰু কোৰাণৰ আৰবী আয়াত সম্বলিত বক্তৃতা শুনি অভিভূত হৈ বেজবৰুৱাদেৱে মফিজুদ্দিন আহমদ হাজৰিকাৰ চৰণ চুই সেৱা কৰিছিল।

"অসম সাহিত্য সভাই কবি মফিজুদ্দিনৰ স্মৃতিত তেখেতৰ জন্ম শতবাৰ্ষিকী উৎসৱ ১৯৭০ চনত উদ্‌যাপন কৰি অসম সাহিত্য সভাই নিজে গৌৰৱান্বিত হোৱাৰ লগতে ডিব্ৰুগড়বাসীকো সন্মানিত কৰিলে"। (লক্ষ্মী প্ৰসাদ দত্ত, সভাপতি, অভ্যৰ্থনা সমিতি)

মফি জুদ্দিন আহমদ হাজৰিকা আজি নাই কিন্তু তেখেতে বিশ্ব খনিকৰৰক মানুহৰ মাজত ৰাখি থৈ গৈছে। জ্ঞান মালিনীৰ উপৰিও তেখেতৰ আন দুখন পুথি 'তত্ত্ব পাৰিজাত' আৰু 'মালিনীৰ বীণ' অসম সাহিত্য সভাৰ সভাপতিৰ ভাষণ আদিত এই শত বাৰ্ষিকীৰ সময়তে পুনৰ পোহৰলৈ আহে।

"তেখেতৰ কবিতাৰ ভাষা যেনে সহজ, সৰল অসমীয়া আছিল সেইদৰে তেখেতৰ সাজ পোচাকো পৰিপাটি আছিল, অন্তৰ খনো নিকা আছিল"। (স্মৃতিগ্ৰন্থ) তেখেতে অসমীয়া সাম্প্ৰদায়িক সম্প্ৰীতিৰ ওপৰত গুৰুত্ব দিছিল। সকলো সম্প্ৰদায়ৰ মানুহ তেখেতৰ ওচৰলৈ আহিছিল। তেখেতে লেখনি আৰু কামৰ যোগেদি অসমৰ সম্প্ৰীতিৰ এনাজৰী ডাল মজবুত কৰিছিল, সেয়ে তেখেতৰ অসমীয়া সাহিত্য আৰু জাতীয় জীৱনৰ প্ৰতি যি অৱদান সেইয়া স্থায়ী হৈ ৰ'ব।❖

---

(মফিজুদ্দিন আহমদ হাজৰিকা ডাঙৰীয়াৰ জীৱনীৰ সমলবোৰ তেখেতৰ ভতিজা জিয়ৰী জাহানাৰা হাজৰিকাই গোটাই দিয়াৰ বাবে তেখেতক ওচৰত আমি কৃতজ্ঞ)।

# মোহাম্মদ সোলেইমান খাঁ

সংকলক - কমৰুজ্জামান আহমদ

এবাৰ পঢ়িলে মনত থাকি যোৱা কেইটামান কবিতা লিখি মানুহৰ মন মতলীয়া কৰা মানুহজন হ'ল মোহাম্মদ সোলেইমান খাঁ। তেখেতৰ 'নোৱাৰো কথাটি হেৰা বোপা বেয়া কথা বৰ কদাপি নহয় সিটো কথা পুৰুষৰ' এটা কালজয়ী আৰু চিত্তাকৰ্ষক কবিতা। তেনেকৈ তেখেতে লিখিছিল--

"ৰাতিপুৱা হল উঠা সোণ ফেৰি
উঠা গিৰিসাই ঢাৰি পাটী এৰি
নুশুবা নুশুবা উঠা তপৰাই
এতেপৰে কেও শুই থকা নাই"

এনে ধৰণৰ মনত ৰৈ যোৱা কেইবাটাও কবিতাৰে 'কবিতা পুথি আগছোৱা' নামেৰে এখন সৰু কিতাপ তেখেতে ছপাইছিল। এইয়া আগষ্ট ১৯০২ চনৰ কথা। তাত ৩৪ টা কবিতা আছিল আৰু শেষৰ কবিতাটোৰ নাম আছিল 'জোনাক নিশা'। তাৰ মাজছোৱা আৰু শেষছোৱা প্ৰকাশ নহল। ১৯০৫ চনত 'ঈশ্বৰলৈ সেৱা' বুলি এটা নতুন কবিতাৰ সংযোজনেৰে ইয়াৰ চতুৰ্থ তাঙৰণ প্ৰকাশ পায়। কবিতা পুথিখন অসমৰ শিক্ষা বিভাগে পাঠ্য পুথি হিচাপেও মনোনীত কৰিছিল। তেখেতে 'মতিৰ যোকা' নামৰ ইছলামী ভাৱধাৰাৰ এখন পুথিও লিখিছিল আৰু দুবছৰ তেখেতে 'প্ৰচাৰক'ৰ সম্পাদক আছিল। কিতাপৰ ব্যৱসায়ৰ কাৰণে তেখেতে ডিব্ৰুগড়ত মোখলেচীয়া এজেন্সী খুলিছিল।

১৮৭০ চনত সোলেইমান খাঁৰ জন্ম হয়। তেখেতৰ পিতৃক নাম জান মোহাম্মদ খান। তেখেত সকলৰ পুৰ্ব্বপুৰুষ ভাৰতৰ পশ্চিম দিশৰ কাবুলৰ ফালৰ লোক আছিল । সেই পূৰ্ব্বপুৰুষ গৰাকী খুবসম্ভৱ পূৰ্ব্ববঙ্গ হৈ অসমত প্ৰবেশ কৰিছিল আৰু উজনি অসমত থিতাপী লৈছিল। তেখেত্ৰ পৰিয়ালটো শিৱসাগৰত স্থায়ী ভাবে থাকিবলৈ লৈছিল কিন্তু তাত থাকোতে তেখেতৰ এজন ভায়েকৰ নাদত পৰি মৃত্যু হোৱাত তাৰ বেজাৰতে তেখেত সকল ডিব্ৰুগড়লৈ উঠি আহিছিল আৰু আমোলাপট্টিত ঘৰবাৰী কৰি স্থায়ী ভাবে থাকিবলৈ লৈছিল।

পাঠান বংশজ হলেও অসমৰ মাটি পানী গচকি অসমীয়া ভাষা সংস্কৃতিৰ সংস্পৰ্শলৈ আহি পৰিয়ালটো জাতে পাতে অসমীয়া হৈ পৰিছিল আৰু এই পাঠান সন্তান জনে অসমীয়া কাব্য সাহিত্যলৈ যি কণ অৱদান আগবঢ়াই থৈ গ'ল তাক অসমীয়া কাব্য প্ৰেমী মাত্ৰেই আজিও শ্ৰদ্ধাৰে সোঁৱৰে। (তেখেতৰ কবিতা পুথিখন সম্প্ৰতি ইমৰাণ হুছেইনৰ সম্পাদনাত ২০০৯ চনত পুনৰমুদ্ৰিত কৰি ৰৌশন আৰা শিক্ষা ন্যাসে প্ৰকাশ কৰিছে। )

সোলেইমান খাঁ বৃত্তিত শিক্ষক আছিল আৰু কৰ্ম্ম উপলক্ষে ডিব্ৰুগড়, নগাওঁ আদি অসমৰ নানা ঠাইত শিক্ষকতা কৰাৰ উপৰিও শিৱসাগৰৰ ঐতিহ্য মণ্ডিত এম. ভি. স্কুলত ১৯১৩ চনৰ পৰা ১৯১৭ চনলৈকে হেডমাষ্টৰ আছিল। তেখেতে সংস্কৃত, অসমীয়া আদি বিষয় পঢ়াইছিল। শিক্ষক হিচাপে তেখেতৰ অনুশাসন অতি কঠোৰ আছিল যদিও ছাত্ৰ সকলৰ প্ৰতি তেখেত মৰমিয়াল আছিল। বহুতো দুখীয়া ছাত্ৰক নিজৰ ঘৰত ৰাখি পঢ়াৰ ব্যৱস্থা কৰিছিল।

১৯৩৫ চনত তেখেতৰ মৃত্যু হয়।❖

---

তথ্য পঞ্জীঃ (১) আমি তেখেতসকলক পাহৰি গলো ঃ প্ৰফুল্ল বেজবৰুৱা প্ৰান্তিক ১-১৫ মাৰ্চ ২০০৫।

(২) অসমৰ মুছলমান সকলঃ আবদুৰ ৰহমান

(৩) চোলেমান খাঁ - এজন পাঠান অসমীয়া ঃ ইমৰাণ হুছেইন, প্ৰান্তিক ১৬-৩০, নবেম্বৰ ২০০৮ চন।

# কুতুবউদ্দিন আহমদ

শ্বাহনাজ আহমদ

খান বাহাদুৰ কুতুবউদ্দিন আহমদ চাহাবৰ জন্ম ১৮৭২ চনত নগাওঁ জিলাৰ পুৰণি গুদামত । তেখেতৰ পিতাকৰ নাম আছিল চুজাউদ্দিন আহমদ তেখেত নগাওঁ বাৰ এচোচিয়েচনৰ উকীলৰ লাইচেন্স পোৱা সদস্য আছিল। ইং ১৯১০ চনত তেখেতক দিল্লী দৰবাৰলৈ আমন্ত্ৰণ জনোৱা হৈছিল তাত তেখেতক সেই সময়ৰ বৃটিছ চৰকাৰে CIE (Companion of Indian Emperor) উপাধি প্ৰদান কৰিছিল। তেখেত ১৯২৩ চনত অসমৰ গভৰ্ণৰৰ কাউন্সিলৰ সদস্য নিযুক্ত হৈছিল, আৰু ১৯২৪-২৫ চনত 'জুদিচিয়েল মেম্বাৰ অৱ দি গভৰ্ণৰ অৱ আসাম'ত নিযুক্ত হৈ পাঁচ বছৰকাল কাৰ্য নিৰ্বাহ কৰিছিল। তেখেত সাময়িক ভাৱে অসমৰ ভাৰপ্ৰাপ্ত গভৰ্ণৰো আছিল। তেখেত নগাওঁ জিলাৰ লোকেল বৰ্ডৰ চেয়াৰমেন হিচাপেও কাৰ্য নিৰ্ব্বাহ কৰিছিল।পাছলৈ তেখেতে চাহ খেতিত মনোনিবেশ কৰিছিল আৰু নিজকে এজন প্ৰখ্যাত চাহ খেতিয়ক হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছিল। তেখেতে প্ৰতিষ্ঠা কৰা শুকানজুৰি আৰু বঢ়মপুৰ চাহ বাগিচা আজিও সগৌৰৱে বিদ্যমান। ১৯৫১ চনত ৭৯ বছৰ বয়সত এই বহুল প্ৰতিভাধৰ ব্যক্তিজনৰ নগাৱঁৰ জেইলৰ পিছফালে থকা নিজা বাসগৃহত পৰলোক প্ৰাপ্তি হয়। পাছলৈ তেখেতৰ প্ৰতি সন্মান জনাই নগাওঁ জিলা কৰ্ত্তৃপক্ষই তেখেতৰ বাস গৃহৰ সন্মুখৰ পথছোৱা তেখেতৰ নামেৰেই নামকৰণ কৰে।❖

(লেখিকা আহমদ চাহাবৰ নাতি বোৱাৰী আৰু অন্য এগৰাকী নাতি বোৱাৰী আয়েশ্বা আহমদৰ সৌজন্যত)

# ফৈজনুৰ আলি

ৰৌছনআৰা বেগম



প্ৰখ্যাত মুক্তিযোদ্ধা (স্বাধীনতা যুজাৰু), আইনবিদ আৰু ৰাজনীতিবিদ ফৈজনুৰ আলি চাহাবৰ জন্ম ডিব্ৰুগড় নগৰত। সেই দিনটো আছিল ২ এপ্ৰিল ১৮৭৭ চন।

তেখেতৰ উপৰি পুৰুষ সকল যোৰহাটৰ ভোগদৈমুখ নিবাসী আছিল। চিপাহী বিদ্ৰোহৰ সময়তে ১৮৫৭ চনত তেখেতৰ পিতৃ হাজী ফাননুৰ আলি আৰু মাক আলহাজ্জা জৰচানি বিবিয়ে যোৰহাটতৰ পৰা ডিব্ৰুগড়লৈ উঠি আহে। হাজী ফাননুৰ আলি তিনিখন বিদেশী কোম্পানীৰ চাহ বাগিচাৰ মেনেজাৰ আছিল আৰু নিজাকৈ তেখেতৰ বন্দুক বাৰুদৰ ব্যৱসায় আছিল। হাজী ফাননুৰ আলিৰ বিষয়ে শ্ৰী নীলমণি ফুকন ডাঙৰীয়াই (প্ৰাক্তন সভাপতি অসম সাহিত্য সভা) মফিজুদ্দিনৰ স্মৃতিগ্ৰন্থত এইদৰে উল্লেখ কৰিছিল “স্বাধীনতা আন্দোলনৰ অগ্ৰণী নেতা ফৈজনুৰ আলিৰ পিতৃ দেৱতা ফন্নুৰ আলি চাহাব পুতেকৰ দৰেই স্বল্পভাষী, আপোন ভাৰত থকা লোক আছিল। সাজে পাৰে দেখনিয়াৰ লোক আছিল। সেইকালত পুৰণি বজাৰত যোৰহাটীয়া পট্টীত আৰু খোদ বজাৰৰ একৰকম মাজ মজিয়াত থকা বঙালী থিয়েটাৰ আৰু ব্ৰহ্ম সমাজৰ পশ্চিমে গাতে লাগি থকা এই কেইঘৰ মুছলমান পৰিয়াল প্ৰমুখ্যে সকলো ঘৰ মুছলমান হিন্দু পৰিয়ালৰ লগত জাতত ভেদভাৱ ৰাখি চলিছিল কিন্তু জাতি হিচাপে স্বপ্নতো হাড়ে হিমজুৰে অসমীয়াৰ বাহিৰে আন বুলি ভৱা নাছিল।” এই উক্তিটোৰ পৰাই ফৈজনুৰ আলি

চাহাবে কেনে পৰিৱেশত ডাঙৰ হৈছিল আৰু দেশৰ হকে কাম কৰিবলৈ উদ্‌গনি পাইছিল বুজিব পাৰি।

ফৈজনুৰ আলি চাহাব এজন মেধাৱী আৰু কৃতী ছাত্ৰ আছিল। ১৮৯৩ চনত তেখেতে প্ৰথম বিভাগত জলপানী লৈ ডিব্ৰুগড়ৰ চৰকাৰী লৰাৰ ইংৰাজী উচ্চ বিদ্যালয়ৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয় (বৰ্ত্তমান ডিব্ৰুগড়ৰ বইজ হাইয়াৰ চেকেণ্ডাৰী স্কুল)। তেখেতে কলিকতাৰ ইছলামীয়া কলেজৰ পৰা এফ, এ পৰীক্ষা পাছ কৰি প্ৰেচিডেন্সী কলেজত ভৰ্ত্তি হয়। তাৰ পৰা সুখ্যাতিৰে ১৮৯৭ চনত বি, এ পৰীক্ষা পাছ কৰে। তেখেতে কলিকতাৰ ৰিপন কলেজৰ পৰা বি, এল পৰীক্ষা ১৯০৪ চনত পাছ কৰি কলিকতা বিশ্ববিদ্যালয়ত এম, এ পৰীক্ষাৰ বাবে ভৰ্ত্তি হয় যদিও স্বাস্থ্যাজনিত কাৰণত শেষ পৰীক্ষাটো দিবলৈ অপৰাগ হয়। তেখেতে ডিব্ৰুগড় কাছাৰীতে ১৯০৫ চনৰ পৰা ওকালতি আৰম্ভ কৰে আৰু ১৯২৪ লৈকে ডিব্ৰুগড়ৰ এগৰাকী নামজ্বলা উকিল বুলি জনাজাত হয়। ইতিমধ্যে তেখেতক চৰকাৰী উকিলো মনোনীত কৰা হয়। লগে লগে তেখেতে ডিব্ৰুগড়ৰ সকলো ধৰণৰ জন হিতকৰ কামত জড়িত হৈ পৰে আৰু দেশ সেৱা তেখেতৰ বাবে এটি ব্ৰত হৈ পৰে। তেখেতে চৰকাৰী উকিলৰ পদ ইস্তফা দিয়ে আৰু এই বাবটি ৰায়বাহাদুৰ সদানন্দ দুৱৰা ডাঙৰীয়াক সপি দিয়ে। তেখেতে ডিব্ৰুগড় মিউনিচিপাল বৰ্ডৰ ৱাৰ্ড কমিচনাৰ হিচাপে কাম কৰি পাছত ইয়াৰ চেয়াৰমেন হয়। তেখেত ডিব্ৰুগড় লোকেল বৰ্ডৰো মেম্বাৰ আছিল। ফৈজনুৰ আলি “কমিউনেল ৰাইয়ত ইনকুৱাৰী কমিচন”ৰ তিনি গৰাকী সদস্যৰ এগৰাকী আছিল আৰু ইয়াৰ চেয়াৰমেন আছিল কলিকতা উচ্চ ন্যায়ালয়ৰ মাননীয় ন্যায়াধীশ মুখাৰ্জী। দেশ বিভাজনৰ সময়ত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ অনুসন্ধান কৰিবৰ বাবে এই কমিচন নিয়োগ কৰা হৈছিল। তেখেত Preventive Detention Act ৰ কেচ পৰ্য্যালোচনা কৰা উপদেষ্টা বৰ্ডৰ চেয়াৰমেনো আছিল।

তেখেতে ১৯৩৭ চনৰপৰা ১৯৪২ চনলৈকে অসম পাব্লিক চাৰ্ভিচ কমিচনৰ সভ্য আছিল। শিক্ষাৰ প্ৰচাৰৰ বাবেও তেখেতৰ অৱিহণা লেখত লবলগীয়া। অসমত প্ৰথম মেডিকেল কলেজ স্থাপনৰ সময়ত তেখেত ইয়াৰ লগত আৰম্ভণিৰ পৰাই জড়িত আছিল আৰু ১৯৪৮ চনত প্ৰতিষ্ঠিত হোৱা

Governing Bodyৰ চেয়াৰমেন আছিল। আনকি ডিব্ৰুগড়ৰ শিক্ষা অনুষ্ঠান প্ৰায় সকলোতে তেখেত জড়িত আছিল আৰু কানৈ কলেজৰ Governing Body ৰো সদস্য আছিল। অসমৰ ৰাজনীতিত বিশেষকৈ স্বাধীনতা আন্দোলনত ফৈজনুৰ আলি চাহাবৰ বৰঙণি লেখত লবলগীয়া। তেখেত ১৯০৩ চনত স্থাপিত Assam Associationৰ প্ৰতিষ্ঠাপক সদস্য আছিল। তেখেতে আন সদস্য সকলৰ সৈতে সত্যাগ্ৰহ আন্দোলনত আগভাগ লৈছিল। তেখেত এজন অক্লান্ত কংগ্ৰেছ কৰ্মী আছিল। তেখেতে ১৯২০ চনৰ নাগপুৰত আৰু ১৯২১ চনত আহমদাবাদত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ বছৰেকীয়া সভাত অসমৰ হৈ যোগদান কৰিছিল। তেখেত ১৯২৬ চনত শ্ৰীনিবাস আয়েঙ্গাৰৰ সভাপতিত্বত বহা পাণ্ডু অধিবেশনত আদৰণি সভাৰ সদস্য আছিল।

মহাত্মা গান্ধীৰ আহ্বান ক্ৰমে তেখেতে ১৯২১ চনৰ পৰা সক্ৰিয় অসহযোগ আন্দোলনত নামি পৰে আৰু গান্ধীজীৰ নীতি মানি চলে। দেশবন্ধু চিত্তৰঞ্জণ দাসৰ নেতৃত্বত "স্বৰাজ দল" গঠন হোৱাৰ পাছত ফৈজনুৰ আলি চাহাবে তাত যোগ দিয়ে আৰু এই দলৰ পৰা প্ৰতিদ্বন্দিতা কৰি "আচাম লেজিছলেটিভ কাউনচিল" লৈ মনোনীত হয়। তেখেতে শিৱসাগৰ-লক্ষীমপুৰ মুছলিম সমষ্টিৰ পৰা ১৯২৪-২৭ চনত নিৰ্ব্বাচিত হৈছিল। পুনৰ ১৯২৯ চনতো আকৌ নিৰ্ব্বাচিত হৈছিল। "১৯২৪ খৃঃৰ ২৫ মাৰ্চৰ দিনা অসমৰ বৃটিছ প্ৰশাসনৰ নীতি নিৰ্ণয়কাৰী এই সভাকক্ষতে ফৈজনুৰ আলি চাহাবে উদ্দাত্ত কণ্ঠে এখন পূৰ্ণ দায়িত্বশীল চৰকাৰ গঠনৰ দাবী তুলি পোন প্ৰথম প্ৰস্তাৱ এটা দাঙি ধৰিছিল। সেই সময়তে তেওঁ আছিল স্বৰাজিষ্ট নেশ্যনেলিষ্ট ইণ্ডিপেণ্ডেণ্ট কোৱালিশ্যন পাৰ্টিৰ দলপতি। দৰাচলতে অসমৰ স্বৰাজ প্ৰতিষ্ঠাৰ সেয়ে আছিল প্ৰথম ৰ'দ কাঁচিয়লি। ফৈজনুৰ আলিৰ অকাট্য যুক্তিত বৃটিছ চৰকাৰেও সেও মানি তেতিয়াৰ প্ৰস্তাৱিত ডিভিজনেল কমিচনাৰৰ পদটো বাতিল কৰিবলৈ বাধ্য হৈছিল।' (অসমৰ মুছলমান, আব্দুৰ ৰহমান।) তেখেত Assam Legislative Councilৰ প্ৰথম অসমীয়া অধ্যক্ষ আছিল। সেইয়া আছিল ১৯২৯ ৰ পৰা ১৯৩৭ চনলৈকে। তেখেতে চৰকাৰৰ ফালৰ পৰা অনুমোদিত প্ৰাৰ্থী মৌলবী কেৰামত আলি চাহাবক পৰাজিত কৰি এই প্ৰতিদ্বন্দিতাত জয়ী হৈছিল। ইয়াৰ আগতে এই অধ্যক্ষৰ পদটি মাত্ৰ বৃটিছ নাগৰিকেহে দখল কৰিছিল। তেখেতে ১৯৩২ চনত চিমলাত

হোৱা সৰ্ব্ব ভাৰতীয় অধ্যক্ষ সম্মিলনত অসমৰ হৈ প্ৰতিনিধিত্ব কৰিছিল। ১৯৪৬ চনত তেখেত Constituent Assemblyৰ মেম্বাৰ হয়। ১৯৫০ চনত তেখেতে কংগ্ৰেছ পাৰ্টিৰ প্ৰাৰ্থী হিচাপে পাৰ্লিয়ামেণ্টলৈ মনোনীত হয়।

হৰিজন সকলৰ বাবে ধন সংগ্ৰহ কৰিবলৈ ১৯৩২ চনত জাতিৰ পিতা মহাত্মা গান্ধী ডিব্ৰুগড়লৈ আহোতে ফৈজনুৰ আলি চাহাবৰ থিয়েটাৰপাৰাৰ বাস ভৱনতে সেই সময়ৰ চাহ বাগানৰ মেনেজাৰ সকলক পত্নী সহ আৰু ডেপুটি কমিচনাৰক লগ কৰিছিল। সেই সময়ৰ গভৰ্নৰ চাৰ ৰবাৰ্ট ৰীড্ চাহাবৰ অনুৰোধ ক্ৰমে ফৈজনুৰ আলি চাহাবে এই মেলৰ আয়োজন কৰিছিল।

১৯৩৩ চনত লৰ্ড আৰউইন চাহাব তেতিয়াৰ ভাৰতৰ Viceroy আৰু Governor General যোৰহাটৰ চীনামৰা বাগানলৈ আহোতে তেখেতৰ লগত আহাৰ গ্ৰহণ কৰি দেশত ৰাজনৈতিক অৱস্থাৰ আলোচনা কৰিছিল। তেতিয়াৰ অসমৰ গভৰ্নৰ চাৰ ৰবাৰ্ট ৰীড চাহাব আৰু বিহাৰৰ ভাৰতীয় গভৰ্নৰ লৰ্ড সিংহ আৰু তেখেতৰ পত্নী লেডী সিংহই তেখেতৰ ডিব্ৰুগড়ৰ বাসভৱনত অলপ সময় কটাইছিল।

এটা সময়ত মুছলমান সমাজত কিছুলোকে তেখেতক কংগ্ৰেছ বাদ দি মুছলিম লীগত যোগ দিবলৈ টানি ধৰিছিল। কিন্তু তেখেতে নিজৰ গান্ধীবাদী নীতিত অটল হৈ থাকিল আৰু মুছলমান সমাজৰ পৰা প্ৰায় এৰা পৰাৰ দৰে হৈছিল। কিন্তু তেওঁলোকেও নিজৰ ভুল বুজিব পাৰি তেখেত যে সিবিলাকৰ শুভাকাঙ্খী গম পাই পুনৰ তেখেতক সমাজৰ এজন বুলি আকোঁৱালি লয়। এইয়া তেখেতৰ চৰিত্ৰ আৰু নৈতিক উদাৰ নীতিৰ জয় আছিল।

তেখেত পৱিত্ৰ কোৰআন শ্বৰীফৰ দ্বাৰা প্ৰভাৱিত হৈছিল। তেখেতে কৈছিল 'মানুহে যদি আল্লাক পৱিত্ৰ অন্তৰৰে উপসনা কৰে তেখেতও মানুহৰ প্ৰাৰ্থনা গ্ৰহণ কৰিব। তেখেতক যি নামেৰে নামাতো কিয় তেখেত 'এজন'। তেখেতে বিশ্বাস কৰিছিল যে জ্ঞান আৰু শিক্ষাৰ অভাৱতে মানুহৰ মনৰ গণ্ডী ঠেক হৈ যায় আৰু তেতিয়াই মানুহৰ মাজত সংঘাত আৰম্ভ হয়। তেখেতে ভাগৱত গীতা আৰু উপনিষদো অধ্যয়ন কৰিছিল। তেখেতে বিশ্বাস কৰিছিল যে সকলো ধৰ্ম্মৰ প্ৰতি শ্ৰদ্ধা আৰু বুজা-পৰা থাকিলে এখন নতুন সমাজ গঢ়িব পাৰি।

তেখেতে আমন্ত্ৰণ পোৱা সকলো ধৰ্ম্মীয় অনুষ্ঠানতে যোগ দিছিল। তেখেত ডিব্ৰুগড়ৰৰ ওম বাবাৰ  আশ্ৰমৰ লগতো জড়িত আছিল আৰু তেখেতক  মানুহে বাবা বুলিয়েই সম্বোধন কৰিছিল। ওম বাবা পৱিত্ৰ কোৰআনৰ Analysisৰ দ্বাৰা অভিভূত হৈছিল। আশ্ৰমৰ নিবাসী সকলেও তেখেতক ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল। আশ্ৰমত থকা প্ৰসিদ্ধ পণ্ডিত ডাঃ যোগীৰাজ বসুৰ লগতো ফৈজনুৰ আলি চাহাবে শিক্ষা বিষয়ক আলোচনা কৰিছিল। তেখেতে সদায় খাদী বস্ত্ৰ পৰিধান কৰিছিল। এটি জহৰ কোট, এটা গান্ধী টুপী আৰু এযোৰ পামচু জোতা তেখেতৰ পৰিধানৰ বস্তু আছিল আৰু এডাল লাঠী লৈ ফুৰিছিল। তেখেত মিতভাষী আছিল। জুখি মাখি কথা কৈছিল। বক্তৃতা দিলেও সকলোৱে বুজি পোৱা ভাষাত দিছিল। তেখেতে অসমীয়া, বঙালী, হিন্দী, উৰ্দ্দু, ইংৰাজী সলসলীয়াকৈ কব পাৰিছিল। আৰবী আৰু ফাৰ্চী ভাষাতো বুৎপত্তি আছিল। তেখেতে খুব অধ্যয়ন কৰিছিল। তেখেতৰ এটা ব্যক্তিগত পুথি ভড়াল আছিল। তেখেতে সদায় দীনপঞ্জী লিখিছিল।

এখেত বৰ অমায়িক আৰু সাধু পুৰুষ আছিল আৰু সৰল জীৱন যাপন কৰিছিল। সৰু ডাঙৰ সকলোকে সম ব্যৱহাৰ কৰিছিছিল। সৰু ল'ৰা-ছোৱালীক বৰ ভাল পাইছিল। তেখেতে তিতাবৰৰ জিন্নুৰ আলি বৰদলৈ মৌজাদাৰৰ প্ৰথমা কন্যা আইদেউক বিয়া কৰাইছিল।

এই জাতীয়তাবাদী সমাজ কৰ্ম্মী গৰাকীয়ে ৮৫ বছৰ বয়সত ডিব্ৰুগড়ত নিজৰ বাসভৱনত ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত তেখেতে পাঁচজন পুতেক আৰু তিনি গৰাকী কন্যা সহ বহুতো আপোন পৰিয়ালৰ লোক এৰি যায়।❖

---

(ফৈজনুৰ আলিৰ নাতিনী ৰৌছনআৰা বেগমৰ লিখাৰ অনুবাদ, মাত্ৰ নীলমনি ফুকন ডাঙৰীয়াৰ উক্তিটো আৰু আব্দুৰ ৰহমান চাহাবৰ উক্তিটো নিজৰ ফালৰপৰা তুলি দিয়া হৈছে--- দেবিৰা চুলতানা আহমদ)।

(ফৈজনুৰ আলিৰ আলোকচিত্ৰ মীৰ আচিক হুছেইনৰ সৌজন্যত পোৱা।)

# মহম্মদ নজৰ আলি পণ্ডিত

সংকলক ঃ দেবিৰা চুলতানা আহমদ



'মোৰ জীৱনৰ কিছু কথা'ৰ প্ৰণেতা মহম্মদ নজৰ আলি পণ্ডিতৰ জন্ম ১৮৭৮ চনত। জন্ম স্থান তুৰাই বা ঘোৰাশাল নামৰ মঙ্গলদৈ অঞ্চলৰ এখন গাওঁ। দেউতাকৰ নাম আছিল শনিৰুদ্দিন আৰু মাতৃ মৰিয়ম বিবি।

'কিছু কথা'ৰ 'এযাৰ মোৰ কথা'ৰ লিখক এম, ইব্ৰাহিম আলি ডাঙৰীয়াৰ মতে 'এইখন উপন্যাস নহয় কিন্তু অসমীয়াৰ নিঃকিন ছাত্ৰ হিচাবে কব পাৰো যে এই লেখীয়া সাহিত্যৰ চানেকি অসমীয়া ভাষাত বিৰল, আঙুলি মূৰত লেখিবলৈকে নাটে'। এই একে কথাকে সু-সাহিত্যিক, গৱেষক আব্দুছ ছাত্তাৰ চাহেবেও দোহাৰিছে. তেখেতৰ মতে এইখনি এখন অমূল্য গ্ৰন্থ। নিজৰ জীৱন কাহিনী হ'লেও, যি খন লিখিবলৈ তেখেতে প্ৰায় ২৫ বছৰ লিখা নিলিখাৰ দোমোজাত ভূগিছিল আৰু পাছত ভবিষ্যতৰ প্ৰজন্মৰ বাবে লিখি থৈ গ'ল, ই এটি আপুৰুগীয়া সম্পদ। এই গ্ৰন্থখনিত এটা বিশেষ সময়ৰ, উনবিংশ শতিকাৰ শেষৰ ফালৰ আৰু কুৰি শতিকাৰ প্ৰথম পাঁচ দশকৰ এখন ছবি ডাঙি ধৰিছে। ই এখন বৃহত্তৰ পথৰুঘাটৰ সামাজিক ইতিহাস । 'ইয়াতেই সোমাই আছে চাহ বাগানৰ ইতিবৃত্ত মঙ্গলদৈয়া মুছলমান সমাজৰ জীৱনৰ এখন প্ৰামাণ্য দলিল আৰু হিন্দু মুছলমানৰ সামাজিক সহ-অৱস্থানৰ সুন্দৰ প্ৰতিকৃতি',(অসমৰ মুছলমান সকল ঃ আব্দুৰ ৰহমান) । ইয়াত আছে নিজৰ

ব্যক্তিগত জীৱনৰ লগত জড়িত পুৰুষ মহিলা সকলৰ একোখন জীৱন্ত ছবি । নিজৰ পৰিয়ালৰ লোক সকলৰ উপৰিও তেখেতৰ ৰচনাৰ যোগেদি আৰু কেইগৰাকী মান যেনে দীনমালা আইতা, মঃ দোভণ্ড বঢ়া, আমিৰুদ্দিন মৌজাদাৰ আদিৰ চৰিত্ৰ চকুৰ আগত ভাহে।

তেখেতৰ দেউতাক শনিৰুদ্দিনে কিছু লিখা পঢ়া জানিছিল। শিক্ষাৰ প্ৰতি ধাউতি আছিল প্ৰচুৰ। ঘৰৰ সন্মুখত প্ৰাথমিক স্কুল পাতি নিজৰ লগতে ওচৰ চুবুৰীয়াৰ ল'ৰা ছোৱালীকো শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। গধুলি নিজৰ দুই পুত্ৰ কাছিম-নজৰৰ উপৰিও ওচৰ-চুবুৰীয়াৰ ল'ৰা ছোৱালীকো 'কোৰাণ শ্বৰীফ' পঢ়িবলৈ শিকাইছিল। তেখেত সকলৰ সৰুতে মাতৃ বিয়োগ হোৱা বাবে মাহীমাকৰ যাতনা ভুগিব লগীয়া হৈছিল। ল'ৰালিৰ পৰা দুখ, বেদনাৰে ভৰপুৰ আছিল নজৰ আলিৰ জীৱন। এই অভিজ্ঞতাৰে পৰিপূৰ্ণ কাহিনীয়ে আছিল 'মোৰ জীৱনৰ কিছু কথা'ৰ বিষয় বস্তু। 'প্ৰত্যেকটো কাহিনী বৰ্ণনাত লিখকৰ ভাষা বৰ আবেগময়ী আৰু প্ৰাণস্পৰ্শী তাত আন্তৰিকতাৰে নীৰৱ সাধনা নিহিত হৈ পৰিছে'। এই লেখনি 'বাস্তৱ আৰু সত্য বৰ্ণনাৰ প্ৰকাশ মাত্ৰ।' (এম ইব্ৰাহিম আলি 'মোৰ কথা')। নজৰ আলি পণ্ডিতৰ কোনো বিশ্ববিদ্যালয়ৰ ডিগ্ৰী নাছিল। মাত্ৰ মজলীয়া স্কুলৰ শিক্ষা শেষ কৰি আৰু এক বছৰ মঙ্গলদৈ গুৰু ট্ৰেইনিং স্কুলৰ পৰা শিক্ষা গ্ৰহণ কৰি কুৰি বছৰ বয়সত কলাইগাঁও কটহি এল. পি. স্কুলত প্ৰধান শিক্ষক হিচাপে চাকৰিত সোমায়। তাৰ তিনি মাহৰ পাছতে ঘোৰাশাল স্কুললৈ বদলি হৈ আহে, আৰু পিছত ঘৰৰ ওচৰৰ বৰকলিয়াঝাৰ স্কুল পাইহি । এটা সময়ত তেখেতে ব্যাসপাৰা এল. পি. স্কুলত তেখেতৰ বন্ধু আৰু উপদেষ্টা ভূৱন চন্দ্ৰ গোস্বামী দেৱৰ অধীনত কাম কৰিছিল।

দেউতাক শনিৰুদ্দিনৰ মৃত্যুৰ কিছুদিনৰ পাছতে তেখেতে প্ৰথম পত্নী নিমাই খাতুনক বিয়া কৰে। কিন্তু ইয়াৰ কেইবছৰ মানৰ পাছতেই তেখেতৰ মৰমৰ পত্নীয়ে এটি কন্যা সন্তান এৰি থৈ চকু মুদে। তেখেতৰ কন্যা সন্তানটিয়ে আইতাক দীনমালা আৰু মাহীয়েক দেহৰীৰ লগ নেৰা হয়। সংসাৰ চলোৱা দুৰুহ হৈ পৰাত তেখেতে এই দেহৰীকে দ্বিতীয়া পত্নী হিচাপে ঘৰলৈ আনে। এই গৰাকীৰ ফালৰ পৰাই তেখেতৰ তিনি গৰাকী কন্যা আৰু দুজন পুত্ৰৰ জন্ম হয়। 'মোৰ জীৱনৰ

কিছু কথা' গ্ৰন্থখনি তেখেতে এই পক্ষৰ জীয়াৰী শ্ৰীমতী আজিজুন্নিচা খাতুনকে উচৰ্গা কৰি গৈছে। পুত্ৰ দুজন হ'ল যথাক্ৰমে ডাঃ এম আবিদ আলি আৰু আৰিফ আলি। এই বৰ পুত্ৰৰ চেষ্টাতে 'মোৰ জীৱনৰ কিছু কথা' কিতাপৰ ৰূপ লৈ ৰাইজৰ মাজলৈ ওলাই আহে। এখন মাত্ৰ গ্ৰন্থ লিখিয়েই যে মানুহ বিখ্যাত হব পাৰে তাৰ নজিৰ নজৰ আলি পণ্ডিত। ইয়াৰ আগতেই 'জ্ঞানমালিনী'য়েও মফিজুদ্দিন আহমদ হাজৰিকাক অমৰ কৰি গৈছে। তেখেতৰ দ্বিতীয় পুত্ৰ আৰিফ আলি চাহেব এজন অসম চৰকাৰক উচ্চ পদস্থ বিষয়া আছিল। তেখেত বৰ সাধু আৰু বিচক্ষণ বিষয়া আছিল। তেখেতে একে লেঠাৰিয়ে কেইবা বছৰো অসম লোক-সেৱা আয়োগৰ অধ্যক্ষ হিচাপে থাকি সেই পদৰ পৰা অৱসৰ লয়। এই আৰিফ আলিয়ে কেঁচুৱা থাকোতেই মাকক হেৰুৱাব লগীয়া হয়। এই শোকে নজৰ আলিক জুৰুলা কৰে। ইয়াৰ কেইবছৰ মানৰ পাছতে অতি মৰমৰ ককায়েক মহম্মদ কাছিমকো হেৰুৱাব লগা হয়। সেয়ে তেখেতৰ 'মোৰ জীৱনৰ কিছু কথা' তেখেতৰ জীৱনৰ ঘাত-প্ৰতিঘাতৰ করুণ কাহিনী আৰু কাহিনীবোৰক মেৰিয়াই আঁকা এখন সেই সময়ৰ সামাজিক চিত্ৰপট ।

জীৱনৰ বিয়লি বেলাত তেখেত নৈৰাশ্যত ভুগিছিল হবলা। তেখেতৰ ভাষাত - 'সিপুৰীৰ ডাক কোন মূহুৰ্ত্তত আহি পাই তাৰ ঠিক নাই। মই প্ৰস্তুত হৈয়েই আছো'। (অসমৰ মুছলমান সকল ঃ আব্দুৰ ৰহমান) তেখেতৰ ডাক আহিল ১৯৫৭ চনৰ ১৫ ফেব্ৰুৱাৰী শুক্ৰবাৰে । নিজৰ আপোন পৰিয়াল, হিন্দু মুছলমান সকলোকে ম্ৰিয়মান কৰি তেখেত গুচি গ'ল সিপুৰীলৈ।

প্ৰথম প্ৰকাশিত গ্ৰন্থখনি (১৯৬৯ চন) জীৱিত অৱস্থাত তেখেতে দেখা নাপালে। সেইখন প্ৰকাশ হৈছিল তেখেতৰ মৃত্যুৰ ১২ বছৰৰ পাছত । কিছুদিনৰ আগতে 'মোৰ জীৱনৰ কিছু কথা'ৰ মূল্য উপলব্ধি কৰি অসম সাহিত্য একাডেমীয়ে ইয়াৰ দ্বিতীয় সংস্কৰণ ২০০৯ চনত প্ৰকাশ কৰিছে। ❖

---

(১৯৬৯ চনত প্ৰকাশিত এসময়ত দুস্প্ৰাপ্য 'মোৰ জীৱনৰ কিছু কথা'কিতাপখন আজি কেইবছৰ মান আগতে নেচিমা আহমদে যোগাৰ কৰি দিছিল)।

আলোক চিত্ৰখন ড° ইৰশ্বাদ আলিৰ সৌজন্যত প্ৰাপ্ত ।

# মোহম্মদ শ্বাহ (মৌজাদাৰ)

দেবিৰা চুলতানা আহমদ

প্ৰাক স্বাধীন ভাৰতৰ এগৰাকী বিশিষ্ট ব্যক্তি আছিল গুৱাহাটীৰ হাজী মোহম্মদ শ্বাহ মৌজাদাৰ। এই গৰাকী মহান পুৰুষৰ জন্ম ১৮৮০ চনত এটি সম্ভ্ৰান্ত মুছলিম পৰিয়ালত। হাজী মোহম্মদ শ্বাহৰ বিষয়ে কিছু লিখাৰ আগতে তেখেতে যি পৰিয়ালত জন্ম লৈছিল তাৰ কিছু পৰিচয় দাঙি ধৰিব লাগিব। সেই পৰিয়ালটো অসমৰ এটা অন্যতম খিলঞ্জীয়া পৰিয়াল। তেখেতৰ পূৰ্বপুৰুষ পীৰ মোহম্মদ আলি আছিল এজন ফাৰ্চী ভাষাৰ নিপুণ পণ্ডিত। সেই সময়ৰ যি প্ৰচলিত মুছলমানৰ শিক্ষা আৰু সমাজ ব্যৱস্থা আছিল সেই পৰম্পৰা অনুযায়ী পণ্ডিত সকলে ফাৰ্চীৰ উপৰিও আৰবী ভাষা আৰু ইছলাম ধৰ্মৰ বিষয়তো পাণ্ডিত্য লাভ কৰিছিল। পীৰ মোহম্মদ আলি আজান পীৰ চাহাবৰ সম-সাময়িক লোক। দুয়ো একেলগেই সোতৰ শতিকাৰ মাজ ভাগত অসমলৈ আগমন কৰে। ফাৰ্চী ভাষাত জ্ঞান থকা বাবে তেখেতে আহোম ৰাজদৰবাৰত মোগল বাদশ্বাহৰ পৰা অহা চিঠিবোৰ অনুবাদ কৰি আহোম ৰজাক বুজাই দিছিল। ইতিমধ্যে তেখেতে অসমীয়া ভাষাটো আয়ত্ব কৰি লৈছিল বাবে এইয়া সম্ভৱ হৈছিল। ৰজাই তেখেতক মৰমতে ‘পোৱালী কাজী’ বুলি মাতিছিল আৰু অসমৰ এই ফাৰ্চী অনুবাদকৰ পৰিয়ালবোৰ পাছলৈ ‘ফাৰ্চী পঢ়ীয়া’ বুলি জনাজাত হৈছিল। তেখেতসকলে প্ৰথম অৱস্থাত গড়গাঁও আৰু নাজিৰাৰ ওচৰতে বসতি কৰিছিল।

পীৰ মোহম্মদৰ পুত্ৰ আছিল ফৰজন্দ গাওঁ-বুঢ়া। তেখেতে ৰজাৰ সাজ-পাৰো তৈয়াৰ কৰি দিছিল। মানৰ আক্ৰমণৰ পৰবৰ্ত্তী কালছোৱাত অসম ইংৰাজৰ

অধীনলৈ অহাৰ সময়ত তেখেতে 'পাটোৱাৰী' উপাধি পাই ইংৰাজৰ হৈ কাম কৰে। তেখেতৰ সাত গৰাকী সন্তানৰ পাঁচ গৰাকী চাহজাহান, তেখেঞ্জৰ আৰু জুলকাদ আলি (চুফী চাহেব) লগতে দুই গৰাকী বাই-ভনীও মান ভগনৰ সময়তে গুৱাহাটীলৈ উঠি আহি এতিয়াৰ জজ খেলপথাৰতে থাকিবলৈ লয়। পাছলৈ তেখেঞ্জৰ পৰিয়াল সহ কাজী পট্টি, বৰ্ত্তমানৰ কমাৰপট্টিলৈ উঠি আহে। এই তেখেঞ্জৰৰেই পুত্ৰ চিমৰুজ আৰু চিমৰুজৰ দ্বিতীয় পুত্ৰ হাজী মোহম্মদ শ্বাহ মৌজাদাৰ। তেখেতৰ পিতৃ চিমৰুজ আলি গুৱাহাটীৰ কটন কলেজিয়েট স্কুলৰ এগৰাকী নিষ্ঠাবান শিক্ষক আছিল। মাতৃ আছিল শিৱসাগৰৰ এটি নিষ্ঠাবান সম্ভ্ৰান্ত পৰিয়ালৰ জীয়ৰী। পিতৃ যিহেতু শিক্ষক, সেয়ে অনুমান কৰিব পাৰি যে হাজী মোহম্মদ শ্বাহৰ স্কুল শিক্ষাও এই কটন কলেজিয়েট স্কুলতে হৈছিল।

ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসম দেশ নিজৰ অধীনলৈ নিয়াৰ সময়ত ব্ৰহ্মপুত্ৰ নৈৰ দক্ষিণ পাৰে কেইবাখনো সৰু সৰু ৰাজ্য আছিল। এই ৰাজ্যবোৰ সময়ে সময়ে কোচ, মোগল আৰু শেষলৈ আহোম ৰজাৰ কৰতলীয়া ৰাজ্য আছিল। এই ৰাজ্যবোৰ যেনে- বকো, লুকী, ৰাণী, বেলতলা আদি ইংৰাজ চৰকাৰে একোটা স্বতন্ত্ৰ মৌজা হিচাবে স্বীকৃতি দিয়ে আৰু বিনিময়ত আগৰ ৰাজ পৰিয়ালৰ লোক সকলে চৰকাৰক ৰাজহ পৰিশোধ কৰিব লগা হয়। ১৯০৫ চনলৈকে এই ব্যৱস্থা বৰ্ত্তি আছিল। পাছত কৰ দিব নোৱাৰাত এই লুকী মৌজা ৰাজ পৰিয়ালৰ হাতৰ পৰা অন্যৰ হাতলৈ যায় আৰু ১৯০৯ চনত হাজী মোহম্মদ শ্বাহে বেকি, শিংৰা, বকো আৰু লুকীৰ মৌজাদাৰী লাভ কৰে। তেতিয়া তেখেতৰ বয়স আছিল ২৯ বছৰ । তেখেতে ইতিমধ্যে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছিল কিয়নো মাটি ভেটি থকা অৱস্থাপন্ন লোককহে মৌজাৰ দায়িত্ব দিয়া হৈছিল। নিজৰ দূৰদৰ্শিতা আৰু চেষ্টাৰ বলত ২০ শতিকাৰ প্ৰথম ভাগতে পল্টন বজাৰৰ অনেক মাটি ভেটি লৈ তেখেতে নিজকে প্ৰতিষ্ঠা কৰিছিল।

মৌজাদাৰ হিচাপে তেখেতক সকলো সম্প্ৰদায়ৰ মানুহে খুব সন্মান কৰিছিল আৰু বৃটিছ চৰকাৰৰ যুগত বেচ নাম আছিল। খাজনা সদায় সময়মতে আদায় দিছিল আৰু বৃটিছ চৰকাৰৰ পৰা এখন প্ৰশংসা পত্ৰও পাইছিল। তেতিয়াৰ দিনত সেই ঠাইৰ ৰায়তবোৰ বৰ দুখীয়া আৰু অশিক্ষিত আছিল। কোনোবাই সময়মতে খাজনা দিব নোৱাৰিলে তেখেতে নিজৰ ফালৰ পৰা আদায় দিছিল

আৰু কোনোবাই ভুল কৰি বেছি দি গ'লে পাছৰ বছৰত টকা খিনি ঘূৰাই দিছিল। তেখেতৰ এই উদাৰ স্বভাৱ সকলো কামতে পৰিলক্ষিত হৈছিল।

হাজী মোহম্মদ শ্বাহ বৰ সাহসী আৰু দানী পুৰুষ আছিল । গুৱাহাটী চিভিল হস্পিটালৰ (বৰ্ত্তমান মহেন্দ্ৰ মোহন চৌধুৰী হস্পিটাল) দুটা ৱাৰ্ড দান দিছিল। পল্টন বজাৰৰ জি. এচ. ৰোডৰ পৰা নিউ ফিল্ডৰ কাষেৰে জনতা হোটেলৰ ওচৰলৈ যোৱা ৰাষ্টাটো তেখেতৰ দানেৰে তৈয়াৰ হৈছিল বাবে তাৰ নাম 'মোহম্মদ শ্বাহ ৰোড' বুলি নামকৰণ কৰা হৈছে। তেখেতে বিয়াৰ কিছু বছৰ পাছত পল্টন বজাৰৰ নিজ বাসভৱনৰ কাষতে এটি মছ্জিদ নিৰ্মাণ কৰি দিছিল, যিটো বৰ্ত্তমান পল্টন বজাৰ মছজিদ নামে জনাজাত। মছজিদৰ খৰছ আৰু মেৰামতিৰ কাৰণে তেখেতে চান্দমাৰিৰ নিজৰ মাটি ৫ বিঘা মছজিদৰ নামত দলিল কৰি যায়। সেই মছজিদৰ মেৰামতিৰ বাবে কতো দান বৰঙণি নলৈ তেখেতৰ পুত্ৰ নাদিৰ শ্বাহে সুচাৰুৰূপে চলাই যায়। ইমাম, মোৱাজ্জিনৰ দৰমহাও তাৰে পৰা দিয়া হয়। মছজিদৰ লগতে দূৰণিৰ মুছাফিৰ সকলৰ বাবে এটা মুছাফিৰ খানাও নিৰ্মাণ কৰা হয়। শিক্ষাৰ ক্ষেত্ৰতো কৃতী মুছলমান ছাত্ৰক উদগনি দিবৰ বাবে প্ৰৱেশিকা পৰীক্ষাত প্ৰথম হোৱা জনক সোণৰ পদক দিয়াৰ ব্যৱস্থা কৰি যায়। ইয়াৰ কেইজনমান পদক পোৱা ছাত্ৰ আছিল ঃ ইনামুল হক - ইঞ্জিনীয়াৰ, আহমদ হুছেইন- অধ্যাপক আৰু নুৰুল ইছলাম - অধ্যক্ষ কটন কলেজ, বাহাৰুল ইছলাম - ন্যায়াধীশ উচ্চতম ন্যায়ালয়, মুকিবৰ ৰহমান - সচিৱ, শিক্ষা বিভাগ। বৰ্ত্তমানলৈকে আমি জনা মতে একেবাৰে শেষৰ জন (১৯৫৫) কমৰুজ্জামান আহমদ -জ্যেষ্ঠ ইঞ্জিনীয়াৰ (Kuwait Oil Company) তেখেতে I.Sc.পৰীক্ষাত সমূহ মুছলমান ছাত্ৰৰ মাজত প্ৰথম হোৱাৰ কাৰণে ১৯৫৫ চনত মোহাম্মদ শ্বাহৰ নামত দিয়া এটা ৰূপৰ পদক পাইছিল।

হাজী মোহম্মদ শ্বাহৰ মৃত্যুৰ পাছতো তেখেতে থৈ যোৱা সম্পত্তিৰ পৰাই তেখেতৰ সৰু পুতেক ফিৰোজ শ্বাহে জ্যোতি নগৰত তেখেতৰ নামত এখন নিম্ন বুনিয়াদী স্কুল সজাই দিছে। জ্যোতি নগৰৰ মছজিদটোও তেখেতৰ বৰ পুতেকে তেখেতৰ নামত সজাই দিছে। চান্দমাৰীৰ মছজিদটো তেখেতৰ পত্নীয়ে তেখেতৰ নামতে দিছে। 'হাজো মকামৰ' ডাঙৰ লোহাৰ পেৰাটো তেখেতৰ

নামতে দান দিয়া হৈছে । তেখেতে কৰি যোৱা  দানৰ উপৰিও তেখেতৰ পৰিয়াল বৰ্গই কৰা দানৰ যোগেদি এই চদকায়ে জাৰিয়া বাহাল থাকিব।

মোহম্মদ শ্বাহ এজন ধৰ্মপ্ৰাণ ব্যক্তিয়েই নহয় উদাৰ মনাপুৰুষো আছিল। তেখেত হিন্দু মুছলমানৰ সমন্বয়ৰ প্ৰতীক স্বৰূপ। তেখেতে এই উদ্দেশ্যে কেইটামান কবিতাও লিখি গৈছে। এফাঁকি কবিতা ছপাই অসম বাসীক বিলাই দিছিল সেয়া আছিল -

‘আজিৰ দিনত মহা মিলনত<br>জাতি ধৰ্ম ভাৱ নানি<br>গাওঁ সবে জয় গান মহামিলনৰ’


এই নিৰৱ সাহিত্য সেৱক গৰাকীয়ে কবিতাৰ উপৰিও সৰু সৰু ল’ৰা-ছোৱালীৰ উদ্দেশ্যে হিতোপদেশ লিখি নীতি শিক্ষা দিয়াৰ লগতে চৰিত্ৰ গঠনৰ প্ৰচেষ্টা কৰিছিল  কিন্তু তেখেতৰ সাহিত্যৰ প্ৰতি অন্যতম অৱদান লুকীৰ বুৰঞ্জী বা ‘                    ’, ১৯২২  খ্ৰীষ্টাব্দত প্ৰকাশিত পুথিখন আকাৰত সৰু কিন্তু এটা মহান প্ৰচেষ্টা আছিল। পুথি খনত মৌজাখনৰ লোক সংখ্যা, বিভিন্ন জাতি, কিংবদন্তি মূলক  কাহিনী , হাবি-বননি বাট পথৰ বৰ্ণনা আদিৰে কুৰি শতিকাৰ প্ৰথম দুই তিনি দশকৰ ছবি আঁকিছে। পুথি খনক সামাজিক বুৰঞ্জী বুলিহে কব পাৰি। এই পুথিখন পণ্ডিত হেমচন্দ্ৰ গোস্বামী, ডাঃ সূৰ্য্যকুমাৰ ভূঞা, পণ্ডিত সৰ্বেশ্বৰ কটকীয়ে প্ৰশংসা কৰি গৈছে। সেই সময়ত লুকীলৈ যোৱা বাট -পথ দুৰ্গম আছিল আৰু এই সাহসী পুৰুষজনে ঘোঁৰাৰে  যাতায়ত কৰিছিল। সকলো দিশ পৰ্য্যবেক্ষণ  কৰি ইয়াৰ বিৱৰণ লিখিছিল আৰু ৰায়তৰ প্ৰতি দয়াবান আছিল। তেখেত সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ হৈছিল ।

এই ধৰ্ম্মপৰায়ণ লোক গৰাকীয়ে কুৰি শতিকাৰ প্ৰথম ভাগতে ডেকা বয়সত বিয়াৰ আগতেই মক্কা শ্বৰীফলৈ হজ কৰিবলৈ গৈছিল। সেই সময়ত হাজীৰ সংখ্যা আঙুলিৰ মূৰত লিখিব পৰা আছিল। ৰেল জাহাজেৰে যাব লগা হৈছিল আৰু জিদ্দা বন্দৰৰ পৰা বাকী ছোৱা বাট ম ৰুভুমিৰ মাজেৰে উটৰ পিঠিত যাব লাগিছিল। মক্কাৰ পৰা মদিনাৰ দুৰৰ পথ ছোৱাতো সেই উটেই সাৰথি আছিল। মৰুভূমিৰ অধিবাসী বেদুইন সকলক সাধাৰণতে ‘বেদু’ বোলা হয়। তেওঁলোকৰ ওপৰতে ভৰসা কৰিব লগা হৈছিল। এই দূৰ্গম বাট ছোৱা খেজুৰ

আৰু বেদুৰ পৰা কিনি লোৱা মোছকৰ পানীয়েই সম্বল আছিল। আজিৰ হাজীয়ে সেই দিনৰ হাজী সকলে কি কষ্ট স্বীকাৰ কৰি হজ ক্ৰিয়া সম্পন্ন কৰিছিল সেয়া কল্পনাও কৰিব নোৱাৰে। এইয়া আছিল ১৯২১ চনৰ আগৰ ঘটনা । সেই চনতে তেখেতে লাখটকীয়াৰ জীয়ৰী জাকিয়া শ্বাহক বিয়া কৰায়। কালক্ৰমে তেখেতৰ তিনিজন পুত্ৰ আৰু দুগৰাকী কন্যা সন্তান জন্ম হয়। এই উদাৰ মনা ধৰ্ম্মপৰায়ণ লোক গৰাকীয়ে ১৯৩৪ চনত ৯ অক্টোবৰ তাৰিখে পল্টন বজাৰৰ মছজিদৰ কাষৰ নিজ বাসভৱনতে ইহলীলা সামৰে। তেখেতৰ বহু কামেই আধৰুৱা হৈ ৰ'ল। মাকৰ স্মৃতিত তেখেতে কুমাৰপাৰাৰ মাটিত এখন অন্ধ আশ্ৰম খুলিবলৈ দিহা কৰিছিল। তেখেতৰ মৃত্যুৰ পাছতেই আশ্ৰমৰ বাবে কৰিবলৈ দিয়া ফলকখন কলিকতাৰ পৰা আহি পায়। সেই সময়ত ল'ৰা ছোৱালী কেইটাও এমাদিমা আছিল। পত্নী জাকিয়া শ্বাহে বৰ কষ্টৰে স্বামীৰ সম্পত্তিৰ তত্ত্বাৱধান কৰি ল'ৰা-ছোৱালী কেইটাক ডাঙৰ কৰে। তেখেতৰ কন্যা গুলজাৰ বেগমে দেউতাকৰ স্মৃতি জীয়াই ৰাখিবৰ বাবে এখন চমু জীৱনী প্ৰকাশ কৰে, লগতে ড° বাণীকান্ত শৰ্মাদেৱেও 'লুকী বুৰঞ্জীৰ লিখক হাজী মোহম্মদ শ্বাহ' নামৰ প্ৰৱন্ধটোৰ (দৈনিক অসম, ১৯/৩/০৬) যোগেদি হাজী মোহম্মদ শ্বাহক পুনৰ ৰাইজৰ মাজলৈ আনে। ❖

# তফজ্জুল হুছেইন হাজৰিকা

দেবিৰা চুলতানা আহমদ



কুৰি শতিকাৰ প্ৰথম ভাগত উজনি অসমৰ মতিজান বাগানৰ মলিক তফজ্জুল হুছেইন হাজৰিকা এগৰাকী প্ৰভাৱশালী ব্যক্তি আছিল। এই মতিজান বাগান আৰু সেই নামৰে ঘৰটো যোৰহাট চহৰৰ পৰা ১২ মাইল দুৰত্বৰ তিতাবৰত অৱস্থিত আছিল। তফজ্জুল হুছেইন হাজৰিকা আৰু তেখেতৰ ককায়েক ফিৰদৌছ আলি হাজৰিকা ৭ খন চাহ বাগানৰ মালিক আছিল। তাৰ উপৰিও যোৰহাট চহৰৰ ন-আলিৰ ঘৰখনৰ উপৰিও অনেক সম্পত্তি আছিল। তেখেত সকলৰ ককা দেউতাক আলি আহমদ হাজৰিকাৰ আহোম ৰাজঘৰৰ লগত ভাল সম্বন্ধ আছিল। ৰাজ পৰিয়ালে তেখেতক ভাল পাইছিল আৰু বহুতো ব্যৱসায়ৰ সুবিধা দিছিল। তেখেতৰ আন এটা নাম আছিল থোলোক হাজৰিকা। সেই সময়ৰ নিয়ম অনুসৰি ৰজাঘৰে ঠিক কৰি দিয়া বোকাহোলাৰ বামুন কন্যা ভাগ্যদেবীক তেখেতে বিয়া কৰাইছিল। বিয়াৰ পাছত ভাগ্যদেবীৰ নাম আফৰোজী ৰখা হৈছিল। থোলোক হাজৰিকাৰ জীৱন কাল আছিল ১৭৯৭-১৮৭০ চন। জন্ম ছন্টকত হৈছিল আৰু মৃত্যু যোৰহাটত।

থোলোক হাজৰিকাৰ পূৰ্ব্বপূৰুষ বুণ্ডেলখণ্ডৰ পৰা অহা সামৰিক বিষয়া আছিল। আহোম স্বৰ্গদেউৰ অনুগ্ৰহত হাজৰিকা উপাধি লাভ কৰিছিল আৰু ৰজাৰ হৈ মোগলৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। পৰিয়ালৰ মতে তেখেতে শৰাইঘাটৰ

ৰণত যুদ্ধ কৰিছিল। যুদ্ধত ব্যৱহাৰ কৰা দুখন তৰোৱাল (নালৰ ওপৰৰ অংশটো হাতীৰ মুৰটোৰ দৰে আৰু কাঁহ আৰু হাতী দাঁতেৰে তৈয়াৰী) পৰিয়ালৰ বংশধৰ সকলৰ হাতত বৰ্ত্তমানেও সুৰক্ষিত। তেখেতৰ নাম আছিল লুঠুকন হাজৰিকা। ফিৰদৌছ আলি হাজৰিকাই ১৯১১ চনত দিল্লী দৰবাৰত যোগ দিবলৈ যাওঁতে দৰবাৰ পাবলিকেচনৰ দ্বিতীয় খণ্ডত এইদৰে উল্লেখ আছে - "Firdost Alli Hazarika, Tea planter and Honorary Magistrate, son of Late Shahnoor Alli Hazarika, Rais of Jorhat, ASSAM was born in 1864 A..D. Proprietor of the Motijan tea estates in the District of Sibsagar and holder of extensive landed properties. A public spirited gentleman, held in great esteem by his countrymen and is taken into confidence by the Government. One of his ancestors, Ali Ahmed alias Luthop Hazarika, who fought in the battle of Saraighat orginally of Bundel Khand migrated to Assam at the time of emperor Aurangzeb. The hereditary title of "Hazarika" was conferred on him by Raja Rudra Singha, the then king of Assam. He had the honour of being present at His Imperial Majesty's Levee and having invitation of attending the State Garden Party on 2nd January 1912. He is a recipient of the Durbar Medal."

এইয়া শ্বৰিফ মোহম্মদ শ্বাহ হুছেইন হাজৰিকা আৰু তৌহিদ শ্বৰিফ শ্বাহ হাজৰিকাৰ পৰিয়ালৰ ওপৰত লিখা কিতাপৰ পৰা তুলি দিয়া হৈছে।

মোহম্মদ তফজ্জুল হুছেইন হাজৰিকাৰ জন্ম ১৮৮১ চনত। তেখেতে ১৯০১ চনত যোৰহাটৰ বালিবাটৰ চিকন্দৰ আলি চৌধুৰীৰ কন্যা নুৰজাহান বেগমক বিয়া কৰায়। তেখেতৰ ১৫ টি সন্তানৰ চাৰিজনৰ কেঁচুৱা অৱস্থাতে মৃত্যু হয়। বাকী ছগৰাকী কন্যা আৰু পাচঁজন পুতেক আছিল। তেখেত বৰ ওখ পাখ আৰু সুন্দৰ চেহেৰাৰ পুৰুষ আছিল। তেখেতৰ সঙ্গীতত ৰাপ আছিল আৰু তেখেতে চেতাৰ বজাইছিল।

তফজ্জুল হাজৰিকা আৰু তেখেতৰ ককায়েক দুয়ো বুদ্ধিমান লোক আছিল। নিজৰ চেষ্টা আৰু বুদ্ধিৰে দুয়োজনৰ মাজত অনেক সম্পত্তি কৰিছিল।

মতিজানৰ উপৰিও তেখেতসকলৰ মকৰং, মাদৰি, চোনাজান আৰু তেজপুৰৰ ওচৰৰ নুৰবাৰীকে ধৰি সাতখন চাহ বাগিচা কৰিছিল। যোৰহাট টাউনৰ খালি মাটি আৰু বহুত খেতিৰ মাটিও কিনিছিল। ফিৰদৌছ হাজৰিকাৰ সন্তান নাছিল আৰু ১৯২৬ চনতে মৃত্যু হৈছিল। তেখেত সকলৰ এই মাটি সম্পতি নিজেও ভোগ কৰিছিল আৰু পৰিয়াল আৰু আন বহুতো মানুহৰ জীবিকাৰ সংস্থান হৈছিল। মতিজানৰ ঘৰ খন অতিথি পৰায়ণতাৰ বাবে বিখ্যাত আছিল। কোনো শুদা মুখে ঘুৰি নাহিছিল। পৰিয়ালৰ আৰ্থিকভাৱে দুৰ্বল সকলৰ উপৰিও অভাৱী সকলো মানুহকে আৰ্থিক ভাৱে আৰু বস্তু বাহানি দি সহায় কৰিছিল। পৰিয়ালৰ সৰু ডাঙৰ সকলো মানুহৰ লগতে সম্বন্ধ কৰিছিল। সকলোৰে ঘৰলৈ গৈ কেই মিনিট মানৰ বাবে হলেও দেখা এটা দিছিল। এই সম্বন্ধ অটুট ৰখা বাবেই শ্বফিক হাজৰিকাৰ পৰিয়ালৰ মানুহ বোৰৰ ঘৰলৈ গৈ বংশ তালিকা যুগুত কৰা সহজ হৈছিল। সেই সময়ত দুয়ো ভাই ককাই অসমৰ ধনীব্যক্তি সকলৰ অন্যতম আছিল। তেখেতসকলৰ বৃটিছ চৰকাৰ লগত সম্বন্ধ থাকিলেও সেই সময়ৰ কংগ্ৰেছ পাৰ্টিৰ সদস্য সকলৰ লগতো সু-সম্পৰ্ক আছিল। ছাৰ ছাদুল্লাৰ লগতো তফজ্জুল আলি হাজৰিকাৰ বন্ধুত্ব আছিল। ছাদুল্লা চাহাবৰ বাগিছা চৈয়দবাৰী মতিজানৰ কাষতে আছিল। তেখেতে সময়বোৰ কলিকতা, শ্বিলং আৰু মতিজানৰ মাজতে পাৰ কৰিছিল। ১৯৩৮ চনত তেখেতৰ কলিকতাতে মৃত্যু হয়। তেখেতৰ শটো ৰেলেৰে কলিকতাৰ পৰা তিতাবৰলৈ অনা হয়, তাতে পূৰ্ব্বপুৰুষৰ কবৰৰ কাষতে সমাধিস্থ কৰা হয়।

তেখেতৰ লৰা কেইজনৰ দিনত মতিজানৰ আগৰ সচ্ছল অৱস্থা লোপ পায়। তেখেতৰ তৃতীয় পুত্ৰ শ্বৰিফ হাজৰিকাই মতিজানক বৰ ভাল পাইছিল। পৈতৃক সম্পত্তি অটুট ৰখাৰ চেষ্টা কৰিছিল, কিছু সফল হৈছিল কিন্তু তেখেতৰ মৃত্যুৰ পিছত এই প্ৰচেষ্টাৰো অন্ত পৰে। তেখেতৰ পত্নী চোনা হাজৰিকাৰ মৃত্যুৰ পাছত মতিজান পৰিত্যক্ত হয়। এতিয়া তফজ্জুল হাজৰিকাৰ বংশধৰ সকল পৃথিবীৰ নানা ঠাইত সিঁচৰতি হৈ পৰে।

তেখেত সকলৰ ডাঙৰ লৰা ফাইজ হাজৰিকা 'দিলদাৰ' নামে জনাজাত আছিল। এখেতে যি ধৰণে উপাৰ্জন কৰিছিল সেই ধৰণে খৰছ কৰিছিল, তেখেতৰ বৰ জীয়ৰী ডেইজী ৰহমান আৰু জৰ্জিনা দত্তও বৰ উদাৰ মনৰ আছিল আৰু

মানুহক সহায় কৰি আনন্দ পাইছিল। তৃতীয় পুত্ৰ শ্বৰিফ হাজৰিকায়ো ৰেলত চাকৰি কৰা সময়ত অনেক মানুহৰ চাকৰিৰ সুবিধা কৰি দিছিল। এই শ্বৰিফ হাজৰিকাই মতিজান বাগান খন নিজৰ স্বত্বলৈ আনিবৰ সময়ত পৰিয়ালৰ বাকী সদস্য সকলৰ ভাগ কিনি লৈছিল। মৃত সৰু ভায়েক হাচিন হাজৰিকাৰ নামত তিতাবৰ টাউন হাইস্কুলক প্ৰায় ৩ বিঘা মাটি দান কৰিছিল। এই শ্বৰিফ হাজৰিকাই যোৰহাট তিতাবৰৰ আশে পাশে সিঁচৰতি হৈ থকা পূৰ্ব্ব পুৰুষ থোলোক হাজৰিকাৰ বংশধৰ সকলৰ এখন বংশাৱলী প্ৰস্তুত কৰিছিল। প্ৰতি সন্ধিয়া কিছু সময় নিয়মীয়া কৈ কেইবা বছৰ ধৰি প্ৰচেষ্টাৰ ফল স্বৰূপে এই খন প্ৰায় সম্পূৰ্ণ হৈছিল। থোলোক হাজৰিকা আৰু তেখেতৰ পৰিবাৰ ভাগ্য দেৱী ওৰফে আফৰোজীৰ প্ৰায় ৩০০০সতি সন্ততি আছে। শ্বৰিফ হাজৰিকা ৰ মৃত্যুৰ পাছত তেখেতৰ বৰ পুত্ৰ তৌহিদ হাজৰিকাই বাকী নামবোৰৰ যোগদি এইখন কিতাপৰ আকাৰত প্ৰকাশ কৰি উলিয়ায়।

তফজ্জুল হুছেইন হাজৰিকাৰ পুৰ্ব্ব পুৰুষ সকলে তেখেতসকলৰ কবৰস্থান খনৰ ওচৰতে থকা মছজিদৰ মাটি টুকুৰাও দান কৰিছিল আৰু যদি কিবা দান কৰিছিল সেই সময়ৰ মানুহে দলিল আদি কৰি থৈ নোযোৱা বাবে গম পোৱা নাযায়।

শ্বৰিফ হাজৰিকাই শিলিখা বাগানৰ অত্যন্ত গৰীৱ ঘৰৰ জীয়ৰী চোনা নুৰ বাহাৰক বিয়া কৰাই নিজৰ উদাৰ মনৰ পৰিচয় দিছিল। তেখেতক বিয়াৰ পাছত সকলো ধৰণে শিকাই বুজাই নিজৰ উপযুক্ত কৰি তুলিছিল। শ্বৰিফ হাজৰিকাৰ মৃত্যুৰ পাছত এই চোনা হাজৰিকাই মতিজানৰ ধান কলটোৰ দায়িত্ব লৈছিল আৰু বাকী মাটি-বাৰীবোৰো চোৱাচিতা কৰিছিল।

তফজ্জুল হুছেইন হাজৰিকাৰ নাতি বোৱাৰী দীপা হাজৰিকাৰ মতে তেখেতসকলৰ মতিজানৰ বাসগৃহত এটা সুন্দৰ গ্ৰন্থাগাৰ আছিল । তাৰ গ্ৰন্ধবোৰ কি হ'ল জনা নাযায়। ❖

---

তফজ্জুল হুছেইন হাজৰিকাৰ আলোকচিত্ৰ 'বিনু' আৰু জিয়াউল হকৰ সৌজন্যত পোৱা।

(প্ৰথম প্ৰকাশত এই নামটো ভুলক্ৰমে তফজ্জুল আলি হাজৰিকা বুলি ছপা হৈছিল। তাৰ বাবে আমি দুঃখিত ঃ সম্পাদক)

# কেৰামত আলি

সংকলক ঃ কমৰুজ্জামান আহমদ



কেৰামত আলি যোৰহাটৰ এজন নামজ্বলা পুৰুষ আছিল। তেখেতৰ পিতৃৰ নাম ডাঃ আমজাদ আলি আৰু মাতৃৰ নাম চাহাৰ বানু । তেখেতৰ জন্ম ১৮৮২ চনত। যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা ১৯০০ চনত এণ্ট্রেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ ঢাকাত ইঞ্জিনিয়াৰিঙত ডিপ্লোমা- শিক্ষা লবলৈ যায়। বাপেক সৰুতে ঢুকুৰাত আৰু আৰ্থিক অসুবিধাত সেইয়া সম্পুৰ্ণ কৰিব নোৱাৰিলে। তাৰ পৰা ঘুৰি আহি শিৱসাগৰৰ কাছাৰিত তেতিয়াৰ নামী উকীল অক্ষয় ঘোষৰ লগত শিক্ষা নবিচী কৰে। নগাঁৱৰ কুতুবুদ্দিন আহমদ চাহাবেও অক্ষয় ঘোষৰ ওচৰত শিক্ষা নবিচী কৰিছিল। তাৰ পাছত মুক্তিয়াৰ পৰীক্ষা দি তাত উত্তীৰ্ণ হয় আৰু নিজে ওকালতি কৰিবলৈ আৰম্ভ কৰে। এই ক্ষেত্ৰত অক্ষয় ঘোষে তেখেতক সহায় কৰি ছিল। প্ৰথমে নতুন উকীল হিচাপে বিশেষ সুবিধা কৰিব নোৱাৰিলেও অক্ষয় ঘোষৰ বিপৰীতে প্ৰথম মোকৰ্দ্দমা জিকাৰ পাছত তেখেতৰ ওকালতিত নাম হয় আৰু কৃতকাৰ্য্যতাৰে এই কামত আগবাঢ়ে। ১৯১১ চনত শিৱসাগৰ জিলাৰ সদৰ যোৰহাটলৈ উঠি অহাত আলি চাহাবে তাত ওকালতি কৰিবলৈ লয়। শিৱসাগৰ-লক্ষীমপুৰ সমষ্টিৰ পৰা স্বতন্ত্ৰ প্ৰাৰ্থী হিচাপে ১৯২৭ চনৰ পৰা ১৯৩৬ চনলৈ তেখেত অসম ব্যৱস্থাপক সভাৰ সদস্য নিৰ্ব্বাচিত হয়।

১৯২৯ চনত চাইমন কমিচনৰ শুনাণিত চিলেটৰ মনোৱাৰ আলি, ডিব্ৰুগড়ৰ সদানন্দ দুৱৰা আদিৰ লগতে আলি চাহাবেও অসমৰ প্ৰতিনিধিত্ব কৰিছিল। ১৯৩৫ চনত Govt. of India Act মতে অসমত উচ্চ পৰিষদ বা ব্যৱস্থাপক সভা আৰু নিম্নপৰিষদ বা বিধান-সভা নামে দুখন বিধান সভা গঠিত হয়। ১৯৩৭ চনত তেখেত বিধান সভাৰ সদস্য নিৰ্বাচিত হয়, আৰু ১৯৪৫ চনলৈকে এই পদতে আছিল। এখেত ১৯৩৭ চনত বিধান সভাৰ অধ্যক্ষ প্ৰাৰ্থী আছিল কিন্তু বসন্তকুমাৰ দাসৰ হাতত মাত্ৰ ৫ টা ভোটত পৰাজিত হৈছিল। আলি চাহাব চৈয়দ মোহাম্মদ ছাদুল্লাৰ সতীৰ্থ আছিল, আৰু ভাৰতীয় মুছলিম লীগত যোগ দিছিল। ১৯৪৬ চনত কেৰামত আলি চাহাব দিল্লীৰ কেন্দ্ৰীয় উচ্চ পৰিষদ (Council of State) লৈ নিৰ্ব্বাচিত হৈছিল। আৰু মুছলিম লীগ দলৰ শৃঙ্খলা ৰক্ষাৰ দায়িত্ব পূৰ্ণ মূখ্য বিষয়া (Chief Whip) আছিল। ১৯৪৯ চনৰ নবেম্বৰ মাহলৈকে তেখেত এই পদত আছিল।

নৱ প্ৰতিষ্ঠিত যোৰহাট পৌৰ সভাৰ তেখেত প্ৰথম উপ সভাপতি আছিল। ১৯২২-২৫ আৰু ১৯৩১-৩৮ এই কালছোৱাত যোৰহাট পৌৰসভাৰ সভাপতি আছিল। এই কালছোৱাত এটা সময়ত তেখেত একেলগে যোৰহাটৰ লোকেল বোৰ্ডৰো সভাপতি আছিল।

ৰাজনীতি কৰা সময়ছোৱাত আলি চাহাবে মুছলমান আৰু অসমীয়াৰ হকে সততে মাত মাতিছিল। তেখেত অসম সাহিত্য সভাৰ প্ৰথম কাৰ্য্য নিৰ্ব্বাহক সভাৰ সভ্য হোৱাৰ উপৰিও জগন্নাথ বৰুৱা কলেজ প্ৰতিষ্ঠাৰ কাৰণে পতা ১৯৩০ চনৰ ১৯ আগষ্টৰ প্ৰথম সভাখনত সভাপতিত্ব কৰিছিল। এই কলেজৰ পৰিচালনা সমিতিৰ ১৯৩০ চনৰ ৪ চেপ্তেম্বৰত সভাপতি নিৰ্বাচিত হয় আৰু তেখেত সেই সমিতিত বহুবছৰ ধৰি আছিল।

১৯২৯ চনত ইংৰাজ চৰকাৰে তেখেতক খান বাহাদুৰ উপাধি প্ৰদান কৰে।

১৯২৯ চনত প্ৰতিষ্ঠা হোৱা যোৰহাট মুছলিম ক্লাৱ (বৰ্ত্তমান চেন্ট্ৰেল ক্লাৱ)ৰ তেখেত প্ৰতিষ্ঠাপক সভাপতি আছিল। ১৯৩৪ চনত স্থাপিত 'যোৰহাট জুনিয়ৰ

মাদ্ৰাছা' (পাছলৈ যোৰহাট এম. ই. মাদ্ৰাছা)ৰ তেখেত প্ৰতিষ্ঠাপক সভাপতি আছিল।

১৯৬৯ চনত তেখেতে ইন্তেকাল কৰে।

কেৰামত আলি চাহাব দুই বিবাহৰ (আইমানা খাতুন আৰু নুৰ হাছনা) যোগেদি ৪ গৰাকী পুত্ৰ আৰু ৪ গৰাকী কন্যাৰ পিতৃ আছিল। তেওঁৰ দ্বিতীয় পুত্ৰ ইমদাদ আলি প্ৰথম অসমীয়াভাষী পুলিচ বিভাগৰ মূৰব্বী বিষয়া আছিল।❖

---

(উৎস ঃ চফিকুল হুছেইন চৌধুৰীৰ লগত সাক্ষাৎকাৰ, অসমীয়া জীৱনী অভিধান আৰু যোৰহাট চেন্ট্ৰেল ক্লাবৰ স্মৰণিকা, ২০০৯)।

# আজিজুৰ ৰহমান

আকদাচ আলী মীৰ

আজিজুৰ ৰহমানৰ জন্ম ১৮৮৩ চনত শিৱসাগৰ জিলাৰ নাজিৰাত। শিক্ষা লাভৰ পিছত ১৯১৭-১৮ চনত এই গৰাকী ব্যক্তিয়ে ডিব্ৰুগড় চৰকাৰী হাইস্কুলত শিক্ষকৰূপে এবছৰ থকাৰ পিছত নাজিৰা হাইস্কুলত শিক্ষক হিচাপে যোগদান কৰে। নাজিৰাত দুবছৰ সহকাৰী শিক্ষক আৰু কিছুকাল প্ৰধান শিক্ষক ৰূপে কাৰ্য্য কাল কটোৱাৰ পিছত শিৱসাগৰ চৰকাৰী হাইস্কুলত প্ৰধান শিক্ষক হিচাপে যোগ দিয়ে। শিৱসাগৰত মাত্ৰ দুবছৰ কাল কটোৱাৰ পিছত পুনৰ নাজিৰা স্কুললৈ বদলি হৈ আহে আৰু ১৯৫৭ চনত অৱসৰ লয়। এই গৰাকী শিক্ষক এগৰাকী কৃতী শিক্ষক হোৱাৰ লগতে আজীৱন কাল নাজিৰা হাইস্কুল আৰু নাজিৰা ছোৱালী স্কুলখনত প্ৰধান শিক্ষক হৈ স্কুল সমূহৰ গঢ় দিওতা আগশাৰীৰ ব্যক্তি আছিল। এই ক্ষেত্ৰত আজিজুৰ ৰহমান চাহাবৰ বিষয়ে আৰু জানিবলৈ নাজিৰা হাইস্কুলত নিজৰ ছাত্ৰাৱস্থাত শিক্ষক হিচাপে পোৱা বৰ্ত্তমানে জীৱনৰ ৮৫ বছৰ গৰকা এজন কৃতী ছাত্ৰ নাজিৰাৰ জনাব আব্দুল ৰাহীদ ডাঙৰীয়াৰ পৰা কিছু তথ্য সমল পাইছিলো। মন্তব্যত ৰাহীদ চাহাবে এই নিষ্ঠাবান কৃতী শিক্ষক গৰাকী এক বিৰল আদৰ্শৰ শিক্ষক, শৈক্ষিক ক্ষেত্ৰত বহু ত্যাগ স্বীকাৰ কৰি অভূতপূৰ্ব অৱদান আগবঢ়াই যোৱা ইকাল-সিকাল আৰু অদূৰ ভৱিষ্যতৰ এগৰাকী শ্ৰেষ্ঠ, তুলনাবিহীন আৰু লব্ধ প্ৰতিষ্ঠ শিক্ষক বুলি আখ্যা দিয়াৰ লগতে শ্ৰদ্ধাৰে সুঁৱৰি তেখেতৰ স্মৃতিত

শ্ৰদ্ধাঞ্জলি যাচিছিল। তেখেতে নাজিৰা স্কুলখন কিমান ভাল পাইছিল তাৰ এটা উদাহৰণৰ ৰাহিদ চাহাবে বৰ্ণনা দিছিল। প্ৰধান শিক্ষক হৈ থকা কালছোৱাত নাজিৰা হাইস্কুলত সতীৰ্থ হিচাপে এজন অতি মেধাৱী আৰু তীক্ষ্ণ বুদ্ধিৰ শিক্ষক আছিল। এবাৰ এই শিক্ষক জনাই পাঁচ টকাৰ অধিক দৰ্মহাৰ বাবে আন এটা চাকৰিলৈ যাবলৈ ইচ্ছা কৰিলে। যিটো চাকৰিয়াল সকলৰ বাবে অতি স্বাভাৱিক। এই কথা জানি প্ৰধান শিক্ষক গৰাকী চিন্তিত হ'ল আৰু এনে এজন বিচক্ষণ শিক্ষক স্কুলখনৰ পৰা গলে ছাত্ৰ আৰু স্কুলখনৰ অপূৰণীয় ক্ষতি সাধনৰ কথা আজিজুৰ ৰহমান ডাঙৰীয়াই ভালদৰে উপলব্ধি কৰিলে। তেখেতে ততালিকে এই শিক্ষকজনৰ ওচৰলৈ গৈ কথাটো আলোচনা কৰাত সঁচা কথাটোৰ ভূপালে। এইবাৰ আজিজুৰ ৰহমান ডাঙৰীয়াই তেওঁক এইদৰে ক'লে— "আপুনি মাহে পাঁচ টকা উপৰি লাভৰ চিন্তা কৰি এই স্কুলখন এৰিব নালাগে, এই স্কুলখনক আপোনাৰ অতি প্ৰয়োজন, আপুনি নহ'লে সৰ্বদিশে এই স্কুলখনৰ বহু ক্ষতি হ'ব। এই পাঁচ টকা মই মোৰ দৰমহাৰ পৰা প্ৰত্যেক মাহতে আপোনাৰ দৰমহাৰ লগতে দিম, আপুনি যেন স্কুলখন এৰি নেযায়।" সেইয়া আছিল আজিজুৰ ৰহমান ডাঙৰীয়া, এজন ত্যাগী, প্ৰকৃত শিক্ষক ও গঠনমূলক সমাজৰ সেৱক। পৰৱৰ্তী কালতো কিন্তু সেই শিক্ষকজনে স্কুলখনো নেৰিলে লগতে সেই টকাও গ্ৰহণ নকৰিলে। সেই কালত কিন্তু পাঁচ টকাৰ মূল্য আছিল এতিয়াৰ বহু গুণে অধিক, কিন্তু সেৱা মনোবৃত্তিৰ এই সকল শিক্ষকে তাক নেওচি শিক্ষা জগতখনত আমাৰ সমাজখনত এনেদৰে পোহৰ বিলাই সকলোৰে মনত চিৰস্মৰণীয় হৈ ৰ'ল। এই দুয়ো গৰাকী নিষ্ঠাবান আদৰ্শ শিক্ষকলৈ আমি আন্তৰিক শ্ৰদ্ধাঞ্জলি যাঁচিলো।

এই নাজিৰা হাইস্কুলত থকা অৱস্থাতে হোনো সেইজন শিক্ষকৰ সেই কালত শ্ৰেষ্ঠ শিক্ষকৰ বাবে ৰাষ্ট্ৰপতি বঁটা লাভ কৰিবলৈ সৌভাগ্য ঘটিল। এইবাৰ আজিজুৰ ৰহমান চাহাবে এনে উচ্চসন্মান লাভ কৰাত অভিনন্দন দি এই শিক্ষকজনক আকোৱালি লৈ নিজৰ মনতে অত কাল পুহি ৰখা ভাব ভাৱনা ব্যক্ত কৰি কৈ গ'ল — "আজি মই মোৰ আপোনাৰ প্ৰতি থকা অত কালৰ


ঋণ সোধাবলৈ সক্ষম হলো, ইয়ো মোৰেই ভাগ্য।” সেইয়া আছিল বহু ৰসায়নৰ বয়নত গঢ়া এগৰাকী সুন্দৰ মানৱ। এইগৰাকীয়েই আদৰ্শ শিক্ষক আজিজুৰ ৰহমান চাহাব যাক আজিও সেই বৃহত অঞ্চলৰ সমাজখনৰ লোকে শ্ৰদ্ধাৰে সোঁৱৰে।

আজিজুৰ ৰহমান চাহাবে নাজিৰা স্কুলখনক তেওঁৰ জীৱনৰ একমাত্ৰ লক্ষ্য হিচাপে লৈ আজীৱন সেৱা কৰি গল। অকালতে পত্নী হেৰুৱাই কণমান পুত্ৰ সন্তান জামাল আৰু একমাত্ৰ জীয়ৰীক মাতৃৰো মৰম মমতা পূৰণ কৰি লালন পালনৰ দায়িত্বৰ উপৰিও স্কুলখনৰ কামকাজত অৱহেলা কেতিয়াও কৰা নাছিল। আনকি বন্ধৰ দিনতো হেনো ঘৰ আৰু স্কুল দিখৌৰ ইপাৰ সিপাৰতে অৱস্থিত বাবে স্কুলখনকে মন কৰি থাকিছিল। এই গৰাকী শিক্ষকৰ বৃহত্তৰ অসমীয়া সমাজখন গঢ়া অতুলনীয় আদৰ্শ সদায়ে সজীৱ হৈ ৰব। যি সকলে এখেতৰ সান্নিধ্য পাইছিল বা এই মহা পুৰুষ গৰাকীক জানিছিল ছাত্ৰ হিচাপে বা সামাজিক সম্বন্ধৰ বাবে তেখেতসকলে সদায় এই জনা সৰ্বগুণ সম্পন্ন ব্যক্তিক এগৰাকী শ্ৰেষ্ঠ, বিৰল আদৰ্শৰ শিক্ষক ৰূপে শ্ৰদ্ধাৰে সোঁৱৰণ কৰিব।

তেখেতৰ মৃত্যু ১৯৫৯ চনৰ ৪ জুলাইত হয়। ❖

# জালালউদ্দিন আহমদ

ৰেহানা হুছেইন



আলহাজ জালালউদ্দিন আহমদ এনে এজন ব্যক্তি যিজন স্বয়ং এক আত্মবলৰ প্ৰতীক, এক সংগ্ৰামী চেতনা, নিষ্ঠাবান, ধাৰ্মিক আৰু দয়াশীল। এইজনা পৱিত্ৰপ্ৰাণ ব্যক্তিৰ জন্ম হয় ১৮৮৪ চনত ডিব্ৰুগড়ত। তেখেতৰ উপৰিপুৰুষ উত্তৰ লক্ষীমপুৰ আৰু যোৰহাটৰ। নিচেই কম বয়সতেই তেখেতৰ পিতৃ বিয়োগ ঘটে আৰু সেয়ে মাতৃৰ ছত্ৰছায়াতেই তেখেত লালিত পালিত হয়। এক সম্ভ্ৰান্ত আৰু আঢ্যৱন্ত মুছলমান পৰিয়ালত জন্ম লাভ কৰা জালালউদ্দিনে প্ৰথমাৱস্থাত ঘৰতেই মাকৰ তত্ত্বাবধানত বিদ্যাৰম্ভ কৰিছিল যদিও তেখেত ডিব্ৰুগড়ৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয় আৰু চাহবাগিচা এখনত চাকৰিত যোগদান কৰে। তাতেই তেখেতে নিষ্ঠাৰে কেইবছৰমান চাকৰি কৰে আৰু ঘৰুৱা দায়িত্বও কান্ধপাতি লয়। দুগৰাকী ভনীয়েকৰ বিয়াও তেখেতে পাতি দিয়ে। কিন্তু দুৰ্ভাগ্যবশতঃ দুগৰাকী বিবাহিত ভনীয়েকৰেই প্ৰথম সন্তান প্ৰসৱ কালত অকালতে মৃত্যু হয়। মাতৃহাৰা হোৱা ভগ্নীদ্বয়ৰ দুটি সন্তানৰ দায়িত্বও জালালউদ্দিননে স্বেচ্ছাই গ্ৰহণ কৰে আৰু পিতৃৰ উমেৰে তুলি তালি, উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি বিয়া বাৰু দি ঘৰ পাতি এক গুৰুদায়িত্ব পালন কৰে।

জালালউদ্দিনৰ মাক আছিল সৰবৰহী আৰু এগৰাকী ন্যায়পৰায়ণ মহিলা। স্বামীৰ মৃত্যুৰ পাছতেই তেখেতে তেখেতৰ স্বামীৰ ব্যৱসায়ত মনোনিবেশ কৰে

আৰু খুব অলপ সময়ৰ ভিতৰতেই এগৰাকী সফল ব্যৱসায়ী হৈ সকলো চম্ভালি লয়। তেখেত অকলেই জীৱন সংগ্ৰামত জপিয়াই পৰি সংসাৰখন নিয়াৰিকৈ চলাই নিয়ে। আজিৰ পৰা প্ৰায় দেড়শ বছৰ পূৰ্বে ৰক্ষণশীল মুছলমান মহিলা এগৰাকীয়ে পুৰুষপ্ৰধান সমাজত জীৱিকাৰ খাতিৰত ব্যৱসায় কৰাটো সহজ নাছিল। কিন্তু নানা অসুবিধা আৰু প্ৰতিকূল অৱস্থাতো তীক্ষ্নতা, মেধা আৰু জীৱনৰ পৰা আহৰণ কৰা বাস্তৱ অভিজ্ঞতাৰ ভিত্তিতেই তেখেতে দোপতদোপে ব্যৱসায়ত উন্নতি কৰিবলৈ লয়। পিতৃহীন সন্তানসকল উপযুক্ত হোৱাত তেখেত ঘৰ সংসাৰৰ প্ৰতি কিঞ্চিত উদাসীন হৈ পৰে আৰু আল্লাৰ ঘৰ (কাবা শ্বৰীফ) দৰ্শনৰ বাবে আকুল হৈ পৰে। সেই সময়ত হজলৈ যোৱাটো আছিল এক দুৰূহ আৰু কষ্টসাধ্য কাম। কিন্তু সকলো বাধা বিপত্তি নেওচি তেখেতে সেই অসম্ভৱকো সম্ভৱ কৰি তুলিছিল। তেখেত আছিল অক্লান্ত কৰ্মী, ধৰ্মভীৰু, দুঃসাহসিক আদৰ্শ মাতৃ।

মাতৃৰ আদৰ্শেৰে অনুপ্ৰাণিতহৈ যোগ্য পুত্ৰ জালালউদ্দিনে এটা সময়ৰ পাছত চাকৰিত মন বহুৱাব নোৱাৰা হ'ল। কাৰণ সেই চাকৰি তেখেতৰ মনঃপুত হোৱা নাছিল। তেখেতৰ সন্মুখত তেতিয়া মাত্ৰ ব্যৱসায়ৰ পথ খোলা আছিল। তাৰোপৰি মাকৰ কষ্ট কিছু লাঘৱ কৰিবলৈকে তেখেতে চাকৰি এৰি মাকক সহায়ৰ হাত আগবঢ়াবলৈকে ব্যৱসায়ত মনোনিবেশ কৰে। অতি কম সময়ৰ ভিতৰতে জালালউদ্দিনেও নিজকে এগৰাকী সফল ব্যৱসায়ীৰূপে প্ৰতিষ্ঠিত কৰে।

ধৰ্মভীৰু, পৰহেজগাৰ হলেও জালালউদ্দিন এজন উদাৰ আৰু সংস্কৃতিবান লোক আছিল। সেয়ে তেখেতে পৰিয়ালৰ সন্মতিক্ৰমে ধৰ্মান্তৰ ঘটাই নগা ৰজাৰ পৰিয়ালৰ এগৰাকী সুন্দৰী নগাযুৱতীক বিয়া কৰায়। প্ৰায় এক শতাব্দী পূৰ্বৰ এই ঘটনাই অসমীয়া সমাজৰ সাতাম পুৰুষীয়া সম্প্ৰীতিৰ কথাই বাৰে বাৰে সোঁৱৰাই দিয়ে। ধৰ্মীয় আচাৰ ব্যৱহাৰ, নীতি নিয়মেৰে বান্ধ খাই কেইবা বছৰো সুখে শান্তিৰে সংসাৰধৰ্ম, পালন কৰি, তিনি গৰাকী কন্যা আৰু এটিমাত্ৰ পুত্ৰ সন্তান এৰি এই পত্নী গৰাকীৰ মৃত্যু হয়। এমাডিমা লৰা ছোৱালী কেইটি লৈ জালালউদ্দিন মহা বিমোৰত পৰে আৰু উপায়ান্তৰ হৈ ল'ৰা-ছোৱালী কেইটিৰ তত্ত্বাবধান আৰু চোৱাচিতা কৰিবলৈকে দ্বিতীয়বাৰ বিয়া কৰায় যদিও মাত্ৰ কেইবছৰমান পাছতেই তেখেতৰো অচিন ৰোগত মৃত্যু হয়। দূৰ্ভাগ্যই যেন

জালালউদ্দিনৰ লগ নেৰা হ'ল। তেখেতে পুনৰ সন্তানসকলৰ সুখ শান্তিৰ বাবে তৃতীয়বাৰৰ বাবে শিৱসাগৰৰ এগৰাকী গাভৰুক বিয়া কৰায়। জালালউদ্দিনৰ তিনিগৰাকী পৰিবাৰৰ ফালৰ পৰা ৭ জন পুত্ৰ আৰু ৭ গৰাকী কন্যা সন্তান। তেখেতৰ কন্যা ৰুমেনা ৰহমান অসমৰ এগৰাকী নামজ্বলা আৰু সফল ব্যৱসায়ী মহিলা।

সততা, নিষ্ঠা আৰু বিচক্ষণতাৰ বাবে ইতিমধ্যে জালালউদ্দিনৰ ব্যৱসায়ত দোপত দোপে উন্নতি হয়। তেখেতে কৰি থকা ব্যৱসায়ৰ লগতে এটা চূণৰ ভাটা খোলে, চিলেট (এতিয়াৰ বাংলাদেশ) ৰ পৰা জলপথেৰে চূণৰ পাথৰ উজনি অসমলৈ আনি, তাক ভাঙি এক লাভজনক ব্যৱসায় গঢ়ি তোলে। ভাগ্য সুপ্ৰসন্ন থকাত তেতিয়াৰ জিলা উপায়ুক্ত ৰুস্তমজীৰ লগত জালালউদ্দিনৰ প্ৰগাঢ় বন্ধুত্ব গঢ়ি উঠে আৰু তেখেতৰেই সহায় সহযোগত ডিব্ৰুগড়ত ২৫০ একৰ চৰকাৰী মাটি খাজনা দি স্বত্বাধীন কৰি লোৱাৰ সুযোগ পায় আৰু তাতেই ১৯২৪ চনত তেখেতে প্ৰথমবাৰৰ বাবে চাহৰ খেতি পট্টন কৰে ডিবৈ নদীৰ পাৰত।

এই চাহ বাগিচাৰ উৎপত্তিৰ লগত এক কিম্বদন্তী জড়িত হৈ আছে। ৰুস্তমজীৰ সহায়ত তেখেতে মাটি ডোখৰৰ দখলি স্বত্ব পালে যদিও চাৰিসীমা লৈ তেখেত কিছু বিপাঙত পৰে। সেই চিন্তাত ব্যতিব্যস্ত হৈ থকা অৱস্থাত তেখেতে এদিন সপোনত এটি নিৰ্দ্দেশ পায়। সেইমতে তেখেতে পাছদিনা পুৱা চাইকেল চলাই বহুদূৰ বাট গৈ এঠাইত এচটা শিলত খুন্দা খাই পৰি যায়। তাৰ পৰা অটব্য অৰণ্যৰ মাজৰ লুংলুঙীয়া বাটেৰে বহুদূৰ গৈ থাকোতে তেখেতৰ ভৰিত এডাল লোৰ শিকলি লাগে। তাৰ পৰাই তেখেতৰ বাগানৰ সীমা নিৰ্দ্ধাৰিত হয়। নাতিদূৰৈত থকা ওখ ঢিপত এজন সিদ্ধ পুৰুষৰ কবৰ আছিল। সময়ত সেই ঠাই শক্তি আৰু বিশ্বাসৰ প্ৰতীক হৈ পৰে। জালালউদ্দিনৰ ভনীজোৱায়েক এজনো "দৰবেশ" আছিল। তেখেতৰ প্ৰভাৱো জালালউদ্দিনৰ ওপৰত ভালকৈ পৰিছিল। পাছলৈ তেখেতৰ নিৰ্দ্দেশ মতেই সেই ওখ ঢিপি চাফ চিকুণ কৰি পৱিত্ৰ ধৰ্মস্থানলৈ পৰিবৰ্ত্তন ঘটোৱা হয়। ডিবৈ নৈৰ কাষত স্থাপন কৰা চাহ বাগিচাখনৰ নাম 'ডিবৈবাম চাহবাগিচা' আৰু মাজাৰৰ নামকৰণো 'ডিবৈ মাজাৰ শ্বৰিফ' বুলি কৰা হয়। বিশ্বাস আৰু শক্তিৰ প্ৰতীক ৰূপে ডিবৈবাম মাজাৰ আজিও বিদ্যমান। অগণন ভক্তপ্ৰাণৰ আগমনত মাজাৰ শ্বৰিফ আজিও অম্লান।

মহান আল্লাৰ কৃপাধন্য জালালউদ্দিনে চুই দিয়া সাধাৰণ দ্ৰব্য এটিও যেন সোণলৈ ৰূপান্তৰিত হয়। ইয়াৰ পাছত তেখেতে আৰু পিছলৈ উভতি চাব লগা হোৱা নাই। ১৯৪৮ চনত তেখেত ইউৰোপীয়ান চাহাবে চলোৱা "খনিকৰ" চাহ বাগিচাখনো ক্ৰয় কৰে যিখনৰ পৰিধি বৰ্ত্তমান ৪০০ একৰলৈ বৃদ্ধি পায়। চাহ খেতিৰ বিষয়ে তেখেত ক্ৰমে ইমানেই সিদ্ধহস্ত হৈ পৰিছিল যে ইখানৰ পাছত সিখনকৈ তেখেত ১০ খন চাহবাগিচাৰ মালিক হৈ পৰে। সেই কেইখন হ'ল খনিকৰ, দবা, কলিয়াবৰ, দিখাৰী, চেকনী, ঢুলি, নগাজানকা, মহালক্ষ্মী, তেজালপটি, হালমিৰামুখ। সেইদৰে তেখেতৰ আয়ত্বত থকা বাগানবোৰত এক বুজন সংখ্যক মানুহৰ সংস্থাপনৰ এক সুচলবাট তেখেতে মোকলাই দিয়ে। ১৯৪৪ চনৰ পৰা ১৯৪৭ চনলৈ তেখেত ডিব্ৰুগড় পৌৰ সভাৰ সভাপতি আছিল।

শ শ মানুহক কৰ্ম সংস্থাপনৰ সুযোগ দি তেখেতে আত্মসন্তুষ্টি লাভ কৰিছিল আৰু ব্যৱসায় সম্পূৰ্ণকৈ থিতাপি লোৱাৰ অন্তত তেখেত তৃতীয় গৰাকী পত্নী আৰু পুত্ৰ সমন্বিতে ১৯৫১ চনত পবিত্ৰ হজ সমাপন কৰে। তেখেতে জনহিতকৰ কামত ব্যয় কৰিবলৈ সদায় আগ্ৰহ দেখুৱাইছিল।

অনগ্ৰসৰ আৰু অনুন্নত অসমত সেই সময়ত সৰ্ব্বনাশী যক্ষ্মা ৰোগে এক আতঙ্কৰ সৃষ্টি কৰিছিল। সেই সময়ত এই ৰোগৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য কৰি সমগ্ৰ বিশ্বজুৰি সজাগতাৰ সৃষ্টি হৈছিল। ইয়াৰপৰা পৰিত্ৰাণ পোৱাৰ বাবে অসমতো এক কল্যাণমূলক আঁচনিৰ অভিযানৰ আয়োজন কৰা হয়। এই আঁচনিৰ বাবে তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে ৰাইজৰ সহযোগত এটি যক্ষ্মা চিকিৎসালয় প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত লয়। এই সিদ্ধান্তৰ প্ৰধান অন্তৰায় হৈ দেখা দিয়া অৰ্থনৈতিক সঙ্কটৰ প্ৰতি লক্ষ্য কৰি হাজী জালালউদ্দিনে সম্পূৰ্ণ একক ভাবে ১৯৫১ চনত ২,২৭, ০০০ টকাৰ দান আগবঢ়ায়। সেই সময়ত ব্যক্তিগত দান হিচাবে এই দান পৰিমাণ ভাৰতৰ সৰ্ব্ববৃহৎ দানৰ পৰিমাণ আছিল। চৰকাৰে প্ৰস্তুত কৰা নক্সামতে তেখেতে ডিব্ৰুগড় মেডিকেল কলেজ সংলগ্ন এটি আটক ধুনীয়া ৱাৰ্ডেৰে যক্ষ্মা হাস্পাতাল নিৰ্মাণ কৰি উলিয়ায়। অসমৰ এইজনা সুযোগ্য সন্তানৰ ৰাজকীয় দানৰ বিনিময়ত গঢ়ি উঠা হাস্পাতালখনিয়ে বহু দুৰ্ভগীয়াক এই ঘাতক বেমাৰৰ পৰা সুস্থ হোৱাত সহায় কৰে। সেই চিকিৎসালয় আজিও বিদ্যমান।

ইয়াতেই চিকিৎসা কৰোৱাই হাজাৰ হাজাৰ বেমাৰী নিৰোগী হৈছে। মানৱহিতৈষী জালালউদ্দিনৰ দানৰ অন্তৰালত এক ভা ৱাবেগ নিহিত হৈ আছিল। তেখেতৰ মৰমৰ জীয়ৰী হীৰাৰ স্বামীৰ মৃত্যু যক্ষ্মা বেমাৰৰ বাবেই হৈছিল। হীৰাৰ স্বামীৰ মৃত্যুত জালালউদ্দিন ভীষণভাৱে দুখিত হৈ পৰিছিল আৰু এই ভয়াবহ বেমাৰ দূৰীকৰণৰ বাবে তেখেতে চিন্তা চৰ্চ্চা কৰি এখনি যক্ষ্মা হাস্পাতাল গঢ়ি তুলিবলৈ প্ৰতিজ্ঞা কৰে। সেই প্ৰতিজ্ঞা তেখেতে আখৰে আখৰে পালন কৰে। তেখেত অসম চিকিৎসা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰো সদস্য আছিল।

জীৱনত বৈভৱ, যশ, খ্যাতি, সকলো অৰ্জন কৰাৰ পাছতো জালালউদ্দিনে কিবা এক নোপোৱাৰ বেদনাত ভুগিছিল। প্ৰতিষ্ঠিত জীৱন আৰু প্ৰাচুৰ্য্যৰ সোৱাদ পোৱা জালালউদ্দিনে বাৰুকৈয়ে উপলব্ধি কৰিছিল এই পাৰ্থিৱ সুখেই মানৱৰ শেষ প্ৰাপ্তি হব নোৱাৰে। তেখেতৰ অন্তৰ ক্ৰমে আল্লাৰ ফালে ঢাল খালে। তেখেত সাংসাৰিক, ক্ৰিয়াকৰ্ম, জীৱিকাৰ তাড়নাতকৈ আল্লাৰ বিধানৰ প্ৰতি অধিক সচেতন হৈ পৰিল। ধৰ্মৰ নামত, ধৰ্মৰ কামত তেখেতে অধিক সময় উৎসৰ্গ কৰা হ'ল। আল্লাৰ ইবাদতত বিচাৰি পালে মনৰ প্ৰশান্তি। তেখেত ১৯৫১ চনত হজলৈ যাওঁতে তেখেতৰ অসাধাৰণ ব্যক্তিত্বৰ প্ৰতি আকৃষ্ট হৈ চৌদি আৰবৰ ৰজা ই ৱন চৌডে তেখেতক নৈশভোজৰ বাবে আমন্ত্ৰণ জনাই গৌৰৱান্বিত কৰে। তেখেতৰ এটি আচুতীয়া সাক্ষাত গ্ৰহণৰ অন্তত ৰজা সমন্বিতে সেই ভোজত উপস্থিত থকা গণ্যমান্য ব্যক্তিসকল তেখেতৰ নিস্বাৰ্থ দান বৰঙণি, নিৰ্মোহ কৰ্মস্পৃহা আৰু অনাড়ম্বৰ জীৱনশৈলীৰ বিষয়ে শুনি প্ৰভাৱিত হয়। পবিত্ৰ হজে তেখেতৰ জীৱন দৰ্শন সম্পূৰ্ণ সলনি কৰি পেলায়। গৌৰবোজ্জ্বল এই তীৰ্থযাত্ৰাৰ অন্তত তেখেতে নিজকে সম্পূৰ্ণৰূপে আল্লাৰ নামত উৎসৰ্গা কৰে। সংসাৰ বন্ধনৰ পৰা নিজকে মুক্ত কৰি শুদ্ধচিত্তে তেখেতে আত্মোপলব্ধি কৰে যে তেখেতে অৰ্জন কৰা অগাধ সম্পত্তি তেখেতৰ নহয়। সেইয়া আল্লাৰ। গতিকে সেই ঐশ্বৰ্য্য মানৱ জনমৰ ইহকাল পৰকালৰ শান্তিৰ বাবে, আল্লাৰ আনন্দৰ বাবেহে নাইবা মহৎ কামতহে ব্যয় কৰা উচিত। সেয়ে তেখেত ডিব্ৰুগড়ৰ মাজমজিয়াৰ মুছলমান সম্প্ৰদায় অধ্যুষিত পাঁচআলি অঞ্চলত মছজিদ সাজি দিয়ে, য'ত আজিও এক বৃহৎসংখ্যক লোকে নিতৌ নামাজ পঢ়ি পূণ্য অৰ্জন কৰে। তেখেতে ১৯৬৩

চনত ৰঙিয়াৰ প্ৰসিদ্ধ মাদ্ৰাছাত বহু টকা স্বেচ্ছাই দান কৰে। প্ৰচাৰবিমুখ এইজনা দাতাই আন বহুতো মাদ্ৰাছা শিক্ষানুষ্ঠান আৰু অনুষ্ঠান প্ৰতিষ্ঠানত প্ৰয়োজনত অকাতৰে দান বৰঙণি যোগাই অহাৰ লগতে দুঃস্থ-দুখীয়া শ্ৰেণীৰ লোককো সহায় কৰি গৈছে। প্ৰতিপত্তি আৰু অগাধ সম্পত্তিৰ মালিক হৈও নিৰহংকাৰী এইজনা ব্যক্তিয়ে সহজ-সৰল এক ফকীৰী জীৱন অতিবাহিত কৰিছিল আৰু নিজৰ সন্তান সকলকো সহজ সৰল আৰু অনাড়ম্বৰ জীৱন যাপন কৰিবলৈ উদ্‌গনি দিছিল। তেখেত প্ৰচাৰবিমুখ এক অন্তৰ্মুখী ব্যক্তি আছিল। বিচক্ষণ, ধীবুদ্ধি সম্পন্ন আৰু গভীৰ তত্ত্বদৰ্শী এইজনা ব্যক্তি, পৰিয়াল তথা সমাজৰ আদৰ্শ। মৃত্যুয়ে যাৰ আদৰ্শক ম্লান কৰিব পৰা নাই।

১৯৬৮ চনৰ ৯ ডিচেম্বৰত হাজী জালালউদ্দিন আহমদৰ মৃত্যু হয়। ❖

---

(তথ্য যুগুতাইছে জালালউদ্দিন আহমদৰ কন্যা ৰুমেনা ৰহমানে।

# ছাৰ ছৈয়দ ছাদুল্লা

ইমৰান হুছেইন



১৯১৩ চনৰ পৰা১৯৫১ চনলৈকে সুদীৰ্ঘ দুকুৰি বছৰ ধৰি অসমৰ ৰাজনীতিত সক্ৰিয় ভূমিকা গ্ৰহণ কৰা ছাৰ ছৈয়দ ছাদুল্লাৰ ৰাজনৈতিক জীৱনটোক লৈ বিশেষ আলোচনা হোৱা দেখা নাযায়। অসমৰ ৰাজনীতিত তেখেত একপ্ৰকাৰ অস্পৃশ্য হৈয়েই ৰৈ গ'ল। মুছলিম লীগৰ ৰাজনীতি কৰাটোৱেই আছিল হয়তো বহুতৰ বিচাৰত তেখতৰ প্ৰধান অপৰাধ। দলটোৰ সদস্য আছিল বাবেই ছাদুল্লাক জিন্নাৰ সমৰ্থক আৰু পাকিস্তানপ্ৰেমী আছিল বুলি ক'বলৈ এচাম লোকে প্ৰয়াস কৰা দেখা যায়। অৱশ্যে মুছলিম লিগৰ এগৰাকী সদস্য হিচাপে দলটোৰ অনুশাসন মানি তেখেতে অসমৰ স্বাৰ্থবিৰোধী কিছুমান সিদ্ধান্ত নোলোৱাকৈ থকা নাছিল। তাৰ বাবে তেখেত নিশ্চয় সমালোচলাৰ উৰ্দ্ধত হ'ব নোৱাৰে। কিন্তু অসমৰ প্ৰধানমন্ত্ৰী (স্বাধীনতাৰ পূৰ্বে এই পদটোক মুখ্যমন্ত্ৰী বুলি নকৈ প্ৰধানমন্ত্ৰী বুলি কোৱা হৈছিল।) হিচাপে মুছলিম লীগ দলৰ ঘোষিত নীতিৰ বিৰোধী অনেক সিদ্ধান্তও তেখেতে লৈছিল। ছাদুল্লাৰ ৰাজনৈতিক জীৱন ভালদৰে বিশ্লেষণ কৰিলে দেখা যায় যে মহম্মদ আলি জিন্না, মৌলানা আব্দুল মতিন চৌধুৰী আদিৰ দৰে সেই সময়ৰ মুছলিম লিগৰ নেতাসকলৰ তুলনাত তেখেতৰ দৃষ্টিভঙ্গী যথেষ্ট পৃথক আছিল। ড° হীৰেণ গোহাঁয়েও তেখেতৰ বিষয়ে উল্লেখ কৰি এটা প্ৰৱন্ধত কৈছে

যে ছাদুল্লাই 'অসমৰ ভালৰ বাবেও কিছুমান ভাল কাম কৰিছিল, সকলো ক্ষেত্ৰত সাম্প্ৰদায়িক ৰাজনীতি কৰা নাছিল।' (আজিৰ অসম)

১৯১৩ চনতে সক্ৰিয় ৰাজনৈতিক জীৱন আৰম্ভ কৰা ছাদুল্লা প্ৰথম অৱস্থাত মুছলিম লীগৰ সাধাৰণ সদস্যও নাছিল। ১৯১৯চনত তেখেত গুৱাহাটী পৌৰ সভাৰ সভাপতি নিৰ্বাচিত হৈছিল । বৃটিচ চৰকাৰে অসমৰ শাসন কাৰ্য পৰিচালনাৰ বাবে গঠন কৰা ব্যৱস্থাপক সভাৰ (Legislative Council of Assam) সদস্য হিচাপেও তেখেতক মনোনীত কৰা হৈছিল । ১৯২৪ চনত গৱৰ্নৰ জন হেনৰি কাৰৰ আমন্ত্ৰণত তেখেতে মন্ত্ৰী পদো গ্ৰহণ কৰিছিল। এই সময়ছোৱাত মুছলিম লিগৰ ৰাজনীতিৰ সৈতে ছাদুল্লাৰ কোনো সম্পৰ্ক নাছিল।

ব্যৱস্থাপক সভাৰ সদস্য হিচাপে সভাৰ বৈঠকবোৰত অসমৰ স্বাৰ্থৰ হকে ছাদুল্লাই সততে মাত মাতিছিল। সভাৰ আন অসমীয়া সদস্যসকলেও ছাদুল্লাৰ যুক্তি আৰু মন্তব্যবোৰৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছিল। ১৯০৫ চনত বংগভংগৰ ফলত অসম আৰু পূৰ্ববঙ্গক লৈ এখন প্ৰদেশ গঠন কৰা হৈছিল। পাছত স্বদেশী আন্দোলনৰ ফলত দুয়োখন বংগক একেলগে কৰি অসমক পৃথক কৰা হ'ল যদিও ছিলেট জিলাখন অসমতে ৰৈ গৈছিল। ব্যৱস্থাপক সভাত অসমীয়া সদস্যসকলে ছিলেটক অসমৰ পৰা আঁতৰাই নিবলৈ যি দাবী উত্থাপন কৰিছিল, তাৰ নেতৃত্ব কৰিছিল ছাদুল্লাই। সেই সময়ত ব্যৱস্থাপক সভাত এই সম্পৰ্কীয় বিতৰ্কত ভাগ লৈ প্ৰমোদ চন্দ্ৰ দত্ত নামৰ বাঙালী সদস্য এজনে অসমক বংগৰ লগত চামিল কৰিবলৈ দাবী জনাইছিল। ছাদুল্লাই সেই দাবীৰ বিৰোধীতা কৰি কৈছিল,- 'অসম বংগৰ লগত চামিল হ'ব , যদিহে বংগৰ তুলনাত সম্পূৰ্ণ পৃথক অসমীয়া জাতীয়তা, সংস্কৃতি আৰু ভাষাই অসমত বৰ্তমানে পাই থকা মৰ্যাদা বংগতো পাই থাকিব পৰাকৈ অসমৰ সকলো জিলাকে বৰ্তমানৰ দৰেই অটুট ৰখা হয়।' (A Century of Government and Politics in the North-East India : V.V. Rao & N. Hazarika)

১৯৩৭ চনত অসমত অনুষ্ঠিত নিৰ্বাচনত ছাদুল্লা অসম উপত্যকা মুছলিম পাৰ্টি নামৰ এটা দলৰ প্ৰাৰ্থী হিচাপেহে অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল।

তেখেতৰ নেতৃত্বত দলটোৱে ১০৮ জনীয়া বিধান সভাৰ পাঁচখন আসন লাভ কৰিছিল। মুছলিম লিগেও এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও ন খন আসনহে লাভ কৰিছিল আনহাতে সুৰমা উপত্যকা মুছলিম পাৰ্টি আৰু মুছলিম প্ৰজা পাৰ্টি নামৰ দুটা দলে এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি যথাক্ৰমে পাঁচখন আৰু এখন আসন লাভ কৰি ছিল । এই নিৰ্বাচনত আন চৈধ্যজন মুছলমান সদস্যও নিৰ্দলীয় হিচাপে নিৰ্বাচিত হৈছিল ছাদুল্লাই এই ৩৪ জন মুছলমান সদস্যক একগোট কৰি সংযুক্ত মুছলিম পাৰ্টি গঠন কৰাৰ প্ৰয়াস কৰিছিল। এই ৩৪ জন সদস্যৰ লগতে চৈধ্যজন ইংৰাজ আৰু ৰোহিণী কুমাৰ চৌধুৰীৰ মিলিত জনসংঘৰ সমৰ্থনত ছাদুল্লা অসমৰ প্ৰথমখন নিৰ্বাচিত চৰকাৰৰ প্ৰধানমন্ত্ৰী হৈছিল। ১৯৩৭চনৰ ১ এপ্ৰিলত গঠন কৰা ছাদুল্লাৰ চৰকাৰখনক অসমৰ কাকত-পত্ৰসমূহে মুছলিম লীগৰ চৰকাৰ বুলি অভিহিত কৰি আহিছে যদিও সেইখন আচলতে এখন সন্মিলিত চৰকাৰহে আছিল। ছাদুল্লাৰ নেতৃত্বৰ সেই সন্মিলিত বিধায়িনী দলত প্ৰকৃতাৰ্থত মুছলিম লিগৰ বিধায়ক আছিল মাত্ৰ নজন। ইফালে ১৯৩৭চনৰ সেই নিৰ্বাচনত সৰ্বভাৰতীয় স্তৰত মুছলিম লীগৰ সৈতে কংগ্ৰেছ দলৰহে নিৰ্বাচনী বুজাপৰা হৈছিল। কংগ্ৰেছৰ বিশিষ্ট নেতা জৱাহৰলাল নেহৰুৱে সেই নিৰ্বাচনত দেশৰ যিবোৰ সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থী নাছিল, সেইবোৰত লিগক সমৰ্থন কৰিবলৈ জনসাধাৰণক আহ্বান জনাইছিল। ছাদুল্লা পাছতহে মুছলিম লীগত চামিল হৈছিল।

ৰাজনৈতিক ভাৱে যি দলতেই নাথাকক, ছাদুল্লাই অসম আৰু অসমীয়াৰ স্বাৰ্থক কোনো দিনেই জলাঞ্জলি দিয়া নাছিল। অসমৰ সকলো জনগোষ্ঠীৰ সমবিকাশৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। সেই সময়ত অসমৰ বিভিন্ন জনগোষ্ঠীয়ে নিজৰ বাবে বিভিন্ন সা-সুবিধা বিচাৰি চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰি আহিছিল। সেই সময়ৰ আহোম সম্প্ৰদায়ৰ এগৰাকী আগশাৰীৰ নেতা সুৰেন্দ্ৰ নাথ বুঢ়াগোহাঁয়ে ১৯৩৪ চনত পুলিছ ছাব- ইন্সপেক্টৰৰ বাবে হোৱা নিযুক্তিত আহোম সম্প্ৰদায়ৰ এজনো প্ৰাৰ্থীয়ে নিযুক্তি নোপোৱাৰ বিৰুদ্ধে চৰকাৰৰ ওচৰত প্ৰতিবাদ জনাইছিল। ছাদুল্লায়ো ৰাজ্যখনৰ অসমীয়াভাষী

খিলঞ্জীয়া মুছলমানসকলৰ স্বাৰ্থৰ হকে কিছু মাত মাতিছিল আৰু তেওঁলোকৰ বাবে পদ আদি সংৰক্ষণৰ দাবী উত্থাপন কৰিছিল। তেখেতৰ এনে স্থিতিক জিন্নাৰ দ্বিজাতি তত্ত্বৰ লগত কোনো মতে তুলনা কৰিব নোৱাৰি।

ছাদুল্লাৰ বিৰুদ্ধে উত্থাপিত আন এটা গুৰুতৰ অভিযোগ হ'ল, - পূৰ্ববংগৰপৰা মুছলমান লোক আনি বহুৱাই তেখেতে অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰিব খুজিছিল। অভিযোগটোত কোৱা হয় যে 'অধিক খাদ্যশস্য উৎপাদন'ৰ অজুহাতত তেখেতে মুছলমান লোক আমদানি কৰি আচলতে অসমত মুছলমানৰ সংখ্যাহে বঢ়াব খুজিছিল। এই অভিযোগটোৰ উত্তৰত ক'ব পাৰি যে ছাদুল্লা চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ সময়ত প্ৰচৰণ (migration) অসমৰ বাবে নতুন কথা নাছিল। এনে প্ৰচৰণ আচলতে বৃটিছে অসম অধিকাৰ কৰাৰ কিছু বছৰৰ পাছৰপৰাই আৰম্ভ হৈছিল। ১৮৯১ চনত অসমৰ জনসংখ্যা আছিল ২৪,৭৬,৪৮১ জন। তাৰে ৫,১০,০০০ জন আছিল প্ৰব্ৰজনকাৰী। তাৰ ভিতৰত ৪,২৩,৩০০ জন আছিল চাহ বাগিছাৰ বনুৱা আৰু ৪৫,০০০ জন আছিল পমুৱা মুছলমান। ১৯৩৯ চনত অসমৰ মুঠ জনসংখ্যা হৈছিলগৈ পঁচপন্ন লাখ এষষ্ঠি হাজাৰ। ইয়াৰ ভিতৰত তেত্ৰিছ লাখ একানব্বৈ হাজাৰহে থলুৱা লোক আছিল। বাকী একৈছ লাখ সত্তৰ হাজাৰেই আছিল প্ৰব্ৰজনকাৰী। এইসকলৰ ভিতৰত চৈধ্য লাখ চাহ বনুৱা, এক লাখ চল্লিছ হাজাৰ নেপালী, পাঁচ লাখ পঞ্চাছ হাজাৰ পমুৱা মুছলমান আৰু বাকী প্ৰায় সোতৰ হাজাৰ মাৰোৱাৰী, বিহাৰী, বঙালী আদি সম্প্ৰদায়ৰ লোক আছিল।

আনহাতে স্বাধীনতাৰ পূৰ্বে পূববংগ অবিভক্ত ভাৰতৰে অংশ আছিল। গতিকে ৰাজস্থান , বিহাৰ আদিৰপৰা জীৱিকাৰ সন্ধানত মানুহ অহাৰ দৰে অসমলৈ, বিশেষকৈ নামনি অসমলৈ পূববংগৰ মৈমনসিং, ছিলেট আদিৰপৰা জমিদাৰৰ অত্যাচাৰ আৰু দৰিদ্ৰতাই জুৰুলা কৰা লোকৰ আগমন ঘটিছিল। সেই সময়ত একেখন দেশৰ এঠাইৰপৰা আন ঠাইলৈ মানুহৰ প্ৰচৰণ বন্ধ কৰিবলৈ চৰকাৰৰ ওচৰত কোনো আইন নাছিল। গতিকে ছাদুল্লা চৰকাৰে 'অধিক খাদ্যশস্য উৎপাদন'ৰ অজুহাতত 'মুছলমানৰ সংখ্যা বঢ়োৱা' নীতি গ্ৰহণ কৰিছিল বোলা অভিযোগটো কিমান দূৰ সত্যৰ ওপৰত প্ৰতিষ্ঠিত,সেই বিষয়ে আমাৰ সন্দেহ

ওপজে। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে এখন সমাজৰ মূৰব্বী হিচাপে কেইবাবাৰো অনাস্থাৰ সন্মূখীন হোৱা ছাদুল্লাই নিজৰ চৰকাৰখনক বচাবলৈকে ১৯৩৭ চনত বাধ্য হৈ মুছলিম লিগত যোগ দিছিল। ৰাজনৈতিক ৰণকৌশল হিচাপেই হয়তো তেখেতে তেনে সিদ্ধান্ত লৈছিল। সেয়েহে কেতিয়াবা লিগৰ সমৰ্থনত আৰু কেতিয়াবা গোপীনাথ বৰদলৈৰ নেতৃত্বৰ কংগ্ৰেছ দলৰ সমৰ্থনতো চৰকাৰ গঠন কৰি তেখেতে অসমৰ প্ৰধানমন্ত্ৰী হৈছিল। এনে এক অৱস্থাত তেখেতে পমুৱাৰ অনুকূলে কিছুমান সিদ্ধান্ত ল'বলৈ বাধ্য হৈছিল বুলি ড. ভেংকট ৰাৱে লিখিছে । হ'লেও ইতিমধ্যে পমুৱাৰ অধিক প্ৰচৰণ ৰোধ কৰিবলৈ বৃটিছ চৰকাৰে গ্ৰহণ কৰা 'লাইন প্ৰথা' আখৰে -আখৰে পালন কৰাৰহে তেখেতে পক্ষপাতী আছিল। ড° ৰাৱে আৰু লিখিছে - Saadulla himself as an Assamese Muslim, would have liked to keep the immigrants out and he would have had the support of everyone to such a policy except the Surma Valley Muslims and the immigrants themselves. সেইকাৰণেই অসমত মুছলিম লিগৰ এগৰাকী আগশাৰীৰ সদস্য আৰু পমুৱা মুছলমানসকলৰ নেতা মৌলানা আব্দুল হামিদ খান ভাচানীৰ সৈতে ছাদুল্লাৰ সম্পৰ্ক অহি - নকুল হৈ পৰিছিল। ছাদুল্লাৰ সৈতে সৃষ্টি হোৱা এনে মতবিৰোধৰ বিষয়ে উল্লেখ কৰি মৌলানা ভাচানীয়ে মন্তব্য কৰিছিল, - কংগ্ৰেছী প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈ আৰু মুছলিম লিগৰ প্ৰধানমন্ত্ৰী ছাদুল্লাৰ মাজত পাৰ্থক্য মাত্ৰ টুপী । এজনে টুপী পিন্ধে, আনজনে নিপিন্ধে। মাত্ৰ টুপী পিন্ধাৰ কাৰণেই জনগণৰ স্বাৰ্থবিৰোধী কাম কৰাৰ পাছতো আমি ছাদুল্লাক সমৰ্থন দি মুছলিম লীগত থাকিম, ই অসম্ভৱ। মৌলানা ভাচানীয়ে আনকি পমুৱাসকলক মাটি দিব নোৱাৰিলে ছাদুল্লাৰ পদত্যাগো দাবী কৰিছিল। কিন্তু তাৰ উত্তৰত ছাদুল্লাই অভিযোগ কৰি কৈছিল যে পমুৱা গাঁওবোৰৰ মাটিলোভী গাওঁবুঢ়া, দেৱানী আৰু মাতব্বৰবোৰে নিজৰ বাবে সত্তৰৰপৰা এশ বিঘালৈকে মাটিৰ পট্টা উলিয়াই লৈছিল যাতে সেইবোৰত তলতীয়া ৰায়ত (Sub-tenants) বহুৱাই লাভ আহৰণ কৰিব পাৰে। সেইসকল লোকৰ অতিপাত মাটি লোভৰ বাবেই লাইন প্ৰথাৰ দৰে আইন প্ৰণয়ন কৰিব লগা হৈছিল। উল্লেখযোগ্য যে পমুৱাসকলৰ বাবে মাটি

বিচাৰি আন্দোলন কৰা মৌলানা ভাচানীৰো হেনো ধুবুৰীৰ ভাচানী চৰত ছশ বিঘাৰো অধিক মাটি আছিল। ছাদুল্লাৰ এগৰাকী সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰা ঈশ্বৰ প্ৰসাদ চৌধুৰীৰ মতে পমুৱা লোকসকলে অধিকাৰ কৰা মাটিত তেওঁলোকক কেতিয়াও ম্যাদী পটাৰে মাটি পট্টন দিব নালাগে বুলি ছাদুল্লাই গৃহ দপ্তৰৰ ফাইল এটাত নিৰ্দেশ দি থৈছিল। এনেবোৰ কাৰণত, বিশেষকৈ ভাচানীৰ লগত হোৱা বিবাদৰ ফলত ছাদুল্লা পমুৱা মুছলমান আৰু মুছলিম লিগৰ সদস্যসকলৰ মাজত একেবাৰে অপ্ৰিয় হৈ পৰিছিল।

অসমক পাকিস্তানৰ লগত চামিল কৰিবলৈ মুছলিম লীগৰ এচাম নেতাই চলোৱা প্ৰচেষ্টাক ছাদুল্লাই সমৰ্থন কৰা নাছিল। এই সম্পৰ্কে বিশিষ্ট কংগ্ৰেছী নেতা দেবেশ্বৰে শৰ্মাই তেখেতৰ আত্মজীৱনী 'হেৰাই যোৱা দিনবোৰ'ত লিখিছে,- "পূববংগ আৰু অসমৰ নতুন পমুৱা মুছলমান আৰু মুছলিম লীগৰ সভ্যসকল যেতিয়া 'লড়কে লেংগে পাকিস্তান' ধ্বনি কৰি অসম আক্ৰমণ কৰিবলৈ উদ্যত হৈছিল, তেতিয়া ছাৰ ছৈয়দ ছাদুল্লাৰ নেতৃত্বত মুছলিম লীগৰ অসমীয়া সভ্যসকলৰ মতবিৰোধ ঘটিছিল। ছাদুল্লা চাহাবে প্ৰত্যক্ষ আন্দোলনৰ বিৰোধিতা কৰি আইন সংগত ভাৱে সমস্যা সমাধান কৰিবলৈ ওলোৱাত অসমৰ মুছলিম লীগৰ দুটা দলৰ মাজত গভীৰ মতানৈক্য হৈছিল ।"

ৰাজনৈতিকভাৱে মুছলিম লীগৰ লগত জড়িত হৈ পৰিছিল যদিও ছাদুল্লাই নিজৰ কাৰ্যপ্ৰণালীত কোনো দিনেই হিন্দু-মুছলমানৰ ভেদভাৱ দেখুওৱা নাছিল । ঈশ্বৰ প্ৰসাদ চৌধুৰীয়ে এটা প্ৰবন্ধত লিখিছে যে তেওঁ চাকৰিত নিযুক্তি পাই আগবেলা কামত যোগ দিছিল আৰু আমিৰুল ইছলাম নামৰ এজনে একেদিনাই পাছবেলা যোগ দিছিল। পদোন্নতি দিবৰ সময়ত তেওঁ হেডকোৱাৰ্টাৰত উপস্থিত নথকা সত্বেও প্ৰধানমন্ত্ৰী ছাদুল্লাই তেওঁ আহি পোৱাৰ লগে- লগে তেওঁকে দায়িত্ব ল'বলৈ নিৰ্দেশ দিছিল। "হিন্দু -মুছলমানৰ ভেদাভেদ কৰাহেঁতেন একেদিনাই কামত যোগদান কৰা বুলি মুছলমান বিষয়াজনক দায়িত্ব লবলৈ দিব পাৰিলেহেঁতেন" বুলি শ্ৰী চৌধুৰীয়ে প্ৰকাশ কৰিছে। আজান পীৰৰ বংশধৰ এই অসম সন্তানগৰাকীয়ে ৰাজনৈতিকভাৱে যিয়েই নকৰক, সামাজিক-সাংস্কৃতিকভাৱে তেখেতে হাড়ে-হিমজুৰে অসমীয়া আছিল। জীৱিতকালত অসম

সাহিত্য সভাৰ প্ৰায় প্ৰতিখন অধিবেশনতে তেখেত উপস্থিত আছিল। অসমৰ প্ৰবীণ কংগ্ৰেছী নেতা শিৱপ্ৰসাদ বৰুৱাই সেইবিষয়ে উল্লেখ কৰি লিখিছে,- "তাহানি মুছলিম লিগৰ প্ৰধানমন্ত্ৰী ছাৰ ছাদুল্লা চাহাবে সদলবলে, গহীণ-গম্ভীৰভাৱে, হাতযোৰ কৰি সভাত উপস্থিত হোৱা আকৰ্ষণীয় দৃশ্যটো মোৰ মনত আজিও সেউজ হৈ আছে। ছাৰ ছাদুল্লা চাহাব আছিল প্ৰকৃত অসমীয়া আৰু অসমক ভাল পোৱা লোক। মুছলিম লিগৰ প্ৰধানমন্ত্ৰী আছিল বুলিলেই তেওঁ অস্পৃশ্য নাছিল। ছাৰ ছাদুল্লা চাহাব প্ৰতিখন অসম সাহিত্য সভাত উপস্থিত হৈছিল।"

বৰপেটা সত্ৰৰ প্ৰতিও ছাদুল্লাৰ আছিল অসীম শ্ৰদ্ধা। সত্ৰাধিকাৰ শ্ৰী শ্ৰীচতুৰ্ভুজ দেৱমিশ্ৰলৈ ছাৰ ছাদুল্লাই নিজৰ জীৱিত কালত প্ৰতিবছৰে পহিলা বহাগৰ দিনা এটা মাননি পঠাই আছিল। সত্ৰাধিকাৰ গৰাকীক দেখা কৰিবলৈ যোৱাৰ বিষয়ে বৰ্ণনা কৰি গুৰুপদ চৌধুৰীয়ে এটা প্ৰবন্ধত লিখিছে,-"বৰপেটালৈ আহিছে যেতিয়া ছাৰ ছৈয়দ ছাদুল্লা চাহাবে বৰপেটা হেন সত্ৰৰ সত্ৰাধিকাৰ মহাপ্ৰভুৰ দৰ্শন পাবলৈ ইচ্ছা প্ৰকাশ কৰিলে। ...প্ৰভুৱে হৰিষ মনেৰে আৱাহন জনালে,--এনে হেন নেতাপুৰুষ আহিব গৌৰৱৰহে কথা।....যথাৰীতি বাটচ'ৰাৰ দুৱাৰমুখত দূবৰিৰ ওপৰতে জোতা থৈ (ছাদুল্লা) মেলচ'ৰালৈ আগবাঢ়িল। ...প্ৰভুৰ মূৰত বগা পাগুৰি, গাত পাটৰ চেলেং। ছাদুল্লা চাহাবৰো ধকধকীয়া বগা ধুতী, পাঞ্জাবী চোলা, গলত পাটৰ চাদৰ ।...ছাদুল্লা চাহাব পোনেই প্ৰভুৰ সন্মূখতে পাটীত বহি পৰিল। হাতযোৰ কৰি বটা এটাত ধুতী - চাদৰ এযোৰ, তাৰ ওপৰত এশ টকা থৈ প্ৰভুক মান ধৰিলে।"

প্ৰধানমন্ত্ৰী হিচাপে ছাদুল্লাই জাতি -বৰ্ণ-ধৰ্ম নিৰ্বিশেষে অসমীয়া বহু লোককে কৰ্মসংস্থান আৰু আন ধৰণে উপকৃত কৰাৰ বিষয়ে তেনে লোকৰ মুখৰপৰাই শুনা যায়। শিৱপ্ৰসাদ বৰুৱাই দৈনিক অসমত এই বিষয়ে লিখিছে,- "ছাদুল্লা ডাঙৰীয়া মুছলিম লীগৰ নেতা আৰু অসমৰ প্ৰধানমন্ত্ৰী আছিল সঁচা, কিন্তু তেওঁ আছিল এজন দক্ষ প্ৰশাসক, দূৰদৰ্শী, অসমপ্ৰেমী বৰেণ্য নেতা। অসমীয়া ছাত্ৰ সমাজে ছাদুল্লা ডাঙৰীয়াক সন্মান কৰিছিল আৰু ছাদুল্লা ডাঙৰীয়ায়ো ভালেখিনি অসমীয়া যোগ্য ব্যক্তিক কামত সুমূৱাই লৈছিল।"

১৯৪৬ চনত সাংবিধানিক পৰিষদলৈ নিৰ্বাচিত হোৱা এই অসম সন্তানগৰাকী ভাৰতৰ সংবিধান খচৰা প্ৰস্তুতৰ সাতজনীয়া সমিতিৰ সদস্য হিচাপেও মনোনীত হৈছিল।সেয়েহে দেশৰ সংবিধান প্ৰণেতা সাতগৰাকী সদস্যৰ অন্যতম হিচাপে ছৈয়দ ছাদুল্লা সদায়েই সন্মানিত হৈ ৰ'ব। সাংবিধানিক পৰিষদৰ সদস্য হিচাপে তেখেত গোপীনাথ বৰদলৈ আৰু অসমৰ বাকী কেইগৰাকী সদস্যৰ সৈতে লগ লাগি অসমক গ্ৰুপিঙত চামিল হোৱাৰপৰা ৰক্ষা কৰাৰ কামতো জড়িত হৈ পৰিছিল। 'It may be that if Assam had not opposed the grouping plan, the formal establishment of Pakistan might have been delayed for a time, but then there would have been no Assam left. Gopinath Bordoloi and Sir Md. Saadulla, who inspite of his Muslim League sympathies quickly reconciled himself to the inevitable outcome of the agitation against grouping, represented Assam along with eight others in the Constituent Assembly that was formed in accordance with the Cabinet Mission's proposal.(K.N. Dutta, Landmarks of the freedom struggle in Assam).

গোপীনাথ বৰদলৈ ৰাজনৈতিক দিশত তেখেতৰ প্ৰধান প্ৰতিদ্বন্দ্বী আছিল যদিও দুয়োৰে মাজত ব্যক্তিগত সম্পৰ্ক আছিল সম্পূৰ্ণ সৌহাৰ্দপূৰ্ণ। দুয়ো একেলগে প্ৰায়ে টেনিছ খেলিছিল। বৰদলৈ কটন কলেজত ছাদুল্লাৰ ছাত্ৰও আছিল। সেয়েহে বৰদলৈয়ে পাছৰ জীৱনটো ছাদুল্লাক সদায় ছাৰ বুলিয়েই সম্বোধন কৰিছিল।

১৮৮৫ চনৰ ২১ মে'ত গুৱাহাটীৰ লাখটকীয়াত জন্মগ্ৰহণ কৰা এই অসম সন্তানগৰাকীৰ ১৯৮৫ চনতে জন্মৰ এশ বছৰ পূৰ্ণ হৈছিল। কিন্তু তেখেতৰ স্মৃতিত আজিকোপতি ৰাজ্যখনৰ ক'তো এখন সভা বা আন অনুষ্ঠান পতাৰ প্ৰয়োজনীয়তাও কোনেও অনুভৱ নকৰিলে। মুছলিম লিগৰ ৰাজনীতিত জড়িত হৈছিল বাবেই ৰাজ্যখনৰ এচাম লোকে তেখেতক সাম্প্ৰদায়িকতাবাদী বুলি অভিহিত কৰি তেখেতে কৰি থৈ যোৱা ভাল

কামখিনিকো যেন স্বীকৃতি দিব নোখোজে। আন নহ'লেও ভাৰতৰ সংবিধান প্রণেতাসকলৰ অন্যতম হিচাপেও জানো তেখেতক সুঁৱৰিব নোৱাৰি? অসম চৰকাৰৰো এইক্ষেত্রত একো কৰণীয় নাইনে? কেৱল গুৱাহাটীৰ লাখটকীয়াত তেখেতৰ স্মৃতিত এটা ৰাস্তাৰ নামকৰণ কৰিয়েই যেন চৰকাৰৰ কর্তব্য শেষ কৰি থোৱা হ'ল। ❖

---

(১ ফেব্রুৱাৰী ২০০৪ সংখ্যা প্রান্তিকত প্রকাশিত)

সংকলকৰ টোকা ঃ

সৈয়দ মোহম্মদ সাদুল্লা (তেখেতে নিজে লিখা বানান) চাহাবে নিজে মুহিবুল হুছেইন (শিৱসাগৰ) চাহাবলৈ ১০ জুলাই ১৯৫৪ চনত লিখা চিঠিত তেখেতৰ কুৰ্শী নামা মতে তেখেত হজৰত আজান পীৰৰ নৱম পুৰুষ। তেখেতৰ পিতৃ সৈয়দ তৈয়বুল্লা। ছাৱালপীৰৰ বংশধৰ বুলি কথিত চৈয়দা মফিজুন নিছাক ১৯১০ চনত তেখেতে বিয়া কৰাইছিল । তেখেত সকলৰ তিনিজন পুত্র আৰু এগৰাকী কন্যা ।

তেখেত কটন কলেজৰ প্রথম মুছলমান ছাত্র আৰু স্নাতক। কলিকতাৰ পৰা তেখেতে ৰসায়নত স্নাতকোত্তৰ উপাধি আৰু আইনৰ স্নাতক (১৯০৯) উপাধি লয়।

প্রথমে সোণাৰাম হাইস্কুল আৰু পাচত কটন কলেজত সহকাৰী প্রবক্তাস্বৰূপে কাম কৰিছিল । কিন্তু কিছুদিনৰ পাছত এই পদ ত্যাগ কৰি প্রথমে গুৱাহাটীত আৰু পাছত ১৯২০ৰ পৰা ১৯২৪ লৈকে কলিকতা হাইকোর্টত ওকালতি কৰিছিল।

১৯২৮চনত প্রশাসনীয় দক্ষতাৰ কাৰণে তেখেতক বৃটিছ চৰকাৰে 'নাইটহুদ' দিয়ে আৰু তেখেতেই তেনে উপাধি পোৱা একমাত্র অসমীয়া।

(ছাদুল্লা চাহাবৰ আলোক চিত্র চৈয়দ আমিনুল আলমৰ সৌজন্যত পোৱা )

# ৰহিমুদ্দিন আহমদ

দেবিৰা চুলতানা আহমদ



যোৰহাটৰ আলি আহমদ হাজৰিকাৰ পৰিয়ালৰ ৰহিমুদ্দিন আহমদৰ জন্ম স্থান তিতাবৰ, যোৰহাটৰ পৰা ১২ মাইল দূৰৈত অৱস্থিত এখন সৰু চহৰ। তেখেতৰ যেতিয়া ১৮৮৫ চনৰ ১২ অক্টোবৰত জন্ম হৈছিল তেতিয়া সেইখন এখন গাওঁ আছিল। তেখেত সকলৰ পূৰ্ব্ব পুৰুষ আলি আহমদ ওৰফে থোলোক হাজৰিকা শিৱসাগৰৰ ফালৰ লোক আছিল। আহোম ৰাজধানী যোৰহাটলৈ উঠি অহা সময়ত তেওঁলোক যোৰহাট হৈ  তিতাবৰ পায়হি। (শ্বৰিফ হাজৰিকা আৰু তৌহিদ হাজৰিকাৰ বংশাৱলীৰ পৰা সহায় লোৱা হৈছে।) তেখেতৰ দেউতাকৰ নাম আছিল ফৰিদ আলী।

ৰহিমুদ্দিন এজন মেধাৱী ছাত্ৰ আছিল। নতুনকৈ স্থাপিত হোৱা যোৰহাট গৰ্ভনমেণ্ট হাইস্কুলৰ পৰা ১৯০৩ চনত প্ৰৱেশিকা পৰীক্ষা পাছ কৰি ১৯০৪ চনত আলিগড়ৰ এংলো ওৰিয়েণ্টেল কলেজত ভৰ্ত্তি হয়। তাৰ পৰা ১৯০৮ চনত সুখ্যাতিৰে স্নাতক ডিগ্ৰী লাভ কৰি অসম আৰক্ষী সেৱাত যোগ দিয়ে। তেখেত আলিগড় এংলো ওৰিয়েণ্টেল কলেজত পঢ়িবলৈ যোৱা প্ৰথম অসমীয়া। তেখেতৰ প্ৰথম চাকৰিৰ পদবিটো আছিল উপ-আৰক্ষী অধীক্ষক। সেই সময়ত অসমৰ নানা ঠাইত চাকৰি কৰি শেষলৈ Deputy Inspector General of

Police (D.I.G.) পদ পাইছিলগৈ। অবিভক্ত ভাৰতত তেতিয়াৰ দিনত সম্পূৰ্ণ অসম, চিলেট আৰু মৈমনসিঙ জিলা দুখনেৰে সৈতে তেনে পদ মাথো এটাই আছিল। আজিৰ দিনৰ দৰে অনেক D.I.G. পদ নাছিল। তাকো ব্ৰিটিছ শাসনৰ সময়ত এনে পদ মাত্ৰ ব্ৰিটিছ লোকৰ বাবে হে আছুতীয়াকৈ ৰখা হৈছিল। ভাৰতীয় আৰক্ষী সেৱা (Indian Police Service) ব্ৰিটিছ আমোলত Imperial Police বুলি কোৱা হৈছিল। এই ব্ৰিটিছ চৰকাৰেই স্বাধীনতাৰ পূৰ্ব্বে তেখেতক ইম্পিৰিয়েল পুলিচ (I.P.) পদত মনোনীত কৰি তেখেতৰ মেধা আৰু দক্ষতাৰ মূল্য দিছিল। চাকৰি জীৱনৰ প্ৰথম অৱস্থাতে ১৯১৫ চনত তেখেত শদিয়াৰ সহকাৰী ৰাজনৈতিক বিষয়া হিচাপে নিযুক্তি পায়। আৰক্ষী অধীক্ষক হিচাপে তেখেতে অসমৰ প্ৰায়বোৰ জিলাতে চাকৰি কৰিছিল। হাফলঙত আৰক্ষী অধীক্ষক হিচাপে থকা সময়ত তেখেতক ভাৰতীয় ৰেল বিভাগলৈ ডেপুটেশ্বনত পঠিওৱা হৈছিল।

চল্লিশৰ দশকৰ প্ৰথম ভাগত ভাৰতীয় সাম্ৰাজ্যৰ হকে তেখেতে আগবঢ়োৱা উজ্জ্বল সেৱাৰ বাবে তেখেতক পুলিচ মেডেলেৰে সন্মান জনোৱা হৈছিল।

তেখেতৰ প্ৰথম পত্নী 'বিবি' আছিল বেৰিষ্টাৰ আব্দুল মজিদৰ প্ৰথমা কন্যা। তেখেতৰ আনুমানিক ১৯১৫ চনত মৃত্যু হোৱাত তেখেতৰ খূড়াক তিতাবৰৰ খান বাহাদুৰ ফাজিল আহমদ মৌজাদাৰৰ একমাত্ৰ কন্যা চমচুন নিছাক বিয়া কৰে।

তেখেতৰ তিনিজন পুত্ৰ আৰু ৫ গৰাকী কন্যা। প্ৰথম পুত্ৰ কমৰুদ্দিন ইঞ্জিনিয়াৰ হৈ মিলিটেৰীৰ মেজৰ জেনেৰেলৰ পদ পাইছিল। দ্বিতীয় পুত্ৰ চামচুদ্দিন আহমদ অসম পুলিচৰ Inspector General of Police হৈছিলগৈ। তেখেত লোকসেৱা আয়োগৰ সদস্যও আছিল। তৃতীয় পুত্ৰ চালাদিনৰ আলিগড়ত পঢ়ি থকা অৱস্থাতে মৃত্যু হৈছিল।

উচ্চ পদস্থ আৰক্ষী বিষয়া হৈয়ো তেখেতে সমাজৰ কামৰ বাবেও সময় উলিয়াইছিল। বিভিন্ন সামাজিক, ধৰ্ম্মীয় আৰু খেলৰ অনুষ্ঠানৰ লগত নিজক জড়িত ৰাখিছিল। বিশেষকৈ ক্ৰীড়া বিকাশৰ কাৰণে তেখেতে চাকৰি কৰা

প্ৰায়বোৰ চহৰতে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩৫ চনত ধুবুৰীত আৰক্ষী অধীক্ষক হৈ থকা অৱস্থাত স্থানীয় খেলুৱৈ সকলক উৎসাহ দিবৰ বাবে বঙ্গদেশৰ পৰা এটা বিখ্যাত ফুটবল দলক নিমন্ত্ৰণ কৰি আনি প্ৰদৰ্শনীমূলক খেল পাতি ৰাইজক আনন্দিত কৰিছিল।

১৯৪৩ চনত তেখেতে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। তিতাবৰতে তেখেতে এটি ধুনীয়া বঙলা ঘৰ সাজে। ঘৰটোৰ বিৰাট ডাঙৰ চৌহদ নানা ধৰণৰ ফলমূলৰ গছেৰে ভৰ পূৰ আছিল। সন্মুখত এখন ধুনীয়া ফুলনি আৰু মাছৰ ডাঙৰ পুখুৰী আছিল। চালে চকু ৰোৱা ঘৰটো তিতাবৰৰ এটি দ্ৰষ্টব্য বস্তু আছিল। তেখেতে পাতি লোৱা ঘৰখনত বেচি দিন থাকিবলৈ নাপালে। ১৯৪৬ চনৰ ২৫ চেপ্তেম্বৰত এই নামজ্বলা ব্যক্তি গৰাকীৰ মৃত্যু হয়।❖

---

(ৰশ্বীদ আহমদৰ ২০০৫ চনৰ ডিচেম্বৰত প্ৰকাশিত ‘জ্ঞান সম্ভাৰ’ৰ লিখাটোৰ পৰা কিছু সহায় লোৱা হৈছে।)

# আটাউৰ ৰহমান

কমৰুজ্জামান আহমদ



ধ্ৰুপদী আৰবীত লিখা তত্ত্ব গধুৰ কোৰাণৰ অসমীয়া ভাঙণি কৰিবলৈ প্ৰথম প্ৰচেষ্টা কৰা সকলৰ এজন হ'ল আটাউৰ ৰহমান চাহাব।

তেখেতৰ জন্ম আনুমানিক ১৮৮৬ চন মানত ডিব্ৰুগড়ত। তেখেতৰ পিতৃ হ'ল আমিনুৰ ৰহমান।

কটন কলেজত শিক্ষা সাং কৰি তেখেতে কলিকতাৰ প্ৰেচিডেন্সী কলেজত পঢ়িছিল। পাছত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা আৰবী, ফাৰ্চী আৰু ইংৰাজীত স্নাতকোত্তৰ ডিগ্ৰী লয়। আইন পঢ়িছিল যদিও সেইয়া সম্পূৰ্ণ নকৰিলে।

প্ৰেচিডেন্সী কলেজত অধ্যাপনা কৰি থকাৰ সময়তে তেখেত অসমলৈ স্কুল পৰিদৰ্শকৰ পদত ঘূৰি আহে। স্কুল পৰিদৰ্শক হিচাপে কাৰ্য্য নিৰ্ব্বাহ কৰি থকা অৱস্থাতে G. A. Small (1934-1942) চাহাবৰ দিনত তেখেত সহকাৰী ডি.পি.আই হিচাপে শিলঙলৈ আহে। জনামতে তেখেত প্ৰথম অসমীয়া শিক্ষা বিভাগৰ সহকাৰী মূৰব্বী। সেই পদতে তেখেতে ১৯৪২ চনত অৱসৰ গ্ৰহণ কৰে।

তেখেত অত্যন্ত মেধাৱী ছাত্ৰ আছিল আৰু কেইবাটাও ভাষা জানিছিল। তেখেত ছাদুল্লা চাহাবৰ সমসাময়িক আৰু ঘনিষ্ঠ আছিল।

তেখেতৰ পৰিবাৰ বদৰুণ নিছা আছিল বঙ্গদেশৰ এক অভিজাত পৰিয়ালৰ জীয়াৰী। বদৰুণ নিছাৰ পিতৃ বঙ্গদেশৰ আৰু মাক ইৰাণৰ আছিল। তেখেত সকলৰ তিনিগৰাকী পুত্ৰ আৰু এগৰাকী কন্যা আছিল।

কাৰ্য্যকালত তেখেতে পাৰ্য্যমানে জাতি- ধৰ্ম্ম-নিৰ্ব্বিশেষে সকলো মানুহকে সহায় কৰিছিল আৰু চাকৰি আদি কামত সহায়ৰ হাত আগবঢ়াইছিল। সৰবৰহী আটাউৰ ৰহমান চাহাবে সেই সময়ৰ অসমৰ নামজ্বলা ৰাজনীতিজ্ঞ, সাহিত্যিক, সমাজসেৱক আদি সকলোৰে লগত সম্বন্ধ ৰাখি চলিছিল। শ্বিলঙত থকা অৱস্থাত Lady Keane College (১৯৩৫ চন) স্থাপনৰ ক্ষেত্ৰত তেখেতৰ প্ৰচেষ্টা প্ৰশংসনীয়।

অসমীয়া আৰু বঙালীত লিখা তেখেতৰ 'ইছলাম গৌৰৱ' এখন আপুৰুগীয়া পুথি। তেখেতে 'চাৰি খলিফা' নামেৰে আৰু এখন পুথি লিখিছিল। তেখেতৰ কোৰাণৰ ভাঙণিৰ প্ৰচেষ্টাৰ বিষয়ে ড° মহম্মদ তাহেৰ চাহাবে এনে ধৰণে লিখিছে - '১৯৪০ চনৰ শেষৰফালে অসমৰ তৎকালীন শিক্ষাধিকাৰ আটাউৰ ৰহমানে কোৰাণৰ প্ৰথম চাৰিটা চিপাৰাৰ অনুবাদ দুটা খণ্ডত 'কোৰাণ শ্বৰীফ' নাম দি শ্বিলঙৰ পৰা নিজে প্ৰকাশ কৰি উলিয়াইছিল। এখেত আৰবীৰ বিদগ্ধ পণ্ডিত আছিল। প্ৰকাশিত খণ্ড দুটাৰ পাতনিত ভাষ্য সহ অনুবাদৰ পাণ্ডুলিপি ১৯২৪ চনত কৰিবলৈ লৈছিল বুলি প্ৰকাশ কৰিছে। এই অনুবাদৰ কাম তেখেতে সুদীৰ্ঘ ৩৫ বছৰে কৰি ১৯৫৯ চনত সম্পূৰ্ণ কৰিছিল। ইতিপূৰ্ব্বে ওলাই যোৱা প্ৰথম চাৰিটা চিপাৰাৰ বাদে ৫ম চিপাৰাৰ পৰা ১৩শ চিপাৰালৈ তেওঁ 'কোৰআন মযীদ' (দ্বিতীয় খণ্ড) নাম দি ১৯৬২ চনত আৰু ১৪শ চিপাৰাৰ পৰা ২২ চিপাৰালৈ 'কোৰআন মযীদ' (তৃতীয় খণ্ড) নাম দি ১৯৬৬ চনত অসম প্ৰকাশন পৰিষদৰ অৰ্থ সাহায্যেৰে নিজ তত্ত্বাবধানত প্ৰকাশ কৰে। ১৯৬৮ চনত তেওঁৰ মৃত্যু হয়। কিন্তু ওপৰত উল্লেখ কৰাৰ দৰে যিহেতু কোৰাণৰ সম্পূৰ্ণ অনুবাদ তেওঁ কৰি ৰাখিছিলেই সেয়েহে-Islam International Publication Ltd.Tilford, Surrey, U.K. নামৰ এটা অনুষ্ঠানে 'পবিত্ৰ কোৰআন' নাম দি তেওঁৰ অনুদিত কোৰাণৰ সহস্ৰাধিক পৃষ্ঠাজোৰা সম্পূৰ্ণ পুথিখনি ১৯৮৯ চনত


প্ৰকাশ কৰে। জনা যায় যে অনুবাদক ৰহমানক প্ৰথমাৱস্থাত সু-সাহিত্যিক ডিম্বেশ্বৰ নেওগে অনুবাদৰ ভাষা প্ৰাঞ্জল কৰাত সহায় কৰিছিল। ৰহমানৰ খণ্ড খণ্ডকৈ প্ৰকাশ পোৱা অনুবাদত আছিল আৰবী পাঠ আৰু লগে লগে অসমীয়া অনুবাদ। তেওঁৰ বাখ্যা 'কাদিয়ানী' মতাদৰ্শৰ ভিত্তিত হোৱা বাবে এইবোৰ ঠায়ে-ঠায়ে পৰম্পৰাগত বাখ্যাৰ তুলনাত কিছু পৃথক। (ড°মহম্মদ তাহেৰ - অসমীয়া ভাষাত কোৰাণ, আল-আমিন, ২০০৬)।❖

---

(তথ্যপঞ্জী ঃ আটাউৰ ৰহমান চাহাবৰ নুমলীয়া পুত্ৰ মাহমুদুৰ ৰহমানৰ পত্নী জিউআৰা ৰহমান আৰু তেখেতৰ ভাগিন আনোৱাৰউদ্দিন আহমদৰ লগত ২২/১০/০৮ৰ সাক্ষাৎকাৰ)।

# হেৰাছৎ উল্লাহ

ছিৰাজুন নাহাৰ



হেৰাছৎ উল্লাহৰ পিতৃ মছিয়ত উল্লাহ সদৰ আমিন আছিল। তেখেতৰ উপৰিপুৰুষ বৰ্দ্ধমানৰ পৰা উঠি আহি গোৱালপাৰাৰ বিদ্যাপাৰাত থিতাপি লৈছিল। তাতে হেৰাছৎ উল্লাহৰ জন্ম আনুমানিক ১৮৮৭ চনত। তেখেতৰ প্ৰাৰম্ভিক শিক্ষা গোৱালপাৰাত। কলিকতাৰ পৰা এন্ট্ৰেন্স পাছ কৰিছিল। এখেতে বি.এ উপাধি লোৱাৰ পাছত মাটি হাকিমৰ চাকৰি পাইছিল, কিন্তু চাকৰি নকৰি বি.এল পৰীক্ষা পাছ কৰে আৰু গুৱাহাটীত ওকালতি আৰম্ভ কৰে। অম্বিকাগিৰি ৰায় চৌধুৰীৰ সংৰক্ষণী সভাৰ অনুগামী আছিল আৰু তেখেতসকলৰ প্ৰচেষ্টাত অসমত জাতীয় জাগৰণে মূৰ দাঙি উঠিছিল। ১৯৪৭ চনত যোৰহাটত বহা অসম জাতীয় মহাসভা সন্মিলনত এখেতে সভাপতিত্ব কৰিছিল আৰু অসম আত্মৰক্ষা বাহিনী নামে এটা সংঘও খুলিছিল। অসমৰ প্ৰথম ছাত্ৰ সন্মিলনত তেখেত সম্পাদক আৰু লক্ষ্মীনাথ বেজবৰুৱা সভাপতি আছিল। ভায়েক মৌলানা তৈয়বুল্লাৰ লগত দুয়ো স্বাধীনতা সংগ্ৰামত ভাগ লৈছিল।

হেৰাছৎ উল্লাহ গুৱাহাটীৰ সাহিত্যিক আৰু সাংস্কৃতিক অনুষ্ঠান সমূহৰ সৈতে জড়িত আছিল।

চেতনা,বাঁহী, আৱাহন আদি আলোচনীত সময়ে-সময়ে তেখেতৰ কবিতা

প্ৰকাশ পাইছিল। কলিকতাত পঢ়ি থকা অৱস্থাত কলেজৰ অধ্যক্ষৰ এখন প্ৰতিকৃতি আঁকি তেখেতে এটা সোণৰ পদক পাইছিল।তেখেতে সুন্দৰ চেতাৰ বজাইছিল।

হেৰাছৎ উল্লাহে দু-গৰাকী বিয়া কৰাইছিল। প্ৰথম গৰাকী পত্নী চমচুন নিছা, (তিলমিজুৰ ৰহমানৰ কন্যা) ছাদুল্লা চাহাবৰ ভগ্নী কন্যা আছিল। তেখেতৰ ফালৰ পৰা এজন পুত্ৰ । দ্বিতীয়া গৰাকী পত্নী শিৱসাগৰৰ খান বাহাদুৰ খিজনুৰ আলীৰ কন্যা হামিদা বেগম। এখেতৰ ফালৰ পৰা চাৰি গৰাকী কন্যা আৰু এজন পুত্ৰ।

১৯৪৮ চনৰ ২৮ চেপ্তেম্বৰত তেখেতৰ মৃত্যু হয়।❖

---

(ছিৰাজুন নাহাৰ (ডলী) হেৰাছৎ উল্লাহৰ বোৱাৰীয়েক)।

# জেহিৰুদ্দিন আহ্‌মদ

ছফিউল্লা খনিকৰ

যিসকল বৰেণ্য ব্যক্তিয়ে শিক্ষকতা বৃত্তিক মহীয়ান কৰি অসমৰ শিক্ষা জগতৰ আকাশত ভোটাতৰাৰ দৰে জিলিকি আছে সেইসকলৰ ভিতৰত যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলৰ এসময়ৰ প্ৰধান শিক্ষক জেহিৰুদ্দিন আহ্‌মদ ছাৰ অন্যতম। ছাত্ৰ - ছাত্ৰী তথা যোৰহটীয়া ৰাইজৰ মাজত ছাৰৰ 'জেহিৰৎ হেড্‌মাষ্টৰ' নামটোহে অধিক জনপ্ৰিয়।

বৰ্ত্তমানৰ শিৱসাগৰ জিলাৰ চেৰেকাপাৰ অঞ্চলৰ এক সম্ভ্ৰান্ত অসমীয়া মুছলমান পৰিয়ালত জেহিৰুদ্দিন আহ্‌মদ ছাৰৰ জন্ম হয় (১৮৮৭ চনত)। তেখেতৰ পিতৃৰ নাম কেৰামুদ্দিন আহ্‌মদ আৰু মাতৃ বিলাতী নামেৰে জনাজাত আছিল। বৃত্তিত চিকিৎসক কেৰামুদ্দিন চাহাবে যোৰহাটত নিগাজীকৈ বসতি কৰাত জেহিৰুদ্দিন আহ্‌মদ ছাৰৰ প্ৰাথমিক শিক্ষা যোৰহাটতে আৰম্ভ হয়। যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পাছ কৰি কলিকতাৰ পৰা ১৯১০ চনত বি.এ ডিগ্ৰী লাভ কৰে। ইয়াৰ পাছতে তেখেতে নিজে পঢ়ি যোৱা যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলতে ১৯১১ চনত শিক্ষকতাৰ চাকৰিত নিজৰ কৰ্মজীৱন আৰম্ভ কৰে আৰু অৱসৰ গ্ৰহণ কৰা পৰ্য্যন্ত সুখ্যাতিৰে কাৰ্য্যনিৰ্ব্বাহ কৰে। ১৯৩১ চনৰ পৰা ১৯৪২ চনলৈ তেখেতে স্কুলখনৰ প্ৰধান শিক্ষকৰ পদ অলংকৃত কৰিছিল । বহুতেই ক'ব খোজে ১৮৮৩ চনতে স্থাপিত এই স্কুলখনৰ জেহিৰুদ্দিন আহমদৰ প্ৰধান শিক্ষকতাৰ কালছোৱাই হাইস্কুলটোৰ ইতিহাসৰ সোণালী যুগ। সেয়েহে

জেহিৰুদ্দিন আহমদ ছাৰৰ নাম অবিহনে যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলৰ স্মৃতিগাঠা অসম্পূৰ্ণ। এখন শিক্ষানুষ্ঠানৰ মৰ্য্যদা তথা কৃতিত্ব বহুলাংশে প্ৰধান শিক্ষকজনৰ ব্যক্তিত্ব, দুৰদৰ্শীতা তথা প্ৰশাসনীয় কৌশলৰ ওপৰত নিৰ্ভৰশীল। প্ৰধান শিক্ষক জেহিৰুদ্দিন আহ্‌মদ ছাৰ এই সকলো গুণেৰে অধিকাৰী আছিল। তেখেতৰ ব্যক্তিত্ব, দুৰদৰ্শীতা তথা প্ৰশাসনীয় মানদণ্ড মূল্যায়ণ কৰাটো আমাৰ সাধ্যৰ অতীত। তথাপিও যিবোৰ গুণৰ বাবে তেখেত এজন সফল শিক্ষক হিচাবে নিজকে প্ৰতিস্থিত কৰিব পাৰিছিল সেইবোৰৰ স্মৃতি এতিয়াও ছাত্ৰ-ছাত্ৰী তথা অসমৰ জন মানসত ম্লান হৈ পৰা নাই। প্ৰধান শিক্ষক হিচাপে তেখেতৰ যিবোৰ গুণ এতিয়াও সমাজত চৰ্চ্চিত বিষয় হৈ আছে, তাৰে কেইটামান এনে ধৰণৰ - –

জেহিৰুদ্দিন আহ্‌মদ ছাৰ এক বিৰল ব্যক্তিত্বৰ অধিকাৰী আছিল। স্কুলখনৰ সমুহ ছাত্ৰৰ বাবে তেখেত আছিল ভয় আৰু ভক্তিৰ জীৱন্ত প্ৰতীক। কেৱল নিজৰ স্কুলৰে নহয়, নগৰখনৰ আন আন স্কুলৰ ছাত্ৰ তথা অন্যান্য যুৱক সকলেও তেখেতক ভয়-ভক্তি কৰি চলিছিল। অভিভাৱক তথা সমাজৰ অন্যান্য ব্যক্তি সকলেও জেহিৰুদ্দিন ছাৰক সন্মান কৰিছিল। সমাজত তেখেতৰ এক বিশেষ সন্মানীয় স্থান আছিল।

পোছাক পৰিচ্ছদত তেখেত বৰ পৰিপাটি আছিল। স্কুললৈ আঁহোতে সদায় এখন অষ্টিন গাড়ীত আহিছিল। সেই সময়ত নিজা গাড়ী লৈ স্কুললৈ অহা শিক্ষক বিৰল আছিল আৰু সেইবাবে এই কাৰ্য্যই তেখেতৰ ব্যক্তিত্বত বিশেষ প্ৰভাৱ পেলাইছিল।

জেহিৰুদ্দিন আহ্‌মদ ছাৰৰ শাসন বৰ কঠোৰ আছিল। ছাত্ৰৰ কল্যাণৰ বাবেই তেখেত শাসনত কঠোৰ হ'ব লগা হৈছিল। ছাত্ৰ সকলক নিয়মানুবৰ্ত্তীতা ও সময় জ্ঞান দিবলৈকে তেখেতে সময়ৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। তেখেতে নিজেও সময়মতে স্কুললৈ আহিছিল, শিক্ষক সকলক আহিবলৈ টানি ধৰিছিল আৰু ছাত্ৰ সকলক বাধ্য কৰিছিল। স্কুলৰ ভিতৰতে হওক বা বাহিৰতে হওক ছাত্ৰসকলৰ ওপৰত তেখেতৰ কঠোৰ শাসন আছিল। পঢ়াৰ সময়ত যাতে কোনো

ছাত্রই চিনেমা চাই, ঘৰৰ বাহিৰত আড্ডা মাৰি সময় নষ্ট কৰিব নোৱাৰে সেইটোও তেখেতে নিশ্চিত কৰিছিল। তাৰ বাবে তেখেতে কষ্ট কৰি বিশেষকৈ সন্ধিয়া পৰত চিনেমা হল, বজাৰ আদিত পাক্ মাৰিছিল আৰু এনে কাৰ্য্যত লিপ্ত ছাত্রসকলক স্কুলত সাৱধান বাণী শুনাইছিল। প্রয়োজনত শাস্তিও দিছিল। কোনো ছাত্রই ঘৰৰ বাহিৰত অবাবত সময় কটালে অভিবাৱকৰ লগত যোগাযোগ কৰিছিল। এনেবোৰ কথাত অভিভাৱক সকল তেখেতৰ ওপৰত অসন্তুষ্ট নহৈছিল বৰং তেখেতক সমর্থনহে কৰিছিল। এইটো তেখেতৰ বাবে আছিল এটা যোগাত্মক দিশ্।

দেখাত অত্যন্ত কঠোৰ হ'লেও তেখেত এজন হৃদয়বান ব্যক্তি আছিল। ছাত্রৰ কল্যাণৰ হকে তেখেতে যিকোনো সিদ্ধান্ত ল'বলৈ পিছ নুহুকিছিল। এবাৰ তেখেতৰ স্কুলৰ অহা-যোৱা কৰিড'ৰৰ পকা মজিয়াত মম্ ঘঁহি দুজন দুষ্ট বুদ্ধি সম্পন্ন ছাত্রই জেহিৰুদ্দিন ছাৰক পিছল খুৱাই পেলাইছিল। এই দোষত সেই দুজন ছাত্রৰনাম স্কুলৰপৰা কাটি দিছিল। ছাত্র দুজনৰ নাম কাটি দি তেখেতে কিন্তু শান্তি পোৱা নাছিল। কিশোৰ দুজনৰ ভৱিষ্যতৰ কথা চিন্তা কৰি কেইদিনমানৰ পিছতে সৎ হোৱাৰ প্রতিশ্রুতি লৈ ছাত্র দুজনৰ ওপৰত লোৱা শাস্তি উঠাই লৈছিল।

(সংকলকৰ দ্বাৰা সংযোজন ঃ ছাত্র-প্রাণ জেহিৰুদ্দিন আহমদ ছাৰৰ ব্যক্তিত্বৰ এটা উদাহৰণ তলত দিয়া সোণাৰাম চুতীয়া - খ্যাতনামা বৈষ্ণৱ পণ্ডিত আৰু শংকৰদেৱ বঁটা বিজয়ী - ৰ বিবৃতিটোৰ পৰা পোৱা যায়।

'১৯৩১ চনত কাকজান চৰকাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ পৰা বৃত্তি লৈ যোৰহাট চৰকাৰী স্কুলত ভৰ্ত্তি হ'লো, তেতিয়ালৈকে, ১৯৩৫ -৩৬ চনলৈকে চুতীয়া সম্প্রদায় অস্পৃশ্য আছিল, সেই কাৰণেই মই যোৰহাট চৰকাৰী স্কুলত ভৰ্ত্তি হ'লো যদিও ব'ৰ্ডিঙত থকাৰ সুবিধা নাপালোঁ। কাৰণ সেই সময়ত এছ চিৰ মই, এছ টিৰ বংশীধৰ দলে- আমি দুজনেই, ব'ৰ্ডিঙত আমাৰ লগত কোনেও নাখায় কাৰণে বাহিৰত থাকিব লগা হ'ল আৰু বহুত অসুবিধা ভোগ কৰিব লগা হ'ল। শেষত স্কুল এৰো এৰো অৱস্থাৰ সৃষ্টি হ'ল। তেতিয়া স্কুলৰ হেডমাষ্টৰ

আছিল জেহিৰুদ্দিন আহমদ। ছাৰে আমাক কলে ... 'তঁহতে স্কুল এৰিব নালাগে....' ছাৰে আমাক স্কুলৰ সৰু গুদাম ঘৰ এটা আজৰি কৰি ভাত ৰান্ধি খাবলৈ কলে ..... তাৰ পিছত কাকজানৰ গাঁৱৰ পৰা খৰি, চাউল, ভাৰ পাতি আনি অনেক কষ্টৰে পঢ়ি ১৯৩৫ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ৫ টা বিষয়ত লেটাৰ আৰু ষ্টাৰ পাই উত্তীৰ্ণ হও। সেই বছৰত অসমত ৫ টা বিষয়ত লেটাৰ কোনো ছাত্ৰই পোৱা নাছিল, অস্পৃশ্যতাৰ বলি হৈও এনে এটা ৰিজাল্ট কৰাত মোৰ মনত প্ৰবল আত্ম বিশ্বাসৰ ভাৱ জাগি উঠিছিল আৰু অন্যায় আৰু অস্পৃশ্যত্যৰ বিৰুদ্ধে সংগ্ৰাম কৰি যাবলৈ স্থিৰ কৰিছিলো । - জয়ন্ত মাধৱ দত্তৰে সাক্ষাৎকাৰ, পৰম্পৰা আৰু প্ৰতিবাদ, একলব্য প্ৰকাশন ২০০৫)

অকল পাঠদানেই নহয়, জেহিৰুদ্দিন আহম্দ ছাৰে ছাত্ৰ সকলৰ মাজত থকা জন্মগত অন্তৰ্নিহীত প্ৰতি ভাৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিছিল। কোন ছাত্ৰৰ কোন বিষয়ত ৰাপ সেইটোত তেখেতে বিশেষভাৱে মন কৰিছিল। কোন ছাত্ৰৰ খেলা-ধূলা, সাহিত্য চৰ্চ্চা, সঙ্গীত, শিল্প আদিৰ কোনোবাটোত বিশেষ ৰাপ দেখিলে ছাত্ৰজনক সেই ক্ষেত্ৰত উদ্‌গণী দিছিল আৰু ব্যক্তিগত ভাৱে সহায়ো কৰিছিল। তেখেতৰ একানপটীয়া চেষ্টাৰ ফলত ফুটবল, ক্ৰিকেট, ভলীবল আদিত ছাত্ৰসকলৰ ধাউতি বাঢ়িছিল। এইবোৰ ক্ষেত্ৰত ছাত্ৰসকলে স্কুলখনৰ বাবে বিশেষ সন্মান কঢ়িয়াই ানিছিল। ছাত্ৰসকলৰ শাৰীৰিক আৰু মানসিক উৎকৰ্য সাধনৰ বাবে প্ৰয়োজনীয় সকলোখিনি কৰাৰ চেষ্টা জেহিৰুদ্দিন ছাৰে অব্যাহত ৰাখিছিল। ছাত্ৰ সকলক সদায় ব্যস্ততাৰ মাজত ৰাখি স্কুলখনৰ পৰিৱেশ সজীৱ কৰি ৰাখিছিল।

স্বনামধন্য জেহিৰুদ্দিন আহ্মদ ছাৰৰ গুণাৱলী বাখ্যাৰ চেষ্টা এক দূৰূহ কাৰ্য্যহে মাথোন। তেখেত আছিল এজন সফল শিক্ষক যি শিক্ষকতা তথা ছাত্ৰৰ সৰ্ব্বাঙ্গীন কল্যাণকেই জীৱনৰ ব্ৰত কৰি লৈছিল। জেহিৰুদ্দিন ছাৰ অবিবাহিত আছিল। আৰু সেইকাৰণেই বোধহয় ছাত্ৰসকলকেই নিজৰ সন্তান বুলি গণ্য কৰিছিল। তেখেতৰ ছাত্ৰসকলৰ মাজৰ পৰা অনেক গুণী-জ্ঞানী তথা নিজ নিজ ক্ষেত্ৰত মুধাফুটা লোকৰ সৃষ্টি হৈছিল। এইসকল লোকে নিজ নিজ পদবিৰ শীৰ্ষত থকা কালতো জেহিৰত হেড্‌মাষ্টৰৰ কাষেদি গাড়ীত বহি পাৰ হৈ

নগৈছিল। বাটত তেখেতক খোজ কাঢ়ি যোৱা দেখিলে গাড়ীৰ পৰা নামি সন্মান জনাইহে আগবাঢ়ি গৈছিল।

এই মহান শিক্ষকজনক অসম চৰকাৰে "অসমৰ শ্ৰেষ্ঠ উচ্চ বিদ্যালয়ৰ প্ৰধান শিক্ষক" ৰূপে সন্মানিত কৰিছিল। বৃটিছৰ দিনতো চৰকাৰে তেখেতক, তেখেতৰ কৰ্মৰাজিৰ স্বীকৃতি দি খান-বাহাদুৰ উপাধিৰে বিভূষিত কৰিছিল।

২৭ চেপ্তেম্বৰ ১৯৭৩ চনত সকলোৰে শ্ৰদ্ধাৰ জেহিৰুদ্দিন আহ্মদ ছাৰে ইহলীলা সম্বৰণ কৰে। আমাৰ সমাজৰ এইজনা মহান ব্যক্তিক লৈ আমি গৌৰৱান্বিত।❖

---

সংকলকৰ টোকা আৰু সংযোজন -

(ক) "মৌলবী জেহিৰুদ্দিন আহমদ চাহাবৰ হাতত প্ৰায় ৮০-৯০ বছৰ আগতে তেখেতৰ কোনো সম্পৰ্কীয় পুৰুষে সংগ্ৰহ কৰি লিখি থোৱা এখন (জিকিৰৰ) বহী উদ্ধাৰ হৈছে। কিন্তু এই বহীৰ প্ৰথম ২৬ খিলা পাত নাই। বাকী থকা জিকিৰবোৰ এই সংগ্ৰহত (অসমীয়া জিকিৰ আৰু জাৰী) সন্নিবিষ্ট কৰা হৈছে।" - অসমীয়া জিকিৰ আৰু জাৰী - চৈয়দ আব্দুল মালিক ।

(খ) তেখেত যোৰহাট কলেজৰ পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি আছিল।

(গ) আজীৱন অবিবাহিত থকা জেহিৰুদ্দিন আহমদ ছাৰ তেখেতৰ পৰিয়াল বৰ্গৰ কাৰণে এজোপা বৰগছ স্বৰূপ আছিল।

# পজিৰুদ্দিন আহমদ

দেবিৰা চুলতানা আহমদ



পজিৰুদ্দিন আহমদ কুৰি শতিকাৰ দ্বিতীয় আৰু তৃতীয় দশকৰ এগৰাকী নাম জ্বলা সাহিত্যিক আছিল। বিশেষকৈ নাট্যকাৰ হিচাপে তেখেতে সুখ্যাতি লাভ কৰিছিল।

অসম নাট্য সন্মিলনে বিশিষ্ট নাট্যকাৰ অৰুণ শৰ্ম্মা সম্পাদনাত দুই খণ্ডত প্ৰকাশ কৰা “ডেৰশ বছৰৰ নিৰ্বাচিত অসমীয়া নাট্য সংকলন”ৰ প্ৰথম খণ্ডত প্ৰকাশিত ২৫ খন নাটকৰ নাট্যকাৰ সকলৰ মাজত পজিৰুদ্দিন আহমদৰ নামো আছে। (সাদিন, ২৯ আগষ্ট ২০০৮)।

তেখেতৰ জন্ম আনুমানিক ১৮৮৭ চনত। ঘৰ আছিল যোৰহাটৰ ৰূপহী আলিত । দেউতাকৰ নাম আছিল ডাক্তৰ ডাউদ আলি। তেখেতেও ফকৰা যোজনা বহুত জানিছিল। পজিৰুদ্দিন আহমদৰ বিষয়ে লিখিবলৈ সম্বলৰ অভাৱ। যদিও জীৱিত অৱস্থাত তেখেতৰ নাটকেইখনে জনপ্ৰিয়তা লাভ কৰিছিল আৰু কবিতা পুথি খনিয়েও সমাদৰ পাইছিল আজি তেখেতৰ নাম প্ৰায় পাহৰণিৰ গৰ্ভত।

পজিৰুদ্দিন আহমদ আমাৰ ককাদেউতা আবু চেহিদ শ্বাহৰ মাহীয়েকৰ পুতেক ভায়েক আছিল। তেখেত আৰু তেখেতৰ দ্বিতীয়া পত্নী দুয়োজনেই তেখেত সকলৰ জীৱনৰ বিয়লি কালছোৱা প্ৰায়ে বালিবাটৰ ককা দেউতাৰ ঘৰতে কটাইছিল। তেখেতৰ প্ৰথমা পত্নী ডিব্ৰুগড়ৰ আছিল। তেখেতৰ কবৰো হেনো ব্ৰহ্মপুত্ৰৰ বুকুত লীন হ'ল। দ্বিতীয়া পত্নী, পুৰণি বালিবাটৰ জীয়ৰী আছিল। কবি মফিজুদ্দিন আহমদ হাজৰিকা, তেখেতৰ ককায়েক হাকিম ফাইজুদ্দিন হাজৰিকা,

বেৰিষ্টাৰ আব্দুল  মজিদ আদি পজিৰুদ্দিন আহমদৰ দুগৰাকী জেঠাইয়েকৰ পুতেক ককায়েক আছিল। এই কেউজনেই অসমীয়া সাহিত্যৰ প্ৰতি অৰিহনা যোগাইছে।

এতিয়াও মনত পৰে, তেখেতে আমাৰ লৰালি কালত সৰু সৰু কথাতে খুহুতীয়া কবিতা ৰচনা কৰি সৰু ডাঙৰ সকলোকে হাঁহিৰ খোৰাক যোগাইছিল। তেখেতৰ এটি খুহুতীয়া কবিতাৰ এটি মাত্ৰ কলি আজিও মনত আছে। ‘পুৰণি খোজটো পাহৰিলো মই নতুন খোজো নাহে, ঘন চিৰিকাৰ দশাই ঘটিল মোৰ গৈ লাহে লাহে’ । ল’ৰালিতে দেখা এগৰাকী গাভৰুৱে আধুনিকা সাজি ধুনীয়া শাৰী, হাইহিলৰ জোতা পিন্ধি, হাতত বেগলৈ কবিতাটি গাই গাই কৰা অভিনয়ৰ দৃশ্যটি এতিয়াও মনত পৰে। যি গৰাকীয়ে অভিনয় কৰিছিল, তেখেত আমাতকৈ বয়সত বহুতেই ডাঙৰ আছিল যদিও তেখেতৰ এতিয়া সেই কবিতাটো একো মনত নাই।

তেখেতৰ প্ৰত্যুৎপন্নমতি গুণটি অতি প্ৰখৰ আছিল। তাৰ এটি উদাহৰণ আমাৰ মনলৈ আহিছে। আমাৰ ওচৰৰে ইৰশ্বাদ জামান হাজৰিকাৰ পত্নী উবেদা হাজৰিকাই (বয়স ৭০ৰ ওপৰ হৈছে) আমি পজিৰুদ্দিন আহমদৰ জীৱনীৰ সম্বল সংগ্ৰহ কৰা বুলি গম পাই তেখেতৰ সৰু কালতেই পজিৰুদ্দিন আহমদে ৰচনা কৰা এটা গীত প্ৰায় সম্পূৰ্ণৰূপে মনত পেলাই গাই শুনালে। গীতটো আছিল বাংলা ভাষাৰ এসময়ৰ বিখ্যাত গীত ‘জীৱনে যাৰে দাওনি মালা, মৰণে তাৰে দিতে এলে ফুল’ৰ অনুবাদ। উবেদা হাজৰিকাৰ এগৰাকী পেহীয়েকৰ অনুৰোধ ক্ৰমে পজিৰুদ্দিন আহমদে লগে লগে তেখেতসকলৰ ঘৰতে গীতটো অসমীয়াত লিখি দিছিল। তাৰ প্ৰথম শাৰীকেইটা হ’ল -

‘জীৱনত যাক তুমি নিপিন্ধালা মালা,  
মৰণত কিয় বাৰু আনি দিছা ফুল,  
মুখলৈ যাৰ নাচালা এদিনো,  
এতিয়া কিয়নো হৈছা ব্যাকুল।  
চিৰদিন যাক তুমি দিছা অৱহেলা,  
মনপ্ৰাণ হৰি লৈ খেলিছিলা খেলা......’

জীৱিকা হিচাপে তেখেতে কি কৰিছিল সেইটো বৰ্ত্তমানে কাৰো মনত নাই। ঠিকা-ঠুকলি কৰিছিল। পাছত আৰ্থিক ভাবে শোচনীয় অৱস্থা হয়। শেষত

এনে এটা অৱস্থা হ'লযে নিজৰ পৰিবাৰৰ অলঙ্কাৰ আত্মীয়ৰ ওচৰত বন্ধক হিচাবে থব লগা হয়, আৰু নিজে থকা ৰূপহী আলিৰ ধুনীয়া মাটি ঘৰ এজন আত্মীয়ৰ লগত সলনি কৰি নকচাৰীলৈ উঠি যায়। সেই ঘৰতে দ্বিতীয় মহাযুদ্ধৰ সময়ত ককাদেউতাৰ পৰিয়ালৰ মহিলা আৰু শিশু সকলে কিছুদিন আশ্ৰয় লৈছিল। পজিৰুদ্দিন আহমদৰ মৃত্যু ১৯৪৮ চনৰ শেষৰ ফালে যোৰহাটতে হৈছিল। তেখেতৰ মৃত্যুৰ পাছত কৰণীয় খিনি যোৰহাটৰ বালিবাটৰ আমাৰ ককাদেউতাৰ ঘৰতে হৈছিল আৰু যোৰহাটৰ কবৰস্থানত তেখেতক সমধিস্থ কৰা হয়। তেখেতে ৰচনা কৰা কিতাপ সমূহ আৰু দুই এপদ ব্যক্তিগত বস্তু মোৰ সৰু মাহীৰ হাতত আছিল। মৃত্যুৰ পাছত পজিৰুদ্দিন আহমদৰ ডিগবৈত থকা এক মাত্ৰ পুতেকে দেউতাকৰ বিষয়ে কিতাপ প্ৰকাশ কৰিব বুলি সেই সমল কেইপদ, কিতাপবোৰ আৰু লেখাবোৰো লৈ যায়। কিন্তু সেইবোৰৰ কি হ'ল আমাৰ জ্ঞাত নহ'ল।

আমি ইয়াত তেখেতৰ প্ৰকাশিত নাট কেইখন আৰু কবিতা পুথি এখনৰ নামহে উল্লেখ কৰিব পাৰিছো। নাটকেইখন আছিল 'গুলেনাৰ' (১৯২৪) আৰু 'সিন্ধু বিজয়' (১৯২৮)। বহুত ঠাইত অভিনীত হোৱা 'অবাক জলপান' (বৰচোৰ) এখন নিমাতী নাট। 'মৌ সিতা' (কবিতা পুথি) খন তেখেতৰ এখন ব্যঙ্গ কবিতাৰ পুথি।

ইয়াত দুটি উদ্ধৃতি তুলি দিয়া হৈছে। "কবি নাট্যকাৰ পজিৰুদ্দিন আহমদঃ গুলেনাৰ, সিন্ধু বিজয়, মৌ সিতা, প্ৰথম মুছলমান নাটক লিখোতা"। (অসমীয়া সাহিত্যত মুছলমান ঃ চৈয়েদ ইমৰাণ হুছেইন পয়গাম ১ বছৰ ২য় সংখ্যা মে' ১৯৪৬)। 'ওপৰৰ নাটক দুখন (গুলেনাৰ আৰু সিন্ধু বিজয়) সেই সময়ত বৰ কৃতকাৰ্য্যতাৰে অভিনীত হৈছিল। অবাক জলপান (বৰচোৰ ) তেখেতৰ আন এখন প্ৰখ্যাত নাটক' (প্ৰসঙ্গ কোষ পৃঃ ১৯১ আব্দুছ ছাত্তাৰ) । তেখেতৰ কবিতা পুথি 'মৌ সিতা' খনেও জনপ্ৰিয়তা লাভ কৰিছিল।

অসহযোগ আন্দোলনৰ পিকেটিং কৰি পজিৰুদ্দিন চাহেবে কাৰাবাসো খাটিছিল। ১৯৩৫ চনত চৈয়দ ছাদুল্লাৰ পৃষ্ঠপোষকতাত ওলোৱা 'খাদিম' নামৰ এখন সাদিনীয়া বাতৰি কাকত তেখেতে সম্পাদনা কৰিছিল।

১৯১৪-১৫ চনত যোৰহাট থিয়েটাৰ প্ৰতিষ্ঠিত হোৱা সময়তো পজিৰুদ্দিন আহমদে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। এই কথা অধ্যাপক অতুল চন্দ্ৰ হাজৰিকা দেৱৰ 'মঞ্চলেখা' নামৰ গ্ৰন্থত এনেদৰে উল্লেখ আছে- 'তেতিয়াৰ কালৰ যোৰহাটৰ সকলো গণ্য মান্য আৰু অভিজাত সম্প্ৰদায়ৰ লোকেই আছিল যোৰহাট থিয়েটাৰৰ পৃষ্ঠপোষক আৰু সদস্য। জাতি - বৰ্ণ নিৰ্বিশেষে সকলো সম্প্ৰদায়ৰ লোকে ইয়াৰ লগত সহযোগ কৰিছিল। শৰৎ চন্দ্ৰ গোস্বামী , দেবেন্দ্ৰ নাথ বেজবৰুৱা, অৱসৰ প্ৰাপ্ত হেডমাষ্টৰ শ্ৰী জেহিৰুদ্দিন আহমদ, নাট্যকাৰ পজিৰুদ্দিন আহমদ, শ্ৰী মহম্মদ হুছেইন প্ৰভৃতিয়ে অনুষ্ঠানৰ কামত সক্ৰিয় ভাগ লৈছিল। ৰায়বাহাদুৰ ৰাধাকান্ত সন্দিকৈ, ৰায়বাহাদুৰ কৃষ্ণকুমাৰ বৰুৱা, সাহিত্য ৰত্ন চন্দ্ৰধৰ বৰুৱা, কনক চন্দ্ৰ গগৈ, (গণেশ গগৈৰ দেউতাক), দুৰ্গেশ্বৰ শৰ্ম্মা আদি লোক সকলে এই অনুষ্ঠানৰ গুৰি ধৰিছিল।) এই গ্ৰন্থত উল্লেখ আছে- পজিৰুদ্দিন আহমদে যোৰহাট থিয়েটাৰত অভিনয়ো কৰিছিল।

পজিৰুদ্দিন আহমদৰ নাম অসমীয়া মানুহে পাহৰিয়েই গ'ল। তেখেতৰ কবি নাট্যকাৰ হিচাপে অসমীয়া সাহিত্যৰ প্ৰতি অৱদান আছিল। পুনৰ যদি কৰবাত লুপ্ত হৈ থকা পুথি প্ৰকাশ কৰিব পৰা যায় নতুন প্ৰজন্মই তাৰ সোৱাদ লব পাৰিব।❖

# ছিদ্দিক আলি

আব্দুৰ ৰহমান

১৮৮৮ খৃঃত দৰং জিলাৰ মঙ্গলদৈ মহকুমাৰ ঐতিহ্যপূৰ্ণ মুছলিমঘোপা গাঁৱত ছিদ্দিক আলিৰ জন্ম হয়। দেউতাকৰ নাম কেৰকেৰীয়া মোল্লা আৰু মাক কুঠি বিবি।

মজলীয়া শিক্ষা শেষ কৰিয়েই ছিদ্দিক আলিয়ে চাকৰি জীৱনৰ পাতনি মেলে পাথৰিঘাট এম. ভি স্কুলত। শিক্ষকতা পদত থাকিয়েই যোৰহাটৰ পৰা নৰ্মাল ট্ৰেনিং পাছ কৰে। তেতিয়াৰ পৰা তেওঁ জনমানসত ছিদ্দিক আলি মাষ্টাৰ হিচাপে জনাজাত হয়। শিক্ষকতা কৰি সেই সময়ত দৰমহা পাইছিল ৯ টকা। পাথৰিঘাটৰ পৰা তেওঁ চাটগাৰী এম্ ভি স্কুললৈ আৰু পাছত প্ৰধান শিক্ষকৰূপে পদোন্নতি পাই শোণিতপুৰ জিলাৰ বেচেৰীয়া এম্. ভি. স্কুললৈ যায়।

১৯২১ খৃঃত ভাৰতৰ স্বাধীনতা আন্দোলনে অসমতো গা কৰি উঠিছিল। গঢ়ি উঠিছিল মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলন। স্বাধীনতা প্ৰিয় ছিদ্দিক আলিয়ে স্কুলৰ শিক্ষকতাৰ চাকৰি ত্যাগ কৰি আন্দোলনত জপিয়াই পৰি জন্ম গাওঁ মুছলিমঘোপালৈ আহে আৰু তাত তেওঁ এটা ভলণ্টিয়াৰৰ দল গঠন কৰে। একে গাঁৱৰে জেহিৰুদ্দিন আহমদেও কটন কলেজৰ পৰা ছাত্ৰ জীৱন ত্যাগ কৰি ছিদ্দিক আলিৰ লগ লাগে। পাছত দুয়োজনৰ বন্ধুত্ব হ'ল আৰু আন্দোলনৰ কৰ্মত দুয়ো এনেকৈ জড়িত হৈ পৰিল যে জেহিৰুদ্দিন-ছিদ্দিক নামেৰে এটা নামত দুয়োজনৰ নাম গঁথা খালে। অসহযোগ আন্দোলনৰ অন্যতম কাৰ্যসূচী আছিল বিদেশী বস্তু বৰ্জন আৰু মাদক দ্ৰব্য নিষিদ্ধকৰণ। সেই চনতে মহাত্মা গান্ধী আহি

গুৱাহাটীৰ মাছখোৱাত তৰুণ ৰাম ফুকনৰ ঘৰত বাহৰ পাতিছিল। ছিদ্দিক আলিয়েও নিজৰ গাৰ কাপোৰ সোলোকাই জুইত জাপি দিছিল। মহাত্মা গান্ধীৰ নিবিড় সান্নিধ্য লাভ কৰি ছিদ্দিক আলিয়ে নাম পাইছিল 'মঙ্গলদৈয়া গান্ধী'।

গুৱাহাটীৰ পৰা ঘূৰি আহি তপেশ্বৰ শৰ্মা, কুমুদ ৰাম বৰা, দীনেশ্বৰ শৰ্মা আৰু জেহিৰুদ্দিনৰ সহযোগত ইতিমধ্যে গঠন কৰা ভলণ্টিয়াৰৰ দলৰ মুছলিম ঘোপাৰ তাহাৰ আলি, মহত আলি, ভোতোক আলি, আদম চা সেখ আদি ভলণ্টিয়াৰ সকলক লগত লৈ গাঁৱে গাঁৱে ঘূৰি বিদেশী বস্তু জ্বলাই ফুৰিছিল। সেই সময়ত ইংৰাজ চৰকাৰে অসমত কানিৰ এখন মুক লি বেহা খুলিছিল। ছিদ্দিক আলিয়ে কানিৰ দোকানৰ সন্মুখত পিকেটিং কৰিছিল এটা অভিনৱ উপায়েৰে। ভলণ্টিয়াৰসকলৰ লগতে তেৰোঁ কানিৰ দোকানৰ সন্মুখত শুই পৰিছিল। যাতে কানিয়াসকলে গচকি পাৰ হৈ দোকানলৈ কানি কিনিব যাব নোৱাৰে। শলঠেকত পৰি কানিয়া সকলে কানি খোৱা প্ৰথা ত্যাগ কৰিবলৈ বাধ্য হৈছিল।

১৯২৪ খৃঃৰ এদিন মাজৰাতি শোৱা পাটিতে ইংৰাজ চৰকাৰে তেওঁক গ্ৰেপ্তাৰ কৰি তেজপুৰ জেললৈ পঠায়। বিচাৰত ছিদ্দিক আলিৰ দুই বছৰ সশ্ৰম কাৰাদণ্ড হয়। তাৰ কেইদিনমানৰ পাছতে জেহিৰুদ্দিন আহমদকো এৰেষ্ট কৰি তেজপুৰ জেলত ৰাখিছিল। দুয়ো বন্ধুক ইংৰাজ চৰকাৰে জেলৰ ভিতৰত তেল পেৰা ঘাণিৰ বলদ ৰূপে কামত লগাই শাস্তি দিছিল।

১৯২৬ খৃঃত জেলৰ পৰা মুক্তি পাই কৰ্ম সংস্থাপনৰ উপায় পাঙি বন্ধু জেহিৰুদ্দিনৰ সৈতে মঙ্গলদৈ চহৰত "স্বদেশী দোকান" নামেৰে এখন কিতাপৰ দোকান খোলে। জেহিৰুদ্দিন আৰু ছিদ্দিক আলিয়েই মঙ্গলদৈ অঞ্চলৰ প্ৰথম কিতাপৰ ব্যৱসায়ী।

জেহিৰুদ্দিন আহমদ ১৯৩৫-৩৬ খৃঃত মঙ্গলদৈ টাউন কমিটীৰ চেয়াৰমেন নিৰ্বাচিত হৈছিল। ব্যৱসায়ৰ মাজতেই ছিদ্দিক আলিয়ে সাহিত্য চৰ্চা কৰিছিল। তেওঁৰ প্ৰকাশিত পুথি সমূহ 'শান্তি সমাচাৰ'- কবিতা পুথি, 'নতুন সাধু' - গল্পৰ পুথি আৰু 'ন-পাটী গণিত'- অঙ্কৰ পাঠ্য পুথি । 'কিমে চাদাত' নামৰ আন্তৰ্জাতিক খ্যাতিসম্পন্ন ধৰ্মীয় পুথি এখন বঙালীৰ পৰা অসমীয়ালৈ এখেতে "সৌভাগ্য পৰশমণি" নামেৰে অনুবাদ কৰিছিল। তদুপৰি "পোহৰৰ শেষৰ ৰেঙণি মাৰ গ'ল

ডাৱৰৰ আঁৰত” আৰু “আনন্দ লহৰী” নামৰ দুখন কবিতা আৰু “গোৰায়ে গলদ” যাৰ অৰ্থ প্ৰথমতে ভুল নামেৰে এখন ধৰ্মীয় পুথি ৰচনা কৰিছিল। হাতে লিখা অৱস্থাতো বহুতো কিতাপ এৰি থৈ যোৱা বুলি জনা যায়।

১৯৪৭ খৃঃৰ ১৫ আগষ্টত দেশে স্বাধীনতা পোৱাত তেখেত যিমান আনন্দিত হব লাগিছিল তাৰ পৰিৱৰ্তে মহাত্মা গান্ধীৰ দৰেই ভাৰতৰ সাৰ্বভৌমত্ব দ্বিখণ্ডিত হৈ স্বাধীনতা লাভ কৰাত তেৰোঁ দুখত ম্ৰিয়মান হৈ পৰিছিল।

১৯৫৩ খৃঃৰ চেপ্তেম্বৰ মাহত এইজনা বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি ৬৫ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। তেওঁৰ ইচ্ছানুসৰিয়েই মুছলিমঘোপাত কবৰ নিদি মাৰৈৰ বগা মৌলবী চাহাবৰ কবৰৰ ওচৰত কবৰ দিয়া হয়।

মহাত্মা গান্ধীৰ চিতাভষ্ম ছিদ্দিক আলিয়েই মঙ্গলদৈলৈ দুটা কলহত কঢ়িয়াই আনি মঙ্গলদৈ নদীত বিসৰ্জন দিয়া বুলি তেওঁৰ বৰপুত্ৰৰ পৰা জনা যায়।❖

---

(অসমৰ মুছলমান সকল)

# ছৈয়দ মোহাম্মদ মুহিবুল্লা

ছৈয়দ আব্দুল হালিম



হজৰত আজানপীৰ (ৰঃ) ৰ বংশধৰ ছৈয়দ মোহাম্মদ মুহিবুল্লা। পিতৃ ছৈয়দ তৈয়বুল্লা আৰু ডাঙৰ ককায়েক ছৈয়দ মোহাম্মদ ছাদুল্লা। ছৈয়দ মোহাম্মদ মুহিবুল্লাই আৰবী আৰু ফাৰ্চী ভাষাত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম.এ. পাছ কৰি চিলেটৰ মুৰাৰীচান্দ কলেজত প্ৰথমে আৰু তাৰ পাছত ১৯১৬ চনৰপৰা একেৰাহে প্ৰায় ত্ৰিশ বছৰ কাল কটন কলেজত অধ্যাপনা কৰিছিল। মাজতে ডেপুটি ডাইৰেক্টৰ হৈ শ্বিলঙত অলপ সময়ৰ কাৰণে আছিল। ১৯৪৭ চনত তেখেত এই কলেজৰে অধ্যক্ষ হয় আৰু সেই চনতে অৱসৰ গ্ৰহণ কৰে। তেখেতৰ পাছতে এই কলেজৰ অধ্যক্ষ হৈছিল ড° বাণীকান্ত কাকতী। ডক্টৰ সূৰ্যকুমাৰ ভূঞাও তেখেতৰ সহকৰ্মী আছিল। ডক্টৰ ভূঞাই তেখেতৰ Man I met পুথিত মুহিবুল্লা চাহেবৰ স্মৃতিচাৰণ কৰিছে। ছৈয়দ মুহিবুল্লা দাৰ্শনিক ভাবাপন্ন লোক আছিল যদিও কথা-বতৰাত আছিল কৌতুকপূৰ্ণ। তেখেতৰ বাৰ্তালাপে অধ্যাপকসকলৰ কমনৰূমত সকলোকে আনন্দ দিছিল। তেখেত এজন নৈষ্ঠিক লোক আৰু ফাৰ্চী-আৰবী ভাষাৰ বিদগ্ধ পণ্ডিত আছিল। তেখেতে বিপদগ্ৰস্ত মানুহক অকাতৰে সহায় কৰিছিল। সুদৰ্শন আৰু সম্ভ্ৰান্ত মুহিবুল্লা চাহেবৰ দয়ালু স্বভাবে সততে সকলোকে আকৰ্ষণ কৰিছিল।❖

---

(প্ৰান্তিক ১-১৫ ফেব্ৰুৱাৰী ২০০৪)

# চৈয়দ চেইখুল মোচায়েখ চিস্তি

দেবিৰা চুলতানা আহমদ

১৮৯০ চনত শিৱসাগৰ জিলাৰ তিতাবৰত জন্ম গ্ৰহণ কৰা চৈয়দ চেইখুল মোচায়েখ চিস্তি চাহাব ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এগৰাকী অগ্ৰণী সেনানী আছিল। তেখেতে ১৯০৫ চনত শিৱসাগৰৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষা পাছ কৰি বৃত্তিলৈ কলিকতাৰ প্ৰেচিডেন্সি কলেজত পঢ়িবলৈ যায়। তাৰ পৰা ১৯০৭ চনত এফ. এ. পৰীক্ষা পাছ কৰি ১৯১০ চনত আলিগড়ৰৰ M.A. O. College (Muhammedan Anglo Oriental College ত ভৰ্ত্তি হয়। চাৰ চৈয়দ আহমদে প্ৰতিষ্ঠা কৰা এই কলেজ খনেই পাছলৈ আলিগড় মুছলিম বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত হয়। তাৰ পৰা বি. এ. উপাধি লাভ কৰি (১৯১১-১২ চন) গোলাঘাটৰ বেজবৰুৱা হাইস্কুলত শিক্ষক হিচাপে প্ৰথম চাকৰিত যোগ দিয়ে। ১৯১৪ চনত এখেতে S.D.C. ৰ চাকৰি গ্ৰহণ কৰি নলবাৰীত চৰকাৰী জীৱন আৰম্ভ কৰে। ১৯১৫ চনত জালুকবাৰীত Survey Training গ্ৰহণ কৰে । তাৰ পাছত ক্ৰমে তিনিচুকীয়া, দেৰগাওঁ আৰু মৰিয়নীত চাকৰি কৰে। ইতিমধ্যে দেশত জাতিৰ পিতা মহাত্মা গান্ধীৰ আহ্বানত অসহযোগ আন্দোলন আৰম্ভ হয়।

এই আন্দোলনত ভাৰতৰ সকলো প্ৰান্ততে মানুহে চৰকাৰী চাকৰি আদি ত্যাগ কৰি দেশৰ কামত লাগি পৰে। অসমৰ পৰাও কেই গৰাকীমান মুষ্টিমেয় ব্যক্তিয়ে চাকৰি বৰ্জন কৰিছিল। চিস্তি চাহাবেও এই স্বাধীনতা আন্দোলনৰ সময়ত দেশ সেৱাকে বেছি গুৰুত্ব দিছিল আৰু লৰা ছোৱালীৰে ভৰা এখন সংসাৰৰ

দায়িত্ব থকা স্বত্বেও মাটি হাকিমৰ চাকৰি ইস্তফা দি আন্দোলনত লাগি পৰিছিল। সেই সময়ত এই আন্দোলনত যোগ দিয়া আনজন মাটি হাকিম আছিল হৰি প্ৰসাদ দাস। (Political History of Assam, Volume -II, 1920-1939, Arun Chandra Bhuyan] চিষ্টি চাহাবে চাকৰি ইস্তফা দিয়া কথা আনকি বাপেক চৈয়দ খাইৰত আলি চাহাবকো জনোৱা নাছিল। কিন্তু এই কথা জনাৰ পাছত বাপেকেও পুতকেৰ এই কাম সমৰ্থন কৰি পূৰ্ণ সহযোগ কৰিছিল। চৈয়দ চিষ্টি চাহাবৰ ভায়েক কেই জনেও এই আন্দোলনত ভাগ লৈছিল। দুয়ো জনকে শিৱসাগৰ কাছাৰিত ৩/৪ ঘণ্টা ধৰি জেৰা কৰা হৈছিল। সেই সময়ৰ উপায়ুক্ত মেকডনেল্ড চাহাবে কেইবা দিনো তেখেত সকলক জেৰা কৰিছিল। কাৰাবৰণ কৰিব লগীয়া হব পাৰে ভাবি দুয়ো লগত কূৰ্ত্তা-পায়জামা, বাটৰ সম্বল, জাই নামাজ আদি লগত লৈ সদায় সাজু হৈ গৈছিল। সেই সময়ত শিৱসাগৰ টাউনৰ ধাই আলিৰ ৬/৭ ঘৰ মানুহৰ বাহিৰে সকলোৱে আন্দোলনত যোগ দিছিল।

এই আন্দোলনত তেখেতৰ সঙ্গী আছিল মোহাম্মদ দিয়ানত উল্লা, কোবাদ আলী, কনজান আলী আৰু শিৱসাগৰ টাউনৰ বদৰুদ্দিন আৰু ৰফিউল। সেই সময়ত চিষ্টি চাহাব আন প্ৰধান স্বাধীনতা যুঁজৰ যুঁজাৰু সকল যেনে তাৰা প্ৰসাদ চলিহা, যাদৱ প্ৰসাদ চলিহা, বিষ্ণু প্ৰসাদ চলিহা, দুৰ্গা প্ৰসাদ বৰঠাকুৰ, ৰাম বৰা, যজ্ঞেশ্বৰ দলৈ, ভৱ প্ৰসাদ হাজৰিকা, বেণুধৰ শৰ্ম্মা, লক্ষ্মী কান্ত বৰুৱা, সহজা ভড়ালী, সোণাৰাম দত্ত, শিৱ বৰুৱা, ধৰ্ম্মৰঞ্জন বৰুৱা আদিৰ লগত ঘনিষ্ঠ ভাৱে জড়িত আছিল। এই সকলোৱে চিষ্টি চাহাবৰ ঘৰৰ খবৰ ৰাখিছিল। তাৰা প্ৰসাদ চলিহা, যাদৱ প্ৰসাদ চলিহা আদিয়ে মাজে সময়ে আৰ্থিক সাহায্য দিছিল আৰু দুৰ্গা প্ৰসাদ বৰঠাকুৰ, ৰাম বৰা, ভৱ প্ৰসাদ হাজৰিকা, ভূপেন ঘোষে তেখেতৰ মোকৰ্দ্দমাত বিনা পইচাই ওকালতি কৰিছিল। চাকৰি ইস্তফা দিয়াৰ পাছত চৈয়দ চাহাবে মাটিৰ খাজনা দিব নোৱাৰাৰ বাবে দিখৌ দলঙৰ কাষত থকা পুৰণা মৌজাদাৰ শশীলাল বৰুৱাই (মিহিৰ আৰু আদিত্য বৰুৱাৰ দেউতাক) নিজৰ ফালৰ পৰাই খাজনা খিনি দি মাটিবাৰী ৰক্ষা কৰিছিল । এই প্ৰীতিৰ বান্ধোন বৰ্ত্তমানলৈকে পৰিয়াল দুটাৰ মাজত অটুট আছে, চিষ্টি চাহাবৰ ত্যাগৰ বাবেই দিচাং মুখৰ ওচৰৰ কুকুৰা পুহীয়া গাৱঁৰ ৰাইজ, ধাই আলি আৰু চুকৰ গাৱঁৰ

ৰাইজেও তেখেতসকলক সহায় কৰিছিল। বেণুধৰ শৰ্ম্মা ডাঙৰীয়া দেৱেও তেখেতৰ 'কংগ্ৰেছৰ কাচিয়লি ৰ'দত' নামৰ পুথিখনত চিষ্টি চাহাবক নিজৰ চাকৰি এৰি দেশ সেৱাত লাগি যি দেশৰ প্ৰেমৰ নমুনা দেখুৱালে তাৰ উল্লেখ কৰিছে।

চৈয়দ চিষ্টি চাহাব গোপীনাথ বৰদলৈ ডাঙৰীয়াৰ বন্ধু আছিল। গোপীনাথ বৰদলৈ ডাঙৰীয়াৰ Coalition Ministry গঠন হোৱাৰ সময়ত তিনিচুকীয়াত চেনাইৰাম স্কুলত কৰি থকা চাকৰি এৰি সুৰমা উপত্যাকাৰ মেম্বৰ সকলক প্ৰভাৱন্বিত কৰি বৰদলৈ ডাঙৰীয়াৰ নেতৃত্বত মন্ত্ৰী সভা গঠন হোৱাত সহায় কৰিছিল।

চিষ্টি চাহাবে দিল্লীৰ ফালৰ পৰা অসমলৈ অহা অসহযোগ আন্দোলনৰ নেতা সকলৰ লগত উজনি আৰু নামনি অসম ঘূৰি ফুৰিছিল। তেখেতসকল তেখেতৰ ধাই আলিৰ ঘৰত আলহী আছিল। মৌলানা মোহাম্মদ আলী চাহাবে আন্দোলনৰ কামত আহি তেখেতৰ ঘৰত আলহী হৈছিল। চিষ্টি চাহাবে মোহাম্মদ আলী চাহাবৰ উৰ্দ্দু ভাষাত দিয়া বক্তৃতা অসমীয়ালৈ অনুবাদ কৰি মানুহক বুজাই দিছিল।

তেখেত বৰ ধাৰ্মিক আৰু সাধু পুৰুষ আছিল। পইচা বা পদৰ বাবে হাবিলাস নাছিল। তিনিচুকীয়াত তেখেতে S.D.C.ৰ কাম ইস্তফা দিয়াৰ পাছত ৰাইজৰ অনুৰোধত ১৯৩৮ -৪০ চনত তিনিচুকীয়াৰ চেনাই ৰাম স্কুলত চাকৰি কৰিছিল। দেশ স্বাধীন হোৱাৰ পাছত চৰকাৰৰ ফালৰ পৰা কোনো বিভাগৰ সঞ্চালকৰ পদ আগবঢ়াইছিল। কিন্তু তেখেতে চৰকাৰী চাকৰি কৰাৰ ইচ্ছা নকৰিলে। সেইবোৰ বাদ দি আল্লাহক খুচী কৰিবৰ বাবে শিলং পাহাৰত আৰু শিৱসাগৰৰ দৰগাহৰ ফালৰ হাবিত ইবাদত কৰাত লাগিল। কুকুৰা পুহীয়াৰ 'বহৰচা' নামৰ যুৱক এজন তেখেতৰ সঙ্গী আছিল। তেখেতক আন লোকে মানৱতাৰ কেনে উচ্চ আসন দিছিল তাৰ দুটা উদাহৰণ তেখেতৰ পুতেক চৈয়দ মোহাম্মদ তাচিন চিষ্টিৰ পুথি 'হজৰত মোহাম্মদৰ (দঃ) হজ' নামৰ পুথিৰ পৰা তুলি দিয়া হৈছে। এটা আছিল ডিব্ৰুগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পুৰণা শিক্ষক শ্ৰী জৰ্নাদন আচাৰ্য্য দেৱৰ উক্তি "চিষ্টি (পুতেক চৈয়দ ত্বাচিন চিষ্টিক সম্বোধন কৰি কোৱা) তোমাৰ দেউতাৰ (চৈয়দ চেয়খুল মোচায়েখ চিষ্টি) আমাৰ

ঘৰতে কিছুদিন আছিল। তিনিচুকীয়াৰ কোনো ধনী মুছলমান মানুহৰ ঘৰত নাছিল'। ইয়াৰ উপৰিও দেউতাকৰ অনেক প্ৰশংসা পুতেকৰ আগত কৰিছিল। এই দৰে ৰঙিয়াতো এঘৰ সাধাৰণ মুছলমানৰ ঘৰতহে আছিল। এই মানুহজনে পাছত অন্যৰ আগত চৈয়দ চাহাবক এজন 'কুটুব'ৰ আখ্যা দিছিল। 'কুটুব' পদবিটো ইছলাম ধৰ্ম্মত আধ্যাত্মিক স্তৰৰ এটা উচ্চ পদবি, অনেক সাধনাৰ পাছতহে এইয়া সম্ভৱ হয়।

তেখেতৰ ডিব্ৰুগড়ত শিক্ষকতা কৰা পঞ্চম পুত্ৰজনে দেউতাকে দেশৰ স্বাধীনতা আন্দোলনত কৰা ত্যাগৰ ফল হিচাবে বৈৰাগী মঠ মছজিদৰ ওচৰত চৰকাৰৰ ফালৰ পৰা এটুকুৰা মাটি পায় আৰু তাতে বৰ্ত্তমানে ঘৰ সাজি বসবাস কৰি আছে।

চৈয়দ চিষ্টি চাহাবে ৭ গৰাকী পুত্ৰ আৰু তিনি গৰাকী কন্যা সন্তান এৰি যায়। ❖

---

(চৈয়দ চিষ্টি চাহাবৰ এই জীৱনী পোহৰলৈ অনা বাবে আমি চৈয়দা কৰিমা চিষ্টিৰ ওচৰত কৃতজ্ঞ। তেখেতে তেখেতৰ স্বামী, আৰু চৈয়দ চিষ্টি চাহাবৰ তৃতীয় পুত্ৰ ইঞ্জিনীয়াৰ চৈয়দ মোহাম্মদ খালিদ চিষ্টিৰ (মৃত্যু ১৯৮২ চন) চাহাবৰ হাতে লিখা এটি অসম্পূৰ্ণ টোকা উদ্ধাৰ কৰি আমাক দিয়া বাবে এই জীৱনী লিখা সম্ভৱ হ'ল। )

# নৱাব আব্দুল আজিজ

কমৰুজ্জমান আহমদ

তেজপুৰৰ লিচুবাগান আৰু মাটি কঠালৰ বাগান প্ৰতিষ্ঠাতা বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ কৃষি উদ্যোগী নৱাব আব্দুল আজিজৰ জন্ম উনবিংশ শতিকাৰ শেষৰ ফালে। তেখেতৰ পিতৃৰ নাম নৱাব জুলকাদ আলী আৰু মাতৃৰ নাম ৰুহুন্নিছা। জুলকাদ আলী বিজ্ঞানৰ স্নাতক আছিল আৰু এজন চাহ খেতিয়ক আছিল । তেখেত সকল তিতাবৰৰ মানুহ।

প্ৰাথমিক বিদ্যা শেষ কৰাৰ পাছত তেখেত বিজ্ঞানৰ স্নাতক উপাধি লৈ পদাৰ্থ বিজ্ঞানত স্নাতকোত্তৰ শিক্ষা লবলৈ কলিকতালৈ যায়। কিন্তু সেইয়া শেষ কৰাৰ আগতেই তেখেতে খৈৰাবাৰীৰ খান্দচাৰীৰ চেনি কলত কামত সোমায় । তাত কাম কৰি থাকোতেই তেখেতে আফগানিস্তানৰ কাবুলত কাম লৈ ৰজা আমানুল্লাৰ ৰাজত্বকালত কাবুললৈ যায় (প্ৰসঙ্গক্ৰমে তেখেতৰ ককায়েক নৱাব আজিজুৰ ৰহমানো ইৰাণলৈ চাহখেতিৰ বাবে গৈছিল)। তাৰ পৰা আহি ১৯২১ চনত মতিজানৰ তফজ্জুল আলী হাজৰিকাৰ জ্যেষ্ঠা কন্যা চাহেবান নিছা চমছুন নাহাৰ (ডেইজী)ক বিয়া কৰায়। তেখেতৰ দ্বিতীয়া কন্যা টুছিকা (টেছ) ৰ জন্মৰ পাছত তেখেত পুনৰ কাবুললৈ উভতি যায়। তাত থকা কাৰ্যকালত পুনৰ কাবুল চৰকাৰৰ হৈ আফগানিস্তানৰ উদ্যোগৰ কাৰণে কিছু যন্ত্ৰপাতি কিনিবলৈ বুলি টকা পইচা লৈ আৰু নিজ পৰিয়ালক কাবুললৈ লৈ যাবলৈ বুলি ভাৰতলৈ আহে। কিন্তু সেই সময়ত তেখেতৰ পৰিবাৰৰ দেউতাক তফজ্জুল হুছেইন হাজৰিকা আৰু বৰ দেউতাক ফিৰদৌছ হাজৰিকাই পৰিয়ালক কাবুললৈ নিয়াত বাধা দিয়ে আৰু নিজা চাহ উদ্যোগত কাম কৰিবলৈ জোৰ দি ধৰে । উপায়হীন হৈ আব্দুল

আজিজে কাবুল চৰকাৰৰ টকা উলোটাই পঠায় আৰু তেজপুৰৰ নুৰবাৰি বাগিচাত পৰিচালক হিচাপে কাম কৰিবলৈ লয়।

কিন্তু উদ্যোগী আব্দুল আজিজ পৰিচালকৰ গতানুগতিক দৈনন্দিন জীৱনত সন্তুষ্ট নাথাকি ১৯৩৫ চনত প্ৰায় ৪০০ বিঘা মাটিৰ ৰবৰ বাৰী এখন কিনে। সেইখন ৰবৰ বাৰী বুলি এতিয়াও জনাজাত হলেও তাত থকা অলপ সংখ্যক ৰবৰ গছখিনি তেখেতে উঘালি তাত উন্নত প্ৰজাতিৰ মাটি কঠাল আৰু লিচুৰ খেতি আৰম্ভ কৰে। লগতে তামোল পান আদিও ব্যৱসায়িক ভিত্তিত লগাইছিল। তেখেতে বহুতো গৰু গাই পুহি গাখীৰৰ ব্যৱসায়ো কৰিছিল। সেই বাগানত এবিধ উন্নত প্ৰজাতিৰ আমো লগাইছিল যি বোৰত বছৰত দুবাৰ ফল ধৰিছিল।

তেখেতে মাটি কঠালৰ বাগানখন নিজা পৰিবাৰ ডেইজীৰ নামত ‘ডেইজী পাইন এপল গাৰ্ডেন’ বুলি নামকৰণ কৰিছিল। সেই বাগানৰ উন্নত মানৰ মাঠি কঠাল আৰু অতি সুস্বাদু ডাঙৰ আৰু অত্যন্ত সৰুগুটিৰ লিচু অসমৰ বহুতো ঠাইলৈ ৰপ্তানি হৈছিল। সেই লিচু এতিয়াও তেজপুৰৰ লিচু বুলি বিখ্যাত আৰু বজাৰত পোৱা যায়। বৰ্ত্তমান মাটি কঠালৰ বাগানখন নাই।

৫৮ বছৰ বয়সত ১৯৪১ চনত তেখেতৰ মৃত্যু হয়। অকালত মৃত্যু নোহোৱা হলে অসমৰ কৃষি উদ্যোগৰ ক্ষেত্ৰত তেখেত এজন লেখত লবলগীয়া ব্যক্তি হলহেতেন আৰু অসমৰ কৃষি জগতত এটা নতুন যুগৰ সূচনা কৰিব পাৰিলে হেতেন।

অতি কম বয়সতে বিধবা হোৱা তেখেতৰ পত্নী চাহেবান নিছা চমচুন নাহাৰে (ডেইজী- জন্ম ১৯০৩ চন) স্বামীৰ মৃত্যুৰ পাছত সেই বাগানৰ দায়িত্ব মূৰ পাতি লয়। বিধবা হোৱাৰ পাছত সাধাৰণ আৰু সাত্বিক জীৱন যাপন কৰা ডেইজীয়ে তেখেতৰ স্বামীয়ে কৰি থৈ যোৱা ব্যৱসায় সাধ্যানুসাৰে চলাই যায়। তেখেত অতি অতিথি পৰায়ণ আছিল আৰু সাধ্যানুসাৰে মানুহক সহায় কৰিছিল।

১৯৬৪ চন মানত তেখেতে হজ কৰে। তেখেত সকলৰ চাৰিগৰাকী কন্যা। তৃতীয়া কন্যা নজমা ৰহমান (বুলি)ৰ বিয়া হৈছিল গড়াজানৰ নজিবুৰ ৰহমানৰ লগত যি জন এসময়ত অসমৰ মুখ্য অভিযন্তা আছিল।

বৰ্ত্তমান নজমা ৰহমানেই তেজপুৰৰ পৈতৃক পুৰণা ভেটিত বসবাস কৰি আব্দুল আজিজ আৰু ডেইজী আজিজৰ স্মৃতি ৰক্ষা কৰি আছে আৰু মাক বাপেকৰ ৰীতি বজাই ৰাখিছে। ❖

---

(আব্দুল আজিজৰ তৃতীয় কন্যা নজমা ৰহমানৰ পৰা পোৱা তথ্যৰ আলমত সংকলন)।

# মোছলেহউদ্দিন আহমদ

ড° পইনুৰুদ্দিন আহমদ

ব্যক্তিগত শাৰীৰিক আৰু আৰ্থিক প্ৰতিবন্ধকতা সত্ত্বেও দেশ আৰু ভাষাৰ নিস্বাৰ্থ সেৱা কৰি যোৱা এগৰাকী পুৰুষ আছিল মহম্মদ মোছলেহউদ্দিন আহমদ।

মানৰ আক্ৰণৰ সময়ত তেওঁৰ উপৰিপুৰুষ গোৱালপাৰা ত্যাগ কৰি নগাৱঁৰ পুৰণি গুদামত বসতি কৰিবলৈ লয়। এইজনৰে পুত্ৰ চুজাউদ্দিন আহমদ আৰু তেওঁৰ দুজনী জীয়ৰী আৰু পাঁচটি পুত্ৰৰ নুমলীয়াজন হ'ল- মোছলেহউদ্দিন । ১৮৯৩ খ্ৰীঃত ওপজা মোছলেহউদ্দিনৰ জনপ্ৰিয় নাম আছিল 'মছল'।তেওঁৰ অপ্ৰকাশিত আত্মজীৱনীমূলক গ্ৰন্থ 'মোৰ স্মৃতি কথা'ৰ পৰা জনা যায় যে সেই দিনত মহামাৰী ৰূপে দেখা দিয়া ক'লাজ্বৰত তেওঁৰ মাক-দেউতাক, দুজন ককায়েক আৰু বায়েক দুজনীৰ অকাল মৃত্যু ঘটে। আনহাতে সৰুতে সন্নিপাত জ্বৰ হৈ "মছল"ৰ দুয়োখন ভৰি আৰু হাত অকামিলা হৈ পৰে। পাছত অনেক চিকিৎসাৰ ফলত হাত দুখন ভাল হয় যদিও ভৰিদুখন বিকল হৈ থাকিল। অৱশ্যে অনেক দিনৰ মূৰকত এখন ভৰি ভাল হ'ল যদিও আনখন চিৰকাললৈ ঘূনীয়া হৈ থাকিল।

'মছল'ৰ মাজুজনা ককায়েক কুতুবুদ্দিনে নগাওঁতে ওকালতি কৰিছিল। 'মছলে' এওঁৰ লগতে থাকি নগাওঁৰ স্কুলত তৃতীয় শ্ৰেণীলৈকে পঢ়িছিল। পঢ়াতকৈ দুষ্টালিহে বেছিকৈ কৰিছিল। সৌভাগ্যক্ৰমে তেওঁৰ ডাঙৰ ককায়েক মুহিবুদ্দিনে ঢাকাত বোৰ্ড অব ৰেভিনিউৰ আণ্ডাৰ চেক্ৰেটাৰী আছিল। তেওঁৰ ঢাকা কলেজৰ অধ্যাপক সত্যেন্দ্ৰ নাথ ভদ্ৰৰে ভাল চিনাকি আছিল। এই চিনাকি সূত্ৰে সত্যেন্দ্ৰনাথৰ সহায়ত

ঢাকাৰ তাঁতী বজাৰৰ হোমিও স্কুলত মছলে নাম লিখায় কিন্তু দুবছৰমান পঢ়াৰ পাছতে ককায়েকে নগাৱঁলৈ বদলি হৈ অহাত তেৰোঁ পঢ়া এৰিবলগীয়া হয়, কাৰণ অকলে তাত থকা তেওঁৰ দৰে শাৰীৰিক বাধা গ্ৰস্ত লোক এজনৰ বাবে সম্ভৱপৰ নাছিল।

তেওঁ ঘৰলৈ ঘূৰি আহি কিছুদিন এনেয়ে কটায়। ইতিমধ্যে তেওঁৰ দুই প্ৰতিষ্ঠিত বিত্তশালী ককায়েক মুহিবুদ্দিন আৰু কুতুবুদ্দিনে শুকানজুৰি আৰু বঢ়মপুৰত দুখন চাহ বাগিছা খুলিছিল। শুকানজুৰিত চাহ-পাত বনোৱা কাৰখানা আছিল, বঢ়মপুৰত নাছিল। ককায়েক সকলে নিবনুৱা 'মছল'ৰ কিবা এটা গতি লাগক বুলি শুকানজুৰি চাহবাগিছাত তেওঁক সহকাৰী মেনেজাৰ পাতে। অতি অলপ দিনৰ ভিতৰত তেওঁ মেচিনৰ কাম শিকে আৰু উক্ত বাগিছাৰ ইংৰাজৰ চাহাবে ব্যৱহাৰ কৰা পুৰণা তিনিচকীয়া গাড়ী এখন মেৰামতি কৰি লৈ 'মছলে' তাৰে অহা-যোৱা কৰিছিল। কিছুদিন এনেদৰে চলাৰ পাছত কিবা কথাত ককায়েকক বেয়া পাই তেওঁ চাহ বাগিছাৰ চাকৰি ইস্তফা দি স্বাধীনচিতীয়া ব্যৱসায় হিচাপে নগাৱঁৰ আদালতত 'ষ্টাম্প ভেণ্ডৰ'ৰ কাম কৰিবলৈ লয়। সেই একে সময়তে দুবছৰীয়া হোমিও শিক্ষাৰ জ্ঞানেৰে হোমিওপেথি চিকিৎসাও কৰিবলৈ লয়। প্ৰথম অৱস্থাত হোমিওপেথিৰ ডাক্তৰ হিচাপে তেওঁ সফলতা আৰ্জিব পৰা নাছিল। পাছত অৱশ্যে এজন সফল হোমিওপেথি ডাক্তৰ হিচাপে তেওঁ পৰিগণিত হয় আৰু লোক সমাজত 'লেঙেৰা ডাক্তৰ' নামেৰে জনাজাত হৈ পৰে। উল্লেখযোগ্য যে ডাক্তৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰাত তেওঁৰ সহপাঠী মহেন্দ্ৰ বৰুৱাই তেওঁক যথেষ্ট সহায় কৰিছিল। এই প্ৰসংগত কোৱা হৈছে যে মহেন্দ্ৰ বৰুৱাই তেওঁৰ চোলাৰ ওপৰৰ জেপ খনত মানুহে দেখাকৈ সদায়ে এটা শুদা বটল ৰাখে। মানুহে সুধিলে কয়- 'মছল' ডাক্তৰৰ পৰা আহো। নিজেও কেতিয়াবা কয়- 'মছল' ডাক্তৰক লগ ধৰি আহো অসুখ এটা হৈছে। মানুহেও তেওঁৰ ডাক্তৰী ভাল বুলি ভাবি তেওঁৰ ওচৰলৈকে যোৱা হ'ল। এই মহেন্দ্ৰ বৰুৱাই "মছল"ৰ সকলো বিপদ-আপদত সহায় কৰিছিল। দোকানত হোৱা বাকী আদিও 'মছল'ৰ অজ্ঞাতে মহেন্দ্ৰ বৰুৱাই পৰিশোধ কৰিছিল।

নগাওঁ হয়বৰ গাঁওৰ মমতাজ আলী হাজৰিকা নামৰ লোক এজনৰ ছোৱালী এজনীৰ টান নৰিয়া অনেক ডাক্তৰ-কবিৰাজে চিকিৎসা কৰিও ভাল কৰিব

নোৱাৰিছিল। পাছত 'মছল' ডাক্তৰৰ চিকিৎসাত ছোৱালীজনী সম্পূৰ্ণ সুস্থ হৈ উঠিল। তাৰে কৃতজ্ঞতা স্বৰূপে মমতাজ আলীয়ে তেওঁৰ সেই কন্যা জেচমিনক 'মছল'লৈ বিয়া দিয়ে। তেওঁলোকৰ চাৰিটি পুত্ৰ আৰু দুজনী কন্যা।

কিবা কথাত ককায়েকৰ সতে পুনৰ মনোমালিন্য হোৱাত তেওঁ ককায়েকৰ লগ এৰি খনাজানলৈ উঠি আহে। তাৰ পৰা খ্ৰীষ্টানপট্টিৰ ভাড়াঘৰলৈ আহে। ইয়াতে এগৰাকী সু-চিকিৎসক ৰূপে তেওঁৰ নাম ফাটি-ফুটি যায়।

মোছলেহউদ্দিনে কেতিয়াৰ পৰা লিখিবলৈ লৈছিল সঠিকভাৱে ক'ব পৰা নাযায় যদিও ১৯১০-১৯২০ চনৰ সময়ছোৱাক তেওঁৰ লিখক জীৱনৰ সোণালী যুগ বুলিব পাৰি। এই বিষয়ত ৰত্নকান্ত বৰকাকতীৰ সান্নিধ্যই তেওঁ প্ৰভাৱিত কৰিছিল বুলি ভৱাৰ থল আছে। তেওঁ একাধাৰে আছিল হাস্যৰস মিশ্ৰিত গল্পকাৰ, কবি, গীতিকাৰ, গায়ক আৰু প্ৰৱন্ধ লিখক । পদ্মনাথ গোহাঞি বৰুৱাৰ সভাপতিত্বত ১৯১৭ চনত শিৱসাগৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ প্ৰথমখন অধিবেশনত তেওঁ ৰত্নকান্ত বৰকাকতীৰ সতে নগাওঁৰ প্ৰতিনিধি হিচাপে যোগদান কৰিছিল। সভাপতি গৰাকীয়ে তেওঁক সাৱটি ধৰি আশীৰ্বাদ দিছিল। সেই অধিবেশনত তেওঁ প্ৰৱন্ধ পাঠ কৰিছিল। ১৯১৮ চনত সাহিত্য সভাৰ অধিবেশনত গোৱালাপাৰাত প্ৰৱন্ধ পাঠ কৰিছিল। সেই বছৰত তেওঁ সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য হৈছিল। ১৯১৯ চনত সাহিত্য সভাৰ বৰপেটা অধিবেশনত হিন্দু-মুছলমান নামৰ এটা প্ৰৱন্ধ পাঠ কৰাৰ উপৰিও ১৯২৫ চনত নগাওঁ অধিবেশনত হাঁহিৰ গীত গাই সকলোকে আনন্দ দিছিল।

মোছলেহউদ্দিনৰ পদ্মনাথ গোঁহাঞি বৰুৱা সম্পাদিত 'উষা' আলোচনীত প্ৰথম প্ৰকাশ হোৱা 'ভোমোৰা' নামৰ কবিতাটিয়ে পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল।

ইয়াৰ পাছত তেওঁ বাঁহী, সাধনা, জয়ন্তী গাৱঁৰ কথা, আসাম বান্ধৱ, আৱাহন, অকণ, গণতন্ত্ৰ আদি বিভিন্ন কাকত-আলোচনীত গল্প, কবিতা আৰু প্ৰৱন্ধ লিখে। তেওঁ লক্ষীনাথ বেজবৰুৱাৰ 'বাঁহী'ত অনেক আমোদজনক গল্প লিখে। উল্লেখযোগ্য যে বেজবৰুৱাৰ কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা শীৰ্ষক ৰচা-ৰচনাবোৰৰ পাছত

মোছলেহউদ্দিনৰ বাদে আনকোনেৱে সেই ধৰণৰ সমাজ-সংস্কাৰমূলক হাস্য-ব্যংগ ৰচনা লিখা নাছিল। বাঁহীৰ পাতত ওলোৱা ৰসপূৰ্ণ কাহিনীবোৰৰ সমষ্টিয়ে হ'ল তেওঁৰ একমাত্ৰ প্ৰকাশিত কিতাপ 'মজাৰ গল্প' । সমালোচকসকলে চোলেমান খাঁৰ কবিতা পুথি, মফিজুদ্দিন আহমদ হাজৰিকাৰ 'জ্ঞান-মালিনী''ৰ নিচিনাকৈ মোছলেহউদ্দিনৰ বাছকবণীয়া কবিতাৱলীকো অসমীয়া সাহিত্যলৈ মুছলমানৰ লেখত লবলগীয়া বৰঙণি বুলিছে। ড° সূৰ্য কুমাৰ ভূঞা - অসমীয়া মুছলমানৰ সাহিত্য সাধনা, ২য় বছৰঃ ১ম সংখ্যা, সাধন আসাম মুছলমান ছাত্ৰ সন্মিলনীৰ মুখপত্ৰ দ্ৰষ্টব্য)।

ইতিপূৰ্বে উল্লেখিত প্ৰৱন্ধবোৰৰ বাহিৰেও তেওঁৰ আন বহুতো প্ৰৱন্ধ প্ৰকাশ হৈছিল।

তেওঁৰ প্ৰৱন্ধাৱলী পঢ়ি এটা কথা বিনাদ্বিধাই ক'ব পাৰি যে গ্ৰন্থ অধ্যয়নৰ অভিজ্ঞতাতকৈ সমসাময়িক ঘটনা প্ৰবাহ আৰু পাৰিপাৰ্শ্বিক অৱস্থাই তেওঁক বাৰুকৈয়ে অভিজ্ঞতা দিছিল। এই ৰচনাৰাজিৰ মূল প্ৰতিপাদ্য বিষয় আছিল অসমীয়া ভাষা সাহিত্যৰ উন্নতি, অসমীয়া জাতিৰ উন্নতি, অসমীয়া ভাষা সাহিত্যৰ প্ৰতি মুছলমানৰ কৰ্তব্য আৰু দায়িত্ব আৰু মুছলমান সমাজৰ বিভিন্ন দিশত হোৱা প্ৰগতি আদি।

হাস্যৰ সংমিশ্ৰিত গল্পৰ বাহিৰেও তেওঁ চুটি গল্পও লিখিছিল। সেইবোৰ 'জয়ন্তী'ত প্ৰকাশ হৈছিল।

এগৰাকী সফল কবি ৰূপেও মোছলেহউদ্দিনৰ খ্যাতি বৈ বৈ গৈছিল। এতিয়ালৈকে তেওঁৰ কবিতা সংকলন প্ৰকাশিত হোৱা নাই। বিভিন্ন কাকতৰ বুকুত তেওঁৰ অনেক কবিতা সিঁচৰতি হৈ আছে। তেওঁৰ কিছু কবিতা সুৰ লগাইও গাব পাৰি। তেনেকুৱা এটি কবিতা হ'ল 'প্ৰাৰ্থনা'। এই কবিতাটিৰ লগতে 'সজাৰ পখিটি' কবিতাটিও পঞ্চম আৰু ষষ্ঠ শ্ৰেণীৰ পাঠ্যপুথিত অন্তৰ্ভূক্ত কৰা হৈছিল। মোছলেহউদ্দিনৰ কবিতা নিৰাভৰণ, অলংকাৰহীন, পোনপতীয়া প্ৰকাশ । ইয়াত কোনো ভিতৰুৱা অৰ্থ নাই। এটাই অৰ্থ। তদুপৰি তেওঁৰ কবিতাত আৰবী ফাৰ্চী শব্দৰ পয়োভৰ নাই। তেওঁৰ কবিতাবিলাকৰ ৰচনানীতিৰ ফালৰ পৰা ইংৰাজী দ্বিপদী কবিতা (Couplet বা Pindaric ode জাতীয় কবিতাৰ সমধৰ্মী বুলিব পাৰি। 'ওস্তাদী গান'ত প্ৰবল ব্যঙ্গ প্ৰকাশিত হৈছে। আনহাতে, কুলি, সখিৰ বিয়া,

আক্ষেপ, অপৰূপৰ ৰূপ আদি কবিতাত প্ৰকৃতি আৰু জীৱ জগতৰ বিভিন্ন ৰূপ প্ৰতিফলিত হৈছে। সেইদৰে, 'লুকালুকি, অমুল্যদান, সাধনা, মৰণ, উপহাৰ, প্ৰশ্ন' আদিত ভিন্নমুখী দাৰ্শনিকভাৱৰ সমন্বয় ঘটা বুলি কব পাৰি। দেখাত এই বিলাক ৰচনাৰীতিৰ ফালৰ পৰা স্বতঃসিদ্ধ Axiom যেন লাগে। কিন্তু সমসাময়িক ৰচনাৰ ফালৰ পৰা বিচাৰ কৰি চালে এইবোৰৰ সাহিত্যমূল্য কোনোপধ্যে অগ্ৰাহ্য কৰিব নোৱাৰি।

তেওঁৰ আন অপ্ৰকাশিত কিতাপ সমূহ হ'ল- 'ছোহৰাব ৰোস্তম' (নাটক) 'সৰাফুল' (গীতৰ সংকলন), 'মোৰ জীৱন-স্মৃতি' (আত্মজীৱনী)। কোনো বিদ্যায়তনিক শিক্ষা নোহোৱাকৈ অসমীয়া ভাষা সাহিত্যৰ প্ৰতি আগবঢ়োৱা এই অৱদানে মোছলেহউদ্দিন আহমদৰ সহজাত প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে।

১৯৬৫ চনৰ ১৪ ফেব্ৰুৱাৰীৰ দিনা ঘৈণীয়েক জেচমিনৰ মৃত্যু হয়। ইয়াৰ সাত বছৰমান পাছত ১৯৭২ চনৰ ২৬ মেৰ দিনা 'মছল'ৰো মৃত্যু হয়। ❖

---

(দ্বীনী - হিদায়তৰ ২০০৯ চনৰ এপ্ৰিল সংখ্যাত প্ৰকাশিত জীৱনীৰ সংক্ষিপ্ত সম্পাদিত ৰূপ)।

# চাইফুদ্দিন আহমদ

আব্দুল হক



এসময়ৰ ডিব্ৰুগড় চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ চাইফুদ্দিন আহমদ অসমৰ এগৰাকী প্ৰথিতযশা প্ৰধান শিক্ষক, অতি কৰ্ম্মদক্ষ, যোগ্য আৰু পটু শিক্ষক আছিল। তেখেতৰ উদ্‌গণিত ছাত্ৰসকল উদ্বোধিত হৈছিল। পিন্ধন-উৰণ, চৰিত্ৰ আৰু সুন্দৰ চেহেৰা পাতিৰে সকলোকে মোহিত কৰিছিল। ডিব্ৰুগড় নগৰৰ প্ৰথম অসমীয়া বাসিন্দা সকলৰ মাজৰে এগৰাকী হ'ল, গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ চাকৰি সক্ৰান্তত আহি নিগাজীকৈ বসবাস কৰা সম্ভ্ৰান্ত শিক্ষিত ব্যক্তি বচিৰুদ্দিন আহমদ চাহেব। তেওঁৰে সুযোগ্য সন্তান ডিব্ৰুগড়ৰ গৌৰৱ স্বৰূপ চাইফুদ্দিন আহমদ চাহেব। তেখেতৰ জন্ম হৈছিল ১৮৯৪ চনত গুৱাহাটী নগৰীত। আহমদ ডাঙৰীয়া ডিব্ৰুগড় চৰকাৰী স্কুলৰে ছাত্ৰ আৰু কটন কলেজৰ পৰা সুখ্যাতিৰে ডিচটিংচন সহ বি. এচ. চি. পৰীক্ষাত উত্তীৰ্ণ হয়। কৰ্মৰত দিনতে মহঃ তৈয়েবুল্লা চাহেব (শিৱসাগৰ) আৰু তেখেতে ঢাকা বিশ্ববিদ্যালয়ৰ পৰা একে সময়তে বি. টি. ডিগ্ৰী লাভ কৰে। তেখেত সকল তাৰ পৰা বি. টি. ডিগ্ৰী লাভ কৰা প্ৰথম অসমীয়া।

তেখেত হেড মাষ্টাৰ হোৱাৰ পূৰ্বে ডিব্ৰুগড় উচ্চ ইংৰাজী বিদ্যালয়ৰ অঙ্ক শিক্ষক ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৩৯ চনত তেখেত সেই স্কুলৰ প্ৰধান

শিক্ষক পদত নিযুক্তি লাভ কৰে। ডিব্ৰুগড়তে কিছুদিনৰ বাবে Deputy Inspector of Schools পদত কাম কৰিছিল। দ্বিতীয় মহাসমৰ (১৯৩৯-১৯৪৫ চন) চলি থকা কালত তেখেতক ভালেকেইটি চৰকাৰী দায়িত্ব দিয়াত বিদ্যালয়ৰ দায়িত্ব এৰি সেইবোৰ কামত ওতপ্ৰোত ভাৱে জড়িত হৈ পৰিছিল। তাৰে ভিতৰত চৰকাৰী বাতৰি কাকত 'ৰণৰ বাতৰি' যোগ্যতাৰে সম্পাদনা কৰে। ইয়াৰ বাবে তেখেতক ১৯৪৪ চনত চৰকাৰে "খানচাহেব" উপাধি প্ৰদান কৰে। যুদ্ধ চলি থকা কালছোৱাত ১৯৪৩ চনত এ. আৰ. পি. (Air Raid precaution) অফিচাৰৰ দায়িত্বত থাকে লগতে জনসংযোগ বিষয়া, বেসামৰিক যোগান বিভাগৰ সহকাৰী সঞ্চালকৰ দায়িত্ব বহন কৰে। ১৯১৮ চনতেই তেখেতে অসমত বয়জ স্কাউট আন্দোলন গঢ়ি তোলে। এইখিনিতে উল্লেখ কৰিব পাৰি যে মই শদিয়া হাইস্কুলত কাম কৰি থকা দিনতে লিডুত তেখেতৰ দ্বাৰা পৰিচালিত স্কাউট প্ৰশিক্ষণ শিবিৰত মই স্কাউট মাষ্টাৰৰ শিক্ষা ল'বলৈ সুযোগ পাইছিলো। ১৯৩০ চনৰ পৰাই তেখেত ভাৰতীয় ৰেডক্ৰচ আন্দোলনৰ লগত জড়িত থাকে। দ্বিতীয় মহাসমৰৰ অন্তত তেখেত পুনৰ হাইস্কুলৰ প্ৰধান শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰে। অসম চৰকাৰৰ ৰাজ্যিক প্ৰাথমিক শিক্ষাবৰ্ড, স্কুল পাঠ্যক্ৰম প্ৰস্তুতি সমিতি, পাঠ্য পুথি নিৰ্দ্ধাৰণ সমিতি আদিত জড়িত থাকি সক্ৰিয় ভূমিকা পালন কৰিছিল। তেখেত আছিল এজন সুদক্ষ অভিনেতা, সুদক্ষ্য খেলুৱৈ আৰু সুদক্ষ ক্ৰীড়া সংগঠক।

(এইখিনিতে আমি অধ্যাপক অতুল চন্দ্ৰ হাজৰিকা ডাঙৰীয়াৰ 'মঞ্চলেখা' (১৯৬৭) গ্ৰন্থৰ পৰা এটি উদ্বৃতি তুলি দিছো। "ডিব্ৰুগড়ৰ মঞ্চৰ এসময়ৰ সৰবৰহী অভিনেতা সকলৰ ভিতৰত কৃতি শিক্ষাবিদ চাঁইফুদ্দিন আহমদৰ নামো বিশেষভাৱে উল্লেখযোগ্য। তেখেতেশিক্ষকতা, খেল-ধেমালি আৰু অভিনয়ত সমানে কৃতিত্ব প্ৰৰ্দশন কৰিছিল। ডিবুৰুৰ নাটশালাত সেই সময়ত দৰ্শক সকলে তেওঁৰ অভিনয় দেখি মুগ্ধ হৈছিল। কোনো কোনো সময়ত বঙলা নাটকৰ অভিনয়তো সুখ্যাতিৰে তেখেতে ডাঙৰ ভাও ৰূপায়িত কৰা কথা ডিব্ৰুগড়বাসী বহুতেই জানে। এওঁ এসময়ত 'মিছৰকুমাৰী' অভিনয়ত সামন্দেশ্বৰৰ ভাও লৈ

আৰু ‘সংসাৰ চিত্ৰ’ অভিনয়ত উগ্ৰসেনৰ ভাৱত বৰ নাম কৰিছিল। তদুপৰি চিকন্দৰ ছাহ, দেৱলাদেৱী আদিৰ অভিনয়তো নায়কৰ ভাও লৈ যশস্যা আৰ্জ্জিছিল।” - সংযোজন ঃ দেবিৰা চুলতানা আহমদ) ।

তেখেতে ৰচনা কৰা সহজ পাটী গণিত, সহজ ব্যৱহাৰিক জ্যামিতি, প্ৰৱেশিকা বিজ্ঞান, জ্যামিতি প্ৰৱেশ, প্ৰৱেশিকা পাটীগণিত, শিশু গণিত আৰু মুক্তালাল কাথ বৰুৱাৰে যুটীয়া ভাৱে প্ৰণয়ণ কৰা ভাৰত বুৰঞ্জী আদিৰ দৰে কিতাপ সমূহ সৌ- সিদিনালৈকে সমগ্ৰ অসমৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অপৰিহাৰ্য্য স্কুলীয়া কিতাপ ৰূপে স্বীকৃতি লাভ কৰিছিল। তেখেতৰ ‘জানানে?’ নামৰ সাধাৰণ জ্ঞানৰ কিতাপখনে কোমল মনৰ ল’ৰা ছোৱালীক বিভিন্ন বিষয়ৰ আভাষ দিব পাৰিছিল।এসময়ৰ মহকুমা অধিপতি যোৰহাটৰ ফাইজুদ্দিন আহমদৰ দ্বিতীয়া কন্যা হাচিনা খাতুনৰ লগত তেখেত বিবাহ পাশত আৱদ্ধ হৈছিল । তেখেতসকলৰ ৪ জন ল’ৰা আৰু ৫ জনী ছোৱালী আছিল। ১৯৪৯ চনত অৱসৰ গ্ৰহণৰ পাছত তেখেতে ডিব্ৰুগড় হিন্দী হাইস্কুলত প্ৰধান শিক্ষক ৰূপে কাম কৰে। এনে এগৰাকী বহুমুখী প্ৰতিভা সম্পন্ন কীৰ্তি শিক্ষকে ১৯৫৭ চনৰ ৮ নবেম্বৰত ইহ লীলা সম্বৰণ কৰে।❖

# তাহেৰুদ্দিন আহমেদ

মুহাম্মদ নুৰুল হক

বৃটিছ চৰকাৰৰ বিৰুদ্ধে মাতৃভূমিৰ স্বাধীনতা বিচাৰি সংগ্ৰাম কৰা ব্যক্তিসকলৰ ভিতৰত তাহেৰুদ্দিন আহমেদো এজন । বৃহতৰ মান্দাকাটা অঞ্চলত তেখেত তাহাৰ পণ্ডিত নামে খ্যাত আছিল তেখেতৰ জন্ম হৈছিল ১৮৯৪ চনত, ইতিহাসে গৰকা বৰনদীৰ বুকুতে লাগি থকা, মনোমোহা প্ৰাকৃতিক দৃশ্যৰে সুশোভিত, অসংখ্য পাহাৰ-পৰ্বতে আৱৰি থকা, গুৱাহাটী মহানগৰীৰ পৰা প্ৰায় পোন্ধৰ কিলোমিটাৰ দূৰত্বত অৱস্থিত এখনি কৃষিপ্ৰধান গাঁও, মান্দাকাটাত।

এসময়ত মান দেশৰ পৰা অহা সেনা বিলাকৰ এজনক সুবিধা বুজি মন্টা নামৰ বুঢ়া এজনে দাৰে কাটি দুছেও কৰাৰ কাৰণে এই গাৱঁৰ নাম মন্টাকাটা, মান্টাকাটা আৰু পিছলৈ মান্দাকাটা হয় বুলি এক লোকপ্ৰৱাদ প্ৰচলিত আছে ।

পণ্ডিত তাহেৰদ্দিন আহমেদৰ জন্ম হৈছিল এটি মধ্যবিও, ঐতিহ্যমণ্ডিত পৰিয়ালত। তেখেতৰ বাপেকৰ নাম আছিল তম্ভু ঠিকাদাৰ । বিভিন্ন ঠাইত ঠিকা কাম কৰাৰ কাৰণে তেখেত ঠিকাদাৰ নামেই জনাজাত আছিল । তেখেত ১২৫ বছৰকাল জীয়াই আছিল । তেখেতে ব্যৱহাৰ কৰা তাহানিৰ কেইপদমান সামগ্ৰী এতিয়াও ব্যৱহৃত তথা মজুত আছে।

তাহেৰুদ্দিন আহমেদ ১৮৮৫ চনত স্থাপিত হোৱা ৫৭ নং মান্দাকাটা প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা আহৰণ কৰে । তেতিয়াৰ দিনত কৰৱা এম ই স্কুল আছিল সকলোৰে জনাজাত এখনি স্কুল । তাত তেখেতে বৃত্তি পৰীক্ষা

দি ক্লাচ থ্ৰিত তাতেই পঢ়িবলৈ লয় । তাৰ পাছত তেখেতে উত্তৰ গুৱাহাটীত কিছুদিন পঢ়ি গুৱাহাটীৰ সোণাৰাম হাইস্কুলত নৱম শ্ৰেণীলৈকে পঢ়ে। ইতিমধ্যে ভাৰতৰ সকলো ঠাইতে স্বাধীনতা আন্দোলনৰ বতাহ লগাত আৰু  আন বিভিন্ন কাৰণত তেখেতে শিক্ষা জীৱনৰ সিমানতে ইতি পেলায়। অৱশ্যে তেতিয়াৰ দিনত সেইখিনিলৈকে পঢ়িব পৰা কৃতিত্বৰ কথা আছিল । ১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত পৰিচালিত অসহযোগ আন্দোলনত তাহেৰুদ্দিন আহমেদে যোগদান কৰিছিল । তেতিয়া ইংৰাজ চৰকাৰে তেখেতক জেলত দিয়ে । দেশভক্ত তৰুণৰাম ফুকন, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, বিষ্ণুৰাম মেধিৰ লগত একেলগে তেখেতেও গুৱাহাটী জিলা কাৰাগাৰত ছমাহ কাৰাবাস খাটে । জেলৰ পৰা মুক্ত হৈ কংগ্ৰেছৰ স্বেচচ্ছাসেৱক হৈ থাকোঁতেই তেখেতে মান্দাকাটা চাহ বাগিছাত কৰ্মচাৰী হিচাপে কিছু বছৰ কাম কৰিছিল । ১৯২৬ চনত গুৱাহাটীৰ পাণ্ডুত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশনত তেখেতে অংশ গ্ৰহন কৰিছিল । ১৯২৬ চনত তেখেতে এসময়ত নিজেই অধ্যয়ন কৰা মান্দাকাটা প্ৰাথমিক বিদ্যালয়ত শিক্ষক জীৱনৰ পাতনি মেলে । একে চনতে গুৱাহাটীৰ আজ্ঞাঠুৰীৰ বুজান আলী পণ্ডিতে অৱসৰ গ্ৰহণ কৰাত তাহেৰুদ্দিন আহমেদ সেই স্কুলৰ হেড পণ্ডিত হয় । প্ৰধান শিক্ষক হিচাপে তেখেতৰ দৰমহা আছিল মাহে ছয়/ সাত টকা । ১৯৩০ চনত স্কুলীয়া প্ৰশিক্ষণ ল'বলৈ বুলি তেখেতে যোৰহাট ট্ৰে ইনিং স্কুললৈ যায় । তাৰ পৰা বেচিক ট্ৰেইনিং লৈ আহি ১৯৫৯ চনলৈকে সুদীৰ্ঘ ৩৩ বছৰকাল মান্দাকাটা প্ৰাথমিক বিদ্যালয়তে কাৰ্যনিৰ্বাহ কৰিছিল। স্কুল কৰ্তৃপক্ষই তেখেতৰ অৱসৰৰ মিয়াদ পাঁচ বছৰলৈ বৃদ্ধি কৰাত ১৯৬৪ চনৰ ৩১ মাৰ্চতহে তেখেতে প্ৰকৃত অৱসৰ গ্ৰহণ কৰে। আন পাচ বছৰলৈ তেখেতৰ কাৰ্যকাল বঢ়াই দিব বিচৰাত তেখেত মান্তি নহ''ল । উল্লেখ্য যে তেখেতে মাত্ৰ এটা দিনৰ বাবে পেঞ্চন লাভৰ পৰা বঞ্চিত হ'ব লগীয়া হৈছিল । কিয়নো, তেখেতে অৱসৰ গ্ৰহণ কৰাৰ পাছদিনাখনৰ পৰাহে পেঞ্চনবিধি কাৰ্যকৰী হৈছিল । অৱশ্যে অৱসৰৰ পাছত তেখেত মুক্তিযোদ্ধা পেঞ্চন  লাভ কৰিছিল । মান্দাকাটা প্ৰাথমিক বিদ্যালয়ৰ উপৰিও বিভিন্ন প্ৰাথমিক বিদ্যালয়ত তেখেতে সফলতাৰে পাঠদান কৰিছিল ।

তেখেতে নিয়মিতভাৱে খদ্দৰৰ কাপোৰ পৰিধান কৰিছিল, যঁতৰত সূতা কাটিছিল।

তাহেৰুদ্দিন আহমেদ সমাজৰ বিভিন্ন উন্নয়ণমুলক কামত জড়িত আছিল। মান্দাকাটা হাইস্কুল, বেজেৰা উচ্চ মাধ্যমিক বিদ্যালয় (এতিয়া উচ্চতৰ) প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেখেতে সহায় - সহযোগিতা কৰিছিল । তদুপৰি মান্দাকাটা প্ৰাথমিক বিদ্যালয়খন আগৰ ঠাইৰ পৰা উঠাই আনি তেখেতে নিজে দান কৰা এবিঘা মাটিত পুনৰ স্থাপন কৰা হৈছিল ; যি এতিয়াও তাতেই আছে। মানৱদৰদী গুণৰ বাবে তেখেতক মানুহে খুব শ্ৰদ্ধা কৰিছিল । এতিয়াও বহু দূৰ - দূৰনিৰ লেকে তেখেতক স্মৰন কৰে । ৰাজহুৱা সভা-সমিতি, মেল -মিটিঙত তেখেত সদায় আগৰণুৱা আছিল । খোজকাঢ়ি বিশ-ত্ৰিশ কিলোমিটাৰ বাট পৰ্যন্ত গৈ মেল-মিটিঙত ভাগ লোৱাটো আছিল তেখেতৰ কাৰণে স্বাভাৱিক ঘটনা । মেল কৰি পলম হ লে কেতিয়াবা কাৰোবাৰ ঘৰতে থাকি গৈছিল । তেখেতৰ কথাক মানুহে বৰকৈ মান্যতা প্ৰদান কৰিছিল ।

তেখেতে জীৱনত দুবাৰ বিবাহ কৰাইছিল । দ্বিতীয় পত্নীৰ নাম নাচিবা বিবি - যি এতিয়াও জীৱিত, বয়স - ৯৩ বছৰ । বৰ্তমান তেখেতে মুক্তিযোদ্ধাৰ সহধৰ্মিনীয়ে পোৱা মাহিলি পেঞ্চন ছহেজাৰ টকাকৈ পাই আছে ।

মুক্তি যুঁজাক তাহেৰুদ্দিন আহমেদৰ ইন্তেকাল হয় ১৯৮০চনৰ ৫জুন তাৰিখে । তেখেতে বহু মাটি-সম্পত্তিৰ মালিক আছিল । তদুপৰি তেখেত বৰ ধাৰ্মিক আৰু দানবীৰ আছিল। গৰীৱক তেখেতে মাটি পৰ্যন্ত দান কৰিছিল। জীৱনৰ অন্তিম মুহূৰ্ত্তলৈকে তেখেতে নিয়মিত ভাৱে নামাজ আদায় কৰিছিল।❖

---

(জ্ঞান সম্ভাৰ, আগষ্ট ২০০৪ সংখ্যাত প্ৰকাশিত)

# মৌলানা মহম্মদ তৈয়বুল্লা

আতিফা আমিন



গুৱাহাটী চহৰৰ মাজ মজিয়াত অৱস্থিত সকলোৰে পৰিচিত সুবিখ্যাত দীঘলী পুখুৰীৰ পশ্চিম পাৰে অৱস্থিত বৰ্তমানৰ নবীন চন্দ্ৰ বৰদলৈ হ'ল (তাহানিৰ কাৰ্জন হ'ল)ৰ ভেটিটোতেই মহম্মদ তৈয়বুল্লা চাহেবৰ এটি সম্ভ্ৰান্ত পৰিয়ালত ১৮৯৪ চনত জন্ম হয় । দেউতাক মচিয়ত উল্লা চাহাব বৃটিছৰ দিনৰ Senior E.A.C. (বৰ হাকিম)। মাক অতিশয় ধৰ্ম্ম পৰায়ণা আছিল। তেখেতৰ পূৰ্ব পুৰুষ দেউতাকৰ সূত্ৰে দিল্লীৰ শেষ মোগল দৰবাৰৰ এজন বিদ্বান লোক আছিল আৰু মাক পশ্চিম বঙ্গৰ মুৰ্শিদাবাদ জিলাৰ এক সম্ভ্ৰান্ত ঘৰৰ জীয়ৰী আছিল। পাছত তেখেতৰ পূৰ্ব পুৰুষ, গোৱালপাৰা জিলাৰ নয়াপাৰাত বসতি কৰিবলৈ লয় আৰু তাৰ পৰাই গুৱাহাটীলৈ উঠি আহে। বৰ্তমানৰ কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈ হল, সন্দিকৈ ছোৱালী কলেজ, কটন কলেজৰ প্ৰাণী বিজ্ঞান আৰু উদ্ভিদ বিজ্ঞানৰ গোটেই চৌহদটো দেউতাক মচিয়ত উল্লা চাহেবৰ আছিল। মচিয়ত উল্লা চাহেবৰ মাটিখিনি সেইসময়ৰ বৃটিছ চৰকাৰে অধিগ্ৰহণ কৰাত ১৮৯৫ চনতে বৰ্তমানৰ দীঘলীপুখুৰীৰ পূব পাৰত থকা ঠাইলৈ উঠি আহে। বৰ্তমান ইয়াতেই তেখেতসকলৰ বাসভৱন। দীঘলী পুখুৰীৰ পূব পাৰে থকা ৰাস্তাটো বৰ্তমানে মৌলানা মহম্মদ তৈয়বুল্লা ৰোড নামেই পৰিচিত। ইয়াতেই তেখেতৰ এগৰাকী ককায়েক হেৰাছতউল্লা চাহেবৰো

বাসভৱন। এখেতে ওকালতি কৰিছিল আৰু অসম জাতীয় মহাসভাৰ সভাপতি আছিল।

মৌলানা মহম্মদ তৈয়বুল্লা চাহেবৰ জীৱনী বিশেষকৈ ভাৰত মাতৃৰ মুক্তি যুঁজৰ আন্দোলনত তেখেতৰ যি অৰিহণা, নিঃস্বাৰ্থ ত্যাগ, সেই বিষয়ে লিখিবলৈ গ'লে বহু দীঘলীয়াই হ'ব। সমাজ-প্ৰেমী, দেশ প্ৰেমী এই গৰাকী মহান লোকৰ কথা মই তেখেতে লিখি থৈ যোৱা 'কাৰাগাৰৰ চিঠি' আৰু ১৯৯৪ চনত অনুষ্ঠিত তেখেতৰ জন্ম শতবাৰ্ষিকী উপলক্ষে মুক্তি যুঁজাৰু সন্থাৰ পৰা যিখন স্মৃতি গ্ৰন্থ উলিয়াইছিল তাৰে পৰাই যুগুতাই ঠোৰতে লিখিবলৈ প্ৰয়াস কৰিলো। এইখিনিতে- সম্বন্ধত, তেখেত মোৰ মৰমৰ 'নানা'। মনত পৰে, তেখেত বৰ নূৰানী চেহেৰাৰ আছিল।

তৈয়বুল্লা চাহাবৰ পিতৃ মচিয়তউল্লা চাহাব হাকিম হিচাপে উজনিৰ বহু ঠাইলৈ চাকৰিৰ খাতিৰত ঘূৰি ফুৰিবলগীয়া হোৱা হেতুকে তৈয়বুল্লা চাহেবৰ স্কুলীয়া শিক্ষা প্ৰথমতে গোলাঘাটৰ বেজবৰুৱা হাইস্কুলত আৰু তাৰ পাছত শিৱসাগৰত আৰম্ভ হয়। পিতৃৰ অকাল বিয়োগত পৰিয়ালটি গুৱাহাটীলৈ নিগাজীকৈ উঠি আহে। এখেতে গুৱাহাটীৰ বিখ্যাত কটন কলেজিয়েট স্কুলৰ পৰাই সেইসময়ৰ এন্ট্ৰেন্স পৰীক্ষা সুখ্যাতিৰে পাছ কৰে আৰু বিখ্যাত কটন কলেজৰ পৰা  বিজ্ঞান শাখাৰ পদাৰ্থ বিজ্ঞানত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। তাৰ পাছ্ত কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ পৰা M.Sc.তো প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পাই কেইবাটাও স্বৰ্ণ পদক পায়। সেইসময়তে তেখেতে B.L (ওকালতি) সুখ্যাতিৰে পাছ কৰে।

ছাত্ৰ জীৱনৰ অন্তত তেখেতে তৎকালীন  আলিগড়ৰ জামিয়া মিলিয়া ইছালামীয়া ইউনিভাৰ্চিটীত Physicsৰ  প্ৰবক্তা হিচাপে সোমায় আৰু এবছৰ চাকৰিও কৰে। তেতিয়া ১৯২০ চন। সেই সময়তে তেখেতৰ বিবাহ হয় - মোৰ নানী; শিৱসাগৰৰ খান বাহাদুৰ খিজনুৰ আলী চাহাবৰ জীয়ৰী মজিদা বেগমৰ লগত। এখেতো এগৰাকী সমাজ সেৱিকা আৰু অতি গুণী মহিলা আছিল। তেখেতো সেইসময়ৰ অসম প্ৰাদেশিক মহিলা সমিতিৰ সহকাৰী সম্পাদিকা আছিল।

সেইখিনি সময়তে ১৯২১ চনত জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত বৃটিছ শাসনৰ বিৰুদ্ধে দেশজোৰা যি অসহযোগ আন্দোলন হৈছিল, সেই আন্দোলনত তেখেতো জপিয়াই পৰিল। চাকৰি তেখেতে বাদ দিলে, দুবছৰ গুৱাহাটীত ওকালতি কৰিছিল যদিও সঘনে হোৱা কাৰাবাসৰ কাৰণে ওকালতিও বাদ দিছিল আৰু তেখেতে সক্ৰিয়ভাবে এই আন্দোলনত কাম কৰিবলৈ ধৰে। দেশৰ বাবে, নিজ স্বাৰ্থ ত্যাগ কৰি ঘৰ-দুৱাৰ, ল'ৰা-ছোৱালী পেলাই থৈ অসমৰ ইমুৰৰ পৰা সিমূৰলৈ সত্যাগ্ৰহ আন্দোলনৰ বাবে ঘূৰি ফুৰে আৰু কেতিয়াবা একেৰাহে দুবছৰ পৰ্য্যন্তও কাৰাবাস খাটিবলগীয়া হয়। সেইখিনি সময়তে তেখেতৰ পত্নী বিয়োগ ঘটে। ঘৰখন চলাবলৈ সৰু সৰু ল'ৰা-ছোৱালী চম্ভালিবলৈ পুনৰ বিবাহ কৰে পুৰণি গুদামৰ সম্ভ্ৰান্ত ঘৰৰ আদু বেগমক। এইগৰাকী পত্নীৰো অশেষ আৰ্থিক অভাৱ অনাটনৰ সন্মুখীন হৈ অকালতে বিয়োগ ঘটে। তেতিয়া সংসাৰখন চলাবলৈ শিৱসাগৰৰ সম্ভ্ৰান্ত ঘৰৰ এগৰাকী বিধবাক বিয়া কৰায়। তেখেতৰ দহোটি সন্তান, যেন এগৰাকী মাতৃৰ গৰ্ভতে জন্ম লোৱা। ঘৰখনৰ ইমান আলৈ-আহুকালৰ মাজতো তেখেতে দেশৰ কাম নিঃস্বাৰ্থভাৱে অকপটে কৰি গৈ থাকে। সকলো সময়তে তেখেতৰ অসীম মনোবল। দেশ-মুক্তি তেখেতৰ কাম্য, ভোগ-বিলাস, ঘৰ-সংসাৰ বাদ দি সেয়েহে তেখেতে দেশ মাতৃৰ মুক্তিৰ কাৰণে লাগি তাকে। তৈয়বুল্লা চাহেবে ১৯২১ চন, ১৯৩০ চন, ১৯৪১ চন আৰু ১৯৪২ চনত মুঠতে ৮ বছৰ কাল কাৰাবাস বৰণ কৰে। সেইখিনি সময়ত পৰিয়ালটিৰ কি হাহাকাৰ অৱস্থা সি বৰ্ণনাতীত।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত নিখিল ভাৰত জাতীয় কংগ্ৰেছৰ অসম শাখাৰ, অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ তেখেত ১৯২৬ চনৰ পৰা ১৯৩০ চনলৈকে সাধাৰণ সম্পাদক আছিল (সংকলকৰ সংযোজন ঃ ১৯৩০ চনত যেতিয়া আসামৰ ৰথী মহাৰথী আটাইয়ে দেশ মুক্তি আন্দোলনৰ নিৰ্দেশিত কৰ্মসূচীত যোগ দি আন্দোলন চলাই নিবলৈ আগবাঢ়ি অহা নাছিল আৰু ফলত যেতিয়া কংগ্ৰেছ সংগঠনেই থৰকবৰক হৈ পৰিছিল তেতিয়া আন্দোলন পূৰ্ণোদ্যমে আগবঢ়াই নিয়াৰ সংকল্প লৈ আগবাঢ়ি

আহিছিল আজীৱন গান্ধীৰ আদৰ্শত অবিচল আসামৰ দুগৰাকী তৰুণ নেতা- তেওঁলোক আছিল বিষ্ণুৰাম মেধি আৰু মৌলানা তৈবুল্লা। - লুইত বৰাক আৰু ইছলাম) । ১৯৪০ চনৰ পৰা ১৯৪৮ চনলৈকে স্বাধীনতা আন্দোলনৰ এটা চূড়ান্ত সময়ত তেখেত প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি স্বৰূপে স্বাধীনতাৰ বাঘজৰী টানিছিল।

মৌলানা তৈয়বুল্লা চাহাব আছিল এজন নৈষ্ঠিক মুছলমান আৰু নিয়মিতভাৱে তেখেতে ধৰ্ম্মৰ নীতি - নিয়ম পালন কৰিছিল। কিন্তু ধৰ্ম্ম আৰু ৰাজনীতিক পৃথক কৰি ৰাখিছিল। অসমত যেতিয়া মুছলিম লীগৰ কৰ্মকৰ্তাসকলে, অসমক পাকিস্তানত অন্তৰ্ভূক্ত কৰিবলৈ উঠি পৰি লাগিছিল, তেতিয়া তাৰ বিৰুদ্ধে তৈয়বুল্লা চাহেবে থিয় দিছিল আৰু বৃটিছ চৰকাৰৰ গ্ৰুপিং প্ৰস্তাৱৰ দুৰ্ঘোৰ বিৰোধিতা কৰিছিল। সেই সময়ত তেখেতে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি আছিল আৰু গ্ৰুপিং প্ৰস্তাৱ ৰদ কৰিবলৈ গান্ধীজী আৰু আন কেন্দ্ৰীয় নেতৃবৃন্দৰ ওচৰত তেখেতে অসমৰ সাম্প্ৰতিক  দলৰ নেতৃত্ব দিছিল। তেখেতৰ জাতীয়তাবাদ আৰু দেশপ্ৰেমৰ কাৰণে অসমক ভাৰতৰ অবিচ্ছেদ্য অংশ হিচাপে ৰক্ষা কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল আৰু অৱশেষত সফলো হ'ল। এইখিনিতে অসমৰ ভূতপূৰ্ব প্ৰধানমন্ত্ৰী (স্বাধীনতাৰ আগৰ) চাৰ মহম্মদ চৈয়দ ছাদুল্লা চাহাবে, তৈয়বুল্লা চাহাবৰ বিষয়ে এষাৰ কথা কৈছিল - “তৈয়বুল্লাৰ সৈতে মোৰ ৰাজনীতিৰ অভিমত সম্পূৰ্ণ বিৰোধী; কেন্তু তেখেতৰ দৰে এগৰাকী স্পষ্টবাদী, নিৰ্ভীক, সৎ, উদাৰ আৰু বহু অনাটনৰ সন্মুখীন হৈও ৰাজনীতিৰ মতত হিমালয়ৰ দৰে  অচল অটল হৈ থকা ব্যক্তিৰ ব্যক্তিত্বক মই শ্ৰদ্ধাৰে সন্মান কৰো।”

দেশ মাতৃৰ সেৱাৰ ক্ষেত্ৰত তেখেতে সমূহীয়া স্বাৰ্থক সদায় ব্যক্তিগত স্বাৰ্থতকৈ ওপৰত ঠাই দিছিল। ১৯২৬ চনৰ কথা। তেখেত তেতিয়া গুৱাহাটীৰ পাণ্ডুত অনুষ্ঠিত হোৱা নিখিল ভাৰত কংগ্ৰেছ অধিবেশনৰ আদৰণি সভাৰ সম্পাদক কংগ্ৰেছৰ বাবে সভা মণ্ডপ সজাই পৰাই তোলাৰ পাছত হঠাৎ শিল- বৰষুণ, বতাহ-ধুমুহাত সভা মণ্ডপ ভাঙি ছিগি পৰে। পুনৰ সভা মণ্ডপ গঢ়ি তুলিবলৈ কংগ্ৰেছৰ  পুঁজিত টকাৰ নাটনি। মৌলানা আবুল কালাম আজাদ আৰু

পণ্ডিত জৱাহৰলাল নেহৰুৱে কিছু সহায় কৰিলে।শ্ৰদ্ধেয় গোপীনাথ বৰদলৈ, তৰুণাম ফুকন আৰু সিদ্ধিনাথ শৰ্ম্মাদেৱে বহুত কষ্টেৰে অলপ টকা যোগাৰ কৰে। তৈয়বুল্লা চাহাবে টকা যোগাৰ কৰিব নোৱাৰি নিজৰ পৈতৃক মাটি কিছু বেচিবলগীয়া হয়। এটুকুৰা মাটি স্বৰ্গীয় জগদীশ চন্দ্ৰ মেধি ডাঙৰীয়াই আৰু এটুকুৰা এগৰাকী বঙালী ভদ্ৰ লোকে লয়। পিছত বঙালী ভদ্ৰলোক গৰাকীৰ মাটিখিনি চৰকাৰে অধিগ্ৰহণ কৰে। বৰ্ত্তমান সেই মাটিখিনিতেই কটন কলেজৰ অধ্যাপক সকলৰ নিবাস স্থান। মাটিখিনি খুব কম মূল্যতে বেচিবলগীয়া হৈছিল।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাত নিখিল ভাৰত জাতীয় কংগ্ৰেছৰ অসম শাখাৰ সভাপতি হিচাপে ১৯৪৭ চনৰ ১৫ আগষ্টত গুৱাহাটীৰ জজ্ খেল পথাৰত স্বাধীন ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি দিয়া বক্তৃতাত তেখেতে কৈছিল - "ভাৰত মাতৃৰ মুক্তি যুঁজৰ আন্দোলনত যিসকল বীৰ বীৰাঙ্গণাই প্ৰাণ আহুতি দিলে তেখেতসকলৰ ত্যাগৰ তুলনাত আমাৰ বাবে স্বাৰ্থ ত্যাগ বা জেল যোৱাটো অতি নগণ্য।"

১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ছাৰ আকবৰ হাইদৰী চাহাবে অসমৰ ৰাজ্যপালৰ আসন অলংকৃত কৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱক মুখ্যমন্ত্ৰীৰ শপত গ্ৰহণ কৰালে। তেতিয়া অসমৰ ৰাজধানী শ্বিলঙত। ৰাজ্যপালৰ ১৪ আগষ্টৰ 'অসম ৰাজপত্ৰ'ৰ ঘোষণা অনুসৰি দৰং সমষ্টিৰ পৰা বিনা প্ৰতিদন্দিতাই তৈয়বুল্লা চাহাবে অসম বিধান সভাৰ সদস্য নিৰ্ব্বাচিত হয়। ১৯৪৮ চনত মন্ত্ৰীত্বৰ শপত গ্ৰহণ কৰি আৱকাৰী, প্ৰচাৰ আৰু জেল বিভাগৰ দায়িত্ব গ্ৰহণ কৰিলে। এই বিভাগত থাকোতে তেখেতে মদ নিবাৰণী, কানি নিবাৰণী আৰু জেল সমূহৰ উন্নতিৰ কাৰণে বহু সংস্কাৰ সাধন কৰিছিল। ১৯৫০ চনৰ ২০ জানুৱাৰীত তেখেতে মন্ত্ৰীপদ ইস্তফা দি অসম প্ৰাদেশিক কংগ্ৰেছৰ ধন-ভৰালী হয়। তাৰ পাছত ১৯৫২ আৰু ১৯৫৭ চনত একেৰাহে দুবাৰ ৰাজ্যসভাৰ সদস্য মনোনীত হৈ নিঃস্বাৰ্থভাৱে অসমৰ স্বাৰ্থৰ হকে কাম কৰি থৈ যায়।

১৯৯৪ চনৰ ২০ মাৰ্চ্চত মৌলানা মহম্মদ তৈয়বুল্লা জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতিৰ ফালৰ পৰা তেখেতৰ স্মৃতি ৰক্ষাৰ্থে যিখন স্মৃতিগ্ৰন্থ প্ৰকাশ

কৰিছিল তাত মৌলানা তৈয়বুল্লা চাহাবক 'সমন্বয়ৰ প্ৰতীক' বুলি অভিহিত কৰা হৈছে। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মাননীয় হিতেশ্বৰ শইকীয়াদেৱৰ সৌজন্যত স্মৃতিগ্ৰন্থখনৰ সম্পাদনাত আছিল বৰ্তমান মুক্তি যুঁজাৰু সন্থাৰ সভাপতি শ্ৰীযুত নৱদ্বীপ ৰঞ্জন পাটগিৰি ডাঙৰীয়া। সেইখিনি সময়ত সন্থাৰ সভাপতি আছিল ৰবীন কাকতি । তেখেতে লিখা 'মৌলানা তৈয়বুল্লা চাহেব' শীৰ্ষক প্ৰৱন্ধটিত লিখিছিল "তৈয়বুল্লা চাহাব বৰ গহীন-গম্ভীৰ আছিল। তেখেতে জেলত থাকোতেও নিয়মিতভাবে নামাজ পঢ়িছিল আৰু লিখা -পঢ়াত ব্যস্ত আছিল। অইন ৰাজনৈতিক বন্দীয়ে যেনেকৈ ডবা খেল, তাচ খেল, ইত্যাদি খেলিছিল, এই বিলাকত তেখেতৰ ৰাপ নাছিল । সন্ধ্যাৰ পাছতে কেতিয়াবা ওলাই আহে জেলৰ ভিতৰতে পাক দি দুই চাৰিজনৰ লগত কথা পাতে। তেখেতে ৰাতিপুৱাৰ আহাৰ পৰিপাটিকৈ সজাই মেলি আৰামকৈ খায। তেখেতৰ কাপোৰ-কানি বেচি নাছিল। দুটা ডাঙৰ খদ্দৰৰ বগা পায়জামা, দুটা পাঞ্জাবী। এইদৰে তেখেতে জেল জীৱন যাপন কৰিছিল। অইন বিলাকৰ খোৱাত মাজে মাজে আপত্তি হৈছিল; কিন্তু তেখেতে যি দিয়ে, তাকে পৰিপাটিকৈ খাইছিল। এনেকৈ জেলে জেলে ফুৰিবলগীয়া হোৱাত তেখেতৰ ঘৰৰ আৰ্থিক অৱস্থা অতি শোচনীয় হৈছিল। তথাপিও তেখেত লক্ষ্যত অচল অটল।"

১৯৬৬ চনৰ ৩০ অক্টোবৰ তাৰিখে গুৱাহাটীৰ দীঘলী পুখুৰীৰ পাৰত থকা নিজ বাসভৱনতে তেখেতৰ বিয়োগ ঘটে। তেখেতে ল'ৰা-ছোৱালীসকলক কিছু উপদেশ দি থৈ যায়। তেখেতৰ বৰ জীয়ৰী নীৰৱ সমাজ-সেৱিকা বেগম জাহানাৰা হুচেইন (আৰা) চাহেবাৰ পৰা লোৱা সাৰুৱা কথাখিনি তলত উল্লেখ কৰা হ'ল-

(১) আল্লাৰ প্ৰতি কৃতজ্ঞ হ'বা।

(২) সত্যৰ সদায় জয়।

(৩) ত্যাগ আৰু কৰ্ম্মই প্ৰকৃত ধৰ্ম্ম।

(৪) সময়ৰ আৰু কোনো বস্তুৰ অপ-ব্যৱহাৰ নকৰিবা।

(৫) অলপতে সন্তুষ্ট হ'বা।

(৬) নিয়মীয়াকৈ চলি সাধাৰণ ভাৱে থাকিবা।

(৭) ঘৰলৈ আলহী আহিলে সৎ-ব্যৱহাৰ আৰু আল-পৈচান ধৰিবা।

(৮) মানুহক টান কথা কৈ মনত দুখ নিদিবা।

(৯) পৰৰ দোষ আনৰ আগত প্ৰকাশ কৰি মানুহক লাজ নিদিবা।

(১০)আনে কৰা বিলাসীতালৈ মন নিদিবা।

(১১) পৰৰ বেয়া চৰ্চা নকৰিবা।

(১২) পৰৰ দুখত দুখী আৰু পৰৰ সুখত সুখী হ'বলৈ চেষ্টা কৰিবা।

(১৩) ডাঙৰক সন্মান, সৰুক আৰু দুখীয়া সকলক মৰম কৰিবা।

(১৪) বিপদত ধৈৰ্য্য ধৰিবা আৰু বিচলিত নহ'বা।

ওপৰৰ কথাখিনিৰ মাজতে যেন লুকাই আছে তেখেতৰ জীৱন-দৰ্শন। পুষ্পলতা দাসে লিখি থৈ গৈছে -- "এনে জীৱনৰ মৃত্যু নাই। সেই জীৱন দৰ্শনেই তেওঁৰ জীৱনটোক অমৃতৰ দৰে অধিকাৰী কৰি ৰাখিব। মহাকাল মহাজীৱনৰ ওচৰত সদায়েই পৰাজিত।"

তেখেতে কেইবাখনো অমূল্য গ্ৰন্থও লিখি থৈ যায়। তাৰ ভিতৰত 'কাৰাগাৰৰ চিঠি' 'পোন্ধৰ আগষ্ট' 'উম্মুল কোৰাণ' আৰু 'Islam and Non-Violence' আদিয়েই প্ৰধান। কেইবাখনো পুথি হাতে লিখা অৱস্থাত আছে। 'কাৰাগাৰৰ চিঠি' গ্ৰন্থখনি অসমীয়া সাহিত্য ভড়াল লৈ এটি আপুৰুগীয়া অৱদান বুলি ক'লেও বঢ়াই কোৱা নহয়। পদ্মধৰ চলিহাৰ 'অসমীয়া' কাকতখনৰ লগতো জড়িত আছিল ।

এইখিনিতে সুখৰ খবৰ যে, দেশৰ বাবে কৰা তেখেতৰ ত্যাগ আৰু অৱদানক স্বীকৃতি জনাই বৰ্তমানৰ অসম চৰকাৰে ২০০৬ চনৰ National Gamesৰ সময়ত গুৱাহাটীত যি কেইটা Stadium সাজিলে তাৰে ভেটাপাৰাত সজোৱা Hockey Stadium টো মৌলানা মহম্মদ তৈয়বুল্লা চাহাবৰ নামেৰে দিয়া হৈছে।

ই তেখেতৰ স্মৃতিক মানুহৰ মনত সজীৱ কৰি ৰখাত সহায় হ'ব।❖

---

(লেখিকা তৈয়বুল্লা চাহাবৰ নাতিনী।)

# মিজানুৰ ৰহমান

হিৰেণ দাস



গোৱালপাৰা অসমৰ এখনি বুৰঞ্জী প্ৰসিদ্ধ চহৰ। ৰাজনৈতিক ধামখুমীয়াত গোৱালপাৰা চহৰকে ধৰি সমগ্ৰ গোৱালপাৰা অঞ্চল কেতিয়াবা আহোমৰ কেতিয়াবা মোগলৰ, কেতিয়াবা কোচঁৰ আৰু শেষলৈ ইংৰাজৰ অধীন হৈছিল। ঐতিহাসিক ইয়াণ্ডাবু সন্ধিৰো আগতে ১৭৬৫ খৃঃত গোৱালপাৰা অঞ্চল ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনলৈ গৈছিল। ৰাজনৈতিক উত্থানপতনৰ মাজতেই এই গোৱালপাৰাতেই অসমৰ কেইবাজনো স্বনামধন্য ব্যক্তিৰ জন্ম হৈছিল। তেনে এগৰাকী উজ্জ্বল নক্ষত্ৰসদৃশ, প্ৰাতঃ স্মৰণীয় কিন্তু প্ৰচাৰবিমুখ ব্যক্তি আছিল খানবাহাদুৰ মিজানুৰ ৰহমান।

ইংৰাজী ১৮৯৫ চনত জনাব মিজানুৰ ৰহমান এই চহৰত জন্মগ্ৰহণ কৰে। তেখেতৰ পিতৃৰ নাম আছিল ৰমজান আলি। ৰহমানৰ স্কুলীয়া জীৱনো অতিবাহিত হয় গোৱালপাৰাতেই। সেইসময়ত অসমৰ কম সংখ্যক ঠাইতহে হাইস্কুল আছিল। গোৱালপাৰাত কিন্তু সেই সময়তো এখন হাইস্কুল আছিল আৰু দূৰ দূৰণিৰ পৰা বহুতো ছাত্ৰই এই স্কুলত অধ্যয়ন কৰিবলৈ আহিছিল। গোৱালপাৰা হাইস্কুলত অধ্যয়ন কৰিয়েই জনাব মিজানুৰ ৰহমানে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ দেওনা প্ৰথম বিভাগত পাৰ হয়। উচ্চ শিক্ষা লাভ কৰি জীৱনত

উন্নতি কৰাৰ লক্ষ্য তেখেতৰ সৰুৰে পৰাই আছিল। সেইবাবে জ্ঞানলিপ্সা পূৰণৰ হকে তেখেত গুৱাহাটীলৈ যায় আৰু কটন কলেজত ভৰ্ত্তি হয়। সেইসময়ত কটন কলেজ আছিল অসমৰ মুষ্টিমেয় কলেজৰ ভিতৰত আটাইতকৈ নামজ্বলা। কটন কলেজত পঢ়িবলৈ লোৱাৰ লগে লগে মিজানুৰ ৰহমানৰ জ্ঞানৰ পৰিধি বহল হবলৈ ধৰে আৰু তেতিয়াৰ পৰাই তেখেতে গোৱালপাৰা তথা অসমৰ সামাজিক আৰু ৰাজনৈতিক অৱস্থাত উন্নতিৰ হকে কাম কৰি যাবলৈ দৃঢ়সংকল্প গ্ৰহণ কৰে।

জনাব মিজানুৰ ৰহমান মেধাৱী ছাত্ৰ আছিল। সেই সময়ত বি.এ. পৰীক্ষাত উত্তীৰ্ণ হোৱাটো এতিয়াৰ দৰে সহজ নাছিল । বহুতো ভাল ছাত্ৰই এবাৰতে উত্তীৰ্ণ হব নোৱাৰিছিল। মিজানুৰ ৰহমান চাহাবৰ কিন্তু ৰিজাল্টৰ চিন্তা নাছিল তেখেতৰ ভাৱ আছিল - পৰীক্ষা দিছোঁ যেতিয়া পাছ কৰিমেই। কাৰ্য্যত সেয়েই হৈছিল। ১৯১৭ চনৰ ২০ জুলাই তাৰিখে গুৱাহাটীৰ পৰা তেখেতৰ বন্ধু জনাব এছ ৰহমান চাহাবে এখন টেলিগ্ৰামৰ জৰিয়তে জনাই দিছিল যে তেখেতে বি. এ. পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। পৰিয়াল-পৰিজন, বন্ধু-বান্ধৱ সকলোৱে মিজানুৰ ৰহমান সাফল্যত আনন্দ প্ৰকাশ কৰিলে আৰু তেখেতক কলিকতালৈ গৈ আইন পঢ়িবলৈ পৰামৰ্শ দিলে।

সকলোৰে শুভেচ্ছা শিৰত লৈ মিজানুৰ ৰহমান ১৯১৭ চনৰ ২৯ জুলাই তাৰিখে আইন পঢ়িবলৈ কলিকতালৈ ৰাওনা হয়। কলিকতাত তেখেতে ইউনিভাৰছিটি ল কলেজত নাম লগায়। এই ল কলেজৰ পৰা প্ৰথম বাৰ্ষিক আইন পৰিক্ষা উত্তীৰ্ণ হোৱাৰ পাছতে তেখেত নৰিয়াত পৰে আৰু তেখেতৰ স্বাস্থ্যৰ অৱনতি ঘটে। সেইবাবে তেখেত কলিকতাৰ পৰা গোৱালপাৰালৈ গুছি আহে। কিছুদিনৰ বিৰতিৰ পাছত তেখেত গুৱাহাটীৰ আৰ্ল ল কলেজত নাম লগায়। ১৯২২ চনত তেখেতে আইনৰ চূড়ান্ত পৰীক্ষা পাছ কৰি ‘বি. এল’ ডিগ্ৰী লাভ কৰে।

আইন পৰীক্ষা দিয়াৰ পাছতে তেখেত কিছুদিনৰবাবে শিক্ষকতাৰ দৰে মহান কামতো ব্ৰতী হয়। প্ৰথমতে গুৱাহাটীৰ কটন কলেজিয়েট হাইস্কুলত শিক্ষক হিচাপে নিযুক্তি লাভ কৰে। তাত কেইমাহমান কাম কৰাৰ পাছতে গোৱালপাৰাৰ

জুনিয়ৰ মাদ্ৰাছাৰ প্ৰধান শিক্ষকৰ পদ খালী হোৱাত, গোৱালপৰীয়া ৰাইজৰ অনুৰোধত তেখেত সেই পদ গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল। শিক্ষাকতাই যেন তেখেতক নুসুজিল। চৰকাৰী আদালতে যেন তেখেতক হাতবাউল দি মাতিছিল। কেইমাহমান শিক্ষকতা কৰাৰ পাছতে তেখেতে ‘বাৰত’ যোগ দি ওকালতি আৰম্ভ কৰিছিল।

ওকালতিৰ প্ৰথম দিনটোতে তেখেতৰ হাতলৈ দুটা মোকৰ্দমা আহিছিল। ইয়াৰে প্ৰথম মোকৰ্দমাটোৰ বাবে তেখেতে কোনো মাননি লোৱা নাছিল । এই মোকৰ্দমাটোত তেখেতৰ মক্কেলৰ জয় হৈছিল আৰু তেখেতসকলে মিজানুৰ ৰহমানক হিয়াভৰা আশীৰ্বাদ দিছিল। মক্কেলসকলৰ প্ৰতি তেখেতৰ আচৰণ সদায় সহানুভূতিশীল আছিল। বহুতো দুখীয়া মক্কেলক তেখেতে নামমাত্ৰ ফীজ লৈ আৰ্থিকভাৱে সকাহ দিছিল। ই নিঃসন্দেহে তেখেতৰ উদাৰ আৰু সহানুভূতিশীল মনৰ পৰিচায়ক আছিল।

১৯২৩ চনত মিজানুৰ ৰহমান চাহাবে গোৱালপাৰা পৌৰসভালৈ বিনা প্ৰতিদ্বন্দ্বিতাৰে ‘মেম্বাৰ’ হিচাপে নিৰ্বাচিত হয়। ১৮৭৮ চনতে প্ৰতিষ্ঠিত হোৱা গোৱালপাৰা পৌৰসভা (Municipality) অসমৰ কেইখনমান পুৰণি পৌৰসভাৰ অন্যতম। ১৯২৩ চনত গোৱালপাৰা পৌৰসভাৰ প্ৰথম অধিৱেশনতে মিজানুৰ ৰহমানক বিপুল সংখ্যক ভোটেৰে উপ-পৌৰপতি (Vice Chairman) নিৰ্বাচিত কৰা হয়। গোৱালপাৰা পৌৰসভা পুৰণি হলেও ইয়াৰ কাম কাজবোৰ নিয়াৰিকৈ চলা নাছিল। মিজানুৰ ৰহমান চাহাবে উপ-পৌৰপতিৰ দায়িত্ব লোৱাৰ পাছত পৌৰসভাৰ কামকাজবোৰ সুচাৰুৰূপে চলাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। গোৱালপাৰাবাসী ৰাইজে তেখেতৰ নিস্বাৰ্থ সেৱাৰ মৰ্ম ভালদৰে উপলব্ধি কৰিব পাৰিছিল। সেইবাবে ১৯২৫ চনত তেখেতক পৌৰপতি (Chairman) নিৰ্বাচিত কৰি নিঃস্বাৰ্থ সমাজ সেৱাৰ স্বীকৃতি দিছিল আৰু অধিকতৰ দায়িত্ব অৰ্পণ কৰিছিল। তেখেতে এই দায়িত্ব সুচাৰুৰূপে পালন কৰিছিল। মিজানুৰ ৰহমান ডাঙৰীয়াই গোৱালপাৰাৰ পৌৰপতি হিচাপে ১৯২৫ চনৰ জুনমাহৰ পৰা ১৯৩৭ চনৰ জুলাই মাহলৈকে ৪টা একে লেঠাৰিয়ে কাৰ্য্যকাল আৰু ডিচেম্বৰ ১৯৪৪ চনৰ পৰা মাৰ্চৰ ১৯৪৮ চনলৈ এটা কাৰ্য্যকাল কাৰ্য্যনিৰ্বাহ কৰা কালছোৱাই

তেখেতৰ ওপৰত থকা ৰাইজৰ পৰ্বত প্ৰমাণ  আস্থাৰ কথা সুন্দৰকৈ উপলব্ধি কৰিব পাৰি।

ইতিমধ্যে ১৯২৪ চনতে তেখেত গোৱালপাৰা লোকেল বোৰ্ডৰো ভাইচ-চেয়াৰমেন পদত নিযুক্ত হৈছিল। সেইসময়ত গোৱালপাৰা লোকেলবোৰ্ডৰ সীমাই বৰ্ত্তমান গোৱালপাৰা জিলাৰ উপৰিও বঙাইগাওঁ জিলাকো সামৰি লৈছিল। লোকেলবোৰ্ডৰ ওপৰত গাঁৱলীয়া অঞ্চলত ৰাস্তাঘাট নিৰ্মাণ, মেৰামতি আদিৰ উপৰিও প্ৰাথমিক শিক্ষা আৰু জনস্বাস্থ্য ৰক্ষাৰ দায়িত্ব তেখেতক অৰ্পণ কৰা হৈছিল। মিজানুৰ ৰহমান ডাঙৰীয়াই গোৱালপাৰা লোকেলবোৰ্ডৰ এলেকাধীন বিস্তীৰ্ণ অঞ্চলত ঘুৰি  পকি গাঁৱলীয়া মানুহৰ অভাৱ অভিযোগৰ বুজ লৈছিল আৰু চৰকাৰী অনুদান অনাৰ ব্যৱস্থা কৰিছিল। এই অঞ্চলবোৰত তেখেতৰ জনপ্ৰিয়তা আছিল আকাশলংঘী।

১৯৩৫ চনৰ ইংৰাজ চৰকাৰৰ ভাৰত শাসন বিধিয়ে (Govt. of India Act, 1935) অসমৰ বাবে দ্বি-সদনযুক্ত আইনসভা - (১) বিধান পৰিষদ (Legislative Council) আৰু (২) বিধান সভা (Legislative Assembly)ৰ ব্যৱস্থা কৰিছিল। ইয়াৰ পাছত অনুষ্ঠিত হোৱা নিৰ্বাচনত মিজানুৰ ৰহমান চাহাব বিধান পৰিষদ (Legislative Council) লৈ সদস্য হিচাপে নিৰ্বাচিত হৈছিল। বিধান পৰিষদত থাকি তেখেতে সেইসময়ৰ চৰকাৰ পৰিচালনাৰ ক্ষেত্ৰত বহমূলীয়া অৰদান আগবঢ়াইছিল। সেই সময়ত অসমৰ প্ৰধানমন্ত্ৰী আছিল মোহাম্মদ ছাদুল্লা।

এইদৰে গোৱালপাৰা তথা অসমৰ সামাজিক উন্নয়নৰ বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা অমূল্য অৰদানৰ বাবে, তদানীন্তন ইংৰাজ চৰকাৰে জনাব মিজানুৰ ৰহমান চাহাবৰ সন্মানাৰ্থে, ১৯৩৪ চনৰ ১ জানুৱাৰীত নৱবৰ্ষৰ প্ৰীতি আৰু শুভেচ্ছাৰে সৈতে তেখেতক “খান চাহেব” উপাধিৰে বিভূষিত কৰি এখন চনদ প্ৰদান কৰে। ব্যক্তিগত উৎকৰ্ষ সাধনৰ  শীৰ্ষত উপনীত হোৱাৰ স্বীকৃতি স্বৰূপে (for his personal distinction) ১৯৪১ চনৰ ১ জনুৱাৰী তাৰিখে ইংৰাজ চৰকাৰে তেখেতক পুনৰ আন এখন চনদেৰে “খান বাহাদুৰ” উপাধি প্ৰদান কৰে।

১৯৩৫ চনৰ জনাব মিজানুৰ ৰহমানকে ধৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ সচেতন শিক্ষিত মুছলমান লোকসকলে তেতিয়া অসমৰ অঙ্গ হিচাপে থকা চিলেট জিলাক

এই প্ৰদেশৰপৰা ফালি বঙ্গঁ প্ৰদেশৰ লগত চামিল কৰিবলৈ আন্দোলন কৰিছিল। কাৰণ, এই উপত্যকাৰ লোকসকলে চিলেট অসমৰ লগত থাকিলে অসমীয়া মানুহৰ স্বাৰ্থ ক্ষুন্ন হব বুলি আশঙ্কা কৰিছিল। তেখেত সকলে সভা-সমিতি পাতি এই বিৰোধিতাৰ কথা চৰকাৰক জনাইছিল। এই বিষয়ে ৰফিউল হুছেইন বৰুৱা নামৰ এজন বুৰঞ্জীবিদে তেখেতৰ “খিলঞ্জীয়া অসমীয়া মুছলমান-বিপন্ন অসম” নামৰ গ্ৰন্থত এইদৰে উল্লেখ কৰিছে - “১৯৩৫ চনত, মিজানুৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ‘আসাম ভেলী মুছলিম পলিটিকেল কনফাৰেঞ্চত’ , চাৰ ছাদুল্লা আৰু ফখৰুদ্দিন আলী আহমদে চিলেটক অসমৰ পৰা পৃথক কৰিবলৈ দাবী জনাই প্ৰস্তাৱ এটা উত্থাপন কৰি গৃহীত কৰিছিল।” (পৃষ্ঠা ১৩) এই ঘটনা খান বাহাদুৰ মিজানুৰ ৰহমান আৰু তেখেতৰ সম-সাময়িক মুছলমান ৰাজনীতিবিদসকলৰ অসম প্ৰেমৰ উজ্বল দৃষ্টান্ত।

১৯২৮ চনত জনাব মিজানুৰ ৰহমানৰ নেতৃত্বত গোৱালপাৰা চহৰৰ মুছলিম মহল্লাবোৰক একত্ৰিত কৰি “আঞ্জুমান-এ-খাদেমূল ইছলাম “(Anjuman - E - Khademul Islam)” নামকৰণ কৰি এটা অনুষ্ঠান গঢ় দিয়া হৈছিল। মিজানুৰ ৰহমান চাহাবক এই আঞ্জুমানৰ প্ৰতিষ্ঠাপক সভাপতি নিৰ্বাচিত কৰা হৈছিল। ১৯৪৩ চনত তেখেত পুনৰ এই অনুষ্ঠানৰ সভাপতি নিৰ্বাচিত হৈছিল।

অসম লোকসেৱা আয়োগ গঠন হোৱাৰ আগতে অসামৰিক চৰকাৰী চাকৰিত বিষয়া নিৰ্বাচন কৰিবৰ বাবে “Assam Services Selection Board” নামেৰে এটা চৰকাৰী অনুষ্ঠান আছিল। খানচাহেব মিজানুৰ ৰহমান এই অনুষ্ঠানৰ সদস্য আছিল। বিষয়া নিৰ্বাচনৰ ক্ষেত্ৰত পক্ষপাতিত্বহীন ভাৱে কাম কৰা বুলি তেখেতৰ সুনাম আছিল। তেখেত আসাম ৰেভিনিউ বোৰ্ড (Assam Revenue Board)ৰো সদস্য আছিল। সেই সময়ত গোৱালপাৰাত এনে এখন শিক্ষা নাইবা সংস্কৃতিমূলক অনুষ্ঠান নাছিল, যাৰ সৈতে জনাব মিজানুৰ ৰহমান জড়িত হৈ থকা নাছিল। তেখেত গোৱালপাৰা চিভিল হস্পিতালৰো উপদেষ্টা হিচাপে বহুদিন কাৰ্য্যনিৰ্বাহ কৰিছিল।

খান বাহাদুৰ মিজানুৰ ৰহমান ডাঙৰীয়াই গোৱালপাৰা ‘বাৰ’ত যোগ দি ওকালতি জীৱন আৰম্ভ কৰিছিল ১৯২২ চনত আৰু ১৯৭০ চনৰ মাজভাগলৈ

৪৮ বছৰ কাল তেখেতে নিৰৱচ্ছিন্ন ভাৱে ওকালতি ব্যৱসায় কৰি আছিল। অসংখ্য সামাজিক অনুষ্ঠানৰ লগত জড়িত হৈ থাকিও আৰু চৰকাৰৰ ফালৰপৰা ন্যস্ত কৰা নানা সন্মানীয় দায়িত্ব বহন কৰা সত্ত্বেও, তেখেতে ওকালতিৰ ফালে পিঠি দিয়া নাছিল। সেই সময়ৰ গোৱালপাৰা 'বাৰ'ৰ এজন অতি সফল উকিল হিচাপে তেখেতৰ খ্যাতি চাৰিওফালে বৈ বৈ গৈছিল। তেখেতৰ ব্যক্তিত্বৰ বাবে হাকিম, মুঞ্চিফ সকলেও তেখেতক যথেষ্ট সমীহ কৰিহে কথা বতৰা পাতিছিল।

জীৱনৰ শেষ দিনকেইটা জনাব মিজানুৰ ৰহমান চাহাবে গুৱাহাটীৰ দীঘলীপুখুৰী পাৰত থকা তেখেতৰ নিজা বাসভৱনত কটাইছিল। গুৱাহাটীৰ বাসভৱনতে ১৯৭০ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে তেখেতৰ ইন্তেকাল হয়। তেখেতৰ কৰ্মময় জীৱনৰ স্মৃতি, উদাৰতা আৰু মহানুভৱতাৰ কথা গোৱালপাৰা বাসীয়ে আজিও শ্ৰদ্ধাৰে স্মৰণ কৰে। ❖

---

(খান বাহদুৰৰ তিনি পুত্ৰ মঃ মহববুৰ ৰহমান, অধ্যাপক মিছবাহুৰ ৰহমান, মঃ মুস্তাফিজুৰ ৰহমান আৰু গোৱালপাৰাৰ সমাজ কৰ্ম্মী আলহাজ মুছাৰৰফ হুছেইনৰ সক্ৰিয় সহায়ত এই প্ৰৱন্ধটি যুগুত কৰা হৈছে।)

(লেখক অধ্যাপক হিৰেণ দাস কোকৰাঝাৰ কলেজৰ ইতিহাস বিভাগৰ প্ৰাক্তন মুৰব্বী অ্যাপক)।

(ৰহমান চাহাবৰ আলোকচিত্ৰ চিতাৰা তাহেৰৰ সৌজন্যত পোৱা)।

# ছৈয়দ আহমদ হুছেইন (কাকজান)

ছৈয়দ আব্দুল হালিম

আজিৰ পৰা শত বছৰৰ আগতে স্থাপিত কাকজান এম, ই, স্কুলৰ প্ৰতিষ্ঠাবৰ্ষত ভৰ্ত্তি হোৱা ছাত্ৰ সকলৰ এজন আছিল ছৈয়দ আহমদ হুছেইন। (পিতৃ হেদায়তুল্লাহ আজান পীৰৰ বংশৰ জংলীছাহ দেৱানৰ বংশধৰ আৰু মাতৃ হোলোঙা পৰীয়া পৰিয়ালৰ হিজনুৰী আছিল) ১৮৯৫ চনত কাকজানত জন্ম গ্ৰহণ কৰা ছৈয়দ আহমদ হুছেইনে ১৯১২ চনত সেই স্কুলৰ পৰা এম, ই পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯১৬ চনত শিৱসাগৰৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত পঢ়িবলৈ যায়।

সেই সময়ত সচৰাচৰ গতিত গাৱঁৰ লৰা এজনে মাদ্ৰাছাত পঢ়িবলৈ নগৈ ইংৰাজী শিক্ষা পদ্ধতিত শিক্ষা লবলৈ যোৱাৰ পিছ্‌ত এটা কাহিনী আছে। ১৮৮০ চন মানত কাকজানৰ ছৈয়দ নিয়ামতুল্লাহ সেই সময়ত কলিকতাত প্ৰতিষ্ঠিত মাদ্ৰাছাত পঢ়িবলৈ গৈছিল। সেই সময়ত কলিকতাত পঢ়ি থকা তেখেতৰ সমসাময়িক আনন্দৰাম বৰুৱা আৰু জালনুৰ আলি আহমদৰ লগত তেখেতৰ ঘনিষ্ঠতা হয়। তাত থকা সময়ত ছাৰ ছৈয়দ আহমদ আহি দেশৰ বিভিন্ন প্ৰান্তৰৰ পৰা যোৱা মাদ্ৰাছাৰ লৰাবোৰক মাদ্ৰাছাৰ শিক্ষা সাং কৰি নিজৰ চহৰ গাঁৱলৈ গৈ আধুনিক শিক্ষাৰ আৱশ্যকতাৰ কথা ৰাইজক বুজাবলৈ উপদেশ দিছিল। সেই বক্তৃতা আৰু আনন্দৰাম বৰুৱা আৰু জালনুৰ আলি আহমদৰ ব্যক্তিত্বৰ প্ৰভাৱত

উদগনি পাই কাকজানত বৰমৌলবী বুলি জনাজাত ছৈয়দ নিয়ামতুল্লাহে নিজৰ পৰিয়াল আৰু গাৱঁৰ সকলোকে আধুনিক শিক্ষা লবলৈ উদগনি দিছিল।

বৰমৌলবী চাহেবৰ উদগনিয়েই কাকজানত এম.ই. স্কুল প্ৰতিষ্ঠাৰ কাৰক বুলি ধৰাৰ থল আছে। এনে কাৰণতেই ছৈয়দ আহমদ হুছেইন চাহাবে ধৰ্ম্মীয় শিক্ষাৰ উপৰিও আধুনিক শিক্ষা লবলৈ আগবাঢ়ি আহে।

শিৱসাগৰত পঢ়ি থকা অৱস্থাত সম্ৰাট পঞ্চম জৰ্জ্জৰ ৰাজ অভিষেক উপলক্ষ্যে এখন দৰবাৰ অনুষ্ঠিত হৈছিল। ইয়াত ছাত্ৰ সকলৰ বাবে আয়োজন কৰা ইংৰাজীত লিখা ৰচনা পাঠৰ বাবে ছৈয়দ আহমদ হুছেইন চাহেব পুৰস্কৃত হৈছিল।

ছৈয়দ আহমদ হুছেইন কটন কলেজত পঢ়ি থকা কালছোৱাত উজনিৰ মুছলমান ছাত্ৰবোৰক গুৱাহাটী নগৰৰ অৱস্থাপন্ন মুছলমান পৰিয়ালবোৰে বৰ আদৰৰে মাদ্ৰাছাত পঢ়া ছাত্ৰ সকলৰ দৰে বিনামূলীয়াকৈ থকা খোৱাৰ ব্যৱস্থা কৰি দিছিল। এই প্ৰথাটো তেখেত সকলে 'জায়গীৰ' দিয়া বুলি কৈছিল। শিক্ষানুৰাগী মুন্সী কেফায়তুল্লাহ চাহাবৰ দিহামতে এই কাম হৈছিল বুলি এটা ধাৰণা আছে। পাছত ১৯২২-২৩ চন মানত সামাজিক অসুবিধাৰ কাৰণে এই প্ৰথা লোপ পায়। আহমদ হুছেইন চাহাবে অৱশ্যে 'জায়গীৰ' লব লগা নহল। কাৰণ তেতিয়াৰ গুৱাহাটী নিবাসী কাকজানৰ ডাক্তৰ ছৈয়দ জালালুদ্দিন (হুছেইন চাহাবৰ সম্পৰ্কীয় ককাক) চাহাবৰ ঘৰত থাকি তেখেতে পঢ়া-শুনা কৰিছিল।

ছৈয়দ আহমদ হুছেইন চাহাবে কটন কলেজত ৪ বছৰ পঢ়িলে যদিও স্নাতক হব নোৱাৰিলে। কাৰণ ১৯২১ চনত সহপাঠী বেনুধৰ শৰ্ম্মা আদিৰ লগত ভাৰতৰ স্বাধীনতা আন্দোলনত যোগ দিয়ে আৰু বিদেশী বস্ত্ৰ দাহ আদি কাৰ্য্যত আগ ভাগ লয়। ফলত স্নাতকৰ পৰীক্ষা দি পঢ়া সাং কৰিব নোৱাৰিলে।

পাছত গোৱালপাৰা, ডিব্ৰুগড়, লক্ষীমপুৰ আৰু মঙ্গলদৈত কিছুদিন শিক্ষকতা কৰাৰ পাছত ১৯২৫ চনত কাকজান মধ্য ইংৰাজী স্কুলত শিক্ষক হিচাপে সোমায়।

মঙ্গলদৈত তেখেতে চৰকাৰী হাইস্কুলত কাম কৰিছিল। কিন্তু তাত কাম কৰি থকা সম্বন্ধীয় খুড়াক গদাধৰ চাহাবে স্কুলৰ ছাত্ৰ সকলৰ সৈতে শিক্ষক সকলকো লৈ অসহযোগ আন্দোলনত যোগ দিয়ে। লগতে ছৈয়দ আহমদ হুছেইন চাহাবো পুনৰ আন্দোলনত নামি পৰে।

১৯১৫ চনত কাকজান এম, ই স্কুলত উৰ্দ্দু শিক্ষাৰ এটা পাঠ্যক্ৰম খুলিছিল। পাছলৈ সেই পাঠ্যক্ৰমকে মধ্য ইংৰাজী মাদ্ৰাছাৰ পাঠ্যক্ৰমলৈ উন্নীত কৰা হৈছিল যদিও তেতিয়া ইয়াৰ বাবে যাবতীয় চৰকাৰী অনুমোদন নাছিল। এবাৰ তেতিয়াৰ কংগ্ৰেছ প্ৰধান মন্ত্ৰী গোপীনাথ বৰদলৈদেৱ সেইফালে যাওঁতে ছৈয়দ আহমদ হুছেইন চাহাবে অন্যান্য ৰাইজৰ লগ হৈ তেখেতক এখন স্মাৰক পত্ৰ দিয়ে। বৰদলৈদেৱে এই পত্ৰৰ দাবী বিচাৰ কৰি শ্বিলঙলৈ আহি লগে লগে মাদ্ৰাছা শাখাটোৰ সম্পূৰ্ণ চৰকাৰী অনুমোদন জনায় আৰু সেইয়া আজি পৰ্য্যন্ত বাহাল আছে। এইয়া ১৯৩০ ৰ দশকৰ কথা।

তেখেত এজন নিষ্ঠাবান শিক্ষক আছিল। সেই সময়ৰ মাদ্ৰাছা পাঠ্যক্ৰমত 'কালওবি' বুলি এখন টান আৰবী কিতাপ আছিল। মাদ্ৰাছা পৰীক্ষাৰ্থী সকলক তেখেতে সন্ধ্যা বিনা পাৰিশ্ৰমিকেৰে পৰীক্ষাৰ আগত সেইখন কিতাপ পঢ়ুৱাইছিল।

তেখেতৰ বিয়াৰ সময়ত অসহযোগ আন্দোলনৰ ভৰ বতৰ । তেখেত সক্ৰিয় কংগ্ৰেছ কৰ্ম্মী হোৱাৰ কাৰণে সকলোকে খাদী পিন্ধিবলৈ কৈছিল আৰু নিজেও পিন্ধিছিল। ১৯২৩ চন মানত বিয়াৰ সমাজত তিতাবৰত আবিদা খাতুন (দৰ্জ্জী পৰীয়া ঘৰ) ৰ নিকাহৰ সময়ত দেখা গ'ল যে কন্যাৰ বাপেকৰ টুপীটো খাদী নহয়। দৰাই কথাটো সহজ ভাবে ল'ব নোৱাৰা কাৰণে এজনে ওচৰৰ অন্য মানুহৰ ঘৰত শুই থকা এজন স্বেচ্ছাসেৱীক জগাই তেখেতৰ খাদী টুপীটো আনি কন্যাৰ বাপেকক পিন্ধোৱাত নিকাহ সুকলমে সমাধা হয়।

১৯৫৪ চনত তেখেতে কামৰ পৰা অৱসৰ লয়।

১৯২০ ৰ দশকৰ পৰা প্ৰায় ৪০ বছৰ কাল কাকজানৰ অন্যান্য জনগণৰ লগতে বিশেষকৈ মুছলমান সমাজৰ সকলো কামতে আগভাগলৈ তেখেত সমাজ

সেৱা কৰি আহিছিল। কাকজান চিকিৎসালয়, কাকজান হাইস্কুল আৰু কাকজান ছোৱালী হাইস্কুল প্ৰতিষ্ঠাত তেখেতে উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছিল। কাকজান ইদগাহৰ উন্নয়ণতো তেখেত আগভাগ লৈছিল।

শৰাগুৰি চাপৰিৰ আজানপীৰৰ দৰগাহ বিচাৰি উলিওৱাত তেখেতেই অগ্ৰগণ্য আছিল। বহুদিন দৰগাহ সমিতিৰ সম্পাদক বা সভাপতি হিচাপেও কাৰ্য্য নিৰ্বাহ কৰিছিল। ছাৰ ছৈয়দ ছাদুল্লাহ আৰু ছৈয়দ মুহিবুল্লাহ চাহাবক লগত লৈ ১৯৫০ ৰ দশকত দৰগাহ প্ৰতিষ্ঠাৰ প্ৰথম সভাও শৰাগুৰিত তেখেতেই অনুষ্ঠিত কৰিছিল।

কাকজান আৰু পুৰণি শিৱসাগৰ জিলাৰ বিভিন্ন ঠাইৰ মজলিছত অতি সৰল ভাষাত কৰা তেখেতৰ ওৱাজে মানুহক সৎপথলৈ আহিবলৈ উদগাইছিল। জিকিৰৰ 'মনুৰায় দুৰ কৰা মনৰে বঢ়াই', কথাষাৰ সততে উল্লেখ কৰি কোৰাণৰ উৰ্দ্ধ্বতিৰে তেখেতে কৰা জ্ঞানগৰ্ভ ওৱাজ অতি মনোগ্ৰাহী আৰু ৰাইজৰ বাবে শিক্ষণীয় আছিল।

১৯৭৪ চনৰ ৩০ অক্টোবৰত যোৰহাটত তেখেতৰ মৃত্যু হয়। তেখেতে শিক্ষা দিয়া অনেক কৃতী ছাত্ৰই অসমৰ সকলো দিশে তেখেতৰ স্মৃতি বহন কৰি আছে।❖

---

(ছৈয়দ আব্দুল হালিম ছৈয়দ আহমদ হুছেইনৰ পুত্ৰ)।

## চৈয়দ আহমদ হুছেইন (যোৰহাট)

পুৰণি যোৰহাটৰ শিক্ষাবিদসকলৰ ভিতৰত জনাব চৈয়দ আহমদ হুছেইন এজন অন্যতম আগশাৰীৰ শিক্ষাবিদ আছিল। আজীৱন শিক্ষাব্ৰতী শিক্ষক চৈয়দ আহমদ হুছেইন চাহাবৰ ১৮৯৫ চনত যোৰহাটত জন্ম হয়। যোৰহাট গভৰ্ণমেন্ট হাইস্কুলৰ আৰবী শিক্ষক মৌলবী চৈয়দ মহম্মদ আলি চাহাব এখেতৰ পিতৃ আছিল আৰু মাক আছিল চৈয়দ হাফিজা খাতুন। তেখেত অতি কম বয়সতে ঘাতমাউৰা হৈছিল। সেই সময়ৰ গোলাঘাটৰ বিখ্যাত হাফিজ আব্দুল খালিক চাহাবৰ অধীনত মাত্ৰ ৯ বছৰ বয়সতে তেখেতে কোৰআণ শ্বৰীফ হিফজ (মুখস্থ) কৰে। তেখেত এজন অতি মেধা শক্তি সম্পন্ন ব্যক্তি আছিল। সৰুৰে পৰা প্ৰতিটো শ্ৰেণীত প্ৰথম হৈ উত্তীৰ্ণ হৈছিল বাবে তেখেতৰ এটা উপনাম আছিল 'ফাৰ্ষ্ট চাহাব' আৰু সেই নামেৰেই তেখেত জনপ্ৰিয় আছিল। ১৯১৫ চনত এখেতে কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত হোৱা প্ৰৱেশিকা পৰীক্ষাত অসমৰ ভিতৰত প্ৰথম দহজনৰ ভিতৰত স্থান লাভ কৰি উত্তীৰ্ণ হয়। ১৯১৭ চনত আই.এ. পৰীক্ষাতো প্ৰতিযোগিতামূলক বৃত্তি লাভ কৰে। ১৯১৯ চনত বি.এ. পৰীক্ষাও সুখ্যাতিৰে পাছ কৰে।


চৈয়দ আহমদ হুছেইন চাহাবে যি সময়ত বি.এ. পাছ কৰে সেই সময়ত সেই ডিগ্ৰীৰে তেখেতে ইচ্ছা কৰা হ'লে বহুতো লোভনীয় চাকৰি নিশ্চয় পালে হেঁতেন, কিন্তু তেখেতে শিক্ষকতাৰ দৰে মহান জীৱিকাৰ পথহে বাছি ল'লে। সেয়ে তেখেতে যোৰহাট চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ত ইছলামী শিক্ষকৰ

পদবী গ্ৰহণ কৰে। পাছত ১৯২৯ চনত ঢাকাৰ পৰা বি.টি. পাছ কৰি ১৯৩০ চনত তেজপুৰ চৰকাৰী হাইস্কুললৈ বদলি হয়। ১৯৩০ চনৰ পৰা ১৯৩৫ চনলৈকে তেখেত তেজপুৰ মহকুমাৰ মুছলিম মেৰেইজ ৰেজিষ্ট্ৰাৰ আৰু কাজী আছিল। উল্লেখযোগ্য যে ইছলামী শিক্ষক হিচাপে নিযুক্তি হোৱা স্বত্বেও উচ্চ ইংৰাজী বিদ্যালয়ৰ উচ্চ শ্ৰেণীলৈকে নিজ বিষয়ৰ উপৰিও ইংৰাজী আৰু গণিত পঢ়ুৱাই বিশেষ খ্যাতি আৰু জনপ্ৰিয়তা লাভ কৰিছিল। অসমৰ বিভিন্ন প্ৰান্তত ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে যোৰহাট, তেজপুৰৰ উপৰিও গোলাঘাট, মংগলদৈ, শিৱসাগৰ আদি নানা ঠাইত জ্ঞানৰ জ্যোতি বিলাই অৱশেষত ১৯৫৩ চনত ধুবুৰী চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা অৱসৰ লয়। চাকৰিৰ পৰা অৱসৰ লোৱাৰ পাছতে তেখেতৰ নিজ জন্মভূমি যোৰহাটলৈ উভতি আহে। অৱসৰৰ পাছৰ সময়ছোৱাতে তেখেতে কেইবাখনো অমূল্য গ্ৰন্থ প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰি গৈছে। ইয়াৰে আদৰ্শ মহিলা, তাযবীদ (কোৰাণ শুদ্ধকৈ পঢ়া নিয়মাৱলী), মোযিজাত, নবীকাব্য, কানজুল খাইৰাত আৰু শিশু কাব্য (প্ৰকাশৰ পথত) উল্লেখযোগ্য। এইজনা মহান পুৰুষে ১৯৮৫ চনৰ ১৫ জুলাই, দেওবাৰে, ৯০ বছৰ বয়সত যোৰহাট নিউভিল ৰোডৰ নিজ বাস ভৱনত ইহলীলা সম্বৰণ কৰে। ❖

(যোৰহাট চেন্ট্ৰেল ক্লাবৰ স্মৰণিকা এনাজৰী, (২০০৯) ৰ পৰা উদ্বৃত)।

সংযোজন ঃ আহমদ হুছেইন চাহাব আছিল আজান পীৰ চাহাবৰ সম-সাময়িক আৰু সম্ভৱ তেখেতৰ লগতে অহা আন এগৰাকী ওৱালী বা সাধক হজৰত চাৱাল পীৰ চাহাবৰ বংশধৰ। তেখেতৰ দেউতাক মৌলবী চৈয়দ আলী চাহাব এগৰাকী শিক্ষক হোৱাৰ উপৰিও পৰিয়ালৰ ঘোঁৰা আৰু ঘোঁৰা বাগীৰ এটা ৰমৰমীয়া ব্যৱসায়ী আছিল। সেইয়া আজি-কালিৰ দৰে যন্ত্ৰ চালিত গাড়ী নোহোৱাৰ দিনৰ কথা। গতিকে এনে বাহন আৰু যানৰ চাহিদা আছিল। চৈয়দ আহমদ হুছেইন চাহাবে আনুমানিক ১৯২৪ চনত যোৰহাটৰ ভোগদৈমুখ নিবাসী হাজী আব্দুৰ ৰহমান চাহাবৰ কন্যা চৈয়দা আবিদন নিছাক বিয়া কৰায়। চৈয়দা আবিদন নিছাৰ পিতৃও এগৰাকী আলীম আছিল। চৈয়দ আহমদ হুছেইন চাহাব আৰু আবিদন নিছাই চাৰি গৰাকী পুত্ৰ আৰু তিনি গৰাকী কন্যা সন্তান এৰি যায়। তেখেত সকলৰ দুগৰাকী কৃতী পুত্ৰ সন্তান হ'ল - চৈয়দ ইনামুল হক আৰু অৱসৰ প্ৰাপ্ত ভাৰতীয় প্ৰশাসন সেৱাৰ বিষয়া চৈয়দ চাইফুল্লা - এই তথ্যখিনি গুৱাহাটীত থকা পৰিয়ালৰ পৰা সংগ্ৰহ কৰা হৈছে ঃ দেবিৰা চুলতানা আহমদ।

# বদৰউদ্দিন আহমদ



বদৰউদ্দিন আহমদ মঙলদৈ মহকুমাৰ প্ৰথম অসমীয়া মুছলমান স্নাতক। তেখেতৰ জন্ম দৰং জিলাৰ ছিপাঝাৰৰ দোকানপাৰাত ১৮৯৬ চনত । পিতৃ দোভগু শ্বেখ। সৰুতে মাতৃক হেৰুৱাৰ কাৰণে মাহীমাকৰ যত্নত ডাঙৰ-দীঘল হৈছিল। পাছত কম বয়সতে পিতৃৰ মৃত্যু হোৱাত খুৰাকে পঢ়া-শুনাৰ যত্ন লয়। অংক বিষয়ত মেডেল সহ আৰু ফাৰ্চী ভাষাত ৮০ শতাংশ নম্বৰ লাভ কৰি কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত প্ৰৱেশিকা পৰীক্ষা পাছ কৰি কটন কলেজৰ পৰা প্ৰথম বিভাগত আই. এ. আৰু পাছত ডিষ্টিশ্বনসহ বি. এ. পাছ কৰে। ১৯২৭ চনত আইনৰ স্নাতক হয়।

কৰ্ম্মজীৱন আৰম্ভ কৰাৰ সময়তেই এখেতে ৰাজনীতিত প্ৰৱেশ কৰে আৰু ১৯৪৭ চনৰ পূৰ্ব্বে অসম বিধান সভাত বিধায়ক হিচাপে কাৰ্য্য নিৰ্ব্বাহ কৰে। মঙলদৈ লোকেল বোৰ্ডৰ সভাপতি, মঙলদৈ নগৰ সমিতিকে ধৰি বিভিন্ন পৰিচালনা সমিতিৰ সভাপতি হিচাবে জন-হিতকৰ কাম কৰি গৈছিল। এখেত 'অসম ত্ৰিবিউন'ৰ মঙ্গলদৈস্থ সংবাদদাতাও আছিল।

১৯৬৯ চনৰ ২৩ ডিচেম্বৰত তেখেতৰ ইন্তেকাল হয়। ❖

---

(অসমীয়া জীৱনী অভিধান)

আলোক চিত্ৰখন ড° ইৰশ্বাদ আলিৰ সৌজন্যত প্ৰাপ্ত ।

# ইনামুল মজিদ

দেবিৰা চুলতানা আহমদ




বেৰিষ্টাৰ আব্দুল মজিদৰ বৰপুত্ৰ ইনামুল মজিদ। মাতৃ আছিল পুৰণি গুদামৰ হাজী ৰহমত আলিৰ কন্যা মফিদন নিছা। তেখেতৰ জন্ম ১৮৯৬ চনৰ ১৯ মে' তাৰিখত। দেউতাকৰ দৰে তেখেতো মেধাবী ছাত্ৰ আছিল। স্কুলীয়া শিক্ষাৰ কিছু অংশও তেখেতে বিলাতত লাভ কৰিছিল। সেইয়া শেষ কৰি তেখেতে কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত ভৰ্ত্তি হয়। তাৰ পৰা সুখ্যাতিৰে স্নাতক হোৱাৰ পাছত তেখেতে অসামৰিক সেৱাত যোগ দিয়ে। ইনামুল মজিদ চাহাব পণ্ডিত জৱাহৰলাল নেহৰুৰ মন্ত্ৰীসভাৰ বিত্ত মন্ত্ৰী ছাৰ চিন্তামণি দেশমুখৰ কেম্ব্ৰিজৰ সহপাঠী আছিল। দেশমুখ ডাঙৰীয়াই ১৯১৭ চনত জেচাচ কলেজৰ পৰা বিজ্ঞানৰ ডিগ্ৰী লাভ কৰি ১৯১৮ চনত I.C.S. হৈছিল। ইনামূল মজিদ চাহাবো সেই বছৰতেই I.C.S. পদলৈ মনোনীত হোৱা বুলি ধাৰণা কৰিব পাৰি। পণ্ডিত আনন্দৰাম বৰুৱাৰ পাছত ইনামুল মজিদ দ্বিতীয়জন অসমীয়া I.C.S. বিষয়া আছিল। কিছু বছৰ ইজিপ্তত Trade Commissioner হিচাপে চাকৰি কৰাৰ পাছত, তাৰ পৰা আহি এটা সময়ত ডিব্ৰুগড়ত জিলা উপায়ুক্ত আছিল। তেখেতে ডিব্ৰুগড়ৰ পৰা গৈ আন্দামানত Chief Commissioner হিচাপে কামত যোগ দিয়ে। সেই সময়তে দেশ স্বাধীন হৈছিল। বঙ্গদেশৰ পৰা শৰণাৰ্থী সকলক আন্দামানলৈ পঠিয়াবলৈ

বঙ্গ দেশৰ শাসনত থকা লোক সকল তৎপৰ হৈছিল। কিন্তু শৰনাৰ্থীৰ সোঁতে আন্দামানৰ কম সংখ্যক স্থানীয় লোকৰ অস্তিত্ব আৰু কৃষ্টি-সংস্কৃতি বিলোপ কৰাৰ ভয়ত তেখেতে ইয়াৰ বিৰুদ্ধে মাত মতাত আন্দামান এই পৰিস্থিতিৰ পৰা ৰক্ষা পৰে। এইয়া আন্দামান বাসীৰ প্ৰতি আছিল তেখেতৰ এক মূল্যবান অৱদান।

ইনামুল মজিদ চাহাব এগৰাকী দক্ষ বিষয়া আছিল। খেলা ধূলাৰ প্ৰতিও তেখেতৰ ৰাপ আছিল। শিৱসাগৰত মহকুমাধিপতি হৈ থকা অৱস্থাত খেলা ধূলাৰ প্ৰচলন আৰু উন্নতিৰ বাবেও চেষ্টা কৰিছিল। তেখেতে এগৰাকী বৃটিছ মহিলা বিয়া কৰাইছিল। ১৯৫৬ চনত চাকৰিৰ পৰা অৱসৰ লোৱাৰ পাছত তেখেত পত্নীৰ লগত কিছুদিন ইংলেণ্ডলৈ গুচি গৈছিল। তেখেতসকলৰ একমাত্ৰ পুত্ৰই তেতিয়া তাত পঢ়া শুনা কৰি আছিল। কিছুদিনৰ পাছত তেখেত শ্বিলংলৈ ঘুৰি আহে আৰু ১৯৮৪ চনত তেখেত শ্বিলঙতে মৃত্যু মুখত পৰে। দেউতাকৰ কবৰৰ ওচৰতে তেখেতক সমাধিস্থ কৰা হয়।❖

# চান্দ মোহাম্মদ চৌধুৰী

সংকলক ঃ দেবিৰা চুলতানা আহমদ



'চান্দ মোহাম্মদ চৌধুৰী কামৰূপী এগৰাকী অক্লান্ত সাহিত্য সেৱী আৰু দেশ হিতৈষী ব্যক্তি'। শ্ৰীলক্ষ্যধৰ চৌধুৰী ডাঙৰীয়াৰ এই বাক্যটিয়ে এই কামৰূপী উপাধিধাৰী ব্যক্তি গৰাকীনো কোন আৰু কেনে ব্যক্তি আছিল তাৰ এটা পৰিচয় দাঙি ধৰিছে।

১৮৯৬ চনৰ ২৫ চেপ্টেম্বৰত বাইহাটা চাৰিআলিৰ ওচৰৰ পিয়ালিখাটা নামৰ গাঁওখনত চান্দ মোহাম্মদ চৌধুৰীৰ জন্ম। পিতাক নিয়ামত আলি আছিল এজন উদাৰমনা নৈষ্ঠিক মুছলমান, যাৰ ধমনিত বৈছিল পাঠানৰ তেজ আৰু মাতৃ আছিল সোনাবানু চৌধুৰী। প্ৰায় ৫০০ মান বছৰৰ পূৰ্ব্বে তেখেত সকলৰ পূৰ্ব্ব পুৰুষে যুঁজাৰু হিচাপে অসমত প্ৰবেশ কৰে। সময়ৰ সোতত অসমৰ মাটি পানীতে পৰিপুষ্ট হৈ মাতে কথাই, আচাৰে-ব্যৱহাৰে থলুৱা অসমীয়া হৈ পৰে। নিয়ামত আলি চৌধুৰী আছিল এজন সুন্দৰ, সুঠাম, চেহেৰাৰ পুৰুষ আৰু সেই সময়ত সেই অঞ্চলৰ এগৰাকী অগ্ৰগণ্য সৰবৰহী ব্যক্তি। তেখেত এজন মুছলমান হৈয়ো ১৯০১ চনৰ পৰা প্ৰায় ১০ বছৰমান স্থানীয় মদন কামদেৱ দেৱালয়ৰ দলৈ আছিল। দেৱালয় খনৰ টকাৰ নাটনি হোৱাত প্ৰথম ৪ বছৰমান খাজনা তেখেতেই আদায় কৰিছিল (পবিত্ৰ অসম, মহেশ্বৰ নেওগ) তেখেতৰ মৃত্যুৰ পাছত চান্দ মোহম্মদ চৌধুৰীকো দেৱালয়ৰ পৰিচালনা কমিটিৰ সদস্য নিৰ্ব্বাচিত কৰিছিল।

চান্দ মোহম্মদ চৌধুৰীয়ে আগদলা, কৰৰাত লৰালি কালৰ পঢ়াশুনা কৰি গুৱাহাটীত স্কুলীয়া শিক্ষা সমাপ্ত কৰি গুৱাহাটীৰ উপায়ুক্তৰ কাৰ্য্যালয়ত অফিছ সহকাৰী হিচাপে চাকৰি জীৱনৰ পাতনি মেলে। সেই যুগৰে বিখ্যাত উপন্যাসিক দৈৱচন্দ্ৰ তালুকদাৰ তেখেতৰ সহকৰ্মী আছিল। গুৱাহাটীত চাকৰি কৰা সময়ছোৱাত তেখেতে ছাত্ৰীবাৰী অঞ্চলত নিজৰ ঘৰ কৰি তাতে স্থায়ী বাসিন্দা হিচাপে বাস কৰিছিল। তেখেতে বৰপেটাৰ কাছাৰিতো চাকৰি কৰিছিল। বহুতে তেখেতক 'পেস্কাৰ' বুলিয়েই জানিছিল। শেষলৈ তেখেত ৰেভিনিউ চিৰস্তাদাৰ হৈছিলগৈ। কিন্তু কিবা কথাত উপায়ুক্তৰ লগত কথা কটাকটি হোৱাত নিজৰ আত্ম সন্মানত আঘাত লগাত সময়তকৈ বহু আগতেই তেখেতে চাকৰি ইস্তফা দি নিজৰ পিয়ালিখাটাৰ আশ্ৰম সদৃশ পৰিবেশেৰে আৱৰা নিয়ামত কুটিৰলৈ উভতি গৈছিল। সেই ঘৰতে থাকি তেখেতৰ অবৰ্ত্তমানত তেখেতৰ মৰমৰ পত্নী হাচান বানু চৌধুৰীয়ে তেখেত সকলৰ খেতি বাতি বোৰ চোৱা-চিতা কৰিছিল। শনি-দেওবাৰে আগতেও তেখেত আৰু গুৱাহাটীত পঢ়ি থকা লৰা ছোৱালী কেইটিয়ে ঘৰলৈ অহা-যোৱা কৰি আছিল। এইবাৰ তেখেতে নিগাজীকৈ গৈ থিতা পি ললে। 'বাঁহী' যুগৰ কবি হিচাপে খ্যাত চান্দ মোহম্মদ চৌধুৰীৰে অতি কম বয়সতেই (১৯১৬ চন) 'আলনুৰ' নামে হাতে লিখা আলোচনী এখন সম্পাদনা কৰি সাহিত্য চৰ্চা আৰম্ভ কৰে। সেই সময়ত হাতে লিখা আলোচনীৰ প্ৰচলন আছিল। ইয়াৰ পাছত অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী সম্পাদিত প্ৰখ্যাত আলোচনী 'চেতনা'ত চৌধুৰীৰ 'পৰ্দ্দা' নামৰ ৰচনাখন প্ৰকাশ পায়। প্ৰখ্যাত সাহিত্যিকৰ লেখাইহে তাত ঠাই পাইছিল। 'সাধনা' আন এখন উল্লেখযোগ্য আৰু গুৰুত্বপূৰ্ণ অসমীয়া আলোচনী য'ত চৌধুৰী চাহাবে 'বৰমেল' নামেৰে এলানি প্ৰবন্ধ লিখিছিল। 'বাঁহী'তো তেখেতৰ কবিতা সিঁচৰতি হৈ পৰিছিল। "আৱাহন' আৰু 'সুৰভি'ৰ নিচিনা প্ৰথম শ্ৰেণীৰ আলোচনীতো তেখেতে প্ৰবন্ধ পাতি লিখাটো উল্লেখযোগ্য। এই বিলাক আলোচনীৰ উপৰি তৰুণ অসম, শান্তিদূত, নাম নাই, ঈদজ্যোতি, নতুন অসমীয়া, দৈনিক অসম, সাদিন, অসম বাণী, আজান, ডেকা অসম, অসম ৰাইজ, যুগবাণী, আদি ভালেমান কাকত-পত্ৰত তেখেতৰ লিখা প্ৰকশিত হৈছিল।" (যোগেশ দাস, চান্দ মোহাম্মদ চৌধুৰী কামৰূপী, স্মৃতিগ্ৰন্থ)।

চান্দ মোহাম্মদ চৌধুৰীৰ ৰচনাবোৰ পুথিৰ আকাৰত প্ৰকাশ পোৱা নাই। তেখেতৰ প্ৰকাশিত পুথি এখনেই। সেইখন আছিল 'বিবাহ চিত্ৰ' (১৯৩৬ চন)। এই পুথিখনি লক্ষ্মীনাথ বেজবৰুৱা, বিহগী কবি ৰঘুনাথ চৌধাৰী আদিয়ে প্ৰশংসা কৰি গৈছে। তেখেতৰ ১৩ টা কবিতাৰ সংকলন "ভাব তৰঙ্গ" অপ্ৰকাশিত হৈয়ে ৰ'ল। কবি এম, ইব্ৰাহিম আলিয়ে, যাৰ সতে তেখেতৰ অতি আপোন সম্পৰ্ক আছিল, এই বিলাক কবিতাত থকা "থলুৱা মুছলমান ভাষাৰ বিশেষ প্ৰশংসা কৰিছে। যোগেশ দাস ডাঙৰীয়াৰ ভাষাত চান্দ মোহাম্মদ চৌধুৰী কামৰূপীৰ সমূহ ৰচনা একেখন গ্ৰন্থত ছপাই উলিয়াব পৰিলেহে এই জাতে-পাতে অসমীয়া ব্যক্তিজনৰ ব্যক্তিত্ব আৰু অৱদানৰ প্ৰকৃত মূল্যায়ন হব।

চান্দ মোহাম্মদ চৌধুৰী আছিল এজন প্ৰকৃত দেশ প্ৰেমিক আৰু সমাজ হিতৈষী ব্যক্তি। তেখেতৰ কামৰূপী উপাধিটো নামৰ পিছত যোগ দি নিজৰ কামৰূপৰ প্ৰতি ভালপোৱাকে ঘোষণা কৰিছিল। তেখেত প্ৰাচীন কামৰপক লৈ গৌৰববোধ কৰিছিল। 'কামৰূপী' শব্দেৰে তেখেতে কেৱল জন্মভূমি কামৰূপ জিলাকে বুজোৱা নাছিল। প্ৰাচীন অসমক বুজাবলৈ ব্যৱহাৰ হোৱা বহল কামৰূপখনৰ পৰাহে তেখেতৰ 'কামৰূপী' ধাৰণাৰ জন্ম হৈছিল। কমলপুৰ অঞ্চলৰ বিভিন্ন সামাজিক কামত তেখেত জড়িত আছিল আৰু সকলো কামতে আগ ভাগ লৈ নিজৰ দায়িত্ব পালন কৰাত তেখেত সদায়ে আগৰণুৱা আছিল। এই অঞ্চলৰ নানান শিক্ষা অনুষ্ঠান, ধৰ্ম্ম অনুষ্ঠান আৰু সাহিত্য সংস্কৃতি সংস্থাৰ সতে তেখেত আজীৱন জড়িত আছিল। তেখেত অসম আৰু অসমীয়াক অন্তৰৰ পৰা ভাল পাইছিল। ১৯৪৪ বৰপেটাত ছাৰ চৈয়দ ছাদুল্লা চাহাবৰ নেতৃত্বত মুছলীম লীগৰ অধিৱেশন বহা অৱস্থাত পূৰ্ব্ববংগৰ পমুৱা কৃষক সকলৰ সমস্যাৰাজিৰ আলোচনা কৰিছিল স্থানীয় কৰ্ম্মকৰ্ত্তাসকলে। তেখেত এজন ব্ৰিটিছৰ দিনৰ চৰকাৰী চাকৰিয়াল হৈয়ো নিৰ্ভয়ে মুছলিম লীগৰ অধিবেশনৰ ক্ৰিয়া কাণ্ডৰ সমালোচনা কৰিছিল। কিন্তু তাৰ উদ্যোক্তা ছাৰ ছৈয়দ ছাদুল্লাৰ প্ৰতি ব্যক্তিগত ভাৱে থকা তেখেতৰ অগাধ শ্ৰদ্ধা তেতিয়াও অটুট আছিল। তেখেতে অসমীয়া আৰু অসমীয়া জাতিৰ

ভৱিষ্যতৰ স্বাথত নিজৰ চাকৰিকো তুচ্ছ জ্ঞান কৰিছিল । তেখেতৰ এই দেশ প্ৰেমৰ চানেকীয়ে বেনুধৰ শৰ্ম্মা ডাঙৰীয়াক মুগ্ধ কৰিছিল। তেখেতে পমুৱা সকলক অসমীয়া জাতিৰ লগত লীন হৈ যাবলৈ উপদেশ দিছিল।

১৯৫২ চনত তেখেত কমলপুৰ বিধানসভা সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী হিচবে প্ৰতিদ্বন্দ্বিতা কৰি কেইটামান ভোটত পৰাজয় বৰণ কৰছিল। তেখেতৰ ঘৰ 'নিয়ামত কুটিৰ' সদায়ে সকলোৰে বাবে খোলা আছিল। বন্ধু-বান্ধৱ, আপোন পৰিয়ালেই নহয়, অভাবী ছাত্ৰ-সকলেও ইয়াত আশ্ৰয় পাইছিল। বাইহাটা চাৰিআলি অঞ্চলত বিস্তাৰিত ঐতিহ্যমণ্ডিত মদন কামদেৱ মন্দিৰ, গোৰেশ্বৰ দেৱালয়, পিঙ্গলেশ্বৰ দেৱালয়, পাত্ৰপুৰৰ মছজিদ আদিৰ বিষয়ে ডাঃ মহেশ্বৰ নেওগদেৱক এই চান্দ মোহাম্মদ চৌধুৰীয়েই সম্বল যোগাইছিল। পিঙ্গলেশ্বৰ দেৱালয়ৰ ওচৰত অলৌকিক ভাৱে মাটিৰ তলৰ পৰা এখন হাতে লিখা কোৰাণ শ্বৰিফ উদ্ধাৰ হোৱাত ইয়াক সংৰক্ষণ কৰি ৰখা মছজিদটিত সৰ্বাঙ্গীণ উন্নতিৰ বাবে যত্নপৰ হোৱা লোক সকলৰ ভিতৰত চান্দ মোহম্মদ কামৰূপী অন্যতম। তেখেতৰ চেষ্টাতে বৃটিছৰ যুগতেই টেঙাবাৰী বালক মক্তৱ আৰু বালিকা মক্তৱ নামেৰে দুখন প্ৰাথমিক বিদ্যালয় একেখন গাৱঁতে স্থাপিত হৈছিল।

তেখেত ধাৰ্ম্মিক ব্যক্তি আছিল। পাঞ্জাগান নামাজী আছিল। সদায় পুৱতি নিশাতে উঠি কোৰাণ শ্বৰিফ পঢ়িছিল আৰু ইয়াক অনুবাদ সহ নিজে পঢ়ি আনকো বুজাবৰ চেষ্টা কৰিছিল। তেখেতে ইছলামৰ ধৰ্ম্মৰ অনুশাসন মানি চলিছিল যদিও গোড়া নাছিল। দুখীয়াৰ প্ৰতি তেখেতৰ কোমল অন্তৰ আছিল। ঘৰৰ কাম কৰা মানুহবোৰৰ খোৱা লোৱাৰো চকু দিছিল। ডাঙৰ দীঘল কৰি সংসাৰ পাতি দিছিল। তেখেতৰ পৰিবাৰৰ মৃত্যুৰ পাছত তেখেতৰ অতি কুমলীয়া বয়সতে বিধবা হোৱা বৰ জীয়ৰী চুফিয়া বেগম আৰু তুলিলোৱা ছোৱালী আৰু আন আত্মীয় সকলেই তেখেতক চোৱা-চিতা কৰিছিল। একমাত্ৰ পুত্ৰ জাহিদ চৌধুৰীয়ে গুৱাহাটীত কলেজত চাকৰিত সোমাই অধ্যক্ষ হৈছিল। মাজু জীয়ৰী চালেহা খাতুনৰ ১৯৪৯ চতে ন্যায়াধীশ বাহাৰুল ইছলাম চাহাবৰ সৈতে বিয়া হৈছিল। সৰু জীয়ৰী ৰাণীৰো

ইতিমধ্যে গান্ধীবস্তি নিবাসী আমিনুৰ ৰহমানৰ (পাছলৈ গড়কাপ্তানি বিভাগৰ মুখ্য অভিযন্তা) লগত বিয়া হোৱাত চান্দ মোহম্মদ চৌধুৰী ডাঙৰীয়াৰ ঘৰ খালী হৈ পৰিছিল।

চৌধুৰী চাহাব সকলো কথাতে নিয়মীয়া আছিল। ফজৰৰ নামাজৰ পাছত সদায় খোজ কাঢ়িছিল আৰু খেলা-ধূলাতো তেখেতৰ ৰাপ আছিল। উক্ত কাৰণতেই হয়তো তেখেতে সুদীৰ্ঘ ৮৩ বছৰ কাল সুস্বাস্থ্যৰ অধিকাৰী আছিল। ১৯৭৮ চনৰ ৪ ডিচেম্বৰৰ দিনা পৱিত্ৰ মোহৰৰম মাহত মগৰিবৰ আজানৰ লগে লগে এই মহান ব্যক্তি গৰাকীৰ ইন্তেকাল হয়।❖

---

(চৌধুৰী চাহাবৰ কন্যা হাছনা ৰহমানৰ সৌজন্যত পোৱা চান্দ মোহাম্মদ চৌধুৰীৰ কামৰূপীৰ স্মৃতিগ্ৰন্থৰ আলমত আৰু আলোকচিত্ৰও হাজনা ৰহমানৰ সৌজন্যত পোৱা)।

# খোছনুৰ আলী বৰুৱা

সংকলক ঃ দেবিৰা চুলতানা আহমদ



খোছনুৰ আলী বৰুৱা ১৮৫৭ চনৰ বিদ্ৰোহী লুকী শেনচোৱা বৰুৱাৰ আজোনাতি। লুকী শেনচোৱা বৰুৱা আহোম পৰিয়ালৰ লোক আছিল। যোৰহাটৰ পুলিবৰ অঞ্চল আৰু যোৰহাটৰ ওচৰৰ কাকজান অঞ্চলত তেখেতসকলৰ খাটপাম আছিল। ডেকা অৱস্থাত মৰঙ্গীখোৱা গোঁহাই আৰু আন বিদ্ৰোহী সকলৰ লগতে হৰনাথ দাৰোগা আদিৰ বিশ্বাসঘাটকতাৰ বাবে হলৰইড চাহাবৰ হাতত ধৰা পৰি তেখেত বন্দী হয় আৰু বিচাৰৰ শেষত ১৪ বছৰৰ বাবে আন্দামানলৈ (কলীয়াপানীলৈ) নিৰ্ব্বাসিত হয়। মুক্তিৰ পাছত কিছুদিন মৰঙ্গীখোৱা গোঁহাইৰ লগতে কটাই তেখেতে কছাৰীহাটত নিগাজীকৈ থাকিবলৈ লয়। তেখেতে নিজৰ যোৰহাটৰ ওচৰত থকা ভেটিলৈ ঘুৰি নাহিল। তেখেতৰ কাকজানত থকা মাটি ভেটি ব্ৰিটিছ চৰকাৰে বাজেয়াপ্ত কৰে। 'লুকী বৰুৱা আছিল কাকজানৰ মৰ্য্যদা সম্পন্ন শেষ আহোম ৰাজ বিষয়া, কাকজানত শেনচোৱা বৰুৱাৰ বিষয়বাব খোৱা মহিধৰ শেনচোৱা বৰুৱাৰ জাকত জিলিকা লৰা লুকীয়ে তেতিয়াৰ ৰাজ ঘৰৰ বাহিৰে ভিতৰে দপদপাই ফুৰিছিল। চালে চকুৰোৱা ৰাজকুমাৰী পদ্মাৱতীৰ তেখেতে পাণি গ্ৰহণ কৰিছিল। মহিধৰৰ পিতৃ আত্মাৰাম ৰংপুৰৰ খাৰঘৰীয়া ফুকন আছিল আৰু তেখেত কাকজানৰ নিবাসী নাছিল। আহোম শাসন তন্ত্ৰৰ এটি ঐতিহ্যপূৰ্ণ পৰিয়াল লান বাখৰু চেতিয়া

ফৈদৰ বংশৰ লোক আছিল শেনচোৱা বৰুৱা । গদাপানীৰ ভিনীহিয়েক বন্দৰ বৰফুকন আছিল তেখেতসকলৰ এজন পূৰ্ব্বজ। সৰু চৰাইত থকা নিজা পৰিয়ালৰ লগতে কছাৰীহাট বচা-দৈয়াঙৰ সম্ভ্ৰান্ত মুছলমান পৰিয়াল এটায়ো তেখেতৰ পো-পোৱালী বুলি পৰিচয় দিয়ে। চৰকাৰীকৰণ হোৱা পুৰণি হাউলিৰ মাটি ভেটিত ঐতিহাসিক শেনচোৱা বৰুৱা পুখুৰীৰ পাৰতে ব্ৰিটিছ চৰকাৰে কাকজান মধ্য ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা কৰে।' (উপৰুক্ত কথাখিনি ছৈয়দ আব্দুল হালিমৰ হাতে লিখা টোকাৰ পৰা গ্ৰহণ কৰা হৈছে। লুকী শেনচোৱা বৰুৱাৰ ভেটিতে স্কুল প্ৰতিষ্ঠা হোৱা কথাটো চকুত পৰি এই কথাখিনি উদ্বৃত কৰাৰ লোভ সামৰিব নোৱাৰিলো)।

তেখেতৰ পৰিয়ালৰ আন লোক সকল বৰ্ত্তমানেও পুলিবৰতে আছে। লুকী বৰুৱাই, কছাৰীহাটতে মুছলমান ছোৱালী বিয়া কৰায় আৰু ইছলাম ধৰ্ম্মত দীক্ষা লয়। তেখেতৰ পুতেক আছিল গেলা বৰুৱা আৰু নাতিনীয়েক আছিল বোৰহান আলী বৰুৱা। তেখেতৰে পুতেক খোছনুৰ আলী বৰুৱা। খোছনুৰ আলী বৰুৱাৰ মাক আছিল বাহাদুৰ গাওঁবুঢ়াৰ পৰিয়ালৰ বছাৰণী (বচানী) আই।

খোছনুৰ আলী বৰুৱা বচা-দৈয়াং-বৰহোলা অঞ্চলৰ এজন মুখিয়াল ব্যক্তি আছিল। তেখেত পুৰণি আৰু নতুন বৰহোলাৰ 'মুখপাত্ৰ স্বৰূপ', মানুহৰ উপকাৰ কৰি ভালপোৱা বৰুৱা আছিল এগৰাকী কোমল অন্তৰৰ, সমাজ সচেতন, কঠোৰ পৰিশ্ৰমী বিশিষ্ট খেতিয়ক। আনহাতে অতিশয় স্বাধীনতা প্ৰিয়, পৰিবৰ্ত্তন কামী এইলোকজন তেখেতৰ পূৰ্ব্বপুৰুষৰ দৰেই এজন আজন্ম ব্ৰিটিছ বিৰোধী ব্যক্তি আছিল।

খোছনুৰ আলী বৰুৱাৰ জন্ম ১৮৯৭ চনত বৰ ভূমিকম্পৰ আগত। তেখেতে এম-ই-লৈকে পঢ়িছিল।এনেতে দেউতাকৰ মৃত্যু হোৱাত তেখেত সকল কছাৰীহাটৰ পৰা শিঙৰাজানলৈ উঠি আহে। তেখেতক কম বয়সতে মহাত্মা গান্ধীৰ স্বাধীনতাৰ আহবানে আকৰ্ষিত কৰে। লিখা পঢ়া কম হলেও তেখেত জ্ঞানী আছিল। হাতৰ আগত পোৱা সকলো কাগজ পত্ৰিকা পঢ়ি দেশ, বিদেশৰ জ্ঞান আহৰণ কৰিছিল আৰু আনকো তাৰ ভাগ দিছিল। ১৯১৯ চনত খিলাফত আৰু ১৯২১ চনত অসহযোগ আন্দোলনত তেখেতে সহযোগ কৰিছিল। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত

যোগদান কৰিছিল। সেই সময়ৰ আন এজন বিপ্লৱী ভদ্ৰ ফুকনেও কংগ্ৰেছত যোগ দিছিল। মহাত্মা গান্ধী গোলাঘাটলৈ অহাৰ সময়তো বৰুৱা আৰু ফুকনে জাতিৰ পিতাক লগ ধৰিছিল। তেখেত এজন সক্ৰিয় স্বাধীনতা সংগ্ৰামী। ১৯৩৬ চনৰ পৰা গোলাঘাট, যোৰহাট আদি অঞ্চলৰ আন্দোলনত অংশ গ্ৰহণ কৰিছিল। তেখেত এই স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ কথা ভদ্ৰকান্ত ফুকনে ১৯৭৫ চনত ৰাষ্ট্ৰপতি ফখৰুদ্দিন আহমদ চাহাবলৈ লিখা চিঠিত উল্লেখ আছে। ইয়াৰ উপৰিও সৰ্ব্বেশ্বৰ বৰদলৈ, বিপ্লৱী সুৰেন ফুকন, বৰহোলাৰ সমাজ কৰ্ম্মী ইউচুফ আলী, সমাজ কৰ্ম্মী ৰেবকান্ত হাজৰিকা, বৰহোলাৰ বয়োবৃদ্ধ নাগৰিক শ্ৰীযুক্ত কৃষ্ণকান্ত শৰ্ম্মা বৰুৱা, মলকা বৰুৱা আৰু নীলমনি ফুকন ডাঙৰীয়া আদিৰ উক্তিৰ পৰাও এই কথা নিশ্চিত হব পাৰি। নীলমনি ফুকন ডাঙৰীয়াৰ মতে নুনু (খোছনুৰ) বৰুৱাই ‘under ground’অত কাম কৰিছিল তেখেতে এজন নিভাজ ভলণ্টিয়াৰ হিচাপেই কাম কৰি ফুৰিছিল। জেললৈ যোৱাৰ পৰিবৰ্ত্তে জয় প্ৰকাশ নাৰায়ণ, ডাঃ ৰাম মনোহৰ লোহিয়া, অ ৰুণা আশ্ৰফ আলী আদিৰ আহ্বানত প্ৰতিৰোধ আন্দোলত ব্ৰতী হৈ অঞ্চলটোত আন্দোলনৰ ঢৌ বিয়পাই দিছিল। সেই সময়ৰ কিম্বদন্তী পুৰুষ বিপ্লৱী বীৰ শঙ্কৰ চন্দ্ৰ বৰুৱাই আত্মগোপন কৰি থকা অৱস্থাত খোছনুৰ আলী বৰুৱাই তেখেতৰ বাহিৰৰ জগতৰ লগত যোগসূত্ৰ আছিল আৰু নিজৰ ঘৰতো শঙ্কৰ বৰুৱাক মাজে সময়ে আশ্ৰয় দিছিল। দ্বিতীয় মহা সমৰৰ পাছতে দেশত ১৯৪৬ চনত কংগ্ৰেছ চ'ছিয়েলিষ্ট পৰ্টিৰ গঠন হয়। তেতিয়াৰ পৰাই খোচনুৰ বৰুৱাই কংগ্ৰেছ ত্যাগ কৰি চছিয়েলিষ্ট হৈ পৰে। তেখেত স্বাধীনতা সংগ্ৰামত দেহে কেহে লাগি থকা অৱস্থাত নতুনকৈ খোলা গড়াজান বাগিছাখনৰ মালিকী হেৰুৱাব লগা হল। মাত্ৰ জেললৈ নগৈ তলে তলে কাম কৰা বাবে ভাৰত স্বাধীন হোৱাৰ পাছতো চৰকাৰৰ পৰা কোনো স্বীকৃতি নাপালে। তেখেতৰ কৰ্ম্মক্ষেত্ৰ অকল বৰহোলা অঞ্চলতে সীমাবদ্ধ নাছিল। পাছলৈ চ'ছিয়েলিষ্ট পাৰ্টিৰ কৰ্মী হিচাপে তেখেতে ১৯৪৮ চনত বাহাৰুল ইছলামে চছিয়েলিষ্ট পাৰ্টিৰ প্ৰাৰ্থী হিচাপে উত্তৰ কামৰূপৰ পৰা প্ৰতিদ্বন্দীতা কৰোতে নিৰ্ব্বাচনৰ কামত সহায় কৰিছিল। জীৱনৰ বাকীছোৱা কালো তেখেতে যোৰহাট জিলাৰ এজন বিশিষ্ট চ'ছিয়েলিষ্ট হিচাপে অতিবাহিত কৰে।

খোছনূৰ বৰুৱা, যাক ৰাইজে নুনু বৰুৱা বুলিহে জানিছিল, এগৰাকী অক্লান্ত সমাজ সেৱক আছিল। তেখেতে যি বয়সত শিঙৰাজান এৰি বৰহোলালৈ উঠি আহিছিল, তেতিয়াৰ বৰহোলা বন-জংঘলেৰে পৰিপূৰ্ণ আছিল। লোক বসতি সেৰেঙা আছিল। তেখেত ডেকা বয়সতে আহিয়েই স্থানীয় মুছলমান আৰু খেৰেমা সোনৱাল কছাৰী সকলৰ অন্তৰ জয় কৰাত সমৰ্থ হৈছিল। তেখেতসকলে নুনু বৰুৱাৰ পৰামৰ্শ আৰু উৎসাহসত ক্ৰমে শিলডুবি, গড়াজানলৈ গৈ মাটি ধৰিছিল আৰু গাওঁ পাতিছিল আৰু কুহিয়াৰ, চাহ, কমলা বাগান স্থাপন কৰাত বৰুৱাক সহায় কৰিছিল। তেখেতৰ চেষ্টাতে আৰু ৰাইজৰ সহযোগিতাত কাকডোঙা ঘাটটো নদীৰ দলংৰ কাষলৈ আনি ন' আলিটো দলঙলৈ পোন কৰে। এই কাম শেষ হোৱাত ১৯২৭ চন মানৰ পৰাই বৰহোলা বজাৰ অঞ্চল আৰম্ভ হয়। ইয়াৰ উপৰিও গান্ধী আলি আৰু ইকৰা বছাৰণী পথ বন্ধা কামত তেখেতে বিশিষ্ট ভূমিকা পালন কৰিছিল। তেখেতৰ নামেৰে নামকৰণ হোৱা নুনু বৰুৱা আলিটো তেখেতৰ একক প্ৰচেষ্টাৰ ফলশ্ৰুতি আছিল। এই পথবোৰ হোৱাত গাওঁবোৰৰ মাজত পাৰস্পৰিক সম্বন্ধ বৃদ্ধি পাইছিল। তাৰ লগে লগে স্বাধীনতা সংগ্ৰামী সকলে জনগনক অধিক ঐক্যবদ্ধ আৰু শিক্ষিত কৰিবলৈ সুযোগ লাভ কৰিছিল। তেখেতে অস্পৃশ্যতা দূৰ কৰিবলৈ চেষ্টা কৰিছিল আৰু কানি নিবাৰণৰ বাবেও চেষ্টা কৰিছিল। ৰাইজক সামাজিক আৰু ৰাজনৈতিক শিক্ষা দিয়াতো তেখেত আগ ৰণুৱা আছিল। সকলো ধৰণৰ কাগজ পত্ৰ পঢ়ি মানুহক দেশৰ আৰু বিদেশৰ খবৰ জনাইছিল। সেই সময়ত ৰেডিঅ' বা টি,ভি,ৰ প্ৰচলন নথকা বাবে মানুহবোৰে দেশ বিদেশৰ খবৰ একো নাজানিছিল। ৰাইজ আৰু দেশৰ কামত ব্যস্ত থকা বাবে তেখেতে পলমকৈ বিয়া কৰাইছিল। ১৯৩৩ চনত তেখেতে আনোৱাৰা ৰহমানক বিয়া কৰায় আৰু ১৯৪০ চনত তেখেতৰ মৃত্যু হোৱাত যোৰহাটৰ হাজী আনৱাৰ শাহ ফকীৰৰ পৰিয়ালৰ ডাঃ ইয়াৰ আলীৰ কন্যা মৰিয়াম নিছাক ১৯৪১ চনত বিয়া কৰায়। নুনু বৰুৱাই ৮ জন পুত্ৰ আৰু ৩ গৰাকী কন্যা এৰি থৈ যায়। তেখেতৰ এজন পুতেক ৰফিউল হুছেইন বৰুৱা 'ইছলামীয় ঐতিহ্য আৰু অসম'ৰ প্ৰণেতা।

১৯১৯ চন মানতে নুনু আলিটো মুকলি হোৱাৰ লগে লগে গড়াজান অঞ্চলত চাহ খেতিৰ বাবে হাবি কাটি মাটি সমান কৰাৰ কাম আৰম্ভ হৈছিল। ১৯২৩ চনত প্ৰথম অৱস্থাত কুহিয়াৰ খেতি আৰু পাছলৈ কুহিয়াৰৰ মাজে মাজে চাহ খেতি আৰম্ভ কৰিছিল। সেই সময়তে শেখ ফাজিজোৰ ৰহমান চাহাবে যুটীয়া স্বত্বাধিকাৰ ভিত্তিত নুনু বৰুৱাৰ লগত বাগিচা স্থাপনৰ কামত সহযোগ কৰে। তেখেতলোক দুজনে ৬ বিঘা ৪ কথা মাটি ৪০ টকাতে ক্ৰয় কৰিছিল বুলি জনা যায়। প্ৰথম বাগিছাখন কুঁহিয়াৰবাৰী আৰু পাছলৈ গড়াজান চাহ বাগিচা বুলি জনাজাত হৈছিল। সেই সময়ত সেই অঞ্চলত অনেক বনৰীয়া জন্তু ওলাইছিল। নুনু বৰুৱা এজন পাকৈত চিকাৰী হোৱা হেতুকে সেইবোৰ বন্দুকেৰে গুলীয়াই হত্যা কৰিছিল। বৰুৱাই ১৯৩২ চনত আন্দোলনত যোগ দিয়া বাবে বাগান খনৰ পৰা ওলাই আহিব লগা হয়। সেই সময়তে তেখেতে খাজানা বন্ধ কৰা আন্দোলনতো জড়িত হৈ পৰিছিল। তেখেতৰ বাবে চাহবাগানৰ মোহ দেশ প্ৰেমতকৈ তুচ্ছ আছিল। বাগ্মী বীৰ নীলমনি ফুকন ডাঙৰীয়াইৰ ১৯৭৫ চনৰ এটি সাক্ষাৎকাৰৰ এটি মন্তব্য এই ধৰণৰ আছিল "গড়াজান বাগানখনৰ এসময়ত তেখেত মালিক আছিল। আন্দোলত লাগিয়েই সম্পতি সকলো হেৰুৱালে।" তেখেতে এখন কমলাৰ বাগানো খুলিছিল। সেইখন পৰিয়ালে ১৯৭১ চনত চিলিং এক্টত হেৰুৱালে।

স্বাধীনতাৰ পূৰ্বেই বৰহোলা অঞ্চলত শিক্ষা বিস্তাৰৰ চেষ্টা কৰিছিল। নিজেও শিক্ষা দিছিল আৰু নৈশ স্কুল স্থাপন কৰিছিল। ১৯২৭ চনত বৰহোলা চাহ বাগিচাৰ মেনেজৰ E.R. Church ৰ দান আৰু বৰহোলাৰ বিশিষ্ট ব্যক্তি গৌহৰ আলী চাহাবৰ চেষ্টাত বৰহোলাৰ প্ৰথম প্ৰাইমেৰী স্কুলখন প্ৰতিষ্ঠিত হয়। নুনু বৰুৱাই বৰহোলা এম,ই স্কুলখন প্ৰতিষ্ঠা কৰোতে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। ১৯৪৫ চনলৈকে বৰহোলাত এম, ই, স্কুল নাছিল। বৰুৱাই ৰোযেশ্বৰ মহন্তৰ লগ লাগি বৰহোলা এম, ই স্কুলখন খুলিলে। পাছত সেইখনেই হাইস্কুল হৈ হায়াৰ চেকেণ্ডাৰী স্কুল হল। মৃত্যুৰ সময়লৈকে প্ৰায় ১০বছৰ তেখেত এই স্কুলৰ পৰিচালনা সমিতিৰ সভাপতি আছিল। তেখেতে এই অঞ্চলটোৰ সকলো উন্নয়ণমূলক আৰু গঠনমূলক

কামতে লিপ্ত আছিল। দেশ স্বাধীনহোৱা দিনাই তেখেতে বৰহোলা প্ৰাইমেৰী স্কুলত হোৱা ৰাজহুৱা সভাত ভাষণ দিছিল। সেইদিনাই তেখেতৰ ঘৰতে কংগ্ৰেছী আৰু চ'ছিয়েলিষ্ট সকলো স্বাধীনতা সংগ্ৰামীয়ে জলযোগ কৰি অস্পৃশ্যতা দূৰ কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছিল। বিভিন্ন ধৰ্ম্মৰ লোকৰ মাজত প্ৰীতি সম্প্ৰীতি অটুট ৰাখিবৰ বাবে তেখেতে সদায়ে চেষ্টা কৰিছিল। তেখেত কোমল আৰু সৰল অন্তঃকৰণৰ গৰাকী আছিল। দহৰ উপকাৰ কৰি আনন্দ লাভ কৰিছিল। বৰহোলা অঞ্চলটোৰ উন্নতিয়েই তেখেতৰ কাম্য আছিল আৰু ওৰে জীৱন এই চেষ্টাতে ব্ৰতী হৈ অঞ্চলটোৰ বহুতো পৰিবৰ্ত্তন আনিছিল। এই বিপ্লবী সমাজ কৰ্ম্মী গৰাকীৰ ১৯৬৩ চনৰ ২৪ নবেম্বৰ তাৰিখে বৰহোলাৰ নিজ গৃহত ইন্তেকাল হয়।❖

---

('বচা-দৈয়াং - বৰহোলা আৰু মৰহুম খোছনুৰ আলী বৰুৱা' নামৰ ৰফিউল হুছেইন বৰুৱাৰ পুথিৰ সহায়ত যুগুত কৰা।)

# মোহাম্মদ ছালেহ

মোহাম্মদ ছালেহৰ জন্ম গুৱাহাটীৰ লাখটকীয়াত **১৮৯৭** চনত। পিতৃ জমৰজ হুছেইন। মাতৃ চৈয়দা মেহেৰ ছাবিন। ছালেহ চাহাবে ১৯১৭ চনত সোনাৰাম হাইস্কুলৰ পৰা প্ৰবেশিকা পাছ কৰি কটন কলেজত ভৰ্ত্তি হয়। ১৯২১ চনত বি. এ. পাছ কৰি কটন কলেজিয়েট স্কুলত শিক্ষকতাৰ কামত সোমায়। ১৯৩০ চনত ঢাকাৰ পৰা বি.টি উপাধি লাভ কৰে।

তেখেত অসমীয়া ভাষা সাহিত্যৰ এগৰাকী একনিষ্ঠ সেৱক আছিল। তেখেতে ভালেমান প্ৰৱন্ধ আৰু কবিতা ৰচনা কৰিছিল। 'হাঁহিৰ থুনুপাক' মোহাম্মদ ছালেহে ৰচনা কৰা এখন ধেমেলীয়া গল্পৰ পুথি। ১৯২৩ চনত প্ৰকাশ হোৱা অসম মুছলমান ছাত্ৰ সন্মিলনৰ মুখপত্ৰ হিচাবে 'সাধনা' নামৰ এখন আলোচনী উলিয়াইছিল আৰু তাৰ সম্পাদক আছিল। এই তিনিমহীয়া আলোচনীখনী ১৯২৭ চনলৈকে চলিছিল। তেখেতে মুছলমান ছাত্ৰ-ছাত্ৰী সকলক অসমীয়া সাহিত্য সেৱাত আগভাগ লবলৈ উদ্‌গণি দিছিল আৰু নিজেও সাহিত্য সেৱা কৰি তেওঁলোকক আদৰ্শ দেখুৱাইছিল। 'খাদেম' বুলি এখন বাতৰি কাকতো উলিয়াছিল। কটন কলেজিয়েট স্কুলৰ মুখপত্ৰ 'প্ৰগতি' তেখেতে বহু বছৰ সম্পাদনা কৰিছিল।


তেখেতে হায়দৰাবাদত বহা 'অল ইণ্ডিয়া কনফাৰেন্সত' অসমৰ প্ৰতিনিধিৰূপে অংশ গ্ৰহণ কৰিছিল আৰু তাত 'Constitution of Muslims..... Assamese Literature' শীৰ্ষক এটা প্ৰৱন্ধ পাঠ কৰিছিল।

তেখেত ফাঁচী বজাৰ লাখটকীয়া অঞ্চলত সৰ্ব্বমান্য ব্যক্তি আছিল আৰু বহু মাৰোৱাৰী ল'ৰা ছোৱালীক অসমীয়া ভাষাৰ শিক্ষা দিছিল। আনকি অসমীয়া ভাষাত কবিতা লিখা বিশিষ্ট ব্যৱসায়ী ৰাম-নিৰঞ্জন গোৱেঙ্কাকো তেখেতে সৰুতে হেনো অসমীয়া লিখা-পঢ়া শিকাইছিল। ১৯৪৭ চনৰ ২৮ জুলাইত তেখেতৰ মৃত্যু হয়। ❖

(প্ৰসঙ্গ-কোষ, অসমীয়া জীৱনী অভিধান আৰু ঐতিহাসিক অঞ্চল লাখটকীয়া ঃ ছৈয়দ আব্দুল হালিম ঃ প্ৰান্তিক ১ ফেব্ৰুৱাৰী ২০০৪)

# চৈয়দুৰ ৰহমান

দেবিৰা চুলতানা আহমদ



খান বাহাদুৰ চৈয়দুৰ ৰহমান ডিব্ৰুগড়ৰ মুঞ্চিফ খান বাহাদুৰ আজিজুৰ ৰহমানৰ কনিষ্ঠ পুত্ৰ। আজিজুৰ ৰহমান মূলতে গুৱাহাটীৰ ফৌজদাৰ গাওঁৰ নিবাসী আছিল। তেখেত সকল মোগলৰ দিনৰ ফৌজদাৰৰ বংশধৰ। এই ফৌজদাৰ গাওঁ বৰ্ত্তমান লাখটকীয়া, মাছখোৰা অঞ্চলৰ অৰ্ন্তভুক্ত।

খানবাহাদুৰ চৈয়দুৰ ৰহমান গুৱাহাটীতে ডাঙৰ দীঘল হয় আৰু কটন কলেজৰ পৰা শিক্ষা শেষ কৰি কলিকতাৰ প্ৰেচিডেন্সি কলেজৰে পৰা স্বৰ্ণপদক সহ এম. এ. ডিগ্ৰী লাভ কৰে। তেখেতে কলিকতাৰ আইনৰ ডিগ্ৰীও লাভ কৰে। পৰীক্ষাৰ অন্তত তেখেতে ডিব্ৰুগড়লৈ ঘূৰি আহি ডিব্ৰুগড়ত ওকালতি আৰম্ভ কৰে আৰু সময়ত এগৰাকী নামজ্বলা উকিল হৈ পৰে। তেখেতৰ দেউতাক সেই সময়ত ডিব্ৰুগড়ৰ জুডিছিয়েল মেজিষ্ট্ৰেট আছিল।

কিছু বছৰৰ পাছত তেখেতে ৰাজনীতিত যোগ দিয়ে আৰু বিধায়ক নিৰ্বাচিত হয়। তেখেতক ছাদুল্লা মন্ত্ৰী সভাৰ মন্ত্ৰী পদ দিয়া হয়। প্ৰথম বাৰ নিৰ্বাচিত হোৱাৰ পাছত তেখেতে ৰাজহ আৰু বিত্ত বিভাগৰ মন্ত্ৰী আছিল। তেখেত দ্বিতীয় বাৰৰ নিৰ্বাচনতো জয়ী হয়। দ্বিতীয় বাৰৰ মন্ত্ৰী সভাত তেখেতক শিক্ষা মন্ত্ৰীৰ পদ দিয়া হয়। দুয়োবাৰ তেখেতে নিজৰে দায়িত্ব যোগ্যতাৰে পালন কৰে। ইয়াৰ পাছত তেখেতক অসম লোক সেৱা আয়োগৰ সদস্য মনোনীত কৰা

হয়। বৃটিছ চৰকাৰে তেখেতক খান বাহদুৰ আৰু চি. আই. ই. সন্মানেৰে ভূষিত কৰিছিল। কিন্তু স্বাধীনতাৰ আন্দোলনৰ সময়ত তেখেতে এই সন্মানৰ পদবি দুটা বৃটিছক ঘূৰাই দিছিল। যদিও তেখেতে কংগ্ৰেছ পাৰ্টিত যোগ দিয়া নাছিল তথাপি কংগ্ৰেছ শাসনৰ সময়তেই তেখেতক যোগ্যতাৰ বাবে লোক সেৱা আয়োগৰ সদস্যৰ পদ দিয়া হৈছিল। এই যোগ্য ব্যক্তি গৰাকীৰ মাত্ৰ ৫২ বছৰ বয়সতে ১৯৪৯ চনত মধুমেহ জনিত ৰোগত অকাল মৃত্যু হয়।

চৈয়দুৰ ৰহমান খোৱাত বৰ চৌখিন আছিল । ভাল ৰান্ধনিও আছিল। সুস্বাদু খাদ্য ৰন্ধাত পাৰ্গত আছিল। জৰ্দা পানো তেখেতৰ বৰ প্ৰিয় আছিল। মিঠাবস্তুও বৰ ভাল পাইছিল। সেয়ে কাল হ'ল।

তেখেতে গুৱাহাটীৰ কমাৰপটিৰ মিৰ মুছফি হুছেইনৰ কন্যা হেবিৰা আখতৰক বিয়া কৰাইছিল। হেবিৰা আখতৰ (জুৱেল) পূৰ্বৰ ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমদৰ অতি নিকট আত্মীয় আছিল।

তেখেত সকলৰ তিনি গৰাকী পুত্ৰ আৰু চাৰি গৰাকী কন্যা। প্ৰথমা কন্যা চালেহা ৰহমানক প্ৰাক্তন সাংসদ আটাউৰ ৰহমান চাহাবে বিয়া কৰিছে। এই বিয়াখনহে তেখেতৰ জীৱিত অৱস্থাত সম্পন্ন হৈছিল। বাকীবোৰ ল'ৰা-ছোৱালী সৰু থাকোতেই তেখেতৰ মৃত্যু হৈছিল ।

চৈয়দুৰ ৰহমান বৰ সাধু পুৰুষ আছিল। তেখেতৰ অকাল মৃত্যুৰ সময়ত শ্বিলঙত থকা ঘৰ আৰু মাটিৰ বাহিৰে পৰিয়ালৰ বাবে বিশেষ একো এৰি যোৱা নাছিল। চৰকাৰৰ পৰা ধাৰলৈ এখন 'চেভৰলে' গাড়ী কিনিছিল। ১০,০০০ টকা বাকী থকা ঋণ পৰিশোধ কৰিবৰ বাবে পৰিবাৰে গাড়ীখন বেচিহে সেই টকা চৰকাৰক শোধাব পাৰিছিল। ভালে কেইবছৰ মন্ত্ৰী হৈ থাকি এটি প্ৰতিষ্ঠিত পুৰণি পৰিয়ালৰ সন্তান হৈ এনে অৱস্থাত পৰিয়ালটি এৰি যোৱা কথাটো আজিৰ যুগৰ মন্ত্ৰী বিষয়াৰ সম্পত্তি গোটোৱাৰ প্ৰৱণতা দেখিলে মানুহ গৰাকীৰ প্ৰতি শ্ৰদ্ধাত মূৰ দোঁ খায়।

তেখেতৰ কাৰ্যকালত পাৰে মানে মানুহক চাকৰি দিছিল, যি পাৰিছিল সহায় কৰিছিল। এনে এগৰাকী সুযোগ্য পুৰুষৰ অকাল মৃত্যুত পৰিয়ালৰ উপৰিও ৰাইজৰো অনেক ক্ষতি হ'ল। ❖

---

(প্ৰাক্তন সাংসদ আটাউৰ ৰহমান চাহেবৰ হাতে লিখা টোকা, তেখেত আৰু তেখেতৰ পত্নী চালেহা ৰহমানৰ লগত হোৱা সাক্ষাতকাৰৰ দ্বাৰা যুগুত কৰা হৈছে। আলোকচিত্ৰখন তেখেতৰ পুত্ৰ ডঃ আবিদুৰ ৰহমানৰ সৌজন্যত পোৱা। )

# জুবেদা আটাউৰ ৰহমান

দেবিৰা চুলতানা আহমদ



জুবেদা আটাউৰ ৰহমান কুৰি শতিকাত শ্বিলঙৰ সামাজিক জীৱনৰ এটি অতি পৰিচিত নাম । এই গৰাকী সমাজ সেৱিকাৰ জন্ম ১৮৯৮ চনত ১ জুলাইত এটি পুৰণি অসমীয়া পৰিয়ালত । দেউতাক আছিল অসমৰ প্ৰথম বেৰিষ্টাৰ সকলৰ এজন আব্দুল মজিদ, মাক আছিল মফিদন নিছা। সৰু কালছোৱা তেখেতৰ বঙ্গ দেশৰ কেইবাখনো ঠাইত অতিবাহিত হয়। দেউতাক মজিদ চাহেব ডিষ্ট্ৰিক জজ হিচাপে ৰাজশাহী, হবিগঞ্জ আদি ঠাইত চাকৰি কৰি পাছত প্ৰথম জন অসমীয়া ন্যায়াধীশ হিচাপে কলিকতা হাইকোৰ্ট পায়হি। সেয়ে তেখেতে সৰু কালছোৱা সেই ঠাইবোৰৰ কনভেণ্ট স্কুল বোৰতহে পঢ়া শুনা কৰিছিল। মাতৃভাষা অসমীয়াৰ উপৰিও ইংৰাজী, বঙালী, হিন্দী উৰ্দ্দু আদি ভাষাও তেখেতে সলসলীয়াকৈ কব পাৰিছিল। স্কুলীয়া শিক্ষা শেষ কৰি কিছুদিন কলেজত পঢ়াৰ পাছত নাচিং শিক্ষা লবৰ ইচ্ছা কৰাত দেউতাক মজিদ চাহাবে আপত্তি নকৰি এই শিক্ষা ল'বলৈ অনুমতি দিয়ে। আজিৰ পৰা প্ৰায় ৯০ বছৰৰ আগতে এক সম্ভ্ৰান্ত মুছলমান পৰিয়ালৰ ছোৱালীয়ে এই শিক্ষা ল'বলৈ আগবঢ়াটো তেতিয়াৰ সমাজত ভাবিব নোৱাৰা কথা। নাৰ্চিং শিক্ষা লৈছিল যদিও তেখেতে পেছা হিচাপে ইয়াক কামত লগোৱা নাছিল। ইতিমধ্যে দেউতাকৰ কৰ্ম্মস্থল সলনি হোৱাত তেখেত সকল সেই সময়ত অসমৰ ৰাজধানী শ্বিলং পায়হি। তাৰ কিছুদিনৰ পাছতে তেখেতৰ ডিব্ৰুগড়ৰ হাকিম আটাউৰ ৰহমান চাহাবৰ লগত বিয়াৰ সম্বন্ধ হয়। এই বিয়াখন যোৰহাটৰ বালিবাটৰ মজিদ চাহেবৰ পৈত্ৰিক ভেটিৰ পৰা হৈছিল। স্বামীৰ লগত

অসমৰ নানা ঠাই ঘুৰি, শেষত তেখেত সকলে শ্বিলঙত থিতাপি লয়। আটাউৰ ৰহমান চাহাবে উপায়ুক্ত হিচাপে অৱসৰ লয়।

শ্বিলঙলৈ অহাৰ লগে লগে তেখেত সমাজ সেৱাত ব্যস্ত হৈ পৰে। ১৯৩৭ চনত তেখেত অসমৰ তৎকালীন লেজিছ্‌-লেটিভ কাউন্সিললৈ মনোনীত হয় আৰু ইয়াৰ উপাধ্যক্ষ হয়। এই উচ্চ পদ বিলৈ নিৰ্বাচিত হোৱা তেখেতে ই প্ৰথম অসমীয়া মহিলা। ইতিমধ্যে দ্বিতীয় মহাযুদ্ধ আৰম্ভ হৈছিল। আহত সৈন্য সকলৰ সেৱাত তেখেতে আত্ম নিয়োগ কৰে। সেই সেৱাৰ বাবে তেখেতক Kaiser E-Hind পদক দিয়া হৈছিল । ইয়াৰ পাছতো জনসাধাৰণৰ সেৱাৰ বাবে তেখেতে সদায়েই ব্ৰতী আছিল। সেয়ে অসমীয়া, খাচীয়া, হিন্দু, মুছলমান সকলোৰে মাজত তেখেত সমানেই প্ৰিয় আছিল আৰু সকলোৰে শ্ৰদ্ধাৰ পাত্ৰী আছিল। দ্বিতীয় মহাযুদ্ধৰ সময়ত সেই সময়ৰ মিত্ৰ বাহিনীৰ ভাৰতীয় মঞ্চৰ সেনাধ্যক্ষ ছাৰ অকিনলেকে তেখেত আৰু তেখেতৰ সহায়ক সকলৰ কামৰ প্ৰশংসা কৰিছিল।

১৯৫৮ চনত শ্বিলঙত মহিলা মজলিছ প্ৰতিষ্ঠা হোৱাৰ সময়ত তেখেতেই ইয়াৰ প্ৰথম সভাপতি নিৰ্বাচিত হৈছিল। এই অনুষ্ঠানৰ যোগেদি ৰাইজক সেৱা কৰাৰ উপৰিও তেখেতে ব্যক্তিগত হিচাপে পৰিয়ালৰ অভাৱগ্ৰস্থ সকলক সহায় কৰিছিল। সকলোকে সজ-উপদেশ দিছিল আৰু তাৰ পৰা ব্যক্তিগত জীৱনত অনেক লোক উপকৃত হৈছিল।

জুবেদা আটাউৰ ৰহমান এগৰাকী পাকৈত ৰান্ধনীও আছিল। আমাৰ সৰু কালত যোৰহাটৰ ঘৰলৈ আহি যি কেইদিন তেখেত তাত আছিল সেই কেইদিনতে আমাৰ মাহী সকলক নানা ধৰণৰ উৎকৃষ্ট খাদ্য ৰান্ধিবলৈ শিকাইছিল। ফুল তোলা, উণ গোঠা আদি কামতো তেখেত নিপুণ আছিল। তেখেত এগৰাকী ধৰ্ম্মপ্ৰাণা মহিলা আছিল । কাপোৰৰ আবুৰ ৰাখিছিল। ১৯৫৬ চনত তেখেতে হজ ব্ৰত পালন কৰে। তেখেতক এজন মাত্ৰ পুত্ৰ সন্তান আছিল। তেখেত এগৰাকী কৃতী ছাত্ৰ আছিল আৰু উচ্চপদস্থ চাকৰীয়াল আছিল। তেখেতৰো অকাল মৃত্যু হয়। শেষ সময়ত স্বামীৰ মৃত্যুৰ পাছত জুবেদা আটাউৰ ৰহমান সৰু ভায়েক চফকত মজিদৰ লগতে থাকিবলৈ লয়। এই ভায়েকৰো অকাল মৃত্যু হোৱাত তেখেতে চফকত মজিদৰ পত্নী মেৰেজা মজিদৰ লগতে জীৱনৰ বিয়লি দিন কেইটা কটায়।

১৯৭৬ চনত এই গৰাকী ধৰ্ম্ম প্ৰাণা সমাজ কৰ্ম্মীয়ে শেষ লীলা সম্বৰণ কৰে। তেখেতক শিলঙতে পিতৃ আৰু স্বামীৰ ওচৰতে সমাধিস্থ কৰা হয়। ❖

# আব্দুল ওৱালী

আইৰীণ হক বৰুৱা



কৃতী শিক্ষক আব্দুল ওৱালী চাহাব এগৰাকী বহুমুখী প্ৰতিভাৰ ব্যক্তি আছিল। তেখেতৰ ১৮৯৯ চনৰ জুলাই মাহত পুৰণিগুদামত জন্ম হয়। দেউতাক হাজী চাহিবুদ্দিন চাহাব আছিল এগৰাকী ধনী ব্যৱসায়ী, যি গৰাকীয়ে সেই দিনতে বহুত দুৰ বাট জাহাজতে গৈ আৰু উটৰ পিঠিত উঠি হজ ব্ৰত পালন কৰিছিল। তেখেত আছিল স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনতে অহা নেগেৰীয়া ফৈদৰ 'টুকৰীয়া' খেলৰ লোক। এই ঘৰখন বহুতো পুৰণি বয়-বস্তুৰে ভৰপূৰ আছিল। এই ঘৰৰ কিছু মূল্যবান সামগ্ৰী ওৱালী চাহাবে গুৱাহাটীত চাকৰি কৰা কালতে গুৱাহাটীৰ ৰাজ্যিক যাদু ঘৰত দান হিচাপে দিছিল। ওৱালী চাহাবৰ বুঢ়ী মাকে নিজ হাতেৰে তাঁতত বৈ দিয়া গুণাৰ বন কৰা মূল্যবান ৰিহা মেখেলা এজোৰ জীয়েকৰ বিয়াত দিছিল। তেখেতৰ জোঁৱায়েক আছিল সেই সময়ৰ আন এজন পুৰণি গুদামৰ প্ৰসিদ্ধ ব্যক্তি হাজী ৰহমত আলি। তেখেতসকলৰ কন্যা মফিদন নিছাক বেৰিষ্টাৰ আব্দুল মজিদে বিয়া কৰাইছিল আৰু ১৯২১ চনত পত্নীসহ মজিদ চাহেবে ৰজা পঞ্চম জৰ্জ্জ আৰু সাম্ৰাজ্ঞী মেৰীক বাকিংহাম প্ৰাসাদত লগ কৰিছিল। সেই সময়তে হাজী চাহাবুদ্দিন চাহাবৰ নাতিনীয়েকে এই বন কৰা ৰিহা মেখেলা জোৰ ৰাণীক উপঢৌকন হিচাপে দিয়ে। এই মেখেলা চাদৰ জোৰ বৰ্ত্তমান বৃটিছ যাদুঘৰত সংৰক্ষিত বুলি জনা যায়।

ওৱালী চাহাবে পুৰণিগুদামৰ প্ৰাইভেট মাইনৰ স্কুলত প্ৰাথমিক শিক্ষা শেষ কৰি নগাৱৰ চৰকাৰী হাইস্কুলত নাম লগায় সেই সময়ৰ এন্ট্ৰেন্স পৰীক্ষা সুখ্যাতিৰে প্ৰথম বিভাগত পাছ কৰে। নগাৱঁৰ চৰকাৰী স্কুলত তেখেতৰ সহপাঠী আছিল মতিৰাম বৰা (পাছত অসমৰ বিত্ত মন্ত্ৰী) আৰু প্ৰতাপ চন্দ্ৰ শৰ্ম্মা (বিধায়ক আৰু নগাওঁ মিউনিচিপেল ৰোৰ্ডৰ চেয়াৰমেন)। এই সকল ব্যক্তি আৰু বাকী সহপাঠী সকলৰ লগত তেখেতৰ জীৱনৰ শেষ দিনলৈকে আন্তৰিকতা আছিল। এন্ট্ৰেন্স পৰীক্ষা পাছ কৰি তেখেতে গুৱাহাটীৰ কটন কলেজত নাম লগায় আৰু এ ফ. এ. পৰীক্ষা পাছ কৰি কিছু দিন পুৰণিগুদামৰ মাইনৰ স্কুলত শিক্ষকতা কৰে। সেই সময়ত পিতৃ বিয়োগ হোৱাত কিছু আৰ্থিক অনাটন হৈছিল যদিও ককায়েক আব্দুল হান্নানৰ সহায়ত বি.এ. পঢ়িবলৈ যায় আৰু অঙ্ক বিষয় লৈ কটন কলেজৰ পৰা সুখ্যাতিৰে বি. এ. পাছ কৰে। বি. এ. পঢ়া অৱস্থাত অসমৰ সৰ্ব্বপ্ৰথম ডক্টৰেট মইদুল ইছলাম বৰা তেখেতৰ কলেজৰ সহপাঠী আৰু ছাত্ৰাবাসৰ কোঠাৰো সঙ্গী আছিল। তেখেত সকলৰ মাজত ডাঃ বৰা জীৱিত থকা সময়লৈকে চিঠিৰ সম্বন্ধ অটুট আছিল। তেখেতৰ আন এগৰাকী বন্ধু আছিল নগাঁৱৰ জৰজিছ কদৰ। তেখেতৰ অনেক সহপাঠী বন্ধু আছিল আৰু তেখেত সকলোৰে এজন সন্মানিত মৰমৰ বন্ধু আছিল। ওৱালী চাহাব এগৰাকী ৰসিক ব্যক্তি আছিল, সেয়ে বন্ধু মহলত হাঁহিৰ খোৰাক জোগাইছিল। তেখেত এগৰাকী সু-গায়ক আছিল আৰু নিজে ৰচনা কৰা গীত গাইছিল। ১৯৩০ চনত কপিলীৰ বানৰ সময়ত হাৰমণিয়াম বজাই, গীত গাই বান পীড়িতৰ সাহায্যৰ বাবে পুৰণি গুদামত ঘৰে ঘৰে পইচা সংগ্ৰহ কৰিছিল।

তেখেতে বি. এ. পাছ কৰি আইন কলেজত ভৰ্ত্তি হৈছিল যদিও ইয়াক সম্পূৰ্ণ কৰিব নোৱাৰি চাকৰিৰ সন্ধানত লাগিল। ইচ্ছা কৰা হ'লে খান বাহাদুৰ কুতুবুদ্দিন আহমদৰ সহায়ত এটা ভাল চৰকাৰী চাকৰি সহজে যোগাৰ কৰিব পাৰিলে হেতেন, কিন্তু তাকে নকৰি তেখেতে শিক্ষকতাৰ দৰে এটি পদত নিজকে নিয়োগ কৰে। শিক্ষকতা কৰাই আছিল তেখেতৰ জীৱনৰ ব্ৰত আৰু এই শিক্ষকতা কৰিয়েই তেখেত ছাত্ৰ সমাজত আৰু ৰাইজৰো এগৰাকী শ্ৰদ্ধাভাজন ব্যক্তি হিচাপে নাম ৰাখি গ'ল।

আৰ্ল- ল কলেজত পঢ়ি থকা অৱস্থাতে ওৱালী চাহাবে সেই সময়ৰ উক্ত কলেজৰ অধ্যক্ষ বেৰিষ্টাৰ জ্ঞানদাভিৰাম বৰুৱাৰ সান্নিধ্যলৈ আহে। এখেত আছিল আব্দুল মজিদ চাহাবৰ বন্ধু আৰু বন্ধুৰ খুলখালিয়েকৰ অমায়িকতাই বৰুৱা দেৱক মুগ্ধ কৰিছিল। বৰুৱাদেৱে তেখেতৰ সন্তান নয়নাভিৰাম, মনোভিৰাম আৰু ইৰা (কথাছবি শিল্পী শৰ্মিলা ঠাকুৰৰ মাতৃ)ৰ ঘৰুৱা শিক্ষক হিচাপে ওৱালী চাহাবক নিযুক্তি দিছিল। বেৰিষ্টাৰ জে. বৰুৱা আৰু নয়নাভিৰাম বৰুৱাৰ লগত ওৱালী চাহাবৰ এই সম্বন্ধ পাছলৈকে অটুট আছিল আৰু নিয়মীয়া চিঠি পত্ৰৰ আদান প্ৰদান হৈছিল । ১৯৪৫/৪৬ চনত ভাৰত বিভাজনৰ আগতে এই নয়নাভিৰাম বৰুৱাই ওৱালী চাহাবলৈ এখন অতি মৰ্ম্মস্পৰ্শী চিঠি লিখিছিল। তাত বেৰিষ্টাৰ জে. বৰুৱাদেৱে কোনো ভেদ বিচাৰ নকৰাকৈ হিন্দু, মুছলমান সকলোকে কেনে ধৰণে তেখেতৰ ঘৰলৈ আদৰণি জনাইছিল তাৰ উল্লেখ আছে।

ওৱালী চাহেবে গোলাঘাট উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰথমে সহকাৰী শিক্ষক ৰূপে যোগদান কৰে। তাৰ পিছত ভালেমান দিন গুৱাহাটী কলেজিয়েট স্কুলত শিক্ষকতা কৰে। তাৰ পৰা বৰপেটালৈ যায়। সেই সময়ত তেখেতে ঢাকাৰ পৰা বি. টি. পৰীক্ষা পাছ কৰি আহি ধুবুৰীলৈ বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শক হিচাপে বদলি হৈ যায়। কিন্তু এই কামত তেখেতে ভেঁটী আদি খোৱাৰ দৰে প্ৰলোভনৰ পৰা হাত সাৰিবৰ বাবে পুনৰ শিক্ষকতালৈ গোৱালপাৰালৈ ঘূৰি আহে। গোৱালপাৰা স্কুলৰ প্ৰধান শিক্ষক আছিল নাট্যাচাৰ্য্য ইন্দ্ৰেশ্বৰ বৰঠাকুৰ দেৱ। এখেত একাধাৰে এগৰাকী কৃতী প্ৰধান শিক্ষক, সঙ্গীতজ্ঞ, নাট্যকাৰ, খনিকৰ আৰু খেল ধেমালিৰ প্ৰতি ৰাপ থকা মহান ব্যক্তি। আব্দুল ওৱালী আৰু বৰঠাকুৰ দেৱৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। এই সম্বন্ধ বৰঠাকুৰ দেৱৰ জ্যেষ্ঠ পুত্ৰ পুৰণি গুদাম নিবাসী অধ্যক্ষ নীলৰঞ্জন বৰঠাকুৰ দেৱে ওৱালী পৰিয়ালৰ লগত আজিও অটুট ৰাখিছে। সেই সময়ৰ স্কুল পৰিদৰ্শক শৰৎ চন্দ্ৰ গোস্বামী দেৱৰ ওৱালী চাহাব বৰ প্ৰিয় আছিল। তেখেতেই ওৱালী চাহাবক এক প্ৰকাৰ পদোন্নতি দি যোৰহাটৰ নৰ্মাল স্কুললৈ বদলি কৰি আনে আৰু তাতে তেখেতৰ অধ্যক্ষ পদলৈ পদোন্নতি হয়। তাৰ কিছুদিনৰ পাছত যোৰহাট চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়লৈ বদলি হয়। তেখেতে কিন্তু নৰ্মাল স্কুলৰ সহকাৰী অধ্যক্ষৰ ঘৰটোতে আছিল। এই

আবাস গৃহটো বৰ সুবিধা ঠাইত, ঠিক যোৰহাটৰ বিষ্ণুৰাম বৰুৱা হলৰ সমুখত অৱস্থিত আছিল। নৰ্ম্মাল স্কুলত চাকৰি কৰা অৱস্থাতে তেখেত আন এজন যোৰহাট নৰ্মাল স্কুলৰ সহকাৰী অধ্যক্ষ শিক্ষাবিদ মিত্ৰদেৱ মহন্তৰ নিবিড় সান্নিধ্যলৈ আহে।

যোৰহাটত থকা কালত ওৱালী চাহাব পৰিদৰ্শক গোস্বামী দেৱৰ ঘৰত ঘৰুৱা শিক্ষক আছিল আৰু তেখেতৰ ঘৰৰ এজন হৈ পৰিছিল। সেই সময়ত নৰ্ম্মাল স্কুলৰ পৰা প্ৰকাশিত আলোচনী 'প্ৰভাত'ত তেখেতে প্ৰায়ে শিক্ষা বিষয়ক প্ৰবন্ধ পাতি লিখিছিল।

সৰুৰেপৰাই তেখেত এগৰাকী ক্ৰীড়াপ্ৰেমী আছিল আৰু নিজে এগৰাকী ভাল বেডমিন্টন, টেনিচ আৰু ভলীবল খেলুৱৈ আছিল। তেখেতে চাকৰি কৰা নানা ঠাইৰ স্কুলৰ পৰা খেলুৱৈৰ দল লৈ আহি বছৰেকীয়া স্কুল টুৰ্ণামেণ্টবোৰত যোগদান কৰি বহু খেলত জয় লাভ কৰিছিল। যোৰহাটৰ সেই সময়ৰ শিক্ষক জয়কান্ত পাত্ৰ, ক্ৰীড়ামোদী জয়কান্ত বৰুৱা, নবীন বৰুৱা আদিৰ লগ হৈ যোৰহাটত এটি সুন্দৰ খেল ধেমালিৰ পৰিবেশ গঢ়ি তোলাত যথেষ্ট অৰিহণা যোগাইছিল। তেখেতে তেতিয়াৰ দিনতে পুৰণি গুদামৰ দৰে অনুন্নত গাৱঁত ল'ন টেনিচৰ এটি ক্লাব গঠন কৰি নিজেও খেলিছিল আৰু আনকো প্ৰশিক্ষণ দিছিল। তাৰ উপৰি তেখেত আছিল এগৰাকী কৃতী "স্কাউট মাষ্টৰ" আৰু সেই সময়ৰ অনুষ্ঠিত কেইবাটাও 'স্কাউট জাম্বুৰীত' যোগদান কৰি মান পত্ৰ লাভ কৰিছিল। যোৰহাটৰ পৰা পদোন্নতি হৈ ডিব্ৰুগড়ৰ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে বদলি হয়। ইয়াৰ কিছুদিনৰ পাছতে চতিয়াত নতুনকৈ স্থাপিত হোৱা নৰ্মাল স্কুললৈ অধ্যক্ষ হিচাপে বদলি হৈ যায়। এইস্কুলৰ বুনিয়াদ গঢ়ি তেখেতে পুনৰ ডিব্ৰুগড়লৈ বদলি হৈ আহে। ডিব্ৰুগড়ৰ পৰা তেখেত তেজপুৰলৈ বদলি হয়। তেজপুৰৰ পৰাই ১৯৫৪ চনত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। সকলো চাকৰি কৰা ঠাইতে তেখেতৰ ব্যক্তিত্বৰ বাবেই এগৰাকী সন্মানিত ব্যক্তি আছিল। অৱসৰ গ্ৰহণ কৰি কিছু দিন তেখেত গুৱাহাটীত আছিল। সেই সময়তে নগাঁও চহৰৰ দ্বিতীয় খন উচ্চ মাধ্যমিক বিদ্যালয় "ডচন" স্কুল প্ৰতিষ্ঠিত হোৱাত তেখেতৰ পুৰণি সহপাঠী মতিৰাম বৰাদেৱ আৰু তেতিয়াৰ বিধায়ক প্ৰতাপ চন্দ্ৰ

শৰ্ম্মা দেৰে তেখেতক টানি অনুৰোধ কৰি নগাৱঁলৈ লৈ আহে আৰু নতুন স্কুল খনৰ সৰ্বাঙ্গীণ উন্নয়নৰ দায়িত্ব অৰ্পণ কৰে। আনকি তেতিয়াৰ মন্ত্ৰী বৰা ডাঙৰীয়াই উপায়ুক্তক ওৱালী চাহাবৰ বাবে এটুকুৰা মাটি বন্দবস্ত কৰি দিবলৈয়ো নিৰ্দেশ দিয়ে।

'ডচন স্কুল'ত চাকৰি কৰা কালতে তেখেতক এগৰাকী কৃতী শিক্ষক হিচাপে ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় পুৰস্কাৰেৰে সন্মানিত কৰে। দিল্লীৰ পৰা এই পুৰস্কাৰ সন্মানেৰে লৈ অহা পথত ১৯৬১ চনৰ ১১ নবেম্বৰ তাৰিখে গুৱাহাটীতে হঠাতে হৃদৰোগত আক্ৰান্ত হৈ তেখেতৰ মৃত্যু হয়। ১২ নভেম্বৰ তাৰিখে তেখেতৰ নিজৰ ঠাই পুৰণি গুদামত গুণমুদ্ধ ৰাইজ আৰু পৰিবাৰৰ উপস্থিতিত তেখেতক সমাধিস্থ কৰা হয়।

১৯৩১ চনৰ ১৯ নবেম্বৰ তাৰিখে তেখেতে গুৱাহাটী মাছখোৱাৰ তাহেৰ আলি চাহাবৰ কন্যা বেদৱাৰা বেগমক বিয়া কৰায়। তেখেতৰ মাত্ৰ এটিয়েই কন্যা সন্তান নাম বডিউন নিছা বেগম। গুৱাহাটীৰ সন্দিকৈ মহাবিদ্যালয়ত পঢ়ি থকা অৱস্থাতে এই কন্যাটিক যোৰহাটৰ কৃষি বিদ্যালয়ৰ এগৰাকী প্ৰতিষ্ঠাপক অধ্যাপক শ্বৰিফুল্লা চাহাবলৈ বিয়া দিয়ে। ওৱালী চাহাবৰ পৰিবাৰে স্বামীৰ মৃত্যুৰ পাছত একমাত্ৰ কন্যা ৰাণী উল্লাৰ লগতে জীৱনৰ শেষ কালছোৱা অতিবাহিত কৰে আৰু ১৯৯৯ চনত ইহলীলা সম্বৰণ কৰে।


ওৱালী চাহাবে নিজৰ ছাত্ৰ সকলক নিজৰ সন্তানৰ দৰে জ্ঞান কৰিছিল। ঘৰুৱা আৰু চাকৰি জীৱনত নিয়মানুবৰ্ত্তিতা তেখেতে বৰ কঠোৰ ভাৱে পালন কৰিছিল। সহকৰ্ম্মী শিক্ষক সকল আৰু কৰ্ম্মচাৰী সকলক বন্ধুৰ দৰে ব্যৱহাৰ কৰিছিল। তেখেতৰ গুণগ্ৰাহী ছাত্ৰ অসমৰ সকলো ঠাইতে সিঁচৰতি হৈ আছে। কবি দেৱ কান্ত বৰুৱা, নৰেণ বৰদলৈ, মহেশ চন্দ্ৰ দাস, অনিল চৌধুৰী, মনচুৰ আলি, লক্ষ্যধৰ চৌধুৰী আদি তেখেতৰ ছাত্ৰ আছিল। আজিও তেখেতৰ ছাত্ৰ সকলে তেখেতক শ্ৰদ্ধাৰে সোঁৱৰে। ❖

---

(মোহাম্মদ আব্দুল মতিন ৰচিত তেওঁলোকৰ পৰিয়ালৰ হাতে লিখা বুৰঞ্জীৰ পৰা তেখেতৰ জী-নাতি আইৰীণ হক বৰুৱাই এই লেখাটি সংগ্ৰহ কৰে। তেখেতৰ পৰা আমি সংকলন কৰিছো ঃ দেবিৰা চুলতানা আহমদ )।

# ডক্টৰ মযিদুল ইচলাম বৰাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি

সাহিত্যাচাৰ্য শ্ৰী যতীন্দ্ৰনাথ গোস্বামী



ডক্টৰ মযিদুল ইচলাম বৰাৰ নাম স্মৰণ কৰিলে এজন প্ৰসিদ্ধ বিদ্বানৰ কথা মনলৈ আহে - যিজনে সময়-বালিত খোজৰ চিন থৈ গৈছে।

মযিদুল ইচলাম বৰাই ১৮৯৯ চনত শিৱসাগৰ নগৰৰ সমীপৰ জেঙনিকটীয়াত জন্ম গ্ৰহণ কৰে। মেহেৰুদ্দিন বৰাৰ সাতজন পুত্ৰৰ ভিতৰৰে মযিদুল ইচলাম বৰাও এজন। সৰুতে পিতৃ-বিয়োগ ঘটাত তেওঁ ককায়েকৰ ডঁৰিয়লিত ডাঙৰ-দীঘল হয়।

তেওঁ শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা ১৯১৭ চনত প্ৰৱেশিকা পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হয়। তেওঁ কটন কলেজৰ পৰা ১৯১৯ চনত আই. এ. আৰু ১৯২১ চনত বি. এ. মহলাত উত্তীৰ্ণ হয়। তেওঁ ঢাকা বিশ্ববিদ্যালয়ৰ (এতিয়া বাংলাদেশত) এম. এ. শ্ৰেণী (ফাৰ্চী সাহিত্য) ত নাম লগায় আৰু ১৯২৩ চনত উক্ত বিষয়ৰ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি অসমৰ নাম উজ্জ্বল কৰে। তেওঁ আইনৰো পৰীক্ষাত (বি. এল.) উত্তীৰ্ণ হয়।

তিনিচুকীয়া চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী (১৯৮১) 'স্মৃতিগ্ৰন্থ'ত উল্লেখ আছে, "প্ৰথমে অসমৰ খ্যাতিসম্পন্ন শিক্ষাবিদ

ময়িদুল ইচলাম বৰাই (M. I. Borah) প্ৰধান শিক্ষকৰ ভাৰ লৈ সেই স্কুলখন পৰিচালনা কৰে। তেখেতে কিছু বছৰ শিক্ষকতা কৰাৰ পাছত ঢাকা বিশ্ববিদ্যালয়লৈ গৈ সুখ্যাতিৰে এম. এ. ডিগ্ৰী লাভ কৰে” (পৃষ্ঠা ১)। এই কথা সম্পূৰ্ণভাৱে মানি লব নোৱাৰিলেও, সম্ভৱ বৰাদেৱে কেইমাহমান উক্ত এম, ই, স্কুলখনত কাম কৰিছিল।

তেওঁৰ “ফাৰ্চী বিষয়ত ব্যুৎপত্তিৰ পৰিচয় পাই” ঢাকা বিশ্ববিদ্যালয়ৰ “কৰ্তৃপক্ষই ঢাকাৰ কলেজত সহকাৰী অধ্যাপক পদত নিযুক্ত কৰি সন্মান দেখুৱায়।” তেওঁ কিছু বছৰ অধ্যাপনা কৰাৰ পাছত বিলাতলৈ যায়। তেওঁ লণ্ডনৰ ‘স্কুল অৱ অৰিয়েণ্টল ষ্টাডিজ’ৰ বিশ্ববিখ্যাত পণ্ডিত ছাৰ এডোৱাৰ্ড ডেনিচন ৰছৰ অধীনত উচ্চ শিক্ষা আৰু গৱেষণামূলক অধ্যয়নৰ জৰিয়তে দুবছৰৰ মূৰত ডক্টৰেট উপাধি লাভ কৰে লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা। ড° সূৰ্যকুমাৰ ভূঞাৰ ভাষাৰে ক’ব পাৰি -- “ডক্টৰ বৰা কলিকতা আৰু ঢাকা বিশ্ববিদ্যালয়ৰ এজন প্ৰতিভাশালী ছাত্ৰ আৰু তেওঁ পাশ্চাত্য পাণ্ডিত্যৰ আত্মা হৃদয়ঙ্গম কৰে।” বিলাতৰ পৰা ঘূৰি অহাৰ পাছত ডক্টৰ বৰাই ঢাকা বিশ্ববিদ্যালয়ৰ ফাৰ্চী আৰু উৰ্দু বিভাগৰ মুৰব্বী অধ্যাপক পদত নিযুক্তি পায়। তেওঁ ১৯৪৪ চনত লখ্নৌত বহা সৰ্বভাৰতীয় বুৰঞ্জী কংগ্ৰেছলৈ গৈছিল। সেই ঠাইতে তেওঁ অসুস্থ হয়। কোনোৱে কয়, তেখেতৰ খাদ্যত বিহ দিয়ে। সেই ঠাইতে তেওঁৰ ১৯৪৪ চনৰ ৪ মে’ তাৰিখত মৃত্যু হয়। লখ্নৌৰ কিং জৰ্জ মেডিকেল কলেজৰ ওচৰতে তেওঁক কবৰ দিয়া হয়। অসমৰ এজন বিদগ্ধ পণ্ডিতৰ মৃত্যুত আমাৰ ভাষা-সাহিত্যৰ অপূৰণীয় ক্ষতি হ’ল।

ডক্টৰ বৰা এজন বিখ্যাত ভাৰতীয় পণ্ডিত। তেওঁৰ গৱেষণামূলক প্ৰবন্ধসমূহে দেশ - বিদেশৰ পণ্ডিত সমাজৰ সমাদৰ লাভ কৰে। তেওঁৰ এই প্ৰবন্ধসমূহ হ’ল ‘মাইগ্ৰেচন্ অব্ পাৰ্চীয়ান্ পয়েট্‌ছ ইনটু বেঙ্গল’, ‘জাহাঙ্গীৰ দি মেন্’, ‘দি লাইফ্ এণ্ড ৱৰ্কছ অব্ আমীৰ হাছান দিহলৱী’ ইত্যাদি। ওপৰৰ দ্বিতীয় প্ৰবন্ধটো ‘ইণ্ডিয়ান ৰিভিউ’ (জানুৱাৰী ১৯৩৫) আলোচনীত প্ৰকাশ হৈছিল। ‘দি লাইফ এণ্ড ৱৰ্কছ অৱ আমীৰ হাছান’ নামৰ গৱেষমামূলক প্ৰবন্ধটি ‘জাৰ্নেল অব্ দি ৰয়েল্ এচিয়াটিক চোচাইটি অব বেঙ্গল’ নামৰ পত্ৰিকাত ( ভলিউম সাত,

১৯৪১)প্ৰকাশ হৈছিল। প্ৰ ৱন্ধটোৰ বিষয়সমূহ হ'ল - (১) আমীৰ হাছান দেহলৱী আৰু তেওঁৰ ৰচনাৱলী (২) কাচিদা (Quasidas) আৰু গজলসমূহ (৩) তেওঁৰ সৰু-সুৰা কবিতাসমূহ। তেওঁ প্ৰৱন্ধটোৰ আৰম্ভণিত লিখিছে, ত্ৰয়োদশ শতিকাৰ আগভাগৰ ইণ্ডো-পাৰ্চিয়ান কবিসকলৰ ভিতৰৰ এজন বিখ্যাত কবি, যাৰ ৰচনাৱলী ভাৰতৰ চাৰিসীমাৰ উপৰি বাহিৰতো অধীত আৰু প্ৰশংসিত হৈছিল, সেইগৰাকী হৈছে আমীৰ হাছান দেহলৱী। তেওঁৰ সম্পূৰ্ণ নাম হৈছে আমীৰ নাজ্‌ম উড্‌-ডীন হাছান দেহলৱী।" তেওঁ আমীৰ খুশ্ৰুৰ সমসাময়িক আছিল। তেওঁৰ আন এটা ওখ খাপৰ প্ৰৱন্ধ হৈছে 'ত্ৰয়োদশ আৰু চতুৰ্দশ শতিকাত ভাৰতবৰ্ষত লিখিত আৰু কথিত ফাৰ্চী ভাষাৰ প্ৰকৃতি' (Nature of the Persian Language Written and Spoken in India during the 13th and 14th Centuries)। এই প্ৰৱন্ধটো লণ্ডনৰ স্কুল অৱ-অৰিয়েণ্টেল ষ্টাডিজৰ বুলেটিনত (Bulletin, Vol. VII, 1934) প্ৰকাশ কৰা হৈছিল।

তেওঁৰ আন এটা উল্লেখযোগ্য কাম নামনিৰ অসমৰ একালৰ মোগল ফৌজদাৰ মিৰ্জা নাথনে ফাৰ্চী ভাষাত লিখা 'বাহৰিস্তান-ই-গায়েবী' নামৰ গ্ৰন্থখন ইংৰাজীলৈ অনুবাদ। এই গ্ৰন্থখন দৰাচলতে সপ্তদশ শতিকাৰ প্ৰথম তিনি দশকত অসম, বঙ্গ আৰু উৰিষ্যাত মোগলসকলৰ সৈতে সংঘৰ্ষৰ ইতিহাস। ডক্টৰ বৰাই এই গ্ৰন্থৰ দ্বাৰা অসম বুৰঞ্জী ৰচনাৰ এক অমূল্য সম্পদৰ যোগান ধৰে। অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে এই গ্ৰন্থখনি দুটা খণ্ডত প্ৰকাশ (১৯৩৬) কৰে।

এইজনা বিদগ্ধ পণ্ডিতে গুৱাহাটীৰ কটন কলেজত প্ৰতিভা দেৱী (শৰৎচন্দ্ৰ গোস্বামীৰ প্ৰথমা কন্যা) স্মাৰক প্ৰথম বক্তৃতা (মুছলমান ইতিহাসবিদ সকলৰ দ্বাৰা কথিত অসমৰ ইতিহাস) প্ৰদান কৰে। সেই ইংৰাজী বক্তৃতা (১৯৩৫) শুনি সমজুৱাসকল মুগ্ধ হৈছিল।

তেওঁ অসম ছাত্ৰ সন্মিলনৰ অষ্টাদশ অধিৱেশনৰ (যোৰহাট, ১৯৩৪) সভাপতিৰ আসন অলঙ্কৃত কৰে। এই সময়তে তেওঁ বাণী-সন্মিলনৰ বহাগী অধিৱেশনত সভাপতিত্ব কৰে।

ডক্টৰ বৰাই অসম সাহিত্য সভাৰ অষ্টাদশ অধিৱেশনৰ (যোৰহাট, ১৯৪০) সভাপতিৰ আসন অলঙ্কৃত কৰে। তেওঁ লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ কৰি কয়, “যি সময়ত অসমীয়া ভাষাৰ মহা দুৰ্দিন, যি যুগত অসমীয়া সাহিত্য নানা ৰকমৰ ব্যাধিৰ আক্ৰমণত জৰ্জৰিত, সেই সময়ত আৰু যুগত বেজবৰুৱা ডাঙৰীয়াই প্ৰকৃত বেজৰ দৰে অসমীয়া ভাষা আৰু সাহিত্যৰ যথোচিত চিকিৎসা কৰি এই মহা বিকাৰৰ পৰা আৰোগ্য কৰি টনকিয়াল কৰে। ....বাস্তৱিকতে তেখেতৰ লিখনিয়ে অসমীয়া সাহিত্যৰ এটা যুগৰ সৃষ্টি কৰে।” তেওঁ অসমৰ লেখকসকলক উদ্দেশ্য কৰি কয়, “যি আদৰ্শই মানুহৰ মনত উচ্চ আশা, আত্ম-গৌৰৱ, আত্ম-সন্মান, সৎ সাহ, অপৰাজিত উদ্যম, আনন্দ আৰু সুখৰ সৃষ্টি কৰে, সেই আদৰ্শহে আমি প্ৰচাৰ কৰা উচিত। নিৰাশাবাদক নেওচা দি Optimism বা মঙ্গলবাদকহে জীৱনৰ কাম্য উদ্দেশ্য বুলি আঁকোৱালি ধৰিব লাগে।”

তেওঁ ফাৰ্চী সাহিত্যৰ এজন মূধা-ফুটা পণ্ডিত। তেওঁ উক্ত সাহিত্যৰ গৱেষণাত আত্ম-নিয়োগ কৰে। সেয়েহে অসমীয়া ভাষাত তেওঁৰ ৰচনা বৰ বেছি নহয়। ‘মিলন’ত প্ৰকাশিত ‘চেনেহী’ আৰু ‘পায়গাম’ত প্ৰকাশিত ‘প্ৰেমৰ গতি’ নামৰ কবিতা দুটা ওখ খাপৰ। প্ৰথমটিত বনগীতৰ প্ৰভাৱ পৰিলক্ষিত হয়। দ্বিতীয়টি হাফিজৰ সুৰৰ প্ৰতিধ্বনি।

তেওঁ অসম সাহিত্য সভা পত্ৰিকাত এটি প্ৰবন্ধ (৩য় বছৰ ষষ্ঠ সংখ্যা) আৰু আৱাহনত কেইটামান প্ৰবন্ধ লিখে। পত্ৰিকাত প্ৰকাশিত প্ৰবন্ধ টো হ’ল ‘১৭ শতিকাত অসমৰ ৰণবল’। মোগল লিখাৰু সকলৰ বিৱৰণৰ ভিত্তিত ডক্টৰ বৰাই সপ্তদশ শতিকাত অসমীয়াৰ ৰণবলৰ এটা পৰিচয়ৰ দিছে। লেখকে যোগীঘোপাৰ গড়, শ্ৰীঘাট বা শৰাইঘাট, পাণ্ডু, কাজলী আদি দুৰ্গৰ বৰ্ণনা দি অসমীয়া নৌ-বাহিনীৰ বিষয়ে কিছু আলোচনা কৰিছে। (১) যোগীঘোপাৰ গড় আৰু পঞ্চৰত্ন গড় “জয় কৰাত মোগল সৈন্যই ১৪৭ খন ৰণতৰী, ৬৪ টা বৰতোপ আৰু বহুত পৰিমাণে বন্দুক, খাৰ, বাৰুদ, গুলী ইত্যাদি হস্তগত কৰে।” (২) “অসমীয়া বিলাকে নৌ - বাহিনীৰ ৰণ-কৌশলত বৰ পাৰদৰ্শিতা আৰু নিপুণতা দেখুৱাইছিল। অসমীয়া সৈন্যই মাটি-যুদ্ধতকৈ পানী-যুদ্ধত বেছি পৰিমাণে

পৰাক্ৰমৰ চিন দেখুৱায়। ..পাণ্ডু আৰু শৰাইঘাটৰ মাজত গোটেই ব্ৰহ্মপুত্ৰ অসমীয়াৰ নৌ-বাহিনীৰে ভৰপূৰ আছিল।" মুঠৰ ওপৰত এই প্ৰবন্ধটো তথ্যসমৃদ্ধ।

অসমৰ দুৰ্ভাগ্য বা দূৰ্কপাল যে ময়িদুল ইচলাম বৰা, এম. এ., বি. এল., পি. এইচ. ডি. য়ে অকালতে দুকুৰি চাৰি বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। তেওঁৰ পৰা অসমীয়া সাহিত্যই বহুত আশা কৰিছিল। কিন্তু তেওঁৰ আকস্মিক বিয়োগত অসমীয়া সাহিত্য সেই প্ৰত্যাশাৰ পৰা বঞ্চিত হ'ল।

জয়তু ডক্টৰ ময়িদুল ইচলাম বৰা।❖

---

(ডক্টৰ ময়িদুল ইচলাম বৰা ঃ কৃতি আৰু স্মৃতি (১৯৯৯ চন)ৰ পৰা উদ্বৃত। লেখক অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ।

# মুহিবুল হুছেইন

কমৰুজ্জামান আহমদ

অসমীয়া ইছলাম ধৰ্ম্ম সম্বন্ধীয় সাহিত্যত অৰদান আগবঢ়োৱা অন্যতম পুৰুষ আলহাজ মুহিবুল হুছেইন। তেখেতৰ ঘৰ শিৱসাগৰৰ আমগুৰি ঘাটত । তেখেত কাড়ী হাজৰিকাৰ বংশধৰ।

তেখেতৰ লিখনিৰ পৰা ওলোৱা কিতাপ সমূহ হ'ল- আদৰ্শ নবী, হজৰত আজান পীৰ, চমু হজ প্ৰণালী, ইছলাম নীতি আৰু নামাজ শিক্ষা, কাৰবালাৰ কৰুণ কাহিনী ও জাৰী, ফাতিমা বিন্তে ৰছুল, অসমত মুছলমান আৰু ইউছুফ জুলেখা । ইয়াৰ ভিতৰত হজৰত আজান পীৰ কিতাপখন বিশেষভাৱে উল্লেখযোগ্য । ১৯৫২ চনতেই প্ৰথম বাৰৰ বাবে আজান পীৰৰ জিকিৰ সমূহ সংগ্ৰহ কৰি মুহিবুল হুছেইন চাহাবে এই কিতাপখনৰ যোগেদিয়েই এইবোৰ ৰাইজৰ আগত প্ৰকাশ কৰে। প্ৰণালীবদ্ধ ভাবে জিকিৰ সংগ্ৰহৰ এইয়াই বোধহয় প্ৰথম প্ৰচেষ্টা ।

এসময়ত আবকাৰী বিভাগত চাকৰি কৰা মুহিবুল হুছেইন চাহাব আশী বছৰ গৰকি যোৱা সময়তো ঘৰৰ পৰা দূৰৈত ধৰ্ম্মীয় সভা-সমিতিবোৰত ভাগ লবলৈ গৈছিল।

তেখেতৰ বিষয়ে পৰাগ চলিহাদেৱে এনেদৰে লিখি গৈছে- 'হাজী' মুহিবুল হুছেইন চাহাব অসমীয়া সাহিত্যত সুপৰিচিত ব্যক্তি। বৰ্ত্তমান বিৰাশী বছৰীয়া হাজী চাহাবে জেঠমহীয়া ৰদতো গোটেই গা পোন কৰি বুকু ফিন্দাই নিতৌ ৩/৪ মাইল বাট খোজ কাঢ়ি ঘূৰি ফুৰা দেখিলে তবধ মানিব লাগে । অকল সেয়ে নহয়, ধৰ্ম্মীয় মেল মিটিংবোৰত ভাগ লবলৈ সপ্তাহটোত ২/৩ দিন নগৰৰ বাহিৰৰ

ভিতৰুৱাল গাওঁ ভূঁই আৰু দূৰৰ নগৰ চহৰলৈকে গৈয়ে থাকে। ১৫/২০ মাইল আতৰৰ আলিবাটত বাছৰ আশা পালি গধুলি পৰত ৰৈ থাকোতে ময়ে যোৱাটো মাহত দুবাৰ তেওঁক গাড়ীত তুলি আনো।'

'একালত আৱকাৰী বিভাগত বিষয় বাব খোৱা এই গৰাকী থুলন্তৰ পুৰুষে যোৱা ডেৰকুৰি বছৰ একনিষ্ঠ ভাবে অসমীয়া সাহিত্য চৰ্চ্চা কৰি ঘাইকৈ ইছলাম ধৰ্ম্ম সম্বন্ধীয় সাতখন গ্ৰন্থ অসমীয়া সাহিত্যলৈ আগবঢ়াইছে তাৰে ভিতৰত হজৰত আজানপীৰ সম্পৰ্কীয় পুথিখন সদ্য প্ৰখ্যাত জিকিৰ গীত সমূহ সৰবৰহী কৰাৰ ক্ষেত্ৰত বাটকটীয়া স্বৰূপ। (পৰাগ চলিহা 'অসমত মুছলমান' প্ৰকাশ ১৯৭৯ চন) । তেখেতৰ আজান পীৰ কিতাপখন পঢ়ি চৈয়দ ছাদুল্লা চাহাবে ১০ জুলাই ৫৪ চনত মুহিবুল হুছেইনলৈ এখন চিঠি লিখি শলাগ লৈছিল আৰু কৈছিল -'এই জিকিৰবোৰ আসামৰ সাহিত্যৰ এটা ডাঙৰ সম্পদ তাক কোনেও নুই কৰিব নোৱাৰে। সেই কাৰণে সাহিত্য হিচাবে আমাৰ ভাই সকলৰ মাজত আৰু মুছলমান সমাজত তোমাৰ কিতাবে বহুল প্ৰচাৰ পাব লাগে'।

তেনেকৈ তেখেতৰ 'কাৰবালাৰ কৰুণ কাহিনী ও জাৰী' দ্বিতীয় সংস্কৰণ, প্ৰকাশ ১৯৮৪ চন, কিতাপৰ পাতনিৰ পৰা পৰাগ চলিহাৰ দেৰৰ কথা অলপ উনুকিয়াইছো ' .............. জিকিৰ সমূহ ভালেখিনি সংগ্ৰহ হৈছে। কিন্তু জাৰি গীতবোৰ যথোচিত সংগ্ৰহ হোৱা নাই। এই জাৰিবোৰ উজনি অসমৰ প্ৰধানকৈ শিৱসাগৰ মহকুমাৰ গাঁৱতহে বিশেষকৈ প্ৰচলিত ।

আলহাজ মুহিবুল হুছেইন চাহাবে বহু কষ্ট স্বীকাৰ কৰি এই জাৰি সমূহৰ কিছুমান সংগ্ৰহ কৰিছে। তেখেত বয়োবৃদ্ধ ব্যক্তি। সৰুৰে পৰাই জাৰি জিকিৰৰ প্ৰভুত চৰ্চ্চা থকা পৰিবেশত ডাঙৰ দীঘল হোৱা । এতিয়ালৈকে জাৰিবোৰ প্ৰায় মৌখিক ৰূপে সংশ্লিষ্ট সমাজত চলি আহিছিল। স্বাভাৱিকতে সময়ৰ সোঁতত ই পৰিবৰ্ত্তিত, আনকি বিকৃতো হৈ ইয়াৰ মূল ৰূপ হেৰুৱায় গৈ। মৌখিক সাহিত্যৰ ই বিশেষ লক্ষণ। হুছেইন চাহাবৰ সংগ্ৰহত এই জাৰিবোৰ নিভাঁজ ৰূপটোৰেই ৰক্ষা পৰিছে বুলি কব পৰা হয়। আৰবী শব্দ প্ৰচুৰ পৰিমাণে থকা হেতু ধৰ্ম্মীয় গীতৰ অস্বাভাৱিকতা আঁতৰিছেহে।

....... মুহিবুল হুছেইন চাহাবে জাৰি সমূহৰ সম্ভাৰ গোটাই লৈ বাহুল্য ভাবে জুকিয়াই অসমীয়া সাহিত্য কাননত স্বৰূপত সুশোভিত ফুলগছ এজুপি ৰুই অভিনৱ আৰু যাউতি যুগীয়া কাম এটা সাধিছে ...." (১৩ মে ১৯৭১)

এইজন মানুহকো ১৯৬৫ চনত ভাৰত পাকিস্তান বিবাদৰ সময়ত Defence of India Rule ৰ জৰিয়তে পাকিস্তান সমৰ্থক বুলি বন্দী কৰিছিল। যুদ্ধৰ পাছত মুকলি কৰি দিলেও এনে ভাবে বন্দী কৰা লোক সকলক অন্য মানুহে হেয় চকুৰে চাইছিল আৰু এই কালিমা মচ খাবলৈ বহুত দিন লাগিছিল।

সেই সময়তে হুছেইন চাহাবে অসমত মুছলমান বুলি এখন কিতাপ লিখে আৰু অসমৰ প্ৰতি মুছলমানৰ ঐতিহ্য পূৰ্ণ অৱদানৰ কথা ৰাইজৰ আগত সদৰি কৰিবলৈ চেষ্টা কৰে।

১৯ শতিকাৰ শেষৰ ফালে যথা সম্ভৱ ১৮৯৯ চনত জন্ম হোৱা মুহিবুল হুছেইন চাহাবে মেট্ৰিক পাছ কৰাৰ পাছত অলপদিন ভাৰতৰ মুক্তি সংগ্ৰামত যোগ দিয়ে। পাছত কটন কলেজৰ পৰা স্নাতক হৈ শিৱসাগৰ চৰকাৰী হাইস্কুলত শিক্ষকতা কৰে। পাছত শিক্ষকতাৰ কাম বাদ দি ১৯২৮ চনত অসম চৰকাৰৰ আবকাৰী বিভাগত যোগ দি ১৯৫১ চনত তাৰ পৰা অৱসৰ লয়।

নানা সমজুৱা কামত আগৰণুৱা মুহিবুল হুছেইন চাহাবে ৰংপুৰ মধ্য ইংৰাজী স্কুল, ছোৱালী উচ্চ ইংৰাজী স্কুল আৰু দ্বীনী মাদ্ৰাছা প্ৰতিষ্ঠাত আগভাগ লয়। শিৱসাগৰৰ দ্বীনী মাদ্ৰাছাৰ মাটি তেখেতৰ দান বুলি জনা যায়।

তেখেত অসম চৰকাৰী পেন্সন সংস্থাৰ শিৱসাগৰ শাখাৰ নানা পদত থাকি ১৯৭৩ চনৰ পৰা মৃত্যুলৈকে সভাপতি আছিল।

ৰংপুৰ সাহিত্য সভাৰ লগত ওতপ্ৰোত ভাৱে জড়িত হুছেইন চাহাব কেইবা বছৰো তাৰ উপদেষ্টা আছিল।

তেখেতে ১৯৫৯ চনত হজ কৰি আহে। ৮৬ বছৰ বয়সত ১৯৮৫ চনৰ ২৪ মে তাৰিখে তেখেতৰ মৃত্যু হয়।

আজান পীৰ, কাৰবালাৰ কৰুণ কাহিনী (জাৰী সংগ্ৰহৰ বাবে) আৰু অসমত মুছলমান এই কিতাপ কেইখনৰ কাৰণেই মুহিবুল হুছেইনৰ নাম স্মৰণীয় হৈ ৰ'ব। ❖

---

তথ্য পঞ্জী ঃ- চালাহুদ্দিন আহমদ চাহাবৰ সৌজন্যত পোৱা অসমত মুছলমান, কাৰবালাৰ কৰুণ কাহিনী আৰু জাৰী আৰু ৭ জুন ১৯৮৫ তাৰিখৰ দৈনিক অসম।

# আবু নাচেৰ মোহাম্মদ চালেহ

কমৰুজ্জামান আহমদ

বৃটিছ ৰাজত্ব কালৰ সুদক্ষ প্ৰশাসনিক বিষয়া আৰু অসমত মূখ্য-সচিব হোৱা আবু নাচেৰ মোহাম্মদ চালেহৰ জন্ম যোৰহাটত কুৰি শতিকাৰ আৰম্ভণিতে। তেখেতৰ পিতৃ মোহাম্মদ আলি শিক্ষা বিভাগৰ বিদ্যালয় সমূহৰ সহকাৰী পৰিদৰ্শক আছিল।

তেখেতে ১৯২৫ চনত ঢাকা বিশ্ববিদ্যালয়ৰ পৰা দৰ্শনত প্ৰথম শ্ৰেণীৰ প্ৰথমহৈ স্নাতকোত্তৰ ডিগ্ৰী লয়। তাৰ পাছত অসম অসামৰিক সেৱাত প্ৰথম শ্ৰেণীৰ বিষয়া হিচাপে যোগদান কৰে। কালক্ৰমত তেখেতৰ পদোন্নতি হয় আৰু তেতিয়াৰ ICS ৰ সমকক্ষ Listed Post ত অধিষ্ঠিত হয়। সেইসময়ত Listed Post ৰ অধিকাৰী সকলে ACS বা ICS উপাধি ব্যৱহাৰ কৰিব নোৱাৰিছিল যদিও বাকী সা-সুবিধা আৰু বানচ আদি ICS বিষয়াৰ সমতূল্য আছিল।

অসমৰ নানা ঠাইত কাম কৰাৰ পাছত তেখেত অসমৰ মূখ্য সচিব হয় আৰু তেখেতেই প্ৰথম অসমীয়া মূখ্য সচিব।

চালেহ চাহাবে এগৰাকী ইংৰাজ মহিলাক বিয়া কৰাইছিল আৰু তেখেত সকলৰ তিনিগৰাকী কন্যা হৈছিল।

৫০ ৰ দশকত তেখেতে অৱসৰ লয় আৰু জীয়েক সকল ইংলেণ্ডত পঢ়ি থকা কাৰণে তাত থাকিবলৈ যায় কিন্তু নিজৰ উদফাই (এজমা) ৰোগ থকা কাৰণে তাত বেচিদিন থাকিব নোৱাৰি অসমলৈ উভটি আহে। কুৰি শতিকাৰ ৫০ৰ দশকতে তেখেতৰ মৃত্যু হয়।❖

---

(চফিকুল হুছেইন চৌধুৰী চাহাবৰ লগত সাক্ষাতকাৰৰ সৌজন্যত)

# বেগম ফানোৱাৰা হাজৰিকা

মূল ইংৰাজী ঃ ইকবাল হুছেইন হাজৰিকা

ভাষান্তৰ আৰু সংযোজন ঃ দেবিৰা চুলতানা আহমদ



বেগম ফানোৱাৰা হাজৰিকাৰ জন্ম ১৯০০ চনত যোৰহাটত। দেউতাক আছিল মৌলবী খিৰাজুদ্দিন আহমদ বৰদলৈ আৰু মাতৃ আছিল গুলবাহাৰ বেগম। অতি কুমলীয়া বয়সতে তেখেতৰ মাতৃ বিয়োগ হয়। সেইয়ে আইতাক জীৱিত থকাত তেখেতে যোৰহাটৰে বালিবাটত অৱস্থিত মোহাম্মদ শ্বাহ মৌজাদাৰৰ ঘৰতে জীৱনৰ সৰু কালছোৱাত ভালেকেইটা দিন অতিবাহিত কৰে। তেখেতৰ আইতাকৰ ঘৰ গড় আলিত অৱস্থিত পিতৃগৃহটোৰ ওচৰতে আছিল। আইতাকৰ ঘৰত থাকিয়ে তেখেতে ওচৰৰ স্কুলতে চতুৰ্থ শ্ৰেণীলৈকে পঢ়া শুনা কৰে।

কিছুদিনৰ মুৰত তেখেতৰ জীৱনলৈ এটা ডাঙৰ পৰিবৰ্ত্তন আহে। তেখেতৰ ডাঙৰ মোমায়েক আব্দুল মজিদ চাহাব শ্বিলঙলৈ আহি তাত থিতা পি লোৱাৰ পাছত ভাগিনীয়েক ফানোৱাৰাক নিজৰ ছোৱালী কেইজনীৰ লগত থাকি ভাল পাব বুলি শ্বিলঙলৈ লৈ যায়। এইটো তেখেতৰ জীৱনৰ এটা মধুৰ আৰু অনুভৱক্ষম অধ্যায়। সংস্কৃতি সম্পন্ন পৰিয়ালটোৰ পৰিবেশ আৰু স্কুল কলেজলৈ যোৱা মোমায়েকৰ লৰা-ছোৱালীবোৰৰ পৰা ফানোৱাৰাই নানা কথা শিকিবলৈ আৰু জানিবলৈ সুবিধা পায়। শ্বিলঙত কিছুদিন কটোৱাৰ পাছত পুনৰ যোৰহাটত সৰু মোমায়েক আবুচেহিদ শ্বাহ আৰু মামীয়েক চৰিফন নিছাৰ যোৰহাটৰ ঘৰলৈ ঘুৰি আহে। এই মামীয়েক

তেখেতৰ সম্বন্ধত বৰ দেউতাকৰ জীয়েক বায়েক আছিল। এইগৰাকী বায়েকেই শিলিখা বাগানৰ তেখেতৰ সম্বন্ধীয় মোমায়েক আনোৱাৰ হাজৰিকাৰ লগত বিয়াৰ সম্বন্ধ ঠিক কৰে আৰু ১৯২১ চনত তেখেত সকলৰ শুভ পৰিণয় সমাধা হয়। বিয়াৰ পাছত তেখেত সকলে যোৰহাটৰ বালিবাট আৰু ন-আলি কোণত অৱস্থিত নিজৰে ভেটিত বাস কৰিছিল। আনোৱাৰ হুছেইন হাজৰিকাই কটন কলেজৰ পৰা ১৯১৯ চনত distinction সহ B.A.পৰীক্ষা পাছ কৰি যোৰহাটৰ বেজবৰুৱা স্কুলত শিক্ষকতা কৰিছিল। তেখেতে যোৰহাটত Labour Department ততো ৭ বছৰ কাম কৰিছিল।

যোৰহাটত থকা অৱস্থাতে তেখেত সকলৰ তিনি গৰাকী পুত্ৰ সন্তান জন্ম হয়। সেই কেইজন হল চমচুল, কমৰুল আৰু হেলিম। ইতিমধ্যে শ্বিলঙত আহি চাকৰি কৰিবলৈও মোমায়েক আব্দুল মজিদ চাহাবেও তাগিদা দি আছিল। সেয়ে ১৯২৯ চনত ফানোৱাৰা বেগমৰ পৰিয়ালটোৱে শ্বিলঙলৈ ৰাওনা হয়। আনোৱাৰ হুছেইন হাজৰিকাই শ্বিলঙৰ D.P.I. অফিছত চাকৰিত যোগ দিয়ে।

নতুন ঠাইত গৈ তেখেত সকলে কিছু নতুন সমস্যাৰ সন্মুখীন হব লগা হয়। স্বামীয়ে চাকৰিত ব্যস্ত হৈ পৰাত ফানোৱাৰাৰ ওপৰতে ল'ৰা কেইটিৰে সংসাৰ চলোৱাৰ উপৰিও সিহঁতৰ শিক্ষা, প্ৰতিপালনৰ দায়িত্বও আহি পৰে। এই কাম তেখেতে দক্ষতাৰে পালন কৰে। প্ৰতিজন সন্তানকে উপযুক্ত কৰি তোলাৰ আৰত তেখেতৰ অৰিহণা অনেক।

১৯৩৩ চনত তেখেত সকলে শ্বিলং লাবানত 'দাৰ-উল-ইমান' নামৰ ঘৰটি সাজি উলিয়ায়। ইয়াতে তেখেতৰ চাৰিটি সন্তান ডাঙৰ দীঘল হয় আৰু ওচৰৰ লাবান চৰকাৰী উচ্চ বিদ্যালয়ৰ পৰা শিক্ষা সমাপ্ত কৰে। ইতিমধ্যে তেখেত সকলৰ জীৱনলৈ ১০ বছৰ বিৰতিৰ পিছত চতুৰ্থ পুত্ৰ ইকবালৰ জন্ম হৈছিল। যদিও এগৰাকী কন্যা সন্তানৰ বাবে তেখেত সকলে হাবিয়াস কৰিছিল, সেয়ে নোহোৱাত কিছু হতাশ হৈছিল।

ঘৰুৱা সকলো কাম নিয়াৰি কৈ কৰিও, ইমান ব্যস্ততাৰ মাজতো ৰাইজৰ সেৱাৰ বাবে ফানোৱাৰাই কিছু সময় উলিয়াইছিল।

দ্বিতীয় মহাযুদ্ধৰ সময়ত তেখেত Red Cross Society ত First Aidৰ প্ৰশিক্ষণ লৈছিল। যুদ্ধত আহত সেনাবোৰৰ হৈ চিঠি লিখি দিছিল আৰু নানা ধৰণৰ কথাকৈ অনুপ্ৰেৰণা যোগাইছিল। যুদ্ধৰ শেষত ছাৰ অকিনলেক (ভাৰতীয় মঞ্চৰ মুখ্য সেনাধ্যক্ষ) শ্বিলঙলৈ আহি মহিলা সকলৰ কামৰ প্ৰশংসা কৰিছিল। তেখেত সকলৰ সমাজসেৱাৰ বাবে সেই সময়ৰ গভৰ্ণৰ মুখ্য মন্ত্ৰী আৰু অধ্যক্ষই মহিলা সকলক সম্বৰ্দ্ধনা জনাইছিল, তাৰ স্মৃতি বহন কৰা ছবিখন এতিয়াও আছে।

তেখেতৰ পুত্ৰ সন্তান সকল চাকৰি বাকৰি কৰি বা পঢ়িবলৈ বাহিৰলৈ ওলাই যোৱাৰ বাবে তেখেতে আজৰি সময়বোৰ কিতাপ লিখাত নিয়োগ কৰে। ১৯৬০ চনত লিখিবলৈ লোৱা 'তৃপ্তি ভোজন' নামৰ কিতাপখন ১৯৬২ চনত প্ৰকাশিত হয়। কিতাপখন জনপ্ৰিয় হোৱা বাবে ১৯৬৪চনত কিছু নতুন ৰন্ধন ব্যৱস্থা যোগ দি পুনৰ প্ৰকাশ কৰা হয়। কিতাপখনত সেই সময়ৰ মুখ্য মন্ত্ৰী বিমলা প্ৰসাদ চলিহা দেৱে এটি আগকথা লিখি দিছিল। ১৯৬৩ চনত তেখেতে হজ পালন কৰে আৰু তাৰ পৰা অহাৰ পাছতে 'মোৰ হজ যাত্ৰা' নামৰ কিতাপখনি ৰচনা কৰি প্ৰকাশ কৰে। সেই সময়ত তেনে ধৰণৰ হজৰ বিবৰণৰ পুথি অসমীয়া ভাষাত নথকা বাবে সেই কিতাপখন অসমীয়া হজযাত্ৰী সকলৰ বিশেষ সহায় হয়। নিজৰ পিতৃ-মাতৃ বিশেষকৈ ফানোৱাৰা বেগমৰ নৈতিক মুল্যবোধ আৰু জীৱনৰ দৃষ্টিভঙ্গীয়ে তেখেতৰ সন্তান সকলক বাৰুকৈয়ে প্ৰভাবিত কৰিছিল আৰু একোজন উপযুক্ত মানুহ হোৱাত সহায় কৰিছিল।❖

---

(ফানোৱাৰা হাজৰিকাৰ সৰু পুত্ৰ ইকবাল হুছেইন হাজৰিকা (Retd Air Commodore)ৰ ইংৰাজী লেখাৰ অনুবাদ আৰু সংযোজন।)

# হাৰুণাৰ ৰছিদ

ড° কুতুবুদ্দিন আহমেদ

ইংৰাজী, ফৰাচী, জাৰ্মান, আৰবী আদি বিশ্বৰ চহকী ভাষাসমুহ কেৱল নিজা সাহিত্য সম্ভাৰেৰে চহকী নহয়, অনুবাদ কৰ্মতো যথেষ্ট চহকী। আনকি, বাংলা, মালয়ালম, মাৰাঠী, কন্নড়, তেলুগু আৰু উৰ্দু ভাষাতো অসমীয়া ভাষাতকৈ বহু বেছি অনুবাদ কাৰ্য সুসম্পন্ন হৈছে। ভাঙণি সাহিত্যৰ প্ৰাচুৰ্যৰ ফলতে ইংৰাজ কবি কীট্‌চে ক'বৰ দৰে তেওঁৰ সন্মুখত ভাষা-সাহিত্যৰ সোণালী দুৱাৰ খোল খাইছিল। অৱশ্যে আমাৰ ভাষাত অনুবাদকৰ সংখ্যা পুৰি খাবলৈকে নোহোৱাৰ দৰে নহয়। আমাৰ থানেশ্বৰ হাজৰিকা, নৰেণ শৰ্মা, কীৰ্তি হাজৰিকা, সুৰেন্দ্ৰ মোহন দাস, নলিনীধৰ বৰুৱা, ৰোহিনী বৰুৱা, মহেন্দ্ৰ বৰা, প্ৰফুল্ল কটকী, ৰমা বৰঠাকুৰ, নৱীনচন্দ্ৰ বৰদলৈ আদি ভালে সংখ্যক কথা সাহিত্যৰ অনুবাদক আমি পাওঁ। সম্প্ৰতি আলচ কৰিবলৈ যোৱা অনুবাদকগৰাকী হৈছে যোৰহটীয়া শিক্ষাবিদ হাৰুণাৰ ৰছিদ ডাঙৰীয়া।

উনবিংশ শতিকাৰ পঞ্চাশ আৰু ষাঠিৰ দশকত অসমীয়া পাঠকক বিশ্বসাহিত্যৰ মণিমুকুতাৰ লগত পৰিচয় কৰি দিয়া সফল অনুবাদকসকলৰ ভিতৰত হাৰুণাৰ ৰছিদৰ নাম বিশেষভাবে সংযোজিত হৈ থাকিব। যোৰহাট নগৰৰ সোঁমাজত আমতল অঞ্চলৰ সম্ভ্ৰান্ত ডাক্তৰ পৰিয়াল আলি আকবৰৰ চাৰিগৰাকী পুত্ৰৰ হাৰুণাৰ ৰছিদ আছিল দ্বিতীয়জন। প্ৰথম গৰাকী আমীৰ খুশ্ৰু ডিব্ৰুগড় বেৰী হোৱাইট কলেজৰ চিকিংসক, তৃতীয় গৰাকী পুত্ৰ মোহাম্মদ চুলতান প্ৰথমে অসম চৰকাৰৰ শিক্ষা সচিব হৈ তেজপুৰৰ জিলা উপায়ুক্ত হৈছিলগৈ আৰু সৰু পুত্ৰ

মহন্মদ ইউছা ডি আই ৰূপে অৱসৰ গ্ৰহণ কৰিছিল। দ্বিতীয় পুত্ৰ হাৰুণাৰ ৰছিদ ডাঙৰীয়া চাকৰিৰ সুত্ৰে আছিল স্কুলসমূহৰ সহকাৰী পৰিদৰ্শক। কলা বিভাগৰ স্নাতক হৈ বি. টি. পৰীক্ষাতো এখেত উত্তীৰ্ণ হৈছিল।

শিক্ষা সংস্কৃতিৰ প্ৰতি প্ৰবল ধাউতি থকা হাৰুণাৰ ৰছিদ ডাঙৰীয়াই আলোচনী আৰু কাকতত দুই এটি সৰুসুৰা অনুবাদ কৰি আছিল। ইংৰাজী সাহিত্যৰ বিশাল কথা সাহিত্যৰ ভাণ্ডাৰৰ পৰা অসমীয়া পঢুৱৈক নতুন সোৱাদ দিয়াৰ প্ৰবল হাবিয়াস লৈ ৰছিদ চাহাবে এক বৃহং আঁচনি যুগুত কৰিছিল। ইংৰাজীত ৰচনা কৰা প্ৰায় কুৰিখন ধ্ৰুপদী গ্ৰন্থ কালক্ৰমত তেওঁ অসমীয়ালৈ ভাঙনি কৰি উলিয়াইছিল। এই ক্ষেত্ৰত ৰছিদ চাহাবক সহায় কৰিছিল প্ৰকাশকৰ জাতীয় দায়িত্বৰ ক্ষেত্ৰত কোনো দিনে পিছ হুহকি নহা পাণবজাৰৰ লয়াৰ্ছ বুক ষ্টলে। বিশেষ উদ্যোগী প্ৰকাশক বৰ্তমান প্ৰয়াত খগেন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাৰ উংসাহ উদ্দীপনা এই সন্দৰ্ভত যথেষ্ট আছিল। হাৰুণাৰ ৰছিদ ডাঙৰীয়াৰ পূৰ্বে অসমীয়া ভাষালৈ এৰিক মেৰিয়া ৰেমাৰ্কৰ 'অল কোৱায়েট অন দ্য ৱেষ্টাৰ্ণ ফ্ৰন্ট' উপন্যাসখন নলিনী বৰুৱাই 'পশ্চিম সীমান্তত পূৰ্ণ শান্তি' নামেৰে ভাঙণি কৰিছিল। বৰুৱাৰ অনুবাদ সাৱলীল আছিল। ভিক্তৰ হিউগ'ৰ 'লা মিজাৰেবল' খন থানেশ্বৰ হাজৰিকাৰ হাতত মিঠা অনুবাদলৈ ভাঙনি হৈছিল 'দীনদুখী' নামেৰে। তেনেদৰে হৰেন কলিতাই 'এ টেল অব ট্যু চিটিজ'ৰ ভাঙনি কৰিছিল 'নগৰ দুখনৰ কথা' নামকৰণেৰে। অৱশ্যে সুৰেন্দ্ৰ দাসৰ অনুদিত উপন্যাস 'যুদ্ধ আৰু শান্তি'ৰ কেইবাটাও অনুদিত সংস্কৰণ প্ৰকাশিত হৈছিল, ইয়াৰ মূল আছিল টলষ্টয়ৰ 'ৱাৰ এণ্ড পীচ'। এইখিনি সময়তে 'পছোৱা', 'বাঁহী' আৰু 'আৱাহন'ত খণ্ড খণ্ডকৈ প্ৰকাশিত হৈছিল খনচেৰেক বিশ্ববিখ্যাত উপন্যাসৰ অনুদিত ৰূপ।

আমাৰ আলোচ্য অনুবাদক হাৰুণাৰ ৰছিদে অনুবাদ কাৰ্যত ব্ৰতী হ'বলৈ এক প্ৰেৰণাময় পৰিৱেশ নিশ্চিতভাবে পাইছিল। কিন্তু অসমীয়াত পঢুৱৈক বিদেশী সাহিত্যৰ ৰহঘৰাৰ যোগান ধৰিবলৈ কৰা ৰছিদ ডাঙৰীয়াৰ কৃত সংকল্পই বিশ্ব সাহিত্যৰ ৰসিক এচাম গতিশীল পঢুৱৈৰ জন্ম দিয়াত প্ৰভূত বৰঙণি আগবঢ়াইছিল। গল্প, উপন্যাস অনুবাদ কৰোতে বহু অনুবাদকে কিছুমান বিশেষ কথালৈ লক্ষ্য নকৰে। উদাহৰণ স্বৰূপে অনুবাদৰ ভাষা হুবহু আক্ষৰিক হ'ব নালাগে। বিদেশী বিদেশী হৈ 'গোন্ধাই থকা' বাবে বহু অনুবাদকে পঢুৱৈৰ সুবিচাৰ লাভ কৰাত ব্যৰ্থ

হৈছে। পুনৰ, কেতিয়াবা দেখা যায় কবিতাৰ ৰসজ্ঞ নোহোৱাকৈয়ে এখন কাব্যগ্ৰন্থৰ অক্ষম অনুবাদ কোনোজনে আগবঢ়াইছে। নাটকৰ অধিক আৰু প্ৰায়োগিক উভয়ৰে জ্ঞান নথকা ব্যক্তিয়ে বিশ্বসাহিত্যৰ বিখ্যাত নাটকৰ অনুবাদ আগবঢ়োৱাও দেখা যায়। এনে বহু কাৰণত অনুবাদ কৰ্ম শিথিল হৈ পৰে আৰু পঢ়ুৱৈৰ বাবে কষ্টসাধ্য হৈ পৰে। মূল ভাষা (Source Language) আৰু অনুদিত ভাষা (Target language) দুয়োটাৰ সাংস্কৃতিক ধৰ্ম নজনাকৈ অনুবাদ কৰিলেও মূলৰ সৌন্দৰ্য নষ্ট হয়।

হাৰুণাৰ ৰছিদে অনুবাদ কৰা বিশ্ব সাহিত্যৰ মণিমুকুতাৰ ভিতৰত ষ্টিভেনছন, ডিকেন্স, চুইফট, ডুমা, পাৰ্ল বাক, পইজাৰ আৰু ডষ্টয়েভস্কীয়েই প্ৰধান। এই মহৎ লেখকসকলৰ শক্তিশালী ৰচনাবোৰৰ কিছুমানৰ নাম ইংৰাজী নামকৰণত ৰখা হৈছে যেনে, 'অলিভাৰ টু ইষ্ট', 'থ্ৰি মাছকেটিয়াৰ্ছ', 'মাৰ্কোপল', 'গুড আৰ্থ' আৰু 'ক্ৰাইম এণ্ড পানিছমেন্ট' । খনচেৰেকৰ নাম অনুবাদকে সলাই আমাৰ ভাষালৈ ভাঙি নাম দিছে এনেদৰে- 'ৰত্নদ্বীপ, টম খুড়াৰ জুপুৰী, সমুদ্ৰ বিজয়ী কলম্বছ, ৰনবীৰ টাৰ্জাণ, দানবীৰ কাৰ্ণেগী, বাওনাৰ বিচিত্ৰ কাহিনী'।

হাৰুণাৰ ৰছিদৰ অনুবাদ সফল হোৱাৰ মূল চাবিকাঠি হৈছে সাৰ্থক ভাবানুবাদ। তেখেতে আক্ষৰিক অনুবাদ নকৰি ভাৱৰ ওপৰত বিশেষ লক্ষ্য ৰাখিহে অনুবাদ কৰিছিল। অনুবাদৰ সম্পৰ্কত প্ৰধানকৈ তিনিটা ধাৰা সমান্তৰালকৈ চলি থকা দেখা যায়। প্ৰথমটো হৈছে সংক্ষিপ্ত অনুবাদ। এনে ধৰণৰ চমু অনুবাদত অনুবাদকে কেতিয়াবা মূলৰ কিছু অংশ এৰি থৈ প্ৰকৃত সৌন্দৰ্য্য নষ্ট কৰি পেলায়। দ্বিতীয়তে, কোনো কোনো অনুবাদকে মূলৰ বিদেশী কথা আৰু পৰিবেশক আমাৰ অসমীয়া সাজ পিন্ধাই (Local Colour) উলিয়াই তৰ্জমা কৰে। উদাহৰণস্বৰূপে ড০ মহেন্দ্ৰ বৰা আৰু প্ৰতিভা দেবী দুয়োৰে সুকীয়া সুকীয়াকৈ চাৰভেণ্টিচৰ ডন কুইকচটখন অনুবাদ কৰিছে। ড০ বৰাৰ অনুবাদ সাৰ্থক হোৱাৰ বিপৰীতে প্ৰতিভা দেবীয়ে ডন কুইকচটক 'কেকো ডাঙৰীয়া' সজাই 'চেংক' পাঞ্জা' নামৰ বিখ্যাত চৰিত্ৰটোক জবৰজং সজাইছে। সেইদৰে, কোনো কোনো অনুবাদ আকৌ ঠাই বিশেষে কৰা নহয় অৰ্থাৎ মূলৰ কোনো অংশ সম্পূৰ্ণ পৰিহাৰ কৰি অযথা দীঘল নকৰি অথচ বিকৃত নকৰাকৈ আৰু ৰস, ভংগ নকৰাকৈ পঢ়ুৱৈৰ বাবে বিদেশী মূল্যবান লেখনীৰ তৰ্জমা আগবঢ়োৱা হয়।

হাৰুণাৰ ৰছিদে তেওঁৰ অনুবাদত উল্লিখিত তিনিবিধ জুতিকে অসমীয়া পঢ়ুৱৈক দিব বিচাৰিছিল। সেইবাবেই তেওঁৰ হাতত Uncle Tom's Cabin খন 'টম খুড়াৰ জুপুৰী' আৰু Gulliver's Travels খন 'বাওনাৰ বিচিত্ৰ কাহিনী' হৈ বিদেশী বিদেশী গোন্ধাই নাথাকিল। পাৰ্ল এছ্ বাকৰ বহু পঠিত উপন্যাস 'গুড আৰ্থ' খন ৰছিদ ডাঙৰীয়াই একে নামেৰে ৰাখিলেও সুন্দৰ ঘৰুৱা ভাষাৰ প্ৰয়োগত অপূৰ্ব সংক্ষিপ্ত ভাঙনিলৈ পৰ্যবসিত হৈছে। মূলৰ সৌন্দৰ্য ব্যাহত নোহোৱাকৈ আৰু বিদেশী টাবৰ ফুলৰূপে নোগোন্ধোৱাকৈ কেওখন উপন্যাসৰ ভাঙনি প্ৰাঞ্জল হৈ পৰিছে। প্ৰধানকৈ এই সংবেদনশীল অনুবাদ ধৰ্ম ৰক্ষা পৰাৰ কাৰণে হাৰুণাৰ ৰছিদৰ যুগুত গ্ৰন্থই দ্বিতীয় তৃতীয় সংস্কৰণৰ মুখ দেখা পায়। বিশ্ব সাহিত্যৰ অধ্যয়নৰ প্ৰতি উৎসুক্য জাগ্ৰত কৰাত আৰু সেই অনুক্ৰমে এচাম অসমীয়া পঢ়ুৱৈ সৃষ্টি কৰাত ৰছিদৰ কৃতি আৰু কৃতিত্বৰ কথা আমি নিশ্চিতভাবে মনত ৰাখিব লাগিব। অনুবাদৰ যোগেদি ৰছিদ ডাঙৰীয়াই Transcreation হয়তো কৰিব পৰা নাছিল, কিন্তু এচাম পঢ়ুৱৈ অৰ্থাৎ quality readers সৃষ্টি কৰাত বিশেষ অৰিহণা যোগাইছিল।

অনুবাদ কাৰ্যৰ লগত শিশু সাহিত্যৰ দিশটোৰ পুষ্টি সাধনলৈ লক্ষ্য কৰি হাৰুণাৰ ৰছিদে পাৰস্য দেশৰ সাধু, চীন দেশৰ সাধু, লৰাৰ হজৰত ৰছুল আদি সৰু সৰু পুথিও ৰচনা কৰিছিল। খনচেৰেক ধৰ্মীয় পুথি যেনে ইছলামৰ ইতিকথা, কোৰাণৰ কাহিনী, বিশ্বনবী হজৰত মোহাম্মদ (দঃ) ৰচনাৱলী যুগুত কৰাৰ উপৰি এখেতে 'সৰল ভাৰত বুৰঞ্জী'ৰ দৰে কেইবাটাও সংস্কৰণ চলা বুৰঞ্জীৰ পাঠ্যপুথিও আদৰ্শনীয় ভাবে প্ৰণয়ন কৰিছিল। অসুস্থ হৈ শয্যাশায়ী হৈ থকা অৱস্থাতো খনচেৰেক অনুবাদৰ পাণ্ডুলিপি প্ৰস্তুত কৰিছিল।

এগৰাকী সফল অনুবাদকৰূপে হাৰুণাৰ ৰছিদে ইতিপূৰ্বে অসমীয়া সাহিত্যৰ ইতিহাসত এটুকুৰা নিগাজী স্থান দখল কৰিবলৈ সমৰ্থ হৈছে। ১৯৬১ চনতে ইহসংসাৰ ত্যাগ কৰা এই গুণী অনুবাদক সাহিত্যিক গৰাকীৰ শতবাৰ্ষিকী পাৰ হৈ গ'ল। হাৰুণাৰ ৰছিদৰ ৰচনাৱলীৰ সম্পূৰ্ণ সংকলন এটি প্ৰকাশ কৰাৰ সময় এতিয়াও পাৰ হৈ যোৱা নাই। (জনমভূমিত প্ৰকাশিত)। ❖

---

(সংকলকৰ টোকা ঃ হাৰুণাৰ ৰছিদ ১৯২৯ চনত স্থাপিত যোৰহাট মুছলিম ক্লাৱ, বৰ্ত্তমানৰ চেন্ট্ৰেল ক্লাৱৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল - যোৰহাট চেন্ট্ৰেল ক্লাৱৰ স্মৰণিকা, এনাজৰী, ২০০৯)।

# আবুল ফজল আহমদ

দেবিৰা চুলতানা আহমদ



প্ৰফেচাৰ আবুল ফজল চৈয়দ আহমদ হজৰত আজান পীৰ চাহাবৰ নৰম বংশধৰ। তেখেতৰ জন্ম হয় ১৯০১ চনত ডিচেম্বৰ মাহৰ ২৫ তাৰিখে বৰদিনৰ দিনা গুৱাহাটীৰ পল্টন বজাৰত। পিতৃৰ নাম আছিল ডাঃ চৈয়দ জালালুদ্দিন আহমদ আৰু মাতৃ আছিল নবী পীৰ চাহাবৰ বংশৰ চৈয়দা মাচুদা বেগম। তেখেত ছাৰ মোহাম্মদ ছাদুল্লা চাহাবৰ মাজু বায়েক আছিল। চৈয়দ আবুল ফজল চাহাবৰ লৰালি কালচোৱা নানায়েক চৈয়দ মোহাম্মদ তৈয়বুল্লা চাহাবৰ ঘৰতে কাটে। বৰ নাতি হিচাপে তেখেত সকলোৰে মৰমৰ আছিল।

পঢ়াশুনাত মেধাবী ছাত্ৰ আবুল ফজলে আৰবী আৰু ফাৰ্চী ভাষা দুয়োটাতে কৃতিত্বৰে এম. এ পাছ কৰে। আৰবী পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম হোৱাত তেখেতে এখন “হাৰকিউলিছ” চাইকেল উপহাৰ হিচাপে পাইছিল।

এখেতে চাকৰি জীৱন আৰম্ভ কৰে কটন কলেজতে। সেই সময়তে তেখেতে চি. এম হোষ্টেলতো অধীক্ষক হৈ ভালেমান দিন কটালে। তেখেতে বিয়া কৰাইছিল নাজিৰাৰ নবী ঘৰীয়া নামে উজনিত জনাজাত এটি পৰিয়ালৰ কন্যা চৈয়দা মুজিদা খাতুনক। মুজিদা খাতুনৰ পিতাকৰ নাম আছিল চৈয়দ ৰিয়াজুল হুছেইন। এই মুজিদা খাতুন এগৰাকী ব্যক্তিত্ব সম্পন্না মহিলা আছিল। বিয়াৰ সময়ত

মাত্ৰ আৰবী ভাষাত কোৰাণ শ্বৰিফ পঢ়িব পৰা জ্ঞানহে আছিল। কেনো দিনে পঢ়াশালিত ভৰি দি পোৱা নাছিল। কিন্তু এই গৰাকী মহিলাই নিজৰ অধ্যৱসায়ৰ লগতে স্বামীৰ অনুপ্ৰেৰণাত পাছলৈ অসমীয়া, বঙালী, উৰ্দ্দু ভালকৈ পঢ়িব লিখিব জানিছিল। তেখেতে অলপ ফাৰ্চী, হিন্দী আৰু ইংৰাজীও জানিছিল। বিভিন্ন খবৰ কাগজ খৰছিমাৰি পঢ়ি দেশ বিদেশৰ সকলো খবৰ আৰু জ্ঞান আহৰণ কৰিছিল। তেখেত এগৰাকী সুনিপুন শিপিনীও আছিল আৰু অনেক বনৌষধিও জানিছিল। পৰিয়ালৰ লোক আৰু আনকো এই ঔষধ দি অনেক ৰোগ নিৰাময় কৰিছিল।

চৈয়দ আবুল ফজল চাহাবে কটন কলেজতে চাকৰি কৰি থকাৰ সময়তে অবিভক্ত চিলেট জিলাৰ মুৰাৰী চান্দ কলেজলৈ ডেপুটেচনত বদলি হৈ যায়। সপৰিয়ালে তাত কিছুবছৰ থাকি, এচিষ্টেন্ট ডাইৰেক্টৰ অৱ পাৱলিক ইনষ্ট্ৰাকচন ৰূপে পদোন্নতি হৈ শ্বিলঙলৈ বদলি হৈ আহে। ৫ বছৰ সেই পদতে থাকি স্বইচ্ছাৰে শিলঙৰ পৰা গুৱাহাটীলৈ গুচি আহি পুনৰ কটন কলেজৰ চাকৰিত যোগ দিয়ে। শ্বিলঙত থকা অৱস্থাত তেখেতে ৰিক্ৰুটিং অফিছাৰ হিচাপেও কিছুদিন কাম কৰিছিল।

আবুল ফজল চাহাব বৰ ধেমেলীয়া স্বভাৱৰ লোক আছিল। সৰু লৰা ছোৱালী, নাতি পুতি, ঘৰৰ বন কৰা লৰাছোৱালী সকলোৰে লগত ধেমালি কৰি ভাল পাইছিল। তেখেত কিন্তু বৰ এক কথাৰ মানুহ আছিল। নিজৰ কথাত অটল আছিল। এসময়ৰ তেখেতৰ শিক্ষক ডাঃ সুৰ্য্য কুমাৰ ভুঞা দেৱ আৰু খাছী প্ৰফেচাৰ ‘থমাছ’ তেখেতৰ চাকৰি জীৱনত আবুল ফজল চাহেবৰ নলে গলে লগা বন্ধু হৈছিল। তেখেতসকল তিনি বন্ধুৱে মিলি এখন গাড়ী কিনি যাৰ যি দৰে দৰকাৰ হয়, সেইদৰে ব্যৱহাৰ কৰিছিল। এইদৰে কাম চলাৰ পাছত প্ৰফেচাৰ থমাচ অৱসৰ প্ৰাপ্ত হৈ শ্বিলঙলৈ গুচি যায়। চৈয়দ আবুল ফজল চাহাব আৰু ডাঃ ভূঞা চাহেবে একো হিচাপ-নিকাচ নকৰাকৈ বন্ধুক গাড়ী খন দি দিয়ে। এনে বন্ধুত্বৰ উপমা বিৰল।

তেখেতে ঘৰত কাম কৰিবলৈ অহা লৰাই পঢ়িবলৈ ইচ্ছা কৰিলে স্কুলত নাম লগাই দি যিমান দুৰ সম্ভৱ পঢ়ুৱাইছিল আৰু বন কৰা কেইবা গৰাকী ছোৱালীক নিজৰ সাধ্য অনুযায়ী খৰচ কৰি বিয়া পাতি দিছিল। আনৰ দুখত দুখী তেখেতে

আনৰ উপকাৰ কোনেও নজনাকৈ কৰিছিল। অসহায় অতি দুৰ্বল মহিলাক ৰাতি মনে মনে গৈ ঘৰতে ভাত যোগাইছিল। দুখীয়াৰ দুখ দেখিব নোৱাৰা আবুল ফজল চাহাবে গুৱাহাটীৰ জতিয়াত থকা তেখেতৰ মাটি প্ৰায় ৬-৭ বিঘা দুখীয়া নিচলাক থাকিবলৈ এনেয়ে দান কৰি দিছিল। আল্লাহৰ নামত দান দিয়া সেই বৃহৎ পৰিমানৰ মাটিৰ বিনিময়ত কোনো বাহবা বা স্বীকৃতি পাবলৈয়ো একো অৰশ্যকতা বোধ কৰা নাছিল। বিষয় সম্পত্তিৰ প্ৰতি তেখেতৰ আগ্ৰহ নাছিল। কটন কলেজত এজন বিহাৰী পিয়ন আছিল। এই লোক জনৰ বৰ্ত্তমান বেলতলা বজাৰত উত্তৰ, দক্ষিণ পাৰে এদৰা মাটি আছিল আৰু তাতে এখন ‘ চপেটা ’ গছৰ বাৰী কৰি বাস কৰিছিল। এবাৰ তেওঁৰ বিহাৰৰ ঘৰত বৰ বিপদ হল। পইচাৰ বিশেষ দৰকাৰ হোৱা বাবে সেইমাটি টুকুৰা বেচিবৰ বাবে কলেজৰ অনেক প্ৰফেচাৰক কাকুতি কৰিলে। সেই সময়ৰ বেলতলা বন জংঘলেৰে পৰিপূৰ্ণ আছিল। গুৱাহাটী চহৰৰ পৰা মানুহে চিকাৰ কৰিবলৈহে আহিছিল। কোনোৱে মাটি টুকুৰা নিকিনাৰ বাবে ফজল চাহাবে পুতৌ কৰি সেই সময়ৰ দামত মটি টুকুৰা কিনি থয়। এইয়া আনুমানিক ১৯৩৭/৩৮ চন মানৰ কথা। সেই মাটিৰ বেলতলা বজাৰৰ আগৰ পথৰ দক্ষিণ অংশ বহুতে বেদখল কৰিলে, কিছু বেচা গল আৰু উত্তৰ অংশত বৰ্ত্তমান তেখেতৰ পুত্ৰ সকল আৰু নাতিনী হঁতে ঘৰ দুৱাৰ সাজি বসবাস কৰে। বিপদত সহায় কৰিবৰ সময়ত ফজল চাহাবে হয়তো এইয়া কল্পনাও কৰিব পৰা নাছিল যে এই মাটি আজি ঘন বসতি পূৰ্ণ ঠাই হব আৰু তেখেতৰ পৰিয়াল পল্টন বজাৰৰ পৰা তালৈ উঠি যাব।

আনক সহায় কৰি ভাল পোৱা আবুল ফজল চৈয়দ আহমদ আছিল এগৰাকী নীৰৱ সাধক । ১৯৫৯ চনৰ ১৭ অক্টোবৰ তাৰিখে মাত্ৰ ৫৮ বছৰ বয়সত এই দয়ালু লোক গৰাকীৰ মৃত্যু হয়।❖

---

(আহমদ চাহাবৰ কন্যা চৈয়দা চকিনা আশ্ৰফৰ ‘ডিভাইন পাথচ’ নামৰ কিতাপ আৰু পুত্ৰ চৈয়দ ৰফিক আহমদৰ তথ্যৰ সহায়ত লিখা। আলোকচিত্ৰখন নাতিনী জবিন আহমদৰ সৌজন্যত পোৱা।)

# ইচফাকুল মজিদ

দেবিৰা চুলতানা আহমদ

যোৰহাটৰ বেৰিষ্টাৰ মজিদ চাহাবৰ তৃতীয় পুত্ৰ ইচফাকুল মজিদৰ জন্ম ১৯০৩ চনত। মাকৰ নাম আছিল মফিদন নিছা। ইচফাকুল মজিদ ওখ পাখ সুন্দৰ চেহেৰাৰ এজন নিৰ্ভীক চৰিত্ৰৰ যুৱক আছিল। সেই সময়ত দেউতাক শিলঙত চাকৰি কৰি থকা অৱস্থাত এই যুৱক জন তেতিয়াৰ গৰ্ভৰ্ণৰৰ চকুত পৰে। তেখেতেই ইচফাকুল মজিদক সামৰিক বিদ্যাত উচ্চ শিক্ষা লবৰ বাবে বিলাতলৈ যাবলৈ উপদেশ দিয়ে। সেই অনুসাৰে যথাযোগ্য প্ৰক্ৰিয়াৰ যোগেদি তেখেত ইংলেণ্ডৰ মিলিটেৰী কলেজত ভৰ্তি হয়। এই মিলিটেৰী কলেজ খনৰ নাম Sandhurst Military College. ইয়াত ভৰ্তি হোৱা সহজ কথা নহয়। ভাৰতৰ পৰা বিলাতত সামৰিক শিক্ষা লবলৈ যোৱা প্ৰথমজন ভাৰতীয় আছিল Field Marshall Cariappa. সেই কলেজত সামৰিক শিক্ষা লবলৈ যোৱা মুষ্টিমেয় ভাৰতীয় সকলৰ ভিতৰত দ্বিতীয় গৰাকী ভাৰতীয় আছিল ইচফাকুল মজিদ।

স্বাধীনতাৰ পুৰ্বে তেখেত ভাৰতীয় সেনা বাহিনীৰ ব্ৰিগেডিয়াৰ আছিল। তেখেতে বিয়া কৰাইছিল কলিকতাৰ ছাৰ আব্দুৰ ৰহিম চাহেবৰ কন্যা আয়েশ্বাক। কিন্তু খুৱ কমদিনৰ পাছতেই এই গৰাকী পত্নীৰ মৃত্যু হয়। পত্নীৰ শেষ ইচ্ছা পূৰ্ণ কৰিবৰ বাবে তিনিদিন তেখেতে পত্নীৰ মৃতদেহ ৰেলেৰে কঢ়িয়াই আনি দিল্লীত নিজামুদ্দিন আউলিয়াৰ দৰগাহৰ এলেকাত সমাধিস্থ কৰে।

স্বাধীনতাৰ সময়ত বৰ্ত্তমানৰ পাকিস্তানৰ ফালে তেখেতে চাকৰি কৰি থকা হেতুকে তাতে ৰৈ যায়। তাত প্ৰথমে মেজৰ-জেনেৰেল আৰু কিছুদিন পাছতে লেফটেনেণ্ট জেনেৰেল হৈছিল। কিন্তু তেখেতে তেতিয়াৰ মিলিটেৰী শাসক সকলে কৰা অন্যায়ৰ বাবে প্ৰতিবাদ কৰাত চাকৰি হেৰুৱাব লগীয়া হয় আৰু কিছুদিনৰ বাবে জেললৈও যাব লগা হয়। জেলৰ পৰা মুক্তি পোৱাৰ পাছত তেখেতে পুব পাকিস্তানলৈ গুচি আহে। পূব পাকিস্তানৰ মুক্তি যুঁজৰ সময়ত তেখেতে মুক্তি বাহিনীৰ উপদেষ্টা আছিল । পূব বঙ্গতে ৭০ দশকৰ শেষৰ ফালে তেখেতৰ মৃত্যু হয়।

তেখেতৰ কথা ভাৰতৰ এসময়ৰ C-in- C থিমায়াৰ কিতাপ এখনত এইদৰে উল্লেখ আছে 'Isfaque Majid, the fair skinned Assamese lieutenant. এইয়া পশ্চিম পাকিস্তানৰ পেছোৱাৰত ইচফাকুল মজিদ Lieutenant আৰু থিমায়া তেখেতৰ তলত 2nd. Lieutenant হিচাপে চাকৰি কৰাৰ সময়ৰ আনুমানিক ১৯২৬-১৯২৭ চনৰ কথা। এই কথাখিনি আজি প্ৰায় ৪৫ বছৰ মানৰ আগতে কহিমা হাইস্কুলত থকা পুথিভড়ালৰ কিতাপ এখনত পঢ়িছিলো। নামটো এতিয়া মনত নাই।

২০০৯ চনৰ ৩০ মাৰ্চ তাৰিখৰ Outlook নামৰ আলোচনীখনত এশ বছৰীয়া জেনেৰেল উদয় চান্দ ডুবে নামৰ King's Commissioned Indian Officer (KCIO) এজনৰ এটা চমু জীৱন বৃত্তান্তত উল্লেখ কৰা মতে জাতীয়তাবাদী (Nationalist) ভাৰতীয় সকলৰ হেচাত ব্ৰিটিছ সেনাৰ ভাৰতীয়কৰণ কৰা হয়। তাৰে ফলস্বৰূপ ১৯২০ ৰ পৰা ১৯৩৪ চনৰ ভিতৰত আনুমানিক ১৫০ জন ভাৰতীয়ই এইদৰে সামৰিক বাহিনীত যোগ দিয়ে। তাৰে প্ৰথম কেইজনৰ সাক্ষাৎকাৰ স্বয়ং ভাইচৰয়ে (লাটচাহাব) লৈছিল। (১৯৩৪ চনৰ পাছৰ সামৰিক বিষয়া সকলে ডেৰাডুনৰ পৰা পাছ কৰিছিল)। ইচফাক মজিদ এই KCIO সকলৰ দ্বিতীয় গৰাকী হোৱা বাবে তেখেতৰ সাক্ষাৎকাৰ লাটচাহাবেই নিশ্চয় লৈছিল। জেনেৰেল ডুবে মজিদ চাহাবতকৈ ৬ বছৰ সৰু আছিল আৰু তেখেতৰ দৰেই প্ৰাক

স্বাধীনতা কালত পশ্চিম ভাৰতৰ প্ৰদেশবোৰত সামৰিক বাহিনীৰ লগত আছিল আৰু জেনেৰেল ডুবেৰ প্ৰথম ৰেজিমেণ্টটো পাঞ্জাৱ ৰেজিমেণ্ট বুলি উল্লেখ কৰিছে। এই সম্পূৰ্ণ ৰেজিমেণ্টটো দেশ বিভাজনৰ সময়ত পাকিস্তানতে থাকি যায় বুলি উল্লেখ কৰিছে। সম্ভৱ ইচফাক মজিদো এই ৰেজিমেণ্টতে আছিল। জেনেৰেল ডুবে সেই বাহিনীৰ লগত নগৈ ডোগ্ৰা ৰেজিমেণ্টত যোগ দিয়ে।

ইচফাকুল মজিদ ইমানেই নিৰ্ভীক আছিল যে ডেকা কালত এখন বাগানৰ গোৰা চাহেব এজনে এজন অসমীয়াক দেৰগাঁওৰ ওচৰৰ ৰাস্তাত মাৰ ধৰ কৰি অপমান কৰি থকা দেখি গাড়ীৰ পৰা নামি গৈ তেখেতক চৰিয়াইছিল। ব্ৰিটিছ শাসনৰ সময়ত এইয়া কৰা সঁচাই সাহসিকতাৰ পৰিচয়। ইমান এজন বীৰ পুৰুষৰ জীৱনটো অপচয় হোৱা কাৰণেহে দুখ লাগে। তেখেতৰ সতি সন্ততি নাছিল। আজি তেখেতৰ নাম স্মৃতিৰ পৰা বিলোপ হোৱাৰ পথত। ❖

# আনোৱাৰ কাদিৰ মোহাম্মদ চালেহউদ্দিন

**দেবিৰা চুলতানা আহমদ**



ফাৰ্চী পঢ়ীয়া পৰিয়ালৰ আনোৱাৰ কাদিৰ চালেহউদ্দিনৰ জন্ম ১৯০৪ চনত। দেউতাক আছিল যোৰহাটৰ চিৰাজউদ্দিন দাৰোগাৰ বৰ পুত্ৰ মোহম্মদ ফিৰদৌচ আৰু মাক আছিল নাজিৰাৰ আলিমন নিছা। তেখেত সকল হাজোৰ আনোৱাৰ শ্বাহ ফকিৰৰ বংশধৰ। এই চিৰাজ দাৰোগাই কুৰি শতিকাৰ দ্বিতীয় দশকত মনিপুৰৰ বিদ্ৰোহৰ সময়ত চিপাহী সকলক লগত লৈ গৈছিল আৰু সেই সময়ৰ কমিছনাৰ গৰ্ডন চাহাবৰ লগত কথা কটাকটি হোৱাত চাকৰি ইস্তফা দি যোৰহাটলৈ ঘূৰি আহিছিল। তেখেত সকলৰ পুৰণি ভেটি আছিল বালিবাটৰ মূৰত ন-আলিৰ কাযত যোৰহাট পাব্লিক বাছষ্টেণ্ডৰ দক্ষিণত । এই ভেটি তেখেত সকলে নৰ্মাল স্কুলৰ বাবে দান কৰে নে চৰকাৰে অধিগ্ৰহণ কৰে জনা নাযায়। ১৮৭১ চনত নতুন বালিবাটৰ 'ন-মছজিদ' প্ৰতিষ্ঠা কৰাৰ সময়ত যি ন-গৰাকী লোকৰ নামৰ তালিকা আছে তাৰে এটা নাম এই চিৰাজউদ্দিন আহমদৰ। পুৰণি ভেটি এৰি ১৯১১ চনত তেওঁলোকে গড়আলিৰ ওপৰত অৱস্থিত ৰজাবাৰীলৈ উঠি আহে। এই পৰিয়ালটোৱেই যোৰহাটৰ ৰজাবাৰীৰ প্ৰথম মুছলমান পৰিয়াল।

আনোৱাৰ কাদিৰ চালেহে লৰালিতে মাকক হেৰুৱায় আৰু তৃতীয় শ্ৰেণীত পঢ়ি থকা অৱস্থাতে পিতৃ বিয়োগ হয়। তেখেতে ককা দেউতাকৰ তত্বাবধানতে থাকি যোৰহাটৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰে । ককাদেউতাকৰ

মৃত্যুৰ পাছত কলিকতাত থকা ডাঙৰ খুড়াক ন্যায়াধীশ পজিৰুদ্দিন আহমদৰ লগত থাকি পঢ়া-শুনা কৰিবলৈ লয়। তেখেতে চিৎপুৰত থকা বেঙ্গল ইঞ্জিনিয়াৰিং কলেজত ইলেকট্ৰিকেল ইঞ্জিনিয়াৰিং শাখাত ভৰ্ত্তি হয়। কিন্তু দুভাৰ্গ্যবশঃত ঠিক ডিগ্ৰী পৰীক্ষাৰ আগে আগে ন্যায়াধীশ পজিৰুদ্দিন আহমদৰ হঠাৎ মৃত্যুত আৰ্থিক অভাৱত পজিৰুদ্দিন চাহাবৰ পৰিয়ালটোৱে কলিকতা এৰিব লগা হোৱাত তেখেতো ডিগ্ৰী পৰীক্ষা নিদিয়াকৈ শিক্ষা শেষ কৰিব লগা হয়। কলিকতাৰ পৰা আহি তেখেতে অসম অইল কোম্পানীৰ চাকৰিত ভৰ্ত্তি হয়। তাত কিছুদিন কাম কৰাৰ পাচতে চিঙ্গাপুৰত টিনৰ ফেক্টৰীত তেতিয়াৰ দিনত মাহিলী ৪০০ টকাৰ মেনেজাৰৰ চাকৰি এটা পায়। কিন্তু যোৱাৰ বাবে প্ৰস্তুত হওঁতেই বিদেশলৈ যোৱাৰ আগ মুহূৰ্ত্তত নতুনকৈ খোলা যোৰহাটৰ প্ৰিন্স অৱ ৱেলচ্ টেক্নিকেল স্কুলত এটি চাকৰি পায়। পৰিয়ালৰ হেঁচাত এই চাকৰি লবলৈ বাধ্য হয়। সেই সময়ৰ স্কুলৰ বিদেশী কৰ্তৃপক্ষই তেখেতক উচ্চ শিক্ষাৰ বাবে বিলাতলৈ পঠিয়াব খুজিছিল কিন্তু পৰিয়ালৰ দায়িত্ব বহন কৰাৰ কাৰণে যাব নোৱাৰিলে। নিজ ভায়েকহঁতৰ উপৰিও খুৰাকহঁতৰ ল'ৰা ছোৱালীবোৰৰো দায়িত্ব তেখেতৰ ওপৰত আহি পৰে। ভালে কেইবছৰ আন ভায়েকবোৰ উপযুক্ত নোহোৱালৈকে তেখেতে এই দায়িত্ব বহন কৰিছিল। এইয়া আছিল দ্বিতীয় মহা যুদ্ধৰ কিছুবছৰৰ আগৰ কথা।

এই কাৰিকৰী স্কুলত কেইবছৰ মান চাকৰি কৰাৰ পাছত ১৯৪১ চনত সেই স্কুলৰ অধ্যক্ষ পূৰ্ণ চৌধুৰী শ্বিলংলৈ বদলি হৈ যোৱাত তেখেতে ইয়াৰ অধ্যক্ষ পদ পায়। এই পদত তেখেতে কেইবা বছৰো বাহাল আছিল। সেই সময়ত অসমত এনে ধৰণৰ কাৰিকৰী অনুষ্ঠান এখনেই আছিল। অসমৰ উপৰিও মণিপুৰৰ পৰাও ছাত্ৰ সকল ইয়াত ভৰ্ত্তি হৈছিল। আনোৱাৰ কাদেৰ চালেহউদ্দিনে পঢ়োৱা ছাত্ৰ অসম আৰু মণিপুৰত সিঁচৰতি হৈ আছে। সেই সময়ত অসম চৰকাৰৰ চাকৰিৰ উপৰিও, অসমৰ তেল কোম্পানীবোৰতো ইয়াৰ পৰা শিক্ষা লৈ যোৱা ছাত্ৰ সকলে চাকৰি পাই নিজকে সু-প্ৰতিষ্ঠিত কৰিছিল।

ইতিমধ্যে দ্বিতীয় মহা যুদ্ধ শেষ হোৱাত তেতিয়াৰ ব্ৰিটিছ চৰকাৰে তেখেতৰ সাধুতাৰ মূল্য বুজি কেইমাহমানৰ বাবে চাবুৱাৰ সামৰিক চাউনীত তেখেতক Disposal Officer হিচাপে নিযুক্তি দিছিল। যুদ্ধৰ ৰাহী সামগ্ৰীবোৰ নিলামত বেচা হৈছিল, আৰু এইয়া কোটি কোটি টকাৰ লেনদেন আছিল। বেৰেক বোৰত

কিমান টিন পাত আছিল কল্পনা কৰিব নোৱাৰি। 'বেৰেক' বোৰক সংযোগ কৰা ওখ পকী পথবোৰৰ ওপৰতো টিনৰ চালি আছিল। কিন্তু তাৰ পৰা আহিও তেখেতে যুদ্ধৰ সময়ত টেক্‌নিকেল স্কুলত থকা চৰকাৰী ঘৰ মিলিটেৰীক এৰি দি খৰধৰ কৰি সাজি লোৱা খেৰৰ ঘৰতে আছিল। চাকৰিৰ পৰা অৱসৰ লোৱাৰ পাছত সাধাৰণ পকাৰ ঘৰ এটা সাজিছিল। মিত্ৰ শক্তিৰ যুদ্ধৰ চাউনী এক বিৰাট এলেকা জুৰি আছিল। ঠাইখনত যুদ্ধৰ সামগ্ৰী আৰু অনেক শাৰী শাৰী কৈ থকা ট্ৰাক, জীপেৰে ঠাহ খাই আছিল। কুমলীয়া বয়সত মাত্ৰ এটা বেৰেকত দেখা শাৰী শাৰী ব্যৱহাৰ নোহোৱা নতুন 'কফিন'বোৰ আৰু সৰু ডাঙৰ অজস্ৰ তলা আৰু শিকলিৰ দৃশ্যটো মনত আছে। চাবুৱাৰ পৰা তেখেতে খুব কম সময়ৰ বাবে নগাওঁ টেক্‌নিকেল স্কুললৈ অধ্যক্ষ হিচাপে গৈছিল।

ইতিমধ্যে দেশ স্বাধীন হৈছিল। আনুমানিক সেই সময়তে এই কাৰিকৰী স্কুলখন টেকনিকেল স্কুলখন ইন্সষ্টিটিউতলৈ উন্নীতকৰণ কৰা হয়। তাৰ কিছুদিনৰ পাচতে ইন্দ্ৰ হাজৰিকা বিলাতৰ পৰা ডিগ্ৰী লৈ দেশলৈ ঘূৰি আহি যোৰহাটত টেকনিকেল ইনষ্টিটিউতৰ অধ্যক্ষ হিচাপে নিয়োগ হয়। আনোৱাৰ কাদিৰ চালেহৰ ডিগ্ৰী নথকা বাবে অধ্যক্ষ পদ এৰি তাতে কিছুদিন অধ্যাপক হিচাপে চাকৰি কৰে। ১৯৫৪ চনত কহিমাত পলিটেকনিক প্ৰতিষ্ঠা হোৱাত তাৰ অধ্যক্ষ হিচাপে যোগ দিয়ে। তাৰ পৰাই ১৯৬৫ চনত চাকৰিৰ পৰা অৱসৰ লৈ যোৰহাটলৈ ঘুৰি আহে।

তেখেত এগৰাকী সাধু, ন্যায়পৰায়ণ আৰু ধাৰ্মিক ব্যক্তি আছিল। ১৯৩৬ চনত ২৬ ডিচেম্বৰত তেখেতে যোৰহাটৰ বালিবাট নিবাসী আবু চৈয়দ চাহৰ বৰ জীয়াৰী নজমুন নিছাক বিয়া কৰায়। এওঁ এগৰাকী অতি ধৰ্ম্ম পৰায়ণা নাৰী আছিল। ল'ৰা ছোৱালীৰ শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে দুয়ো যত্নবান আছিল। ল'ৰা ছোৱালীৰ স্বাস্থ্যৰ প্ৰতি সজাগ হোৱা বাবে শুকাণ ফলমুল, কেচাবুট, প্ৰচুৰ গাখীৰ জাতীয় সামগ্ৰী আৰু মাছ পাচলি আদি নিয়মীয়াকৈ ল'ৰা-ছোৱালীক যোগান ধৰিছিল। ঘৰতে এজাক গৰু পুহিছিল। গাখীৰ পৰিয়ালক খুৱাইছিল, বিলাইছিল আৰু বিক্ৰী কৰিছিল। তেখেত সকলৰ চাৰিজন পুত্ৰ আৰু দুগৰাকী কন্যা সন্তান। চাৰিজন লৰাকে ইঞ্জিনীয়াৰ হিচাপে গঢ়ি তুলিছিল আৰু কন্যা দুগৰাকীকো বিশ্ববিদ্যালয়ৰ পৰ্য্যায়লৈকে শিক্ষা দিয়াইছিল। ডাঙৰ ল'ৰা ৱাহিদ চালেহক কেৰালাৰ ইঞ্জিনীয়াৰিং কলেজত শিক্ষাৰ পাছত নিজৰ খৰছত জাৰ্মানীলৈ উচ্চ শিক্ষাৰ বাবে পঠিয়াইছিল।

পাছত ৰাহিদ চালেহে হলেণ্ডত গৈ সুপ্রতিষ্ঠিত হয় আৰু ২০০২ চনত হলেণ্ড চৰকাৰৰ পৰা সমাজ সেৱাৰ বাবে Ridder in de orde van oranje Nassau নামৰ নাইট সন্মানৰ পদক পায়। পিতৃ-মাতৃৰ স্মৃতি ৰক্ষাৰ কাৰণে ৰাহিদ চালেহৰ সৌজন্যত আৰু আব্দুল কাদিৰ চালেহৰ বৰ জোঁৱাই কমৰুজ্জমান আহমদৰ প্রচেষ্টাত ২০০১ চনত আব্দুল কাদিৰ মোহাম্মদ চালেহউদ্দিন আৰু নজমুন নিছা স্মাৰক ন্যাস নামৰ এটা ন্যাস প্রতিষ্ঠা হয়। ইয়াৰ পৰা আৰ্থিকভাৱে দুৰ্ব্বল মেধাৱী ভালেমান মুছলমান ছাত্র-ছাত্রীক জলপানী দিয়া হৈছে। ইয়াৰ উপৰিও সামাজিক উপকাৰৰ কামতো ইয়াৰ পৰা দান বৰঙণি দিয়া হয়।

কহিমাত মুছলমান সকলৰ উপাসনাৰ বাবে দ্বিতীয় মহাসমৰৰ সময়ত মুছলমান সেনাৰ নামাজৰ বাবে সৈন্য বাহিনীয়ে সজা মজছিদটো ব্যৱহাৰ নোহোৱাত বৰ বেয়া অৱস্থাত আছিল। ১৯৫৪ চনত আনোৱাৰ কাদিৰ কহিমালৈ যোৱাৰ পাছতে সেই সময়ৰ অনা অসমীয়া মুছলমান কেইজনমানেৰে লগ হৈ সেই মজছিদটো পুণৰ ব্যৱহাৰৰ উপযোগী কৰে। প্রথম অৱস্থাত এজন মাছ বেপাৰী ইয়াৰ ইমাম আছিল। তেখেত থকা অৱস্থাতে কেইবা গৰাকী সদাশয় ব্যক্তিৰ প্রচেষ্টাত এই মছজিদটো পুনৰ নিৰ্মাণ কৰা হয় আৰু তেখেত প্রথমৰ পৰাই কহিমা এৰা পৰ্যন্ত উক্ত মছজিদৰ সভাপতি আছিল । তেখেত যোৰহাটৰ ৰজাবাৰী মছজিদৰো কেইবা বছৰো সভাপতি আছিল।

ডেকা কালত বিশেষকৈ কলিকতাত থকা অৱস্থাত আনোৱাৰ কাদিৰ চালেহৰ চেতাৰ বজোৱাত ৰাপ আছিল আৰু শৰীৰ চৰ্চ্চাও কৰিছিল। পাচৰ বয়সত অৱশ্যে সেইবোৰ আৰু চৰ্চ্চা কৰা নাছিল। জীৱনৰ শেষ কালছোৱাত তেখেত বৰ অকলশৰীয়া কৈ কটাব লগীয়া হৈছিল। সেই সময়ত তেখেতৰ দুজন ল'ৰা আৰু দুগৰাকী কন্যা বিদেশত আছিল । মাজু ল'ৰা দুজন নাগালেণ্ডত চাক ৰিত আছিল। পত্নীৰ ১৯৮২ চনত মৃত্যু হোৱাৰ পাছত তেখেত যোৰহাটৰ ঘৰত একেবাৰে অকলশৰীয়া হৈ পৰিছিল। ১৯৮৬ চনৰ ২৫ ডিচেম্বৰ তাৰিখে আনোৱাৰ কাদিৰ চালেহউদ্দিনে এই সংসাৰৰ পৰা বিদায় লয়।


১৯৭৫ চনৰ ১৭ এপ্রিলত দক্ষিণ যোৰহাটত প্রথম ৰাজহুৱা ভাৱে বিহু পাতিবলৈ লোৱা বছৰতে তেখেতৰ সমাজলৈ দিয়া শিক্ষাৰ বৰঙণিৰ বাবে যোৰহটীয়া ৰাইজে তেখেতক সেই বিহু সন্মিলনীত এখন মান পত্র দি সম্বৰ্দ্ধনা জনাইছিল।❖

---

(লেখিকা আনোৱাৰ কাদিৰৰ কন্যা)।

# ফখৰুদ্দিন আলী আহ্‌মদ

কমৰুজ্জামান আহমদ



বৰ্ত্তমানলৈকে ভাৰতীয় প্ৰজাতন্ত্ৰৰ ৰাষ্ট্ৰপতি পদ অলঙ্কৃত কৰা প্ৰথম আৰু একমাত্ৰ অসমীয়া ফখৰুদ্দিন আলী আহমদ। তেখেতৰ পিতৃ কৰ্ণেল জালনুৰ আলী প্ৰথম অসমীয়া I.M.S.(Imperial Medical Service)। কাৰ্য্যক্ষেত্ৰত কৰ্ণেল জালনুৰ আলী দিল্লীত থকা সময়ত ১৯০৫ চনৰ ১৩ মে' তাৰিখে আলী আহমদ চাহাবৰ দিল্লীত জন্ম হয়। তাতেই তেখেতে শিক্ষা লাভ কৰি বিলাতলৈ যায় আৰু কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা Tripos আৰু Bar-at-Law উপাধি লৈ ১৯২৮ চনত দিল্লীলৈ ঘূৰি আহি লাহোৰ হাইকোৰ্টত ওকালতি কৰে।

দিল্লীত জন্ম হ'লেও আৰু অসমৰ বাহিৰত বহুত দিন থকা স্বত্বেও আলী আহমদ চাহাব হাড়ে হিমজুৰে অসমীয়া ।

তেখেতসকলৰ উপৰিপুৰুষ মোগল সম্ৰাট আৰু আহোম ৰজাৰ লগত হোৱা সন্ধিৰ সময়তে দিল্লীৰ পৰা অহা আৰু তাৰ পৰা আহি গড়গাঁৱৰ ওচৰত বসবাস কৰিছিল। পাছত মান ভগনৰ সময়ত গড়গাঁৱৰ পৰা গোলাঘাটৰ কছাৰীহাটলৈ উঠি আহে। তেখেতসকলৰ উপৰি পুৰুষৰ কবৰ কছাৰীহাটত আছে। এওঁলোক ফাৰ্চী পঢ়ীয়া ফৈদৰ এটা ঠাল।

১৯৩০ চনত আলী আহমদ চাহাব বাহিৰত পঢ়া-শুনা আৰু কাম কৰি অসমলৈ উভতি আহে আৰু অসমত ওকালতি কৰিবলৈ লয়। লগতে পৈতৃক

সম্পত্তিৰ ৰক্ষণাবেক্ষণৰ দায়িত্বও লয়।১৯২৫ চনত কেম্ব্রিজত থকা সময়তে তেখেতে জৱাহৰলাল নেহৰুক লগ পায় আৰু তেখেতৰ প্রগতিশীল ভাৱধাৰাৰ দ্বাৰা প্রভাৱান্বিত হয়। ১৯৩১ চনত তেখেতে ভাৰতীয় জাতীয় কংগ্রেছত যোগদান কৰে আৰু স্বাধীনতা আন্দোলনৰ কামত দেহে কেহে লাগে। তেখেতে ইয়াৰ বাবে কাৰাদণ্ডও ভোগ কৰিবলগীয়া হৈছিল। কংগ্রেছত যোগদান কৰাৰ পাছত তেখেতে এজন নিস্বার্থ সমাজসেৱক আৰু দেশপ্রেমিক হিচাপে কাম কৰি যায়। তেখেত মুছলীম লীগৰ কাৰ্য্যৰ বিৰোধী আছিল। তেখেতৰ ৰাজনৈতিক জীৱন আৰম্ভ হয় ১৯৩৭ চনত উত্তৰ কামৰূপ সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্ব্বাচিত হোৱাৰ পৰা ।বিধান সভালৈ তেখেত তিনি বাৰ নির্বাচিত হোৱাৰ উপৰিও বৰপেটাৰ পৰা লোকসভালৈ নিৰ্ব্বাচিত হৈছিল (১৯৭১) ।তেখেত ৰাজ্য সভাৰ সদস্যও আছিল।

১৯৩৮ চনৰ চেপ্তেম্বৰ মাহত ছাদুল্লাৰ সংযুক্ত মুছলিম পাৰ্টীৰ মন্ত্রী সভাৰ পতন ঘটে আৰু তাৰ পাছতেই গোপীনাথ বৰদলৈৰ নেতৃত্বত সংযুক্ত চৰকাৰ গঠন কৰা হয়। উল্লেখনীয় যে অসমৰ প্রথম কংগ্রেছ নেতৃত্বাধীন চৰকাৰত গোপীনাথ বৰদলৈৰ বাহিৰে মাত্র এজন কংগ্রেছীয়ে স্থান পাইছিল ।তেখেত হ'ল ফখৰুদ্দিন আলী আহমদ আৰু তেখেতেই একমাত্র মুছলমান সদস্য আছিল। সেই সময়ত তেখেতৰ বয়স মাত্র ৩৩ বছৰ হ'লেও বিত্ত আৰু ৰাজহৰ দৰে এটি গুৰুত্বপূৰ্ণ বিভাগ তেখেতে অতি দক্ষতাৰে পৰিচালনা কৰিছিল। কিন্তু ১৯৩৯ চনত আৰম্ভ হোৱা দ্বিতীয় মহাযুদ্ধত ভাৰত চৰকাৰেও যোগদান কৰাৰ প্রতিবাদত মহাত্মা গান্ধীৰ নিৰ্দ্দেশ ক্রমে সকলো কংগ্রেছী মন্ত্রীসভাই পদত্যাগ কৰে আৰু ১৪ মহীয়া বৰদলৈ মন্ত্রী সভাৰো অন্ত পৰে। তেখেতৰ চমু কাৰ্য্যকালত আলী আহমদ চাহাবে বানপীড়িত সকলৰ খাজনা হ্রাস কৰি এক নতুন আঁচনিৰ জৰিয়তে কৃষক ৰাইজৰ উন্নতি সাধিবলৈ সক্ষম হৈছিল। সেই সময়ছোৱাত তেখেতে আৰু কেইখনমান আইন প্রণয়ন কৰে তাৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ খন হ'ল Agriculture Income Tax Bill 1939. ইয়াৰ জৰিয়তে সেই সময়ৰ চাহ খেতিয়ক সকলক (বেচিৰ ভাগ ব্রিটিছ) অসমত উৎপাদন হোৱা চাহৰ কৰ অসমক দিবলৈ বাধ্য কৰোৱা হয়। তাৰ আগতে এই কৰ ইংলেণ্ডক দিয়া হৈছিল।

১৯৪০ ৰ শেষৰ ফালে মহাত্মা গান্ধীৰ নিৰ্দ্দেশক্ৰমে সত্যাগ্ৰহ আন্দোলনৰ সূচনা হোৱাত গোপীনাথ বৰদলৈ আৰু বিষ্ণুৰাম মেধিৰ লগতে ফখৰুদ্দিন আলী আহমদেও সত্যাগ্ৰহ কৰি গ্ৰেপ্তাৰ বৰণ কৰে। সেইবাৰ তেখেতৰ এবছৰ কাৰাবাস হৈছিল। সেই সময়ৰ আগে পাছে অসম ভ্ৰমণলৈ অহা জৱাহৰলাল নেহৰুৰ মূখ্য সহযোগী আছিল আলী আহমদ চাহাব। ধৰ্ম্ম নিৰপেক্ষ দৃষ্টিভঙ্গী আৰু মেধা শক্তিৰ বাবে আলী আহমদ চাহাব নেহৰুৰ প্ৰিয়পাত্ৰ হৈ উঠিছিল।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ কালছোৱাত অসম কংগ্ৰেছ তীব্ৰ অৰ্থ সংকটত ভূগিছিল। তেতিয়া আলী আহমদ, ডাঃ হৰিকৃষ্ণ দাস, গোপীনাথ বৰদলৈ প্ৰভৃতি নেতাই নিজৰ সম্পত্তিৰ পৰাই প্ৰচুৰ বৰঙণি আগবঢ়াইছিল। সেই আন্দোলনৰ সময়ত ফখৰুদ্দিন আলী আহমদ, গোপীনাথ বৰদলৈ, মহম্মদ তৈয়বুল্লা, বিষ্ণুৰাম মেধি প্ৰভৃতি নেতাসকলক ব্ৰিটিছ চৰকাৰে আটক কৰে। সেইবাৰ তেখেত ১৫ মাহ যোৰহাট জেলত আছিল (আলী আহমদ চাহাবৰ বিয়া ঠিক হওতে তেখেত জেলতেই আছিল)। সেইসময়ত কুশল কোঁৱৰো যোৰহাট জেলত আছিল। কুশল কোঁৱৰৰ হাঁহিমুখে ফাঁচী কাঠত আৰোহণে আলী আহমদ চাহাবক অধিক সক্ৰিয় ভাবে দেশৰ মুক্তিৰ হকে কাম কৰিবলৈ উদ্বুদ্ধ কৰিছিল।

১৯৪৫ চনৰ ৭ নৱেম্বৰ তাৰিখে উত্তৰ প্ৰদেশৰ এক সম্ভ্ৰান্ত পৰিয়ালৰ কন্যা আবিদা আহমদৰ লগত তেখেতৰ বিয়া হৈছিল। আবিদা আহমদে আলিগড় বিশ্ববিদ্যালয়ৰ পৰা শিক্ষা লাভ কৰিছিল। তেখেত সকলৰ দুজন পুত্ৰ।

১৯৪৬ চনৰ কেবিনেট মিছনৰ গ্ৰুপিং বিৰোধী সৰ্ব্বভাৰতীয় আন্দোলনত বৰদলৈৰ নেতৃত্বত অসমত আৰম্ভ হোৱা সেই আন্দোলনৰ আগৰণুৱা আছিল ফখৰুদ্দিন আলী আহমদ। ভাৰতৰ ঐক্য সংহতি অটুট ৰখাৰ পক্ষপাতী আলী আহমদ চাহাবে প্ৰস্তাৱিত পাকিস্তানৰ সতে অসমৰ চামিলকৰণ প্ৰস্তাৱৰ তীব্ৰ বিৰোধীতা কৰাৰ লগতে সবল জনমত গঢ়ি তুলিছিল।

'১৯৬০ৰ ভাষা সমস্যা সমাধানৰ ক্ষেত্ৰত আলী আহমদ চাহাবে যি দৰে প্ৰধান ভূমিকা লৈছিল তেনেদৰেই ১৯৭১ৰ উচ্চ শিক্ষাৰ মাধ্যম সম্পৰ্কীয় আন্দোলনটোৰ মোকাবিলা কৰিবলৈ এই গৰাকী নেতা সক্ষম হৈছিল। অসমৰ প্ৰতিটো গুৰুতৰ সমস্যাই আলী আহমদ চাহাবৰ মধ্যস্থতাত প্ৰশমিত হোৱা দেখা

গৈছিল। ইয়াতেই অন্তৰ্নিহিত হৈ আছে তেওঁৰ দক্ষতা, ব্যক্তিত্ব আৰু দূৰ দৃষ্টিসম্পন্ন মানসিকতা। অসমৰ প্ৰতি থকা গভীৰ আন্তৰিকতাৰ হেতুকে তেওঁ জ্বলন্ত সমস্যা একোটাৰ সমাধান উলিয়াবলৈ সক্ষম হৈছিল আৰু তেনে দৃষ্টিভঙ্গীৰ পুৰস্কাৰ হিচাপে অসমৰ ৰাজনীতিত এক অনবদ্য স্থান দখল কৰাৰ উপৰি প্ৰথম গৰাকী অসমীয়া ৰাষ্ট্ৰপতি হ'বলৈ সক্ষম হৈছিল'। (কনকসেন ডেকা, সভাপতি, অসম সাহিত্য সভা) ।

দেশ স্বাধীন হোৱাৰ পাছত অসম আৰু কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী হিচাপে তেখেতে দক্ষতাৰে কাৰ্য্য পৰিচালনা কৰে আৰু ১৯৭৪চনৰ আগষ্ট মাহত ভাৰতৰ পঞ্চম গৰাকী ৰাষ্ট্ৰপতি হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰে। কিন্তু তেখেতৰ কাৰ্য্যকাল শেষ হোৱাৰ আগতেই ১৯৭৭ চনৰ ১১ ফেব্ৰুৱাৰীৰ পুৱা তেখেতৰ মৃত্যু হয়।

তেখেতৰ মৃত্যুত অসম তথা ভাৰতে এজন দক্ষ নেতাক হেৰুৱায়। দিল্লীত থাকিলেও তেখেতে অসমক পাহৰা নাছিল আৰু ৰাষ্ট্ৰপতি হিচাপে শেষবাৰ অসমলৈ আহোতে তেখেতৰ পিতৃ পিতামহৰ বাসস্থান গোলাঘাটৰ কছাৰীহাটলৈ গৈ তাৰ প্ৰাইমেৰী স্কুলখনলৈ পাঁচহাজাৰ টকা দান দি যায়। (অসমত মুছলমান, মুহিবুল হুছেইন) আলী আহমদ চাহাবৰ খেলা-ধুলাৰ প্ৰতি ৰাপ থকাৰ উপৰিও গালিবৰ কবিতাৰ প্ৰতি ৰাপ আছিল।

২০০৪ চনত অসম চৰকাৰে তেখেতৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় সংহতি বঁটা অনুষ্ঠিত কৰে আৰু বৰপেটাত হ'ব লগা চিকিৎসা মহাবিদ্যালয়খন তেখেতৰ নামেৰে নামকৰণ কৰা হয়। ❖

---

তথ্যপঞ্জীঃ ১। অসমত মুছলমান, আলহাজ মুহিবুল হুছেইন ১৯৭৯।

২। ফখৰুদ্দিন আলী আহমদ, কনকসেন ডেকা, সভাপতি, অসম সাহিত্য সভা।

৩। Fakhruddin Ali Ahmed; A Born Patriot : Satish Ch. Kakati, Ex-Editor, Assam Tribune.

( ২ আৰু ৩, ২০০৫ চনৰ ফখৰুদ্দিন আলী আহমদ সোঁৱৰণী বঁটা অনুষ্ঠানত প্ৰকাশিত প্ৰচাৰ পত্ৰিকাত প্ৰকাশিত)

# হজৰত আলী

**দেবিৰা চুলতানা আহমদ**



কৃতী শিক্ষক আৰু শিক্ষাবিদ আলহাজ হজৰত আলী চাহাবে ১৯০৫ চনৰ ২৩ নবেম্বৰত সেই সময়ৰ কামৰূপ জিলাৰ চামতা গাঁৱত এটি মধ্যবিত্ত কৃষিজীৱী যৌথ পৰিয়ালত জন্ম গ্ৰহণ কৰে। দেউতাক আছিল চানা সেখ আৰু মাতৃ আছিল পূণ্য বিবি। ২১/২ বছৰ বয়সতে তেখেতে মাকক হেৰুৱায় আৰু মাহীমাকৰ তত্বাবধানত ডাঙৰ হয়।

সৰুৰে পৰা মেধাৱী ছাত্ৰ আলী চাহাবে চামতাৰ প্ৰাইমেৰী মোক্তাব স্কুলৰ পৰা প্ৰাথমিক শিক্ষা লাভ কৰি গন্ধিয়া এম. ভি. স্কুলৰ শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। ইয়াৰ পাছত তেখেতে চামতা হাইস্কুলত ভৰ্ত্তি হৈছিল যদিও আৰ্থিক অনাটনৰ বাবে পঢ়া শেষ কৰিব নোৱাৰিলে। কিছুদিনৰ পাছত তেখেতে যোৰহাটৰ নৰ্ম্মাল স্কুলত ভৰ্ত্তি হয় আৰু তাৰ পৰা নৰ্ম্মাল স্কুলৰ শিক্ষান্ত পৰীক্ষাত প্ৰথম স্থান লাভ কৰে। ইয়াতে সন্তুষ্ট হৈ তেতিয়াৰ নৰ্ম্মাল স্কুলৰ অধ্যক্ষ মুক্তালাল কাঠ বৰুৱা দেৱে তেখেতক সেই স্কুলতে ভূগোল বিষয়ৰ শিক্ষক হিচাপে নিযুক্তি দিয়ে। এই স্কুলত চাকৰি কৰি থকা অৱস্থাতে তেখেতে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয় ।

যোৰহাটত থকা সময়খিনি তেখেতে সদাই সোঁৱৰিছিল। যোৰহাটত তিনি বছৰ চাকৰি কৰাৰ পাছত তেখেতক কাকজান চৰকাৰী মজলীয়া স্কুললৈ বদলি কৰা হয়। তাত তেখেতে প্ৰায় তিনি বছৰ কাল চাকৰি কৰিছিল আৰু কাকজান

স্কুলত চাকৰি কৰি থকা অৱস্থাতে আই. এ. পৰীক্ষাতো উত্তীৰ্ণ হয়। বি. এ. পৰীক্ষা দিবৰ বাবে চেষ্টা চলাই আছিল যদিও পাৰিবাৰিক অসুবিধাৰ বাবে সেইয়া সম্ভৱ নহ'ল।

এই সময়ত তেখেতে ১৯৩৬ চনৰ জুলাই মাহত সৰ্থেবাৰী গাওঁৰ মামূল আলী চাহাবৰ ২য় কন্যা আমিনা খাতুনক বিয়া কৰায়। তেখেত অতিশয়, সৰল, নম্ৰ, দয়াশীলা আৰু ধৰ্ম্মপ্ৰাণা মহিলা আছিল।

কাকজানৰ পৰা তেখেতক উত্তৰ লক্ষীমপুৰৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়লৈ বদলি কৰা হয়। ইয়াৰ কিছুদিনৰ পাছত তেখেত ধুবুৰীলৈ বদলি হয়। ধুবুৰীত শিক্ষকতা কৰি তেখেতে সন্তুষ্টি লাভ কৰা নাছিল, যিহেতু, বঙালী ভাষাৰ ছাত্ৰ বেছি আছিল। সেইয়ে তেখেতৰ বঙালী ভাষাত লৰাবোৰক বুজোৱাত অসুবিধা পাইছিল। সেই সময়তে সেই সময়ৰ শিক্ষাধিকাৰ শৰৎচন্দ্ৰ গোস্বামী ধুবুৰীলৈ যাওঁতে তেখেতৰ আগত এই অসুবিধা ব্যক্ত কৰাত আলী চাহাবক মঙ্গলদৈ মণ্ডলৰ স্কুল সমূহৰ সহকাৰী উপ-পৰিদৰ্শক হিচাপে পদোন্নতি সহ নিযুক্তি দিয়ে আৰু তেতিয়াৰ পৰাই তেখেতৰ শিক্ষকতা অন্ত পৰে। এই চাকৰি তেখেতে মঙ্গলদৈ সদৰ, নলবাৰী সদৰ, নলবাৰী পশ্চিম, ৰঙিয়া, গুৱাহাটী পূব আদি বিভিন্ন ঠাইত চাকৰি কৰি ১৯৬১ চনৰ ২২ নবেম্বৰ তাৰিখে গুৱাহাটীৰ পৰা অৱসৰ গ্ৰহণ কৰে।

গুৱাহাটীত চাকৰি কৰি থকা অৱস্থাত তেখেতে সেই সময়ত সোনাপুৰ, জাগীৰোড, ক্ষেত্ৰী আদি ঠাইলৈয়ো স্কুল পৰিদৰ্শন কৰিবৰ বাবে যাব লগা হৈছিল। সেই সময়ত আজিৰ দৰে বাচ, মটৰৰ সুবিধা নাছিল। এইবোৰ দূৰণিবটীয়া ঠাইলৈ চাইকেল চলাই গৈছিল।

নিজৰ এটা ডাঙৰ পৰিয়ালৰ ভৰণ-পোষণৰ উপৰিও তেখেতে দুজন সতীয়া ভাই আৰু ৫ গৰাকী সতীয়া ভনীৰ দায়িত্ব লৈছিল। ভনীয়েক কেইগৰাকীক তেখেতেই বিয়া দিছিল। এই সকলো খৰচ-ভগন কৰিও তেখেতে ১৯৫৫ চনতে গুৱাহাটীৰ গান্ধীবস্তিত এটুকুৰা মাটি কিনি ঘৰ সাজি পৰিয়ালটিৰ সৈতে তাতে থিতাপি লৈছিল। ল'ৰা ছোৱালী কেইটিৰ শিক্ষাৰ বিকাশৰ বাবেই তেখেত গুৱাহাটীলৈ উঠি আহিছিল। ১৯৬৯/৭০ চনত হজ ব্ৰত পালন কৰি মক্কা মদিনাৰ, পৰা ঘূৰি আহে। অৱসৰ লোৱাৰ পাছত, তেখেতে সময়খিনি লিখা পঢ়া আৰু ধৰ্ম্মৰ

কামত নিয়োগ কৰে। সেই সময়তে তেখেতৰ চেষ্টাতে গান্ধী বস্তিৰ মছজিদে গঢ় লয়। ইয়াৰ নিৰ্মাণৰ আৰু দেখা শুনা কৰাৰ পুৰা দায়িত্ব তেখেতে লৈছিল আৰু ১৬ বছৰ কাল সভাপতি হিচাপে দায়িত্ব বহন কৰিছিল আৰু পাছত আজীৱন তেখেত মছজিদ সমিতিৰ উপদেষ্টা আছিল। তেখেতে হজৰত মোহাম্মদ (দঃ) বিষয়ে এখন কিতাপ লিখি প্ৰকাশ কৰিছিল। তেখেত এগৰাকী কৃতী শিক্ষক আছিল। তেখেতৰ কেইগৰাকী মান ছাত্ৰ পাছলৈ বৰ নামজ্বলা ব্যক্তি হৈছিলগৈ। আমি জনাত তেখেত সকল আছিল যোৰহাটৰ ইমদাদ আলী চাহাব Retd. I.G.. (C.R.P.F.), ৰাষ্ট্ৰদূত, চিৰাজ হুছেইন হাজৰিকা D.C.Central Excise আৰু কাকজানৰ চৈয়দ ছামচুল হুদা চাহাব; চৈয়দ মজহৰুল ইছলাম চাহাব আৰু লক্ষীমপুৰৰ ড° মহম্মদ তাহেৰ চাহাব। ২০০৭ চনৰ ১ চেপ্টেম্বৰ তাৰিখে হোৱা এটা সাক্ষাতকাৰত চিৰাজ হুছেইন হাজৰিকা চাহাবক আমি তেখেতৰ স্মৃতিত সাঁচ পেলোৱা এগৰাকী মানুহৰ কথা সোধোতে হজৰত আলী চাহাবৰ নাম উল্লেখ কৰিছিল আৰু তেখেত যে এগৰাকী অতি দক্ষ শিক্ষক আছিল সেইয়া জনাইছিল। ইংৰাজী আৰু অসমীয়া ভাষাৰ উপৰিও অঙ্ক আৰু ভূগোলৰ ওপৰতো তেখেতৰ দক্ষতা আছিল। মেট্ৰিক পৰীক্ষাত তেখেতে সংস্কৃত বিষয়লৈ পাছ কৰিছিল। হেমৰথ বৰ্ম্মন ডাঙৰীয়াই চান্দ মোহাম্মদ চৌধুৰী কামৰূপীৰ স্মৃতিগ্ৰন্থৰ এঠাইত আলী চাহাবৰ বিষয়ে এইদৰে উল্লেখ কৰিছে "হিন্দু ধৰ্ম্মৰ ওপৰত গভীৰ জ্ঞানৰ বক্তৃতা দিব পৰা ক্ষমতা আছে"। শেষ বয়সলৈকে পঢ়া-শুনাৰ চৰ্চ্চাত লাগি থাকি জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিছিল। তেখেতৰ এনে ব্যক্তিত্বৰ বাবেই সকলোৰে শ্ৰদ্ধা ভাজন হৈছিল।

তেখেত আছিল আদৰ্শবান পিতৃ। ল'ৰা-ছোৱালীকেইটিৰ ধৰ্ম্মীয় শিক্ষা অৰ্জনৰ বাবে সৰু কালৰ পৰাই যত্ন লৈছিল আৰু আজৰি পালেই এই বিষয়ত চকু দিছিল।

তেখেত আছিল এগৰাকী উচ্চ অভিলাষী আৰু পৰিশ্ৰমী ব্যক্তি। নিজৰ জীৱনত যি সাফল্য লাভ কৰিছিল বা ল'ৰা ছোৱালী কেইটিকো উপযুক্ত আৰু ধৰ্ম্মভীৰু কৰি গঢ়ি তোলাত যিখিনি কৃতকাৰ্যতা লাভ কৰিছিল সেইয়া আছিল আল্লাৰ দয়া আৰু তেখেতৰ কঠোৰ পৰিশ্ৰমৰ ফল। তেখেত এগৰাকী নীতিনিষ্ঠ ব্যক্তি আছিল। নিজ পুত্ৰদ্বয়ে বিলাবলৈ দিয়া জাকাত তেখেতে অভাৱী সকলৰ মাজত বিতৰণ কৰিছিল। তেখেতে মানুহৰ মাজৰ গোচৰ সমূহ শুনিছিল আৰু

আপোচ মীমাংসা কৰি দিছিল। মানুহক সদায় পাৰিলে আৰ্থিক ভাৱে বা সজ উপদেশৰ যোগেদি সহায় কৰিছিল। তেখেত বৰ অতিথিপৰায়ণ আছিল আৰু কোনো আলহী তেখেতৰ ঘৰৰ পৰা সুদা মুখে ঘূৰি নগৈছিল।

তেখেতে ১৯৮৬ চনত বাগছা জিলাৰ সাউকুছি (বাদুলিপাৰ)ত ৫ বিঘা মাটি দুখীয়া কৃষক ৰাইজক হাফিজীয়া মাদ্ৰাছাৰ বাবে দান কৰিছিল। নিজৰ আৰ্থিক টনাটনি অৱস্থাতো ন্যায়াধীশ বাহাৰুল ইছলাম চাহাবলৈ আলিগড়ত পঢ়ি থকাৰ সময়ত মাহে ৫ টকাকৈ শিক্ষাৰ বাবে আৰ্থিক সাহাৰ্য আগবঢ়াইছিল। তেখেতৰ ধৰ্ম্মীয় অনুশাসনৰ বাবেই তেখেতৰ ল'ৰা আৰু নাতি আদিয়ে দুখীয়া মানুহক সহায় কৰা আৰু জাকাত দিয়া বিষয়ত সজাগ।

লৰা ছোৱালীক সজ উপদেশ দিছিল আৰু নৈতিক মূল্যবোধৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। পিতৃ হিচাপে তেখেতৰ শাসন কটকটীয়া আছিল। নিজৰ পৰিয়ালৰ উপৰিও ভাই-ভনী কেইগৰাকীৰো দায়িত্ব লৈ তেখেতৰ সংসাৰখন কোনো ৰকমেহে চলিছিল। তথাপি তেখেতে লৰা দুজন আৰু ছোৱালী কেইগৰাকীকো বিশ্ববিদ্যালয়ৰ মহলালৈকে পঢুৱাইছিল। তেখেতৰ প্ৰথম পুত্ৰ আমিনুৰ ৰহ মান মুখ্য অভিযন্তা হিচাপে অসম চৰকাৰৰ পৰা অৱসৰ লয়। দ্বিতীয় পুতেক হবিবুৰ ৰহমান (M.R.C.P.) ডুবাইৰ চিকিৎসক হিচাপে কাম কৰি আছে। এটি সন্তানক I.A.S. বিষয়া কৰিব নোৱাৰাটো হে তেখেতৰ অপূৰ্ণ আশা ৰৈ গ'ল।

তেখেতৰ খেলা-ধূলাত ৰাপ আছিল। ডেকা কালত ফুটবল খেলিছিল। ১৯৮৫ চনত পত্নী বিয়োগৰ বাদে, ডুবাইৰ সৰু পুতেকৰ লগত থকা অৱস্থাত নাতিনিয়েক কেইটিৰ লগত সমানে পাৰ্কত গৈ ফুটবল খেলিছিল আৰু গুৱাহাটীৰ নিজৰ নাতি কেইটাৰ লগতো সমানে খেলা-ধুলা কৰিছিল।

শেষ বয়সত তেখেতৰ ডাঙৰ বোৱাৰী ৰাণী আৰু বৰ পুত্ৰ আমিনুৰ ৰহমানে তেখেতৰ বৰ যত্ন লৈছিল। এইগৰাকী সদাশয় ব্যক্তিৰ ২০০০ চনৰ জুলাই মাহৰ ১০ তাৰিখে প্ৰায় ৯৫ বছৰ বয়সত গুৱাহাটীত ইন্তেকাল হয়।❖

---

(আমিনুৰ ৰহমান আৰু ডাঃ হবিবুৰ ৰহমানৰ টোকাৰ সহায়ত লিখা হৈছে)।

# মোহাম্মদ ওমৰুদ্দিন

ডাঃ মনজুল ইছলাম



স্বাধীনোত্তৰ ‘ আধুনিক ভাৰত’ গঢ়াত বহুতো খ্যাত - অখ্যাত ব্যক্তিয়ে সামাজিক - ৰাজনৈতিক আদি বিভিন্ন দিশত অৰিহণা যোগাইছিল। সেই সময়ৰ দুই এজন এনে ব্যক্তিৰ আশাশুধীয়া চেষ্টাৰ ফলতেই সমগ্ৰ দেশৰ লগতে অসমো বৰ্ত্তমানৰ অৱস্থা পাইছেহি। ১৯৫০ চনৰ দেশ বিভাজনোত্তৰ সাম্প্ৰদায়িক সংঘৰ্ষ দমন, তাৰ পাছৰ পৰ্য্যায়ত ভাষা আৰু সংস্কৃতিৰ ভিত্তিত তেতিয়াৰ অবিভক্ত গোৱালপাৰা জিলাক পশ্চিমবঙ্গৰ লগত চামিল কৰণৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰা আদি বিভিন্ন ৰাজনৈতিক- সামাজিক কৰ্মত অৰিহণা যোগাৱা ব্যক্তি সকলৰ মাজত এক অনন্য ব্যক্তি আছিল মান্যবৰ মোহাম্মদ ওমৰুদ্দিন। এটি দৰিদ্ৰ কৃষক পৰিয়ালৰ সন্তান ওমৰুদ্দিনে প্ৰমাণ কৰি দিছিল যে নিজা পৰিশ্ৰম, সংঘৰ্ষ কৰাৰ ক্ষমতা আৰু একাগ্ৰতা থাকিলে উপযুক্ত পৰিবেশ নাপালেও জীৱনৰ উন্নতিৰ জখলাত বগাই দেশ আৰু জনতাৰ হকে আত্ম নিয়োগ কৰি সেৱা আগবঢ়াব পাৰি।

১৯৫২চনত দেশৰ প্ৰথম সাধাৰণ নিৰ্বাচনত তেতিয়াৰ বিলাসীপাৰা বিধান সভা সমষ্টিৰ পৰা নিৰ্দ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি দেশৰ ভিতৰতে সৰ্বোচ্চ ভোট লাভ কৰি বিজয়ী হৈ তেখেতে নিজৰ ব্যক্তিত্ব, নেতৃত্ব আৰু তেখেতৰ প্ৰতি থকা গোৱালপাৰাবাসীৰ আস্থাৰ কথা প্ৰমাণ কৰি দিছিল। নিৰ্বাচনত বিজয়ী হোৱাৰ পাছত তেখেতে সম্মুখীন হোৱা ডাঙৰ প্ৰত্যাহবানটো আছিল ভাষা আৰু সংস্কৃতিৰ ভিত্তিত ৰাজ্য পূনৰগঠনৰ নামত তেত্িয়াৰ অবিভাজিত গোৱালপাৰা

জিলাক পশ্চিমবঙ্গৰ লগত চামিল কৰণৰ ষড়যন্ত্ৰ। সেই সময়ত এই অংগচ্ছেদ বিৰোধী আন্দোলনৰ মুখ্য নেতৃত্ব লোৱা তেতিয়াৰ জিলা কংগ্ৰেছৰ সভাপতি তথা অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ বলিষ্ঠ নেতৃত্বৰ অধীনত ওমৰুদ্দিনে যথেষ্ট অৰিহণা যোগাইছিল। এই কথা অসম সাহিত্য সভাৰ ৬৮তম ছিপাঝাৰৰ অধিৱেশনত সভাপতি শ্ৰী কনকসেন ডেকাই দিয়া অভিভাষণৰ ৬২পৃষ্ঠাত উল্লেখিত হৈছে। গোৱালপাৰা জিলাক পশ্চিমবঙ্গৰ লগত চামিল কৰণৰ বিৰোধিতা কৰি ৰাজ্য পূৰ্ণগঠন আয়োগক দাখিল কৰা বিভিন্ন যুক্তিসম্পন্ন স্মাৰক পত্ৰখন ওমৰুদ্দিনে যুগুত কৰিছিল। ইয়াৰ ওপৰিও ওমৰুদ্দিন আৰু তেতিয়াৰ দক্ষিণ শালমাৰা সমষ্টিৰ বিধায়ক ফজলুল বাছিত ডাঙৰীয়াই মুছলমান অধ্যুষিত অঞ্চলত বিভিন্ন সভা-সমিতি পাতি অসমীয়া ভাষা নিজা মাতৃভাষা হিচাপে গ্ৰহণ কৰিবলৈ উদগনি দিছিল। তেখেত সকলৰ যুগ্ম চেষ্টাৰ বলত এক গণ-আন্দোলনৰ সৃষ্টি হৈছিল যাৰ ফলত গোৱালপাৰা জিলাক অসমৰ পৰা বিচ্ছিন্ন কৰাৰ ষড়যন্ত্ৰ অসফল হৈছিল।

ইয়াৰ পাছত ১৯৬২ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ দলৰ প্ৰাৰ্থী হিচাপে ধুবুৰী সমষ্টিৰ পৰা নিৰ্বাচিত হৈ ২৩ খন নিকায়- নিগমৰ অধ্যক্ষৰূপে কাৰ্য্য নিৰ্বাহ কৰিছিল। তেখেত ১৯৭২ চনত ধুবুৰী সমষ্টিৰ পৰা পুণৰায় নিৰ্বাচিত হয় আৰু ১৯৭৪ চনত শৰৎ চন্দ্ৰ সিংহৰ মন্ত্ৰী সভাত কৃষি আৰু জলসিঞ্চন দপ্তৰৰ মন্ত্ৰীত্বৰ ভাৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে ওমৰুদ্দিনেই জলসিঞ্চন বিভাগটো বান নিয়ন্ত্ৰণ বিভাগৰ পৰা পৃথক কৰিছিল। ওমৰুদ্দিন পুনৰায় ১৯৭৮ আৰু ১৯৮৩ চনৰ নিৰ্বাচনতো বিজয়ী হৈছিল।

(তেখেত এক দশক ধৰি ভাৰতীয় মৰাপাট উন্নয়ন পৰিষদৰ সভ্য আছিল। ভাৰতীয় কৃষি গৱেষণা কেন্দ্ৰৰ পৰিচালনা সমিতিৰো কিছুকাল সদস্য আছিল। গোৱালপাৰা অঞ্চলত ভূমি সংস্কাৰ কাৰ্য্যত তেখেতৰ যথেষ্ট অৰিহণা আছিল। সেই অঞ্চলৰ ভালেমান প্ৰাথমিক বিদ্যালয় আৰু এখন হাইস্কুলৰ প্ৰতিষ্ঠাতা- 'অসমীয়া জীৱনী অভিধান', সংকলকৰ দ্বাৰা সংযোজন।)

দেশ আৰু সমাজৰ বাবে বিভিন্ন পৰ্য্যায়ত সেৱা আগবঢ়োৱা মান্যবৰ ওমৰুদ্দিনৰ জীৱন নিৰ্বাহ সংঘাতমুক্ত নাছিল। ধুবুৰী চহৰৰ সমীপৱৰ্ত্তী আদাবাৰী ছাগালচৰা গাওঁৰ দৰিদ্ৰ কৃষক আমাশু সেখৰ একমাত্ৰ পুত্ৰ ওমৰুদ্দিনৰ ১৯০৫ চনত জন্ম । শৈশৱকাল অতিবাহিত হৈছিল চৰম আৰ্থিক অনাটনৰ মাজেৰে। তেখেত প্ৰাথমিক শিক্ষাগ্ৰহণ কৰিছিল বিলাসীপাৰা চহৰৰ সমীপৱৰ্ত্তী মেধিঝাৰ

গাওঁৰ এখন বিদ্যালয়ত। ইয়াৰ পাছত এগৰাকী হিন্দু বিধৱাৰ ঘৰত থাকি তেখেতৰ লৰা-ছোৱালীৰ পঢ়া-শুনাৰ তত্বাৱধানৰ কৰাৰ লগতে নিজৰ মজলীয়া শিক্ষা সম্পূৰ্ণ কৰিছিল। বাল্যকালৰে পৰা তীক্ষ্ণ মেধাৱী ছাত্ৰ হিচাপে পৰিচিত ওমৰুদ্দিন ১৯২৪ চনত ধুবুৰী চৰকাৰী বালক উচ্চ বিদ্যালয়ৰ পৰা জিলাখনৰ ভিতৰতে সৰ্ব্বোচ্চ নম্বৰ পাই ১ম বিভাগত উৰ্ত্তীণ হৈ "George V Coronation Medal" এৰে পুৰস্কৃত হয়। ইয়াৰ পাছত ১৯২৬ চনত কটন কলেজৰ পৰা আই. এচ.ছি. আৰু ১৯২৮ চনত আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ পৰা ডিষ্টিংশ্বন সহ বি.এ. পৰীক্ষাত উত্তীৰ্ণ হয়। ইয়াৰ লগে লগে তেখেত স্নাতকোত্তৰ আৰু আইনৰ স্নাতকমহলাত ভৰ্তি হয় যদিও তেতিয়াৰ দিনত চৰকাৰী চাকৰিৰ উৰ্ধৰ্বসীমা ২৫ বছৰ হোৱা হেতুকে আৰু তেখেতৰ বয়স ২৫ বছৰৰ ওচৰা-ওচৰি হোৱা বাবে পঢ়া-শুনা এৰি চৰকাৰী চাকৰি বিচাৰিবলৈ ধৰে। প্ৰথমতে তেখেত বিদ্যালয় সমুহৰ সহ-পৰিদৰ্শকৰ পদত নিযুক্তি লাভ কৰে।তেখেতে আৰব বংশোদ্ভৱ মইনুদ্দিন চাহাবৰ কন্যা নুৰুণ নাহাৰক বিয়া কৰায়। তেখেত সকলৰ তিনি গৰাকী কন্যা আৰু পাঁচ জন পুত্ৰ। তেখেত ১৯২৯ চনত এ.ছি.এচ. পৰীক্ষাত অৱতীৰ্ণ হৈ প্ৰথম স্থান লাভ কৰি উত্তীৰ্ণ হয়। এজন অসামৰিক বিষয়া হিচাপে তেখেত ৰাজ্যখনৰ বিভিন্ন স্থানত দক্ষতাৰে কাৰ্য্য নিৰ্বাহ কৰে। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত তেখেতৰ দক্ষতাসম্পন্ন সেৱাৰ বাবে তেতিয়াৰ বৃটিছ চৰকাৰে তেখেতক সন্মানীয় 'খান চাহেব' উপাধিৰে বিভূষিত কৰিছিল। চৰকাৰী চাকৰিৰ মাজেৰে জনতা সেৱাৰ বিভিন্ন তিতা-কেহা অভিজ্ঞতাৰে পূৰ্ণ এই ব্যক্তি গৰাকীয়ে পঞ্চাশৰ দশকত চৰকাৰী চাকৰি ইস্তফা দি সমাজ সেৱাৰ কামত ব্ৰতী হয়। তেখেতে পাৰতপক্ষে দুঃখী আৰু অভাৱী সকলক ব্যক্তিগত ভাৱে সহায় কৰিছিল। ১৯৮৫ চনৰ ৮ জুলাই তাৰিখে ২-৩৫ বজাত এইজনা ব্যতিক্ৰমী ব্যক্তিৰ জীৱন নাটৰ সামৰণি পৰে।

এক বৈচিত্ৰময় সফল জীৱন অতিবাহিত কৰা এই ব্যক্তি গৰাকীয়ে কেতিয়াও দুৰ্নীতিৰ লগত আপোচ কৰা নাছিল। তেখেত আছিল নিকা ভাৱ-মূৰ্ত্তিৰ প্ৰতীক। পাহৰণিৰ গৰ্ভত বিলীন হব ধৰা মহম্মদ ওমৰুদ্দিনৰ দৰে ব্যক্তি সকলৰ জীৱন পৰিক্ৰমাৰ ওপৰত অধিক আলোকপাত কৰিলে নৱ প্ৰজন্মই দেশ গঢ়াৰ কামত ব্ৰতী হবলৈ উৎসাহ পাব। ❖

---

(ড° ফয়জাল হকৰ সভাপতিৰ অভিভাষণত উল্লেখিত 'ওমৰুদ্দিন এতিয়া পাহৰণিৰ গৰ্ভত' শীৰ্ষক নিৱন্ধৰ সহায় লৈ। ওমৰুদ্দিন চাহাবৰ কন্যা নজমা আবদুল্লাহৰ সৌজন্যত পোৱা)

# চশমে নুৰজাহান বেগম

‘আৱাহন’ যুগত অসমীয়া মুছলমান সমাজৰ আগৰণুৱা সাহিত্য চৰ্চ্চা কৰা মহিলা চশমে নুৰজাহান বেগমৰ জন্ম ১৯০৫ চনৰ ২৬ ডিচেম্বৰ ডিব্ৰুগড়ত। পিতৃ হাজী আকবৰ আলি আৰু মাতৃ উম্মে কুলচুম (জ্ঞানমালিনীৰ কবি মফিজুদ্দিন আহমদ হাজৰিকাৰ বায়েক)। অষ্টম মানলৈকে পঢ়াৰ পাছত ১৯২১ চনত ফৈজনুৰ আলি চাহেবৰ ভায়েক ৰিয়াজুদ্দিন আহমদৰ লগত বিয়া হয়। ১৯২৯ চনত তেখেত বিধবা হয়। তাৰ পাছত তেখেতে তিনিচুকীয়াৰ মধ্য ইংৰাজী স্কুল এখনত শিক্ষয়িত্ৰী হিচাপে যোগ দিয়ে।


চশমে নুৰজাহান বেগম ১৯৩০ চনত তিনিচুকীয়াৰ মহিলা সমিতি স্থাপন কৰোতা সকলৰ অন্যতম আৰু তেখেতে তাৰ যোগেদি বিভিন্ন সামাজিক কামত ব্ৰতী হৈছিল।

‘মলয়া’ নামৰ মাহেকীয়া সাহিত্যালোচনী এখন প্ৰকাশ কৰাৰ উপৰিও ‘আৱাহন’, ‘সাধনা’ আদি আলোচনীত ‘কবিতা’, ‘গল্প’ আদি লিখিছিল। তেখেতৰ ৰচিত “ দীপ শিখা” নামৰ এখন পাঠ্যপুথি, “ নাৰীৰ বীৰত্ব” নামৰ এখন নাটক আৰু “সতী ৰহিমা” নামৰ জীৱনীমালা সম্ভৱত বহুল প্ৰচাৰ হ’বলৈ নাপালে। ১৯৭৩ চনৰ ২ নবেম্বৰ তাৰিখে তেখেতৰ মৃত্যু হয়। ❖

(অসমীয়া জীৱনী অভিধান আৰু খাইৰুল হুছেইন ঃ জ্ঞান সম্ভাৰ, এপ্ৰিল ২০০৪)

# মীৰ ইচফাক হুছেইন

জেবুন নিছা আৰু দেবিৰা চুলতানা আহমদ



আলহাজ মীৰ ইচফাক হুছেইন এজন নীৰৱ সমাজ সেৱক। এখেতৰ জন্ম ১৯০৬ চনৰ ২ জুন তাৰিখে গুৱাহাটীৰ কমাৰপট্টিত এক সম্ভ্ৰান্ত মুছলিম পৰিয়ালত। তেখেতৰ পিতাক আছিল গড়কাপ্তানী বিভাগৰ সচিব, মীৰ মুছফি হুছেইন। মীৰ মুছফি হুছেইনৰ পিতৃ বিয়োগ হোৱাত পীৰ বক্স নামৰ গুৱাহাটীৰ সদাশয় লোক এগৰাকীয়ে তেখেতক পঢ়াৰ খৰচ পাতি দি সহায় কৰে। পাছত এই পীৰ বক্সৰ কন্যা উমদাতুন নিছাকে মীৰ মুছফি হুছেইনে বিয়া কৰায়। তেখেত সকলৰে সৰু পুতেক আছিল মীৰ ইচফাক হুছেইন।

তেখেতে শিক্ষা জীৱনৰ পাতনি মেলে গুৱাহাটীৰ ছাত্ৰ বৃত্তি বিদ্যালয়খনত। প্ৰাথমিক শিক্ষা সাং কৰি যথাক্ৰমে সোণাৰাম হাইস্কুল, কটন কলেজিয়েত হাইস্কুলত পঢ়ি শেষত শ্বিলং চৰকাৰী হাইস্কুলৰ পৰা ১৯২৪ চনত সুখ্যাতিৰে প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উৰ্ত্তীৰ্ণ হয়। পাছত উচ্চ শিক্ষাৰ্থে গুৱাহাটী কটন কলেজত নাম লগায় আৰু ইয়াৰ পৰাই ১৯২৬ চনত আই এ পাছ কৰি বি,এ পঢ়িবলৈ কলিকতাৰ ছেণ্টপল কলেজত নাম লগায়। ইয়াৰ পৰাই সুখ্যাতিৰে ১৯২৮ চনত বি.এ. পাছ কৰি কলিকতাত ৰিপণ কলেজত আইন পঢ়িবলৈ লয়। যথাসময়ত ইয়াৰ পৰাই প্ৰিলিমিনাৰী আৰু ইণ্টাৰমিডেয়েট পৰীক্ষা পাছ কৰি গুৱাহাটীলৈ উভতি

আহে। শেষত গুৱাহাটীত আর্ল ল’ কলেজৰ পৰা ১৯৩৩ চনত শেষ পৰীক্ষা দি বি. এল. ডিগ্ৰী লৈ শিক্ষা জীৱনৰ সামৰণি মাৰে।

আইন পাছ কৰাৰ পাছতেই এখেতে গুৱাহাটী আদালতত ওকালতি জীৱন আৰম্ভ কৰে আৰু ১৯৩৩ চনৰ পৰা ১৯৭৩ চনলৈ দেৱানী অধিবক্তা হিচাপে কাৰ্যনিৰ্বাহ কৰে। তেখেতৰ সেই সময়ৰ সমকালীন অধিবক্তা আছিল স্বৰ্গীয় জগদীশ মেধি, বিষ্ণুৰাম মেধি, মহেন্দ্ৰ শৰ্মা, সিদ্ধিনাথ শৰ্মা, ৰাধিকা দাস, জয় চৌধুৰী আদি সুদক্ষ ব্যক্তিসকল। ওকালতি কৰি থকা সময়তে সেই সময়ৰ আঞ্চলিক পৰিবহন কৰ্তৃপক্ষৰ সদস্য আছিল। স্থানীয় কমাৰপট্টি মছজিদৰো সম্পাদক আছিল। তেখেতৰ দিনতেই উক্ত মছজিদ গৃহটো টিনৰ পৰা পকী মছজিদলৈ ৰূপান্তৰ কৰে।

আলহাজ মীৰ ইচফাক হুছেইন এজন সমাজ কল্যাণ কামীলোক আৰু দাতা হিচাপেও তেখেত জনাজাত। উত্তৰ গুৱাহাটীৰ পদ্মৰাম বৰুৱা উচ্চ ইংৰাজী বিদ্যালয়খনৰ মাটি তেখেত দান দিয়ে, গাড়ী গাৱঁৰ দাৰুল উলুম মাদ্ৰাছা তথা মছজিদ স্থাপনৰ বাবেও তেখেতে দুই বিঘাৰো অধিক মাটি দান কৰি দুখীয়া, নিঃস্ব শিশুৰ শিক্ষা আৰু সংস্থাপনৰ সুবিধা কৰি দিয়ে। দিছপুৰৰ তৰুণ নগৰ (দুই নং বাইলেন) উন্নয়ন সমিতিৰ অনুৰোধক্ৰমে এটি নামঘৰ আৰু মছজিদ স্থাপনৰ বাবেও তেখেতে মাটি দান কৰে। আচাৰ্য বিনোৱা ভাৱে গুৱাহাটীলৈ অহাৰ সময়ত তেখেতৰ ভূদান যজ্ঞৰ প্ৰতি সঁহাৰি জনাই ইচফাক চাহাবেও ভূ-দান কৰে। ইয়াৰ উপৰি জাপৰিগোগৰ শংকৰদেৱ নগৰত প্ৰাথমিক বিদ্যালয় স্থাপনৰ বাবেও হুছেইন চাহাবে মাটি দান কৰে।

আলহাজ মীৰ ইচফাক চাহাবে ১৯৪৮ চনত ডিব্ৰুগড় নিবাসী স্বনামধন্য প্ৰখ্যাত ব্যক্তি মৌলবী ফৈজনুৰ আলী চাহাবৰ দ্বিতীয় কন্যা জেবুন নিছাৰ পাণি গ্ৰহণ কৰে। এখেত এগৰাকী ধৰ্ম্মপৰায়ণ ব্যক্তি আছিল । তেখেত আছিল স্বাৱলম্বী, মিতব্যয়ী আৰু অমায়িক। তেখেতৰ পৰিবাৰো ধৰ্ম্মপৰায়াণা অমায়িক মহিলা। বয়সে দুৰ্বল কৰাৰ আগলৈকে তেখেতে ৰন্ধা-বঢ়াৰ উপৰিও চিলাই ফুল বছা আদিৰো নিপুণ কাম কৰিছিল। দুয়ো গৰাকীয়ে সময়ৰ অকণো অপচয় নকৰিছিল ।

মীৰ ইচফাক হুছেইন এগৰাকী দুৰদৰ্শী ব্যক্তিও আছিল। তেখেতে পৈতৃক সম্পত্তিৰ উপৰিও নিজেও বহুতো সম্পত্তি সৎ উপায়েৰে উপাৰ্জ্জন কৰিছিল। ১৯৮৭ চনতে ৯ মহলা 'মীৰ মাৰ্কেট'ৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰিছিল। সেই সময়ত গুৱাহাটীত তেনে নিৰ্মাণ কাৰ্য্য নাছিল বুলিয়েই কব পাৰি। চম্ভালিব পৰা সম্পত্তিখিনি নিজৰ সন্তান, নাতি পুতিৰ বাবে উপযুক্ত ভাৱে ব্যৱস্থা কৰি গৈছিল। সেই দৰে দান দক্ষিণাও নিজৰ জীৱনত কৰি থৈ গৈছিল। তেখেতে নিজ পৰিবাৰক কৈছিল, "তোমাৰ দুনীয়াৰ বাবে কৰি থৈ গৈছো আৰু আখেৰাতৰ বাবেও তোমাৰ হৈ দিব লগা খিনি দি গৈছো"। মানুহ গৰাকী কেনে আছিল এই উক্তিৰ পৰা গম পাব পাৰি।

১৯৭৩ চনত তেখেতে পৰিবাৰৰ সৈতে হজ সম্পন্ন কৰাৰ লগতে বাগদাদ, কাৰবালা আদি ঠাইতো ভ্ৰমণ কৰি প্ৰায় তিনি মাহৰ মূৰত ঘৰলৈ উভতি আহে।

আলহাজ মীৰ ইচফাক হুছেইন মুছলমান সম্প্ৰদায়ৰ হ'লেও সকলো জাতি, ধৰ্ম আৰু বৰ্ণৰ লোকৰ প্ৰতিও বিশেষ সহানুভূতিশীল আছিল। তদুপৰি তেখেত আছিল এজন বিশিষ্ট সমাজ সেৱক তথা শিক্ষাৰ প্ৰতি বিশেষ অনুৰক্ত লোক। সেই কাৰণে বিভিন্ন শিক্ষানুষ্ঠান, ধৰ্মানুষ্ঠান আদি প্ৰতিষ্ঠাৰ বাবে মুক্তহস্তে বিত্তীয় সাহায্য দি গৈছে।


এনে এজন মহানুভৱ আৰু সমাজকৰ্মীৰ পৰিপূৰ্ণ বয়সত ২ জুলাই, ১৯৯৯ চন শুক্ৰবাৰে মহাপ্ৰয়াণ ঘটে। ইহ সংসাৰত তেখেতৰ পত্নী, জ্যেষ্ঠ পুত্ৰ-বোৱাৰী (কনিষ্ঠ পুত্ৰৰ আগতেই মৃত্যু হৈছিল) আৰু দুটি নাতি ল'ৰাৰ লগতে অনেক গুণ মুগ্ধ ব্যক্তিক এৰি থৈ যায়।❖

---

(জেবুন নিছা মীৰ ইচফাক হুছেইনৰ পত্নী)।

# ইমামুদ্দিন আহমদ

কমৰুজ্জামান আহমদ



যি সকলে কোনো আড়ম্বৰ নোহোৱাকৈ নীৰৱে সমাজৰ সেৱা কৰি যায় তেনে মানুহৰ মাজৰ এজন হ'ল যোৰহাটৰ ইমামুদ্দিন আহমদ। তেখেতৰ জন্ম ১৯১০ চন ৪ এপ্ৰিল। তেখেতৰ পিতৃ ফাইজুদ্দিন আহমদ (ডিহিংগাপাৰৰ ডাক্তৰ বুলি তেতিয়াৰ ৰাইজে জানিছিল) আৰু মাতৃ তিতাবৰৰ ওচৰৰ মতিজানৰ আঢ্যৱন্ত হাজৰিকা পৰিয়ালৰ জিয়াৰী আইমানা খাতুন। তেখেতৰ পিতৃ পুৰুষত সেই সময়ত কেইবাজনো নামজ্বলা লোক আছিল। ববৰাপেক তৈয়ব আলি স্কুল মাষ্টৰৰ পৰা চাব ইন্সপেক্টৰ, ডেপুটি ইন্সপেক্টৰ আৰু অৱশেষত ইন্সপেক্টৰ অব চেকেণ্ডৰি এডুকেচন, আসামভেলী হৈছিল। শেষত যোৰহাট চৰকাৰী হাইস্কুলৰ হেডমাষ্টৰ হৈ থকা অৱস্থাতে ১৯১৯ চনত মৃত্যু হয়। ইমামুদ্দিন আহমদ চাহাবৰ দদায়েক চাহাজাহান আলি বঙ্গদেশত Civil Surgeon হিচাপে কেইবাঠাইতো চাকৰি কৰি শেষত ১৯২৯ চনত ৰংপুৰৰ পৰা অৱসৰ লয়। ১৯৩০ চনত তেখেতৰ মৃত্যু হয়। সৰু দদায়েক আজিজোল হক মিলিটাৰী চাৰ্ভিচত ডাক্তৰ হিচাপে সোমায় আৰু ১৯১৪ চনৰ মহাযুদ্ধত পল্টনৰ ডাক্তৰ হৈ সুখ্যাতিৰে চাকৰি কৰি চুবেদাৰ পদ পায় আৰু তিনি পুৰুষলৈকে চৰকাৰৰ পৰা পেঞ্চন পোৱাৰ এটা অধিকাৰ পায়। তাৰ পৰা অৱসৰ লৈ টিয়ক বাগানত ডাক্তৰী কৰিছিল। তেখেতৰ নিজৰ ককায়েক আটাউদ্দিন আহমদ, ভায়েক মোচলেহুদ্দিন আহমদ (Jt. Director Healh

Services) আৰু দদায়েকৰ পুতেক ভায়েক ইফতিখাৰ জাহান (উপাধ্যক্ষ, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়) নামজ্বলা ডাক্তৰ আছিল।

পৰিয়ালৰ বাকী সকলৰ দৰে ইমামুদ্দিন আহমদে চিকিৎসা শিক্ষালৈ নগৈ যোৰহাট টেক্নিকেল স্কুলৰ পৰা ডিপ্লোমা লৈ নিজে স্বাধীন চিতীয়া ব্যৱসায় কৰে। লগতে নকছাৰীৰ ওচৰৰ দেবেৰাপাৰত থকা নিজ পৈতৃক খাতপামৰ ৰক্ষণাবেক্ষণৰ কামত আত্ম নিয়োগ কৰে।

১৯৫১ চনত মাত্ৰ ৪৬ বছৰ বয়সতে ঢুকুৰা তেখেতৰ ককায়েকৰ পৰিয়ালক ৬ টা ল'ৰা ছোৱালীৰ সৈতে তেখেতে ১০ বছৰ নিজৰ আশ্ৰয়ত ৰাখি জীৱনত সু-প্ৰতিষ্ঠিত হোৱাৰ সুবিধা দিয়ে।

তেখেত ভালেখিনি সমাজ হিতৈষী কামৰ লগত জড়িত আছিল। ১৯৬০ চনত স্থাপিত তিতাবৰ মেলামাটিৰ মাদ্ৰাছা-এ-ইছলামীয়াত প্ৰথমৰে পৰা তেখেতে সহযোগ আগবঢ়াই আহিছিল আৰু তাত দুটা ডাঙৰ পুখুৰী খন্দাই দিছিল। যি দুটাত মাছৰ খেতি কৰি মাদ্ৰাছাৰ যথেষ্ট উপাৰ্জ্জন হৈছিল। তাৰ উপৰি তেখেতৰ সহযোগত মাদ্ৰাছাত ৪ টা শ্ৰেণী কোঠাও সজা হৈছিল।

দেবেৰাপাৰ অঞ্চলত ১৯৭১/৭২ চনত নিজ পিতৃৰ নামত ফাইজুদ্দিন আহমদ স্মাৰক নিম্ন প্ৰাথমিক বিদ্যালয় খন সজাই দিছিল।

দেবেৰাপাৰ চাৰিআলি মছজিদৰ ছাদখন আৰু মিনাৰটোও তেখেতে কৰাই দিছিল। তৰাজান মছজিদৰ কাৰণেও তেখেতে বুজন দান দিছিল।

যোৰহাট হাইমাদ্ৰাছা আৰু শিৱসাগৰ হাইমাদ্ৰাছাত মেধাবী ছাত্ৰক বছৰি পুৰস্কাৰ দিয়াৰ ব্যৱস্থাও তেখেতে কৰি গৈছিল। লগতে যোৰহাটৰ ১৪ টা মছজিদৰ প্ৰত্যেকটোতে মাহিলী ২০০ টকাকৈ আৰু যোৰহাটৰ চাৰিটা মাদ্ৰাছাত মাহিলী ৩০০ টকাকৈ দান দিয়াৰ ব্যৱস্থা তেখেতে জীয়াই থকা অৱস্থাতে কৰি থৈ গৈছিল।

১৯৭২ চনত নিজ পৰিবাৰ নুৰননাহাৰ বেগমৰে সৈতে হজ কৰি অহা ইমামুদ্দিন আহমদ চাহাবৰ ১৯৯৭ চনৰ ১৮ এপ্ৰিলত ইন্তেকাল হয়।

তেখেতৰ জীৱিত কালতে তেখেতে ইমান বছৰে ৰক্ষণাবেক্ষণ কৰি থকা পৈতৃক সম্পত্তি নিজৰ মৃত ভাই ককাইয়েকৰ পৰিয়াল বৰ্গক আৰু ভনীয়েক সকলৰ প্ৰাপ্য অংশ আদায় কৰি দিছিল। তেখেতৰ মৃত্যুৰ পাছত তেখেতৰ অবিবাহিত মৃতক দুই সৰু ভায়েকৰ অংশৰে তেখেতৰ পৰিবাৰ নুৰণনাহাৰ বেগমে যোৰহাটৰ আছিয়ানাত এটা ডাঙৰ পকী হল সজাই দিছে আৰু তেখেতৰ ইচ্ছানুযায়ী দাতব্য কামবোৰ 'নুৰ-ও-ইমাম' নামৰ ন্যাস এটাৰ যোগেদি চলাই গৈছে।❖

# ইমৰাণ হুছেইন চৌধুৰী

দেবিৰা চুলতানা আহমদ

কুৰি শতিকাৰ এগৰাকী কৃতী শিক্ষাবিদ ড° ইমৰাণ হুছেইন চৌধুৰীৰ জন্ম যোৰহাট নগৰত। তাৰিখটো আছিল ১৯১২ চনৰ ১৪ অক্টোবৰ। দেউতাক আছিল মফিজুদ্দিন চৌধুৰী আৰু মাক আছিল পুৰণি বালিবাটৰ আমিৰুণ নিছা। দেউতাক তিতাবৰৰ ওচৰৰ বেঙেনাখোৱাৰ লোক আছিল। পৰিয়ালৰ কিছু লোক বৰ্ত্তমানেও তাত আছে।

তেখেতে যোৰহাটৰ চৰকাৰী লৰাৰ স্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰি উচ্চ শিক্ষাৰ বাবে আলিগড় বিশ্ববিদ্যালয়ত ভৰ্ত্তি হয়। তাৰ পৰা অৰ্থনীতি বিভাগত স্নাতক উপাধি লাভ কৰে। দেউতাক মফিজুদ্দিনৰ যোৰহাটৰ গড়আলিৰ পশ্চিম ফালে অনেক মাটি সম্পত্তি আছিল। এই মাটি নতুন বালিবাটৰ মূৰৰ পৰা বহুত দুৰ বিস্তৃত আছিল। সেইবোৰৰ বহুত খিনি বেচি এক মাত্ৰ সন্তান ইমৰাণ হুছেইনক জাৰ্মানীত পঢ়িবলৈ পঠিয়াইছিল। ১৯৩৬ চনত জাৰ্মানীলৈ গৈ তেখেতে জাৰ্মান ভাষা ভালকৈ আয়ত্ত কৰি সেই ভাষাৰ মাধ্যমেৰে গৱেষণা কৰি জাৰ্মানীৰ বাৰ্লিন বিশ্ববিদ্যালয়ৰ পৰা ১৯৩৯ চনত 'ডক্টৰেট' উপাধি লাভ কৰে। তেখেতে প্ৰথমে শি লচৰ গুৰু চৰণ কলেজতে অধ্যাপকৰ চাকৰিত ভৰ্ত্তি হয় আৰু পৰবৰ্ত্তী কালত কটন কলেজলৈ আহে। কটনত চাকৰি কৰি থকা অৱস্থাত তেখেতে মুছলিম লীগত যোগ দিয়ে। গুৱাহাটী এৰি ইতিমধ্যে তেখেত যোৰহাট পায়হি আৰু তাৰ পৰা সেই সময়ত যোৰহাটৰ মুছলমান সম্প্ৰদায়ৰ বাবে সংৰক্ষিত সমষ্টিৰ পৰা এম. এল. এ. নিৰ্ব্বাচিত হয়। স্বাধীনোত্তৰ কালত তেখেতে প্ৰজা চচিয়েলিষ্টৰ পাৰ্টিৰ পৰা পুনৰ বিধান সভালৈ যাবলৈ চেষ্টা কৰিছিল যদিও সফল নহল। যোৰহাটৰ জগন্নাথ বৰুৱা

কলেজত যোগ দি পুনৰ শিক্ষা বিভাগলৈ ঘুৰি আহে। এই কলেজতে বহুত বছৰ চাকৰি কৰি তাৰ পৰাই অৱসৰ লয়। ১৯৬৬ চনত তেখেত পুনৰ এবাৰ জাৰ্মানীলৈ গৈছিল। কিহৰ বাবে গৈছিল সেইয়া জনা নাযায়।

তেখেত এগৰাকী ভাষাবিদ্ আছিল। ইংৰাজী, অসমীয়াৰ উপৰিও, জাৰ্মান, ফৰাচী, আৰবী, ফাৰ্চী, উৰ্দ্দু ভাষাও ভাল ধৰণে জানিছিল। তেখেতৰ জাৰ্মান ভাষাত লিখা 'থিচিচ'খনেই তেখেতৰ জাৰ্মান ভাষাৰ ওপৰত থকা পাৰদৰ্শিতাৰ কথা প্ৰমাণ কৰে। কিন্তু যোৰহাটৰ দৰে ঠাইত আৰু সেই সময়ৰ সেই পৰিৱেশত এই ভাষাৰ ওপৰত থকা তেখেতে নিজৰ দক্ষতা ব্যৱহাৰ কৰিব নোৱাৰিলে। আজিৰ ইণ্টাৰনেটৰ সুবিধা থকা যুগত হয়তো বহুত কিবাকিবি সম্ভৱ হ'লহেতেন।

তেখেত আমীন খান চাহাবৰ অন্তৰঙ্গ বন্ধু আছিল । কটন কলেজত থকা সময়তে হয়তো এই বন্ধুত্ব আৰম্ভ হৈছিল আৰু আমীন খান চাহাবে দ্বিতীয় যুদ্ধৰ সময়ত আৰু তাৰ পৰা কিছু বছৰ পাছলৈ যোৰহাটৰ যোগান বিভাগত চাকৰি কৰি থকা সময়ত এই বন্ধুত্ব আৰু গাঢ় হৈছিল। দুয়ো গৰাকী চুফী পীৰ চাহাব মুনিৰুদ্দিন খান চাহাবৰ 'মুৰিদ' আছিল । মোৰ মা-বাবাও এই পীৰ চাহাবৰ মুৰিদ আছিল। প্ৰতি বৃহস্পতিবাৰে সন্ধিয়া আমাৰ মিঠা পুখুৰীৰ ওচৰৰ ঘৰত ফাতিহা হৈছিল। ড° ইমৰাণ হুছেইন চৌধুৰী আৰু আমীন খান চাহাবো তালৈ আহিছিল। আমীন খান চাহাবে সেই সময়ত বিয়া বাৰু কৰোৱা নাছিল। ড° ইমৰাণ হুছেইন চাহেবো আজীৱন অবিবাহিত হৈয়ে ৰ'ল। তেখেত অতি সুপুৰুষ আছিল আৰু পিন্ধন উৰণতো পৰিপাটি আছিল।

বুঢ়া কালত তেখেত বৰ অকলশৰীয়া হৈ পৰিছিল। যোৰহাটৰ পৰিয়ালৰ লোকৰ উপৰিও শেষ বয়সত এখেতৰ এক মাত্ৰ ভাগিনীয়েক নুৰজাহান বেগমে দেৰগাৱঁৰ পৰা আহি যিমান খিনি সম্ভৱ তেখেতক চোৱা-চিতা কৰিছিল। তেখেতৰ লগতে চৌধুৰী ডাঙৰীয়াই সুখ দুখৰ কথা পাতিছিল। সেয়ে তেখেতৰ 'থিচিচ' খন আৰু মৰমৰ বস্তু কেইপদ মান এই ভাগিনীয়েককে গটাইছিল। ১৯৯৭ চনত ড° ইমৰাণ হুছেইন চৌধুৰীৰ ইন্তেকাল হয়। ❖

---

(ইমৰাণ হুছেইন চৌধুৰীৰ বিষয়ে আমাক তথ্য পাতি দি সহায় কৰা বাবে আমি তেখেতৰ নাতি (নুৰজাহান বেগমৰ জীয়ৰী) ফৰিদা আখতাৰ হুছেইনৰ ওচৰত কৃতজ্ঞ। আমীন খান চাহাবৰ লগত বন্ধুত্বৰ কথাখিনি নিজৰ লৰালিৰ স্মৃতিৰ পৰা দিয়া হৈছে।)

# ইমদাদ আলি

ড° ওমৰ ছাদুদ্দিন আহমদ



ইমদাদ আলি আছিল যোৰহাটৰ খানবাহাদুৰ কেৰামত আলি চাহাবৰ দ্বিতীয় পুত্ৰ। মাকৰ নাম আইমানা খাতুন।

যোৰহাটৰ মক্তবত শিক্ষা সাং কৰি ১৯৩২ চনত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। প্ৰেছিডেন্সী কলেজ (কলিকতা)ৰ পৰা ১৯৩৬ চনত কলা বিষয়ত স্নাতক হোৱাৰ পাছত ১৯৩৭ চনত ইম্পিৰিয়েল পুলিচ সেৱালৈ নিৰ্ব্বাচিত হয়। তেখেত এনে পদ পোৱা প্ৰথম অসমীয়া ভাষী বিষয়া। এই পদত ৭ মাহ থকাৰ পাছত শদিয়াত সহকাৰী পলিটিকেল অফিচাৰ আৰু পাছত পলিটিকেল অফিচাৰ হয়। সহকাৰী পলিটিকেল অফিচাৰ থকাৰ সময়ত তেখেতে দ্বিতীয় মহাযুদ্ধৰ সময়ত ব্ৰহ্ম দেশৰ পৰা অহা ভগনীয়া সকলৰ ৰক্ষণাবেক্ষণ আৰু সাহায্যৰ কামত সেৱা আগবঢ়াইছিল। পাছত বিখ্যাত ষ্টীল ৰেল পথ (১৯৪২-১৯৪৫) নিৰ্মাণৰ সময়ত তেখেতে সক্ৰিয় ভুমিকা লৈছিল। ১৯৪৭ চনত তেখেত নগা পাহাৰৰ উপায়ুক্ত হয় আৰু তেখেত প্ৰথম ভাৰতীয় যি নগা পাহাৰৰ উপায়ুক্ত হৈছিল। ১৯৪৯ চনত পুনৰ তেখেত পুলিচ সেৱালৈ উভতি আহে আৰু ১৯৬২ চনত অসমৰ পুলিচ বিভাগৰ মূৰব্বী (IGP) হয়।

১৯৬৪ চনত তেখেতে কেন্দ্ৰীয় চৰকাৰৰ স্বৰাষ্ট্ৰ বিভাগত যোগ দিয়ে আৰু ১৯৬৫ চনত গুজৰাটৰ পুলিচ বিভাগৰ ইন্সপেক্টৰ জেনেৰেল হয়। আলি চাহাব

প্ৰথম অসমীয়া পুলিচ বিষয়া যি অসমৰ বাহিৰত এনে পদবিত কাৰ্য্য নিৰ্ব্বাহ কৰিছিল। ১৯৬৯ চনত তেখেত কেন্দ্ৰীয় সংৰক্ষিত পুলিচ বাহিনীৰ প্ৰধান অধিকৰ্তা (Director General) হয় আৰু তেখেতে এনে পদ পোৱা প্ৰথম অসমীয়া।

চাকৰিৰ পৰা অবসৰ গ্ৰহণ কৰাৰ পাছত তেখেত ইয়েমেনৰ ৰাজদূত হয়। তেখেত প্ৰথম অসমীয়া আৰু পুলিচ বিষয়া যি ৰাজদূত হৈছিল।

অসমলৈ ঘূৰি অহাৰ পাছত ১৯৭৯ চনত জেইল সংস্কাৰ কমিচন আৰু পাছত পুলিচ বিভাগ সংস্কাৰ কমিচনৰ সভাপতি হয়। তেখেতে কেন্দ্ৰীয় লোক সেৱা আয়োগৰ বাছনি সমিতিৰ সদস্য হিচাপেও সেৱা আগবঢ়াইছিল।

চাকৰি জীৱনত তেখেতে ৰাষ্ট্ৰপতিৰ পুলিচ পদক (১৯৫৯) আৰু ফায়াৰ বিগ্ৰেড পদক পাইছিল। তেখেত প্ৰথম পুলিচ বিষয়া আছিল যাক ৰাষ্ট্ৰপতিৰ এইড-ডি-কম' পদ দিয়া হৈছিল।

১৯১৩ চনত যোৰহাটত জন্ম গ্ৰহণ কৰা ইমদাদ আলিৰ মৃত্যু ১৯৯৪ চনত মেনিলাত তেখেতৰ দ্বিতীয় পুত্ৰৰ ঘৰত হয়।


ইমদাদ আলি এজন ভাল খেলুৱৈ আৰু অভিনেতা আছিল। তেখেতৰ দুজন লৰা আৰু এগৰাকী ছোৱালী। তেখেতৰ পৰিবাৰ (ছাৰ ছাদুল্লাৰ একমাত্ৰ কন্যা-চৈয়দা)ৰ মৃত্যু তেখেতৰ মৃত্যুৰ আগতেই হৈছিল। ইমদাদ আলিৰ মৃত্যুৰ পাছত যোৰহাট অঞ্চলৰ দুখীয়া কিন্তু মেধাৱী ছাত্ৰক শিক্ষা আহৰণত সহায় কৰিবলৈ বৃত্তি দিবলৈ 'ইমদাদ আলি স্মাৰক ন্যাস' নামৰ এটা ন্যাস গঠন কৰা হয়। এই ন্যাসে আজি ১০ বছৰৰো অধিক কাল দুখীয়া অথচ মেধাৱী ছাত্ৰ-ছাত্ৰী সকলক আৰ্থিক সাহায্য দি আহিছে। ❖

---

(ড° ওমৰ ছাদুদ্দিন আহমদ ইমদাদ আলিৰ সম্বন্ধীয় নাতি।)

# মুহিবুদ্দিন আহমদ

দেবিৰা চুলতানা আহমদ



অসমৰ এগৰাকী কৃতী সন্তান মুহিবুদ্দিন আহমদ শিৱসাগৰৰ ধাই আলিৰ বাসিন্দা আছিল। কিন্তু তেখেতৰ জন্ম ডিব্ৰুগড়ত । তাৰিখটো আছিল ১৯১৩ চনৰ প্ৰথম নবেম্বৰ। দেউতাক তাইমুৰ আলিয়ে কাঠৰ ব্যৱসায় সূত্ৰে তাতে থাকিবলৈ লৈছিল। মুহিবুদ্দিন আহমদে অতি কম বয়সতে দেউতাকক হেৰুৱায়। দেউতাকৰ মৃত্যুৰ ৪০ দিনৰ পাছতে মাকক হেৰুৱাই ঘাট মাউৰা হয়। সেইয়ে তেখেতে লৰালি কালছোৱা শিৱসাগৰতে অতিবাহিত কৰে।

শিৱসাগৰ চৰকাৰী স্কুলৰ পৰা ১৯৩২ চনত প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয় আৰু কলিকতাৰ প্ৰেচিডেন্সি কলেজৰ পৰা সুখ্যাতিৰে বি. এ. ডিগ্ৰী লাভ কৰে। পাছ কৰি আহিয়েই তেখেতে একচাইজ ইন্সপেক্টৰ হিচাপে চাকৰিত ভৰ্ত্তি হয়। কিন্তু কিছুদিনৰ পাছতে এ.চি.এচ হিচাপে মনোনীত হোৱাত মেজিষ্ট্ৰেটৰ চাকৰিত যোগ দিয়ে। কিছু বছৰ অসমৰ বিভিন্ন জিলা সমূহত চাকৰি কৰাৰ পাছত আই. এ. এচ.লৈ মনোনীত হয়। সেই সময়তে ১৯৬০ চনত তিনি বছৰৰ বাবে তেখেতক নতুনকৈ প্ৰতিষ্ঠিত হোৱা তেল আৰু গেছ নিগম (ONGC) ৰ অসম শাখাৰ প্ৰশাসনীয় বিষয়া (Administrator) হিচাপে পঠিয়ায়। এই কালছোৱাত তেখেত শিৱসাগৰবাসীৰ বাবে কৰা উপকাৰৰ বাবে স্মৰণীয় হৈ আছে। সেই সময়ত তেখেতে মধ্য আৰু নিম্ন পৰ্য্যায়ত যিমান সম্ভৱ সকলো চাকৰি দি অসমীয়া নিবনুৱা যুৱকৰ কৰ্ম্ম সংস্থাপনৰ

সুবিধা কৰি দিছিল। পাছলৈ তাৰে এক বুজন সংখ্যাই সুপ্ৰতিষ্ঠিত হৈছিল। এইদৰে কৰ্ম্ম সংস্থান দি নিৰনুৱা সমস্যা যিমান পাৰে সমাধান কৰা বাবে বহুতো পৰিয়াল টনকীয়াল হৈ পৰিছিল। এই পৰিয়ালবোৰে আজিও তেখেতক শ্ৰদ্ধাৰে সোঁৱৰে। ইয়াৰ উপৰিও তেখেতে শিল্প, যোগান আদি বিভাগত সচিব আছিল। শেষলৈ অসম প্লেইনচ ডিভিজনৰ কমিচনাৰ হিচাপে চাকৰি কৰিছিল। এই পদৰ পৰাই ১৯৭১ চনৰ ১ নবেম্বৰত অৱসৰ গ্ৰহণ কৰে।

তেখেত এগৰাকী অতি অমায়িক আৰু সাধু ব্যক্তি আছিল। এগৰাকী কৰ্ত্তব্যপৰায়ন বিষয়া হিচাপেও নাম আছিল। নিজে মাউৰা হোৱা বাবে মাউৰা আৰু দুখীয়াৰ দুখ বুজিছিল। ককায়েকৰ অকাল মৃত্যুৰ পাছত ককায়েকৰ লৰা ছোৱালী কেইটিৰ দায়িত্ব লৈছিল। বিশেষকৈ ককায়েকৰ জীয়ৰী গৰাকীক নিজৰ লগতে ৰাখি ডাঙৰ কৰি নিজৰে জীয়েক হতঁতকৈ বেছি ধুমধামেৰে বিয়া দিছিল। যিহেতু সেই সময়ত তেখেত চাকৰিতে আছিল। শিৱসাগৰলৈ গলে পৰিয়ালৰ ধনী দুখীয়া সকলোৰে ঘৰলৈ গৈছিল। জীয়েক কেইগৰাকীক পৰিয়ালৰ দুখীয়া সকলৰ ঘৰলৈ নি চিনাকি কৰি দিছিল আৰু তেখেতৰ পৰিয়ালতোযে খেতিয়ক আছে বুজাই দিছিল।

তেখেত বৰ মিঠা মুখীয়া, দেখিবলৈ বৰ শুৱনি আৰু ধেমেলীয়া স্বভাৱৰ পুৰুষ আছিল। শিৱসাগৰৰ পৰা পোৱা এটা টোকাৰ পৰা গম পোৱা গৈছে যে চেমনীয়া ডেকা কালত দেখিবলৈ ধুনীয়া হোৱা বাবে ছোৱালীৰ বিয়াত শাৰী পিন্ধি ৰভাতলত বহি আছিল। পাছলৈ শিৱসাগৰৰ গাওঁৰ দুখীয়া মানুহৰ ঘৰলৈ গৈ পুৰণা দিনৰ হাঁহি উঠা কথাবোৰ পাতিছিল আৰু সকলোকে আনন্দ দিছিল।

১৯৪১ চনত মুহিবুদ্দিন চাহেবে শিৱসাগৰৰ হাকিম মোহাম্মদ মুহিবুল্লা চাহাবৰ দ্বিতীয়া কন্যা নাচিমা (এমেলি) বেগমক বিয়া কৰে। মুহিবুল্লা চাহাব এগৰাকী সাহিত্য প্ৰেমী আছিল। তেখেতে ১৯৪৪ চনত অসম সাহিত্য সভাৰ ১৯তম অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। তেখেতে 'দুনিয়াদাৰি' নামৰ এখন কিতাপো লিখিছিল। 'মোহাম্মদ মুহিৱুল্লা (ই. এ.চি.) চাহাবেও কিছু জিকিৰ সংগ্ৰহ কৰি আৱাহান আৰু বাঁহীত প্ৰকাশ কৰিছিল'। (অসমীয়া জিকিৰ ও

জাৰী, চৈয়দ আব্দুল মালিক)। তেখেতেৰ জীয়ৰী এমেলি আহমদ এগৰাকী মৰমীয়াল আৰু সৰবৰহী মহিলা আছিল আৰু শ্বিলং আৰু গুৱাহাটীৰ জাতি-ধৰ্ম্ম-নিৰ্বিশেষে এচাম লোকৰ বাবে মৰমৰ 'এমেলি মাহী' আছিল। 'এমেলি মাহী' এগৰাকী পাকৈত ৰান্ধনীও আছিল। মুহিবুদ্দিন চাহাব এগৰাকী উচ্চ পদস্থ চৰকাৰী বিষয়া হোৱা সত্বেও তেখেত সকলে সাধাৰণ ভাৱে জীৱন-যাপন কৰিছিল। অৱসৰ গ্ৰহণৰ পাছত নিজাকৈ এখন গাড়ীও ৰখা নাছিল। সাধাৰণ যান বাহনেই ব্যৱহাৰ কৰিছিল। অতিথি পৰায়ণতা স্বামী-স্ত্ৰী দুয়ো গৰাকীৰে এটি মহৎ গুণ আছিল। সেয়ে তেখেত সকলৰ ঘৰত আলহীৰ সদায়ে সমাগম হৈছিল।

অৱসৰ গ্ৰহণৰ পাছত তেখেতে গুৱাহাটীৰ স্থায়ী বাসিন্দা হিচাপে থাকিব বুলি এটি ঘৰ সাজিছিল। কিন্তু ১৯৯২ চনৰ ২৮ আগষ্ট তাৰিখে পেঞ্চন সংক্ৰান্ত কোনো কামত শ্বিলঙলৈ যাওঁতে তাতে হঠাতে মৃত্যুৰ মুখত পৰে। তেখেতক গুৱাহাটীৰ আঠগাঁও কবৰস্থানত সমাধিস্থ কৰা হয়। তেখেতে ৪ গৰাকী কন্যা সন্তান এৰি যায়। ❖

---

(এই প্ৰবন্ধটিৰ বাবে মূল কথাখিনি তেখেতৰ বৰ জীয়ৰী শ্বামিম হকৰ টোকাৰ পৰা লোৱা হৈছে। শিৱসাগৰৰ ফিৰদৌচ আলি চাহাবেও কিছু তথ্য দি আমাক সহায় কৰিছে। মঃ মুহিবুল্লা চাহাবৰ বিষয়ে লিখা কিছু কথা অধ্যাপক আব্দুৰ ৰহমান চাহাবৰ 'অসমৰ মুছলমান সকল'ৰ পৰা লোৱা হৈছে। )

# ৰায়হান শ্বাহ

পাৰভেজ শ্বাহ



অসমৰ কৃতী শিক্ষক সকলৰ মাজৰ এজন ৰায়হান শ্বাহ। ১৯১৪ চনৰ ২০ চেপ্তেম্বৰত ডিব্ৰুগড়ৰ নালিয়াপুলত জন্মগ্ৰহণ কৰা ৰায়হান শ্বাহৰ পিতৃ আছিল আহমদ শ্বাহ। তেখেত এজন চৰকাৰী চাকৰিয়াল আছিল। পাছত তেখেতসকল নালিয়াপুল অঞ্চলৰ পৰা উঠি আহি ডিব্ৰুগড়ৰ পল্টন বজাৰ অঞ্চলত স্থায়ী ভাবে থাকিবলৈ লয়। আহমদ শ্বাহৰ ১০ গৰাকী পুত্ৰ কন্যাৰ মাজত ৰায়হান শ্বাহ সৰ্ব্বজ্যেষ্ঠ আছিল।

সৰুৰেপৰা তীক্ষ্ণধী আৰু মেধাৱী ৰায়হান শ্বাহ ডিব্ৰুগড়ৰ চৰকাৰী হাইস্কুলত পঢ়া শুনা কৰিছিল আৰু ছাত্ৰ অৱস্থাতে তেখেতে মেধাৰ পৰিচয় দিছিল। ১৯৩১ চনত তাৰ পৰাই তেতিয়াৰ কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত প্ৰৱেশিকা পৰীক্ষাত অসমৰ ভিতৰত প্ৰথম হৈ উত্তীৰ্ণ হয় আৰু এটা সোণৰ পদক পায়। তাৰ পাছত গুৱাহাটীৰ কটন কলেজৰ পৰা ১৯৩৩ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত আই. এ. পৰীক্ষাত অসমৰ ভিতৰত দ্বিতীয় হৈ এটা ৰূপৰ পদক পায়। ১৯৩৫ চনত কটন কলেজৰ পৰা স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতালৈ ইংৰাজীত স্নাতকোত্তৰ পাঠ্যক্ৰম পঢ়িবলৈ যায়। তাৰপৰা ১৯৩৭ চনত স্নাতকোত্তৰ উপাধি লৈ অবিভক্ত অসমৰ চিলেটত অৱস্থিত মুৰাৰীচান্দ কলেজত প্ৰবক্তা হিচাপে

যোগ দিয়ে। ১৯৩৮ ৰপৰা ১৯৪০ চনলৈ তাত তিনিবছৰ চাকৰি কৰাৰ পাছত তেখেত গুৱাহাটীৰ কটন কলেজলৈ প্ৰবক্তা হিচাপে বদলি হৈ আহে। তেখেতে কোৱা মতে এইটো তেখেতৰ কাৰণে বৰ ডাঙৰ সহায় হ'ল কাৰণ তেখেতৰ ওপৰতে ডিব্ৰুগড়ত থকা সকলো ভাই ভনীৰ দায়িত্ব পৰিছিল। সেই দায়িত্ব তেখেতে নিষ্ঠাৰে পালন কৰিছিল। ১৯৪৬ চনত তেখেতে মুহিবুল্লা চাহাবৰ কন্যা ৰেজিনা শ্বাহক বিয়া কৰায়।

তেখেত যদিও ইংৰাজী সাহিত্যৰ বিশিষ্ট পণ্ডিত আছিল আৰু কটন কলেজৰ পৰা সেই বিষয়ত বিভাগীয় মূৰব্বী হিচাপে অৱসৰ লৈছিল অসমীয়া সাহিত্যৰ উত্তৰোত্তৰ উন্নতিৰ হকে তেখেতৰ চেষ্টাৰ ত্ৰুটি নাছিল। ইংৰাজী আৰু অসমীয়াৰ বাহিৰেও তেখেতৰ গণিত শাস্ত্ৰতো ৰাপ আছিল আৰু সদায় ৰাতি ৮ বজাৰ পৰা ৯ বজালৈকে বীজগণিত আৰু জ্যামিতি অধ্যয়ন কৰিছিল। তেখেতৰ জ্ঞান বুদ্ধিয়ে মোৰ ছাত্ৰাৱস্থাত অনেক সহায় কৰিছিল।

মোৰ ককাদেউতা আহমদ শ্বাহে কোৱা মতে মোৰ বাবা ৰায়হান শ্বাহৰ সৰুৰে পৰা অসমীয়া সাহিত্যৰ প্ৰতি ৰাপ আছিল। এইয়া হয়তো তেখেতে নিজ পিতৃৰ পৰা পাইছিল। কাৰণ মোৰ ককা দেউতায়ো অসমীয়াত গল্প আৰু নাটক লিখিছিল যিবোৰ প্ৰকাশ হৈছিল আৰু নাটকবোৰ সেই সময়ত মঞ্চস্থও কৰা হৈছিল।

(কটন কলেজত পঢ়ি থকা অৱস্থাত ৰায়হান শ্বাহ সুৰেশ চন্দ্ৰ ৰাজখোৱাৰ সৈতে কটন কলেজৰ আলোচনী 'কটনিয়ান'ৰ প্ৰথম ছাত্ৰ সম্পাদক আছিল আৰু তেখেতসকলৰ দিনতে প্ৰথম অধ্যাপক আৰ, জি, গফিনৰ সম্পাদনাত ১৯২২-২৩ চনত আৰম্ভ হোৱা "The Cotton College Magazine"খন ১৯৩৩ চনত 'কটনিয়ান' ৰূপে আত্মপ্ৰকাশ কৰিছিল। সেইখন আজিও চলি আছে । - সংকলক)

তেখেত এজন কৰ্ত্তব্যনিষ্ঠ শিক্ষক আছিল। কটন কলেজত কাম কৰি থকা অৱস্থাতে তেখেতে বি, বৰুৱা কলেজ, প্ৰাগজ্যোতিষ কলেজ আদিত সেইবোৰৰ চালুকীয়া অৱস্থাত অৱসৰ সময়ত নামমাত্ৰ পাৰিশ্ৰমিক লৈ অংশকালীন প্ৰবক্তা

হিচাপে কাম কৰিছিল। ১৯৬৯ চনত অৱসৰ গ্ৰহণ কৰাৰ পাছত তেখেত তিনিচুকীয়া জিলাৰ ডুমডুমা কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল।

এই সকলোবোৰৰ মাজতো তেখেতৰ অসমীয়া সাহিত্য চৰ্চ্চা অব্যাহত আছিল। 'আৱাহন', 'ৰামধেনু' আদি আলোচনীৰ উপৰিও অন্যান্য আলোচনী আৰু বাতৰি কাকতত তেখেতে লিখা ছুটি গল্প প্ৰকাশিত হৈছিল।

তেখেত অসম সাহিত্য সভাৰ সক্ৰিয় আজীৱন সভ্য আছিল আৰু অসম প্ৰকাশন পৰিষদৰ সদস্য আছিল। প্ৰকাশন পৰিষদত থকাৰ সময়ত তেখেতে পৰিষদে প্ৰকাশ কৰা অসমীয়া অভিধানখনৰ বাবে যথেষ্ট অৰিহণা যোগাইছিল। এইখনৰ বাবে তেখেতে চন্দ্ৰপ্ৰসাদ শইকীয়াৰ লগত কাম কৰিছিল। ৰায়হান শ্বাহ চাহাবে মৌলিক সমালোচনা সাহিত্যৰ নতুন দিশ সৃষ্টি কৰাই নহয় ওমৰ খায়ামৰ কিছুমান ৰুবায়তৰ অসমীয়া ভাঙনি কৰি খ্যাতি অৰ্জন কৰিছিল।

মোৰ বাবাৰ অনুবাদ সাহিত্যতো ব্যুৎপত্তি আছিল আৰু তেখেতে অনুবাদ কৰা কেইখনমান কিতাপ হ'ল ভল্টেয়াৰৰ কেনদিদা, বছৱেল জনছনৰ জীৱনী, The Lost World আৰু Treasure Island. ভল্টেয়াৰৰ কিতাপখনৰ অসমীয়াত অনুবাদ 'কান্দীদ' নামেৰে সাহিত্য একাডেমীয়ে ১৯৯৬ চনত প্ৰকাশ কৰে। এইয়া কৰা হয় ইউনেস্কোৰ প্ৰাচ্য আৰু পাশ্চাত্য কৃষ্টি সংস্কৃতিৰ পাৰস্পৰিক বুজাপৰাৰ উন্নতিৰ চেষ্টাত লোৱা এটি প্ৰকল্পৰ সৌজন্যত।

শিক্ষাবিদ ৰায়হান শ্বাহে কেবল শিক্ষা সাহিত্যত ব্যস্ত নাছিল। তেখেত এজন সুদক্ষ টেনিছ খেলুৱৈও আছিল। ১৯৮৬ চনৰ চেপ্তেম্বৰত তেখেতৰ মৃত্যু হয়। ❖

---

(লিখক ৰায়হান শ্বাহ চাহাবৰ পুত্ৰ)

# চৈয়দ মজহৰুল ইছলাম

চৈয়দা ৰেজিয়া চুলতানা



বিশিষ্ট শিক্ষাবিদ চৈয়দ মজহৰুল ইছলাম চাহেবৰ জন্ম হয় যোৰহাট জিলাৰ কাকজানৰ দেৱান গাৱঁত ১৯১৫ চনৰ ১ জানুৱাৰী তাৰিখে । বিখ্যাত আজান পীৰ চাহেবৰ বংশৰ তেখেতৰ পিতৃৰ নাম আছিল চৈয়দ নিয়ামত উল্লাহ। নিয়ামত উল্লাহ চাহেবে ১৯ শতিকাৰ শেষ ভাগত কলিকতাৰ চৰকাৰী চিনিয়ৰ মাদ্ৰাছৰ পৰা সুখ্যাতিৰে শিক্ষা সাং কৰি কাকজানত সমাজ সেৱাত আত্মনিয়োগ কৰিছিল। তেখেতক সকলোৱে ‘বৰ মৌলবী’ বুলি মাতিছিল। মজহৰুল ইছলাম চাহেব নিয়ামত উল্লাহ চাহেবৰ সপ্তম তথা কনিষ্ঠ পুত্ৰ আছিল।

মজহৰুল ইছলাম চাহেবে স্থানীয় মোক্তাবৰ পৰা প্ৰাথমিক শিক্ষা সাং কৰি চৰকাৰী জুনিয়ৰ মাদ্ৰাছত নাম লগায় আৰু উক্ত শিক্ষানুষ্ঠানৰ পৰা ১৯৩৩ চনত প্ৰথম বিভাগত পাছ কৰে। ১৯৩৫ চনত তেখেতে শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা দুটা বিষয়ত লেটাৰ লৈ প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। মুছলমান ছাত্ৰ সকলৰ ভিতৰত প্ৰথম হৈ তেখেতে প্ৰতিযোগিতামুলক বৃত্তি লাভ কৰি গুৱাহাটিৰ কটন কলেজত ভৰ্ত্তি হয়। ১৯৩৭ চনত তেখেতে প্ৰথম বিভাগত আই. এচ. চি. পাছ কৰে। পাছত তেখেতে চিলেটৰ মুৰাৰী চাঁদ কলেজৰ পৰা ১৯৩৯ চনত বি.এ পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষা লববৈলে আলিগড়লৈ যায় আৰু আলিগড় বিশ্ববিদ্যালয়ৰ পৰা ১৯৪১ চনত বুৰঞ্জী বিষয়ত এম. এ পৰীক্ষাত উত্তীৰ্ণ হয়। সেই বছৰতেই উক্ত বিশ্ববিদ্যালয়ৰ পৰা ল’ পৰীক্ষা দি প্ৰথম শ্ৰেণী লৈ উত্তীৰ্ণ হয়।

শিক্ষা সাং কৰি প্ৰায় ৮ মাহ কাল গুৱাহাটীৰ উকীল সন্থাত প্ৰবেচনাৰ হিচাপে যোগদান কৰাৰ শেষত ১৯৪২ চনত চিলেটৰ মুৰাৰী চাঁদ কলেজত বুৰঞ্জীৰ প্ৰবক্তা হিচাবে নিযুক্তি পায়। ১৯৪৬ চনৰ জুলাই মাহত ইছলাম চাহেব গুৱাহাটীৰ কটন কলেজলৈ বদলি হৈ আহে । কটন কলেজত সুদীৰ্ঘ ২২ বছৰ কাল সেৱা আগবঢ়োৱাৰ কালছোৱাত তেখেতে অধ্যয়ন আৰু শিক্ষাদানৰ উপৰিও কলেজৰ খেল - ধেমালি বিভাগত বিশেষকৈ টেনিছ, বেডমিন্টন আদিৰ ভাৰপ্ৰাপ্ত অধ্যাপক হিচাপেও বহুবছৰ কটাইছিল। তেখেত বুৰঞ্জীৰ মূৰব্বী অধ্যাপক আৰু কটন মুছলিম ছাত্ৰাবাসৰ অধীক্ষকো আছিল।

১৯৬৮ চনত তেখেতে স্কুল সমুহৰ পৰিদৰ্শক হিচাপে নিযুক্তি পাই শিলচৰ, ধুবুৰি আৰু নগাওঁ জিলাত সেৱা আগবঢ়ায় । ১৯৭১ চনৰ শেষৰ ফালে ইছলাম চাহেবে যুটীয়া ডি.পি আই পদত নিযুক্ত হৈ শ্বিলঙলৈ যায় আৰু ১৯৭২ চনৰ ৩১ ডিচেম্বৰ তাৰিখে অৱসৰ গ্ৰহণ কৰে । যুটীয়া ডি.পি. আই হৈ থকা কালছোৱাৰ শেষৰ তিনি মাহ তেখেতে ভাৰপ্ৰাপ্ত ডি.পি.আই হিচাপেও কাৰ্য্যনিৰ্বাহ কৰিছিল । অৱসৰৰ পাছত ১৯৭৩ চনৰ আগষ্ট মাহত তেখেতে বাইহাটা চাৰিআলিৰ পুৰ কামৰূপ কলেজত প্ৰতিষ্ঠাতা অধ্যক্ষ হিচাপে সোমায় আৰু ১৯৭৮ চনলৈ সেৱা আগবঢ়ায়। ইয়াৰ পাছত প্ৰায় ছয় বছৰ কাল তেখেত State Selection Board ৰ সদস্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰে। ইয়াৰ উপৰিও আন বহুতো সামাজিক কামতো তেখেতে জড়িত আছিল। চৈয়দ মজহৰুল ইছলাম চাহেবে খেলা- ধুলাৰ উপৰিও সফল শিক্ষক হিচাবে বহুবাৰ বহু পুৰস্কাৰেৰে পুৰস্কৃত হৈছে। আজীৱন শিক্ষা সাধনা আৰু খেলা ধুলাৰে শত-শত ছাত্ৰ-ছাত্ৰীক উদ্বুদ্ধ কৰাৰ বাবে ৰাধাগোবিন্দ বৰুৱা স্মৃতিৰক্ষা সমিতিয়ে ১৯৯২ চনত আৰু ব্ৰহ্মপুত্ৰ সভ্যতা গৱেষণা সমিতিয়ে ১৯৯৮ চনত ৰাজহুৱা ভাৱে মানপত্ৰেৰে তেখেতক সম্বৰ্দ্ধনা জনাইছিল।

চৈয়দ মজহৰুল ইছলাম চাহেবৰ বিয়া হৈছিল ১৯৪৭ চনৰ অক্টোবৰ মাহত কাকজান নিবাসী ডাক্তৰ চৈয়দ মুহিবুল হুছেইনৰ জীয়াৰী চৈয়দা মুহিবা খাটুনৰ সৈতে। দু জন পুত্ৰ আৰু তিনিগৰাকী কন্যাৰ পিতৃ ইছলাম চাহেবে ১৯৫৬ চনত গুৱাহাটীৰ হেদায়েৎপুৰত নিজা বাসভৱন সাজি স্থায়ীভাৱে বসবাস কৰিছিল। ২০০০ চনৰ ২৭ নৱেম্বৰ তাৰিখে হেদায়ৎপুৰৰ নিজা বাসভৱনত ৮৫ বছৰ বয়সত তেখেতৰ ইন্তেকাল হয়। ❖

(লিখিকা ইছলাম চাহেবৰ নুমলীয়া কন্যা) ।

# মোৰ দৃষ্টিত মওলানা আহমদ আলী

শৰৎ চন্দ্ৰ সিংহ

মওলানা আহমদ আলী বাছকান্দিৰ মওলানা বুলি জনাজাত। আমি তেওঁক 'শ্বেখ চাহাব' বুলিছিলোঁ। তেওঁ 'শ্বেখ চাহাব' বুলিয়েই সাধাৰণতঃ প্ৰসিদ্ধি লাভ কৰিছিল। তেওঁৰ গুৰু চৈয়দ হুছেইন আহমদ মদনী চাহাবে তেওঁক বাছকান্দিলৈ পঠাইছিল - তাত থকা মাদ্ৰাছাখনত শিক্ষাদান কৰাৰ কাৰণে। মাদ্ৰাছাখনৰ পৰিসৰ তেতিয়া তেনেই সৰু আছিল। তাত থকা শিক্ষক সকলে তেওঁক তাত যোগদান কৰাত আপত্তি কৰিছিল। কিন্তু তেওঁৰ দৃঢ়তা, কৰ্ত্তব্যনিষ্ঠা আৰু স্থিৰ সংকল্প হেতু তেওঁলোকৰ আপত্তি নৰজিল। প্ৰথমে বাধাপ্ৰাপ্ত হ'লেও সেই বাধা অতিক্ৰম কৰি অৱশেষত তেওঁ সেই মাদ্ৰাছাত শিক্ষাদান আৰম্ভ কৰিলে।

অলপ দিনৰ ভিতৰত মাদ্ৰাছাৰ ৰূপ সলনি হ'বলৈ আৰম্ভ কৰিলে। শ্বেখ চাহাবৰ অসাধাৰণ বুদ্ধিমত্তা, একাগ্ৰতা আৰু অধ্যৱসায় গুণে বাছকান্দিৰ মাদ্ৰাছাখন আজি এখন ক্ষুদ্ৰ বিশ্ববিদ্যালয় ৰূপত আমি দেখিবলৈ পাইছোঁ। আমি কেইবাবাৰো বাছকান্দিৰ মাদ্ৰাছালৈ গৈছিলো। প্ৰথমবাৰ যাওঁতে আমাৰ মনত যি অনুভূতি হৈছিল, সেয়া আমাৰ এতিয়াও মনত আছে। মাদ্ৰাছাৰ দৰে এটি শিক্ষায়তনক এনেদৰে এটি ক্ষুদ্ৰ বিশ্ববিদ্যালয়ৰ দৰে ৰূপ দিব পাৰে, আমি দেখি আচৰিত হৈছিলো। শিক্ষাৰ্থী সকলৰ পঠন-পাঠন, অনুশাসন আৰু শিক্ষাৰ পৰিবেশে শিক্ষা কেন্দ্ৰটিক বিশ্ববিদ্যালয়ৰ দৰে সমুজ্জ্বল কৰি ৰাখিছে।

শ্বেখ চাহাবে প্ৰথমে বদৰপুৰ দেওৰাইল মাদ্ৰাছাত পিছত দেওঁবন্দত শিক্ষা লাভ কৰি চৈয়দ হুছেইন আহমদ মদনী চাহাবৰ লগত মদিনালৈ গৈ এবছৰ কাল

তাত শিক্ষা লাভ কৰে। এই কালছোৱাত তেওঁ বিভিন্ন বিষয়ত বিদ্যানুশীলন কৰি বিশেষ বুৎপত্তি আৰু উৎকৰ্যতা লাভ কৰিছিল।

সমসাময়িক কালত ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামত হিন্দু-মুছলমানক ঐক্যবদ্ধ কৰাৰ উদ্দেশ্যে মহাত্মা গান্ধীয়ে খিলাফৎ আন্দোলনলৈ সমৰ্থন জনাইছিল। তুৰস্কৰ চুলতান বা খলিফাক বৃটিছে পদচ্যুত কৰিছিল। পদচ্যুত খলিফাক পুনঃ আসনত প্ৰতিষ্ঠিত কৰাৰ দাবীত বৃটিছ বিৰোধী খিলাফৎ আন্দোলন গঢ় লৈ উঠিছিল। সেই আন্দোলনে ভাৰতবৰ্ষক বাৰুকৈ আলোড়িত কৰিছিল।

জমিয়ত উলামা-ই-হিন্দ এটি অৰাজনৈতিক, ধৰ্মীয়, সামাজিক ব্যৱস্থাপক অনুষ্ঠান। কিন্তু জমিয়তৰ নেতা সকলে ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত সক্ৰিয় ভূমিকা লৈছিল। স্বাধীনতা যুদ্ধত তেওঁলোকে অশেষ নিৰ্য্যাতিন ভোগ আৰু কাৰাবৰণ কৰিছিল। চৌকত আলী, মহম্মদ আলী - দুই আলী ভ্ৰাতাই খিলাফৎ আৰু স্বাধীনতা আন্দোলনত অগ্ৰণী ভূমিকা লৈছিল। শ্বেখ চাহাব তেতিয়া উদীয়মান তৰুণ। স্বাধীনতা যুদ্ধত আৰু খিলাফৎ আন্দোলনত জপিয়াই পৰিছিল। অসমত স্বাধীনতা যুদ্ধৰ লগে লগে শ্বেখ চাহাবে খিলাফৎ আন্দোলন শক্তিশালী ভাৱে গঢ়ি তুলিছিল। তৰুণ বয়সত স্বাধীনতা যুদ্ধ আৰু খিলাফৎ আন্দোলনত তেওঁ যিদৰে দেশ প্ৰেম আৰু খলিফাক পদচ্যুত কৰা ৰাজনৈতিক অন্যায়ৰ বিৰুদ্ধে যুঁজিবলৈ উদ্বুদ্ধ হৈছিল, সেইদৰে তেওঁ পৰৱৰ্ত্তী কালত সমাজত ঘটা সামাজিক অন্যায়ৰ বিৰুদ্ধে যুঁজ দিছিল।

শ্বেখ চাহাবক বাছকান্দিৰ মাদ্ৰাছাৰ অধ্যক্ষ, আচাৰ্য্য, যিয়েই নোবোলক কিয়, তেওঁ কেৱল মাদ্ৰাছাখনৰেই শিক্ষক আছিল, বা কেৱল মাদ্ৰাছাত থকা শিক্ষাৰ্থী সকলকেই শিক্ষা দান কৰিছিল, এনে নহয়; তেওঁ আমাৰ সমাজখনৰো শিক্ষক স্বৰূপে আছিল আৰু সমাজত আমাক সকলোকে সামাজিক শিক্ষাদান কৰিছিল। তেওঁৰ লগত কথা-বতৰা পতা, আলোচনা কৰা, বা তেওঁৰ জীৱনৰ আচাৰ ব্যৱহাৰৰ পৰা এনে শিক্ষা লাভ হৈছিল। তেওঁ মৃদু ভাষী আছিল। অনাড়ম্বৰ ভাবে তেওঁ দৈনন্দিন কাৰ্য্য নিৰ্বাহ কৰিছিল। দেখাত অতি সাধাৰণ, কিন্তু অসাধাৰণ এক ব্যক্তিত্ব অভিব্যক্ত হৈছিল - তেওঁৰ বিভিন্ন কৰ্ম্মৰাজিত। তেওঁৰ উদাৰ নৈতিক মনোভাব, শুদ্ধ চিত্ত বৃত্তি, মনৰ দৃঢ়তা প্ৰকাশ পাইছিল, যেতিয়া আমি তেওঁৰ লগত

নানা জটিল, ৰাজনৈতিক, অৰ্থনৈতিক বা সামাজিক বিষয় সম্পৰ্কে আলোচনা কৰিছিলো।

ৰাজনৈতিক জটিল বিষয়লৈ তেওঁৰ লগত আলোচনা কৰোতে আমি লক্ষ্য কৰিছিলো যে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে তেওঁৰ মানৱতাবোধ, ন্যায় প্ৰতিষ্ঠাৰ প্ৰশ্নত তেওঁৰ দৃঢ়তা, অন্যায়ৰ বিৰুদ্ধে যুঁজোতে তেওঁৰ কঠোৰতা, দীন-দৰিদ্ৰ, নিপীড়িত সকলৰ প্ৰতি তেওঁৰ কোমলতাৰ গুণে তেওঁ জনপ্ৰিয় আছিল।

ভাৰতবৰ্ষ স্বাধীন হ'ল। কিন্তু ভাৰতবৰ্ষ ঐশ্লামিক ৰাষ্ট্ৰৰূপে পাকিস্তান আৰু ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰৰূপে ভাৰতবৰ্ষত বিভাজিত হ'ল। এনে হোৱাত ভাৰতবৰ্ষত যিবোৰ সমস্যা মূৰ দাঙি উঠিছিল আৰু সমাজত বিপৰ্য্যয় ঘটাইছিল, জমিয়তৰ দৰে বিভিন্ন জাতীয় অনুষ্ঠানৰ ওপৰত সাংগঠনিক স্তৰ ক্ৰমে সেইবোৰ মোকাবিলা কৰাৰ জাতীয় দায়িত্ব অৰ্পিত হৈছিল। সেই দায়িত্ব দেখাত ধৰ্মীয় আৰু সামাজিক যেন লাগিলেও, মূলতঃ ৰাজনৈতিক আছিল। শ্বেখ চাহাবে অৰাজনৈতিক অনুষ্ঠান জমিয়ত-উলামা-ই-হিন্দৰ অসম ৰাজ্যিক সভাপতিৰ আসন অলঙ্কৃত কৰি সেইবোৰৰ মোকাবিলা কৰা কালত তেওঁৰ ৰাজনৈতিক প্ৰজ্ঞা আৰু বিচক্ষণতা প্ৰকট কৰিছিল।

ভাৰতবৰ্ষ পৃথিৱীৰ বৃহত্তম গণতান্ত্ৰিক দেশ। গণতন্ত্ৰৰ মূল আধাৰ সংখ্যালঘুৰ অধিকাৰ ৰক্ষা কৰা। যি গণতন্ত্ৰত সংখ্যালঘুৰ অধিকাৰ অক্ষুণ্ণ নেথাকে সেই গণতন্ত্ৰক গণতন্ত্ৰ বুলিব নোৱাৰি। ঐছলামিক ৰাষ্ট্ৰ পাকিস্তান আৰু বাংলাদেশ প্ৰতিবেশী ৰাষ্ট্ৰ হোৱাত ধৰ্ম নিৰপেক্ষতা আৰু সংখ্যালঘুৰ অধিকাৰ ৰক্ষা কৰাৰ ক্ষেত্ৰত কেতিয়াবা কেতিয়াবা আৱেগিক জটিলতা আহি পৰিছিল। এইবোৰ সমাধান কৰোঁতে জমিয়তৰ সভাপতি ৰূপে শ্বেখ চাহাবে যথেষ্ঠ ৰাজনৈতিক বুদ্ধিমত্তা, উদাৰতা আৰু সৃজনমূলক দূৰ দৃষ্টি প্ৰদৰ্শন কৰিছিল।

জমিয়তৰ ৰাজ্যিক সভাপতি হৈ থকা কালত সংখ্যালঘু ভাৰতীয় নাগৰিকৰ অধিকাৰ ৰক্ষা কৰা, ভাৰতীয় সংখ্যালঘু নাগৰিকক অযথা সন্দেহ বশতঃ বিদেশী বুলি কৰা জুলুম ৰোধ কৰা, সংখ্যালঘু ভাৰতীয় নাগৰিকৰ ভোটাধিকাৰ ৰক্ষা কৰা আদি নানা সমস্যা লৈ আমি শ্বেখ চাহাবৰ লগত বহুত আলোচনা কৰিছিলো।

বিভিন্ন সময়ত সময়োপযোগী সমাধান উলিয়াই আমি জটিল সমস্যাবোৰৰ মোকাবিলা কৰিছিলো। এনেবোৰ আলোচনাত শ্বেখ চাহাবৰ দৃষ্টিভঙ্গী গঠন মূলক আছিল। তেওঁ উদাৰনৈতিক, সমাজবাদী চিন্তাধাৰাত উদ্বুদ্ধ হৈছিল।

শ্বেখ চাহাব বাছকান্দিৰ মাদ্ৰাছাৰ অধ্যক্ষ, জমিয়তৰ সভাপতি, লক্ষ লক্ষ শিষ্যৰ ধৰ্ম গুৰু, শিক্ষা গুৰু, দূৰদ্ৰষ্টা যিয়েই নহওক কিয়, আমি তেওঁৰ ভিতৰত বিচাৰি পাইছিলো - এজন মানুহ, এজন দৰদী মানুহ, দীন-দৰিদ্ৰৰ দুখ বুজা এজন মানুহ, বিপদত পৰা জনক ত্ৰান কৰা এজন মানুহ, এনে পীড়িত সকলৰ প্ৰতি তেওঁ অতি সুহৃদয় আছিল। কিন্তু অন্যায়ৰ বিৰুদ্ধে তেওঁ আছিল - কঠোৰ আৰু দৃঢ়।

শ্বেখ চাহাব ১৯১৫ চনত বদৰপুৰত জন্ম গ্ৰহণ কৰি ২০০০ চনৰ ১১ জুন তাৰিখে মৃত্যু বৰণ কৰে। তেওঁৰ এই জীৱন কালৰ কৰ্মৰাজি আজি আমাৰ প্ৰেৰণাৰ উৎস। বাছকান্দিৰ ক্ষুদ্ৰ বিশ্ববিদ্যালয় স্বৰূপ মাদ্ৰাছা, জমিয়তৰ সভাপতি কালৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত, মীমাংসা, সমাধান, লক্ষ লক্ষ শিষ্য, অনুগামী সকলক দিয়া তেওঁৰ বাণী, তেওঁৰ জীৱনাদৰ্শ কালৰ বুকুত অক্ষয় হৈ থাকিব।

শ্বেখ চাহাবৰ জন্ম সম্পৰ্কে এটি জন শ্ৰুতি আছে। তেওঁৰ পিতৃ - মাতৃৰ সাধনাৰ ফল তেওঁৰ জন্ম। তেওঁৰ মাতৃয়ে বাৰ বছৰ কাল ৰোজা (নফল) ৰাখি খোদাতা'আলাৰ ওচৰত এটি পুত্ৰ সন্তানৰ বাবে প্ৰাৰ্থনা জনাইছিল। পৰম কৰুণাময়ৰ ওচৰত কৰা প্ৰাৰ্থনাৰ ফল, মওলানা আহমদ আলী, আমাৰ শ্বেখ চাহাব, অগণন শিষ্যৰ গুৰু।

যি বাছকান্দিয়ে প্ৰথমে তেওঁক প্ৰত্যাখান কৰিছিল, সেই বাছকান্দিতে তেওঁ প্ৰতিষ্ঠিত হৈছিল, সেই বাছকান্দিক তেওঁ মৰ্য্যাদা দান কৰিছিল। সেই বাছকান্দিক গৌৰাৱান্বিত কৰি তেওঁ বাছকান্দিৰ মওলানা বুলি পৰিচিত হৈছিল। তেওঁ হুজুৰ বাছকান্দি।❖

---

**(সংকলকৰ টোকা** - এটা সময়ত অসমৰ দ্বীনী বুনিয়াদী শিক্ষাৰ শিতান প্ৰায় শূণ্য আছিল আৰু অসমৰ মুছলমানৰ দ্বীনী আৰু ধৰ্ম্মীয় অৱস্থা আছিল অতি দুখ লগা আৰু পৰিতাপজনক। গাঁৱে ভূঁএঃ অনেক লোকে আনকি ইছলামৰ প্ৰথম কলিমাটোকে

শুদ্ধভাৱে নাজানিছিল। ইছলাম চৰ্চ্চাৰ কোনো ভাল পৰিবেশ নাছিল। তেনে এটা অৱস্থাত অলীয়ে কামিল মৌলানা আহমদ আলী (ৰঃ) চাহাবে এজন অক্লান্ত, অবিশ্ৰান্ত বীৰ মুজাহিদৰূপে সকলো বাধা বিঘিনি নেওচি অসম, ত্ৰিপুৰা, মনিপুৰ, নাগালেণ্ড, মেঘালয়, অৰুণাচল আদি প্ৰদেশত সংস্কাৰ মূখী অভিযান আৰম্ভ কৰে। আল্লাহৰ কৃপাত আৰু তেখেতৰ অক্লান্ত চেষ্টাত ভাৰতৰ পূব প্ৰান্তত ইছলামৰ এটা পুনৰ জাগৰণ হয়।


আহমদ আলী (ৰঃ) চাহাবৰ জন্ম কৰিমগঞ্জ জিলাৰ বদৰপুৰৰ আলাকুলিপুৰত ১৯১৫ চনত। তেখেতৰ পিতৃ মাষ্টাৰ মোহম্মদ নছিৰ আলী ওৰফে মোল্লা ভাই। তেখেতসকল খাদিমান পৰিয়ালৰ। মাকৰ নাম বিবি ফৰিদা। তেখেতে ১৯৪০ চনত চিলেটৰ (অবিভক্ত অসম) টাইটেল মাদ্ৰাছা পাছ কৰি দেওবন্দলৈ উচ্চ শিক্ষাৰ বাবে যায়। তাত অসুস্থ হৈ পৰাত ঘৰলৈ উভতি আহে। দীৰ্ঘদিন ৰোগাক্ৰান্ত হৈ থাকি পাছত আৰোগ্য লাভ কৰি ১৯৫০-৫১ চনত পুনৰ দেওবন্দলৈ যায় আৰু শিক্ষা সম্পূৰ্ণ কৰে। তিনিমাহতে তেখেতে কোৰাণ ‘হিফজ’ কৰে। তেখেতে আধ্যাত্মিক সাধনাৰ কাৰণে এবছৰকাল মদিনা শ্বৰীফত কটায়।

১৯৫৫ চনত তেখেতে বাশকান্দি মাদ্ৰাছাৰ দায়িত্বভাৰ গ্ৰহণ কৰে। ১৯৫৭ চনৰ পৰা মৃত্যুৰ দিনলৈকে অসম জমিয়ত উলামায়ে হিন্দৰ সভাপতি স্বৰূপে কাৰ্য্য নিৰ্ব্বাহ কৰে। ১৯৯০ চনত উত্তৰ পূৰ্ব্বাঞ্চলৰ ‘আমীৰে শ্বৰীয়া’ নিৰ্ব্বাচিত হয়।

তেখেতৰ কৰ্ম্ম বহুল জীৱন আৰু সামাজিক আৰু ধৰ্ম্মীয় অৱদানৰ কথা লিখা সহজ নহয়। সেয়ে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহই লিখা আৰু মোস্তাক আহমদ চৌধুৰীৰ সৌজন্যত পোৱা জ্ঞান সম্ভাৰৰ ২০০০ চনৰ জুলাই - অক্টোবৰ সংখ্যাত প্ৰকাশিত প্ৰৱন্ধটো ইয়াত সন্নিৱিষ্ট কৰা হৈছে) ।

# আহমদ হুছেইন

ত্বাৰিক হুছেইন



প্ৰকৃতিৰ নিয়ম মানি এই পৃথিৱীলৈ বহু ব্যক্তি আহে আৰু এদিন পৃথিৱী এৰি গুচি যায় ।তাৰ মাজত কিছু ব্যক্তি বিশেষে নিজৰ গুণ গৰিমা আৰু ব্যক্তিত্বৰ বাবে মানুহৰ মাজত জীয়াই থাকে। সেই দৰে আহমদ হুছেইন চাহাব জীয়াই আছে বহুতৰ মনত। ১৯১৫ চনৰ ১৪ এপ্ৰিলত ইতিহাস প্ৰসিদ্ধ শিৱসাগৰ নগৰত এটি অভিজাত পৰিয়ালত তেখেতৰ জন্ম হৈছিল ।তেখেতৰ দেউতাকৰ নাম চাহানচাহ হুছেইন আৰু মাকৰ নাম মিহিৰুণ নিছা ।হুছেইন চাহাব সৰুৰে পৰা ন্যায় পৰায়ণ মৰমিয়াল আৰু নিৰ্ভীক আছিল। খেল ধেমালি আৰু পঢ়াশুনাৰ প্ৰতি তেখেতৰ বৰ ধাউতি আছিল।

আহমদ হুছেইন চাহাব শিৱসাগৰ নগৰৰ দুখীয়া প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা লাভ কৰি ১৯৩৩ চনত শিৱসাগৰ হাইস্কুলৰ পৰা সুখ্যাতিৰে স্কুলীয়া শিক্ষা শেষ কৰে আৰু ১৯৩৭ চনত কটন কলেজৰ পৰা বিজ্ঞানত ডিগ্ৰী লৈ উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যায় ।তাত তেখেত প্ৰেসিডেন্সি কলেজত ভৰ্ত্তি হয়। ১৯৩৯ চনত সুখ্যাতিৰে এম. এছ. চি পাছ কৰি উভতি আহে ।

কলিকতাৰ পৰা উভতি আহি পবিত্ৰ শিক্ষক জীৱনৰ পাতনি মেলে যোৰহাট নৰ্ম্মাল স্কুলৰ প্ৰশিক্ষক হিচাপে আৰু তাৰ পিছত ক্ৰমে এম. চি. কলেজ, চিলেট, কটন কলেজ, গুৱাহাটী আৰু বিজ্ঞান কলেজ, কোহিমাত সু-দীৰ্ঘ ৩২ বছৰ কাল

অতি সু-খ্যাতিৰে অধ্যপনা কৰি আজীৱন নিজৰ মেধা আৰু প্ৰতিভাৰ পৰিচয় দিয়ে। চাকৰি জীৱনৰ শেষ স্তৰত কোহিমা বিজ্ঞান কলেজৰ অধ্যক্ষৰ গুৰু দায়িত্ব গ্ৰহণ কৰি অৱসৰ গ্ৰহণ কৰা দক্ষতাই হল তেখেতৰ কৰ্ম জীৱনৰ চৰম কৃতিত্বৰ স্বাক্ষৰ । অৱসৰ লোৱাৰ পাছত ৭০ ৰ দশকত তেখেতে কিছু বছৰ চামতাৰ কামৰূপ কলেজৰ অধ্যক্ষ হিচাপেও কাম কৰিছিল।

আহমদ হুছেইন চাহাব এজন গুণী আৰু গুণগ্ৰাহী শিক্ষক, সু-লেখক আৰু সুপণ্ডিত হিচাপে পৰিচিত। তেখেতৰ অল্পভাষী আৰু মিষ্টভাষী গুণে, তেখেতৰ গহীন গম্ভীৰ কথাই আৰু সুমধুৰ ব্যক্তিত্বই তেখেতৰ সংস্পৰ্শলৈ অহা সকলো ছাত্ৰ-ছাত্ৰী আৰু সকলো ব্যক্তিকে সমানে আকৃষ্ট কৰি সকলোৰে অন্তৰত ৰেখাপাত কৰিবলৈ সক্ষম হৈছিল । সকলো মানুহৰ অন্তৰ জয় কৰিব পৰা এই মহান শক্তিৰ গুণত তেখেত সকলো শ্ৰেণীৰ মানুহৰ মাজত সুপৰিচিত ।

তেখেতৰ সহজ - সৰল জীৱন যাপনৰ মহান আদৰ্শ, সৰলতা, কোমলতা গুণ আৰু পিতৃবৎ মৰম স্নেহ আছিল প্ৰতিজন ছাত্ৰ -ছাত্ৰীৰ প্ৰেৰণাৰ উৎস । তেখেতৰ নিৰ্মল নিৰহংকাৰ ব্যৱহাৰ, মধুৰ বাণী, সাধুতা আৰু ন্যায় নিষ্ঠতা সকলো বন্ধু -বান্ধবৰ মনোমুকুৰত সৰ্ব্বদাই  সমুজ্বলিত আৰু উদভাসিত হৈ থাকিব । বিশেষকৈ বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত এখেতৰ দান অতুলনীয় । এখেতে ‘বিজ্ঞানৰ বিচিত্ৰ কাহিনী’ নামৰ সৰল অনুবাদ গ্ৰন্থৰ দ্বাৰা অসমত বিজ্ঞানৰ লেখক হিচাপে যি জনপ্ৰিয়তা অৰ্জন কৰিছিল আৰু অসমৰ বিজ্ঞানী সকলৰ অন্তৰত যি অনুপ্ৰেৰণাৰ সঞ্চাৰ কৰিলে সিয়ে তেখেতৰ কৰ্মজীৱনত এটা বিশেষ কৃতিস্তম্ভ হৈ  ৰ’ল । এজন আদৰ্শ শিক্ষক হিচাপে এজন সুস্থিৰ প্ৰকাশক হিচাপে, এজন সুনিপুন লেখক হিচাপে আৰু এজন বিশিষ্ট নাগৰিক আৰু সমাজ সেৱক হিচাপে তেখেতে সৰ্ব্বদায় সকলোৰে শ্ৰদ্ধা আৰু প্ৰশংসা লাভ কৰি থাকিব ।

আহমদ হুছেইন চাহাব বহুতো প্ৰতিষ্ঠান তথা  সামাজিক অনুষ্ঠানৰ লগত ওতঃপোতঃ ভাবে জড়িত আছিল। কোহিমাত থকাৰ সময়ত তেখেত এবাৰ দিল্লীত অৱস্থিত ৰো সদস্য আছিল। ঠিক সেই সময়তে তেখেতে কোহিমা সাহিত্য সভাৰ সভাপতিৰ পদো অলঙ্কৃত কৰিছিল।

চাকৰি জীৱনত তেখেত বিভিন্ন ঠাইত থাকিব লগা হৈছিল আৰু প্ৰত্যেক ঠাইতে ধৰ্ম্মীয় বা আন সামাজিক অনুষ্ঠানৰ লগত নিজক জড়িত ৰাখিছিল। তেখেত শান্তিপুৰ মছজিদৰ জন্ম লগ্নৰে পৰা জড়িত আছিল আৰু ইয়াৰ কমিটিৰ সভাপতি বা সম্পাদক হিচাপে কেবাবাৰো সেৱা আগবঢ়াইছিল।

তেখেতৰ কৰ্ম্মজীৱনৰ স্বীকৃতি স্বৰূপে ১৯৭৯ চনত গুৱাহাটী মহানগৰীত অনুষ্ঠিত অষ্টাদশ ৰাষ্ট্ৰীয় শিক্ষক দিৱস উদযাপন উৎসৱত ৰাজহুৱাভাবে সম্বৰ্দ্ধনা জনাইছিল। আকৌ ১৯৯০ চনত পশ্চিম গুৱাহাটী বিহু সন্মিলনত তেখেতক ৰাজহুৱা ভাবে সম্বৰ্দ্ধনা জনাইছিল।

১৯৪৪ চনত তেখেতে শিক্ষা বিভাগত কাম কৰা তৈয়বুল্লাহ চাহাবৰ কন্যা লুতফুন নাহাৰক বিয়া কৰায়। ১৯৯২ চনৰ ২২ জুলাই তাৰিখে ৭৮ বছৰ বয়সত আহমদ হুছেইন চাহাবৰ মৃত্যু হয় আৰু এক কৰ্ম্মবহুল জীৱনৰ সামৰণি পৰে।❖

---

(লেখক আহমদ হুছেইনৰ পুত্ৰ) ।

# চাদেৰ আলি

**মোহাম্মদ ছিৰাজুল ইছলাম**



অসমীয়া ভাষাত একে খণ্ডতে সম্পূৰ্ণ কোৰাণ অনুবাদ কৰি প্ৰকাশ কৰা প্ৰথম ব্যক্তিজন হল মোহাম্মদ চাদেৰ আলি। বৰপেটা জিলাৰ বৰ্ত্তমান জালী মহকুমাৰ অন্তৰ্গত বৰমানিকপুৰ নামৰ এখন অনুন্নত গাঁৱত এটা সম্ভ্ৰান্ত পৰিয়ালত ১৯১৫ চনৰ মে মাহত চাদেৰ আলি চাহাবৰ জন্ম হয়। তেখেতৰ বাপেকৰ নাম দৰবাৰু সেখ আৰু মাকৰ নাম শৰলেনি বিবি। শৰলেনি বিবিৰ ৭ বছৰ ধৰি কোনো সন্তান সন্ততি নোহোৱা কাৰণে দৰবাৰু সেখে সন্তানৰ আশাত ৰহিলা খাতুনক দ্বিতীয় বিবাহ কৰে কিন্তু এই দ্বিতীয় বিবাহৰ পাছতেই চাদেৰ আলি চাহাবৰ জন্ম হয়। আলি চাহাবৰ নিজা ভাই-ভনী নাছিল। মাহীমাক ৰহিলা খাতুনৰ যোগেদি এজন ভাই আৰু এগৰাকী ভনীয়েক আছিল।

বৰমানিকপুৰত মকতব আৰু প্ৰাথমিক শিক্ষা লাভ কৰি ১৯২৭ চনত ৪ কিলোমিটাৰ নিলগৰ জালাহ মধ্য ইংৰাজী বিদ্যালয়ৰ পৰা উত্তীৰ্ণ হৈছিল। তাৰ পাছত পৰিয়ালৰ পৰা অনুপ্ৰেৰণা পাই তেখেত বৰপেটালৈ যায় আৰু তাত ১৯৩১ চনত বৰপেটাৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা গণিত (বাধ্যতামূলক আৰু ঐচ্ছিক) বিষয়ত দুটা লেটাৰসহ প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। সেই বিদ্যালয়ৰ পৰা বৃত্তি পাই গুৱাহাটীৰ কটন কলেজত পঢ়িবলৈ আহে আৰু

স্নাতক পৰীক্ষাৰ বাবে সাজু হৈছিল। কিন্তু কটন কলেজত স্নাতকৰ চুড়ান্ত বছৰত পঢ়ি থকা অৱস্থাতে ১৯৩৫ চনত চেউনী চাৰিআলিৰ নাম কৰা গাওঁবুঢ়া মুঞ্চি গৰীৱউল্লাৰ ডাঙৰ জীয়াৰী নজিমুন নিছাক বিয়া কৰায়। বিয়াৰ পাছত পৰিয়ালৰ ভৰণ-পোষণৰ ব্যৱস্থা কৰিবৰ কাৰণে শিক্ষা সিমানতে সাং কৰি চাকৰিত সোমাব লগা হয় আৰু গোৱালপাৰাৰ মধ্য ইংৰাজী মাদ্ৰাছাত প্ৰধান শিক্ষক হিচাপে যোগ দিয়ে। কিন্তু ১৯৪২ চনত দ্বিতীয় মহাযুদ্ধৰ সমত বয়বস্তুৰ দাম উৰ্দ্ধগামী হোৱাত আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ বেতনেৰে পৰিয়ালক পোহপাল দিব নোৱাৰা হোৱা কাৰণে চৰকাৰী চাকৰি বিচাৰে আৰু ১৯৪৩ চনত শিক্ষকতাৰ চাকৰি ত্যাগ কৰে। ১৯৪৪ চনত অসম চৰকাৰৰ Textile বিভাগত উপ পৰিদৰ্শক হিচাপে যোগদান কৰে। তাত ২ বছৰ চাকৰি কৰাৰ পাছত পৰিদৰ্শক পদলৈ পদোন্নতি হয়। কিন্তু এই বিভাগটো উঠি যোৱাত চৰকাৰে তেখেতক যোগান বিভাগত পৰিদৰ্শক হিচাপে মকৰল কৰে। তাত যোগান পৰিদৰ্শক আৰু ধান নিয়ন্ত্ৰক হিচাপে থাকি ১৯৬৬ চনত অধীক্ষক পদ পায় আৰু সেই পদতেই ১৯৭০ চনৰ ১ মে তাৰিখে অৱসৰ পায়। তেখেতৰ সৰুৰে পৰা সাহিত্য চৰ্চ্চাত ৰাপ আছিল। বৰপেটাৰ চৰকাৰী উচ্চ বিদ্যালয়ত নৱম শ্ৰেণীত পঢ়ি থকা অৱস্থাত ১৯২৯ চনত তাৰ মাহেকীয়া আলোচনী খনৰ সম্পাদক আছিল। সৰুৰে পৰা অধ্যয়ন পিপাসু থকা কাৰণে তেখেতে অসমীয়া, ইংৰাজী, আৰবী, ফাৰ্চী আৰু বঙ্গলা ভাষাত বুৎপত্তি লাভ কৰিছিল। ১৯৪৯ চনৰ মাৰ্চ মাহত তেখেতৰ প্ৰথম পুত্ৰ জেহিৰুল আলম (ধন) ৰ অকালতে মৃত্যু হোৱাত তেখেতৰ মন বাস্তৱতাবাদৰ পৰা আধ্যাত্মিকতা বাদলৈ ঢাল লয়। ফলত তেখেতে কোৰাণ আৰু হাদীচ গভীৰ ভাবে অধ্যয়ন কৰিবলৈ লয়। লগতে নৈতিকতা আৰু আধ্যাত্মিকাবাদৰ তত্ত্বগধুৰ বিষয়ো অধ্যয়ন কৰিবলৈ ধৰিলে।

ইয়াৰ ফলশ্ৰুতি হিচাপে তেখেতৰ কলমৰ পৰা ওলাল ১৮ খনৰো অধিক ইছলাম ধৰ্ম্ম সম্বন্ধীয় অসমীয়া কিতাপ। তেখেতে লিখনিৰ মাজেদি মানুহৰ মনত মানবীয় অনুভূতি প্ৰচাৰ কৰিবলৈ যত্ন কৰিছিল।

তেখেতে অসমীয়া ভাষাত একে খণ্ডতে সম্পূৰ্ণ কোৰান অনুবাদ কৰি প্ৰকাশ কৰিছিল। এখেতে ঐকান্তিক সাধনাৰে অনুবাদ কৰা পুথিখন ১৯৬২ চনত “পবিত্ৰ কোৰআন’ নাম দি ৰাইজলৈ আগবঢ়ায়। ৯৬০ পৃষ্ঠাৰ এই পুথিখনি অনুবাদ কৰাৰ উদ্দেশ্য সন্দৰ্ভত অনুবাদকে লিখিছিল- ‘অসমৰ হিন্দু, মুছলমান, খ্ৰীষ্টিয়ান, বৌদ্ধ আদি সকলো জাতি আৰু ধৰ্ম্মৰ মানুহে যাতে কোৰআন খনি যদি নিজ মাতৃভাষাত বুজি লব পাৰে। সেই উদ্দেশ্যে এই পবিত্ৰ কোৰআনখনি অতি সহজ, সৰল আৰু প্ৰাঞ্জল অসমীয়া ভাষাত লিখা হৈছে’। পুথিখনিত কোৰাণৰ আৰবী পাঠ নাই অৱশ্যে যতেই তফ্‌চীৰৰ আৱশ্যক হৈছে অনুবাদকে তাতেই পাদটীকাত সম্যক বাখ্যা দি গৈছে। ইয়াৰ দ্বিতীয় তাঙৰণ লয়াৰ্ছ বুকষ্টলে ১৯৬৯ চনত প্ৰকাশ কৰিছিল।

এই কাম তেখেতে চাকৰি সূত্ৰে তিনিচুকীয়াত থকা সময়ত কৰিছিল আৰু এই কামৰ বাবে অসম চৰকাৰৰ পৰা ৫,০০০ আৰু ভাৰত চৰকাৰৰ পৰা ৭,২০০ টকাৰ অনুদান পাইছিল।

তেখেতৰ আন কিতাপসমূহ হ’ল (১) ইছলাম ৰবি ঃ হজৰত মোহাম্মদ (দঃ) ৰ শিকনি আৰু জীৱনী (২) মুক্তিৰ সন্ধান ঃ পাৰ্থিব জীৱনৰ আত্মাৰ মুক্তিৰ সন্ধান। এইখন কিতাপৰ কাৰণে তেখেতে অসম চৰকাৰৰ পৰা ১৯৭৩ চনত ৩০০০ টকাৰ এটা অনুদান পায়। ১৯৭৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই এই কিতাপখন দৰ্শন বিভাগৰ অনাৰ্চ শিক্ষাক্ৰমৰ পাঠ্য তালিকাত অন্তৰ্ভূক্ত কৰে। (৩) নবী কাহিনী ঃ ৩৫ জন পয়গম্বৰৰ চমুজীৱনী, শিকনি আৰু আদৰ্শ। এইখন কিতাপৰ কাৰণেও অসম চৰকাৰে ১৯৭৬ চনত ৪৫০০ টকাৰ আৰ্থিক মঞ্জুৰী দিয়ে। ১৯৮১ চনত অসম সাহিত্য সভাই এই কিতাপখন শিশু সাহিত্য হিচাপে গ্ৰহণ কৰে। (৪) হাদিছৰ বাণী ঃ ১৯৭৮ চন (৫) ওমৰ কাব্য ঃ ১৯৮০ চন (৬) কুসুম কানন ঃ সেখ ছাদী ছিৰাজীৰ ‘গুলস্তান’ৰ বঙ্গলা ভাষাৰ পৰা অসমীয়া অনুবাদ। ১৯৮১ চনত অসম চৰকাৰৰ ৪,৪০০ টকাৰ আৰ্থিক মঞ্জুৰীৰ সহায়ত প্ৰকাশ। (৭) খলিফাৰ ইতিহাস ঃ ৪ জন প্ৰথম খলিফাৰ জীৱনী, আদৰ্শ আৰু শিকনি। ১৯৮৪ চনত অসম চৰকাৰৰ ৩,৯০০ টকাৰ বিত্তীয় সাহায্যত প্ৰকাশ

(৮) পথৰ সম্বল ঃ ইহকাল আৰু পৰকালৰ বাবে ধৰ্ম্মোপদেশ, ১৯৮৬ চন ।(৯) কোৰাণৰ বাণী ঃ পবিত্ৰ কোৰাণৰ চমু পৰিচয়, ১৯৮৭ চন (১০) আউলীয়া চৰিত ঃ ১৯৮৫ চন, ৯৬ জন মহৎ মনিষীৰ শিকনি আৰু চমুজীৱনী (১১) সুৰভি কানন ঃ সেখ ছাদী ছিৰাজীৰ 'বুস্তান'ৰ অসমীয়া অনুবাদ। ১৯৮৮ চন। (১২) শিশু পাৰিজাত ঃ অসম সাহিত্য সভাৰ দ্বাৰা ১৯৮৬ চনত প্ৰকাশিত চমু সাধু কথা সদৃশ কাহিনী। (১৩) হাফিজ কাব্য ঃ অসম চৰকাৰৰ আৰ্থিক অনুদানৰ সহায়ত 'ৰুবায়ৎ আৰু হাফিজ' নামৰ বিশ্ববিখ্যাত কিতাপখনৰ ৭৫ টা শ্লোকৰ অসমীয়া অনুবাদ, ১৯৮৭ চন (১৪) জ্ঞানৰ সাগৰ ঃ ১৯৮৮ চন, ইছলামৰ নীতি নিয়ম। (১৫) মুকুতাৰ মালা ঃ ১৩ টা বিষয় কাহিনী। ১৯৮৭ চন। (১৬) হৰত মুছা (আঃ) জীৱনী ১৯৮৭ চন।

তেখেতৰ কৰ্ম্মৰাজিৰ বাবে জাতি, ধৰ্ম্ম, বৰ্ণ নিৰ্ব্বিশেষে অসমীয়া মানুহৰ আৰু চৰকাৰৰ তেখেত সন্মান আৰু শ্ৰদ্ধাৰ পাত্ৰ হব পাৰিছিল। অসম সাহিত্য সভাৰ এজন সক্ৰিয় সদস্য হোৱাৰ উপৰিও তেখেত এজন সমাজ সংস্কাৰক আৰু অভাগাজনৰ চিৰ বন্ধু আছিল। তেখেত এজন সবল ব্যক্তিত্বশালী আৰু নীতিনিষ্ঠ পুৰুষ আছিল। চাকৰি জীৱনৰ শেষ মুহূৰ্ত্তলৈকে দুৰ্নীতিৰ বিৰুদ্ধে তেখেতে সংগ্ৰাম কৰি গৈছিল।

১৯৭০ চনৰ মে'ৰ পৰা তেখেতে চৰকাৰী বৃত্তিমূলক বিনোদন ধন আৰু ১৯৭৯ চনৰ জানুৱাৰী মাহৰ পৰা সাহিত্যিক বৃত্তি লাভ কৰে।

অৱসৰ লোৱাৰ পাছত জালুকবাৰীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৱৰ্ত্তৰ উত্তৰ ফালে ঘৰ মাটি কৰি তেখেতে নিজ পৰিয়ালৰ সৈতে থাকিবলৈ লয়। সেই ঠাইডোখৰ অতি অনুন্নত আছিল। বাটপথ, বিজুলী বা পানী যোগান নাছিল। তাত কোনো মছজিদো নাছিল।

আলি চাহাবে সেই ঠাইডোখৰৰ নাম বিদ্যানগৰ ৰাখিলে যেহেতু ঠাইডোখৰ এটা শিক্ষাকেন্দ্ৰৰ ওচৰত আৰু স্থানীয় লোকৰ সহযোগত নিজৰ ঘৰৰ ওচৰতে ১৯৭৮ চনত এটা মছজিদ স্থাপন কৰিলে।

১৯৮২ চনৰ ২ আগষ্টত এটা দুৰ্ঘটনাত তেখেত খোৰা হৈ পৰে আৰু বৰকৈ ফুৰাচকা কৰিব নোৱাৰা হল। এইটো তেখেতৰ কাৰণে আল্লাহৰ ৰহমত যেন হে হ'ল। তেখেতে ঘৰত বহি অবাবত সময় নষ্ট নকৰি আগতে প্ৰকাশ হোৱা পবিত্ৰ কোৰাণৰ অনুবাদখনৰ গোটেইখিনি কথা বিস্তৃতভাবে টিকা টিপ্পনী সহ ব্যাখ্যা কৰি দিবলৈ সুবিধা পালে। সেইয়া এতিয়াও অপ্ৰকাশিত অৱস্থাত আছে।

১৯৯০ চনৰ ডিচেম্বৰ মাহৰ ২৯ তাৰিখে তেখেতৰ ইন্তেকাল হয়।

তেখেতৰ জীৱন কালত সাহিত্যিক বৃত্তি লাভ কৰাৰ উপৰিও কামৰূপ সাহিত্য পৰিষদ, নগৰ বেৰা কলেজ, গুৱাহাটী সাহিত্য মঞ্জৰী, অসম প্ৰকাশন পৰিষদ, অসম সাহিত্য সভা আৰু নিখিল অসম যোগান কৰ্ম্মচাৰী বৃন্দ সংস্থা আদিৰ পৰা সন্মান আৰু সম্বৰ্দ্ধনা লাভ কৰিছিল।

অসমীয়া ইছলামী সাহিত্যৰ প্ৰতি চাদেৰ আলি চাহাবৰ অনুদান কোনেও নুই কৰিব নোৱাৰে। তেখেতে কথা বা কামেৰে কাকো আঘাত দিয়া নাছিল। তেখেতৰ দৰ্শন আছিল অসৎ উপায়েৰে কোনো এটা মহৎ কাম সাধন কৰিব নোৱাৰি আৰু তেখেতে সেই দৰ্শনেৰেই নিজৰ জীৱন নিৰ্ব্বাহ কৰিছিল।


তেখেতে কৰি যোৱা কাম আৰু দেখুৱাই যোৱা পথ আজিৰ প্ৰজন্মৰ কাৰণে আদৰ্শ স্বৰূপ হওক।❖

---

(লিখক চাদেৰ আলিৰ পুত্ৰ)।

# চৈয়দ ছামচুল হোদা

সংকলন



হজৰত আজান পীৰৰ (ৰঃ) নৱম পুৰুষ বিশিষ্ট শিক্ষাবিদ অধ্যাপক চৈয়দ ছামচুল হোদা (তেখেতৰ নিজে ব্যৱহাৰ কৰা নামৰ বানান) চাহেব ১৯১৫ চনৰ ১৫ জুলাই তাৰিখে উজনি অসমৰ যোৰহাটৰ ওচৰৰ কাকজানত জন্ম গ্ৰহণ কৰিছিল। তেখেতৰ দেউতাকৰ নাম চৈয়দ আহচান উল্লাহ চাহেব আৰু জননীৰ নাম চৈয়দা লেটিফুন নিছা (সোণমাই) আছিল। হোদা চাহেবৰ তিনি বছৰ বয়সতে পিতৃ বিয়োগ হোৱাত আৰু যোৰহাটৰ তেখেতৰ পিতৃৰ পৰিয়ালৰ পুৰুষ সকলে অসহযোগ আন্দোলনত সঘনাই কাৰাবৰণ কৰিবলগীয়া হোৱা কাৰণে তেখেতৰ কমবয়সীয়া মাকে যোৰহাটত থকাৰ অসুবিধা পাই নিজ পুত্ৰৰ সৈতে কাকজানৰ নিজ ঘৰলৈ গুচি আহে। তাতে মোমায়েকহঁতৰ লগত হোদা চাহেবে ল'ৰালি কাল কটায়।

তেখেতৰ মাক লেটিফুন নিছা বোৱা কটাত অতি পাৰ্গত আছিল। তাঁত শালত বহি পাটৰ মেখেলা চাদৰ, কেছ বছা ৰিহা অতি নিখুত ভাৱে ধুনীয়াকৈ বৈছিল। এইবোৰৰ উজনি অসমৰ হিন্দু আৰু মুছলমান সম্প্ৰদায়ৰ অভিজাত সকলৰ মাজত খুব চাহিদা আছিল। তাৰ উপাৰ্জনৰ অৰ্থ লেটিফুন নিছাই পুতেকৰ শিক্ষাৰ কাৰণে খৰচ কৰিছিল।

কাকজানতে প্ৰাথমিক শিক্ষা লৈ তীক্ষ্ণ বুদ্ধিৰ হোদা চাহেবে ১৯৩১ চনত কাকজান এম. ই মাদ্ৰাছাৰ শেষান্ত পৰীক্ষাত প্ৰথ ম স্থান সহ উত্তীৰ্ণ হয়। তাৰ পাছত ১৯৩৫ চনত শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত আৰবী সহ দুটা বিষয়ত লেটাৰ পাই প্ৰথম বিভাগত উত্তীৰ্ণ হয় । ১৯৩৭ চনত অসমৰ কটন কলেজৰ পৰা প্ৰথম বিভাগত আই. এ. পাছ্ কৰি কটন কলেজত আৰবীত অনাৰ্চ নথকাৰ কাৰণে উচ্চ শিক্ষাৰ বাবে চিলেটৰ মুৰাৰী চান্দ কলেজলৈ যায় আৰু তাৰ পৰা ১৯৩৯ চনত আৰবীত অনাৰ্চসহ্ প্ৰথম বিভাগত বি. এ. পাছ্ কৰে। ১৯৪২ চনত আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ আৰবী বিষয়ত প্ৰথম শ্ৰেণী সহ- এম. এত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত ১৯৪৪ চনত কাকজানৰ তেখেতৰ ডাঙৰ মোমায়েক চৈয়দ ইমদাদ হুছেইন চাহেবৰ কন্যা চৈয়দা আনোৱাৰা বেগমৰ লগত তেখেতৰ বিয়া হয়। তেখেত সকলৰ দুজন পুত্ৰ আৰু এগৰাকী কন্যা ।

১৯৪৬ চনত মুৰাৰী চান্দ কলেজত সহকাৰী প্ৰবক্তা হিচাপে যোগদান কৰাৰ পাছতে, সেই বছৰতে সহকাৰী স্কুল পৰিদৰ্শকৰ পদত যোগ দিয়ে। লগতে ১৯৪৭ চনৰ পৰা অসম মাদ্ৰাছা বোৰ্ডৰ সচিব পদো যুটীয়া ভাৱে গ্ৰহণ কৰে। সেই বছৰতে তেখেত Asstt. Commissioner of Scouts and Guides হয় ।

১৯৫০ চনত চৰকাৰৰ বৃত্তি লাভ কৰি মিছৰৰ কাইৰো বিশ্ববিদ্যালয়ৰ পৰা আৰবী সাহিত্যত ১৯৫৩ চনত প্ৰথম শ্ৰেণীত এম. এ. পাছ কৰি তেখেতে ১৯৫৪ চনত চৌদী আৰবৰ জিদ্দাত ভাৰতীয় দুতবাসৰ দোভাষী হিচাপে নিযুক্তি লাভ কৰে। ১৯৫৩ চনত কাইৰো বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়তে তাৰ পৰা পঠোৱা ৪০ জনীয়া দল এটাৰ লগত তাৰে এজন হিচাপে তেখেতে হজ আদায় কৰিছিল । তেখেতে ৫ বাৰ হজ কৰিছিল । আৰবৰ পৰা আহি ১৯৫৭ চনৰ পৰা পুনৰ অসম ৰাজ্যিক মাদ্ৰাছা বোৰ্ডৰ সচিব হিচাপে কাম কৰাৰ পাছত ১৯৬০ চনত দৰং জিলাৰ স্কুল পৰিদৰ্শক হিচাপে দায়িত্ব ভাৰ লয়।

১৯৬৫ চনত শিক্ষা বিভাগৰ উপ-সঞ্চালক হিচাপে শ্বিলঙত কিছুদিন কাম কৰাৰ পাছত ১৯৬৬ চনত ডিব্ৰুগড় জিলাৰ স্কুল পৰিদৰ্শক হিচাপে বদলি হৈ আহে। পুনৰ ১৯৬৯ চনত শিক্ষা বিভাগৰ উপ-সঞ্চালক হিচাপে শ্বিলঙলৈ আহে।

অৱসৰৰ পাছত ১৯৭১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰবী বিভাগত অধ্যাপক হিচাপে যোগদান কৰে।

অধ্যাপক হোদা চাহেব গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি থকা অৱস্থাতে অৱসৰৰ প্ৰাক কালত ১৯৭৮ চনত জামাত- ই-ইছলামী হিন্দৰ সদস্য পদ লাভ কৰে। সেই সময়ছোৱাত তেখেতে কৰা কেইটামান জনহিতকৰ কাম হ'ল - ১) "ইছলামী সাহিত্য" নামৰ সংগঠনটো অসমীয়া ইছলামীয় সাহিত্য প্ৰকাশন সমিতি হিচাপে পুনঃ গঠন আৰু ১৯৭৮ চনত তাৰ সভাপতিৰ পদ গ্ৰহণ ২) সাপ্তাহিক মুজাহিদ কাকত প্ৰকাশ আৰু আবিদ প্ৰিণ্টাৰ্চ প্ৰতিষ্ঠা। মুজাহিদৰ প্ৰতিষ্ঠাপক সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি সাপ্তাহিক মুজাহিদ কাকতৰ প্ৰকাশ (১৯৭৯ চন) আৰু ৩) জামাত- ই-ইছলামীৰ অধীনত জামাত ৰিলিফ কমিটি, অসম গঠন।

তেখেত ১৯৭৯ চনৰ আগষ্ট মাহত 'জামাত ই-ইছলামী হিন্দ'ৰ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ 'আমিৰ' হিচাপে নিৰ্বাচিত হোৱাৰ পাছত সাপ্তাহিক মুজাহিদৰ সম্পাদক পদবিৰ পৰা স্বেচ্ছাই অব্যাহতি গ্ৰহণ কৰে।

১৯৮১ চনত বিশ্ববিদ্যালয়ৰ অধ্যাপক পদৰ পৰা অৱসৰ লোৱাৰ পাছত ১৯৮৫ চনত 'অসম ফালাহ চোচাইটি' গঠন কৰে আৰু সভাপতি হিচাপে (ক) হাউলিত হজৰত ওমৰ (ৰাঃ) মডেল একাডেমী, (খ) তেজপুৰত আননুৰ মডেল একাডেমী, (গ) বদৰপুৰত এংলো এৰেবিক ইছলামী শিক্ষাকেন্দ্ৰ, (ঘ) নগাওঁৰ ৰহমত নগৰত এংলো এৰেবিক শিক্ষা কেন্দ্ৰ, (ঙ) যোৰহাটৰ ইছলামীয় শিক্ষা কেন্দ্ৰ, (চ) তিনিচুকীয়াত ইছলামী শিক্ষা কেন্দ্ৰ , আৰু (ছ) গুৱাহাটীত সাত গাওঁত দাৰুল মা' আৰিফ শিক্ষানুষ্ঠান আদি স্থাপন কৰে।

১৯৯০-চনৰ পৰা জিদ্দাত অৱস্থিত Islamic Development Bank ৰ শিক্ষামূলক বৃত্তিৰ আঁচনিৰ তেখেত পূৰ্বাঞ্চল সমিতিৰ সদস্য আছিল।

তেখেতে ২০০১ চনত হজলৈ যোৱাৰ আগতে গুৱাহাটীৰ জু-নাৰেঙ্গীৰ ওচৰত মাকৰ স্মৃতিত চৈয়দা লেটিফুন নিছা (সোণমাই) ন্যাস গঠন কৰি ২২০০ বৰ্গ ফুটৰ এটা আসাম টাইপৰ ঘৰসহ এক কঠা পাঁচ লেচা মাটি কৌম আৰু দ্বীনৰ

কামত ৰাকফ কৰি দিয়ে । সেই বছৰতে ইছলামিক ডেভেলপমেণ্ট বেঙ্কে জিদ্দাত আয়োজন কৰা Community Development Workshop এখনত তেখেতে অংশ গ্ৰহণ কৰিছিল।

অভাৱগ্ৰস্ত সকলৰ বাবে সদায় সহায়ৰ হাত আগবঢ়োৱা আৰু তেওঁলোকৰ কাৰণে সততে চিন্তা কৰি থকা হোদা চাহেবে সমাজৰ অভাৱী সকলক সহায় কৰিবৰ কাৰণে 'বয়তুল মাল'ৰ আৰ্হিত ২০০৫ চনত অসম যাকাত ফাণ্ড গঠন কৰে আৰু ইয়াৰ সহায়ত প্ৰতি বছৰে অনেক দুখীয়া আৰু অভাৱীলোকক সহায় কৰে। তেখেতে গঠন কৰা জামাত ৰিলিফ কমিটিৰ যোগেদিও নানা দুৰ্য্যোগৰ সময়ত অনেক সাহায্য দিয়া হৈছে।

গুৱাহাটী হাজী মুছাফিৰ খানা, জালুকবাৰীত বিশ্ববিদ্যালয়ৰ মছজিদ আৰু ৰাজধানী মছজিদ স্থাপনৰ ক্ষেত্ৰত তেখেতৰ অৱদান উল্লেখযোগ্য।

অধ্যাপক হোদা চাহেব একাধাৰে বিশিষ্ট শিক্ষাবিদ, সাংবাদিক , সমাজ সেৱক, লিখক আৰু পণ্ডিত হোৱাৰ উপৰিও তেখেত এজন নিষ্ঠাবান, মানৱ দৰদী, নম্ৰ আৰু সদা ব্যস্ত ব্যক্তি আছিল। তেখেত এজন সুবক্তাও আছিল। তেখেতৰ ঘৰখনো ইছলামী বাতাবৰণৰে পৰিপূৰ্ণ। ১৯৯৫ চনত তফহীমূল কোৰআনৰ ৩০ তম খণ্ডৰ ব্যাখ্যাসহ মোহাম্মদ মজিদ আলী চাহেবৰ সৈতে আৰু কোৰআন বোধ (ছুৰা বাকাৰা) ড° ৰূপচান্দ আলিৰ সহযোগত যুটীয়া ভাৱে অনুবাদ কৰি তেখেতে অসমীয়া ভাষা সাহিত্য চহকী কৰিছিল। ১৯৯৯ চনত বিশ্বৰ বিশিষ্ট ইছলামী চিন্তাবিদ আল্লামা আবুল আলা মওদুদী চাহেব(ৰঃ)ৰ উৰ্দ্দু 'তৰজমায়ে কোৰআন'ৰ সম্পূৰ্ণ অসমীয়া অনুবাদ মোহাম্মদ মজিদ আলী চাহেবৰ সৈতে যৌথ ভাৱে সম্পাদনা কৰিছে। ২০০১ চনত পবিত্ৰ হজ সম্পৰ্কীয় হাত পুথি এখন প্ৰকাশ কৰি ভাবী হাজী সকলৰ উপকাৰ সাধন কৰে। ইয়াৰ উপৰিও তেখেতে মোহাম্মদ মজীদ আলী আৰু মোহাম্মদ পিয়াৰ চাহেবৰ সৈতে হদীছ সংগ্ৰহ নামৰ মওলানা জলীল আহছান নাদভীৰ ৪৫০ টা হদীছৰ এখন গ্ৰন্থ সংকলনৰ অনুবাদ কৰি প্ৰকাশ কৰিছিল। তেখেতৰ ভালেমান প্ৰৱন্ধ পাতি সাপ্তাহিক মুজাহিদ কাকতত প্ৰকাশ পাইছিল।

**হোদা চাহেবৰ ৰচিত আন পুথি সমূহ হ'ল ঃ**

১) আৰবী ব্যাকৰণ আৰু ৰচনা পদ্ধতিৰ আদি পাঠ, ২) ভাইটি-ভণ্টিহঁতৰ ইছলাম, ৩) Bouquet from the Garden of Allah, ৪) সহজ আৰবী কাইদা, ৫) কেইটামান অতি লাগতিয়াল হদীছ, ৬) ছন্দত কোৰআনৰ বাণী, ৭) , ৮) হজত হব পৰা ভূল-ভ্ৰান্তিবোৰ, ৯) মোৰ জীৱনৰ লাইম লাইট (অ-প্ৰকাশিত) আৰু ১০) টি' ভি, চোৱা হাৰাম নে?

সু-স্বাস্থ্যৰ অধিকাৰী হোদা চাহেব মৃত্যুৰ প্ৰায় শেষ মূহুৰ্ত্তলৈকে কৰ্ম্মক্ষম আছিল। তেখেতে সমগ্ৰ জীৱন স্বদেশ আৰু স্বজাতিৰ কল্যাণৰ বাবে নিয়োজিত কৰিছিল।

২০০৬ চনৰ ১০ ডিচেম্বৰ তাৰিখে তেখেতৰ ইন্তেকাল হয়। তেখেতৰ মৃত্যুত অসমে এজন বিশিষ্ট ব্যক্তিক হেৰুৱালে আৰু ইছলাম জগতৰ বিপুল ক্ষতি হ'ল। ❖

---

(মোহাম্মদ মজীদ আলীৰ চৈয়দ ছামচুল হোদা চাহেবৰ জীৱনীমূলক টোকা আৰু চৈয়দা নজিফা বেগমৰ ভাগিন ককাইটি নামৰ পুথিৰ সহায়ত যুগুতোৱা - সংকলক)

# নুৰুদ্দিন আহমদ

মহম্মদ তাহেৰ

কুৰি শতিকাৰ আগভাগতো উত্তৰ লক্ষীমপুৰৰ আৰ্থ-সামাজিক আৰু বৰ্হিজগতৰ লগত যোগাযোগ ব্যৱস্থা অত্যন্ত শোচনীয় আছিল। তেনে পৰিৱেশত এগৰাকী গাৱলীয়া অশিক্ষিতা বিধৱাৰ এটি নিঃস্ব পৰিয়ালৰ এটি পুত্ৰ যে এসময়ত এজন বিদ্বান, সুপণ্ডিত আৰু সু-শিক্ষিত হৈ অঞ্চলটোৰ মুখ উজ্বলাব পাৰিব, এইটো কোনোৱে ভাবিবই পৰা নাছিল । কিন্তু ইয়াক সম্ভৱ কৰি দেখুৱালে, অসীম মনোবলৰ প্ৰতীক নীৰৱ সমাজকৰ্ম্মী নুৰুদ্দিন আহমদে। ২০০৮ চনৰ ২০ এপ্ৰিলত প্ৰায় ৯৩ বছৰ বয়সত এখেতৰ দেহাৱসান ঘটে। লক্ষীমপুৰ মহকুমাৰ বিভিন্ন স্কুলত হাতে-খড়ি লোৱাৰ পৰা দশম শ্ৰেণীলৈকে পঢ়াই থৈ যোৱা শ শ ছাত্ৰ -ছাত্ৰীক ম্ৰিয়মান কৰি, এটা নীৰৱ সাধনাৰ দীঘলীয়া জীৱনৰ অন্ত পেলাই তেওঁ আমাৰ মাজৰ পৰা আতঁৰি গ'ল। আমাৰ বাবে থৈ গ'ল এজন আদৰ্শবান শিক্ষকৰ, এজন জাতীয় পৰ্য্যায়িৰ স্কাউট সংগঠকৰ, এজন নাট্যশিল্পী আৰু সৰ্বাৰো উপৰি, এজন নৈষ্ঠিক সমাজ সেৱকৰ আদৰ্শ।

নুৰুদ্দিন আহমদৰ পৰিয়ালৰ কথা ক'বলৈ হলে লক্ষীমপুৰৰ এঙাৰখোৱা আৰু খুটাকটীয়া গাঁৱৰ এটি চমু ইতিহাস কবৰ প্ৰয়োজন হয়। তেওঁ জন্ম হোৱা পৰিয়ালটো তেওঁৰ জন্মৰ সময়ত নিঃস্ব হলেও, তেওঁৰ পূৰ্বপুৰুষ নৈৰ বালিত সোণ কমোৱা শিল্প আৰু সোণৰ ব্যৱসায়ৰ লগত জড়িত আছিল। সেয়েহে তেওঁলোকৰ পৰিয়ালটোক সোণাৰী পৰিয়াল বুলি জনা গৈছিল। যথাসম্ভৱ মান-ভগনৰ সময়ত

তেওঁৰ পূৰ্বপুৰুষসহ আন কিছুমান অসমীয়া মুছলমান মানুহ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ এই দক্ষিণ লক্ষীমপুৰ অঞ্চলত বহিছিলহি। বৰ্ত্তমানৰ আজাদৰ দক্ষিণৰ সোমদিৰি নৈৰ পাৰত আচাৰ কটা নামৰ এটি অঞ্চল আছে। এই অঞ্চলতে সোমদিৰিৰ বুকুত তাহানি কালত গৰীয়া - ডোবা আৰু গৰীয়া পথাৰ নাম ৰ এটা ডুবি আৰু এখন পথাৰ আছিল। জনা যায় যে একালত এই গৰীয়া ডোবাৰ আৰু গৰীয়া পথাৰৰ আশে-পাশে এখন মুছলমান গাওঁ আছিল আৰু সেই গাঁৱৰ পৰা ডুবিটোৰ নাম গৰীয়া-ডোবা আৰু পথাৰ খনৰ নাম গৰীয়া পথাৰ হৈছিল। নুৰুদ্দিন ককাইটিৰ পূৰ্বপুৰুষসহ এই গাওঁখনৰ মানুহখিনি ঊনবিংশ শতিকাৰ মাজভাগত সোমদিৰি, ঘাগৰ আৰু সোৱণশিৰিৰ বানত প্ৰতি বছৰে সৰ্বস্বান্ত হোৱাত বৰ্তমানৰ এঙাৰখোৰা-খুটাকটীয়া অঞ্চলটোলৈ উঠি আহে আৰু এই গাওঁ দুখনৰ মাজত, কমলাবাৰী-পথৰ পশ্চিমে থকা সোনাৰী পথাৰৰ পশ্চিম কাষত বসবাস কৰিবলৈ লয়। আমি সৰু হৈ থাকোঁতে সোনাৰী পথাৰৰ পশ্চিম আৰু চিৰিঙৰ চুকৰ দক্ষিণ-পূৱত এই অংশটো এৰাবাৰীৰে ভৰা এখন ডাঠ হাবিত পৰিণত হৈছিল। কিন্তু তাৰ মাজত মছজিদৰ ভেটি, ঘৰৰ ভেটি, 'আদমৰ পুখুৰী' নামৰ এটা অনতিবৃহত পুখুৰী আৰু আম, জামু, লেটেকু আদিৰ গছ আমি দেখা পাইছিলোঁ। আচাৰকটাৰ পৰা উঠি অহা মানুহখিনিৰ ভিতৰৰে উপৰুক্ত সোনাৰী পৰিয়ালৰ নামেৰে এই নতুন গাওঁখনৰ নাম সোনাৰী গাওঁ হয়। ঊণবিংশ শতিকাৰ শেষৰ ফালে, যেতিয়া উত্তৰ লক্ষিমপুৰ -কমলাবাৰী পথটো বন্ধ হ'ল, তেতিয়া সোনাৰী গাঁৱৰ মানুহখিনিৰ এভাগ এঙাৰখোৰালৈ আৰু অধিকাংশ সোমদিৰিৰ পাৰৰ এই ৰাস্তাটোৰ কাষলৈ উঠি আহিল। নুৰুদ্দিন চাহেব জন্ম হোৱা সোনাৰী পৰিয়ালটো এঙ্গাৰখোৰাত থিতাপি লৈছিল। এইখিনিতে উল্লেখনীয় যে বাকী অংশক অৰ্থাৎ খুটাকটীয়া গাঁৱক প্ৰথম অৱস্থাত 'আলিকাষ' বুলিয়ে জনা গৈছিল।

নুৰুদ্দিন আহমদৰ পিতৃৰ নাম আছিল জোহোৰুদ্দিন আহমদ আৰু মাতৃৰ নাম আছিল কণকা বিবি। ১৯০৮ চনত এওঁলোকৰ বিবাহ হৈছিল। নুৰুদ্দিনৰ একমাত্ৰ বায়েকৰ জন্ম হৈছিল ১৯১০ চনত আৰু তেওঁৰ জন্ম হৈছিল ১৯১৫ চনৰ ২৯ অক্টোবৰ তাৰিখে। তেওঁৰ বয়স মথোন তিনি বছৰ হওঁতেই, ১৯১৮ চনত সমগ্ৰ

বিশ্বজুৰি হোৱা ইনফ্লুৱেঞ্জাত তেওঁৰ পিতৃৰ মৃত্যু হৈছিল। এৱোঁ আছিল এজন দৰিদ্র খেতিয়ক। আমি সৰু হৈ থাকোঁতে তেওঁলোকৰ ঘৰটো দেখা মনত আছে। এঙাৰখোৱাৰ তেওঁলোকৰ এই বাৰীখন দ আছিল বাবে বাৰিষা পানীৰে ভৰি পৰে আৰু সেয়েহে তেওঁলোকৰ ঘৰটো আছিল দুটা কোঠালিৰ এটা ওখ চাংঘৰ। ঘৰটোৰ এটা কোঠালিত ধান থোৱাৰ ব্যৱস্থা আছিল। তেওঁলোকৰ বাৰীখনত এজোপা বুঢ়া ওখ তেতেলি গছ আছিল। আমি স্কুললৈ আহোঁতে যাওঁতে ফৰ্মুঠি মাৰি তাৰ তেতেলি পাৰি খাইছিলোঁ । ঘৰুৱা অৱস্থা এনে দাৰিদ্র্য জড়িত হোৱা স্বত্তেও নুৰুদ্দিন ককাইটিৰ মাকে চাদৰ, চেলেং আৰু গামোচা বৈ সেইবোৰ বিক্রী কৰি তেওঁৰ পঢ়াৰ খৰচ যোগাইছিল। ১৯২৭ চনত তেওঁ ৪৭ নং তেলাহী স্কুলৰ পৰা বৃত্তি লাভ কৰি পাঠশালা পাছ কৰে আৰু উত্তৰ লক্ষ্মীমপুৰ গৱৰ্ণমেণ্ট হাইস্কুলত পঢ়িবলৈ লয়। হাইস্কুলৰ ওপৰ শ্ৰেণী পোৱাৰ সময়ত তেওঁ নিজেও দুটা এটা টিউছন কৰি মাহে দুটকা -আঢ়ৈ টকা খৰচ উলিয়াব লগাত পৰিছিল। সৰু কালৰে পৰা তীক্ষ্ণবুদ্ধিৰ আছিল বাবে স্কুলীয়া কালত তেওঁ সকলোৰে প্ৰশংসা পাবলৈ সক্ষম হৈছিল। দাৰিদ্র্যই তেওঁৰ নিয়মীয়া পঢ়া-শুনা বিঘ্নিত কৰিছিল যদিও, তেওঁৰ মনৰ প্ৰৱল ইচ্ছাক অৱদমিত কৰিব পৰা নাছিল। ১৯৩৬ চনত তেওঁ দ্বিতীয় বিভাগত কলিকতা বিশ্ববিদ্যালয়ৰ মেট্ৰিকুলেছন পৰীক্ষা পাছ কৰে। তাৰ পাছতেই আৰম্ভ হৈছিল তেওঁৰ সংঘাতময় জীৱিকাৰ সংগ্ৰাম। ১৯৩০ ৰ দশকত বিশ্বজুৰি যি মুদ্ৰাস্ফীতি হৈছিল, তাৰ ফলত চাকৰিৰ বজাৰ মন্দা হৈ পৰিছিল। সেয়েহে নুৰুদ্দিন ককাইটিয়ে নিৰুপায় হৈ এঙাৰখোৱাৰ পৰা খুটাকটীয়ালৈ উঠি আহি ইয়াত তেল-নিমখৰ এখন সৰু দোকান দিবলৈ লয়। কিন্তু তেওঁৰ জ্ঞানপিপাসু মন এই ব্যৱসায়ত কোনোমতেই সুখী আৰু সন্তুষ্ট হব নোৱাৰিল। ১৯৩৭ চনৰ পৰা ১৯৪১ চনলৈ তেওঁ আনৰ ছুটীৰ বিপৰীতে পানীগাওঁ, ইছলামপুৰ আৰু পুণৰ পানীগাৱঁত অস্থায়ীভাৱে শিক্ষকতা কৰিবলৈ আৰু লগে লগে সমাজৰ সেৱাও কৰিবলৈ লয়। এইখিনি সময়তে তেওঁ শলাল পানীগাওঁৰ নাট্য-আন্দোলন, খুটাকটীয়া -শেনচোৱা -ফুকনৰহাট অঞ্চলত ঈদগাহ আৰু খেলা ধুলা পতা, কানি নিবাৰণ আৰু নিৰক্ষৰতা দূৰীকৰণ আদি সেৱামূলক কাৰ্য্যত আত্মনিয়োগ কৰে।

১৯৪১ চনৰ পৰা ১৯৪৩ চনৰ ভিতৰত তেওঁ যোৰহাট নৰ্মাল স্কুলত প্ৰশিক্ষণ লয় আৰু সেই সময়তে তেওঁ স্কাউটৰ এজন উল্লেখযোগ্য প্ৰশিক্ষক হৈ পৰে । **১৯৪৩** চনত তেওঁ তিনিটা মেডেলেৰে অলঙ্কৃত হৈ নৰ্মাল থাৰ্ড ইয়েৰ পাছ কৰি পুণৰ পানীগাওঁ এম .ভি. স্কুলত যোগদান কৰে । ইয়াৰ কিছুদিনৰ পাছতে তেওঁ দ্বিতীয় মহাসমৰত সামৰিক যোগান বিভাগত মকৰল হৈ গুৱাহাটী, কলিকতা, এলাহাবাদ, কাটনি, লাহোৰ, ছট্টগ্ৰাম, ৰেঙ্গুণ আদিত সামৰিক কৰ্ত্তব্যত ঘূৰি ফুৰে। এই সময়খিনিত তেওঁ বিভিন্ন ঠাইৰ মানুহ, বিভিন্ন সমাজ আৰু সংস্কৃতি সম্পৰ্কে বিশদ জ্ঞান আৰু অমূল্য অভিজ্ঞতা আহৰণ কৰে। ১৯৪৬ চনত, মহাসমৰৰ অন্তত তেওঁ সামৰিক নিযুক্তিৰ পৰা অব্যাহতি লৈ ঘূৰি আহে আৰু সেই সময়ত স্থাপিত হবলৈ ধৰা শলাল-তেলাহী - কমলাবৰীয়া স্কুলত শিক্ষকতা আৰম্ভ কৰে। এই স্কুলখনত কাম কৰি থাকোতেই ১৯৪৮ চনৰ ১৯ এপ্ৰিলত ৩৩ বছৰ বয়সত নুৰুদ্দিন ককাইটিয়ে লক্ষীমপুৰৰে নগৰৰ জাহানাৰা বেগম বৰুৱাৰ লগত বিবাহ পাশত আৱদ্ধ হয়। স্কুলখন ঠন ধৰি উঠাত ১৯৪৮ চনত তেওঁ উত্তৰ লক্ষীমপুৰ গৱৰ্ণমেণ্ট হাইস্কুলত শিক্ষক হিচাপে যোগদান কৰে। সেই স্কুলত তেওঁ ১৯৪৮ চনত পৰা ১৯৬০ চনলৈ সাধাৰণ শিক্ষকতাৰ বাহিৰেও স্কাউটৰ শিক্ষক হিচাপেও কাম কৰে। তদুপৰি ১৯৫৫ চনৰ পৰা তেওঁক ওপৰঞ্চি ভাৱে Physical Drill Instructor হিচাপেও নিযুক্তি দিয়া হৈছিল। এই ব্যস্ততাৰ মাজত তেওঁ প্ৰাইভেটকৈ ১৯৫৩ চনত I.A. আৰু ১৯৫৮ চনত B.A. পাছ কৰে । আনহাতে আকৌ ১৯৫৫ চনত স্কাউটিঙৰ প্ৰশিক্ষক হিচাপে ভাৰতৰ ৰাষ্ট্ৰপতিৰ মেডেল লাভ কৰে। তেওঁৰ যোগ্যতা, আভিজ্ঞতা আৰু পাৰদৰ্শিতা দেখি চৰকাৰে তেওঁক ১৯৬০ চনত প্ৰাইমেৰী স্কুলৰ উন্নতিৰ হকে, স্কুল উপ-পৰিদৰ্শক হিচাপে নিযুক্তি দিয়ে। এই পদৰ পৰাই তেওঁ ১৯৭৪ চনৰ ২৫ মে'ত অৱসৰ গ্ৰহন কৰে।

অপাৰ কৰ্মশক্তিক্ষম এই মানুহজনে আনুষ্ঠানিকভাৱে চাকৰিৰপৰা অৱসৰ ললেও, শিক্ষাৰ প্ৰসাৰ আৰু সমাজৰ সেৱাত পুণৰ মূৰ পাতি লাগি গ'ল। ১৯৭৫ চনত তেওঁ আফজল হুছেইন আৰু ছৈয়দ হবিবুৰ ৰহমান আদি সকলৰ সহযোগত এঙাৰখোৱা চাৰিআলিত এখন উচ্চ মাধ্যমিক স্কুল প্ৰতিষ্ঠা কৰি অঞ্চলটোৰ দুখীয়া

ল'ৰা-ছোৱালীৰ মাধ্যমিক শিক্ষাৰ বাট মুকলি কৰে। এই স্কুলখন যেতিয়া অলপ থিতাপি লাগিল, তেওঁ তাৰ পৰা বিদায় লৈ ১৯৭৮ চনত খুটাকটীয়াত এখন 'দ্বিনী আলিয়া মাদ্রাছা' স্থাপন কৰে আৰু ১৯৯০ চনলৈকে ইয়াৰ ক্ৰমে সচিব আৰু সভাপতি হৈ মাদ্রাছাখন নিয়াৰিকৈ চলাই দৃঢ় ভিত্তিত স্থাপন কৰে।

নুৰুদ্দিন আহমদ আছিল এজন অনন্য ব্যক্তিত্বৰ লোক। সততা নৈষ্ঠিকতা আৰু সামাজিক দায়বদ্ধতাই তেওঁৰ মানসিকতাক গঢ় দিছিল। ১৯৩৮ চনত মোৰ বাল্যকালত তেওঁৰ সৈতে হোৱা এটি ঘটনাই মোৰ মনত গভীৰভাৱে ৰেখাপাত কৰিছিল। সেই সময়ত লক্ষীমপুৰ - কমলাবাৰী পথত প্ৰথম বাৰৰ বাবে শিলগুটি দিয়া হৈছিল। পাহাৰীয়া নৈৰ বুকুৰ পৰা তুলি অনা ৰঙা, বগা, কলা, কজলা অদি নানা বৰণীয়া শিলগুটিৰ দমবোৰ আলিটোৰ ওপৰত ১০০ মিটাৰমান আঁতৰে আঁতৰে পেলাই থোৱা আছিল। এদিন মই আৰু মোৰ বন্ধু ছফিউল্লাই এনে এটা দ'মৰ পৰা শিলগুটি লৈ কাষৰ বগৰী গছ এজোপাত পৰি থকা বুলবুলি আৰু কাণকুৰিকা চৰাইলৈ নির্বিঘ্নে মাৰি আছোঁ। এনেতে ওলালহি নুৰুদ্দিন ককাইটি। তেওঁ আমাৰ ওচৰলৈ চাপি আহিল, থিয় হ'ল আৰু কঠোৰ ভাৱে ক'লে, "এই চৰকাৰী শিলগুটিবোৰ তহঁতে কিয় নষ্ট ক ৰিছ? আৰু কি দোষত চৰাই মাৰিবলৈ লৈছ ? দুয়োটাই বেয়া কাম কৰিছ। ইয়াৰ পাছত তহঁতে এনে কৰা দেখিলে মই কিন্তু শুদাই নেৰিম।" কথাকেইটা কৈ তেওঁ গুছি গ'লগৈ। মই ক্ষন্তেকৰ বাবে হতভম্ব হ'লো। যেতিয়া সম্বিৎ ধূৰি আহিল, মোৰ এনে লাগিল যেন ইমান সময়ে মই চৰাইৰ গালৈ মাৰি থকা শিলগুটিবোৰ ঘূৰি আহি মোৰ গাতহে পৰিছেহি। তেওঁ বুজাই গ'ল ৰাজহুৱা এটা শিলগুটি অপচয় কৰাৰ অধিকাৰ আমাৰ নাই বা এটা চৰাইৰ কিবা হানি কৰাৰো আমাৰ ঔচিত্য নাই। কথা দুটা মই উপলব্ধি কৰি আহিছোঁ আজিকোপতি।

আগতে উনুকিয়াছো যে তেওঁ অঞ্চলটোৰ ওচৰা-ওচৰিকৈ থকা সাত খন মুছলমান গাৱঁৰ ৰাইজক ঈদ-উজ-জোহাত একেলগে নামাজ পঢ়িবলৈ ঈদগাহৰ আয়োজন কৰিছিল। এইটো কৰাৰ তেওঁৰ মূল উদ্দেশ্য আছিল এই মানুহখিনিক সামাজিক ভাৱে একত্ৰিত আৰু জাগ্ৰত কৰা। এইটো কৰিবলৈ তেওঁ প্ৰত্যেকখন গাৱঁৰে চাৰি-পাঁচজনকৈ লৰা গোটাই লৈ, ঈদৰ কেইদিনমান আগৰে পৰা এফালে

ৰাইজক ঈদগাহ হ'ব বুলি খবৰ দিয়ে আৰু আনফালে সাতোখন গাৱঁৰ মাজৰ কোনোবা এখন পথাৰৰ একাংশ পৰিষ্কাৰ কৰি, তাৰ চাৰিওফালে ৰঙা, নীলা, বেঙুনীয়া তিনিকুনীয়া কাগজৰ ফ্লেগ পুতি অস্থায়ী ঈদগাহৰ স্থান প্ৰস্তুত কৰে। ঈদৰ দিনা পুৰা সাতোখন গাৱঁৰ ৰাইজ তাত ঈদৰ নামাজ পঢ়িবলৈ আহে। নামাজ পঢ়াৰ আগতে নানান সামাজিক কথা আলোচনা হয়। নুৰুদ্দিন ককাইটিয়ে তাৰ মাজতে জেপৰপৰা এখন কাগজ উলিয়াই সামাজিক উন্নয়নৰ বাবে কৰণীয় কথা কেইটা আঙুলিয়াই দিয়ে । ইয়াৰ ভিতৰত তেওঁ বিশেষকৈ গাওঁ কেইখনত মানুহৰ ধৰ্মীয় কৰ্ত্তব্যৰ প্ৰতি অনীহা, কিছুমান মানুহৰ কানি খোৱাৰ অভ্যাস, কিছুমান মানুহৰ কানিৰ চোৰাং ব্যৱসায় কৰাৰ অভ্যাস, ল'ৰা-ছোৱালীক স্কুললৈ পথোৱাত অগ্ৰাধিকাৰ নিদিয়া, আদি কথাবোৰ কঠোৰ ভাষাৰে সমালোচনা কৰিছিল । ঈদগাহৰ বাহিৰেও মেলে-মিটিঙে সুবিধা পালেই তেওঁ এই সংস্কাৰমূলক কথাবোৰ ৰাজহুৱাভাৱে সকিয়াই ফুৰিছিল। এনে সংস্কাৰমূলক কামত আওকাণ কৰা দেখি, তেওঁ ব্যাঙ্গাত্মক ভাষাতে লিখিছিল, 'হাল বাঁওতে দগধা বলদক বুটী এছাৰিৰে খোঁচি দিলেও যেনেকৈ বলদটো খৰকৈ আগবাঢ়ি নগৈ তাৰ টি কাটো এফলীয়া কৰি দিয়ে, সেইদৰে আমাৰ ৰাইজে সমালোচনা কৰিলেও, কটু কথাখিনি ইকাণে সোমোৱাই সিকাণে উলিয়াই দিয়ে।'' কিন্তু, তেওঁৰ কেতিয়াও হতাশা নাছিল, তেওঁ ভাবিছিল সমাজৰ উন্নতি কৰিবই লাগিব।

ঈদ হৈ যোৱাৰ তিনি দিনমানৰ ভিতৰতে তেওঁৰ লগৰ ল'ৰাবোৰেৰে সৈতে এখন 'ঈদ-স্পৰ্টছ' অৰ্থাৎ ঈদ উপলক্ষ্যে খেল প্ৰতিযোগিতা পাতিছিল। ইয়াৰ বাবে জাননী লিখি আলিবাটৰ কাষৰ ডাঙৰ ডাঙৰ গছবোৰৰ গুৰিত আঁৰি দিয়া হৈছিল । তেওঁৰ এই খেলা-ধুলা পতাৰ ঘাই উদ্দেশ্য দুটা আছিল প্ৰথমটো হৈছে, ঈদৰ আনন্দৰ ভাগ যেন জাতি-ধৰ্ম-বৰ্ণ নিৰ্ব্বিশেষে অঞ্চলটোৰ সকলোৱে পায় আৰু দ্বিতীয়তে, খেলা-ধুলা, ব্যায়াম আৰু শাৰীৰিক সহিষ্ণুতাৰ প্ৰতি সজাগতা যেন যুৱক-যুৱতীৰ মাজলৈ আহে। এনেবোৰ খেল-ধেমালিত সকলোৱে বটাঁ পাব পাৰে।

নুৰুদ্দিন আহম্‌দৰ মাজত এটা শিল্পী সত্তা গভীৰভাৱে সম্পৃক্ত হৈ আছিল। তেওঁৰ হাৰমণিয়াম আৰু বাঁহী বজোৱাৰ প্ৰতি ৰাপ আছিল। ডেকা কালত তেওঁ সময় পালে পথাৰত বা এৰাবাৰীলৈ গৈ নিৰলে দুপৰীয়া বাঁহী বজাইছিল। ১৯৩৭

চনত খুটাকটীয়াত তেওঁ যেতিয়া দোকান দিবলৈ লৈছিল, তেতিয়া গ্ৰাহক নথকা সময়ত তেওঁ নিৰলে বহি সুন্দৰ ছবি আকিছিল। তেওঁৰ 'পেঞ্চিল স্কেচ্চ' (Pencil sketch) উচ্চ পৰ্য্যায়ৰ আছিল। এই বহু গুনেৰে বিভূষিত ব্যক্তিজন আকৌ আছিল এজন সুঅভিনেতা। ১৯৪৩ চনত তেওঁ পানী গাওঁ ছাত্ৰবৃত্তি স্কুলত আৰু ১৯৪৭ চনত সৰু কমলাবৰীয়াত ক্ৰমান্বয়ে 'কাশ্মীৰ কুমাৰী' আৰু 'মেৱাৰ সন্ধ্যা' নাটকত সুন্দৰ অভিনয় কৰা আমি দেখি তবধ মানিছিলোঁ।

শিক্ষক হিচাপে তেওঁ যেনে এজন আৰ্দশ শিক্ষক আছিল 'এক্সট্ৰা কাৰিকুলাৰ এক্টিভিটিজ'তো তেওঁ এজন নিপুণ স্কাউট প্ৰশিক্ষক আৰু ড্ৰিল তথা ব্যায়াম শিক্ষক আছিল। ড্ৰিলৰ ক্লাছত স্কুলৰ শ শ ছাত্ৰক ফিল্ডলৈ উলিয়াই নি তেওঁ আনুষ্ঠানিক কছৰত কৰোৱাৰ উপৰিও তেওঁলোকক ধ্বনি আৰু ভঙ্গিৰে পৰিৱেশ্য কলা শিকাইছিল ঃ যেনিবা বতাহ ববলৈ ধৰিছে গছৰ ডাল- পাত হালিছে জালিছে। পাতত বতাহৰ হোঁ হোঁ শব্দ হৈছে। এই প্ৰক্ৰিয়া দেহৰ লয়লাস অঙ্গি-ভঙ্গি আৰু ধ্বনিৰে উপস্থাপিত কৰিবলৈ তেওঁ শিকাইছিল। আকৌ যেনিবা শৰাইঘাটৰ ৰণত জিকি অসমীয়া অশ্বাৰোহী সৈন্যবোৰ বিজয়োল্লাসেৰে গড়গাৱঁলৈ গৈ আছে। প্ৰথমে যেনিবা কদমত গৈছে। তেতিয়া ল'ৰাহতক এক বিশেষ লয়ৰ হাতৰ তলুৱাৰে মাটিত মাৰিবলৈ দিয়া হয়। তাৰ পাছত যেনিবা ঘোৰাই ধনশিৰিত পানী খাইছে, তাৰ পাছত যেনিবা নামদাঙৰ সাকোঁ পাৰ হৈছে। এই সকলোবোৰ ক্ৰিয়া ধ্বনিৰে পৰিবেশন কৰাই তেওঁৰ ছাত্ৰহঁতৰ এহাতে কছৰত সম্পন্ন কৰে আন হাতে দেশপ্ৰেমৰ ভাব তেওঁলোৰৰ মনত জাগৰিত কৰে।

কিন্তু ইমানতে ক্ষান্ত নেথাকি তেওঁ সৃজনীমূলক লিখাতো হাত দিছিল। ১৯৪১-১৯৪৩ চনত যোৰহাট নৰ্মাল স্কুলত থাকোঁতে তাৰ বছৰেকীয়া আলোচনী 'প্ৰভাত'ত তেওঁ লেখা গল্প আৰু প্ৰবন্ধ আমি পঢ়িছিলোঁ। তেওঁ লেখা আত্মজীৱনীমূলক এটা গল্পৰ 'নিৰানন্দ' নামৰ এটা চৰিত্ৰৰ কথা মনত পৰিছে। নিৰানন্দ নামৰ সদা ব্যস্ত আদৰ্শবাদী কিন্তু চিন্তাক্লিষ্ট ব্যক্তিজন আখৰে আখৰে সত্যত থাকিবলৈ যায়, সমাজত এক শ্ৰেণীৰ  লোকৰ ওপৰত আন এক শ্ৰেণীৰ শোষণ-নিস্পেষণৰ কথা কবলৈ যায়, কিন্তু তেওঁ অপ্ৰিয়পাত্ৰ হয়। যাৰ হকে তেওঁ

কৰলৈ যায় তেওঁলোকেও নিৰানন্দক ভুল বুজে। নিৰানন্দই শেষত এক নিঃসঙ্গ জীৱন কটাবলগীয়া হয় । যি গভীৰ অনুভূতিৰে লেখকে নিৰানন্দৰ চৰিত্ৰটো চিত্ৰিত কৰিছে, তাৰ পৰা ইয়াক আত্মজীৱনী মূলক চিত্ৰায়ন বুলিবৰ থল আছে।

তেওঁ আছিল এজন দৃঢ় সমাজ সচেতক। লক্ষীমপুৰৰ পৰা কুৰি শতিকাৰ সত্তৰৰ দশকত প্ৰকাশ পোৱা 'ন-লখিমী' কাকতত তেওঁ 'শ্ৰীউতনুৱা খাৰখোৱা' ছদ্ম নামেৰে প্ৰায় ১৫ বছৰ কাল 'নকৈ নোৱাৰোঁ হেৰি' শিৰোনামত সমাজত চলি থকা অনায়, অধৰ্ম, অনাচাৰ, ভ্ৰষ্টাচাৰবোৰ উদঙাই দি, সেইবোৰৰ নিবাৰণৰ বাবে অক্লান্তভাৱে লিখি আছিল।

নুৰুদ্দিন আহমদৰ বিষয়ে আৰু এটা কথা নকলে এই লেখাটি অসম্পূৰ্ণ হব। সেইটো হৈছে তেওঁৰ ভাষা জ্ঞান। তেওঁৰ অসমীয়া, ইংৰাজী হিন্দী, উৰ্দু আৰু আৰবীত গভীৰ বুৎপত্তি আছিল। ১৯৪৩ ৰ পৰা ১৯৪৬ লৈ দ্বিতীয় মহাসমৰত থাকোঁতে তেওঁ পৃথিৱীৰ বিভিন্ন মানুহৰ সান্নিধ্যত আহিছিল সেয়ে ইংৰাজী, হিন্দী আৰু উৰ্দু ভালকৈ আয়ত্ব কৰি লৈছিল। যুদ্ধৰ পৰা ঘূৰি আহি শিক্ষকতা কৰাৰ সময়ত তেওঁ ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি (ৱাৰ্ধা) ৰ কেইবাটাও হিন্দী ভাষা জ্ঞানৰ পৰীক্ষা পাছ কৰিছিল।

এই চমু আলোচনাটিৰ পৰা বুজিব পাৰি যে নুৰুদ্দিন আহমদ আছিল এজন অনন্য ব্যক্তিত্বৰ লোক। কড়া বৰা চাউল যেন মিহি গোট গোট সু-গঢ়ী আৰু নিৰ্ভুল বানানৰ লেখাবোৰ দেখিলেই মানুহজনৰ চাৰিত্ৰিক ঋজুতা, নৈষ্ঠিকতা, ধৰ্মপৰায়ণতা আৰু ব্যক্তিত্বৰ দৃঢ়তা বুজিব পাৰি। তেওঁ এজন আদৰ্শ শিক্ষক আছিল, যাক ছাত্ৰ-ছাত্ৰীয়ে কেতিয়াও পাহৰিব নোৱাৰে। তেওঁ নিষ্ঠা আৰু নিয়মানুৱৰ্ত্তিতাৰ প্ৰতীক আছিল। যি কাৰণে সৰু বৰ সকলোৱে তেওঁক সমীহ কৰিছিল। তেওঁ সদায় অন্যায়ৰ বিৰুদ্ধে অকলে হলেও থিয় দিছিল, সেয়ে তেওঁ সমাজ সেৱা কৰিলেও মানসিক ভাৱে এজন সমাজ বিপ্লৱীৰ নিঃসঙ্গ জীৱন যাপন কৰিছিল। তেওঁৰ এই একাকীত্ব ঘৰুৱা জীৱনতো বাঢ়িছিল, কাৰণ ১৯৭৬ চনৰ ১৫ অক্টোবৰত বিবাহৰ ২৮ বছৰৰ পাছত তেওঁৰ পত্নী বিয়োগো ঘটিছিল আৰু তেওঁ অকলেই চাৰিটি পুত্ৰ আৰু দুটি কন্যাক চোৱা চিতা কৰিব লগা হৈছিল। কিন্তু

উল্লেখনীয়, শেষ পৰ্যন্ত তেওঁ অকলশৰীয়াকৈ থাকিও সমাজৰ উন্নতিৰ চিন্তাকে কৰি গ'ল।

এতিয়া তেওঁক হেৰুওৱাৰ পাছত, এনে লাগিছে যেন জীৱন কালত তেওঁ যি আদৰ আৰু স্বীকৃতি পাব লাগিছিল তাক আমি তেওঁক দিব নোৱাৰিলোঁ। তাহানি অষ্টম শ্ৰেণীত পঢ়া ইংৰাজী কবিতা এটাৰ এটা পংক্তি মনত পৰিছে, যাৰ অসমীয়া অৰ্থ হয়তো হব ঃ


'ক'ত পাহি ফুলে ফুলি অৰণ্যৰ আৰালত
অবাবতে বিলালে সৌৰভ,
চকুৰ আঁৰত থাকি অজানিতে মৰ'হিল
কোনে তাৰে কৰিব গৌৰৱ?'

কিন্তু আমাৰ দৃঢ় বিশ্বাস, দক্ষিণ লক্ষীমপুৰ অঞ্চলটোৰ জাতি ধৰ্ম নিৰ্বিৰ্বশেষে সকলো ৰাইজ আৰু তেওঁৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত নুৰুদ্দিন আহমদ স্মৰণীয় হৈ থাকিব। ❖

# আমীন খান

মূল ইংৰাজী ঃ ফাতেমা গুলবদন

ভাষান্তৰ আৰু পুনৰ লিখন ঃ দেবিৰা চুলতানা আহমদ



প্ৰফেচাৰ মোহাম্মদ আমীন খান এগৰাকী বহুগুণ সম্পন্ন ন্যায় পৰায়ণ আৰু নিষ্ঠাবান ব্যক্তি আছিল। তেখেতৰ পিতাক আছিল গোলাম চাৰৱাৰ খান আৰু মাতৃ আছিল চৈয়দা খাদিজা খানুম। পিতৃ তাজিক মূলৰ এগৰাকী উচ্চ পদস্থ, আফগানী সামৰিক বিষয়া আছিল। তেখেত গজনীৰ নিবাসী আছিল আৰু সেনাধ্যক্ষ হিচাপে ইঙ্গ-আফগান যুদ্ধত যুজ কৰিছিল। এটি বিদ্ৰোহৰ পাছত তেখেতে সঙ্গী কেইগৰাকী মানৰ সৈতে ভাৰতবৰ্ষলৈ গুচি আহে। আমীন খান চাহাবৰ পিতৃয়ে অসমৰ ধুবুৰীত আহি থিতাপি লয় আৰু সম্পূৰ্ণ ভাৰতীয় হৈ পৰে। তেখেতে নিজৰ জাহাজেৰে দলিছা আৰু ৰেচমী কাপোৰৰ ব্যৱসায় কৰিছিল। সেই সময়ৰ কোচ বিহাৰ, কলিকতা আৰু গোৱালপাৰাৰ ৰাজ পৰিয়াল আৰু আন পৰিয়ালবোৰৰ লগত ব্যৱসায় সূত্ৰে তেখেত চিনাকি হৈ পৰিছিল। দেশবন্ধু চিত্তৰঞ্জন দাস তেখেতৰ অন্তৰঙ্গ বন্ধু আছিল। তেখেতে বৃটিছৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। এবাৰ ধুবুৰীৰ কাছাৰিত ভূল ৰায় দান কৰা বাবে এজন বৃটিছ ন্যায়াধীশক প্ৰহাৰ কৰি চাঞ্চল্যৰ সৃষ্টি কৰিছিল। তেখেতৰ পত্নী গজনীৰ চুফী সাধক আৰু পণ্ডিত চৈয়দ গোলাম মোহম্মদৰ কন্যা আছিল। এওঁলোকৰ সন্তান আছিল - আমীন খান।

আমীন খান চাহেবৰ জন্ম ১৯১৬ চনৰ ২৭ ফেব্ৰুৱাৰীত । এগৰাকী ব্যক্তিত্ব সম্পন্ন পিতৃ আৰু আদৰ্শ মাতৃৰ তত্বাৱধানত আমীন খান চাহেবৰ বহুমুখী

প্ৰতিভাৰ বিকাশ ঘটিছিল। তেখেত এগৰাকী আদৰ্শ শিক্ষাবিদ হোৱাৰ উপৰিও একাধাৰে ধৰ্ম্ম গুৰু, মোহাদ্দিছ, মুফটি আৰু শিখসকলৰো সন্মানীয় ব্যক্তি আছিল। খৃষ্টান, বৌদ্ধ ধৰ্ম্মীয় লোকৰো তেখেত শ্ৰদ্ধাৰ পাত্ৰ আছিল।

আমীন খান এগৰাকী কৃতী ছাত্ৰ আছিল। প্ৰতিটো পৰীক্ষাত তেখেতে নিজৰ মেধাৰ পৰিচয় দিছিল। তেখেতে মেট্ৰিকত প্ৰথম বিভাগত ধুবুৰী চৰকাৰী স্কুলৰ পৰা উত্তীৰ্ণ হয়। কটন কলেজৰ পৰা সকলো বিষয়তে ৮০ শতাংশ ওপৰৰ নম্বৰ পাই আই. এ. পৰীক্ষা পাছ কৰি কলিকতা বিশ্ববিদ্যালয়ৰ পৰা বি. এ. আৰু এম. এ ডিগ্ৰী লাভ কৰে। তেখেতে জুবিলি বৃত্তি আৰু বিষ্ণুপ্ৰিয়া দেৱী বঁটা পাইছিল। তেখেতে ১৯৩৮ চনত প্ৰৱেশিকা পৰীক্ষাত সাফল্যৰ বাবে ‘কিং জৰ্জ্জ আৰু কুইন মেৰী কৰনেচন দৰবাৰ মেডেল’ লাভ কৰিছিল। কলিকতাত তেখেতৰ অধ্যাপক প্ৰফেচাৰ এল. এচ. দুগিনে (এগৰাকী ফৰাচী ব্যক্তি) আমীন খান চাহেবৰ বিষয়ে এই দৰে মন্তব্য দিছিল। “তেখেতে যি কোনো শিক্ষা অনুষ্ঠানতে এজন ছাত্ৰ বা শিক্ষক হিচাপে গৌৰৱ কঢ়িয়াই আনিব।”

আমীন খান চাহাবে ১৯৪২ চনত প্ৰবক্তা হিচাপে কটন কলেজত যোগ দিয়ে। কলেজ খন তেখেতৰ বৰ আপোন আছিল আৰু ইয়াৰ পৰাই উপাধ্যক্ষ হিচাপে তেখেতে অৱসৰ লয়। কটনৰ শিক্ষকতাত যোগ দিয়াৰ কিছু দিনৰ পাছতে তেতিয়াৰ গুৱাহাটীৰ ডেপুটি কমিচনাৰ হামফ্ৰেৰ এৰাব নোৱাৰা অনুৰোধ ক্ৰমে যোৰহাটত যোগান বিভাগৰ অধীক্ষকৰ কামত যোগ দিয়ে।সেই সময়ত এই বিভাগত অনেক ভ্ৰষ্টাচাৰ চলিছিল, সেইয়া নিৰ্মূল কৰিবৰ বাবে এখেতক পঠিওৱা হৈছিল। সেই কাম যোগ্যতাৰে সম্পূৰ্ণ কৰি তেখেত পুনৰ কটন কলেজৰ চাকৰিলৈ ঘূৰি আহে।

যোৰহাটত থকা অৱস্থাত তেখেতে জয়পুৰৰ পীৰ চাহাব হজৰত মুনিৰখান (ৰহমতুল্লা আল্লাইহি)ৰ সান্নিধ্যলৈ আহে। এই ধৰ্ম্ম গুৰুজনাৰ যোৰহাট দ্বিতীয় ঘৰ আছিল। তেখেতে বাখৰ আৰু সোণৰ কাৰবাৰ কৰিছিল। সেইয়ে তেখেতক বাখৰৱালা পীৰ চাহাব বুলি সকলোৱে জানিছিল। যোৰহাট আৰু অসমৰ আন ঠাইতো তেখেতক অনেক শিষ্য আছিল। এই পীৰ গৰাকীৰ ১৭/১৮ বছৰমান বয়স থাকোতে ৰাজস্থানত এটা ডাঙৰ শিলৰ ওপৰত হুক্কা খাই থকা অৱস্থাত

ইৰাকৰ পৰা অহা চাইবাবা (চিৰ্ডি)ক লগ পাইছিল। চাই বাবাই কিশোৰ মুনিৰ খান চাহেবক এটুকুৰা Amber (জাংফাই) দিছিল। পাছত সেই টুকুৰাই হেনো সোণলৈ পৰিবৰ্ত্তিত হৈছিল। এই কথা কৰনজিয়াই ১৯৭৬ চনৰ 'ব্লিৎজ' (Blitz) পত্ৰিকাত উল্লেখ কৰিছিল। আমীন খান চাহাবৰো এই হজৰত মুনিৰ খান পীৰ আছিল। আধ্যাত্মিক স্তৰতো আমীন খান চাহাব বহুত আগবাঢ়িছিল। তেখেতৰ পিতৃৰ বংশ তালিকাতো অনেক সাধু পুৰুষৰ নাম জিলিকি আছে। তাৰে এজন আছিল হজৰত য়াকুব চাৰখি (তাজিকিস্তান) আৰু এজন চৈয়দ আচগৰ আলি (গজনী) ।

আমীন খান চাহাবে কটন কলেজখনৰ লগতে দেশখনো বৰ ভাল পাইছিল। পিতাকৰ বন্ধু দেশবন্ধু চিত্তৰঞ্জন দাসে আমীন খান চাহাবক সৰুতে মৰমতে 'বাবাই' বুলি মাতিছিল। এবাৰ বন্ধু চাৰৱাৰ চাহাবক কৈছিল 'বাবাই ডাঙৰ হলে দেশভক্ত হব।' সেইয়া সঁচা হৈছিল। তেখেতলৈ আফগানিস্তান, ইৰাণ আদিৰ পৰা অনেক লোভনীয় চাকৰিৰ আহ্বান আছিল, কিন্তু অসম এৰি কলৈকো যাবলৈ তেখেত ৰাজী নাছিল।

এগৰাকী চুফী পন্থী লোক হোৱা হেতুকে তেখেতে সকলো ধৰ্ম্মকেই সমান চকুৰে চাইছিল। তেখেতৰ হিন্দু, শিখ বৌদ্ধ আদি ধৰ্ম্মৰো ভাল জ্ঞান আছিল। তেখেতে গীতা, ভাগৱত, পুৰাণ বেদ আদি সকলো ভাল ধৰণে অধ্যয়ন কৰিছিল। আৰবী , ফাৰ্চী ভাষাৰ পণ্ডিত হোৱাৰ উপৰিও ইংৰাজী, উৰ্দু, হিন্দী, সংস্কৃত, অসমীয়া, বঙালী ভাষাৰ ওপৰতো দক্ষতা আছিল । শেষ বয়সত তেখেতে গুৰুমুখী শিকাৰো চেষ্টা কৰিছিল। অন্য ধৰ্ম্মৰ অনুষ্ঠানবোৰতো তেখেতক বক্তৃতা দিয়াৰ বাবে আমন্ত্ৰণ কৰি লৈ গৈছিল আৰু তেখেতৰ জ্ঞান গৰ্ভ বানী শুনি সকলো মোহিত হৈছিল। তেখেতৰ জ্ঞানক জ্ঞানী সকলেও শ্ৰদ্ধা কৰিছিল। ড° সূৰ্য্যকুমাৰ ভুঞা ডাঙৰীয়া, ডিম্বেশ্বৰ নেওগ ডাঙৰীয়া,ড° মহেশ্বৰ নেওগ ডাঙৰীয়া, পদ্মেশ্বৰ গগৈ ডাঙৰীয়া, মেদিনী চৌধুৰী ডাঙৰীয়া তেখেতৰ ঘৰলৈ পৰামৰ্শ লবলৈ প্ৰায়েই আহিছিল। ইয়াৰ উপৰিও তেখেতৰ ওচৰলৈ সৰু- ডাঙৰ, শিক্ষক, ছাত্ৰ নানা লোকৰ সোঁত বৈছিল।

কটন কলেজত থকা অৱস্থাত তেখেতৰ ডেকা কালতো তেখেততকৈ জ্যেষ্ঠ সকলেও তেখেতক সমীহ কৰিছিল আৰু তেখেতৰ দিহা-পৰামৰ্শ লৈছিল। গহীন,

গম্ভীৰ ব্যক্তিত্ব আৰু উচ্চ নৈতিক মূল্যবোধৰ বাবে তেখেত সকলোৰে শ্ৰদ্ধাভাজন হৈছিল। অসম আন্দোলনৰ সময়তো 'আচু'ৰ সদস্য সকলে তেখেতৰ কথা শুনিছিল। আচুৱে ৰেডক্ৰছ ছ্ছাইটিক দিয়া এম্বুলেন্স গাড়ীখনৰ উদ্বোধনী কৰ্ম্মও ১৯৯৬ চনত ৬ এপ্ৰিল তাৰিখে খান চাহাবৰ হতুৰাই সমাধা কৰাইছিল।

গুৱাহাটীৰ সামাজিক জীৱনত তেখেতৰ অৱদান বহুতো। গুৱাহাটীৰ বৰ্ত্তমান বুঢ়া মছজিদৰ মাটি টুকুৰা বেদখলত আছিল। তেখেতৰ প্ৰচেষ্টা আৰু যত্নত সেই টুকুৰা মুকলি কৰি বৰ্ত্তমান মছজিদটো সজা হয়। তেখেত এই মছজিদ কমিটিত সভাপতি আছিল। তাৰ বাবে দান বৰঙণি তেখেতে সংগ্ৰহ কৰিছিল। মছ জিদটো নিৰ্মাণ কাৰ্য্যৰ পাছতে ৮ লাখ টকা শিল পুখুৰীৰ চেন্ট্ৰেল বেঙ্কত জমা দিছিল। এইয়া ১৯৫৩ -১৯৫৩৪ চনৰ কথা। মছজিদটিৰ নাম 'বুঢ়া মছজিদ' তেখেতেই দিছিল।

সিজুবাৰী মাদ্ৰাছাৰ লগতো তেখেত সম্পূৰ্ণ ভাৱে জড়িত আছিল। ১৯৭৪-৭৯ চনত তেখেতৰ প্ৰচেষ্টাত এই মাদ্ৰাছাখন গঢ় লৈ উঠে। তেখেতে এইখন কাৰিকৰী মাদ্ৰাছা কৰাৰ চেষ্টা কৰিছিল, কিন্তু এইয়া হৈ নুঠিল। গুৱাহাটী মুছাফিৰ খানাখনতো তেখেতৰ অৱদান অনেক। সেই সময়ত তেখেত হজ কমিটিৰ সভাপতি আছিল। হজ যাত্ৰী সকলে সন্মুখীন হোৱা অসুবিধা বোৰ দুৰ কৰিবৰ বাবে এটি মুছাফিৰ খানা নিৰ্মাণৰ বাবে তেখেতে এটুকুৰা মাটি বিচাৰি উলিয়ায়। সেই সময়ত ফখৰুদ্দিন আলি আহমদ চাহেব ভাৰতৰ ৰাষ্ট্ৰপতি আছিল। ফখৰুদ্দিন চাহাব তেখেতৰ ককায়েকৰ বিলাতৰ সহপাঠী আছিল আৰু আমীন খান চাহাবক বৰ মৰম কৰিছিল সেই সূত্ৰে আমীন খান চাহাবৰ অনুৰোধ ক্ৰমে ইছলামপুৰৰ মাটি টুকুৰা এই ৰাজহুৱা কামৰ কাৰণে মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰে। এই মুছাফিৰ খানাখনৰ লগতো তেখেত জন্মলগ্নৰ পৰাই জড়িত আছিল। আশীৰ দশকত প্ৰকাশিত গুৱাহাটী 'ৰৌশনী' নামৰ আলোচনীত তেখেতে কোৰাণৰ তৰ্জ্জমা, হাদীছ আদিৰ বিষয়ে লিখিছিল আৰু শ্বৰীয়ত বিষয়ক প্ৰশ্নৰ উত্তৰ দিছিল। 'নীলাচল' আৰু Deccan Herald তো তেখেতে লিখিছিল।

নতুন প্ৰজন্মৰ বহুতকে সুপথে পৰিচালনা কৰাৰ উপৰিও তেখেতে বুঢ়া মছজিদত এটা দাতব্য চিকিৎসালয় স্থাপন কৰাত সহায় কৰিছিল। কটন কলেজত

তেখেতেই প্ৰথম ‘ফাতেহা দোৱাজ দহম’ উদযাপন কৰাৰ ব্যৱস্থা কৰিছিল। হাজোৰ পোৱামক্কালৈ যোৱা গাড়ীৰ বাটটোৰো তেখেতে নক্সা আঁকি দেখুৱাইছিল।

উলুবাৰীৰ মাজাৰ উদ্ধাৰতো তেখেতৰ অৰিহণা আছে। তেখেতে হজ কৰি মদিনাত কিছুদিন থাকি জ্ঞানাৰ্জ্জন কৰিছিল। ইয়াৰ উপৰিও তেখেতে গুৱাহাটী ফাতিহা দোৱাজ দহম কমিটি, হিলাল কমিটি, আদিৰ সভাপতি আছিল। স্ত্ৰী জাতিক তেখেতে বৰ সন্মানৰ চকুৰে চাইছিল আৰু নিজৰ এক মাত্ৰ সন্তান এগৰাকী কন্যা হোৱাত বৰ আনন্দিত হৈছিল। গুৱাহাটীৰ মহিলাৰ অনুষ্ঠান ‘আঞ্জুমান-এ-খাৱাতিনে ইছলাম’ তেখেতৰ প্ৰচেষ্টাৰ ফল।

নিজৰ ব্যক্তিগত জীৱনতো কেইগৰাকী মান কন্যাৰ মাতৃ এগৰাকী বিধবা মহিলাক তেখেতে পত্নী হিচাপে গ্ৰহণ কৰিছিল আৰু কন্যা কেইগৰাকীৰ দায়িত্ব বহন কৰি উপযুক্ত কৰি বিয়া দিছিল।

তেখেত কিতাপৰ প্ৰেমিক আছিল। কিতাপেই তেখেতৰ সাৰথী আছিল আৰু সেইয়াই তেখেতৰ মূল সম্পত্তি আছিল। তেখেতৰ জ্ঞানৰ বাবে লোকে তেখেতক ‘চলন্ত পুথিভৰাঁল’ আখ্যা দিছিল । মৌলানা ৰুমিৰ ‘মচনৱী’ নামৰ গ্ৰন্থ খন তেখেতৰ মুখস্থ আছিল। গুৱাহাটী মিউজিয়ামৰ ‘মুদ্ৰা’ আৰু ‘ফলি’বোৰৰ তেখেতে অৰ্থবোৰ উদ্ধাৰ কৰিছিল। তেখেতে সৰল জীৱন যাপন কৰিছিল। আনকি নিজৰ স্থাৱৰ সম্পত্তিখিনিও জীৱিত অৱস্থাতে নিজৰ কন্যাক দি দিছিল। তেখেতে নীৰৱে মানৱ জাতিৰ সেৱা কৰিছিল। অনেক দুখীয়া লৰাক উপযুক্ত শিক্ষাৰ খৰছ দি জীৱনত প্ৰতিষ্ঠিত কৰিছিল। ১৯৭৪ চনত দক্ষিণ শালমৰাত হোৱা প্ৰলয়ঙ্কাৰী বানপানীৰ সময়ত নিজৰ সহচৰ সকলৰ লগত দান বৰঙণি উঠাই খোৱা বস্তু ট্ৰাকত কঢ়িয়াই নি সেই ভোকাতুৰ ৰাইজক বিলাইছিল।

পৃথিৱীৰ সকলো বোজাৰ পৰা মুক্ত হৈ মাত্ৰ নিজে অৰ্জা জীৱন জোৰা নেক কামৰ পাথেয় লৈ এগৰাকী প্ৰকৃত সাধকৰ দৰে আমীন খান চাহাবে ১৯৯৭ চনৰ ৩০ জানুৱাৰী তাৰিখে এই পৃথিৱীৰ পৰা বিদায় লয়। ❖

---

(মূল লেখিকা ফাতেমা গুলবদন আমীন খানৰ কন্যা)

# তৈয়ব আলি

ড০ পদুম আজাদ

মানৰ আক্ৰমণৰ সময়ত উপৰি পুৰুষ সকল নগাওঁৰ পাথৰি গাওঁ অঞ্চলৰ পৰা উঠি আহি চতিয়াৰ (শোণিতপুৰ) ঘাঁহী গাৱঁত বসতি কৰিবলৈ লোৱা এটা সাধাৰণ কৃষক পৰিয়ালত তৈয়ব আলি চাহাবৰ জন্ম ১৯১৬ চনৰ ৬ চেপ্তেম্বৰত। তেখেতৰ পিতৃ চম্ভূৰ আলি এজন সৰল খেতিয়ক আছিল । কিন্তু চম্ভুৰ আলিৰ ককায়েক ৰহমত আলি ৰাইজে পাতি লোৱা গাওঁ বুঢ়া আছিল আৰু তেখেতে স্বাধীনতা সংগ্ৰামত সক্ৰিয় ভাবে অংশ গ্ৰহণ কৰিছিল। Quit India বিপ্লৱৰ পাছতেই ঘাঁহীগাৱঁত কংগ্ৰেছ কৰ্ম্মী সকলে এটা খাদী কেন্দ্ৰ স্থাপন কৰিছিল আৰু ৰহমত আলি তাৰ তত্বাৱধনাত আছিল। তেখেত তৈয়ব আলি চাহাবৰ পৰিয়ালৰো অভিভাৱক স্বৰূপে আছিল আৰু তেখেতৰ প্ৰভাৱতেই তৈয়ব আলি আৰু তেখেতৰ ককায়েক আক্কেল আলি দুজন শিক্ষক ৰূপে গঢ় লৈ উঠিছিল।

ঘাঁহীগাওঁত প্ৰাথমিক শিক্ষা শেষ কৰি তৈয়ব আলিয়ে ১৯৩০ চনত চতিয়া এম. ভি বিদ্যালয়ৰ পৰা এম. ভি পৰীক্ষাত উত্তীৰ্ণ হৈ তেজপুৰ চৰকাৰী উচ্চ বিদ্যালয়ত ভৰ্ত্তি হয়। কিন্তু কুখ্যাত কানিংহাম জাননীত চহী কৰিবলৈ অমান্তি হোৱাত তেখেতে চৰকাৰী বিদ্যালয় এৰিব লগা হয় আৰু তেজপুৰ একাডেমী উচ্চ বিদ্যালয়ত শিক্ষা লাভ কৰি ১৯৩৫ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পাছত কলিকতাত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত এখন কলেজত উচ্চ শিক্ষাৰ কাৰণে ভৰ্ত্তি হয়। এই কাৰ্য্যত তেখেতক সহায় কৰা ব্যক্তি সকল হ'ল - নগাঁৱৰ

নুৰুল ইছলাম আৰু শ্বিলঙৰ ইমদাদ আলি। কিন্তু কলেজত ভৰ্ত্তি হোৱাৰ অলপ দিনৰ পাছতে তেখেতৰ পিতৃ বিয়োগ হয় আৰু তেখেত ঘৰলৈ উভটি আহিব লগা হয়। তাৰ পাছতেই তেখেতৰ জীৱন সংগ্ৰাম আৰম্ভ হয়। কলিকতাৰ পৰা ঘূৰি আহি বৰবাপেক ৰহমত আলিৰ উদগণিত গুৱাহাটীৰ কটন কলেজত ভৰ্ত্তি হয় আৰু ১৯৩৯ চনত স্নাতক উপাধি লয়। শোণিতপুৰ জিলাৰ তেখেতেই প্ৰথম মুছলমান স্নাতক আছিল। ১৯৫৭ চনত তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী ভাষাত শিক্ষক প্ৰশিক্ষণ লয়। শিক্ষা সাং কৰি তেখেতে নগাওঁৰ আলি টাঙনীত ১১/২ বছৰ মান শিক্ষকতা কৰে। তাৰ পাছত ৰেল বিভাগত কিছুদিন চাকৰি কৰাৰ পাছত তেখেতে ১৯৪৪-৪৫ চনত চতিয়া হাইস্কুলত শিক্ষক হিচাপে যোগদান কৰে আৰু ১৯৬৭ চনৰ আগভাগলৈকে তাত চাকৰি কৰে। তাৰ পৰা ১৯৬৭ চনৰ শেষৰ ফালে চাৰিদুৱাৰ উচ্চবিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে যোগদান কৰে আৰু ১৯৭৬ চনৰ এপ্ৰিলৰ পৰা অৱসৰ লয়।

দুয়োটা বিদ্যালয় আৰু অঞ্চলটোতে তেখেতে এজন সুদক্ষ শিক্ষক হিচাপে পৰিগণিত হৈছিল। তেখেতৰ ছাত্ৰ সকলে তেখেতক 'আলি চাৰ' বুলি জানিছিল। সমনীয়া সকলে 'আলি চাহাব' আৰু বয়োবৃদ্ধ সকলে তেখেতক 'তৈয়ব' বুলি সম্বোধন কৰিছিল। ইংৰাজী ভাষাৰ শিক্ষক হিচাপে তেখেতৰ যশস্যা আছিল আৰু সেই কাৰণে তেখেতক অৱসৰ লোৱাৰ পাছত চতিয়া কলেজ আৰু জামুগুৰিৰ ত্যাগবীৰ হেমবৰুৱা কলেজতো ইংৰাজী ভাষাত শিক্ষা দিবৰ কাৰণে আমন্ত্ৰণ কৰি নিছিল।

শিক্ষা দানৰ উপৰিও নাট্যাভিনয়, ফুটবল আৰু ভলীবল খেলত তেখেতৰ ৰাপ আছিল। স্বাধীনতা আন্দোলনত তেখেতে সক্ৰিয় ভাবে যোগ দি সত্যাগ্ৰহ আদিত ভাগ লৈছিল। মাজে মাজে আত্ম গোপন কৰিও থাকিব লগা হৈছিল। কংগ্ৰেছৰ সক্ৰিয় কৰ্ম্মী হোৱা বাবে তেখেতক কংগ্ৰেছ প্ৰাৰ্থী হিচাপে মঙ্গলদৈ বিধান সভা সমষ্টিৰ পৰা মনোনয়ন দিয়াৰ ব্যৱস্থা হৈছিল যদিও পাছত সেই সমষ্টিৰ পৰা তৈয়বুল্লাহ চাহাবক মনোনয়ন দিবৰ কাৰণে তৈয়ব আলি চাহাবক তেখেতৰ মনোনয়ন উঠাই লবলৈ কংগ্ৰেছ পাৰ্টীয়ে অনুৰোধ কৰে। তৈয়ব আলি চাহাবে

মনোনয়ন উঠাই নলয় কিন্তু প্ৰতিদ্বন্দিতাও নকৰে আৰু তৈয়ববুল্লাহ চাহাব বিজয়ী হয়। তৎকালীন অসমৰ প্ৰধান মন্ত্ৰী ছাদুল্লা চাহাবে তৈয়ব আলিক শ্বিলঙত থকা অসম সচিবালয়ত ডাঙৰ চাকৰি এটিৰ কাৰণে মাতিছিল কিন্তু তেখেতে সেই প্ৰস্তাৱ প্ৰত্যাখান কৰে আৰু চতিয়া হাইস্কুলত শিক্ষক হিচাপে যোগদান কৰে। স্বাধীনতাৰ পাছত তৈয়ব আলিয়ে ৰামমোহন লোহীয়াৰ নেতৃত্বৰ চচিয়েলিষ্ট পাৰ্টীত যোগ দিয়ে। তেখেতে সক্ৰিয় লোহীয়া পন্থী আছিল আৰু সেই সময়ৰ হৰেশ্বৰ গোস্বামী (এসময়ৰ অসম বিধান সভাৰ অধ্যক্ষ) বিপিন পাল দাস (পাছত ইন্দিৰা গান্ধী মন্ত্ৰী সভাত সহকাৰী বিদেশ মন্ত্ৰী), গোলাপ বৰবৰা (পাছত অসমৰ জনতা চৰকাৰৰ মুখ্যমন্ত্ৰী), সোণেশ্বৰ বৰা, (কৃষি মন্ত্ৰী অসমৰ জনতা চৰকাৰ) ডঃ আনন্দেস্বৰ বৰঠাকুৰ, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য আদি সকলৰ লগত অসমৰ চচিয়েলিষ্ট পাৰ্টীৰ কামত সক্ৰিয় ভাৱে অংশ গ্ৰহণ কৰিছিল।

তৈয়ব আলিয়ে চতিয়াৰ ওচৰৰ দিপলদা গ্ৰাণ্টৰ মাটি ভৱেশ্বৰ হাজৰিকা, ধনীৰাম বৰা, যোগেশ্বৰ হাজৰিকা, ঘণশ্যাম বৰুৱা আদিৰ লগত সত্যাগ্ৰহ কৰি দখল কৰি ভূমিহীন ৰাইজৰ মাজত বিলাই দিছিল ।এই কামৰ কাৰণে কংগ্ৰেছ চৰকাৰে তেখেতক ১৯৫২-৫৬ চনলৈ শিক্ষকৰ চাকৰিৰ পৰা নিম্বিত কৰে। আকৌ ১৯৬২ চনত চচিয়েলিষ্ট প্ৰাৰ্থী হিচাপে নিৰ্বাচনৰ প্ৰতিদ্বন্দিতাৰ কাৰণে তেখেত দুবছৰ চাকৰি বিহীন অৱস্থাত কটাব লগা হয়। এনে ধৰণৰ দুৰ্যোগৰ মূহুৰ্ততো তেখেতে নিজ সিদ্ধান্তত অটল থাকে আৰু চাকৰিৰ পৰা ইস্তফা নিদিয়ে নতুবা কোনো অঙ্গীকাৰ পত্ৰত চহী নকৰে। সেই সময়ত তেখেতৰ পৰিয়ালৰ ভৰণ পোষণৰ ক্ষেত্ৰত গাঁৱৰ মানুহে সহায় কৰিছিল । পাছত অৱশ্যে চৰকাৰে তেখেতক স-সন্মানে চাকৰিত অধিষ্ঠিত কৰে কিন্তু নিলম্বিত অৱস্থাত পাবলগীয়া অৰ্থৰ কাৰণে তেখেতে প্ৰায় ৩০ বছৰ চেষ্টা কৰিব লগা হৈছিল।

জনতা চৰকাৰৰ দিনত তেখেতৰ সমাজ সেৱাৰ স্বীকৃতি হিচাপে তেখেতক Central Mortgage Bank ৰ সভাপতি মনোনীত কৰে। তেখেতে যোৱা শতিকাৰ ৮০ ৰ দশকতহে মুক্তি যোদ্ধাৰ পেঞ্চন লাভ কৰে।

যোৱা শতিকাৰ ৪০ ৰ দশকত তেখেতে নুৰন নাহাৰক বিয়া কৰায়। তেখেত সকলৰ চাৰি জন পুত্ৰ আৰু এজনী কন্যা । আটাইকেইজন উপযুক্ত আৰু জীৱনত সুপ্ৰতিষ্ঠিত।

তৈয়ব আলি চাহাব আজীৱন সংগ্ৰামী আছিল আৰু কৃষক, দুখীয়া আৰু পিছ্‌পৰা শ্ৰেণীৰ লোকৰ কাৰণে তেখেতে কাম কৰিছিল। অসম বিখ্যাত চতিয়াৰ সন্তান কেশৱ মহন্তই লিখা চতিয়া প্ৰশস্তিত তৈয়ব আলিৰ কথা এইদৰে উল্লেখ কৰিছে।

‘নাঙল চকাৰ পতাকাৰে তনয় তৈয়ব আলি
নিঃস্বজনৰ মুক্তিৰ বাবে যুজিলে প্ৰাণ ঢালি’

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বীৰেণ বৰকটকী, নাট্যকাৰ লক্ষ্যধৰ চৌধুৰী আৰু অৰুণ শৰ্ম্মায়ো তেখেতক কৃষক বন্ধু বুলি অভিহিত কৰিছে।

১৯৯৯ চনৰ ৩০ জানুৱাৰীত তৈয়ব আলি চাহাবৰ মৃত্যু হয়। ❖

---

(তৈয়ব আলি চাহাবৰ পুত্ৰ ড° পদুম আজাদৰ ইংৰাজী লিখনিৰ ভাষান্তৰ কৰিছে কমৰুজ্জামান আহমদে)।

# ওৱাজুদ্দিন আহমেদ

এম. চজিমুদ্দিন আহমেদ



স্ৰষ্টাৰ সৰ্বশ্ৰেষ্ঠ সৃষ্টি হ'লেও ব্যক্তি জন্ম সূত্ৰে মহান হ'ব নোৱাৰে। ভাগ্যৰ লিখনৰ উপৰিও স্বকীয় প্ৰচেষ্টা, কঠোৰ সাধনা আৰু উচ্চ অভিলাষে মানুহৰ জীৱন গঢ়াত সহায় কৰে। মানুহৰ মেধা আৰু উচ্চাদৰ্শ কোনো গৰীব-ধনী নাইবা স্থান কালৰ ওপৰত নিৰ্ভৰ নকৰে। চাকি ক্ষুদ্ৰ হ'লেও তাৰ প্ৰজ্বলিত প্ৰভাই চৌদিশ উজলাবই। পৃথিৱীৰ বেছিভাগ মহাপুৰুষ বা মহান প্ৰতিভাৰ কেনো বংশ গৌৰৱ বা চহৰৰ উন্নত বাতাৱৰণ লাভৰ গৌৰৱ নাই।

অসমৰ অন্যান্য জিলাৰ তুলনাত গোৱালপাৰা জিলাৰ অৱস্থা সকলো ক্ষেত্ৰতে চকুত লগা ধৰণে দুখ লগা। প্ৰায় এশ বছৰৰ আগত অবিভক্ত গোৱালপাৰা জিলাৰ অবস্থা কেনেকুৱা হ'ব পাৰে সেয়া সহজেই অনুমেয়। ইং ১৯১৬ চনত বৰ্তমান বঙাইগাওঁ জিলাৰ চলন্তপাৰা গাৱঁত সাধাৰণ দুখীয়া কৃষকৰ পৰিয়ালত জন্ম হৈছিল এক মহান বিদ্বানৰ। ৰসায়ণ বিজ্ঞানৰ স্নাতকত্তোৰ অৰ্হতা সম্পন্ন, নামনি অসমৰ প্ৰথম পৰ্য্যায়ৰ এল. এল. বি. অৰ্হতা সম্পন্ন আৰু কটন কলেজৰ অধ্যাপক আৰু গোৱালপাৰা কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ গৰাকীৰ নামেই হ'ল ওৱাজুদ্দিন আহমেদ।

ধন, নাম, প্ৰেৰণা একো নাথাকিলেও তেখেতে মনপুত চাকৰি নোপোৱাত কিছুদিন জাগীৰোডত ঠিকা কৰিবলৈ লয়। সেই সময়ৰ পৰাধীন ভাৰতত ইংৰাজে

কৰ্মসংস্থানৰ বিপৰীতে শোষণ হে কৰিছিল। পাছত ইং ১৯৪৬ চনত তেখেতে কটন কলেজৰ প্ৰবক্তা পদত নিযুক্ত হয়। অধ্যাপনা কৰাৰ সময়তে ইং ১৯৫০ চনত Earl Law College ৰ পৰা এল, এল, বি, ডিগ্ৰী লাভ কৰে। পাছলৈ তেখেতে স্পষ্টবাদিতা, আদৰ্শ আৰু নীতিত বিশ্বাসৰ বাবেই ১৯৫২ চনত চাকৰি ইস্তফা দিয়ে আৰু গোৱালপাৰা আদালতত ওকালতি আৰম্ভ কৰে। স্বাধীনতাৰ প্ৰাক মূহুৰ্ত্তত এজন অতি উচ্চ শিক্ষিত আৰু চিন্তাবিদ হিচাপে তেখেতে কংগ্ৰেছ দলক সমৰ্থন জনাইছিল। কিন্তু সেই সময়ত মুছলীম লীগ দলে অসমত প্ৰাধান্য লাভ কৰা সত্ত্বেও গোৱালপাৰা লোকেল বোৰ্ড নিৰ্বাচনত তেখেতে নানা প্ৰলোভন নেওচি নিজৰ মতত অটল আছিল। সেই সময়ত কংগ্ৰেছ কৰ্ম পৰিষদৰ সভাপতি খগেন্দ্ৰ নাথদেৱে তেখেতৰ "স্বাধীনতা সংগ্ৰামত গোৱালপাৰাৰ অৱদান" গ্ৰন্থত এনেদৰে লিখিছে 'কংগ্ৰেছ পক্ষ সমৰ্থনৰ বাবে ওৱাদুদ্দিন আহমেদ বি. এল. আৰু আজাহাৰ আলী মিঞাক লীগ প্ৰাৰ্থী আৰু সমৰ্থক সকলে বৰ বেয়াকৈ অপমান কৰিছিল'। ইং ১৯৪৪ চনত জৱাহৰলাল নেহৰুৰ চাপৰ আৰু অভয়াপুৰী ভ্ৰমণত তেখেতে দেহে কেহে যোগদান কৰিছিল। বন্ধু-বান্ধৱৰ অনুৰোধত তেখেতে অভয়াপুৰী সমষ্টিৰ পৰা বিধান সভাৰ নিৰ্বাচনত নিৰ্দ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছিল।

অতি সহজ সৰল জীৱন যাপন কৰা আহমেদ চাহাব আছিল সৎ, মৃদু-ভাষী আৰু সমাজসেৱী। পৰিশ্ৰমে আনে অৰ্হতা, অৰ্হতাই দিয়ে যোগ্য পদবি। ১৯৫৬ চনত তেখেতে গোৱালপাৰা মহকুমাৰ লোকেল ব'ৰ্ডৰ সভাপতি হয়। সেই সময়ত গেৱালপাৰাতেই নহয় গোটেই নামনি অসমতেই উচ্চ শিক্ষাৰ কোনো শিক্ষানুষ্ঠান নাছিল। সেয়ে তেখেতে স্থানীয় বিধায়ক স্বৰ্গীয় খগেন্দ্ৰনাথ নাথ আৰু কিছু ৰাইজৰ প্ৰচেষ্টাত ১৯৫৫ চনৰ ৮ আগষ্টত গোৱালপাৰা মহাবিদ্যালয় স্থাপন কৰে। সকলোৰে একান্ত অনুৰোধত তেখেতেই গোৱালপাৰা কলেজৰ অবৈতনিক প্ৰতিষ্ঠাপক অধ্যক্ষৰ গুৰুভাৰ বহন কৰিবলগীয়া হৈছিল। বহু ত্যাগ আৰু কষ্ট স্বীকাৰ কৰি দক্ষতাৰে কলেজখনৰ উন্নতিৰ হ'কৈ নিজকে তেখেতে উৎসৰ্গা কৰিছিল।

পৃথিৰাম চৰকাৰী বিদ্যালয় স্থাপন কৰি পাছত জয়তুন নেছা মাদ্ৰাছা আৰু শেষত মহাবিদ্যালয়ৰ নিজা মাটীত পদাৰ্পণ কৰালৈকে মহাবিদ্যালয়ৰ উন্নতিত জীৱন্ত সাক্ষী আছিল আহমেদ চাহাব। কিন্তু ১৯৫৮ চনৰ ৯ আগষ্টত মাত্ৰ ৪৩ বছৰ বয়সত দূৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হৈ এইজনা মহান মনিষীৰ দেহাৱসান ঘটে।

ধন, নাম প্ৰেৰণা একো নাথাকিলেও কেৱল স্বকীয় প্ৰতিভা, দৃঢ় মন আৰু অক্লান্ত শ্ৰমৰ বলত মানুহ যে জ্ঞানৰ হিমালয় বগাব পৰে তেনে এজন দুঃ সাহসী আজীৱন যোদ্ধাৰ জলন্ত উদাহৰণ হ'ল আহমেদ চাহাব। বাল্য কালতেই তেখেতে দৰিদ্ৰ পিতৃ ৰিয়াজুদ্দিন আহমেদ আৰু স্কুল পঢ়ি থাকোতেই মাতৃ ৰহীমা বেগমক হেৰুৱাই ঘাট মাউৰা হয়। চলন্তাপাৰাতে প্ৰাথমিক শিক্ষা সাং কৰি নানা ঘাত প্ৰতিঘাতৰ মাজতে ইং ১৯৩৭ চনত অভয়াপুৰীৰ অভয়েশ্বৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ সকলোৰে চকুত পৰে। অভয়াপুৰীত তেখেতে তেতিয়াৰ বিজনীৰ জমিদাৰৰ মেনেজাৰ নায়েব আলী চাহাবৰ ঘৰত থাকি পঢ়া-শুনা কৰিছিল। চৰকাৰী বৃত্তি আৰু সেইজন উদাৰমনা ব্যক্তিৰ কৃপাত আহমেদ চাহাবে কটন কলেজত অধ্যয়ন কৰে। তেখেতে ১৯৩৯ চনত আই, এচ, চি, পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অসম উপত্যকাৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি সোণৰ পদক লাভ কৰে। ১৯৪১ চনত তেখেত কটন কলেজৰ পৰা ৰসায়ন বিজ্ঞান বিষয়ত অনাৰ্চ লৈ বি. এচ. চি পৰীক্ষাত উত্তীৰ্ণ হয়।

দৰিদ্ৰতা মানুহৰ অভিশাপ। ইয়াৰ প্ৰকোপত বহু মেধাৰ হয় অবলুপ্তি ঘটে নহয় আভিজাত্যৰ হাতৰ পুতলা হয়। অতি মেধাৱী আৰু উচ্চ শিক্ষাৰ আকাঙ্খী আহমেদ চাহাবে বিশ্ববিদ্যালয়ত অধ্যয়ন কৰাৰ কালত তেখেতৰ শহুৰেক চৈয়দ আলী জোদ্দাৰে তেখেতক সহায় কৰে। ১৯৪৩ চনত আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ পৰা তেখেতে ৰসায়ন বিজ্ঞান বিষয়ত এম. এছ. চি. ডিগ্ৰী লয়।

অতীতে ভৱিষ্যতৰ বুনিয়াদ গঢ়ে। তেখেতে জ্বলোৱা গোৱালপাৰা মহাবিদ্যালয়ৰ জ্ঞানৰ শলিতাডাল হয়তো কিয়ামতলৈকে পোহৰাই তুলিব বহুতো অমূল্য জীৱন। তেখেতৰ সততা, নিষ্ঠা, ধৈৰ্য্য, মনোবল আজিৰ নৱ-প্ৰজন্মৰ প্ৰতি স্মৰণীয় হোৱা উচিত।

প্ৰশাসন আৰু ৰাইজৰ গভীৰ আস্থাভাজন লগতে মহান ব্যক্তিত্বৰ অধিকাৰী আছিল আহমেদ চাহাব । মৃত্যুৰ দিনলৈ লোকেল ব'ৰ্ডৰ সভাপতি হৈ থকাটোৱে ইয়াৰ উৎকৃষ্ট প্ৰমান। তাৰোপৰি তেখেত যে অতি নিষ্ঠাবান, সু-শিষ্টাচাৰী, মৰমীয়াল ব্যক্তি আছিল সেই গুণাৱলী নয়াপাৰা মছজিদৰ ওচৰত থকা বাসগৃহৰ তেখেতৰ পুত্ৰ মঃ ছামছুল আলম (বৰ্তমান কলেজৰ নিদেৰ্শক) আৰু কন্যাৰ আচাৰ ব্যৱহাৰৰ স্বভাৱ লক্ষ্য কৰিলেই বুজা যায়। আহমেদ চাহাবক জীবন্ত কালত ৰাইজে যিদৰে বিচাৰিছিল, নতুন প্ৰজন্মই তদ্ৰুপ পাহৰিছে। কলেজ কৰ্ত্তৃপক্ষই তেখেতৰ নামত সময়ে সময়ে স্মাৰক বক্তৃতা পাতিব পাৰে । তেখেতৰ তিথি আদিত বিশেষ আলোচনা চক্ৰ আয়োজন কৰিব পাৰে। আনকি এই মহান ব্যক্তি গৰাকীৰ নামত বৃত্তি ঘোষণা আৰু ভাল ফলাফল দেখুওৱা ছাত্ৰ-ছাত্ৰীক পুৰস্কৃত কৰিব পাৰে। লগতে কোনো ভৱন তেখেতৰ নামত নামকৰণ কৰি সন্মান যাচিব পাৰে। গোৱালপাৰা মহাবিদ্যালয়ৰ ইতিহাসত তেখেতৰ নাম, শ্ৰম আৰু ত্যাগ সদায় সোণালী আখৰেৰে লিখা থাকিব।❖

---

(এই প্ৰৱন্ধটো ২০০৮ চনত অনুষ্ঠিত গোৱালপাৰা মহাবিদ্যালয়ৰ সোনালী জয়ন্তী সমাৰোহ উপলক্ষে প্ৰকাশিত স্মৃতি গ্ৰন্থৰ পৰা উদ্ধৃত । লিখক গোৱালপাৰা কলেজৰ আহমদ চাহাবৰ প্ৰাক্তন ছাত্ৰ।)

# জয়নুদ্দিন আহমদ

জয়নুদ্দিন আহমদৰ দৰং জিলাৰ মঙলদৈ মহকুমাৰ সৰাবাৰী মৌজাৰ শান্তিপুখুৰী গাঁৱত ১৯১৭ চনত জন্ম হয়। সেই গাঁৱৰে প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা শেষ কৰি পাথৰিঘাট মধ্য ইংৰাজী বিদ্যালয়ত পঢ়ে। তাৰ পাচত হাইমাদ্ৰাছাৰ শিক্ষা সমাপ্ত কৰি আলিমি শিক্ষা গ্ৰহণৰ কাৰণে পূৰ্ব্ববঙ্গৰ ঢাকা চহৰত অৱস্থিত 'ঢাকা চিনিয়ৰ মাদ্ৰাছা'ত নাম ভৰ্ত্তি কৰে।তেখেতে চিৰাজগঞ্জৰ চিনিয়ৰ মাদ্ৰাছাৰ পৰা ১৯৪৭ চনত 'ফাজিল' পৰীক্ষাত পূৰ্ব্ববঙ্গৰ ভিতৰত দ্বিতীয় স্থান অধিকাৰ কৰিছিল।সেই সময়ৰ স্বাধীনতা আন্দোলনৰ বা-মাৰলীত উচ্চশিক্ষা সিমানতে সাং কৰি অসমলৈ উভতি আহে। ১৯৪৮ চনত পাথৰিঘাট হাইস্কুলত আৰবী শিক্ষক পদত নিযুক্তি লাভ কৰে। পাথৰিঘাট উচ্চ মাধ্যমিক বিদ্যালয়ৰ 'প্ৰতিষ্ঠাপক শিক্ষক' হিচাবে সেৱা আগবঢ়োৱাৰ উপৰিও শান্তিপুখুৰী অঞ্চলত তেখেতৰ অৱদান অপৰিসীম। তেখেতে কাব্য চৰ্চ্চাও কৰিছিল। তেখেতৰ কবিতা পুথি দুখনি হ'ল 'বিৰহী' আৰু 'ইছলামৰ জোৱাৰ ভাটা'।

১৯৭৩ চনৰ ২৭ মে'ত তেখেতৰ ইন্তেকাল হয়। ❖

---

(অসমীয়া জীৱনী অভিধান)

# চফিউৰ ৰহমান

**ৰেহেনা আখতাৰ হান্নান**



আলহাজ মঃ চফিউৰ ৰহমান চাহেব বৰহোলা নিবাসী মঃ ফাজিজুৰ ৰহমান ওৰফে জিকৌ ঠিকাদাৰৰ প্ৰথম সন্তান। ফাজিজুৰ ৰহমান (জিকৌ)ৰ পূৰ্বপুৰুষ গৰাকী আছিল স্বৰ্গদেউৰ লক্ষীসিংহৰ ৰাজত্ব কালৰ ৰংজাৰি পৰিয়ালৰ ৰূপেশ্বৰ। তেখেতৰ পুতেক বানেশ্বৰ কুহুমফুলীয়া বৰুৱাৰ পুতেক আছিল পাণেশ্বৰ। চফিউৰ ৰহমান চাহেব এই পৰিয়ালৰে লোক।

তেখেত সোনকোঁৱৰ নামেৰে বেছি পৰিচিত আছিল। তেখেত এগৰাকী আগৰণুৱা সমাজ সেৱক সংস্কৃতিবান আৰু লগতে এজন আদৰ্শ খেতিয়ক আছিল। বৰহোলা আৰু ইয়াৰ আশে পাশে থকা অঞ্চল সমূহত তেখেতে বিভিন্ন সংগঠনৰ হৈ কৰা সমাজৰ কামৰ অৰিহণা লেখত লবলগীয়া।

দেউতাকে আৰম্ভ কৰি যোৱা চাহৰ বাগিচাখন তেখেতে সম্পূৰ্ণ কৰিছিল আৰু তাৰ লগতে বহুতো স্থানীয় যুৱক যুৱতীয়ে কামৰ সংস্থাপন পাইছিল। চাহৰ খেতিৰ লগে লগে তেখেতে পৰীক্ষামূলক ভাৱে কফি আৰু ক'কৰো খেতি কৰি বহু পৰিমাণে সফলো হৈছিল। মই জনাত তেখেত ক'ক প্ৰচেচিঙৰ কাৰণে অসমৰ বাহিৰলৈ অৰ্থাৎ বাঙ্গালোৰলৈ পঠাইছিল । তেখেতে প্ৰমাণ কৰিছিল যে অসমত ক'ক খেতিৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। অসমৰ লুপ্ত হৈ যোৱা ৰিহা (ৰেমি) খেতি আৰম্ভ কৰিছিল আৰু ইয়াৰ পৰা বেলেগ বেলেগ ধৰণৰ সূতা উৎপাদন

কৰিছিল। তাৰ উপৰিও বস্ত্ৰ উপযোগী সুতা কটোৱাই কাপোৰ তৈয়াৰ কৰাইছিল। এই সূতাৰ পৰাই পুৰণি কালত কবচ কাপোৰ বোৱা বুলি জনা যায়। তেখেত অসমৰ ৰিহা (ৰেমি) বোৰ্ডৰ সভাপতি হৈ বহুখিনি কাম কৰিছিল। এই খেতিৰ প্ৰতি আমাৰ চৰকাৰে মনোযোগ দিয়া হলে আৰ্থিকভাবে সফল আৰু লগতে বহুতো যুৱক যুৱতীৰ কামৰ সংস্থাপন হ'লহেঁতেন।

বৃটিছৰ ৰাজত্ব কালত অসমীয়া মুছলমান সকলৰ ভিতৰত আমগুৰি টি কোম্পানীত চফিউৰ ৰহমান চাহেব প্ৰথম সহকাৰী পৰিচালক ৰূপে কাম কৰিবলৈ সুযোগ পাইছিল। সেই কোম্পানীত তেখেতে ৪ বছৰ কাম কৰি চাহ খেতিৰ ওপৰত বহুখিনি অভিজ্ঞতা আয়ত্ব কৰিবলৈ সুবিধা পাইছিল। তাৰ পাছত তেখেতে কাম এৰি ঘৰৰ বাগিচাৰ লগত জড়িত হৈ পৰিছিল। তেখেত আৰু এটি খেতিৰ বাটকটীয়া আছিল। সেই খেতি হৈছে বাগানৰ মাজে মাজে থকা চাহগছত ছাঁ দিয়া গছ বিলাকত প্ৰথম জালুকৰ খেতি । এই খেতি কৰি তেখেত সফল হৈছিল। পৃথিৱীৰ সকলোতে ব্যৱহাৰ হোৱা এই দামী মছলাবিধ এতিয়াও গড়াজান বাগানত তেখেতৰ উত্তৰ-পুৰুষ সকলে খেতি কৰি আছে।

বৰহোলাৰ আশে-পাশে থকা বিদ্যালয় সমূহত তেখেতৰ বহুতো অৱদান আছিল । বিশেষকৈ বৰহোলাৰ একমাত্ৰ নাৰী শিক্ষা কেন্দ্ৰ এতিয়াৰ 'বৰহোলা বালিকা বিদ্যালয়', স্থাপন কৰাত আন কেবাগৰাকী সকলৰ ভিতৰত চফিউৰ ৰহমান চাহেব প্ৰথমৰ পৰা শেষলৈকে ওতপ্ৰোত ভাবে জড়িত আছিল। এই শিক্ষা কেন্দ্ৰলৈ প্ৰয়োজন সাপেক্ষে আৰ্থিক সাহায্যও আগ বঢ়াইছিল। বৰ্ত্তমান বিদ্যালয়খন প্ৰাদেশিকৰণ হৈ এখন প্ৰতিষ্ঠিত বিদ্যালয় হৈ উঠিছে।

তেখেত এগৰাকী শিল্পী মনৰ লোক আছিল। নিজে নাটক আদিত অভিনয় কৰিছিল। ১৯৫৮ চনৰ পূৰ্বেই পিয়লী ফুকন, টেক্সি ড্ৰাইভাৰ আদি নাটক প্ৰদৰ্শন কৰিছিল। এইক্ষেত্ৰত আগভাগ লোৱা ব্যক্তি স্বৰ্গীয় হৰিশচন্দ্ৰ গোস্বামীদেৱ বৰহোলাৰ ৱাৰদেন হৈ আছিল। এই নাটক বিলাকত অভিনয় কৰা ব্যক্তি সকলৰ ভিতৰত চফিউৰ ৰহমান চাহেব উল্লেখযোগ্য। ১৯৫৬-৫৭ চনত 'কুকুৰী কণাৰ আঠমঙলা' চৰিত্ৰটিত অভিনয় কৰিছিল । ইয়াৰ উপৰিও 'মইনা পাৰিজাত' নামৰ শিশু সকলৰ

অনুষ্ঠানটিৰ লগতো তেখেতৰ সম্পৰ্ক আছিল। যোৰহাট জিলাৰ মইনা পাৰিজাতৰ তেখেত একে লেঠাৰিকৈ ১৬ বছৰ উপ-সভাপতিৰ পদ অলংকৃত কৰিছিল। ১৯৬০ চনৰ যোৰহাট জিলাৰ মইনা পাৰিজাতৰ বৰহোলাত অনুষ্ঠিত অধিৱেশন খনৰ অভ্যৰ্থনা সমিতিৰ তেখেত সভাপতি আছিল।

চফিউৰ ৰহমান চাহেবৰ চকুৰ পৰা খেল পথাৰখনো বাদ পৰা নাছিল। তেখেতৰ লগত কামেশ্বৰ বড়া, মুহিবুল হক, মহবোবুৰ ৰহমান ( পুনু), মানিকচন্দ্ৰ জৈন আদি ব্যক্তি সকলৰ সহযোগত বৰহোলাত প্ৰথম বাৰৰ বাবে Borholla Sports Association গঠন হৈছিল। ইয়াৰ উপৰিও চলন্ত ট্ৰফি ফুটবল প্ৰতিযোগিতা খেল সমূহ তেখেতেই প্ৰথম সভাপতি পদ গ্ৰহণ কৰি আৰম্ভ কৰিছিল । লগতে বহুতো ফেঞ্চি ফুটবল প্ৰতিযোগিতা পাতি নিজৰ খৰছত শ্বিল্ড, কাপ আদি দি খেলুৱৈ সকলক মনত আনন্দ দিছিল আৰু উৎসাহিত কৰিছিল।

বৰহোলা চাৰি আলিত তেখেত সকলৰ মাটিতেই প্ৰথম ব্যৱসায় ভিত্তিত ভাৰা ঘৰ নিৰ্ম্মাণ হৈছিল। যাৰ দ্বাৰা স্থানীয় ব্যৱসায়ী সকল ব্যৱসায়ৰ ক্ষেত্ৰত উপকৃত হৈছিল।

তেখেতে নানান সমাজ সেৱাৰ কামৰ উপৰিও সকলোৰে সুখ দুখৰ ভাগী হৈছিল। দুখীয়া ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ ক্ষেত্ৰত আৰ্থিক সাহায্য দিছিল আৰু আজান পীৰৰ দৰগাহৰ কাৰণে দান-বৰঙণি সংগ্ৰহ কৰি দিছিল।

তেখেত এজন ধৰ্ম্মপ্ৰাণ ব্যক্তি আছিল আৰু হজ সমাধা কৰিছিল।

১৯১৭ চনৰ ১৪ জুনত জন্ম গ্ৰহণ কৰা চফিউৰ ৰহমান চাহাবৰ ১৯৯৪ চনৰ ৭ অক্টোবৰত মৃত্যু হয়। ❖

---

(তেখেতৰ জীৱনীৰ বিষয়ে কিছু কথা জানিবৰ বাবে মই অৱসৰ প্ৰাপ্ত শিক্ষক শ্ৰদ্ধেয় গোবিন ভাগৱতী দেৱ, মঃ বাহাৰউদ্দিন আহমেদ (ভাইজান) আৰু হাছান হান্নান চাহেবৰ পৰা সহায় লৈছিলো। তেখেত সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো)।
(লেখিকা চফিউৰ ৰহমানৰ ভাইবোৱাৰী)।

# এম. ইব্ৰাহীম আলি

ইদ্ৰিছ আলি



মুখ্যতঃ শিশু সাহিত্যিক ৰূপে সুস্বীকৃত হলেও এম্ ইব্ৰাহীম আলিৰ সাহিত্যিক জীৱনৰ আৰম্ভণি ঘটিছিল কাব্য -সাধনাৰ যোগেদিহে। 'সাহিত্যৰথী' 'ৰসৰাজ' লক্ষ্মীনাথ বেজবৰুৱাই প্ৰতিষ্ঠা কৰি থৈ যোৱা বিখ্যাত 'বাঁহী' আলোচনীৰ পৰৱৰ্ত্তী পৰ্যায়ত 'ডেকাবেজ' মাধৱচন্দ্ৰ বেজবৰুৱাই সম্পাদনাৰ কাৰ্য্যভাৰ চলাই নিয়াৰ সময়তে কথা সাহিত্যিক উপন্যাস সম্ৰাট ৰূপে খ্যাত চৈয়দ আব্দুল মালিকৰ এটি কবিতা প্ৰকাশ পাইছিল। কবিতাটোৰ নাম আছিল "মই অসমীয়া" । সেই সময়ত উক্ত কবিতাটোৱে অসমৰ পাঠক সমাজৰ মাজত অভূতপূৰ্ব জনপ্ৰিয়তা লাভ কৰিছিল। 'বাঁহীৰ' পাতত মালিক চাহেবৰ "মই অসমীয়া" কবিতাটি প্ৰকাশ পোৱাৰ অব্যবহিত পাছৰ কোনোবা এটা সংখ্যাত প্ৰকাশ পাইছিল এম ইব্ৰাহীম আলিৰ "তুমি যদি অসমীয়া মই তেনে বিদ্ৰোহী পাঠান" কবিতাটি। চল্লিশৰ দশকৰ আৰম্ভণিতে বৃটিছ সামৰিক বিভাগত চাকৰি সূত্ৰে ভাৰতৰ বিভিন্ন প্ৰান্তত আৰু ভাৰতৰ বাহিৰৰো বিশেষকৈ এচিয়াৰ দক্ষিণ পূবত অৱস্থিত কেইবাখনো দেশ পৰিভ্ৰমণ কৰি ফুৰা কালৰে কোনো এক সময়ত এম্ ইব্ৰাহীম আলিয়ে "তুমি যদি অসমীয়া মই তেনে বিদ্ৰোহী পাঠান" কবিতাটি ৰচনা কৰিছিল। মালিকৰ "মই অসমীয়া" কবিতাটিৰ প্ৰত্যুত্তৰ ৰূপে লিখা বুলিয়েই বহুতে কব খোজে, যদিও এম্

ইব্ৰাহীম আলিৰ “তুমি যদি অসমীয়া ................ ” প্ৰকৃতাৰ্থত মালিকৰ কবিতাটোৰ পৰিপূৰক বুলিহে কোৱাটো সমীচীন হ’ব। সি যি নহওক দুয়োটা কবিতা সেই সময়ত সমানে জনপ্ৰিয় হোৱাৰ লগতে বহু চৰ্চিত হবলৈ আৰম্ভ কৰিছিল। আজিও চৈয়দ আব্দুল মালিক ৰচিত “মই অসমীয়া” কবিতাটিৰ প্ৰসঙ্গ আহিলেই অৱধাৰিত ভাৱেই যেন এম্ ইব্ৰাহীম আলিৰ “তুমি যদি অসমীয়া .........’ কবিতাটিৰ প্ৰসঙ্গও উল্লিখিত হয় চৈয়দ আব্দুল মালিকে এঠাইত লিখিছিল ঃ বাঁহীত মোৰ এটা কবিতা ওলাইছিল। নাম “মই অসমীয়া” । ইয়াৰ পাছতে বাঁহীৰ পাততে কবি এম্ ইব্ৰাহীম আলিৰ অন্য এটা কবিতা। কবিতাটোৰ নাম আছিল- “তুমি যদি অসমীয়া মই তেনে বিদ্ৰোহী পাঠান” মোৰ কবিতাটোত আছিল অসমীয়া হৈ পৰা মুছলমান এজনৰ স্বদেশ প্ৰেমৰ কথা আৰু ইব্ৰাহীম আলিৰ কবিতাটোত আছিল এগৰাকী অসমীয়া হৈ পৰা পাঠান ডেকাৰ অসমীয়া মাতৃক ভাল পোৱাৰ চূড়ান্ত নিদৰ্শন (স্মৃতিৰ পৰা লিখা হৈছে) । আলোচ্য কবিতাটো প্ৰকাশ হোৱাৰ পাছৰেপৰা এম ইব্ৰাহীম আলিয়ে অসমৰ পাঠক সমাজৰ পৰা কবি হিচাপে স্বীকৃতি লাভ কৰিছিল। তেতিয়াৰ পৰাই তেওঁ নিৰৱচ্ছিন্নভাৱে কবিতা লিখি গৈছিল। তেওঁৰ প্ৰথম কাব্য সংকলন ‘চাহাৰা’ প্ৰকাশ পাইছিল ১৯৪১ চনত। দ্বিতীয় তথা শেষ কাব্যগ্ৰন্থ ‘নিস্তব্ধ নিষাদ’ প্ৰকাশ পাইছিল মৃত্যুৰ আগে আগে ১৯৭৩ চনত । “তুমি যদি অসমীয়া ..........” “পলৰীয়া” “অসমীয়া শংকৰক নকৰা অপমান” আদি কবিতা বহু কাব্য প্ৰেমীৰ মুখে মুখে বাগৰি ফুৰিছিল। এবাৰ নগাওঁত ড০ মহেন্দ্ৰ বৰাৰ সতে মোৰ পৰিচয় হওঁতে মোক প্ৰায় অবাক কৰি তেওঁ এম্ ইব্ৰাহীম আলিৰ এটাৰ পিছত আনটোকৈ কবিতা অনৰ্গল মুখস্থ গাই শুনাইছিল। ইয়ে নিশ্চয় মৰহুম আলিৰ কবিতাৰ প্ৰভাৱৰ কথাকে সূচায়। এম ইব্ৰাহীম আলি আছিল এগৰাকী সফল উপন্যাসিক ‘ৰাজদ্ৰোহী’ ‘পুৰতী নিশাৰ অনামী তৰা’ আৰু ‘ভৈয়ামৰ নাগিনী’ তিনিখন উপন্যাস তেওঁ লিখি থৈ গৈছে। ইয়াৰে “ভৈয়ামৰ নাগিনী”খন ‘বাঁহীৰ পাতত ছোৱা ছোৱাকৈ প্ৰকাশ পাইছিল আৰু বোধহয় ‘বাহী’ আলোচনীখনৰ প্ৰকাশ বন্ধ হোৱাৰ বাবেই উপন্যাসখনো অসমাপ্ত হৈ ৰয়। তেওঁ কেবাটাও সাৰ্থক গল্পও লিখিছিল। লিখিছিল বিভিন্ন বিষয়ৰ বিবিধ নিৱন্ধ। ‘বাঁহী’ আলোচনীৰ পাতত প্ৰকাশ পোৱা “অসমৰ ৰাজনীতি” শীৰ্ষক প্ৰৱন্ধটিয়ে সেই সময়ত যথেষ্ট আলোড়নৰ সৃষ্টি কৰিছিল। শিশু

সকলৰ উপযোগীকৈ ৰচনা কৰা ‘পৰী কুঁৱৰীৰ সাধু’ ‘কুমাৰী জেবুন্নিছা’ ‘ছোহৰাব ৰুস্তম’ নামৰ পুথি কেইখনিয়েও যথেষ্ট সমাদৰ লাভ কৰিছিল। শিশুৰ বাবে প্ৰকাশ কৰা ‘কাচিজোন’ আলোচনীখন তেওঁৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ বুলি ক’ব পৰা যায়। ‘কাচিজোন’ প্ৰায় চাৰে তিনি বছৰ কাল প্ৰচলিত হৈ বন্ধ হৈ গৈছিল। কিন্তু এই কম আয়ুসৰ ভিতৰতে সি সমগ্ৰ অসমতে এক বিশেষ প্ৰভাৱ পেলাবলৈ সমৰ্থ হৈছিল । মঙ্গলদৈৰ দৰে এখন সৰু চহৰৰ পৰা প্ৰকাশিত আৰু কলকতাত মুদ্ৰিত ‘কাচিজোন’ আবাল বৃদ্ধ বণিতা সকলোৰে দ্বাৰা সমাদৃত হৈছিল। বিহগী কবি ৰঘুনাথ চৌধাৰীয়ে নামকৰণ কৰা ‘কাচিজোন’ অসমীয়া শিশু আলোচনীৰ ইতিহাসত এক উল্লেখনীয় অধ্যায় হৈ থাকিল। ৰঘুনাথ চৌধুৰী নলিনীবালা দেৱী আদিৰ দৰে সুপ্ৰতিষ্ঠিত লেখক লেখিকাৰ উপৰি অনেক নবীন প্ৰবীন কবি সাহিত্যিকে ‘কাচিজোন’লৈ লেখনীৰ অৰিহনা আগবঢ়াইছিল। ‘কাচিজোন’ৰ পাতত আত্মপ্ৰকাশ কৰা কেবাগৰাকী শিশু আৰু চেমনীয়াই পৰবৰ্ত্তী জীৱনত সু-সাহিত্যিক কবি নিৱন্ধকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। এম্ ইব্ৰাহীম আলিয়ে সম্পাদনা কৰা “মাধৱচন্দ্ৰ বেজবৰুৱা” নামৰ জীৱনীখনো এখন উল্লেখযোগ্য গ্ৰন্থ। তেওঁৰে বিশেষ উদ্যোগত প্ৰকাশ পোৱা নজৰ আলি পণ্ডিতৰ “মোৰ জীৱনৰ কিছুকথা” আত্মজীৱনীখনো অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। মৃত্যুৰ কিছুদিন আগতে এম্ ইব্ৰাহীম আলিয়ে অসমৰ কৃতী শিক্ষাবিদৰ জীৱনী সংকলনৰ পৰিকল্পনা লৈ কেবাগৰাকীৰ জীৱনী ৰচনা কৰি প্ৰকাশো কৰিছিল। কিন্তু এই মহৎ কাৰ্য্যটি তেওঁ, সম্পূৰ্ণ কৰি থৈ যাব নোৱাৰিলে । কামাল পাছাৰ এখন জীৱনী, “কনকলতা’ নামৰ এখন নাটক আৰু বহু সংখ্যক কবিতা আৰু প্ৰবন্ধ পাণ্ডুলিপি স্তৰতে তেওঁ এৰি থৈ গৈছে।

স্কুলীয়া পাঠ্যপুথিৰ ৰচয়িতা হিচাপেও এম্ ইব্ৰাহীম আলিয়ে যথেষ্ট কৃতিত্বৰ পৰিচয় দাঙি ধৰিছিল। ‘সহজ ক-খ’, ‘সাহিত্য -সুধা’ , ‘অসমীয়া ধাৰাপাত’ ৰচনা- মুকুল, সাধাৰণ জ্ঞান আৰু স্বাস্থ্যপাঠ , আদি কৰি প্ৰায় কুৰি খনৰো অধিক পাঠ্যপুথি তেওঁ ৰচনা কৰি থৈ গৈছে। সেই পাঠ্যপুথি সমূহ সেই সময়ত অসমৰ প্ৰায়বোৰ পঢ়াশালিতে অনুমোদিত পাঠ্যপুথি ৰূপে প্ৰচলিত হৈছিল। পিছত পাঠ্যপুথি প্ৰস্তুতকৰণৰ দায়িত্ব চৰকাৰে হাতত লোৱাত এম্ ইব্ৰাহীম আলি প্ৰণিত

কিতাপবোৰৰ প্ৰচলন বন্ধ হৈছিল যদিও চৰকাৰে প্ৰকাশ কৰিবলৈ লোৱা ‘কুহিপাঁঠ’ নামৰ প্ৰাথমিক বিদ্যালয়ৰ অতি জনপ্ৰিয় পাঠ্যপুথিখন প্ৰস্তুতিৰ বাবে গঠিত সম্পাদনা সমিতিত এম্ ইব্ৰাহীম আলিও এগৰাকী সদস্য ৰূপে মনোনীত হৈছিল। প্ৰয়াত প্ৰসিদ্ধ কবি নৰকান্ত বৰুৱাৰ সতে ‘কুঁহিপাঠ যুটীয়াভাবে প্ৰনয়ন কৰি উলিয়াইছিল। প্ৰসঙ্গত উল্লেখ্য যে এম্ ইব্ৰাহীম আলিৰ অসম সাহিত্য সভাৰ সতে সুদীৰ্ঘ দিনীয়া সম্পৰ্ক আছিল আৰু একাধিক বাৰ তেওঁ ইয়াৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰো সদস্য আছিল। ১৯৭৪ চনত অসম সাহিত্য সভাৰ সভাপতিৰ পেনেলতো এম্ ইব্ৰাহীম আলিৰ নাম সন্নিবিষ্ট হৈছিল।

১৯১৭ চনৰ ২১ জুন তাৰিখে অবিভক্ত দৰং জিলাৰ মঙ্গলদৈ মহকুমাৰ অন্তৰ্গত কামৰূপ আৰু দৰঙৰ ঐতিহাসিক সীমা বৰনদীৰ পূৱ পাৰে অৱস্থিত ডুমুনিচকী অঞ্চলৰ শিঙিমাৰী নামৰ এখন সৰু গাঁৱৰ এম্ ইব্ৰাহীম আলিয়ে জন্ম লাভ কৰিছিল। ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথৰ গাতে লগা গাওঁখন তাহানি আছিল শিক্ষা দীক্ষা অৰ্থনৈতিক সকলো দিশতে পিছ পৰা । সেই গাঁৱৰে দুখীয়া কৃষক পৰিয়ালত উপজি এম্ ইব্ৰাহীম আলিয়ে অধ্যৱসায় আৰু কঠোৰ পৰিশ্ৰমেৰে জীৱনৰ পংকিল পথেৰে আগুৱাই আহি প্ৰতিষ্ঠা লাভ কৰিবলৈ সমৰ্থ হৈছিল । পিতৃ আবিদ আলি আৰু মাতৃ আমিনা খাতুনৰ তৃতীয় পুত্ৰ এম ইব্ৰাহীম আলিয়ে গাঁৱৰ পঢ়াশালীতে প্ৰাথমিক আৰু মজলীয়া স্তৰৰ শিক্ষা লাভ কৰি আহি মঙ্গলদৈৰ একমাত্ৰ উচ্চ মাধ্যমিক বিদ্যালয় মঙ্গলদৈ চৰকাৰী হাইস্কুলত পঢ়িবলৈ লৈছিল । ছাত্ৰ হিচাপে প্ৰখৰ প্ৰতিভাৰ অধিকাৰী আছিল যদিও অৰ্থাভাৱত অষ্টম শ্ৰেণীতে স্কুলীয়া শিক্ষাৰ যতি পেলাই এটা শৈক্ষিক জলপানি লাভ কৰি তেওঁ যোৰহাট নৰ্মাল স্কুলত পঢ়িবলৈ লৈছিল । যোৰহাটত নৰ্মাল পঢ়া কালতে ‘ৰ’দালি চৰা’ নামৰ সাহিত্য-সাংস্কৃতিক অনুষ্ঠান এটাৰ সদস্য ভুক্ত হৈ তদানীন্তন কেবা গৰাকী অসমৰ কবি সাহিত্যিকৰ সংসৰ্গ লাভৰ সৌভাগ্য লাভ কৰিছিল। সেই সকলৰ ভিতৰত আছিল - যতিনাৰায়ণ শৰ্মা , অমূল্য বৰুৱা, চৈয়দ আব্দুল মালিক, কমলেশ্বৰ চলিহা আদি বিশিষ্ট কবি সাহিত্যিক সকল। নৰ্মাল পাছ কৰি আহি পাথৰিঘাট, শ্বিলং, তেজপুৰ আদিত বিদ্যালয়ৰ শিক্ষকতাৰ চাকৰি কৰি গৈ তেওঁ স্কুল সমূহৰ সহঃ উপ-পৰিদৰ্শকৰ পদত নিযুক্ত হয়। সেই পদতে শিৱসাগৰত চাকৰি কৰি থাকোঁতে সৈন্য

বাহিনীৰ চাকৰি পাই পৰিদৰ্শকৰ চাকৰি এৰি সৈন্য বাহিনীৰ ওৱাৰেণ্ট্ অফিচাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। কিন্তু মাত্ৰ দুবছৰ কাল সৈন্য বাহিনীত চাকৰি কৰি এম ইব্ৰাহীম আলি দ্বিতীয় মহাযুদ্ধৰ সামৰণি পৰাৰ লগে লগে পুনৰ ওভতি আহি শিৱসাগৰতে পূৰ্বৰ স্কুলসমূহৰ সহ-উপপৰিদৰ্শক ৰূপে যোগদান কৰিছিল। যোৰহাটত নৰ্মাল পঢ়ি থকা কালতে সেই সময়ৰ শীৰ্ষ শিক্ষা বিষয়া শৰৎচন্দ্ৰ গোস্বামীৰ সতে থকা সৌহাৰ্দ্যমূলক সম্পৰ্কৰ বাবে আৰু শিক্ষাবিদ গোস্বামী দেৱৰ বদান্যতাৰ বাবেই এম্ ইব্ৰাহীম আলিয়ে অকস্মাতে এৰি থোৱা স্কুলসমূহৰ সহ-উপপৰিদৰ্শক পদতে পুনৰ যোগদান কৰাৰ সুযোগ লাভ কৰিছিল। এম্ ইব্ৰাহীম আলিৰ friend, philosopher and guide আছিল শৰৎচন্দ্ৰ গোস্বামীদেৱ । তদুপৰি কবি পদ্মশ্ৰী সন্মানেৰে ভূষিত নলিনীবালা দেৱীক তেওঁ 'আই' বুলি সম্বোধন কৰিছিল আৰু নলিনীবালা দেৱীয়েও তেওঁক পুত্ৰসহ স্নেহ কৰিছিল উল্লেখযোগ্য যে চৈয়দ আব্দুল মালিক আৰু এম্ ইব্ৰাহিম আলিৰ ক্ৰমে 'মই অসমীয়া' আৰু 'তুমি যদি অসমীয়া...'' কবিতা দুটাৰ প্ৰসঙ্গত নলিনীবালা দেৱীয়ে অন্য এটা কবিতা ৰচনা কৰি দুয়োগৰাকী কবিৰ কবিতাৰ সমন্বয় সাধন কৰিবলৈ প্ৰয়াস কৰিছিল। নলিনীবালা দেৱীৰ কবিতাটিৰ নাম আছিল "তুমি অসমীয়া, তুমি যদি অসমীয়া।"

মঙ্গলদৈৰ উত্তৰত অৱস্থিত টংলাৰ ডাঃ মহবুব আলিৰ জ্যেষ্ঠা কন্যা মচম্মৎ পৰিবান নেছাৰ সতে এম্ ইব্ৰাহীম আলি বিবাহ পাশত আৱদ্ধ হৈছিল। এম্ ইব্ৰাহীম আলিৰ চাৰিজন পুত্ৰ এগৰাকী কন্যা।

এম্ ইব্ৰাহীম আলিয়ে নানান প্ৰতিকূলতাৰ মাজেৰে আহি জীৱনত প্ৰতিষ্ঠা লাভ কৰিছিল। বানীৰ সাধনাৰে তেওঁ অসমীয়া ভাষা-জননীৰ সেৱা কৰি গৈছে। অসমৰ স্কাউট আৰু গাইডচ্ আন্দোলনৰো তেওঁ এগৰাকী কাণ্ডাৰী আছিল। স্কুল সমূহৰ সহ-উপ-পৰিদৰ্শকৰ পৰা উপ-পৰিদৰ্শকলৈ পদোন্নতি লাভ কৰি স্বেচ্ছা অৱসৰ গ্ৰহন কৰি তেওঁ ৰাজ্যিক স্কাউট আৰু গাইডচ্‌ৰ সচিব পদত যোগদান কৰিছিল আৰু হিৰণ্য কুমাৰ ভূঞা, বন্ধুৰাম কছাৰী, কামাখ্যা নাথ ঠাকুৰ আদি মহান ব্যক্তিসকলৰ সতীৰ্থ হিচাপে অসমত স্কাউট আৰু গাইডচ্ আন্দোলন সফল কৰাত প্ৰভূত অৰিহনা আগবঢ়াই থৈ গৈছে। স্কাউট আৰু গাইডচ্ ৰাজ্যিক সচিব পদত কাৰ্য নিৰ্বাহ কৰি থকা কালতে গুৱাহাটীৰ মেঘদূত ভৱনৰ সমীপত সংঘটিত এক

স্কুটাৰ দুৰ্ঘটনাত এম্ ইব্ৰাহিম আলিৰ মৃত্যু ঘটে ১৯৭৫ চনৰ নবেম্বৰ মাহৰ ২২ তাৰিখে।

এম্ ইব্ৰাহীম আলিৰ মৃত্যুৰ লগে লগে এক বৰ্নাঢ্য জীৱনৰ অন্ত পৰিল। সময় বাগৰাৰ লগে লগে তেওঁৰ স্মৃতিও ক্ৰমশঃ পাহৰনিৰ গৰ্ভত লীন যাবলৈ উপক্ৰম কৰিছে। ডঃ নগেন শইকীয়া প্ৰধান সম্পাদক থকা কালত অসম সাহিত্য সভাৰ তৰফৰ পৰা ইব্ৰাহীম আলিৰ স্মৃতি দিৱস উদযাপনৰ বাবে প্ৰস্তাৱ গ্ৰহন কৰা হৈছিল। দুবছৰ মান শাখা সভাই ছেগাচোৰোকাকৈ স্মৃতি দিৱস পালন কৰিছিল যদিও বৰ্তমান সি বাদ পৰিছে। কবি সাহিত্যিক হিচাপেও এম্ ইব্ৰাহিম আলিয়ে সমালোচক, সাহিত্যৰ বুৰঞ্জীকাৰ বা অসমীয়া কবিতা সংকলক সকলৰ দৃষ্টিৰ আঁৰতে থাকি গ'ল। যতিনাৰায়ণ শৰ্মা সংকলিত "অসমীয়া আধুনিক কবিতা"-ত বাহিৰে ডঃ মহেশ্বৰ নেওগৰ "সঞ্চয়ন" যজ্ঞেশ্বৰ শৰ্মাৰ 'শতপত্ৰ', নীলমনি ফুকনৰ "কুৰি শতিকাৰ অসমীয়া কবিতা" আদি কোনো এখন কাব্য-সংকলনত এম্ ইব্ৰাহীম আলিৰ এটা কবিতাও অন্তৰ্ভুক্ত হোৱা নাই। এক অৰ্থত কবি হিচাপে এম্ ইব্ৰাহীম আলিক নিৰ্বাসিন দিয়া হ'ল। কেৱল খাইৰুল ইচলাম নামৰ দৰঙৰ এগৰাকী সাহিত্যিকে "সতীৰ্থৰ দৃষ্টিত এম্ ইব্ৰাহীম আলি" শীৰ্যক এখন বিভিন্ন ব্যক্তিৰ দ্বাৰা লিখিত প্ৰৱন্ধৰ সংকলন প্ৰকাশ কৰিছে। মঙ্গলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা সৰযুবালা দেৱীয়ে "এম্ ইব্ৰাহীম আলিৰ জীৱন আৰু কৰ্ম" বিষয়ক গৱেষণা কাৰ্য সম্পন্ন কৰিছে। তদুপৰি প্ৰয়াত আব্দুছ ছাত্তাৰে লিখি থৈ যোৱা জীৱনী এখন অপ্ৰকাশিত অৱস্থাতে আছে। এম্ ইব্ৰাহিম আলিয়ে এখন অখ্যাত গাঁৱত জন্ম লাভ কৰি দাৰিদ্ৰ্য আৰু সা-সুবিধাৰ পৰা বঞ্চিত জটিল পৰিবেশৰ মাজেৰে অগ্ৰসৰ হৈ নিজ সামৰ্থ্যৰে দেশ মাতৃৰ যি সেৱা কৰি গ'ল সি সঁচাকৈ অতুলনীয়। আজিৰ প্ৰজন্মই এম্ ইব্ৰাহীম আলিৰ কৰ্তব্যনিষ্ঠা নিস্বাৰ্থ কৰ্ম প্ৰেৰণা আৰু মহান আদৰ্শেৰে অনুপ্ৰাণিত হ'ব বুলি আশা কৰিলোঁ।❖

---

(লেখক ইদ্ৰিছ আলি এম্ ইব্ৰাহীম আলিৰ জ্যেষ্ঠ পুত্ৰ। আলোকচিত্ৰখন আলি চাহাবৰ পুত্ৰ ইৰ্‌শ্বাদ আলিৰ সৌজন্যত পোৱা)।

# নুৰুল ইছলাম

ৰাশ্বাদ ইছলাম



সমাজ বা কোনো অনুষ্ঠান- প্ৰতিষ্ঠানৰ ওপৰত কোনো ব্যক্তি-বিশেষৰ প্ৰভাৱ আৰু আদৰ্শ দীৰ্ঘস্থায়ী হৈ ৰয় ।একোজন ব্যক্তিৰ এই প্ৰভাৱৰ উৎস হ'ল মহৎ ব্যক্তিত্ব, কৰ্মকুশলতা আৰু একনিষ্ঠ কৰ্তব্যজ্ঞান। তেনেকুৱা এক মহৎ ব্যক্তিত্বৰ অধিকাৰী অসমৰ অন্যতম শিক্ষাসেৱী নুৰুল ইছলাম চাহাব।

কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ নুৰুল ইছলাম চাহাব আছিল অতি নিয়মনিষ্ঠ তথা দক্ষ শিক্ষা প্ৰশাসক। নিয়ম আৰু কৰ্তব্যবোধৰ চাৰিসীমাৰ বাহিৰত তেখেতে এটা খোজো দিছিল বুলি ক'লে যেন ভুল কৰা হব ।কৰ্মক্ষেত্ৰত নিজৰ দায়িত্ব তথা নিয়মনিষ্ঠতা সততাৰে পালন কৰিলেও কিন্তু তেখেত কেতিয়াও হৃদয়হীন বা ৰূঢ় নাছিল। শব্দশূলেৰে মানুহৰ অন্তৰত আঘাত নকৰাকৈও, দৈনন্দিন জীৱনৰ ব্যৱহাৰ ৰূঢ় নকৰাকৈও যে মানুহ এজন সুদক্ষ প্ৰশাসক হ'ব পাৰে তাৰেই জলন্ত নিদৰ্শ এই ব্যক্তি। বিশিষ্ট সংস্কৃতিবান নাগৰিক ইছলাম চাহাবৰ জন্ম হৈছিল ১৯১৭ চনত ৩০ চেপ্তেম্বৰত শিৱসাগৰত। তেখেতৰ পিতৃ আলহাজ ছাহানশ্বাহ হুছেইন কছাৰীহাটৰ বগা মোল্লাৰ বংশধৰ। মাক মিহিৰুন আছিল এগৰাকী ধৰ্ম্মপ্ৰাণা মহিলা ।ইছলাম চাহাবে শিৱসাগৰ ১নং মিউনিচিপেলিটি প্ৰাইমাৰী স্কুলত প্ৰাথমিক শিক্ষা শেষ কৰি ১৯৩৫ চনত শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয় আৰু প্ৰতিযোগিতামূলক বৃত্তি লাভ কৰে । সেই সময়ত সমগ্ৰ উত্তৰ- পূব ভাৰতৰ একমাত্ৰ পূৰ্ণপৰ্যায়ৰ

কলেজ আছিল কটন কলেজ। অসমৰ আন আন মেধাৱী ছাত্ৰসকলৰ দৰে ইছলাম চাহাবেও কটন কলেজত বিজ্ঞান শাখাত ভৰ্ত্তি হৈছিল । অসমৰ মুছলমান ছাত্ৰসকলৰ ভিতৰত প্ৰথম স্থান লাভ কৰা বাবে তেখেতে মোহম্মদ শ্বাহ মৌজাদাৰ সোণৰ পদকো লাভ কৰিছিল। ১৯৩৭ চনত তেখেতে কটন কলেজৰপৰা আই. এচ. চি. পৰীক্ষা দি প্ৰথম বিভাগত উত্তীৰ্ণ হয় আৰু কটন কলেজতেই গণিতত অনাৰ্ছ লৈ বি. এ. ক্লাছত ভৰ্তি হয় আৰু ১৯৩৯ চনত ডিষ্টিংচন লৈ বি. এ. পাছ কৰি শিৱসাগৰৰেই তেখেতৰ এগৰাকী ৰাজস্থানী ব্যৱসায়ী বন্ধুৰ পৰামৰ্শতে এম. কম. পঢ়াৰ কথা ভাবিছিল । এম. এ. পঢ়ি কোনোবাদিনা কটন কলেজৰ অধ্যাপক হোৱাৰ কথা কাহানিও তেখেতৰ মনলৈ অহা নাছিল । কিন্তু কালৰ গতিত তেখেতৰ জীৱনৰ গতিও যেন সলনি হল । ১৯৪১ চনত তেখেতে আলিগড় বিশ্ববিদ্যালয়ৰ পৰা গণিতত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লৈ এম. এ. পাছ কৰি চাৰ জিয়াউদ্দিন পদক লাভ কৰে।

এম. এ. পাছ কৰি আলিগড়ৰ পৰা অসমলৈ ঘূৰি আহি তেখেতে অসমৰ শিক্ষা বিভাগৰ অধীনৰ চিলেটৰ মুৰাৰী চান্দ কলেজত গণিত বিভাগৰ প্ৰবক্তা ৰূপে যোগদান কৰি কৰ্মজীৱন আৰম্ভ কৰে আৰু ১৯৪৬ চনৰ অক্টোবৰ মাহত তেখেতে যোৰহাটৰ মুজিবোৰ ৰহমানৰ কন্যা শ্বৰিফা ৰহমানক বিয়া কৰায়। তেখেত সকলৰ তিনি গৰাকী পুত্ৰ আৰু এগৰাকী কন্যা।

১৯৪৭ চনত দেশ বিভাজন হোৱাত ১৩ আগষ্ট, ১৯৪৭ তাৰিখে মুৰাৰী চান্দ কলেজৰ চাকৰি জীৱনৰ অন্ত পেলাই একেটা পদতেই ২১ আগষ্টত কটন কলেজত অধ্যাপনা জীৱন আৰম্ভ কৰে আৰু পাছলৈ বিভাগীয় মুৰব্বী পদতো অধিষ্ঠিত হয়। ইয়াতে প্ৰায় দহ বছৰ কাল অধ্যাপনা কৰাৰ অন্তত, ১৯৫৬ চনত তেতিয়াৰ অসমৰ ৰাজধানী শ্বিলঙত শিক্ষা বিভাগৰ স্পেচিয়েল অফিচাৰ পদত নিযুক্ত হয় । পাছত ১৯৫৭ চনৰ ২৮ ফেব্ৰুৱাৰীত তেখেতে শ্বিলঙত সহকাৰী শিক্ষাধিকাৰ হিচাপে নিযুক্তি পায় । ১৯৫৭ চনৰ অক্টোবৰত তেখেতে দক্ষিণ অসমৰ স্কুলসমূহৰ পৰিদৰ্শক হিচাপে নিযুক্ত হৈ শিলচৰলৈ যায় আৰু তাত দক্ষিণ অসম চক্ৰৰ অধীনত 'ইন্সপেক্টৰ অৱ স্কুলচ'ৰ নতুন কাৰ্য্যালয় মুকলি কৰে । পিছত ১৯৬০ চনত তেখেতে নগাৱঁৰ ইন্সপেক্টৰ অৱ স্কুলচ হৈ বদলি হৈ আহে। নগাৱঁত থকা অৱস্থাতেই তেতিয়াৰ শিক্ষাধিকাৰ সুৰেশ চন্দ্ৰ ৰাজখোৱাই তেখেতক অসম উচ্চতৰ শিক্ষা পৰিষদৰ সচিব হিচাপে নিযুক্তি দিয়াত তেখেতে গুৱাহাটীলৈ আহি

১৯৬২ চনৰ ১৮ মাৰ্চ তাৰিখে এই কাৰ্যভাৰ গ্ৰহণ কৰে। উল্লেখ্য যে প্ৰথম অৱস্থাত অসমৰ মাধ্যমিক শিক্ষা পৰিষদৰ সংক্ষেপ নাম আছিল BOSEA (অৰ্থাৎ Board of Secondary Education, Assam), নুৰুল ইছলাম চাহাবেই প্ৰয়োগৰ সুবিধাৰ্থে তাৰ ঠাইত SEBA (Secondary Education Board of Assam) নামটো ব্যৱহাৰ কৰিলে। ১৯৬৩ চনৰ ১৮ জানুৱাৰীত তেখেতে কটন কলেজৰ অধ্যক্ষ হিচাপে নিযুক্ত হৈ কাৰ্য্যভাৰ গ্ৰহণ কৰে আৰু দক্ষতাৰে ১৯৬৯ চনৰ ২২ জুলাই লৈ অধ্যক্ষৰ আসন অলংকৃত কৰে । অধ্যক্ষ হিচাপে ইছলাম চাহাব আছিল বিতৰ্কহীনভাৱে প্ৰশাসনত অতি দক্ষ আৰু ছাত্ৰ- ছাত্ৰীসকলৰ প্ৰতি আছিল তেখেতৰ পিতৃবৎ দায়িত্ববোধ । স্বকীয় ব্যক্তিত্বৰে তেখেতে ছাত্ৰসমাজৰ পৰা অকৃত্ৰিম শ্ৰদ্ধা আদায় কৰিবলৈ সক্ষম হৈছিল । প্ৰকৃত শৃংখলাবোধ আৰু নিৰ্মোহ কৰ্তব্যবোধ বুলিলে আমি সাধাৰণতে যি বুজো, তাৰেই জ্বলন্ত নিদৰ্শন তেখেত । তেখেতৰ ব্যক্তিত্বত আত্মযশ বা আত্মাভিমানৰ লেশমানো চেকা নাছিল । সময়নিষ্ঠতা আছিল তেখেতৰ অন্যতম গুণ । কটন কলেজৰ পুৱাৰ প্ৰথম ক্লাছটো আৰম্ভ হোৱাৰ আগতেই কলেজত উপস্থিত হৈ নিশাৰ ভাগৰ শেষ ক্লাছটো শেষ নোহোৱা পৰ্য্যন্ত তেখেতে কলেজ নেৰিছিল । তেখেত ইমানেই নিয়মনিষ্ঠ আছিল যে অধ্যক্ষ হৈ থকা অৱস্থাতেই এবাৰ অলপ নম্বৰ কম হোৱা বাবে তেখেতৰ নিজ পুত্ৰ এজনো কটন কলেজত নাম ভৰ্ত্তিৰপৰা বঞ্চিত হৈছিল ।

কটন কলেজৰ অধ্যক্ষ হৈ থকা অৱস্থাতেই ১৯৬৯ চনত তেখেত এডিচনেল ডি. পি. আই হিচাপে শিলঙলৈ যাবলগীয়া হোৱাত কটন কলেজৰ অধ্যক্ষৰ জীৱনৰ অন্ত পৰে ।পাছলৈ তেখেতে মেঘালয়ৰ ডি. পি. আই. হিচাপে ১৯৭৩ চনত অৱসৰ গ্ৰহণ কৰে । ১৯৭৬ চনৰ ৫ জানুৱাৰীত তেখেত অসম লোকসেৱা আয়োগৰ সদস্য পদলৈও মনোনীত হয় আৰু ১৯৭৯ চনলৈ ৬ বছৰ কাল এই পদত কাৰ্য্যনিৰ্বাহ কৰে। কিন্তু এনে যথেষ্ট সন্মানজনক পদত অধিষ্ঠিত হোৱা স্বত্বেও ইছলাম চাহাবে কটন কলেজৰ অধ্যক্ষ হিচাপে কটোৱা কালছোৱাকেই জীৱনৰ সফলতম আৰু আনন্দময় জীৱন বুলি বিবেচনা কৰিছিল ।

কৰ্মক্ষেত্ৰত তেখেতৰ সততা প্ৰশংসনীয়। প্ৰকৃততে সততাৰ বীজ ৰক্তকনিকাত মিশ্ৰিত থাকিলেহে এনে ব্যক্তিত্বৰ অধিকাৰী হোৱা সম্ভৱ । ইছলাম চাহাবৰ সততা সম্বন্ধীয় এটি ঘটনা উল্লেখযোগ্য। তেখেতে লোকসেৱা আয়োগৰ সদস্য পদৰপৰা অৱসৰ লৈছেহে মাথোন। এনেতে সেই বছৰৰ Asstt.

Conservator of Forest পদৰ পৰীক্ষাৰ ফলাফল ঘোষিত হ'ল। তেখেতে লোকসেৱা আয়োগৰ সচিবক এটা ৰোল নম্বৰ দি ফোন যোগে পৰীক্ষাৰ খবৰ সুধিলে। কিন্তু সচিবজনে যথেষ্ট অস্বস্তিৰে জনালে উক্ত ৰোল নম্বৰটোৰ অকৃতকাৰ্য্যতাৰ খবৰ। পাছত ইছলাম চাহাবৰ পৰা যেতিয়া গম পালে যে ল'ৰাজন আন কোনো নহয় তেখেতৰ স্বপুত্ৰ, তেতিয়া সচিবকে আদি কৰি আন বিষয়-ববীয়া সকলৰ আশ্চৰ্য্যৰ সীমা নোহোৱা হ'ল। কিয়নো তেখেতৰ ল'ৰাই পৰীক্ষা দিছে বুলি কোনেও ঘুণাক্ষৰেও শুনা নাছিল। অথচ তেখেত নিজেই পৰীক্ষা প্ৰক্ৰিয়াৰ সৈতে জড়িত আছিল ।নানাভাবে কলুষিত হোৱা লোক সেৱাৰ আজিৰ পৰিৱেশত ইয়াক অবিশ্বাস্য যেন লাগিলেও সত্য অছিল ।

বিশিষ্ট শিক্ষাসেৱী তথা সমাজসেৱী নুৰুল ইছলাম চাহাব বিভিন্ন শিক্ষানুষ্ঠান তথা অন্যান্য অনুষ্ঠান- প্ৰতিষ্ঠানৰ সৈতেও জড়িত আছিল । তেখেত গোৱালপাৰাৰ সৈনিক বিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ একজিকিউটিভ কাউন্সিলৰ সদস্য আছিল ।তদুপৰি গুৱাহাটী হজ অভ্যৰ্থনা সমিতিৰ তেখেত ৫ বছৰ কাল সভাপতি আছিল।

১৯৫৮ চনত শিলঙৰ মহিলা মজলিছৰ প্ৰথম সভাখন তেখেতৰ ঘৰতে হৈছিল ।গুৱাহাটীত ১৯৮৮ চনত গঠন হোৱা হজত আয়েশ্বা শিক্ষা ন্যাসৰ প্ৰথম সভাখন তেখেতৰ সভাপত্বিত অনুষ্ঠিত হৈছিল।

খেল- ধেমালিতো তেখেতৰ যথেষ্ট ৰাপ আছিল । বিশেষ ৰাপ আছিল কবিতা আবৃত্তি আৰু সঙ্গীতত। স্কুলীয়া দিনৰ পৰাই উচ্চ প্ৰশংসিত স্কাউট ইছলাম চাহাবে পূৰ্ণ বয়সত অসম আৰু মেঘালয়ৰ 'Scouts and Guides'ৰ ৰাজ্যিক কমিছনাৰ হয় আৰু এই অনুষ্ঠানলৈ আগবঢ়োৱা সেৱাৰ বাবে ৰাষ্ট্ৰপতিয়ে তেখেতক 'ছিলভাৰ এলিফেন্ট' বঁটাৰে সন্মানিত কৰে ।


দক্ষতা, নিষ্ঠা, কৰ্তব্যপৰায়ণতা তথা নিয়ম শৃংখলাৰ সমাহাৰস্বৰূপ এইজনা ব্যক্তিয়ে ২০০২ চনৰ ১৬ জুলাই তাৰিখে নশ্বৰ দেহ ত্যাগ কৰে । সমাজে যেন হেৰুৱালে এক সৎ, নিষ্ঠাবান তথা নিস্বাৰ্থ মানৱপ্ৰেমী । এই মহান ব্যক্তি আজি আমাৰ মাজত নাই । কিন্তু মৃত্যুৰ পাছতো তেখেতৰ অৱদান আৰু কৃতিয়ে আমাক তেখেতৰ বিষয়ে স্মৰণ কৰিবলৈ অনুগত কৰি ৰাখিছে। এনেবোৰ আদৰ্শ আজিৰ প্ৰজন্মৰ পথ প্ৰদৰ্শক হওঁক।❖

---

(লেখক নুৰুল ইছলামৰ পুত্ৰ)

# বাহাৰুল ইছলাম

প্ৰফুল্ল কুমাৰ দাস



যিকেইজন সুযোগ্য অসমীয়াই সৰ্ব্ব ভাৰতীয় পৰ্য্যায়ত আৰু বিশ্ব প্ৰেক্ষাপটত অসমৰ নাম উজলাবলৈ সক্ষম হৈছে, তেওঁলোকৰ ভিতৰত দেশৰ সৰ্বোচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ প্ৰয়াত বাহাৰুল ইছলাম অন্যতম। ইছলামৰ বৰ্ণাঢ্য জীৱনটো যদি এবাৰ ফঁহিয়াই চোৱা যায়, তেনেহ'লে প্ৰতিজন মানুহেই স্বীকাৰ কৰিবলৈ বাধ্য হ'ব 'সংগ্ৰাম আন এটি নাম জীৱনৰে'। ৰঙিয়াৰ সমীপৰ উদিয়ানাত এটি সাধাৰণ কৃষক পৰিয়ালত ১৯১৮ চনৰ ১ মাৰ্চত জন্মগ্ৰহণ কৰিছিল বাহাৰুল ইছলামে। পাছলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়ধীশ আৰু তিনিবাৰকৈ ৰাজ্যসভাৰ সাংসদ হ'ল যদিও কৃষকৰ সৰলতা তেওঁৰ ব্যক্তিত্বত লিপিট খাই থাকিল ওৰেটো জীৱন। সৰল জীৱন যাপনত বিশ্বাসী ইছলামে ৰেংগুন, মস্কো, বাগদাদ, বেইজিং, বুডাপেষ্ট, আদিত অনুষ্ঠিত আন্তৰ্জাতিক আলোচনাচক্ৰত যোগদান কৰি অসমীয়াৰ মান বঢ়াইছিল। বাৰ্মা, মালয়েছিয়া, ছুইজাৰলেণ্ড, ছোভিয়েট ৰাছিয়া, জাৰ্মানী, ফ্ৰান্স, ইংলেণ্ড, ইটালী, ইৰাক, চৌডি আৰব, চীন, হাংগেৰী আদি দেশ ভ্ৰমণ কৰি এই কথা প্ৰমাণ কৰি দিছিল যে যোগ্যজনৰ বিচৰণ ক্ষেত্ৰ কোনো ভৌগোলিক সীমাৰেখাৰ মাজত আবদ্ধ নাথাকে।

বাহাৰুল ইছলামৰ মাক প্ৰতিমা (?) বিবি আছিল নিৰক্ষৰ। পিছে ইছলামৰ কলিমাকেইটা আৰু নামাজৰ কাৰণে লাগতিয়াল কোৰাণৰ চুৰাকেইটামান মুখস্থ কৰি সেয়া কণমানি বাহাৰুলক শিকাবলৈ তেওঁ পাহৰা নাছিল। নাঙলৰ মুঠিত ধৰি সেউজীয়া সপোন ৰচা কৃষক পিতৃ (তমজিৰ আলী)য়েও কোনোদিনে গৰকি পোৰা নাছিল স্কুলৰ বাৰাণ্ডা। পিছে গাঁৱৰে মোল্লাজনৰ ঘৰলৈ গৈ অসমীয়া ভাষা শিকাত তেওঁ সদায় আগভাগ লৈছিল। স্কুললৈ নগৈও সুন্দৰকৈ বাংলা ভাষা লিখিব আৰু পঢ়িব পাৰিছিল মানুহজনে।

মাইনৰ স্কুলত পঢ়াৰ সময়ত সদায় স্কুললৈ যোৱাৰ পৰলৈকে পুৰা হাল বাব লাগিছিল বাহাৰুল ইছলামে। স্কুল ছুটীৰ পিছতো কঠীয়া তোলা, মৰণা মৰা, মাহ-সৰিয়হ, কুঁহিয়াৰৰ খেতি কৰা, কুঁহিয়াৰ পেৰা আদি বিভিন্ন কামৰ বোজা মূৰ পাতি ল'বলগীয়া হৈছিল। পিছে ইমানৰ পাছতো মাইনৰ স্কুলৰ ফাইনেল পৰীক্ষাত তেওঁ প্ৰতিযোগিতামূলক বৃত্তি লাভ কৰিছিল। মাহে পাঁচ টকাকৈ চাৰি বছৰৰ বাবে। ৰঙিয়া মাইনৰ স্কুলৰ পৰা সৰ্বপ্ৰথম বৃত্তি পোৱা ছাত্ৰজন বাহাৰুল ইছলাম। ইয়াৰ পিছত নলবাৰী গৰ্ডন হাই স্কুলত সপ্তম শ্ৰেণীত নাম ভৰ্তি কৰে তেওঁ। তেতিয়া ধনৰ অভাৱত হোষ্টেলত থাকিব পৰা নাছিল ছাত্ৰ বাহাৰুল।

১৯৩৩ চনত গুৱাহাটীত অসম ছাত্ৰ সন্মিলন বহিছিল। সন্মিলনত অংশগ্ৰহণ কৰাৰ বাবে নলবাৰীৰ পৰা হাজো হৈ আমিনগাঁৱলৈ ৩০ মাইল বাট খোজ কাঢ়িছিল বাহাৰুল ইছলামে। লগত লৈছিল কেইটামান চিৰা। মূলতঃ ৰে'লৰ ভাৰা তেৰ অনা বচাবৰ বাবেই এইদৰে নলবাৰীৰ পৰা গুৱাহাটীলৈ খোকাঢ়িবলৈ বাধ্য হৈছিল তেওঁ।

১৯৩৪ চনত নলবাৰী গৰ্ডন হাইস্কুলৰ পৰা বাহাৰুল ইছলামে মেট্ৰিক পাছ কৰে। তেওঁ আন তিনিজনৰ সৈতে কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত এই পৰীক্ষাত ষ্টাৰ মাৰ্ক পাই বৃত্তি লাভ কৰিছিল। নলবাৰী গৰ্ডন হাইস্কুলে সেইবাৰেই প্ৰথম এনেদৰে উৎকৃষ্ট ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়।

মেট্ৰিকৰ বাছনি পৰীক্ষালৈকে বাহাৰুল ইছলামৰ নাম আছিল গমিৰ উদ্দিন। ই ফাৰ্চী নাম। শিক্ষকৰ পৰামৰ্শক্ৰমে পাছত তেওঁৰ এই নাম সলনি কৰি বাহাৰুল ইছলাম ৰখা হয়। ই আৰবী নাম। ইয়াৰ অৰ্থ শান্তিৰ পাৰাবাৰ। ইছলামে এঠাইত

লিখিছে -- ‘মোৰ জীৱনত শান্তি আছে, পাৰাবাৰ নাই বা বসন্ত আছিল নে নাই নাজানো, আছিল কিন্তু গ্ৰীষ্ম, শৰৎ আৰু সংগ্ৰাম।’ মন্তব্যটো গুৰুত্বপূৰ্ণ।

১৯৩৪ চনত মেট্ৰিক পাছ কৰাৰ পিছত বাহাৰুল ইছলামে ঐতিহ্যমণ্ডিত কটন মহাবিদ্যালয়ত নাম ভৰ্তি কৰে। তেতিয়া বৃত্তিৰ ধন পাইছিল মাহে ১৫ টকাকৈ। হোষ্টেলত আধা খৰচ ৰেহাই। ঘৰৰ পৰা অলপ-অচৰপ সহায় লৈ চলি যায় যেনেতেনে।

১৯৩৬ চনত আই এছ চি পৰীক্ষা দি ফলাফললৈ তিনিমাহ অপেক্ষা কৰাৰ সময়ত ৰঙিয়া হাই মাদ্ৰাছাত অবৈতনিক শিক্ষক হিচাপে কাম কৰিছিল বাহাৰুল ইছলামে। পিছত ফলাফল ঘোষণা কৰে আৰু এই পৰীক্ষাতো তেওঁ কুৰিটকীয়া বৃত্তি পায়। লগতে সমূহ মুছলমান ছাত্ৰৰ ভিতৰত প্ৰথম হোৱাৰ বাবে সোণৰ পদক এটিও লাভ কৰে। (হাজী মোহাম্মদ শ্বাহ মৌজাদাৰ স্মাৰক পদক - সংকলক)

ডিগ্ৰী পৰ্যায়ত বিজ্ঞান বাদ দি কলা শাখাত নামভৰ্তি কৰিছিল বাহাৰুল ইছলামে। ১৯৩৮ চনৰ জুন মাহত বি এ পাছ কৰাৰ ঠিক দুমাহ পূৰ্বে মাতৃহাৰা হয় তেওঁ। টকা-পইচাৰ অভাৱৰ বাবেই ইয়াৰ পিছত উচ্চ শিক্ষা গ্ৰহণৰ আশা বাদ দিবলগীয়া হ’ল। কিয়নো উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ হ’লে মাটি বিক্ৰী কৰিব লাগিব আৰু এনে কৰিলে যে তেওঁৰ নাবালক ভাই-ভনীকেইটা অনাহাৰে মৰিব। উচ্চ শিক্ষা গ্ৰহণৰ আশা ইমানতে সামৰি ১৯৩৮ চনৰ জুলাইত মাহে ৪০ টকা দৰমহাত নলবাৰী গৰ্ডন হাইস্কুলত ‘মাষ্টৰ’ হয় বাহাৰুল ইছলাম। অৱশ্যে পিছৰ বছৰেই তেওঁ ধুবুৰী চৰকাৰী হাইস্কুলত স্থায়ী গ্ৰেজুৱেট শিক্ষক হিচাপে নিযুক্ত হয়। দৰমহা মাহে ৭৫ টকা। কটনত পঢ়ি থকা সময়ত তেওঁ ৰ’ভাৰ স্কাউট আছিল। সেই সূত্ৰে ধুবুৰী হাইস্কুলত স্কাউট মাষ্টৰো হয়। ধুবুৰীত থাকোতেই ১৯৪৪ চনত পিতৃৰ বিয়োগ ঘটে। ইয়াৰ কিছুদিন পিছতে শিক্ষা বিভাগে তেওঁক বি টি পঢ়িবলৈ শ্বিলঙৰ চেণ্ট এডমাণ্ডছ্ কলেজলৈ পঠিয়ায়।

পৰিস্থিতিৰ দাস হৈ উচ্চ শিক্ষা গ্ৰহণৰ পৰা আঁতৰি থাকিল যদিও কিবা এক অপূৰ্ণতাবোধে তেওঁক অহৰহ আমনি কৰিলে। প্ৰাইভেটকৈ এম এ পৰীক্ষা দিয়াৰ বাবে এদিন এঘৰলৈ পুৰণি কিতাপ বিচাৰি গ’ল। পিছে ভিতৰত কোনোবাই টানকৈ কোৱা শুনি গৃহস্থক মাত নিদিয়াকৈ তেওঁ তাৰপৰা লাহেকৈ প্ৰস্থান কৰিলে।

দূৰ্গাপূজাত বি টি কলেজ কিছুদিনৰ বাবে বন্ধ হ'ল। এই বন্ধত ঘৰলৈ নাহি বাহাৰুল ইছলাম শ্বিলঙৰ পৰা কলিকতা পালেগৈ। কলেজ ষ্ট্ৰীটৰ ফুটপাথৰ পৰা কিছু ছেকেণ্ডহেণ্ড কিতাপ কিনিহে উভতিল। সেই সময়ত অসমৰ মুখ্যমন্ত্ৰী আছিল ছাৰ চৈয়দ ছাদুল্লা। তেওঁক লগ ধৰি উচ্চ শিক্ষা গ্ৰহণৰ বাবে থকা আগ্ৰহৰ কথা কোৱাত ছাদুল্লাই কৈছিল - 'হাতৰ চাকৰি এৰি এম এ আৰু ল পঢ়িবলৈ ওলাইছা। আলিগড়ৰ পৰা আহি চাকৰিৰ কাৰণে বাটে বাটে কান্দি ফুৰিব লাগিব।' ইমানৰ পাছতো উচ্চ শিক্ষা গ্ৰহণৰ আশা আৰু চেষ্টা বাদ দিয়া নাছিল বাহাৰুল ইছলামে। ইয়াকে কয় মনৰ দৃঢ়তা আৰু একাগ্ৰতা।

যুদ্ধৰ সময়। ৰে'লত ভিৰ, ষ্টেচনত ভিৰ। ইয়াৰ মাজতেই বাহাৰুল ইছলাম আলিগড় পালেগৈ। নানা সমস্যা অতিক্ৰম কৰাৰ পিছত এম এ আৰু এল এল বিত নামভৰ্তিও কৰিলে। পিছে জ্বৰে এৰিলেও যেন পৰকতিয়ে নেৰে। কলেজৰ ছীট পালে যদিও হোষ্টেলত ছীট নাই। দহ দিনমান পিছত ডি. ডি. টি. ছটিয়াই এটি মৰ্গতে থকাৰ ব্যৱস্থা কৰি দিয়া হ'ল বাহাৰুল ইছলামক। জুমান নামৰ কৰাচীৰ ল'ৰা এজনৰ সৈতে এইদৰে মৰাশ থোৱা ঘৰতে থাকিবলগীয়া হৈছিল তেওঁ। মৰ্গটোত বিজুলী চাকি আৰু পানীৰ কোনো ব্যৱস্থা নাছিল। হাৰিকেন লেম্পৰ পোহৰতে পঢ়িব লগা হৈছিল। মাত্ৰ পাঁচ মাহমানহে পঢ়িবলৈ সময় পাইছিল যদিও ল প্ৰিভিয়াছত তেওঁ প্ৰথম শ্ৰেণী লাভ কৰি মেধাৰ পৰিচয় দিছিল। আলিগড়ত পঢ়ি থাকোতে খেতিয়কৰ ল'ৰা বুলি জনাৰ পিছত বহুতৰে তেওঁৰ প্ৰতি ব্যৱহাৰ সলনি হৈছিল। তেতিয়া বাহাৰুল ইছলামে সেইসকলক স্পষ্ট ভাষাৰে কৈ দিছিল যে অসমত খেতিয়কৰ ল'ৰাও ডাঙৰ মানুহ হয়। সি যি কি নহওঁক, ১৯৪৬ চনৰ মে'ত এম এ আৰু জুলাইত ল ফাইনেল দি তেওঁ ঘৰলৈ উভতিল। পুনৰ ধুবুৰীৰ চাকৰিত যোগদান কৰিলে। নৱেম্বৰত ফলাফল ঘোষণা হ'ল। লৰ প্ৰিভিয়াছ, ফাইনেল উভয়তে প্ৰথম শ্ৰেণী লাভ কৰিলে। ফলাফল ঘোষণাৰ পিছত স্বাভৱিকতেই চাকৰি ইস্তফা দিলে। তেতিয়া অসমত উচ্চ ন্যায়ালয় নাছিল। অসম কলিকতা হাইকৰ্টৰ অধীনত আছিল। এবছৰ প্ৰবেছন খাটিলে লাইচেন্স পোৱা যায়। প্ৰবেছন খটাৰ সময়তে মাহে ৫০ টকামান উপাৰ্জন হৈছিল। মাহটো চলিবলৈ ঘৰৰ পৰা চাউল আনিবলগীয়া হয়। তেতিয়াও গুৱাহাটীৰ পৰা গৈ পথাৰত হাল

বাবলগীয়া হৈছিল। ১৯৪৭ চনৰ ডিচেম্বৰত  তেওঁ পূৰ্ণ পৰ্য্যায়ৰ উকীল হয়। পূৰ্ণ পৰ্য্যায়ৰ উকীল হোৱাৰ পাছৰ বছৰেই ২৬ মাৰ্চ ১৯৪৯ চনত চান্দ মোহাম্মদ চৌধুৰী আৰু হাচান বাণু চৌধুৰীৰ মাজু জীয়ৰী চালেহা খাতুনৰ লগত বিবাহ পাশত আবদ্ধ হয় বাহাৰুল ইছলাম। বৰযাত্ৰী হৈছিল ফখৰুদ্দিন আলী আহমদো। প্ৰবেছন খটাৰ পৰা বিয়াৰ পাছলৈ তেওঁৰ ডেৰ হাজাৰমান টকা ধাৰ হৈছিল।

দেশ স্বাধীন হোৱাৰ পিছৰ প্ৰথম বছৰত ভাৰতীয় বৈদেশিক সেৱাত যোগদান কৰাৰ বাবে আগবাঢ়িছিল বাহাৰুল ইছলাম। পিছে হলিৰাম ডেকাই এই কথাত বাধা দিলে। পাছলৈ ডেকা হাইক'ৰ্টৰ ন্যায়াধীশ আৰু মুখ্য ন্যায়াধীশ হৈছিল আৰু তেতিয়া তেওঁ ইছলামক জিলা ন্যায়াধীশ পদত নিযুক্তি দিব বিচাৰিছিল। ইছলামে এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে। ১৯৫১ চনত ওকালতি কৰাৰ তিনি বছৰ সম্পূৰ্ণ হোৱাত তেওঁ হাইক'ৰ্টৰ অধিবক্তা হয়। ইয়াৰ সাত বছৰ পিছত ১৯৫৮ চনত উচ্চতম ন্যায়ালয়ৰ অধিবক্তা হয়।

ৰাজনীতিৰ সৈতেও জড়িত হৈ পৰা বাহাৰুল ইছলাম প্ৰথমে ছ'চিয়েলিষ্ট পাৰ্টীত আছিল। ১৯৫৫ চনত কংগ্ৰেছে ছ'চিয়েলিষ্ট পেটাৰ্ন অৱ ছ'চাইটিৰ নীতি গ্ৰহণ কৰাত ১৯৫৬ চনত তেওঁ কংগ্ৰেছত যোগদান কৰে। ১৯৬২ চনত প্ৰথমবাৰৰ বাবে কংগ্ৰেছ প্ৰাৰ্থী হিচাপে ৰাজ্যসভালৈ নিৰ্বাচিত হয় বাহাৰুল ইছলাম। ৰাজ্যসভাৰ সাংসদ হিচাপে কাৰ্যকাল উকলি যোৱাৰ পিছত ১৯৭২ চনত তেতিয়াৰ অসম আৰু নাগালেণ্ড হাইক'ৰ্টৰ ন্যায়াধীশ নিযুক্ত হয়। ১৯৭৮ চনত কাৰ্যবাহী মুখ্য ন্যায়াধীশ হিচাপে দায়িত্ব ভাৰ গ্ৰহণ কৰা ইছলামে পিছত মুখ্য ন্যায়াধীশৰ আসন শুৱনি কৰে আৰু ১৯৮০ চনৰ ১ মাৰ্চত এই পদৰ পৰা অৱসৰ লয়। সেই বছৰৰে ৪ ডিচেম্বৰত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে যোগদান কৰে। দুবছৰ দুমাহ এঘাৰ দিন এই পদত কাৰ্যনিৰ্বাহ কৰাৰ পাছত ১৯৮৩ চনৰ ১ মাৰ্চত অৱসৰ গ্ৰহণ কৰে। সেই বছৰৰে এক জুনত তেওঁ তৃতীয়বাৰৰ বাবে পুনৰ ৰাজ্যসভালৈ নিৰ্বাচিত হয়। ১৯৮৯ চনলৈ ৰাজ্যসভাৰ সাংসদ হিচাপে দায়িত্ব পালন কৰা বাহাৰুল ইছলামে বাৰ্ধক্যজনিত কাৰণত ১৯৯৩ চনৰ ৫ ফেব্ৰুৱাৰীত এই পৃথিৱীৰ পৰা মেলানি মাগে। (তেখেতৰ পত্নীৰ ২০ জুন ২০০৫ চনত মৃত্যু হয়)।

সাহিত্য চৰ্চাও কৰিছিল বাহাৰুল ইছলামে। তেওঁৰ মৃত্যুৰ পিছত বিভিন্ন সময়ত লিখা ৩১টা গল্প একগোট কৰি লয়াৰ্ছ বুক ষ্টলে প্ৰকাশ কৰি উলিয়াইছে ‘মোৰ জীৱনৰ এমুঠি জীয়া কাহিনী’। অৱসৰকালীন সময়ছোৱাত ইংৰাজী, অসমীয়া উভয় ভাষাতে আত্মজীৱনী লিখা ইছলামৰ বহু লেখা বিভিন্ন কাকত-আলোচনীত সিঁচৰিত হৈ আছে। এই সমূহ একগোট কৰি প্ৰকাশ কৰাৰ কাম পৰিয়ালটোৱে ইতিমধ্যে আৰম্ভ কৰিছে।

বাহাৰুল ইছলাম আছিল এজন উদাৰ, প্ৰগতিশীল চিন্তাধাৰাৰ, ধৰ্ম নিৰপেক্ষ, ন্যায়পৰায়ণ ব্যক্তি। সৰল জীৱন-যাপনত গভীৰভাৱে বিশ্বাসী লোকজনে উচ্চতম ন্যায়ালয়ত ন্যায়াধীশ হিচাপে দায়িত্ব পালন কৰাৰ সময়ত আচবাবৰ বাবে চৰকাৰৰ পৰা পোৱা টকা গ্ৰহণ কৰা নাছিল। সৰুতেই লিখা-পঢ়া নজনা মাকৰ পৰা ইছলামৰ কলিমাকেইটা শিকা বাহাৰুল ইছলামে গীতাৰ শ্লোকো খোকোজা নলগাকৈ মাতিব পাৰিছিল ।(১৯৮৩ চনত ভাৰত চৰকাৰৰ Hajj Goodwill Delegationৰ সদস্য হিচাপে তেখেতে হজ কৰিছিল। - সংকলক)

‘তালাক’ সম্পৰ্কীয় দুটা গুৰুত্বপূৰ্ণ ৰায়দানৰ জৰিয়তে বাহাৰুল ইছলাম যে গোড়া নাছিল তাৰ প্ৰমাণ পোৱা যায়। জিয়াউদ্দিন আহমদ আৰু আনোৱাৰা বেগমৰ মাজত চলা ‘তালাক’ সম্পৰ্কীয় এটা গোচৰত ইছলামে মহিলাগৰাকীক ভৰণ-পোষণ দিয়াৰ হুকুম দিছিল। ৰুবিয়া খাতুন আৰু আব্দুল খালেকৰ মাজত চলা অনুৰূপ আন এটা গোচৰত তালাকৰ অৰ্থ ব্যাখ্যা কৰি ইছলামে কৈছিল - তালাকৰ কাৰণে যুক্তিযুক্ত কাৰণ লাগিব আৰু তালাক দিয়াৰ আগতে স্বামীৰ আৰু স্ত্ৰীৰ পক্ষৰ পৰা নিযুক্ত দুজন মনোনীত সদস্যই মিলা-মিছা কৰিবৰ বাবে যত্ন কৰিব লাগিব। মিলামিছা নহ’লেহে তালাক প্ৰযোজ্য হ’ব।

বাহাৰুল ইছলামৰ দুয়োজন পুত্ৰই অধিবক্তা। ❖

---


(লেখকঃ আজিৰ দৈনিক বাতৰিৰ উপ-সম্পাদক, ২৯ জুন ২০০৮ দৈনিক বাতৰিৰ ‘অনুভূতি’ত প্ৰকাশিত)

ইছলাম চাহাবৰ আলোক চিত্ৰ হাছনা ৰহমানৰ সৌজন্যত পোৱা ।

# নুৰুল আমিন

মূল ঃ নাজনিন ফাৰুক (ইংৰাজী)

অনুবাদ আৰু পুনৰ লিখন ঃ দেবিৰা চুলতানা আহমদ



অসমৰ খেলজগতৰ ভোটা তৰা নুৰুল আমিনৰ জন্ম নগাঁওৰ এটি পুৰণি সম্ভ্ৰান্ত পৰিয়ালত। দিনটো আছিল ৮ জানুৱাৰী ১৯১৯ চন। দেউতাক আছিল খানবাহাদুৰ নুৰুদ্দিন আহমদ। তেখেত আছিল এজন নামজ্বলা উকিল আৰু চাহ খেতিয়ক। তেখেত বৃটিছ চৰকাৰৰ সময়ত Legislative council ৰ সদস্য আছিল। খিলাফত আন্দোলনৰ সময়ত মহাত্মা গান্ধীৰ আহবানত দেশত যি স্বাধীনতাৰ সংগ্ৰাম হৈছিল তাত তেখেতে যোগ দিছিল আৰু নিজৰ বৃটিছ চৰকাৰে দিয়া 'খান বাহাদুৰ' পদবিটোও পৰিহাৰ কৰিছিল।

নুৰুল আমিনৰ মাক আছিল ৰহিমা খাতুন। তেখেত আছিল সেই সময়ৰ নগাওঁ তথা অসমৰে এজন নামী মাটিৰ গৰাকী মনধন শইকীয়াৰ বৰ জীয়াৰী। এই মনধন শইকীয়া মনিৰাম দেৱানৰ সমসাময়িক। সেই সময়ত উজনিত মনিৰাম দেৱান, নগাওঁত মনধন শইকীয়া আৰু গুৱাহাটীৰ চাহজাহান পাটোৱাৰী অসমৰ প্ৰথম তিনিগৰাকী চাহখেতিয়ক আছিল।

নুৰুল আমিন তেখেতৰ পিতৃ-মাতৃৰ ৬ টি সন্তানৰ ভিতৰত পেটমোচা আছিল। তেখেতৰ ডাঙৰ গৰাকী ককায়েক নুৰ ইছলাম এগৰাকী নামজ্বলা উকিল আছিল। পাছলৈ তেখেত অসম লেজিচলেটিভ এচেম্বলীৰ কংগ্ৰেছ পাৰ্টিৰ সদস্য আছিল। তেখেতৰ আন গৰাকী ককায়েক এগৰাকী নামী চাহ খেতিয়ক আছিল।

নুৰুল আমিনে ডিব্ৰুগড়ৰ নামজ্বলা চাহ খেতিয়ক আলহাজ জালালুদ্দিন আহমদৰ কন্যা এলিন আহমদক বিয়া কৰায়। তেখেতৰ তিনিগৰাকী পুত্ৰ আৰু এগৰাকী কন্যা।

নুৰুল আমিনে নগাওঁ চৰকাৰী হাইস্কুলৰ পৰা ১৯৩৫ চনত প্ৰবেশিকা পৰীক্ষা পাছ কৰি গুৱাহাটী কটন কলেজৰ পৰা I.A. পৰীক্ষা পাছ কৰে। ইয়াৰ পাছত তেখেতে উচ্চ শিক্ষাৰ বাবে আলিগড় মুছলিম বিশ্ববিদ্যালয়ত ভৰ্ত্তি হয়। ইয়াৰ পৰাই তেখেতে ১৯৪১ চনত B.A. পাছ কৰি কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯৪৪ চনত M.A., LL.B. ডিগ্ৰী লাভ কৰে আৰু কলিকতা উচ্চ ন্যায়ালয়ত ওকালতি আৰম্ভ কৰে। তাত ওকালতি কৰা তেখেত প্ৰথম অসমীয়া।

তেখেতৰ সৰুৰ পৰাই খেলাধূলাতে ৰাপ আছিল। তেখেতে ফুটবল, টেনিছ, বেডমিণ্টন, টেবুল টেনিছ, হকী আৰু সকলো ধৰণৰ খেলা ধূলাতে সমানে পাৰদৰ্শিতা দেখুৱাব পাৰিছিল।

কটন কলেজত তেখেতে ১৯৩৬-৩৭ চনত 'ফুটবল ব্লু' পাইছিল। সেইদৰে কলেজ, ইউনিভাৰচিটিত পঢ়ি থকা অৱস্থাত টেনিছ খেলতো বহুতো পুৰস্কাৰ পাইছিল। ১৯৩৯-৪০ চনৰ সময়ছোৱাত 'টেনিছত কালাৰ' আৰু 'ফুটবলৰ কালাৰ' লাভ কৰিছিল। ১৯৪৪-৪৫ চনত কলিকতাৰ প্ৰসিদ্ধ মোহাম্মদান স্পোৰ্টিং ক্লাবৰ হৈ প্ৰথম ডিভিজনৰ ফুটবল লিগৰ হৈ খেলিছিল যদিও কিছু বছৰৰ পাছত অসমলৈ উভতি আহে।

তেখেত ১৯৪৮ চনত সন্তোষ ট্ৰফি ফুটবলত অসম দলৰ অধিনায়ক নিৰ্বাচিত হৈছিল কিন্তু শাৰীৰিক অসুস্থতাৰ কাৰণে খেলিব নোৱাৰিলে। ১৯৫০ চনত ৰঞ্জিট্ৰফি ক্ৰিকেট প্ৰতিযোগিতাত অসমদলৰ অধিনায়ক নিৰ্বাচিত হয়। ১৯৫৮ চনৰ পৰা ১৯৭৮ চনলৈকে অসম ফুটবল সন্থাৰ সম্পাদক আছিল। ১৯৬২ চনৰ পৰা ১৯৭৫ চনলৈকে সৰ্ব্বভাৰতীয় ৰেফাৰীবোৰ্ডৰ সভাপতি আছিল। ১৯৭৫ চনৰ পৰা ১৯৮০ চনলৈকে সৰ্ব্বভাৰতীয় ফুটবল ফেডাৰেছনৰ সভাপতি আছিল। এই পদৰ বাবে তেখেত অপ্ৰতিদ্বন্দিত হিচাপে নিৰ্বাচিত হৈছিল।

ভাৰতীয় অলিম্পিক সন্থাৰ বহু বছৰ ধৰি তেখেত উপসভাপতি আছিল । চোভিয়েট ৰাছিয়া, ব্ৰহ্মদেশ, থাইলেণ্ড, বাংলাদেশ, পাকিস্তান, জাম্বিয়া, কানাডা, চিঙ্গাপুৰ, ডুবাই, আবুধাবী আৰু বাহৰেইন আদি দেশত হোৱা শুভেচ্ছামূলক প্ৰদৰ্শনী ফুটবল খেলবোৰত দলৰ মেনেজাৰ হিচাপে ভাৰতৰ প্ৰতিনিধিত্ব কৰিছিল। ১৯৬২ চনত জাৰ্কাতত অনুষ্ঠিত হোৱা চতুৰ্থ এচিয়ান গেমচত সোণৰ পদক পোৱা ভাৰতীয় ফুটবল দলৰ মেনেজাৰ আছিল।

নুৰুল আমিনৰ সৰ্ব্ব ভাৰতীয় ফুটবল সন্থাৰ সভাপতি কাৰ্য্যকালত তেখেতৰ উদ্যোগত বৈশিষ্টপূৰ্ণ ফেডাৰেচন কাপ ফুটবল টুৰ্ণামেণ্ট আৰু ৰাষ্ট্ৰীয় চাব জুনিয়ৰ ফুটবল টুৰ্ণামেণ্ট আৰম্ভ হয়।

তেখেতৰ চেষ্টাতে অসমত কেইবাটাও ক্ৰীড়া অনুষ্ঠান গঢ় লৈ উঠে যেনে— অসম অলিম্পিক এচোচিয়েচন, অসম এমেচাৰ এথেলেটিক এচোচিয়েচন, অসম ভলীবল এচোচিয়েচন, অসম বাস্কেটবল এচোচিয়েচন, অসম লন টেনিচ এচোচিয়েচন, অসম হকী এচোচিয়েচন, অসম টেবুল টেনিচ এচোচিয়েচন, অসম ফুটবল এচোচিয়েচন, অসম ক্রিকেট এচোচিয়েচ আদি।

১৯৬৫ৰ পৰা ১৯৬৯ চনলৈ তেখেত ৰাজ্যিক যুবক্ৰীড়া সঞ্চালকালয়ত সঞ্চালক বিষয়াৰূপে আছিল আৰু তেখেতৰ যত্নতেই ১৯৬৬ চনত শ্বিলঙত প্ৰথম বাৰৰ বাবে স্কুল গেমচ চেম্পিয়ন শ্বিপ প্ৰতিযোগিতা অনুষ্ঠিত হয়।

নুৰুল আমিন পি.ডি.ষ্ট্ৰেচীৰ ঘনিষ্ঠ সহযোগী আছিল আৰু তেখেত সকলৰ প্ৰচেষ্টাত অসমৰ বিভিন্ন ঠাইত ষ্টেডিয়াম পতাৰ ধাৰণা গঢ় লৈ উঠে। ফলত যোৰহাটত প্ৰথম ষ্টেডিয়াম প্ৰতিষ্ঠা কৰা হয়।পাছত অসম নেচনেল স্পোৰ্টচ ক্লাবৰ সম্পাদকহিচাপে তেখেতে তেতিয়াৰ নেচনেল স্পোৰ্টচ ক্লাবৰ আঞ্চলিক সমিতিৰ সভাপতি ৰাধা গোবিন্দ বৰুৱাক গুৱাহাটীত এখন ষ্টেডিয়াম প্ৰতিষ্ঠা কৰাৰ বিষয়ে জোৰ দিয়ে আৰু তেখেতসকলৰ যুটীয়া প্ৰচেষ্টাত বৰ্ত্তমানৰ নেহৰু ষ্টেডিয়াম গুৱাহাটীত স্থাপিত হয়।

তেখেতৰ প্ৰচেষ্টাত অসমত ক্ৰীড়া অনুষ্ঠান বোৰে ঠন ধৰি উঠে আৰু ভাৰতত আন ঠাইৰ দৰে নানা ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ লয়। তেখেতৰ

দূৰদৰ্শিতা আৰু চেষ্টাৰ ফলতে অসমত স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হয় যি অসমৰ ক্ৰীড়াৰ দৃশ্যপট সম্পূৰ্ণ সলনি কৰে।

তেখেতৰ চেষ্টাতেই নগাঁৱৰ ক্ৰীড়া জগতৰ বহুতো উন্নতি হয় আৰু জুবিলী খেল পথাৰখন এখন ষ্টেডিয়ামলৈ ৰূপান্তৰিত হয়। ক্ৰীড়া জগতলৈ নুৰুল আমিনৰ অৱদানৰ স্বীকৃতি স্বৰূপে এই খেলপথাৰখন তেখেতৰ জীৱিত কালতে ১৯৯০ চনত 'নুৰুল আমিন ষ্টেডিয়াম' বুলি নগাওঁ ক্ৰীড়া সন্থাই নামকৰণ কৰে।

তেখেতৰ প্ৰচেষ্টাতেই কেইবাটাও বিদেশী দলে অসমত ফুটবল খেলিবলৈ আহে।

ক্ৰীড়াজগতৰ প্ৰতি নুৰুল আমিনৰ অৱদান অসীম আৰু তাৰ স্বীকৃতি স্বৰূপে অসম চৰকাৰে তেখেতক 'স্পোৰ্টচমেন পেন্সন' দিছিল।

নুৰুল আমিন যে কেৱল খেল আদিতেই ব্যস্ত আছিল এনে নহয়। সকলো ব্যস্ততাৰ মাজতো তেখেতে ১৯৬৯ চনৰ পৰা ১৯৭৩ চনলৈ নগাঁৱ আইন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল। কলিকতাত ১৯৪৫-৪৬ চনত এ. এছ. এল ক্লাবৰ সভাপতি আছিল। নানা শিক্ষা আৰু সামাজিক অনুষ্ঠানৰ লগত জড়িত থকাৰ উপৰিও তেখেত গুৱাহাটী আকাশবাণীৰ প্ৰগেম উপদেষ্টা সমিতিৰ সদস্য আছিল। গুৱাহাটীৰ ইমদাদীয়া হস্পিতালৰ এজন প্ৰতিষ্ঠাপক সঞ্চালক আছিল। অসমৰ ক্ৰীড়া জগতক নতুন ৰূপ দিয়া নুৰুল আমিনৰ ১৯৯১ চনৰ ২৯ আগষ্টত মৃত্যু হয়।

নগাঁও ক্ৰীড়া সন্থাই এই দিনটো নুৰুল আমিন স্মৃতি দিৱস হিচাপে প্ৰতিবছৰে পালন কৰে আৰু নগাঁৱ টেনিচ ক্লাবে নুৰুল আমিন স্মাৰক সদৌ অসম জুনিয়ৰ টেনিচ টুৰ্ণামেণ্ট পাতে।❖

---

(মূল লিখিকা নুৰুল আমিন চাহাবৰ ভতিজাজী)

# চৈয়দ আব্দুল মালিক

কমৰুজ্জামান আহমদ



যোৱা শতাব্দীৰ ত্ৰিশৰ দশকৰ পৰা আৰম্ভ কৰি শতাব্দীৰ শেষ মূহুৰ্ত্তলৈকে সুদীৰ্ঘ আঠটা দশকৰ অসমৰ ইতিহাস, সমাজ, সংস্কৃতি, জীৱনধাৰা আৰু বিচিত্ৰ ঘটনাসমূহ লৈ পৰিপূৰ্ণ ৰচনাৱলীৰে অসমীয়া সাহিত্য সমৃদ্ধ কৰি যোৱা মানুহজনেই হ'ল চৈয়দ আব্দুল মালিক- আমাৰ অতি শ্ৰদ্ধাৰ মালিক ছাৰ। এনে বিপুল পৰিমাণৰ লেখাৰ কৃতিত্ব আন কোনো অসমীয়া লেখকে দাবী কৰিব নোৱাৰে। কিন্তু তেখেতৰ লিখা কেবল পৰিমাণতেই নহয় গুৰুত্ব আৰু মহত্বৰ ফালৰ পৰাও অসমৰ সাহিত্যত সকলো সময়ৰ বাবে এটা কীৰ্তিস্তম্ভ হৈ ৰ'ব।

১৯১৯ চনৰ ২৪ জানুৱাৰীত জন্ম লাভ কৰা চৈয়দ আব্দুল মালিকৰ জন্মস্থান গোলাঘাটৰ নাহৰণি। পিতৃৰ নাম চৈয়দ ৰহমত আলী আৰু মাকৰ নাম চৈয়দা লতিফুন নিছা। (চৈয়দ আব্দুল মালিকৰ উপৰিপুৰুষ হজৰত মোহাম্মদ ওচমান গনি (খোন্দকাৰ পীৰ) আছিল হজৰত আজান পীৰৰ সমসাময়িক আৰু মালিক ছাৰ তেখেতৰ ১১ পুৰুষৰ বংশ । তেখেতে ১৯৩৭ চনত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষা পাছ কৰি জগন্নাথ বৰুৱা কলেজ (যোৰহাট)ৰ পৰা আই. এ পাছ কৰি কটন কলেজৰ পৰা ১৯৪১ চনত ইংৰাজী বিষয়ত অনাৰ্চ লৈ স্নাতক ডিগ্ৰী পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। পাছত কিছুদিন

অসম চৰকাৰৰ আৱকাৰী বিভাগ আৰু দ্বিতীয় মহাসামৰৰ সময়ত ‘ছিভিলিয়ান ছেন্সৰ’ৰ কাম কৰে। তাৰ পাছত কেইবা ঠাইতো চাকৰি কৰাৰ অন্তত ১৯৫১ চনত প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া সাহিত্য বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে আৰু সেই বছৰতেই যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰে। তাতেই সুদীৰ্ঘ ২৫ বছৰ চাকৰি কৰি ১৯৭৬ চনত অসমীয়া বিভাগৰ মুৰব্বী হিচাপে অৱসৰ গ্ৰহণ কৰে।

নৱম শ্ৰেণীত পঢ়ি থকা অৱস্থাত (১৯৯৩ চনত এই লেখকক তেখেতে নিজে কোৱা মতে) তেখেতৰ লিখা চুটি গল্প ‘বন্ধ কোঠা’ যোৰহাট চৰকাৰী হাইস্কুলৰ মুখপত্ৰ  জেউতিত ১৯৩৫ চনত প্ৰকাশ পায়। তেতিয়াৰ পৰা তেখেতৰ কলম মৃত্যুৰ আগলৈকে বন্ধ হোৱা নাছিল। তেখেতৰ লিখনিৰ পৰা ওলাইছে ৭২ খন উপন্যাস প্ৰায় ২০০০ টা চুটি গল্প, ২০ খন নাটক/নাটিকা, ৫ খন কবিতা পুথি, ৫ খন শিশু সাহিত্য, ৪ খন জীৱনী গ্ৰন্থ, ১ খন গীতৰ সঙ্কলন, এখন ভ্ৰমণ কাহিনী, ১০ খন গৱেষণামূলক গ্ৰন্থ, আৰু ৩ খন আত্মজীৱনীমূলক গ্ৰন্থ। চুটি গল্প বিলাকৰ কিছু কিছু সংখ্যাৰে প্ৰকাশ হয় ২৩ খন গল্প সংকলন। দুখন ৰস ৰচনাৰ পুথি আৰু অসংখ্য সৰু বৰ ৰচনাও তেখেতৰ কলমৰ পৰা ওলাইছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি বিভাগৰ গৱেষণা আঁচনিৰ অধীনত ‘অসমীয়া জিকিৰ আৰু জাৰী’ বিষয়ক গৱেষণা কৰি ১৯৫৮ চনত তেখেতে প্ৰকাশ কৰা ‘অসমীয়া জিকিৰ আৰু জাৰী’ অসমীয়া সাহিত্যলৈ এটা অমূল্য অৱদান। তেনেকৈ মহাপুৰুষ শঙ্কৰদেৱৰ জীৱনৰ আধাৰত লিখা উপন্যাস ‘ধন্য নৰ তনু ভাল’ আৰু মাধৱদেৱৰ জীৱনী ভিত্তিক উপন্যাস ‘প্ৰেম অমৃতৰ নদী’ দুখন তেখেতৰ সাহিত্য কৃতিত্বৰ অন্যতম যুগমীয়া স্বাক্ষৰ।

অসমীয়া সাহিত্য লৈ দি থৈ যোৱা এই অৱদানৰ বিষয়ে হোমেন বৰগোহাঞিয়ে এনেকৈ লিখিছে ‘মালিকে যি বিশাল চিত্ৰশালা সৃষ্টি কৰি থৈ  গৈছে সেই চিত্ৰশালাত অসমীয়া মানুহে অসমীয়া সমাজে নিজৰ প্ৰতিচ্ছৱি দেখিবলৈ পায়।

অসমীয়া সমাজৰ অতীতৰ উত্তৰাধিকাৰ, বৰ্ত্তমানৰ অভিজ্ঞতা আৰু ভৱিষ্যতৰ আশা এই সকলোবোৰ বিধুত হৈ আছে চৈয়দ আব্দুল মালিকৰ ৰচনাৱলীত । এই কথা কলে বোধ হয় অত্যুক্তি কৰা নহব যে আধুনিক যুগত লক্ষ্মীনাথ বেজবৰুৱাৰ পাছত মালিকেই হ'ল দ্বিতীয়জন লেখক যি জনে সমগ্ৰ অসমীয়া জাতিৰ হৃদয় জয় কৰিবলৈ সমৰ্থ হৈছে।' (মালিকৰ সুখ দুখ)।

এই বিশাল ৰচনা ৰাজি সম্ভৱ হৈছিল সদাব্যস্ত মালিক ছাৰৰ অনুশাসনবৰ্তিতাৰ বাবে। লক্ষ্মীনন্দন বৰাই (কাল-বলুকাত খোজ, প্ৰান্তিক ঃ ১-১৫ জুলাই ২০০৮) এই বিষয়ে লিখিছে, 'এবাৰ চৈয়দ আব্দুল মালিকৰ লগত মাজুলীৰ আঁহত গুৰিলৈ (সম্প্ৰতি এই ঠাই ব্ৰহ্মপুত্ৰৰ গৰ্ভত) গৈছিলো,....... আমাক ৰখা হৈছিল আঁহতগুৰিৰ ডাক-বঙলাৰ দৰে লগা ঘৰ এটাত। তাত বিজুলী বাতি নাছিল, কাৰণ সমগ্ৰ মাজুলীত তেতিয়া বিজুলী সৰবৰাহ নহৈছিল। এটা কোঠাত দুখন বিছনা আছিল তাতে আমি শুইছিলো। মোৰ কোন পলকত টোপনি গৈছিল কবই নোৱাৰিছিলো। প্ৰায় এঘণ্টাৰ পাছত ভাত ঘুমটি অন্ত পৰাত সাৰ পাই মই দেখিছিলো যে লেমৰ পোহৰত ক্ৰাউন ছাইজৰ বহী এখনত মালিক কাইটিয়ে কিবা লিখি আছে। মই শোৱাৰ পৰা উঠি তেওঁৰ ওচৰ পাই সুধিছিলো - 'বৰনৈপৰীয়াৰ দুৰ্দশাৰ কথা লিখিছে নেকি'? তেওঁ কৈছিল - 'হয়তো লিখিম। এতিয়া যোৱা পযেকৰ পৰা লিখি থকা উপন্যাস এখনৰ পাত কেইটামান লিখি আছো। মই ডিছিপ্লিন মতে চলি আছো নহয়। যতে থাকো লাগে, সদায় কেইটামান পাত লিখিমেই। এতিয়ালৈকে এই নিয়ম ভংগ কৰা নাই'। এই অনুশাসনবৰ্তিতাৰ কাৰণেই তেখেতে অসমীয়া ভাষা সাহিত্য এনেকৈ চহকী কৰি যাব পাৰিছিল'।

তেখেতৰ কেইবাখনো গ্ৰন্থ অন্য ভাষালৈ অনুবাদ হৈছে। এই বহুমুখী প্ৰতি ভা সম্পন্ন পুৰুষজনে ১৯৭২ চনত "অঘৰী আত্মাৰ কাহিনী"ৰ বাবে সাহিত্য একাডেমী বঁটা পাইছিল। অসম আন্দোলনৰ সময়ত তেখেত বহুতৰে অপ্ৰিয় হ'ল আৰু সঁচা কথা কোৱাৰ কাৰণে 'সাম্প্ৰদায়িক' আখ্যা পালে আৰু ৰাজহুৱা সভা, অনুষ্ঠান আদিৰ পৰা লাঞ্চিত হ'ল, বঞ্চিত হ'ল। কিন্তু এইজন মালিকেই 'মই অসমীয়া' কবিতাত লিখিছিল --

‘জীয়াই থাকোতে মই এই পৃথিবীত,
চিৰদিন ইয়াৰে অসমীয়া,
মৰিলেও অসমৰে মই,
মৰাৰ পিছতো যদি আহো পুনু কেতিয়াবা আহিম ইয়ালৈ ঘুৰি,
স্মিৰিতিৰ ইতিহাস লৈ, অসমৰে অসমীয়া হৈ’ ।

তেখেতৰ অসমৰ প্ৰতি প্ৰেম ইমানেই বেছি আছিল যে ২০০০ চনত যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভবনত অনুষ্ঠিত সাহিত্য সভাৰ বিশেষ বাৰ্ষিক অধিৱেশনত এই কবিতাটো নিজে আবৃত্তি কৰিছিল। কিন্তু আশীৰ দশকৰ আন্দোলনৰ ভাবাবেগৰ মালিক বিৰোধী হেঁচাই মালিক ছাৰৰ কণ্ঠৰোধ কৰিব নোৱাৰিলে। তেখেতৰ কলমৰ পৰা ওলাল ‘পোৰা গাঁৱত পহিলা বহাগ’। কিন্তু এই কিতাপ খনৰো বিৰোধিতা হৈছিল, পুৰি পেলোৱা হৈছিল। কিতাপখন বাজেয়াপ্ত কৰাৰ দাবী উঠিছিল। সেইখন কিতাপৰ পাতনিৰ কিয়দংশত তেখেতে কৈছিল - ‘পোৰা গাঁৱত পহিলা বহাগত থকা গল্প কেইটাৰ ঘটনাৰ থলী যদি অসম নহ’লহেতেন আৰু গল্পৰ সম্বল সঁচা ঘটনাবোৰ যদি মোৰ জীৱন কালত নঘটি মোৰ মৃত্যুৰ পিছত ঘটিলহেতেন আৰু এই নাৰকীয় ঘটনাবোৰ ঘটি থকা কালছোৱাত মই যদি এটা সচেতন, বিবেক সম্পন্ন মানুহ নহৈ এটা কণা, বোবা, কলা আৰু চেতনাহীন কীট হলোহেতেন আৰু মই যদি সাহিত্যিক বা লিখক নহলোহেতেন মই এইবোৰ গল্প লিখাৰ মৰ্মন্তুদ বেদনা বুকুত বহন কৰাৰ পৰা ৰক্ষা পৰি থাকিলোহেতেন। অন্যান্য গল্প লিখাৰ সময়ত উপলদ্ধি কৰা সৃষ্টিৰ আনন্দ মই হেৰুৱাই নেপেলালোহেতেন। যোৱা চাৰি পাঁচ বছৰত মই একুৰিমান চুটি গল্পহে লিখিলো। এই সময়ছোৱাই আছিল মোৰ আৰু মোৰ পৰিয়ালৰ আটাইতকৈ সংকটময় আৰু দুৰ্যোগপূৰ্ণ সময়। মোৰ মূৰত ওপৰত মৃত্যুৰ পৰোৱানা - ‘ লাগে লাগে মালিকৰ মূৰটো লাগে- পুৰস্কাৰ পাঁচশ টকা’। আমাৰ পৰিয়ালটো সামাজিকভাৱে বহিস্কৃত, বৰ্জিত, ‘বয়কটেড’- আমাৰ নাহৰণি গাওঁত গঢ়ি তোলা হৈছে সাম্প্ৰদায়িক সংঘৰ্ষৰ আখৰা। মোৰ যোৰহাটৰ ঘৰৰ চাৰিও দিশে এক হত্যা ষড়যন্ত্ৰৰ বেহু, ৰাতিৰ কথাই নাই, দিনতে

বাহিৰ ওলাই যোৱাটো বিপজ্জনক- এনে এটা অন্ধকাৰ সময়তে মোৰ ওচৰলৈ আহিছিল এই গল্পৰ কাহিনীবোৰ- অমানুষিক, পাশবিক, ভয়ঙ্কৰ আৰু অবিশ্বাস্য'। সেইকেইটা বছৰত অসমে এক সৃজনী প্ৰতিভাৰ উৎস বন্ধ কৰি ৰাখিলে ।

পাছত তেখেতে লিখিলে 'মোৰ জীৱনৰ নহ'লবোৰ'। যি খনত পোৱা যায় তেখেতৰ জীৱনৰ পোৱা নোপোৱাৰ এখন ডুখৰীয়া ছবি।

জীৱন কালত মালিক ছাৰে তেখেতৰ বহুমুখী প্ৰতিভাৰ স্বীকৃতি এনে ধৰণে পাই গৈছে ----

১। 'ছোভিয়েট দেশ নেহৰু বঁটা' ১৯৬৫ - 'মাজত মাথোন হিমালয়' গ্ৰন্থখনৰ বাবে।

২। সাহিত্য একাডেমীৰ বঁটা - ১৯৭২ - 'অঘৰী আত্মাৰ কাহিনী' নামৰ উপন্যাসখনৰ বাবে।

৩। অসম সাহিত্য সভাৰ অভয়াপুৰী অবিেশনৰ সভাপতি - ১৯৭৭

৪। পূৰ্বভাৰত সংস্কৃতি সংহতি বঁটা লাভ - ১৯৮১

৫। পদ্মশ্ৰী - ১৯৮৪

৬। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দ্বাৰা ডক্টৰ অৱ লিটাৰেছাৰ সন্মান প্ৰদান- ১৯৮৮

৭। 'হাৰ্মনি বঁটা' -Organisation of Understanding and Fraternity, India ১৯৮৯ (তাৰিখ মালিক ছাৰৰ টোকাৰপৰা)

৮। পদ্মভূষণ - ১৯৯২

৯। অসম উপত্যকা সাহিত্য পুৰস্কাৰ উলিয়ামচন মেগৰ প্ৰদত্ত - ১৯৯২

১০। আসাম এক্সপ্ৰেছ বটা লাভ - ১৯৯৩

১১। মুক্ত কণ্ঠ উপাধি লাভ - ১৯৯৪

১২। আজান ফকীৰ বঁটা লাভ - ১৯৯৫

১৩। মুন লাইট মিডিয়া বঁটা লাভ - ১৯৯৬

১৪। অসম সাহিত্য সভাৰ সৰ্ব্বোচ্চ সন্মান 'সাহিত্যাচাৰ্য' উপাধি লাভ - ১৯৯৭

১৫। সাহিত্য একাডেমী ফেলশ্বিপ - ১৯৯৯

১৬। শ্ৰীমন্ত শঙ্কৰদেৱ বঁটা লাভ ‘ধন্য নৰ তনু ভাল’ উপন্যাসখনৰ বাবে - ১৯৯৯

তাৰ উপৰি তেখেত ৰাজ্যসভাৰ সদস্য (১৯৭৬-৮২) অসম চৰকাৰৰ সংখ্যালঘু উন্নয়ন পৰিষদৰ চেয়াৰমেন আৰু সাহিত্য সভাকে ধৰি অন্যান্য নানান অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত নানাভাবে জড়িত আছিল। ১৯৯১ চনত চৈয়দ আব্দুল মালিক চৌডি আৰব চৰকাৰৰ নিমন্ত্ৰণত চৌডি আৰবলৈ যায় আৰু মক্কাত হোৱা ‘পৃথিৱীৰ মুছলমান সকল’ শীৰ্ষক এখন আন্তৰ্জাতিক আলোচনা চক্ৰত ভাৰতৰ প্ৰতিনিধিত্ব কৰে। সেই বছৰতেই তেখেতে হজো কৰে।

১৯৪৬-৪৭ চনত মালিক ছাৰ মাহেকীয়া আলোচনী ‘পায়গামৰ’ সম্পাদক আছিল। পায়গামত কৃপাবৰী ঠাচৰ ‘বেবেৰিবাং’ বুলি এটা ব্যঙ্গ ৰচনা ধৰ্ম্মী লেখা ওলাইছিল। লিখক আছিল মিঞা মৌজাদাৰ। সেই লিখাবোৰৰ ঠাচৰ পৰা অনুমান হয় সেইয়া চৈয়দ আব্দুল মালিকৰেই ছদ্ম নাম। তাত সমাজৰ নানা ধৰণৰ সমস্যাৰ কথা ৰস ৰচনাৰ যোগেদি প্ৰকাশ কৰা হৈছিল। তেখেতৰ ভাষা জ্ঞান আছিল অসীম। অসমীয়াৰ বাহিৰে তেখেতৰ বঙালী, হিন্দী, উৰ্দ্দু, ফাৰ্চী আৰু ইংৰাজীত ব্যুৎপত্তি আছিল। তেখেতৰ উড়িয়া, নেপালী, আৰবী, সংস্কৃত আৰু ৰুছ ভাষাৰো কিছু জ্ঞান আছিল।

মালিক ছাৰ আছিল হাঁহিৰ থুনুপাক। তেখেতে খুহুতীয়া কথাৰে সকলোকে আনন্দ দিব পাৰিছিল। কথাই কথাই ৰস কৰিব পাৰিছিল। সেইবাবে ছাৰৰ ক্লাছত ‘অতিথি’ ভৰি পৰে। মইয়ো ১৯৫৩-৫৫ চনত জে. বি. কলেজত বিজ্ঞানৰ ছাত্ৰ হৈয়ো সেই সময়ত ছাৰৰ ক্লাছত কেইবাবাৰো অতিথি ছাত্ৰ হিচাবে ভাগ লৈছো। তেখেতে কলা শাখাত অসমীয়া পঢ়াইছিল। মালিক ছাৰৰ লগত মোৰ চিনাকি সেই সময়তেই। সেই সময়ত আমি কেইজনমানে ‘সাহিত্য সেৱী চৰা’ নামৰ এটা সৰু সাহিত্যনুষ্ঠান আৰম্ভ কৰিছিলো আৰু তাৰ যোগেদিয়েই ছাৰৰ লগত অন্যান্য বুদ্ধিজীৱী সকলৰ সান্নিধ্যলৈ আহিছিলো। অতিকৈ সৰল হাঁহি মুখীয়া মানুহজনে আমাৰ অপৈণত লিখা আৰু কামত উৎসাহ দিছিল। কোনো সময়তে আমনি

নাপাইছিল। ’৫৫ চনৰ পৰা শিক্ষাৰ কাৰণে বাহিৰলৈ যোৱাৰ কাৰণে ছাৰৰ লগত যোগাযোগ নোহোৱা হয়। পুনৰ ৬০ৰ দশকত চাকৰি জীৱনত ছাৰৰ লগত পুনৰ যোগাযোগ হয়। তেখেত ডুলিয়াজানত আৰু মৰাণত আমাৰ ঘৰত কেইৰাতিমান আলহী আছিল। সেই সময়খিনি আমাৰ স্মৰণীয় হৈ থাকিব। তেখেতৰ লিখা কিছুমান চিঠি আছিল। কিন্তু কুৱেইটত থকা অৱস্থাত ইৰাক আক্ৰমণৰ সময়ত সেইয়া নোহোৱা হ’ল। শেষবাৰ তেখেতক লগ পাও ১৯৯৯ চনৰ মাৰ্চ মাহত আমাৰ যোৰহাটৰ ঘৰত। সেই সময়ত বেমাৰত ভুগি থকা স্বত্ত্বেও তেখেতৰ অদমনীয় জীৱন স্পৃহাৰে এটা ‘গাজা’ কৈছিল। (তেখেতৰ বহুতো গাজা আছে।) মোৰ পৰিবাৰৰ সৈতে তেখেতৰ লগত লগত কথা পাতি থাকোতে তেখেতৰ কুশল সোধোতে তেখেতে ক’লে ‘মই স্বাস্থ্য আৰু বয়সৰ কথা খিৰিকীৰ কাষত নকও। কাৰণ আজৰাইলে যদি বাহিৰৰ পৰা শুনে মোৰ যাবৰ সময় হৈছে বুলি ভাবিব।’ তেনে এজন অদমনীয় জীৱন স্পৃহা থকা মানুহ আজি আমাৰ মাজত নাই। ১৯ ডিচেম্বৰ ২০০০ চনত তেখেতৰ মৃত্যু হয়। কিন্তু তেখেতৰ লিখনিয়ে তেখেতক সদায় অমৰ কৰি ৰাখিব।

ইফালে সিফালে সিঁচৰতি হৈ থকা মালিক ছাৰৰ লিখাবোৰ সংকলন কৰি প্ৰকাশ কৰাৰ উদ্দেশ্যে তেখেতে ১৯৮৯ চন মানতে ‘হাছনা- হায়াত-মালিক ন্যাস’ নাম দি ন্যাস গঠন কৰিছিল।

মুস্লিমা জামানে (মালিক ছাৰৰ সম্বন্ধীয়া ভাগিনীয়েক) মাকৰ পৰা শুনা কথাৰ পৰা কৈছিল যে মালিক চাহাবে তেখেতৰ কথন শৈলী তেখেতৰ বাপেক ৰহমত আলী চাহাবৰ পৰা পোৱা । ৰহমত আলীয়ে খুব সুন্দৰকৈ কথা কব পাৰিছিল আৰু কেতিয়াবা বৰুৱা বামুন গাওঁৰ ৰেল ষ্টেচনৰ পৰা ঘৰ পাবলৈ তেওঁৰ দুদিনমানো লাগিছিল। বাটে পথে কথা পাতি মানুহৰ খবৰ কৰি, গল্প কৰি, মানুহৰ ঘৰত ৰাতি কটাই দুদিনমানৰ মূৰত ঘৰ ওলাইহি।

আমি আশাকৰো লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৰাজিৰ দৰে চৈয়দ আব্দুল মালিকৰ ৰচনাৰাজিয়ে অসমীয়া ভাষা সাহিত্যৰ বাবে সঞ্জীৱনী খুটা স্বৰূপ হৈ থাকিব।

এনে এজন মানুহৰ কৰ্ম্মৰাজিৰ বিষয়ে সম্পূৰ্ণকৈ লিখা প্ৰায়ে অসম্ভৱ। সেয়ে ইয়াৰ লগতে মালিক ছাৰৰ শিক্ষা, কৰ্মজীৱন, সাহিত্য-সংস্কৃতিলৈ অৱদান সন্নিৱিষ্ট কৰা হৈছে ।

চৈয়দ আব্দুল মালিকৰ শিক্ষা, কৰ্মজীৱন, সাহিত্য-সংস্কৃতিলৈ অৱদান ঃ

১৯২৪ ঃ ৩৩ নং নাহৰণি নিম্ন বুনিয়াদি বিদ্যালয়ত নাম ভৰ্ত্তি।

১৯২৮ ঃ ৩৩ নং নাহৰণি নিম্ন বুনিয়াদী বিদ্যালয়ৰ শেষ পৰীক্ষাত উত্তীৰ্ণ আৰু বৃত্তি লাভ।

১৯২৯ ঃ দেৰগাওঁ এম. ই. স্কুলত তৃতীয় শ্ৰেণীত নাম ভৰ্তি।

১৯৩৩ ঃ নতুনকৈ প্ৰতিষ্ঠা কৰা দেৰগাঁও হাইস্কুলত সপ্তম শ্ৰেণীত নাম ভৰ্ত্তি।

১৯৩৫ ঃ নৱম শ্ৰেণীলৈ উত্তীৰ্ণ হোৱাৰ পিছত যোৰহাট চৰকাৰী হাইস্কুলত নাম ভৰ্ত্তি।

১৯৩৫ ঃ যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা ওলোৱা বাৰ্ষিক মুখপত্ৰ 'জেউতি'ত প্ৰথম গল্প, কবিতা প্ৰকাশ পায়। সেই সময়ত যোৰহাটত ফাতেহায়ে-দোআজদহম উপলক্ষে পতা ৰচনা প্ৰতিযোগিতাত 'মানৱ ৰূপে মোহম্মদ' নামৰ ৰচনাৰ প্ৰথ ম পুৰস্কাৰ লাভ, প্ৰথম চুটি গল্প আছিল 'অন্ধ কোন'।

১৯৩৭ ঃ ফাৰ্চী বিষয়ত বাধ্যতামূলক আৰু উপৰঞ্চি দুয়োটা বিষয়তে লেটাৰ সহ প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ বৃত্তি লাভ।

১৯৩৯ ঃ যোৰহাট কলেজৰ পৰা সুখ্যাতিৰে আই. এ. পাছ।

১৯৪০ ঃ ইংৰাজীত সন্মান পাঠ্যক্ৰম লৈ গুৱাহাটীৰ কটন কলেজত নাম ভৰ্ত্তি। এই সময়ত কলেজৰ সাহিত্য প্ৰতিযোগিতাত 'অচিনাকিৰ অৰ্ঘ্য' নামৰ গল্পটোৰ বাবে প্ৰথম পুৰস্কাৰ লাভ।

১৯৪০ ঃ প্ৰথম উপন্যাস লঃসাঃগুঃ 'ওমলা ঘৰৰ ধুলি' নামেৰে প্ৰকাশ।

১৯৪০-৪১ঃ বিশ্ব গণতান্ত্রিক যুৱ ফেডাৰেচনৰ লগত নিবিড়ভাৱে জড়িত। ভাৰতীয় গণনাট্য সংঘ, সৰ্বভাৰতীয় প্ৰগতিশীল লেখক সংঘ, আফ্ৰো এচীয় লেখক সংঘ, অখিল ভাৰত শান্তি সংস্কৃতি সন্মিলন, অসম সাহিত্য সভা আদি অনেক অনুষ্ঠানৰ কাৰ্যনিৰ্বাহক সদস্য স্বৰূপে নিৰ্বাচিত।

১৯৪১ ঃ কটন কলেজৰ পৰা ইংৰাজী বিষয়ত সন্মান সহ সুখ্যাতিৰে বি.এ. পাছ।

১৯৪১ ঃ মাধৱ বেজবৰুৱাৰ 'বাহী'ত (১৯৩৯) চনত লিখা 'মই অসমীয়া" শীৰ্ষক অমৰ কবিতা প্ৰকাশ পায়

১৯৪২ ঃ অসম চৰকাৰৰ আৱকাৰী বিভাগত যোগদানেৰে কৰ্ম জীৱনৰ পাতনি।

১৯৪৩ ঃ দ্বিতীয় মহাসমৰৰ সময়ত সৈন্য বিভাগত 'ছিভিলিয়ান চেন্সৰৰ' কামত যোগদান।

১৯৪৫ ঃ প্ৰথম প্ৰকাশ চুটিগল্পৰ সংকলন 'পৰশমণি' প্ৰকাশ।

১৯৪৬ ঃ যোৰহাট কলেজৰ পাৰ্চিয়ান প্ৰবক্তা ৰূপে যোগদান

১৯৪৮ ঃ শ্বিলং গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত প্ৰগ্ৰেম এছিষ্টেণ্ট কামত অংশ গ্ৰহণ।

১৯৫০ ঃ গোলাঘাটৰ ঢেকীয়াল হাইস্কুলৰ সহকাৰী শিক্ষক পদত যোগদান।

১৯৫১ ঃ গোলাঘাটৰ কুৰালগুৰি হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাপে কাৰ্যনিবাহ ।

১৯৫১ ঃ প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয় সাহিত্য বিষয়ত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান লৈ এম. এ. ডিগ্ৰী অৰ্জন।

১৯৫১ ঃ যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে যোগদান।

১৯৫১ ঃ কলিকতাত বহা ‘সদৌ ভাৰত শান্তি সংস্কৃতি সন্মিলন’ত অসমীয়া শিল্পী দলক নেতৃত্ব দি অংশ গ্ৰহণ।

১৯৫২ ঃ বোম্বাইত (মুম্বাই) অনুষ্ঠিত সৰ্বভাৰতীয় গণনাট্য সংঘৰ অধিবেশনলৈ অসমৰ শিল্পী দলক নেতৃত্ব দান।

১৯৫৪ ঃ উত্তৰ ভাৰতৰ শিল্পীৰ দল এটাৰ নেতৃত্ব দি দক্ষিণ ভাৰতৰ বিভিন্ন ঠাইত সাংস্কৃতিক কাৰ্যসুচী পৰিবেশন।

১৯৫৪-৫৫ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি গৱেষণা বিভাগৰ অধীনত ‘অসমীয়া জিকিৰ আৰু জাৰী’ সম্পৰ্কে গৱেষণা।

১৯৫৬ ঃ যোৰহাট ‘মিলিত শিল্পী সমাজ’ নামৰ অনুষ্ঠানে নিৰ্মাণ কৰা ‘ৰঙা পুলিচ’ নামৰ অসমীয়া কথাছবিত অভিনয় ।

১৯৫৭ ঃ দিল্লীত বহা এছীয় লেখকসকলৰ সন্মিলনত ভাৰতীয় প্ৰতিনিধিৰূপে যোগদান।

১৯৫৭ ঃ সাধাৰণ নিৰ্বাচনৰ যোৰহাট- গোলাঘাট লোকসভা সমষ্টিৰ পৰা কমিউনিষ্ট পাৰ্টিৰ সমৰ্থনত প্ৰতিদ্বন্দ্বিতা কৰি কংগ্ৰেছ প্ৰাৰ্থীৰ হাতত পৰাজয় বৰণ।

১৯৬১ ঃ গোৱালপাৰাত বহা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভাৰ পৰীক্ষা সংসদৰ প্ৰথম সচিব নিৰ্বাচিত।

১৯৬৩ ঃ শিৱসাগৰ ধাইআলিৰ জীয়ৰী চৈয়দা হাচনা (চিস্তি) মালিকৰ সৈতে বিবাহ পাশত আৱদ্ধ (২৪-২৫, এপ্ৰিল)

১৯৬৩ ঃ ভাৰত চৰকাৰৰ দ্বাৰা মনোনীত এটা সাহিত্যিক প্ৰতিনিধি দলৰ নেতৃত্ব দি চোভিয়েত ইউনিয়ন ভ্ৰমণ।

১৯৬৩-৬৯ঃ সাহিত্য অকাডেমিৰ কাউন্সিলৰ সদস্য আছিল।

১৯৬৯ ঃ অসম সাহিত্য সভাৰ ধিং অধিবেশনত প্ৰধান সম্পাদক হিচাপে নিৰ্বাচিত ।

১৯৭২ ঃ সাধাৰণ নিৰ্বাচনত দেৰগাঁও বিধান সভা সমষ্টিৰ পৰা কংগ্ৰেছ প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয় বৰণ।

১৯৭৬ ঃ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰববী হিচাবে অৱসৰ গ্ৰহণ । টিহুত অনুষ্ঠিত হোৱা ত্ৰিশচত্বাবিংশ অধিবেশনত আলোচনা চক্ৰৰ সভাপতিৰূপে অংশ গ্ৰহণ।

১৯৭৬ -৮২ঃ ৰাজ্য সভাৰ সদস্য

১৯৮১ ঃ ভাৰতীয় প্ৰতিনিধি দলৰ সদস্য ৰূপে ইংলণ্ডত অনুষ্ঠিত আন্তৰ্জাতিক সংখ্যালঘু অভিৰ্ৱৰ্তনত যোগদান।

১৯৮১ ঃ ইংলেণ্ড ভ্ৰমণ।

১৯৮৫-৮৬ ঃ অসম চৰকাৰৰ সংখ্যালঘু উন্নয়ন পৰিষদৰ চেয়াৰমেন পদত অধিষ্ঠিত।

১৯৯১ ঃ হজযাত্ৰা । চৌদী আৰৱ ভ্ৰমণ।

১৯৯২ ঃ সৰ্বভাৰতীয় ‘হাৰ্মণি বঁটা প্ৰদান।

১৯৯৩ ঃ দ্বিতীয়বাৰৰ বাবে অসম চৰকাৰৰ সংখ্যালঘু উন্নয়ন পৰিষদৰ চেয়াৰমেন নিৰ্বাচিত (১৯৯৯ পৰ্যন্ত)।

১৯৯৪ ঃ অসম উপত্যকা সাহিত্য পুৰস্কাৰ উইলিয়ামচন মেগৰ বঁটা লাভ।

২০০০ ঃ পত্নী চৈয়দা হাছনা মালিকৰ আকস্মিক ভাৱে গুৱাহাটীৰ ডাউন-টাউন হস্পিটেলত মৃত্যু (২২ মে’)।

২০০০ ঃ ১৯ ডিচেম্বৰৰ ৰাতি ১২-৩০ ত দেহাৱসান । ❖

---

তথ্য পঞ্জীঃ ১। সোণালী সাঁচ; আধাৰ শিলাৰ প্ৰকাশিত স্মৃতিগ্ৰন্থ ২০০৭।

২। অসমৰ মুছলমান সকল; আবদুৰ ৰহমান।

৩। অসমীয়া জিকিৰ আৰু জাৰী, চৈয়দ আব্দুল মালিক।

৪। মালিক ছাৰে সংকলকক ১৯৯৩ চনত দিয়া তেখেতৰ জীৱন পঞ্জী।

৫। মঃ মুজিবুৰ ৰহমান, সোণালী সাঁচ, স্মৃতিগ্ৰন্থ ২০০৭ ।

# আটাউৰ ৰহমান

সৰভোগৰ ওচৰৰ জমোদাৰ বৰী গাৱঁৰ এটা কৃষক পৰিয়ালত ১৯১৯ চনৰ ৫ মে'ত জন্ম হয়। অম্বিকাগিৰি ৰায় চৌধুৰীৰ জ্যেষ্ঠ ভাতৃ গিৰীশ ৰায় চৌধুৰীৰ প্ৰেৰণাত অসমীয়া আৰু ফাৰ্চীত ষ্টাৰ নম্বৰসহ বৰপেটা চৰকাৰী উচ্চ বিদ্যালয়ৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। পাছত কটন কলেজৰ পৰা স্নাতক আৰু আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ আৰু আইনৰ উপাধি লাভ কৰে।

কটন কলেজত চাকৰি কৰি থকা অৱস্থাত জাতীয় ভাবধাৰাত উদ্বুদ্ধ হৈ সেই চাকৰি এৰি বৰপেটাৰ তেতিয়াৰ ভেঞ্চাৰ মহাবিদ্যালয় ১৯৩৯ চনত মাধব চৌধুৰীৰ পৰিবাৰ জীৱন লতা চৌধুৰীৰ ১০,০০০ টকা দানেৰে আৰম্ভ কৰা মাধব চৌধুৰী কলেজ (এম চি কলেজ)ত অংশকালীন শিক্ষকতা কৰাৰ লগতে বৰপেটা আদালতত ওকালতি আৰম্ভ কৰে। প্ৰথমে মুছলিম লীগৰ প্ৰতি আকৰ্ষিত হৈছিল যদিও পাছত কংগ্ৰেছ দলত যোগ দিয়ে আৰু কংগ্ৰেছ প্ৰাৰ্থী হিচাবে ১৯৪৯ চনৰ উপনিৰ্ব্বাচনত জয় লাভ কৰি বিধান সভাৰ সদস্য হয়। ১৯৬৭ চনৰ নিৰ্ব্বচনতো জয়ী হৈ বিমলা প্ৰসাদ চলিহাৰ আমোলত (১৯৫৭-১৯৭০) বিধান সভাৰ উপাধ্যক্ষ আৰু মহেন্দ্ৰমোহন চৌধুৰীৰ আমোলত কেবিনেট পৰ্য্যায়ৰ (১৯৭০-১৯৭২) মন্ত্ৰী হৈছিল। ১৯৭২ চনতো বিধান সভাৰ সদস্য ৰূপে নিৰ্ব্বাচিত হৈছিল।

সৎ আৰু নিৰহংকাৰী লোক হিচাবে বৰপেটা অঞ্চলত ভালেমান স্কুল কলেজ স্থাপন কৰিছিল। হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ হকে চেষ্টা কৰিছিল।

গুৱাহাটীৰ কংগ্ৰেছ কাৰ্য্যালয়ত হৃদৰোগত আক্ৰান্ত হৈ ১৯৮২ চনৰ ৫ মে'ত মৃত্যু মুখত পৰে।❖

---

(অসমীয়া জীৱনী অভিধান)

# মৌলানা ইছলামুদ্দিন

আবদুৰ ৰহমান

মঙ্গলদৈ মহকুমাৰ দক্ষিণ-পশ্চিমৰ এখন অনুন্নত গাওঁ সানোৰাত ১৯১৯ খৃঃত মৌলানা ইছলামুদ্দিন চাহাবৰ জন্ম হয়। পিতৃৰ নাম মফিজুদ্দিন আহমদ আৰু মাতৃৰ নাম থানেই বিবি। ইছলামুদ্দিনৰ শিক্ষা জীৱনৰ পাতনি আৰম্ভ হয় সানোৰা প্ৰাথমিক বিদ্যালয়ত। পাছত মাৰৈ এম্ ভি. স্কুল, পাথৰিঘাট এম্ ভি. স্কুল, ৰঙিয়া হাই মাদ্ৰাছাৰ পৰা আৰবীৰ লগতে ইংৰাজী শিক্ষা লাভ কৰি ১৯৪৫ খৃঃত কলিকতা চৰকাৰী টাইটেল মাদ্ৰাছাত ভৰ্ত্তি হয়। ১৯৪৭ খৃঃত তেওঁ সেই মাদ্ৰাছাৰ পৰা টাইটেল পৰীক্ষাত উত্তীৰ্ণ হৈ ঘৰলৈ আহে।

কলিকতাৰ পৰা আহি তেওঁ ৰঙিয়া হাই মাদ্ৰাছাত কিছুদিন শিক্ষকতা কৰিছিল। ১৯৪৯ খৃঃত ভাৰত চৰকাৰে তেওঁক উচ্চ শিক্ষা লাভাৰ্থে বিশ্বৰ ইছলামিক শিক্ষা কেন্দ্ৰ ইজিপ্তৰ কাইৰো চহৰত অৱস্থিত আলআজ্হাৰ বিশ্ব বিদ্যালয়লৈ পঠায়। সেই বিশ্ববিদ্যালয়ৰ পৰা সৰ্বোচ্চ ডিগ্ৰী লাভ কৰাৰ পাছত কাইৰোৰ আমেৰিকান বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। এই পৰীক্ষাত তেওঁ এখন গৱেষণামূলক প্ৰমিতি (Thesis দাখিল কৰিছিল। যিখনৰ নাম আছিল-“The Introduction and Development of Islam in India” । এইখন গৱেষণামুলক গ্ৰন্থৰ সম্পৰ্কত ১৯৮৩ খৃঃত ভাৰত চৰকাৰৰ “শিক্ষা তথা সাংস্কৃতিক মন্ত্ৰালয়ে” শিক্ষক দিৱসত তেওঁলৈ আগবঢ়োৱা সন্মান সংক্ৰান্তত প্ৰশস্তি পত্ৰত প্ৰকাশ কৰিছে। “He (Md. Islamuddin) has done research in

Arabic and written a thesis in English about the introduction of Islam into India. His work received recognition from American University, Cairo, Egypt."

তাৰ পাছত ইছলামুদ্দিন চাহাবে ১৯৫২ খৃঃৰ পৰা ১৯৫৪ খৃঃলৈ ইৰাণ, ইৰাক, জৰ্দান পেলেষ্টাইন আদি বহু দেশ ভ্ৰমণ কৰি প্ৰভুত জ্ঞানৰ অধিকাৰী হয়। সেইবোৰ ভ্ৰমণ কৰি থাকোতেই বিশেষকৈ চীনদেশৰ বন্ধু আব্দুৰ ৰহমান পুংছিংলিয়ে আগবঢ়োৱা পৰামৰ্শৰ ভিত্তিত অসমত এখন আৰবী কলেজ স্থাপনৰ পৰিকল্পনা কৰে। সেই পৰিকল্পনাক বাস্তৱত ৰূপ দিয়াৰ উদ্দেশ্য ১৯৫৫ খৃঃৰ ১ জানুৱাৰী তাৰিখে কামৰূপ জিলাৰ ৰঙিয়াত আৰবী কলেজ প্ৰতিষ্ঠা কৰে।

১৯৬৭ খৃঃত ভাৰত চৰকাৰে মৌলানা ইছলামুদ্দিন চাহাবক পেলেষ্টাইনত বহা "International Convention" লৈ ভাৰতৰ প্ৰতিনিধি নিযুক্ত কৰি পঠায়। ১৯৮৩ খৃঃত তেওঁ ৰাষ্ট্ৰপতি বঁটা লাভ কৰিছিল।

এইজনা বিদগ্ধ পণ্ডিতে ৰঙিয়া আৰবী কলেজৰ অধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও ১৯৭৬ খৃঃৰ পৰা ৰঙিয়াৰ কাজী হিচাপে নিযুক্তি পাইছিল।

মৌলানা ইছলামুদ্দিন চাহাব সুকবিও আছিল। ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত 'তৰুণ অসম' নামৰ আলোচনীত তেওঁৰ কবিতা নিয়মিত ভাৱে প্ৰকাশ পাইছিল। তদুপৰি 'ফুলৰ শৰাই' নামৰ কবিতা পুথি এখন অপ্ৰকাশিত অৱস্থাত আছে।

১৯৮৮ খৃঃৰ ২৭ জানুৱাৰী তাৰিখে মৌলানা ইছলামুদ্দিন চাহাবৰ ইন্তেকাল হয়। দৰং তথা কামৰূপত ইছলাম ধৰ্মৰ সংস্কাৰ সাধন তেওঁৰ পাণ্ডিত্যপূৰ্ণ কৃতিত্ব। ❖

---

(অসমৰ মুছলমান সকল)

# মেৰী হামিদা খাতুন

ডঃ আছাদুল্লাহৰ সৌজন্যত



অসমত আধুনিক শিক্ষাৰ দোকমোকালিতে আঙুলি মূৰত লিখিব পৰা যি কেইগৰাকী মহিলাই নিজকে সেই শিক্ষাৰে আলোকিত কৰি সমাজ সেৱাৰ বিভিন্ন দিশত ব্ৰতী হৈছিল সেইসকলৰ ভিতৰত আলহাজ্জাইন কুমাৰী মেৰী হামিদা খাতুন আছিল অন্যতম। কেৱল মুছলীম মহিলা হিচাপেই নহয় বহুবোৰ দিশত অসমীয়া মহিলা সমাজৰ বাবে তেখেত আছিল পথপ্ৰদৰ্শক। অসমাৰিক সেৱাৰ উচ্চ পদৱীৰ আসন শুৱনি কৰিলেও শ্ৰীমতী খাতুনৰ প্ৰকৃত পৰিচয় পোৱা যায় সমাজ সেৱাতহে। মৃত্যুৰ ইপাৰ সিপাৰ দুয়োপাৰে সমাজৰ দুখীয়া-নিপীড়িত-নিৰক্ষৰ জনলৈ থকা বৰঙণিয়ে তেখেতক মহীয়ান কৰি তুলিছে। কুমাৰী হিচাপে জীৱনটো অতিবাহিত কৰি শ্বাস-প্ৰশ্বাসৰ শেষ সীমালৈকে সমাজৰ বাবে কিবা এটা কৰি যোৱা মন এটাৰে চহকী শ্ৰীমতী খাতুনৰ বহুৰঙী যাত্ৰা আৰম্ভ হৈছিল স্নাতক শিক্ষা সাং কৰাৰ পাছতে।

আলহাজ্জাইন খাতুনৰ জন্ম হয় ১৯১৯ চনৰ ১৭ অক্টোবৰত। তেখেত ১৯৪০ চনত সুখ্যাতিৰে স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতা বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শিক্ষা গ্ৰহণ কৰিবলৈ যোৱা অসমৰ প্ৰথম মুছলিম মহিলা সকলৰ এগৰাকী। ছাত্ৰী অৱস্থাতে কলিকতাত তেখেতে স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা

প্ৰকাশিত অসমীয়া আলোচনী বাঁহীৰ অবৈতনিক সহকাৰী সম্পাদিকাৰ দায়িত্ব পালন কৰি সাংবাদিকতাৰ ক্ষেত্ৰত অভিজ্ঞতা আহৰণ কৰাৰ সুযোগ লাভ কৰে। ইয়াৰ পাছতে তেখেতে ডিব্ৰুগড় চৰকাৰী ছোৱালী উচ্চ বিদ্যালয়ৰ ইংৰাজী ভাষাৰ শিক্ষয়িত্ৰী পদত নিযুক্ত হয়। শিক্ষয়িত্ৰী হিচাপে কাৰ্য নিৰ্বাহ কৰি থকা কালতে বাংগালোৰত ১৯৬১ চনত অনুষ্ঠিত হোৱা All India Women Conference ত তেখেতে অসম প্ৰাদেশিক মহিলা সমিতিৰ কাৰ্যকৰী কমিটিৰ প্ৰতিনিধিত্ব কৰে আৰু তাত দিয়া এটি চমু ভাষণ শুনি শ্ৰীমতী শীলা চট্টোপধ্যায়ে আজৰি পৰত নিজৰ কোঠালৈ মাতি নি তেখেতেক সমাজ সেৱাত ব্ৰতী হ'বলৈ উদগণি যোগায়। সেই মহিয়সী নাৰীগৰাকীৰ সান্নিধ্য আৰু উদ্দীপনাই শ্ৰীমতী খাতুনক সমাজ সেৱাৰ দিশত কাম কৰিবলৈ প্ৰৱলভাৱে আকৰ্ষণ কৰে। পৰৱৰ্তী কালত যেতিয়া বিদ্যালয়সমূহৰ সহকাৰী পৰিদৰ্শিকা আৰু সমাজ কল্যাণ বিভাগৰ শিশু কল্যাণৰ বিশেষ বিষয়া এই দুটা পদৰ মাজত নিৰ্বাচন কৰিবলগীয়া হৈছিল তেতিয়া সমাজ সেৱাৰ দ্বাৰা আকৃষ্ট হোৱা শ্ৰীমতী খাতুনে পিচৰটো পদত যোগদান কৰি নিজৰ উদ্দেশ্য পূৰণৰ দিশত আগবাঢ়ি যোৱাৰ সুযোগ গ্ৰহণ কৰে।

শিক্ষয়িত্ৰী হিচাপে কাৰ্য নিৰ্বাহ কৰি থকা কালতে United States Education Foundation in India ৰ দ্বাৰা আমন্ত্ৰিত হৈ Fullbright Scholar হিচাপে ১৯৫৩ চনত আমেৰিকালৈ গৈ ফ্লৰিডা ইউনিভাৰ্চিটিত Secondary Education in the United States বিষয়ত অধ্যয়ন কৰি উক্ত বিশ্ববিদ্যালয় আৰু আমেৰিকা চৰকাৰৰ Department of Education and Welfare ৰ পৰা প্ৰমাণ পত্ৰ আৰু প্ৰশংসা পত্ৰ লাভ কৰে। এই ক্ষেত্ৰত শ্ৰীমতী খাতুন অসমৰ সৰ্বপ্ৰথম মহিলা। ইয়াৰ পাছত তেখেতে ইণ্ডিয়ানা বিশ্ববিদ্যালয়ত ক্ৰমে Guidance and Counselling in Social Work আৰু Audio-visual Aids in Classroom Instructions বিষয়ত অধ্যয়ন কৰি ১৯৫৫ চনত Master of Science in Education ডিগ্ৰী লাভ কৰে । সেই বিশ্ববিদ্যালয়তে Guidance and Counselling বিষয়টো বিশেষভাৱে অধ্যয়ন কৰি Supervisor of Guidance চাৰ্টিফিকেট লাভ কৰে আৰু লগতে উক্ত বিষয়ত Dean বা Director হোৱাৰ যোগ্যতাও অৰ্জন কৰে।

স্বদেশলৈ ঘূৰি অহাৰ পথত শ্ৰীমতী খাতুনে সেই তেতিয়াই লণ্ডন, পেৰিচ, চুইজাৰলেণ্ড, ইটালী, মধ্য এছিয়াৰ বেৰুট, চৌদি আৰব, পাকিস্তান ইত্যাদি দেশৰ অংশ বিশেষ ভ্ৰমণ কৰাৰ লগতে দেশৰো বিভিন্ন ঠাইৰ ভ্ৰমণ অভিজ্ঞতা লাভ কৰে। বিদেশৰ সেই যাত্ৰাতে মুছলীম সম্প্ৰদায়ৰ তীৰ্থভূমি মক্কা মদিনাত হজযাত্ৰী হিচাপে তীৰ্থকাৰ্য সমাধা কৰে। উচ্চ শিক্ষা আৰু বিদেশ ভ্ৰমণৰ শেষত শিক্ষকতাৰ চাকৰিলৈ ঘূৰি যায় যদিও কম সময়ৰ ভিতৰতে তেখেতে ইতিমধ্যে All India Council for Secondary Education, New Delhiৰ অধীনত গুৱাহাটী বিশ্ববিদ্যালয়ত নতুনকৈ মুকলি কৰা Extension Services, Department of Education ৰ সৰ্বপ্ৰথম Co-ordinator পদত যোগদান কৰে। ইয়াৰ পাছত ইতিমধ্যে উল্লেখ কৰি অহাৰ দৰে বিদ্যালয় পৰিদৰ্শিকাৰ পদ লাভ কৰে যদিও একেসময়ত নিমন্ত্ৰণ পোৱা শিশু কল্যাণ বিভাগৰ বিশেষ বিষয়া হিচাপেহে যোগদান কৰিবলৈ ভাল পায়।

শিশুকল্যাণ বিভাগৰ বিশেষ বিষয়া হিচাপে কাৰ্য নিৰ্বাহ কৰা কালতে ১৯৬২ চনৰ চীনৰ আক্ৰমণৰ সময়ত অসমৰ ৰাজ্যপালৰ পত্নীৰ দ্বাৰা পৰিচালিত ৰিলিফ কমিটিত শ্ৰীমতী খাতুনে সমাজ কল্যাণ বিভাগৰ মহিলা চাকৰিয়ালৰ এটি দল গঠন কৰি জোৱানসকলৰ বাবে শ শ উণৰ মোজা, টুপী আদি কৰোৱাই দিয়ে। দেশৰ সাৰ্বভৌমত্ব ৰক্ষাত নিয়োজিত হৈ থকা জোৱান সকলৰ বাবে আন কেতবোৰ কামো তেখেতে দক্ষতাৰে সম্পন্ন কৰে। চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ তৰফত চিকিৎসা বিভাগৰ সহযোগত এটি ১৫ দিনীয়া হোম নাৰ্চিং ক'ৰ্চৰ ব্যৱস্থা কৰি সকলো বিভাগৰ মহিলাক ৰেডক্ৰচ চাৰ্টিফিকেট লাভৰ সুবিধা কৰি দিয়ে। একেদৰে সমাজ কল্যাণ বিভাগৰ ৰাজ্যিক নাৰীগৃহৰ নাৰীসকলৰ দ্বাৰাও জোৱানসকলৰ প্ৰয়োজনীয় কেতবোৰ আচবাব প্ৰস্তুত কৰোৱাই দিয়ে। এইদৰে চৰকাৰী আৰু বে-চৰকাৰী অনুষ্ঠানসমূহৰ যোগেদি সেৱা আগবঢ়াই অসামৰিক প্ৰতিৰক্ষা বাহিনীত আলহাজ্জাইন খাতুনে যথাসাধ্য বৰঙণি যোগায়। এনে সেৱাৰ দ্বাৰ সন্তুষ্ট হৈ তেখেতক ইণ্ডিয়ান কন্‌ফাৰেন্স অৱ চ'চিয়েল ৱৰ্কৰ অসম শাখাৰ সম্পাদিকাৰ কাৰ্যভাৰ অৰ্পণ কৰা হয়। ৰাজ্যপালৰ পত্নী ৰাধা সহায়ৰ পৃষ্ঠপোষকতাত শ্ৰীমতী খাতুনে উত্তৰ পূৰ্বাঞ্চলতে সৰ্বপ্ৰথম Creche for children of working mother শ্বিলঙত স্থাপন কৰিবলৈ সক্ষম হয়।

ইয়াৰ উপৰিত শ্ৰীমতী খাতুনে Hostel for Working Girls আঁচনি যুগুত কৰি দিয়ে আৰু ইয়াৰ পৰিণাম স্বৰূপে ৰাইজ আৰু চৰকাৰৰ সহযোগত উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত সৰ্বপ্ৰথম স্বিলঙত Working Girls' Hostel স্থাপন হয়। ইণ্ডিয়ান কন্‌ফাৰেন্স অৱ চ'চিয়েল ৱৰ্কৰ অসম শাখাৰ সম্পাদিকা হৈ থকা কালতে চেন্ট্ৰেল ওৱেলফেয়াৰ ব'ৰ্ডৰ অনুদানৰ সহায়ত শ্ৰীমতী খাতুনে মেঘালয়ৰ ৰূপবন আৰু মৌলাইত (অনুসূচীত জনজাতিৰ বাবে) দুখন প্ৰাক-প্ৰাথমিক বিদ্যালয় স্থাপন হোৱাত সহায় কৰে। শ্ৰীমতী  খাতুন Centre for Parapsychological Research and Psychlogical Service নামৰ সংগঠনটোৰ লগত জড়িত থাকি শিশু আৰু পূৰ্ণবয়স্কসকলৰ মনস্তাত্বিক বিষয়ক লেখনিও প্ৰকাশ কৰে।

কেৱল সেয়ে নহয়, ছাত্ৰী অৱস্থাতে নাটক, আবৃত্তি আদিত অংশ গ্ৰহণ কৰি বিভিন্ন জনৰ পৰা প্ৰশংসা বুটলিবলৈ সমৰ্থ হোৱা কাৰ্যত শ্ৰীমতী খাতুনৰ কলা-কৃষ্টিৰ ক্ষেত্ৰত থকা আকৰ্ষণৰো পৰিচয় পোৱা যায়। কৰ্মব্যস্ত জীৱনৰ অলিয়ে গলিয়ে ঘূৰি ফুৰোঁতে শ্ৰীমতী খাতুনে বহু সময়ত কলম হাতত লৈ অসমীয়া সাহিত্যলৈ বৰঙণি যোগোৱাৰ উপৰিও আধ্যাত্মিক চিন্তা-চৰ্চাৰ বিকাশতো অৰিহণা যোগায়। ইয়াৰ পৰিণতিতে প্ৰকাশ পায় তেখেতৰ দ্বাৰা বাংলা আৰু ইংৰাজীৰ পৰা অনুবাদ কৰা চাঞ্চলৰ্য্য, একমেবাদ্বিতীয়ম, আল কুৰ'আন ও আধুনিক বিজ্ঞান, আধুনিক যুগৰ চেলেঞ্জ আৰু তৰুণ সম্প্ৰদায় ইত্যাদি কেইবাখনো তত্বগধুৰ গ্ৰন্থ। তদুপৰি আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু গুৱাহাটীৰ অনাতাঁৰ কেন্দ্ৰই শ্ৰীমতী খাতুনৰ সাক্ষাৎকাৰ আৰু কথিকা প্ৰচাৰ কৰে।

শ্ৰীমতী খাতুনৰ কৰ্ম-জীৱনৰ ডুখৰীয়া বাট এনে ধৰণৰ -

১ ইংৰাজী বিষয়ৰ শিক্ষয়িত্ৰী হিচাপে, ডিব্ৰুগড় চৰকাৰী ছোৱালী উচ্চ বিদ্যালয় - ৯ বছৰ

২. অল ইণ্ডিয়া কাউন্সিল ফৰ চেকেণ্ডেৰি এডুকেশ্যন, নিউ দিল্লীৰ অধীনত গুৱাহাটী বিশ্ববিদ্যালয়ত মুকলি কৰা এক্‌ষ্টেনশ্যন চাৰ্ভিচ ডিপাৰ্টমেন্টৰ সমন্বয়ক (ক'অৰ্ডিনেটৰ) হিচাপে - ৩ বছৰ ৬ মাহ

৩. তিতাবৰস্থ স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰৱক্তা হিচাপে - ২ বছৰ ৬ মাহ
৪. অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ অধীন শিশু কল্যাণ বিভাগৰ বিশেষ বিষয়া হিচাপে - ১১ বছৰ
৫. অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ ডেপুটি ডিৰেক্টৰ (প্ৰশাসন) হিচাপে - ৭ বছৰ
৬. বাঁহী আলোচনীৰ অবৈতনিক সহকাৰী সম্পাদিকা হিচাপে - ৩ বছৰ
৭. ইণ্ডিয়ান কন্‌ফাৰেন্স অৱ চ'চিয়েল চাইন্সৰ অসম শাখাৰ অবৈতনিক সাধাৰণ সম্পাদিকা হিচাপে - ৫ বছৰ
৮. বাল ভৱন, শিশু কল্যাণ সন্থা, গুৱাহাটীৰ ডিৰেক্টৰ হিচাপে - ২ বছৰ ইত্যাদি।

সমাজ সেৱাৰে গঢ়া কৰ্ম জীৱনৰ বাবে শ্ৰীমতী খাতুনক শেষ বয়সত বিভিন্ন অনুষ্ঠানে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। ইয়াৰ ভিতৰত অন্যতম হ'ল - ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ International Working Women's Forum, North East Women's Entrepreneurs Association, Dibrugarh ইত্যাদি।

২০০১ চনৰ ২৪ মাৰ্চত শ্ৰীমতী খাতুনৰ কৰ্মময় জীৱনৰ সামৰণি পৰে। মৃত্যুৱেও আলহাজ্জাইন খাতুনক সমাজ সেৱাৰ পৰা বঞ্চিত কৰিব পৰা নাই। তেখেতে উইল কৰি থৈ যোৱা ব্যক্তিগত সম্পদেৰে আলহাজ্জাইন মেৰী হামিদা খাতুন মেমৰিয়েল ট্ৰাষ্ট গঠন কৰি পৰিয়াল বৰ্গই তেখেতৰ সমাজ সেৱাৰ সেই পথ আজিও উজ্জিৱীত কৰি ৰাখিছে। ❖

---

(আলহাজ্জাইন মেৰী হামিদা খাতুন মেম'ৰিয়েল ট্ৰাষ্টৰ সদস্যসকলে যুগুতোৱা জীৱনী সেই ট্ৰাষ্টৰ চেয়াৰমেন ডঃ আছাদুল্লাহৰ সৌজন্যত পোৱা)।

# মহম্মদ আকৰম

কমৰুজ্জামান আহমদ



মহম্মদ আকৰমৰ জন্ম ১৯১৯ চনৰ ১৫ ডিচেম্বৰত। ৬ পুৰুষ আগৰ মহম্মদ আকৰমৰ উপৰিপুৰুষ মহম্মদ পিয়াৰৰ বাসস্থান আছিল আহোম ৰজাৰ ৰাজধানী ৰংপুৰৰ ওচৰত। পৰিয়ালৰ বৃত্তি আছিল দৰ্জি। ১৭৯৫-১৮০০ চনত যোৰহাটলৈ আহোমে ৰাজধানী তুলি অনাত মহম্মদ পিয়াৰৰ বংশধৰ সকলো যোৰহাটলৈ উঠি আহে আৰু বৰ্ত্তমান ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত তৰাজান অঞ্চলত থাকিবলৈ লয়। মহম্মদ পিয়াৰৰ পুত্ৰ মোলান 'হাজৰিকা' পদত আছিল। তেখেতৰ পুত্ৰ কলিমন বৰগোঁহাই দলত ভৰ্তি হৈ বৰগোঁহাইৰ পৰা শইকীয়া পদ পাই বৰ্ত্তমানৰ তৰাজানৰ বৰগোঁহাই পুখুৰীৰ পশ্চিম ফালে বসতি কৰিছিল। এই কলিমন শইকীয়াৰ দ্বিতীয় পুত্ৰ ফৰমুদ শইকীয়াৰ লৰা মহম্মদ শ্বফিৰ সন্তান মহম্মদ আকৰম, যোৰহাটৰ সৰু ডাঙৰ বহুতৰে 'আকৰম ককাইটি'। তেখেতৰ মাকৰ নাম আছিল সৰুমাই।

মহম্মদ আকৰমৰ প্ৰাথমিক বিদ্যা লাভ হয় অসম বিখ্যাত যোৰহাট মোক্তাবত। তেখেতেই মোক্তাবৰ পৰা প্ৰথম প্ৰতিযোগিতামূলক বৃত্তি পোৱা ছাত্ৰ। সেইয়া ১৯৩০ চনৰ কথা, তেতিয়াৰ মোক্তাবৰ শিক্ষক কেশৱৰাম শৰ্ম্মা বৰঠাকুৰ, অসমৰ প্ৰথম ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত প্ৰাথমিক শিক্ষক বাবুলা নাথ গোস্বামীৰ

শিক্ষাদান পদ্ধতি আৰু ব্যক্তিত্বৰ প্ৰভাৱ মহম্মদ আকৰমৰ ওপৰত পৰিছিল। স্থানীয় চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা ১৯৩৯ চনত তেখেতে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। পাছত দৰ্শন আৰু আৰবী বিষয়লৈ সন্মান সহকাৰে ১৯৪৩ চনত জগন্নাথ বৰুৱা কলেজৰ পৰা স্নাতক হয়। গুৱাহাটীৰ আৰ্ল-ল কলেজত আইন পঢ়িছিল যদিও কিবা কাৰণত সম্পূৰ্ণ নকৰিলে।

তেখেতৰ আৰবী জ্ঞানৰ ভাণ্ডাৰ দেখি বহুতেই আচৰিত হৈছিল। তেখেতে ইছলাম, কোৰাণ আৰু বিজ্ঞানৰ ওপৰত বহুতো চিন্তা চৰ্চ্চা কৰিছিল। এই প্ৰসংগত তেখেতে লিখা 'আজিৰ যুগ আৰু কোৰাণ'ৰ বাণী'খন উল্লেখ কৰিব পাৰি। চৈয়দ আব্দুল মালিকৰ লগ লাগি 'জমজম' নামেৰে এখন মাহেকীয়া অসমীয়া আলোচনী প্ৰকাশ কৰিছিল। তেখেতৰ ভালেখিনি লেখা অপ্ৰকাশিত আছে।

সৰুৰে পৰা গহীন গম্ভীৰ আৰু মৃদুভাষী মহম্মদ আকৰমৰ সামাজিক কামতো বৰঙণি অনেক। ১৯৪৭ চনত অসম ছাত্ৰ ফেডাৰেছনৰ সভাপতি আছিল। তেখেতে অসম প্ৰদেশ হজ কমিটিৰ সদস্য, অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ণ নিগমৰ সঞ্চালক, ৰাজ্যিক মাদ্ৰাছা বোৰ্ডৰ সদস্য, ৰাজ্যিক ৱাকফ বোৰ্ডৰ সদস্য, যোৰহাট জগন্নাথ বৰুৱা কলেজ, বাহনা কলেজ আৰু যোৰহাট কলেজৰ কাৰ্য্যকৰী সমিতিৰ সদস্যৰূপে সেৱা আগবঢ়াইছিল। ১৯৯৮/৯৯ চনত যোৰহাট আদৰ্শ মকতব স্কুলৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপে থাকিও তেখেতে ৰাইজৰ কাম কৰিছিল। তেখেতে মোহাম্মদ শ্বাহ ৱাকফৰ যোগেদি এটা ইছলামিক অনুষ্ঠান গঢ় দিয়াৰ বাবে কৰা সমিতিখনৰ ১৯৬৬ চন আৰু ১৯৬৮ চনৰ পৰা ২৬ চেপ্তেম্বৰ ১৯৭০ চনলৈ সম্পাদক আছিল।

উচ্চ শিক্ষা থাকিলেও আকৰম চাহাবে কোনো চাকৰী নকৰি স্বাধীন চিতীয়া মনোবৃত্তিৰে ব্যৱসায় কৰি জীৱন কটালে। তেখেত বাওঁপন্থী সাম্যবাদী চিন্তাধাৰাৰ প্ৰতি আকৃষ্ট আছিল আৰু বাওঁপন্থী আন্দোলনত যোগ দিছিল। কিন্তু পাছত কংগ্ৰেছলৈ ঘূৰি আহি এই দলৰ সমৰ্থকৰূপে শেষলৈকে থাকিল। যোগ্যতা থকা সত্ত্বেও কংগ্ৰেছ দলৰ কোনো উচ্চ সাংগঠনিক পদ নিবিচাৰিলে বা বিধায়ক সাংসদ

আদি পদৰ বাবে কোনোদিন প্ৰাৰ্থী নহল। কেবল চৈয়দা আনোৱাৰা টাইমুৰ মুখ্যমন্ত্ৰী পদ গ্ৰহণ কৰাৰ পাছ ত তেখেতৰ মূল উপদেষ্টা আছিল।

তেখেতে কোনেও নজনাকৈ বহুতো দুখীয়া ছাত্ৰ-ছাত্ৰীক অৰ্থসাহায্য দিছিল। সামাজিক কাম কাজতে সমগ্ৰ জীৱন নীৰৱে জড়িত থাকি বহু জনহিতৈষী সংগঠনত নিজৰ দায়িত্ব নীৰবে পালন কৰি গৈছিল। ব্যক্তিগত জীৱনতো ইয়াৰ ব্যতিক্ৰম হোৱা নাছিল। তেখেতৰ মৃত জেষ্ঠা ভগ্নীৰ দুটা সন্তান আৰু বিধবা সৰু ভগ্নীৰ দুটা সন্তান তেখেতৰ ছত্ৰছায়াত থাকি জীৱন কটায়। সৰু ভগ্নীৰ প্ৰথম পুত্ৰৰ সৰুতে মৃত্যু হোৱাত বাকী তিনিওটা ভাগিনক শিক্ষিত কৰি জীৱনত প্ৰতিষ্ঠা হোৱাৰ সুযোগ দিয়ে আৰু নিজৰ ঘৰৰ কাষতে মাটি ভেটি দি তিনিওকে সুপ্ৰতিষ্ঠিত কৰে। এনে উদাহৰণ আজি কালি বিৰল।

মহম্মদ আকৰম চাহাবৰ ভাৰাঘৰত আছিল জয়ন্তী ষ্টৰচ । মালিক হেমন্ত বৰদলৈ । যোৰহাট নগৰৰ দুজনমান বুদ্ধিজীৱী আৰু নিভাঁজ সাহিত্যিকৰ উপৰিও ৰাজ্যখনৰ সাহিত্যিক, বুদ্ধিজীৱী বহুতেই তাত আবেলি আড্ডা দিছিল। তাৰ কাষত মহম্মদ আকৰম চাহাবে ফাৰ্মাচী এখন খোলে। দুয়োখন দোকানৰ বাৰাণ্ডাত থকা দুখন বেঞ্চত বহি (কোনো কোনোৱে থিয় দি থাকিয়েই) সাহিত্যৰ পৰা ৰাজনীতিলৈকে, সমাজনীতিৰ পৰা অৰ্থনীতিলৈকে নানা বিষয়ৰ ওপৰত আলোচনা কৰে। ১৯৫৪-৫৫ চনত আমি দুজনমান ছাত্ৰয়ো তাত নিয়মিত কথা শুনিছিলো। চৈয়দ আব্দুল মালিক, দধি মহন্ত, অৰুণ বৰুৱা, দেবেন্দ্ৰনাথ শইকীয়া, চাহ চৈয়দ, বিজয় কৃষ্ণ সন্দিকৈ, জীৱন ভট্টাচাৰ্য্য, ত্ৰৈলোক্য গোস্বামী, ত্ৰৈলোক্য শৰ্ম্মা, শক্তি নাথ বৰুৱা প্ৰমুখ্যে অনেকে তাত ভাগ লৈছিল। যোৰহাটত থকা অৱস্থাত হোমেন বৰগোহাঁঞিয়েও তাত যোগ দিছিল। যোৰহাটলৈ আহিলে হেম বৰুৱা, যোগেশ দাস, বীৰেণ ভট্টাচাৰ্য্য আদিকো তাত লগ পাইছিলো। সেই আলোচনাৰ আড্ডাতে মহম্মদ আকৰম আৰু ত্ৰৈলোক্যনাথ শৰ্ম্মা ছাৰৰ উপদেশতেই জন্ম হৈছিল 'সাহিত্য সেৱী চৰা'। তাৰ উপদেষ্টা আছিল মহম্মদ আকৰম, ত্ৰৈলোক্য শৰ্ম্মা আৰু চৈয়দ আব্দুল মালিক। আন আন বিষয়ববীয়া সকল আছিল সভাপতি - ত্ৰৈলোক্য নাথ গোস্বামী, সম্পাদক-হেমন্ত বৰদলৈ আৰু সহঃসম্পাদক এই সংকলক, কমৰুজ্জামান আহমদ। সাহিত্যসেৱী

চৰাই প্ৰায় এটা দশক জুৰি যোৰহাটৰ সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত সুস্থ পৰিবেশ এটাতো গঢ় দিছিলেই আলোড়নো তুলিছিল। এনে এটা অনুষ্ঠানৰ যোগেদি সেই সময়ত কলেজৰ ছাত্ৰ সকলৰ বাবে অৱসৰ বিনোদনৰ বাবে এটা বৌদ্ধিক আৰু সুস্থ পৰিবেশ সৃষ্টি হৈছিল। অন্য নহলেও ইয়াৰ বাবেই মহম্মদ আকৰমৰ অৱদান স্মৰণীয় হৈ থাকিব।

মহম্মদ আকৰমৰ ব্যক্তিত্বৰ এটা ফাল হয়তো বহুতেই নাজানে। তেখেতৰ সংশ্ৰৱত অহা বহুতো লৰা নানাভাবে বৌদ্ধিক ক্ষেত্ৰত উপকৃত হৈছে। কাৰণ তেখেতৰ সৎসঙ্গ আৰু সদোপদেশে বহুতকে সৰল আৰু সঠিক পথ (ছিৰাতোল মুস্তাকীম) ত থাকিবলৈ অনুপ্ৰেৰণা যোগাইছিল।

১৯৫৯ চনত তেখেতে আব্দুল ওহাবৰ কন্যা জমিলুন নাহাৰক বিয়া কৰায়। তেখেত সকলৰ দুজন পুত্ৰ।

১৯৯১ চনত চৈয়দ আব্দুল মালিকৰ সৈতে তেখেতে চৌদি আৰবৰ নিমন্ত্ৰণ ৰক্ষা কৰি মক্কাত হজ কৰাৰ উপৰিও বহুতো ভ্ৰমণ আৰু আলাপ আলোচনা কৰি বিপুল অভিজ্ঞতা লাভ কৰে।

১৫ মে ২০০৪ চনত তেখেতৰ মৃত্যু হয়। ❖

---

তথ্যপঞ্জী ঃ (১) মহম্মদ আকৰম - জীৱন আৰু স্মৃতি

(২) সংকলকৰ ব্যক্তিগত অভিজ্ঞতা

(মহম্মদ আকৰমৰ আলোক চিত্ৰ ফৈজনুৰ আলিৰ সৌজন্যত পোৱা)।

# মৌলানা আব্দুল হক

সংকলক ঃ কমৰুজ্জামান আহমদ

অসমৰ দৰে বিভিন্ন জাতি-ধৰ্ম্ম-ভাষা-বৰ্ণৰ লোকেৰে ভৰপূৰ ৰাজ্যখনত সম্প্ৰীতিৰ এনাজৰী ডাল কটকটীয়া কৰি শান্তি আৰু প্ৰগতিৰ পৰিবেশ ৰচনা কৰাত আগভাগ লোৱা ব্যক্তিসকলৰ মাজৰ এজন আদৰ্শ ব্যক্তি আছিল মৌলানা আব্দুল হক (হক চাহাব)। ব্যক্তিগত জীৱনত এজন পৰহেজগাৰ নৈষ্ঠিক মুছলমান হোৱা সত্ত্বেও সামাজিক-ৰাজনৈতিক জীৱনত তেখেত আছিল এজন মানব দৰদী লোক। নিজ সম্প্ৰদায়ৰ উপৰিও ৰাজ্যখনৰ প্ৰতিটো জাতি গোষ্ঠীৰ দুখত তেখেতৰ অন্তৰে কান্দিব জানিছিল।

এনে এজন মানৱ দৰদী মানুহৰ জন্ম ১৯২০ চনৰ ১ জানুৱাৰীত। তেখেত অবিভক্ত চিলেট জিলাৰ পাথাৰকান্দী থানাৰ অন্তৰ্গত আচিমগঞ্জ অঞ্চলৰ সাতগুৰী গাৱঁৰ মানুহ। দেশ বিভাজনৰ পাছত সেই অঞ্চলটো নৱপ্ৰতিষ্ঠিত বৰ্ত্তমানৰ কৰিমগঞ্জ জিলাৰ অন্তৰ্ভূক্ত হয়। তেখেতৰ পিতৃৰ নাম মৌলানা জিল্লুল হক আৰু মাতৃৰ নাম নাজিয়া বেগম। তেখেতৰ ৪ বছৰ বয়সত মাতৃ বিয়োগ হয় আৰু তাৰ কিছুদিন পাছতেই তেখেতৰ পিতৃৰো ইন্তেকাল হয়। তেখেতৰ শৈশৰ কাল নিজৰ ককায়েক, ভায়েক আৰু একমাত্ৰ ভনীয়েক সকলৰ সৈতে অনেক কষ্টৰে অতিবাহিত কৰিব লগা হয়।

প্ৰতিবেশী আৰু আপোন পৰিয়ালৰ সহায়ত ওচৰৰে প্ৰাথমিক বিদ্যালয়ত শিক্ষাগ্ৰহণ কৰে। মাধ্যমিক আৰু উচ্চশিক্ষা গ্ৰহণ কৰে ‘আচিমীয়া আলিয়া খাৰিজীয়া মাদ্ৰাছা’ত। চিলেট টাইটেল মাদ্ৰাছালৈ গৈ তাত উচ্চ শিক্ষা সাং কৰি সৰ্ব্বোচ্চ

শিক্ষা গ্ৰহণৰ কাৰণে উত্তৰ প্ৰদেশৰ চাহাৰণপুৰ জিলাৰ ঐতিহাসিক আৰবী ইছলামিক বিশ্ববিদ্যালয় 'দাৰুল উলুম' দেওবন্দলৈ যায়। তাত শতকৰা ৯৫.৪ নম্বৰ লৈ তেখেতে দেওবন্দৰ মাদ্ৰাছাৰ সৰ্ব্বোচ্চ ডিগ্ৰী লাভ কৰে। মৌলানা হুছেইন আহমদ মদনী চাহাব তেখেতৰ দীক্ষাগুৰু আছিল। উক্ত মনিষী গৰাকীৰ সান্নিধ্যত থাকি হক চাহাবে দীক্ষাগ্ৰহণ কৰিছিল আৰু সফলতাৰে দীক্ষানুমতি প্ৰাপ্ত (ৱলায়ত) হৈ এক সংগ্ৰামী আৰু উজাগৰ সচেতক হিচাপে নিজৰ জনমভূমি অসমলৈ উভটি আহিছিল।

দেওবন্দত শিক্ষা সমাপ্ত কৰি মৌলানা হক চাহাবে প্ৰথমে কৰিমগঞ্জ 'আচিমীয়া আলিয়া খাৰিজীয়া মাদ্ৰাছা'ত শিক্ষকতাৰ কাম আৰম্ভ কৰে। তেখেতে বদৰপুৰ টাইটেল মাদ্ৰাছাতো কিছুদিনৰ বাবে শিক্ষকতা কৰিছিল। কৌমৰ ওপৰত বিভিন্ন ন্যস্তস্বাৰ্থৰ ষড়যন্ত্ৰ দেখি তেখেতৰ চৰকাৰী চাকৰিৰ প্ৰতি মোহ ভঙ্গ হয় আৰু চৰকাৰী চাকৰি বাদ দি সমাজ সেৱাত আত্মনিয়োগ কৰে। সেয়ে তেখেতে নিজাববীয়াকৈ চৰকাৰৰ আওতাৰ পৰা বাহিৰত গুৱাহাটীত 'দাৰুল উলুম' ১৯৬৮ চনত প্ৰতিষ্ঠা কৰে। অন্তিমমূহুৰ্ত্তলৈকে তেখেত উক্ত ধৰ্ম্মীয় শিক্ষাৰ পীঠস্থানখনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল।

১৯৬০ ৰ দশকত জমিয়তৰ পৃষ্ঠপোষকতাত দ্বীনী তালিম বোৰ্ড গঠন কৰা হয় আৰু তেখেতে তাৰ গুৰি কৰিছিল। দ্বীনী তালিম বোৰ্ডে মাদ্ৰাছা শিক্ষা সম্বন্ধীয় পাঠ্যক্ৰম আদি প্ৰস্তুত কৰাৰ উপৰিও কোৰাণ জ্যোতি নামৰ এখন আলোচনী প্ৰকাশ কৰিছিল।

হক চাহাব এজন সুদক্ষ লেখকো আছিল। বিভিন্ন সংবাদপত্ৰ, আলোচনী আদিত লিখাৰ উপৰিও তেখেতে ৰচনা কৰা গ্ৰন্থ কেইখন হল -'জিকৰুল্লাহ, কাদিয়ানী কোন, হুজুৰৰ দোৱা, ছৰঙ্গ ফায়চালা' আদি। তেখেতৰ 'তফচীৰুল কোৰাণ'— কোৰাণ শ্বৰীফৰ টীকা ভাষ্যখন অসমৰ বাবে এক জাতীয় সম্পদ।

তেখেত আছিল জাতিয়তাবাদী ভাবধাৰাৰে উদ্বুদ্ধ ব্যক্তি। অসম আন্দোলনৰ সময়ত ৰাজ্যখনৰ গোষ্ঠীগত সম্প্ৰীতিৰ যি ব্যাঘাত জন্মিছিল সেইয়া বহুলাংশে দূৰ হৈছিল হক চাহাবৰ একান্ত প্ৰচেষ্টাত। ভাৰতীয় কোনো সংস্থানে যেতিয়াই অসমৰ জনসাধাৰণৰ ওপৰত ষড়যন্ত্ৰ কৰা গম পাইছিল হক চাহাবে তাৰ বিৰুদ্ধে প্ৰতিবাদ কৰি থিয় দিছিল আৰু কঠোৰ স্থিতি গ্ৰহণ কৰিছিল। মুঠতে তেখেতে যি কাম কৰিছিল তাত ফুটি উঠিছিল সম্প্ৰীতিৰ অপূৰ্ব নিদৰ্শন।

এটা সুস্থ গণতান্ত্ৰিক বাতাবৰণ সৃষ্টি কৰিবৰ কাৰণে গঠিত হয় 'গণতান্ত্ৰিক অধিকাৰ সুৰক্ষা সমিতি' (গছ) আৰু ইয়াৰ কাৰ্যকৰী তৎপৰতাক আগুৱাই নিয়াৰ ভাৰ হক চাহাবেও বহন কৰিছিল। 'গছ'ৰ আন্দোলনৰ মাজেৰে তেখেতৰ নেতৃত্বাধীন জমিয়ত বা অসমৰ মুছলমান সম্প্ৰদায়ে প্ৰতিষ্ঠা কৰিলে যে অসমৰ জাতীয় সমস্যা সমাধানকল্পে তেখেতসকল আগবাঢ়ি আহিবলৈ কুণ্ঠাবোধ নকৰে।

ৰাজ্যিক জমিয়ত উলামাৰ ১৯৫৭ চনৰ পুনৰ গঠনৰ সময়ৰ পৰা হক চাহাব ২০০০ চনলৈকে একেৰাহে জমিয়তৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্য্যনিৰ্ব্বাহ কৰিছিল। সেই সময়ছোৱাত সভাপতি আছিল মৌলানা আহমদ আলী চাহাব। মৌলানা আহমদ আলী চাহাবৰ ২০০০ চনত ইন্তেকাল হোৱাৰ পাছত হক চাহাব তাৰ সভাপতি হয়। প্ৰায় তিনিবছৰ এই পদত থকাৰ পাছত তেখেতে বাৰ্দ্ধক্যজনিত কাৰণত উক্ত পদৰ পৰা অৱসৰ লয়।

অসম ৰাজ্যিক জমিয়ত উলামাৰ সভাপতি হৈ থাকোতে সোঁতৰ বিপৰীতে গৈ অসমৰ আঞ্চলিক দলসমূহৰ এক ৰাজনৈতিক ঐক্যজোটক সমৰ্থন আগবঢ়াইছিল যি এক সামাজিক ঐক্যৰ পৰিবেশো ৰচনা কৰিছিল। নিৰ্যাতিত, নিপীড়িত ব্যক্তিসকলৰ জাতিধৰ্ম্মৰ প্ৰশ্নবোৰ তেখেতৰ বিবেকত তুচ্ছ আছিল। তেখেত সংমিশ্ৰিত জাতীয়তাবাদৰ মতবাদত বিশ্বাসী আছিল আৰু সেই মতবাদ অনুসৰণ কৰি কাম কৰি গৈছিল।

এক কথাত কবলৈ গলে মৌলানা আব্দুল হক অসমৰ এজন আদৰ্শ সন্তান আছিল। শান্তিৰ বাৰ্তাবাহক আছিল।

১৯ মে' ২০০৮ চনত তেখেতৰ মৃত্যু হয়। তেখেতৰ পৰিবাৰ মৌলানা তাহেৰ আলী চাহাবৰ তৃতীয়া কন্যা ফখৰুণ নিছাৰ ২০০৭ চনত ইন্তেকাল হয়। মৌলানা হকৰ তিনিজন পুত্ৰ আৰু দুগৰাকী জীয়াৰী।❖

---

(মৌলানা ফজলুল কৰিম কাছিমীৰ হাতে লিখা টোকা 'মৌলানা আব্দুল হকৰ পৱিত্ৰ স্মৃতিত', জ্ঞান সম্ভাৰ জুন ২০০৮ সংখ্যাত প্ৰকাশিত সম্পাদকীয় 'হক চাহাবৰ আদৰ্শবোৰ' আৰু 'শান্তিৰ বাৰ্তাবাহক হক চাহাবৰ প্ৰস্থান' (ইন্দ্ৰজিৎ বেজবৰুৱা) ৰ আধাৰত সংকলিত)।

# আব্দুল জেলিল

আতিফা আমিন



উজনি অসমৰ গোলাঘাট চহৰত প্ৰফেচাৰ আব্দুল জেলিল চাহাবৰ জন্ম হয় ১৯২০ চনৰ ২৬ জুলাই তাৰিখে। পিতৃ ডাঃ মোহম্মদ ইউচুফ। মাতৃ খাইৰুণ নিছা এগৰাকী ধৰ্মপৰায়ণা আৰু মানৱ দৰদী মহিলা আছিল। প্ৰফেচাৰ জেলিল বুলিয়ে খ্যাত মোৰ বাবাক সৰুৰেপৰা দেখি আহিছিলো এগৰাকী গহীন-গম্ভীৰ ব্যক্তিত্বপূৰ্ণ ব্যক্তি হিচাবে। দেখিবলৈও সভা-শুৱনি আৰু পোছাক আদিত বৰ পৰিপাটি আছিল।

এজন প্ৰকৃত শিক্ষাবিদ আৰু দাৰ্শনিক হিচাবে তেখেতৰ এটা নাম আছে। সৰুৰে পৰাই তেখেতৰ এই মেধা শক্তিৰ পৰিচয় পোৱা গৈছিল। সেই সময়ৰ গোলাঘাট মহকুমাৰ প্ৰাথমিক বৃত্তি পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰাৰ দিনৰে পৰা, গোলাঘাটৰ গৱৰ্ণমেণ্ট বেজবৰুৱা হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত কেইবাটাও লেটাৰসহ 'ষ্টাৰ' লৈ উৰ্ত্তীৰ্ণ হোৱাৰ দিনৰে পৰা সকলোৰে প্ৰিয়পাত্ৰ হৈ পৰিছিল। তেখেত সৰুৰেপৰা শ্ৰেণীত কোনোদিনে প্ৰথম স্থানৰ বাহিৰে দ্বিতীয় স্থান পোৱা নাছিল। তেখেতৰ কলেজীয়া শিক্ষা আৰম্ভ হয় অসমৰ সৰ্ব্ববৃহৎ আৰু নামজ্বলা কটন কলেজত ১৯৩৬ চনত। তেখেতে এই কলেজৰ পৰাই দৰ্শন বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি স্নাতক ডিগ্ৰী লাভ কৰে। সেইসময়ত

অসমত বিশ্ববিদ্যালয় স্থাপন নোহোৱাত তেখেতে আলিগড় মুছলিম ইউনিভাৰ্চিটীত ভৰ্ত্তি হৈ একে সময়তে দৰ্শনত এম. এ. আৰু আইন পঢ়ে। এম. এত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান আৰু আইনতো সুখ্যাতিৰে উৰ্ত্তীৰ্ণ হৈ, ইজিপ্তৰ 'কাইৰো' বিশ্ববিদ্যালয়লৈ উচ্চ শিক্ষা ল'বলৈ চৰকাৰৰ ফালৰ পৰা সকলো ঠিক হৈ যোৱাৰ সময়তে দেউতাকৰ টান নৰিয়া হোৱাত তালৈ যোৱাটো আৰু হৈ নুঠিল।

এগৰাকী মেধাৱী ছাত্ৰ হোৱাৰ লগতে তেখেতে খেলা-ধূলা, সাঁতোৰা, গান গোৱা, তৰ্ক প্ৰতিযোগিতা আদিতো সমানে কৃতিত্ব অৰ্জ্জন কৰিব পাৰিছিল। কটন কলেজত পঢ়ি থকা সময়ত আন্তঃ জিলা কলেজ সমূহৰ মাজত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত সদায় প্ৰথম স্থান অধিকাৰ কৰি কলেজখনলৈ সুখ্যাতি অনাৰ লগতে সেইসময়ৰ কলিকতা আৰু পাটনা বিশ্ববিদ্যালয়সমূহত আন্তঃৰাজ্যিক তৰ্ক প্ৰতিযোগিতাতো সদায় প্ৰথম হৈ কলেজখনলৈ সুখ্যাতি কঢ়িয়াই আনিছিল।

তেখেতৰ অসীম সাহসিকতাৰ বিষয়েও গম পোৱা যায় এটি ঘটনাৰ পৰাই। শৈশৱত সহপাঠী এজনৰ সৈতে ভৰ বাৰিষা ধনশিৰীৰ বুকুত নাও এখনত উঠি ধেমালিতে উটি অহা কাঠৰ টুকুৰা এডোখৰ ধৰিবলৈ যাওঁতে হঠাৎ নাওখন লুটি খাই পৰাত অকস্মাতে সহপাঠীজন পানীত ডুব যায়। সহপাঠীজনে সাঁতুৰিব নাজানিছিল। এবাৰ কেনেবাকৈ সহপাঠীজন ওপৰলৈ উপঙি আহোতে চুলিকোছাতে থাপ মাৰি ধৰি উঠাই লৈ কোনোমতে সাঁতুৰি পাৰ পায়হি আৰু এইদৰে কোনোমতে দুয়োজনৰে জীৱন ৰক্ষা পৰে।

১৯৪৩ চনত কটন কলেজত অধ্যাপনা আৰম্ভ কৰা দিনৰে পৰা মৃত্যুৰ আগমূহূৰ্তলৈকে তেখেত আছিল আজীৱন শিক্ষাব্ৰতী। ১৯৬৮ চনত প্ৰায় আঢ়ৈ বছৰ কাল অধ্যক্ষ স্বৰূপে ডিফু কলেজত আৰু ১৯৭০ চনৰ পৰা প্ৰায় ডেৰ বছৰকাল অসমৰ শিক্ষা বিভাগৰ যুটীয়া সঞ্চালক হিচাবে কাৰ্য্য-নিৰ্বাহ কৰাৰ বাহিৰে সুদীৰ্ঘকাল তেখেতে অধ্যাপনা কৰিছিল কটন কলেজতে। ১৯৭২ চনৰ পৰা ১৯৭৪ চনৰ জুনলৈকে প্ৰায় আঢ়ৈ বছৰকাল তেখেতে কটন কলেজৰ অধ্যক্ষৰ পদ অলঙ্কৃত কৰিছিল। ইয়াৰ পিছত তেখেত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কলেজ সমূহৰ

পৰিদৰ্শকৰ পদত যোগদান কৰে আৰু মৃত্যুৰ আগমূহূৰ্ত্তলৈকে সেই পদত অধিষ্ঠিত আছিল। তেখেতৰ দাৰ্শনিক তথ্যসমৃদ্ধ বক্তৃতা শুনিবলৈ তেখেতৰ শ্ৰেণীত ল'ৰা বহিবলৈ ঠাই নোহোৱা হৈ পৰিছিল। তেখেতৰ Sense of Humour ও আছিল অগাধ। ছাত্ৰসকলে তেখেতক ভয় মিহলি ভক্তি কৰিছিল। ছাত্ৰসকললৈ তেখেতৰ পিতৃ সুলভ মৰম আছিল। বহুতো অভাৱগ্ৰস্ত ছাত্ৰক তেখেতে বিনামূলীয়াকৈ পঢ়াইছিল, নিজৰ পৰিয়ালৰো বহুতকে এইদৰে তেখেতে নিজ বাসভৱনত ৰাখি পঢ়িবলৈ সুবিধা কৰি দিছিল। দেখাত গহীন -গম্ভীৰ হ'লেও তেখেত অত্যন্ত মৰমীয়াল আছিল। সেয়েহে তেখেত আছিল সকলোৰে মৰমৰ 'জেলিল ছাৰ'।

তেখেতে অধ্যক্ষৰ দায়িত্ব লোৱাৰ বছৰতে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম হয় অসমীয়া। অসমৰ নামজ্বলা কটন কলেজত শিক্ষাৰ মাধ্যম অসমীয়া কৰাত অধ্যক্ষ স্বৰূপে তেখেতে যথেষ্ট দৃঢ়তা অৱলম্বন কৰিবলগীয়া হৈছিল। কটন কলেজৰ দৰে অসমৰ সৰ্ববৃহৎ কলেজত সকলো ভাষা-ভাষীৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে সুকলমে পঢ়িব পাৰে, তাৰ প্ৰতি তেখেত আছিল সচেতন। ১৯৭২ চনৰ নৱাগত আদৰণি স ভাত তেখেতে সেই কথা স্পষ্টভাৱে কৈছিল - 'অসমীয়া মাধ্যমৰ যোগেদি শিক্ষা প্ৰদান কৰা হ'লেও যাতে অনা-অসমীয়া ছাত্ৰ-ছাত্ৰীৰ অসুবিধা নহয় তালৈও চকু ৰখা হৈছে। শ্ৰেণীত গোটেই বক্তৃতাৰ সাৰাংশ ইংৰাজীত কোৱাৰ আৰু টান শব্দবোৰ ইংৰাজীত ব্যাখ্যা কৰি দিয়াৰ বন্দোবস্ত কৰা হৈছে।' যি কেইগৰাকী অধ্যক্ষৰ যত্নত কটন কলেজত স্নাতকোত্তৰ শ্ৰেণীসমূহ মুকলি কৰা হৈছিল তাৰে ভিতৰত তেখেতো অন্যতম। তেখেতৰ ৰচিত 'A Text book of Logic', "Essentials of Logic", "An Introduction to Ethics" কলেজসমূহৰ পাঠ্যপুথি। তাৰোপৰি তেখেতৰ অনেক মূল্যবান প্ৰবন্ধ-ৰচনা আদি বিভিন্ন বাতৰি-কাকত, আলোচনী আৰু অনাতাঁৰকেন্দ্ৰযোগে প্ৰকাশিত আৰু প্ৰচাৰিত হৈছিল।

পৱিত্ৰ ফাতেহা-ই-দোৱাজ দহম উপলক্ষত তেখেতৰ ভাষণে সকলোকে আপ্লুত কৰিছিল। কামৰূপ সাহিত্য পৰিষদৰ বকো অধিৱেশনৰ তেখেত আছিল বিশিষ্ট অতিথি। এজন নীৰৱ সমাজ সেৱক হিচাবে সমাজৰ সকলো শ্ৰেণীৰ লোকে

তেখেতক ভাল পাইছিল। আমাৰ মা বেগম মীৰা জেলিলকো তেখেতেই সমাজ-সেৱাৰ কাম কৰিবলৈ উদ্‌গনি দিছিল। নিজৰ পাঁচোটি সন্তানকেই তেখেতে নিজে লগত থাকি হাতে কামে শিক্ষা দিছিল। আল্লাই কৰাত তেখেতৰ পাঁচোটি সন্তানেই বৰ্তমান সমাজত সু-প্ৰতিষ্ঠিত।

পয়গম্বৰ হজৰত মোহাম্মদ (দঃ)এ দেখুৱাই যোৱা আদৰ্শেৰে সংসাৰৰ যাৱতীয় প্ৰায়বোৰ কাম নিজে কৰি ভাল পাইছিল। তেখেতে নিজে কৰা ফুলৰ বাগিচাখন সকলোৰে আকৰ্ষণৰ বস্তু আছিল। তেখেত ধাৰ্ম্মিক আছিল সঁচা কিন্তু গোড়া নাছিল। সকলো কামতে একমাত্ৰ আল্লাহতে ভৰসা কৰি চলিছিল। ১৯৭৬ চনৰ ৫ জুলাই সোমবাৰে ৰাতিপুৱা ৬ বজাত গুৱাহাটীৰ হেদায়েৎপুৰৰ বাসভৱনত তেখেতৰ ইন্তেকাল হয়। সকলোৰে আদৰণীয় আৰু আমাৰ অতি মৰমৰ বাবা আমাৰ মাজত নাই সঁচা, কিন্তু থৈ গ'ল আমাৰ কাৰণে অনুপ্ৰেৰণা আৰু মহান আদৰ্শ।❖

---

(লেখিকা জেলিল চাহাবৰ কন্যা)

# নিজামুদ্দিন আহমদ হাজৰিকা

ৰেকিবুদ্দিন আহমদ

সু-গায়ক নিজামুদ্দিন আহমদ হাজৰিকাৰ ১৯২০ চনৰ ডিচেম্বৰৰ ৪ তাৰিখে যোৰহাটত জন্ম হয়। দেউতাক আছিল বাঘ হাজৰিকা পৰিয়ালৰ প্ৰয়াত ডাঃ খুশ্ৰুৰ আলি হাজৰিকা।

সৰুৰে পৰা তেখেতৰ সঙ্গীতত ৰাপ আছিল আৰু ৪ বছৰ বয়সৰ পৰা সঙ্গীত চৰ্চ্চা কৰিছিল। সেই কুমলীয়া বয়সত তেখেতে গীত পৰিবেশন কৰিছিল। অসমৰ একালৰ প্ৰখ্যাত সঙ্গীতজ্ঞ কীৰ্তি নাথ শৰ্ম্মা বৰদলৈ, মুক্তি নাথ শৰ্ম্মা বৰদলৈ, খবিৰুদ্দিন আহমদ, নৱাব আটাউৰ ৰহমান আদি সঙ্গীতজ্ঞৰ ওচৰত সঙ্গীতৰ আদি শিক্ষা লাভ কৰে।

১৯৪৮ চনত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ পৰা কিছুদিন গীত পৰিবেশন কৰে। ১৯৪৮ চনত জানুৱাৰী মাহত আহমদাবাদত বহা গণনাট্য সংঘৰ অধিবেশনৰ পৰা ঘুৰি অহাৰ পথত কলিকতা অনাতাঁৰ কেন্দ্ৰৰ অসমীয়া শাখাৰ সেই সময়ৰ “প্ৰগেম এচিটেন্ট” উবেদুল লতিফ বৰুৱাৰ কাৰ্য্য কালত চৈয়দ আব্দুল মালিকৰ দুটি গীত আৰু নৰ বৰুৱা (সাংসদ হেম বৰুৱাৰ ভাতৃ)ৰ দুটি গীতৰ ষ্টুডিঅ ৰেকৰ্ডিং কৰে। উল্লেখযোগ্য যে নিজামুদ্দিন আহমদ গণ নাট্য সংঘৰ সম্পাদক আছিল। উক্ত সময়ছোৱাত তেখেত প্ৰখ্যাত সাহিত্যিক, পৰিচালক কে. এ. আব্বাচ, বোম্বাই বোলছবি জগতৰ সেই সময়ৰ বিখ্যাত অভিনেতা বলৰাজ চাহনী আৰু সঙ্গীত পৰিচালক সলিল চৌধুৰীৰ সান্নিধ্যলৈ আহে। তেখেত সকলৰ লগত হোৱা কথোপকথন আৰু সলিল চৌধুৰীক এটি অসমীয়া গীত শিকোৱাই মঞ্চত

পৰিবেশন কৰোৱাৰ কথা নিজামুদ্দিনে তেখেতৰ পৰবৰ্ত্তী জীৱনত মধুৰ স্মৃতি হিচাপে গণ্য কৰিছিল।

তেখেতে, চৈয়দ আব্দুল মালিক, দীননাথ শৰ্ম্মা, বানী বৰদলৈ, অলিমুন নিছা পিয়াৰ আৰু নুৰুল হক ৰচিত ভালেমান গীতত সুৰ আৰোপ কৰিছিল আৰু ভালে মান শিল্পীয়ে আঁনাতাৰ কেন্দ্ৰৰ যোগে এই গীতবোৰ পৰিবেশন কৰি ৰাইজৰ প্ৰশংসা লাভ কৰিছিল।

তেখেত যোৰহাটত থকা কালছোৱাত সেই সময়ৰ বিখ্যাত নাট্য গোষ্ঠী "ফ্ৰেণ্ডচ থিয়েটাৰ" ৰ দ্বাৰা আয়োজিত নাটক সমূহত অভিনয় কৰাৰ উপৰিও সঙ্গীত পৰিচালনাৰ দায়িত্ব বহন কৰিছিল।

তেখেতে ১৯৫৭ -৫৮ চনত যোৰহাট "মিলিত শিল্পী সমাজ"ৰ তৰফৰ পৰা প্ৰযোজিত, ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক প্ৰাপ্ত প্ৰথম অসমীয়া বোল ছবি 'ৰঙা পুলিচ'ত সঙ্গীত পৰিচালনা কৰিছিল। চৰকাৰী চাকৰি সংক্ৰান্তত ডিব্ৰুগড়, শদিয়া আদি ঠাইত শিক্ষকতা কৰি থকা কালছোৱাত সাংস্কৃতিক অনুষ্ঠান সমূহত অৰিহনা যোগোৱাৰ উপৰিও ডিব্ৰুগড় সঙ্গীত বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সদস্য আছিল আৰু অবৈতনিক ভাবে সঙ্গীত শিক্ষা প্ৰদান কৰিছিল।

নিজামুদ্দিন চাহাবৰ চখ সঙ্গীতৰ প্ৰতি আছিল কিন্তু তেখেতৰ পেছা আছিল শিক্ষকতা। শদিয়া, ডিব্ৰুগড়, তিনিচুকীয়া আদি ঠাইত চাকৰি কৰাৰ অন্তত বিদ্যালয় সমূহৰ সহ-পৰিদৰ্শক, উপ-পৰিদৰ্শক হিচাপে তিতাবৰ, গোলাঘাট, ডিব্ৰুগড়, নগাওঁ, মঙ্গলদৈ, মৰিগাওঁ আদি ঠাইত সেৱা আগবঢ়াই ১৯৮১ চনত চাকৰিৰ পৰা অৱসৰ লয়। তেখেতে যোৰহাটৰ পুৰণি বাসিন্দা হৈয়ো নগাওঁতে ঘৰদুৱাৰ সাজি স্থায়ী ভাবে থাকিবলৈ লয়।

নগাওঁত থকা কালছোৱাত তেখেতে বিভিন্ন সঙ্গীত প্ৰতিযোগিতাৰ বিচাৰক হোৱাৰ উপৰিও বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠানৰ পৰা সৰ্ম্বদ্ধনা আদি লাভ কৰে। সদৌ অসম সঙ্গীত প্ৰতিযোগিতাৰ বিচাৰকৰ আসন তেখেতে শুৱনি কৰে। নিজামুদ্দিন আহমদ সুৰাৰোপিত যোৰহাটৰ মুহিবুদ্দিন আহমদ(তগৰ)ৰ কণ্ঠৰ "নেকান্দিবি আৰু মন" (নুৰুল হক ৰচিত) গীতটি প্ৰখ্যাত গায়ক জুবিন গাৰ্গে 'তগৰৰ সুবাস' নামৰ কেছেটটিত গায়। ইয়াৰ উপৰিও তেখেতৰ সুৰাৰোপিত গীত "মোৰ জীৱনৰ ফাগুন যিদিনা হ'ব"..... গীতটি ১৯৯৯ চনৰ "মিঠা পৰশ" নামৰ কেছেটটিত অসমৰ

সুকণ্ঠী গায়ক দিলীপ দাসৰ কণ্ঠত মুক্তি পালে। তেখেতে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱৰালৰ 'লুইতৰ আকাশত তৰাৰ তৰাৱলী" নামৰ গীতটিতো সুৰ কৰিছিল।

তেখেতে ১৯৫৭ চনৰ মে মাহত যোৰহাটত চেলিনা আহমদক বিয়া কৰায়। ১৯৯৪ চনৰ ৫ এপ্ৰিলত এই গায়ক গৰাকীৰ কণ্ঠ চিৰ দিনৰ বাবে নীৰৱ হৈ যায়। ❖

(লেখক নিজামুদ্দিন আহমদৰ পুত্ৰ) ।